৭০ তম সংখ্যা

# কটনিয়ান

১৯৯৫-৯৬ চন

# THE COTTONIAN

LXX th Volume 1995-96


**Prof. In Charge :**
*Dr. Ramesh Chandra Pathak*

**ditor :**
*anjeeb Kumar Nath*

**Cotton College, Panbazar**
**Guwahati-1**

# THE COTTONIAN

# কটনিয়ান


**EDITORIAL BOARD**

**President :**
Dr. Trishna Mahanta,
Dean, Cotton College

**Prof. in Charge :**
Dr. Ramesh Chandra Pathak
Lecturer, Dept. of Assamese.

**Editor :**
**Sanjeeb Kumar Nath**

**Members :**
Pradip Acharjee
Lect. Dept. of English.
Manju Devi Pegu
Lect. Dept. of Assamese.
Susendra Saikia
Nihar Ranjan Bhattacharjee
Pranjal Saikia
Biswajit Sarma
Jogen Borah
Rimjhim Borah
Joydeep Boruah

**Cover :**
Pranjal Saikia.

**Back Cover :**
A Painting by **NeelPawan Baruah**

**Illustrations :**
Ranjit Gogoi
Pranjal Saikia



**Special Thanks to :**

**DEBABRATA DAS**
**NALINIDHAR BHATTACHARJEE**
**SAMEER TANTI**
**RANJIT GOGOI**
**GAUTAM KAKATI**
**ARUP SARKAR**
**DR. POBITRA BORGOHAIN**
**DR. RAMCHARAN THAKURIA**
**AND**
**STAFF AND WORKERS OF**
**SCREEN IMAGE PRESS**

**Printed at :** Screen Image
Industrial Area
Bamunimaidam
Guwahati-21

# ।। এই সংখ্যাত আছে।।


সম্পাদকীয়
শ্ৰদ্ধাঞ্জলী
**ঃ প্ৰবন্ধ ঃ**
মহাকৰ্ষণৰ আধুনীকতম্ তত্ত্ব ঃ ড° পবিত্ৰ বৰগোহাঞি
অসমীয়া কবিতাৰ বিৱৰ্তন সন্দৰ্ভত ঃ পৱন কুমাৰ বৰুৱা
অসম, আঞ্চলিকতাবাদ আৰু ৰাষ্ট্ৰ চৰিত্ৰৰ বিশ্লেষণ ঃ উদয়াদিত্য ভৰালী
টাই ফাকে ঃ জীৱন আৰু সংস্কৃতি ঃ তিলোত্তমা বৰুৱা
নব্বৈৰ দশকত 'কটনিয়ান'ৰ গল্প ঃ দেবব্ৰত দাস
শব্দ - বৰ্ণ - বাক্য ঃ অৰিন্দম বৰকটকী
'কটনিয়ান'ৰ কবিতাত এভুমুকি ঃ নলিনীধৰ ভট্টাচাৰ্য্য
**।। অন্তৰংগ আলাপ ।।**
এজন জীৱন শিল্পীৰ সৈতে এটি সন্ধিয়া ঃ বিশ্বজিত শৰ্ম্মা, ৰিমঝিম্ বৰা
**ঃ গল্প ঃ**
পাগলৰ দিনলিপি ঃ বিপুল কলিতা
শেষ যাত্ৰা ঃ মৃণাল চন্দ্ৰ কলিতা
আলি দোমোজা ঃ ৰঞ্জন ভট্টাচাৰ্য্য
মোৰ মৃত্যুত ঃ সৌৰভ
সংগোপনে সেউজীয়া ঃ মনালিচ্ছা শইকীয়া
**।। অনুবাদ গল্প ।।**
প্ৰথম দলংখন ঃ মূল হৰিশংকৰ পৰসাই, অনুবাদ ঃ ভূষণ চন্দ্ৰ পাঠক
**ঃ ভিন্ন ছন্দ ঃ**
কটনৰ সন্ধানত।। অসময় সময়।। ভাৱ বৰ্ণালি।।
**ঃ বাটৰ নাট ঃ**
বিপন্ন স্বদেশ ঃ ড° সীতানাথ লহকৰ
**ঃ ৰম্য ৰচনা ঃ**
শ্ৰেণী বিহীন সমাজ ঃ ড° ৰমেশ পাঠক
**ঃ ভ্ৰমণ ঃ**
১। মৰুৰ দেশ, মানুহৰ দেশ - আৰবত এভুমুকি।। মীৰাটৰ আচৰিী প্ৰতিযোগিতাত কেইদিনমান।।
**ঃ কবিতা ঃ**
প্ৰণৱ কুমাৰ বৰ্ম্মন।। হেমাঙ্গ কুমাৰ দত্ত।। পলাশ ৰঞ্জন গগৈ।। প্ৰাণজিৎ বৰা।। যোগেন বৰা।। ৰাজেন দাস।। ৰঞ্জন ভট্টাচাৰ্য্য।। নয়ন পল্লৱ শৰ্ম্মা।। শৈলেন বৰকাকতি।। দিপ্জ্যোতি দাস।। শিৱ প্ৰসাদ বড়া।। ধীৰাজ কুমাৰ শৰ্ম্মা।। অৰবিন্দ চক্ৰবৰ্ত্তী।। ভগৱান গোস্বামী।।
**ঃ অনুবাদ কবিতা ঃ**
ভাল ঠাইখন ক'ত।। বিচাৰৰ সমৰণি।। বহাগ।।
**ঃ ব্যঙ্গ কবিতা ঃ** ডেইজীৰ লেটাৰ।।
**ঃ কথোপকথন ঃ**
সুৰেৰেই যিয়ে সজালে জীৱন ঃ বিপুল কলিতা, শৈলেন দত্ত দাস।
**ঃ বিবিধ ঃ**
ৰাৰহুংখা।। বিবেকস্তম।। संस्कृतं हि भारतात्मा।। জীৱন শব্দের খেলা।। छोटि मुंह बड़ी बात।। Ngolusin Taniyc।। Pai Kanghon।। Arabic Poem।।
**ঃ প্ৰাচীৰৰ ৰেঙনি ঃ**
জয় আই অসম।। তুমি আহিলে।। এবুকু চৰাইৰ গানত।। এনেকুৱাও ঘটে।। Numbers Numbers।। Internet।। Queueing Theory
**ঃ সম্পাদকীয় বাছনি ঃ**
বৃত্তি নিৰ্ব্বাচন প্ৰসঙ্গত এজন যুৱক।। গধূলি (কবিতা)।। সঙ্কল্প আৰু কাৰ্য্য।। কেপাঁহি বাপুৰ চিঠিৰ পিঠিত বৰবৰুৱাৰ টীকা।।
**ঃ কটন কলেজ শিতান ঃ**
পত্ৰালাপ।। আলোকত বন্দী কিছু স্মৃতি ।। কটন কলেজ ছাত্ৰ সন্থাৰ বিষয় ববীয়াসকলৰ প্ৰতিবেদন।।


❑ ❑

**মানুহৰ স্থিতি** :- "The World's a bubble and the life of man less than a span."

মহাবিশ্বৰ সীমাহীন বিশালতাৰ পৰিপ্ৰেক্ষিতত 'পৃথিৱী' নামৰ গ্ৰহটো এটি বিন্দুৰ সৈতেও তুল্য নহয়। আৰু 'মানুহ'। 'মানুহ এই অতি ক্ষুদ্ৰকায় গ্ৰহটোৰ বৃদ্ধ বয়সত ইয়াৰ উপৰিভাগত আচম্বিতে সৃষ্টি হোৱা এবিধ বীজানুহে। অসীম মহাবিশ্বৰ পৰিপ্ৰেক্ষিতত - 'মানুহ'ৰ উৎপত্তি এক তাৎপৰ্য্যহীন জৈৱিক পৰিঘটনা (দুৰ্ঘটনা?) মহাবিশ্বৰ আৰু কোন কোন বিন্দুত বা প্ৰতি মুহূৰ্ত্ততে এনে অসংখ্য জৈৱিক পৰিঘটনা সংঘটিত হব লাগিছে তাৰ লেখ লোৱাৰ সামৰ্থ্য 'মানুহে' এতিয়াও আহৰণ কৰিব পৰা নাই। এই উপলব্ধি হয়তো মানুহৰ বাবে কৰুণ। এই দৃষ্টিকোণৰ পৰা আজিৰ পৰা দুই শতিকা আগৰ মানুহ বহু বেছি আশ্বস্ত আছিল নিজৰ অবস্থিতি (অমৰত্ব) সম্পৰ্কে। তেতিয়া 'পৃথিৱী' আছিল মহাবিশ্বৰ কেন্দ্ৰ আৰু 'মানুহ' সেই কেন্দ্ৰৰ 'অধিবাসী', - মহাবিশ্বৰ গৰাকী ঈশ্বৰৰ 'সৰ্বশ্ৰেষ্ঠ সৃষ্টি'। কিন্তু আমাৰ (মানুহৰ) নিৰ্ভৰযোগ্য যুক্তি জ্ঞান আৰু কিছু নিৰপেক্ষ বিচাৰ শক্তিয়ে আমাক যি সত্যৰ সন্ধান দিছে, সেই সত্য নিষ্ঠুৰ আৰু পীড়াদায়ক হলেও, ভুৱা আশ্বাস আৰু মৰীচিকা সদৃশ সকলো বক্তব্যই সেই সত্যক বাট এৰি দিবলৈ বাধ্য আৰু সচা অৰ্থত মানুহৰ মঙ্গলৰ বাবে সেয়াই কাম্য, কিয়নো মানুহৰ অস্তিত্বৰ প্ৰতি সম্পূৰ্ণ নিৰ্লিপ্ত প্ৰকৃতিৰ ওচৰত অসহায় আৰু নিঠৰুৱা মানুহৰ নিজৰ সামান্য বিচাৰ-জ্ঞান আৰু যুক্তি চেতনাৰ বাদে অইন কোনো 'বন্ধু' নাই। সামান্য হলেও কেবল এই শক্তিয়েহে মানুহৰ মঙ্গল সাধন কৰিব পাৰে।

এই মুহূৰ্ত্তত মানুহৰ এই ক্ষুদ্ৰত্ব আৰু তাৎপৰ্য্যহীনতা আমাৰ আলোচ্য বিষয় নহয়। কিন্তু আমাৰ বিবেচ্য প্ৰশ্ন হ'ল এই ক্ষুদ্ৰত্বৰ অনুধাৱনৰ পাছতো মানুহ কিহৰ বাবে আৰু কিদৰে বাচি থাকিব বা আছে? মানুহে জানে যে জগতত তেওঁৰ অবস্থিতি চিৰন্তন নহয়। তথাপিও মানুহে কেবল নিজৰ বাবে সংগ্ৰহ কৰে। কেবল নিজৰ জীৱনকালতো বৈষয়িক ভোগ-বিলাসত কটাই দিবলৈ মানুহক যিমান প্ৰয়োজন হয়, সিমানখিনি সংগ্ৰহ কৰাতেই সি ক্ষান্ত নাথাকে। মানুহে জানে যে এই পৃথিৱীৰ বুকুৰ পৰা জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় মৌলিক বৈষয়িক উপাদানসমূহ আহৰণ কৰিব নোৱাৰিলে ইয়াত তাৰ ক্ষন্তেকিয়া জীৱনো অসম্ভৱ। মানুহে ইয়াকো জানে যে প্ৰকৃতিৰ এই বৈভৱসমূহৰ উপৰত তাৰ অধিকাৰ চিৰন্তন নহয় - সি তেনেই ক্ষন্তেকিয়া। প্ৰকৃতিৰ যি বৈভৱৰ ওপৰত মানুহে নিজৰ মালিকী স্বত্ব সাব্যস্ত কৰে সেই বৈভৱবোৰেহে মানুহৰ 'অস্তিত্ব'ৰ উন্মেষ ঘটাইছে আৰু এদিন এই প্ৰকৃতিয়েই তাৰ সেই অস্তিত্ব কাঢ়ি ল'ব। এতেকে প্ৰকৃতিৰ বৈভৱসমূহৰ ওপৰত মানুহৰ মালিকীস্বত্ব এক অৰ্থহীন ধাৰণা মাথোন। তথাপিও কিছুমান মানুহে (যি সকলে সেই সুবিধা কিবা প্ৰকাৰে লাভ কৰে) উৎপাদনৰ সেই উপাদনবোৰ (প্ৰকৃতিৰ সেই বৈভৱবোৰ) এইদৰে কেবল নিজৰ ব্যক্তিগত দখলত ৰাখিব বিছাৰে (আৰু ৰাখে) যে এই পৃথিৱীৰ বেছিসংখ্যক মানুহেই নিজৰ প্ৰয়োজন অনুসৰী নিজৰ শ্ৰমৰ বিনিময়তো জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় জৈৱিক উপাদনসমূহ অহৰণ কৰিবলৈ সমৰ্থ নহয়। উৎপাদনৰ উপাদানসমূহৰ ওপৰত এমুঠি মুষ্টিমেয় মানুহৰ অধিকাৰ ইমান ব্যাপক হয় যে অইন সকলো মানুহে জীৱনৰ নূন্যতম প্ৰয়োজন সমূহ পূৰণ কৰিবলৈ হ'লে সেই এমুঠি মুষ্টিমেয় মানুহৰ 'কৃপা'ৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব, প্ৰকৃতিৰ বৈভৱ সমূহৰ (উৎপাদনৰ উপাদান) ওপৰত তেওঁলোকৰ মালিকীস্বত্বৰ ওপৰত প্ৰশ্ন তোলাটো দূৰৈৰে কথা, সেই 'মালিকীস্বত্ব'ক নিজৰ শ্ৰমেৰে অধিক দৃঢ় কৰাৰ বিনিময়তহে অইন মানুহবোৰে তেওঁলোকৰ প্ৰয়োজনীয় আহাৰ আৰু বস্ত্ৰ পাব। মানুহৰ ওপৰত মানুহৰ এই অহৈতুক ক্ষমতা বিস্তাৰ নিঃসন্দেহে অযৌক্তিক। আৰু সামগ্ৰিক ভাৱে সকলো ক্ষুদ্ৰত্ব আৰু তাৎপৰ্য্যহীনতাৰ পৰিপ্ৰেক্ষিতত এনে ক্ষমতা বিস্তাৰ নিতান্তই অৰ্থহীন। কিন্তু সবাতোকৈ বেছি আশ্চৰ্য্য জনক কথাটো এয়ে যে এই সমূহ সত্য বিদিত হোৱাৰ পাছতো এচাম মানুহে নিজৰ সৰ্বশক্তিৰে আজি এই বাণীৰ প্ৰচাৰ কৰাত ব্যস্ত যে 'ক্ষমতা বিস্তাৰ'ৰ এই খেলখনেই এক 'তেজস্বী জীৱন'ৰ ভেটি হব পাৰে। এই আদৰ্শ অনুযায়ী যি মুষ্টিমেয় দুই এজনে এই খেলত অংশ গ্ৰহণ কৰিব বিছাৰে তেওঁলোকে এই খেলত অংশ গ্ৰহণ কৰি জয়লাভ কৰক নাইবা পৰাজয় বৰণ কৰি নিঃশেষ হওক আৰু অইন সকলো মানুহ এই খেলখনৰ সা-সৰঞ্জাম হওক। এনে কৰা হৈছে নিঃসন্দেহে সেই মুষ্টিমেয় চামৰ স্বাৰ্থত। আৰু এই 'বাণী' প্ৰচাৰৰ বাবে তেওঁলোকে সকলো সাম্ভাব্য কৌশল অবলম্বন কৰিছে, সকলো মাধ্যম ব্যৱহাৰ কৰিছে - ৰেডিঅ', টিভি, বিজ্ঞাপন, চলচিত্ৰ, গীৰ্জা, মন্দিৰ, মচ্জিদ সকলো। (নহলেনো যি ঠাইত মানুহে মুকলি আকাশৰ তলত ফুটপাথত ইতৰ প্ৰাণীৰ সৈতে শুই মৃত্যুবৰণ কৰে সেই ঠাইত মন্দিৰ, মচ্জিদ আৰু গীৰ্জাবোৰ নিৰ্বিঘ্নে ঠিয় হৈ থাকিব পাৰেনে - তাকো পৃথিৱী মহাবিশ্বৰ কেন্দ্ৰ নহয় বুলি আৰু মানুহ 'ঈশ্বৰ'ৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি নহয় বুলি যুক্তি আৰু প্ৰগাঢ় পৰ্য্যবেক্ষণে সিদ্ধ কৰাৰ পাছতো?) আৰু এই সকলো কৌশল যেতিয়া ব্যৰ্থ হয় তেতিয়া দাসত্ব স্বীকাৰ কৰিবলৈ অমান্তি হোৱা সকলক বা প্ৰতিদ্বন্দ্বীসকলক নিৰ্মম ভাৱে হত্যা কৰা হয় - এটম বোমা দি বা বিষাক্ত গেছ প্ৰয়োগ কৰি, - আৰু এই পৰস্পৰ হত্যাকাণ্ডৰ নাম দিয়া হয় (উভয় পক্ষৰ দ্বাৰা) 'ধৰ্ম্মযুদ্ধ'।

সাম্প্ৰতিক সময়ত বিশ্বব্যাপি প্ৰচলিত অৰ্থনৈতিক-ৰাজনৈতিক ব্যৱস্থাৰ মৰ্ম হ'ল ওপৰোক্ত কথাখিনি। এই ব্যৱস্থাই অৱধাৰিত ভাৱে নিৰ্দ্ধাৰণ কৰিছে আধুনিক মানুহৰ স্থিতি। এই বাস্তৱ সত্যক বুজিবৰ বাবে কোনো মতাদৰ্শগত দীক্ষা বা তেনে আনুগত্য দৰ্কাৰী নহয়, শ্ৰণী-সংগ্ৰামত বিশ্বাসী হোৱাটো জৰুৰী নহয় বা প্ৰলিতাৰীয় আৰু 'পুঁজিপতি'ৰ ঐতিহাসিক বস্তুনিষ্ঠ ব্যাখ্যা বুজাৰো দৰ্কাৰ নহয়। আমি কোনো ভাববাদী অথবা দাৰ্শনিক দৃষ্টিকোণৰ পৰা এই বিষয় উত্থাপন কৰা নাই। আমাৰ মতামত সিদ্ধ কৰিবলৈ উৎপাদনৰ উপাদন (ঔদ্যোগিক কেচামাল), জনসংখ্যা, শ্ৰম, নিয়োগ জীৱনধাৰণৰ সামগ্ৰিক মান আৰু ভোগমাত্ৰা সম্পৰ্কে পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ বিষয়ে বিভিন্ন নিৰ্ভৰযোগ্য সংস্থাই (UNDP, ILO প্ৰভৃতি) যুগুতোৱা বিস্তৃত পৰিসংখ্যাই যথেষ্ট।

তেনেহলে এই প্ৰৱঞ্চনাময় ব্যৱস্থাৰ পৰা মানুহৰ পৰিত্ৰাণৰ উপায় কি? এক অধিক মানবীয় আৰু যুক্তিনিষ্ঠ ব্যৱস্থা, য'ত মানুহৰ শান্তিৰ বাবে মানুহৰ সান্নিধ্যই যথেষ্ট হ'ব, য'ত এটি নিষ্ঠুৰ আৰু মানবীয় প্ৰেমবিহীন ব্যৱস্থাত ভাৰাক্ৰান্ত-হতাশাগ্ৰস্ত মানুহে কোনো কাল্পনিক 'ঈশ্বৰ'ৰ সহায় বিচাৰি মন্দিৰ, মচ্জিদ অথবা গীৰ্জাৰ দুৱাৰত থিয় হব নালাগিব - তেনে এক ব্যৱস্থাৰ উদ্ভৱ কিদৰে ঘটিব? এই প্ৰশ্ন ইয়াৰ আগতেও বহুবাৰ বুহ বিশিষ্ট চিন্তাবিদ আৰু মনীষিৰ দ্বাৰা বিবেচিত হৈছে। কিন্তু দুৰ্ভাগ্যৰ বিষয়— এই সন্দৰ্ভতো কোনো এক সৰ্ব্বজনগ্ৰাহ্য নিৰ্দিষ্ট পথ নাই। তথাপিও এনে এক দৰ্শনৰ সন্ধান হয়তো পোৱা যায় যাৰ অধিকাংশ মতামত আৰু ব্যৱস্থাৱলীৰ কাৰ্য্যকাৰীতা সন্দৰ্ভত অধিক সংখ্যক যুক্তিনিষ্ঠ সৎ চিন্তাবিদ একমত। সমগ্ৰ বিশ্বৰ সৎ সচেতন ব্যক্তি তেনে এক আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হবলৈ বাধ্য আৰু যিসকল এতিয়াও সচেতন হব পৰা নাই তেওঁলোকৰ চেতনাৰ দুৱাৰ মুকলি কৰিবলৈ যত্নপৰ হোৱাটো তেওঁলোকৰ পবিত্ৰ কৰ্ত্তব্য। পাৰ্থিৱ সভ্যতাৰ ক্ষেত্ৰত কালৰ ঐতিহাসিক গতি কোনো বিশেষ যুগৰ মানুহৰ প্ৰতি বা কোনো বিশেষ প্ৰজন্মৰ প্ৰতি সদয় নহয়। সেই নতুন মানবীয় ব্যৱস্থাৰ উন্মেষ ঘটালৈকে মানুহে হয়তো অপেক্ষা কৰিব লাগিব আৰু কেইটামান প্ৰজন্ম (যদি তেতিয়ালৈকে যুদ্ধই মানুহক শেষ নকৰে)। সেই ব্যৱস্থাত মানুহৰ ক্ষুদ্ৰত্ব আৰু তাৎপৰ্য্যহীনতাৰ অনুধাৱন হোৱাৰ পাছতো কেবল মানুহৰ বাবেই থাকিব মানুহৰ মূল্য, মানুহৰ চিন্তা আৰু যুক্তিয়ে জয়লাভ কৰিব, এই মহাবিশ্বৰ অনুসন্ধান মানুহে আৰু দূৰলৈ প্ৰসাৰিত কৰিব, মানুহৰ প্ৰচেষ্টাই সৃষ্টি কৰিব পৰা সৌন্দৰ্য্যত মানুহৰ বিশ্বাস স্থাপিত হ'ব, - আৰু এইদৰে সকলো তাৎপৰ্য্যহীনতাৰ মাজতো মানুহে লাভ কৰিব জীৱন।

কেবল এই আশাইহে আমাক জীয়াই থাকিবৰ বাবে প্ৰেৰিত কৰিব পাৰে।

**সাহিত্য, সাহিত্যিক আৰু লেখকৰ স্বাধীনতা** :- 'লেখক বা সাহিত্যিক সকল (বা অন্য যিকোনো কলাকাৰ) কোনো মতাদৰ্শগত আবেষ্টনীৰ মাজত সোমাই পৰা উচিৎ নহয়। আৰু সাহিত্য সৃষ্টি ইত্যাদিক সামাজিক তথা অইন যিকোনো ধৰণৰ উপযোগিতাৰ বিবেচনাৰ উৰ্দ্ধত ৰখা উচিৎ।' বহু নন্দনতাত্ত্বিকে কব খোজে যে ওপৰোক্ত বক্তব্য সন্দৰ্ভত দ্বিমত থকা উচিৎ নহয়। কিন্তু এই বিষয়ে বিশেষ বিতৰ্কৰ পাতনি নেমেলাকৈয়ে (স্থানাভাৱত) এই বিশেষ মতবাদৰ যথাৰ্থতা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিব পৰা যায়। প্ৰথম কথা, বেছিভাগ ক্ষেত্ৰতেই 'মতাদৰ্শগত আবেষ্টনী' বোলা কথাটো এক বিষয়নিষ্ঠ ধাৰণাহে, বস্তুনিষ্ঠ বাস্তৱতা নহয়। 'মতাদৰ্শগত আবেষ্টনী'ৰ মাজত নোসোমোৱা মানে কোনো বিতৰ্কিত বিষয় সন্দৰ্ভত কোনোধৰণৰ মতামত পোষণ নকৰি এক নিৰাপদ মৌনতা অবলম্বন কৰাটোকে, (লাগিলে সেই বিষয়ৰ সাম্প্ৰতিক প্ৰাসঙ্গিকতা যিমানেই এৰাব নোৱাৰা বিধৰ নহওক কিয়), বুজায় নেকি? যেতিয়া ঐতিহাসিক কাৰণত এনে এক পৰিস্থিতিৰ উদ্ভৱ হব যে কোনো বিষয়ৰ চূড়ান্ত নিষ্পত্তিৰ বাবে এখন দেশৰ বা এখন সমাজৰ সকলো সদস্যই সেই বিষয় সন্দৰ্ভত সপক্ষে বা বিপক্ষে এক নিৰ্দিষ্ট অবস্থান গ্ৰহণ কৰাটো প্ৰয়োজনীয় হৈ পৰে তেতিয়া সেই লেখক বা সাহিত্যিক সকলে কি কৰিব? তেনে এক পৰিস্থিতিটো

তেওঁলোকে নন্দনতত্ত্বৰ দোহাই দি সেই বিষয় সন্দৰ্ভত কোনো নিৰ্ণায়ক স্থিতি গ্ৰহণ নকৰি 'নিৰপেক্ষতা' অৱলম্বন কৰিব নেকি? কোনো এটা পক্ষ লবৰ বাবে তেওঁলোকে কোনো দাৰ্শনিক মতবাদত দিক্ষিত হোৱাৰ দৰ্কাৰ নাই, কিন্তু তেওঁলোকৰ অন্ততঃ নিজা এক মতামত থকাটো নিতান্তই বাঞ্চনীয়। কিন্তু তাৰ বিপৰীতে এক হাস্যকৰ 'নিৰপেক্ষতা' অৱলম্বন কৰাতো হয় সত্যনিষ্ঠাৰ অভাৱ, নহলেবা সুবিধাবাদ।

আমাৰ বহু পাবত গজা লেখক/সাহিত্যিকৰ এই দুৰ্ব্বলতা বাৰুকৈয়ে চকুত পৰা বিধৰ। 'সাহিত্য সাধনা'ৰ দোহাই দি তেওঁলোকে সাম্প্ৰতিক সময়ৰ বহু জটিল বিষয় এৰাই চলিব বিচাৰে। ৰাজনীতি বিষয়ক প্ৰশ্ন উত্থাপন হলেই তেওঁলোক দূৰতে বিদূৰ হয়। 'ৰাজনীতি'ৰ দৰে অসৎ লোকৰ পেচাত তেওঁলোকৰ দৰে 'সৎ' আৰু 'নিৰ্ম্মল' চৰিত্ৰৰ মানুহবোৰে একো মাত মাতিব নোখোজে। অথচ কেনে ধৰণৰ ৰাজনৈতিক ব্যৱস্থাইহে এখন স্বাভাৱিক-সুস্থ সমাজৰ জন্ম দিব পাৰে সেই বিষয়ে তেওঁলোকৰ কোনো স্পষ্ট ধাৰণাটো নায়েই, সেই সন্দৰ্ভত প্ৰকৃত সত্যৰ সন্ধানত ব্ৰতী হবলৈও তেওঁলোক কিঞ্চিতো আগ্ৰহী নহয় (অথবা সমৰ্থ নহয়)। যুক্তি আৰু সত্যৰ প্ৰতি ঐকান্তিক নিষ্ঠতা অবিহনে এনে হোৱাটো স্বাভাৱিক। অথচ আশা কৰা যায় যে সমাজ চেতনাত প্ৰভূত প্ৰভাৱ পেলাব পৰা এই লেখকসকলেই তেনে জটিল বিষয় সন্দৰ্ভত সত্যৰ অনুসন্ধানত একনিষ্ঠ ভাৱে ব্ৰতী হৈ প্ৰকৃত সত্যৰ পিনে ইঙ্গীত কৰিবলৈ সমৰ্থ হ'ব।

আমি ভাৱো সস্তিয়া জনপ্ৰিয়তাৰ লোভেই বহু লেখকৰ এনে নিবীৰ্য্যতাৰ মূল কাৰণ।

'কলাৰ বাবে কলা বা সাহিত্যৰ বাবে সাহিত্য।' বহু কলাকাৰ বা বিশুদ্ধ সাহিত্যিকে নিজৰ 'স্বাধীনতা' ৰক্ষাৰ্থে এই বাণীকেই সৰোগত কৰি সৃষ্টি কৰ্ম্মত নিবিষ্ট হয়। কিন্তু বাস্তৱ ক্ষেত্ৰত এনে ধাৰণাৰ অমূলকতাক বুজিবলৈ সামান্য বিচাৰ বুদ্ধিয়েই যথেষ্ট। যিকোনো কলা সৃষ্টি বা সাহিত্য সৃষ্টি—দৰ্শক, শ্ৰোতা বা পঢ়ুৱৈ অবিহনে কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। লেখকে যেতিয়া লেখে তেওঁৰ দৃষ্টিত পৰোক্ষভাৱে হলেও পাঠক থাকিবই লাগিব। পাঠক অবিহনে তেওঁৰ সৃষ্টিৰ কোনো মূল্য থাকিব নোৱাৰে। পাঠকেহে তেওঁৰ সৃষ্টিক সম্পূৰ্ণ কৰে। কোনো 'মতাদৰ্শগত' প্ৰলেপ নথনাকৈ এই কথা সৎভাৱে স্বীকাৰ কৰি লব পাৰি। এতেকে লেখকে লেখাৰ সময়ত তেওঁৰ সমকালীন পাঠকৰ সন্মুখত কি দৃষ্টিভঙ্গীৰে কি বক্তব্য তেওঁ ৰাখিব সেইয়া লেখকজনৰ বাবে বিবেচ্য বিষয় হৈ পৰিবই। আৰু তেতিয়াই অবধাৰিতভাৱে উত্থাপিত হব লেখকৰ 'সামাজিক দায়বদ্ধতা'ৰ প্ৰশ্ন।

আনহাতে লেখকসকলে এইবুলি ধৰি লোৱাটো ভুল যে সাম্প্ৰতিক সামাজিক আবহাৱা, প্ৰচলিত ৰীতি-নীতি, ধ্যান-ধাৰণাৰ পৰা তেওঁলোক সম্পূৰ্ণ নিলগত থাকিব পাৰে। আচলতে পৰোক্ষভাৱে হলেও লেখক এজন এই সকলো কথাৰ দ্বাৰা প্ৰভাবান্বিত হয় আৰু এনে পৰিস্থিতিত তেওঁৰ 'স্বাধীনতা'ৰ মায়া এক স্ব-মোহৰ বাদে অইন একো নহয়। আন নালাগে, বিজ্ঞান সাধনাত ব্ৰতী বহু বিশিষ্ট মানীষিয়েও নিজৰ সৃষ্টি কৰ্ম্মৰ ক্ষেত্ৰত সমকালীন ধ্যানধাৰণাৰ উৰ্দ্ধলৈ উঠিব পৰা নাছিল। বিজ্ঞানৰ ক্ৰমবিকাশৰ ইতিহাসৰ সৈতে সামান্যতম পৰিচয় থকা লোকৰো এই কথা বিদিত। জ্ঞানৰ এনে বস্তুনিষ্ঠ অন্বেষণৰ ক্ষেত্ৰতেই যেতিয়া 'সৃষ্টি কৰ্ত্তা' সকলৰ 'স্বাধীনতা' প্ৰচলিত অবহাৱা আৰু ধ্যান ধাৰণাৰ দ্বাৰা কিছু পৰিমানে হলেও বিঘ্নিত হয়, সাহিত্য কলাৰ দৰে বিষয়-নিষ্ঠ বিষয় সমূহৰ ক্ষেত্ৰত লেখকৰ বা কলাকাৰৰ 'স্বাধীনতা'ক আমি কিদৰে গ্ৰহণ কৰিম? দৰাচলতে মহৎ সাহিত্যৰ সৈতে পৰিচিত যিকোনো পাঠকৰেই এই কথা বিদিত যে একো একোটা যুগত একো - একোখন (বা ততোধিক) মহৎ গ্ৰন্থৰ সৃষ্টি হয় সেই কালৰ কোনো গুৰুত্বপূৰ্ণ সামাজিক অথবা ৰাজনৈতিক বিষয় - বিতৰ্কক কেন্দ্ৰ কৰি। বিস্তৃত বিশ্লেষণৰ সুবিধা থাকিলে এই কথা সন্দেহাতীত ভাৱে প্ৰমাণ্ কৰি দেখুৱাব পাৰি। আৰু সকলো মহৎ লেখকেই এই সত্যক স্বীকাৰো কৰি লয়। হয়তো এটা যুগত এজন মহৎলেখকে সমকালীন কোনো এক বিষয়/বিতৰ্ক সন্দৰ্ভত পোষণ কৰা মত সৰ্ব্বকালৰ বাবে গ্ৰহণযোগ্য নহবও পাৰে, কিন্তু তেওঁৰ সৃষ্টিৰ আবেদন লোপ নাপায় এই বাবেই যে এটা যুগৰ এখন মহৎ গ্ৰন্থ হ'ল সেই যুগৰ মানুহৰ স্বপ্ন, আশা, উদ্যম, শক্তি, হতাশা আৰু দুৰ্ব্বলতাৰ জীৱন্ত দলিল।

তেনেহলে লেখক সকল 'সামাজিক দায়বদ্ধতা'ৰ পৰা মুক্ত হ'ল কেনেকৈ? তেওঁলোকৰ বহুকাঙ্খিত সেই 'স্বাধীনতা' ক'ত? দৰাছলতে কোনো মহৎ লেখকেই 'দায়বদ্ধতা'ক এৰাই নচলে। তেওঁ কেবল তেওঁৰ প্ৰজন্মৰ ওচৰতেই দায়বদ্ধ নহয় - ভৱিষ্যতৰ বহু প্ৰজন্মৰ ওচৰতো তেওঁ দায়বদ্ধ

**সাম্প্ৰতিক অসমৰ সঙ্কট ঃ-** সাম্প্ৰতিক অসম কেনে গভীৰ সঙ্কটত নিমজ্জিত সেইয়া পুণৰায় বিশ্লেষণৰ প্ৰয়োজন নাই। এহাতে বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগত জুৰুলা আৰু আনহাতে বৃহৎ ব্যৱসায়ী গোষ্ঠিৰ দ্বাৰা লুণ্ঠিত অসমৰ প্ৰাণ বায়ু এই উৰি যাও যাও। ইয়াৰ ওপৰতেই আকৌ ভূতৰ ওপৰত দানহৰ দৰে এতিয়া চলিব লাগিছে এহাতে হঠকাৰী সন্ত্ৰাসবাদ আৰু আনহাতে বিদ্ৰোহ দমনৰ নামত নিৰ্বিচাৰ সামৰিক নিৰ্য্যাতন। এতিয়া যিসকলে 'সন্ত্ৰাসবাদ'ৰ বিষবাষ্প বিয়পাইছে তেওঁলোকৰ বেছিভাগেই কিছুদিন আগলৈকে আছিল 'বিদ্ৰোহী দেশপ্ৰেমিক'। দুৰ্ভাগ্যৰ বিষয় এয়ে যে যি ৰাষ্ট্ৰৰ বিৰুদ্ধে এই 'বিদ্ৰোহী' সকলে ক্ষোভ প্ৰকাশ কৰিছিল, সেই ৰাষ্ট্ৰৰ চৰিত্ৰ ইমান অমানবীয় যে কঠোৰ হাতেৰে দমন কৰিবলৈ গৈ সেই ৰাষ্ট্ৰই 'বিদ্ৰোহী' সকলৰ বাবে মুকলি কৰি দিলে 'সন্ত্ৰাসবাদ'ৰ পথ। ই কেনে 'মহান ৰাষ্ট্ৰৰ' ("মেৰা ভাৰত মহান!") চৰিত্ৰ আমি বুজি নাপাও। যেতিয়া ৰাষ্ট্ৰৰ কোনো অংশৰ জনসাধাৰণে সেই ৰাষ্ট্ৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে তেতিয়া 'মহান' ৰাষ্ট্ৰৰ কৰ্ত্তব্য হোৱা উচিৎ সেই অংশৰ জনসাধাৰণৰ ক্ষোভক উচিৎ মৰ্য্যদা সহকাৰে বিবেচনা কৰি তেওঁলোকৰ ন্যায্য প্ৰাপ্য আদায় দিয়াটো। ইয়াৰ পৰিবৰ্তে বিদ্ৰোহ দমনৰ নামত অসমৰ জনসাধাৰণৰ ওপৰত জাপি দিয়া হ'ল সামৰিক সন্ত্ৰাস। আৰু এই সন্ত্ৰাসৰ মাত্ৰা 'বিদ্ৰোহী' সকলৰ সন্ত্ৰাসতকৈ বহুগুণে বেছি হ'ল। সকলো অসামৰিক প্ৰশাসনক বুঢ়া আঙুলি দেখুৱাই আজিও চলোৱা হৈছে সামৰিক নিৰ্য্যাতন। গুহ্যদ্বাৰত জোঙা বাহ সুমুৱাই দি হত্যা কৰা হৈছে যুৱকক। গোষ্কৰজনলৈকে সামৰিক লোকে একোজনী গাভৰুক ধৰ্ষণ কৰি অতি বৰ্ব্বৰভাৱে হত্যা কৰিছে। এয়াই নেকি সভ্য ৰাষ্ট্ৰৰ 'বিদ্ৰোহী'ৰ বিচাৰৰ নমুনা? তেনেহলে সেই ৰাষ্ট্ৰ বৰ্ত্তি আছে কাৰ স্বাৰ্থত?

কোনো ধৰণৰ সন্ত্ৰাসে, লাগিলে সি 'বিদ্ৰোহী'ৰ সন্ত্ৰাসেই হওক বা ৰাষ্ট্ৰৰ সন্ত্ৰাসেই অসমৰ জনসাধাৰণৰ মূল সমস্যা সমূহৰ সমাধানৰ পথ দেখুৱাব নোৱাৰে। আৰু এই সমস্যা কেবল 'মিএগ্ৰ' খেদাৰ সমস্যা নহয়। এই সমস্যা হ'ল এক নিৰ্দিষ্ট ভূখণ্ডৰ জনসাধাৰণ সম্প্ৰীতিৰে আৰু স্ব-বৈশিষ্ট অতুত ৰাখি স্বাধীনচিতিয়াকৈ জীয়াই থকাৰ সমস্যা। এই মুহূৰ্ত্তত ইয়াৰ বাবে অসমৰ জনসাধাৰণক প্ৰয়োজন কেবল সৎ আৰু বলিষ্ঠ নেতৃত্বৰ। আমি আশা কৰো অসমৰ যুৱসমাজ এই ঐতিহাসিক দায়িত্ব মূৰ পাতি লবলৈ আগবাঢ়ি আহিব।

**কটন কলেজ আৰু কটনিয়ান ঃ-** পঞ্চাশ বছৰ আগৰ কটন কলেজৰ প্ৰত্যক্ষ অভিজ্ঞতা আমাৰ নাই। তথাপিও বহু-বিশিষ্ট প্ৰাক্তন কটনিয়ানক লগ পায়, তেওঁলোকৰ কথা শুনি, তেওঁলোকৰ লেখা পঢ়ি, আমাৰ মনত বাৰে বাৰে এটা ভাৱে ভূমুকি মাৰে - আজি আৰু সেই কটন কলেজ নাই। যিকোনো কাৰণতেই নহওক কিয়, এই কটন কলেজত সম্পূৰ্ণ ছাৰিটা বছৰ কটোৱাৰ পাছত আমি তিলে তিলে অনুভৱ কৰো - Some how mediocrity has become the norm here. অসমৰ বাহিৰৰ খুব কম মানুহেইহে আজি কটন কলেজৰ নাম জানে। কিয়? কটন কলেজে নিজৰ সমস্ত শৌৰ্য্য - সামৰ্থ্যৰে বিশ্ববাসীৰ আগত ঘোষণা কৰিব পৰা নাই কিয় - যে আমিও আছো, - যে ইয়াতো বুদ্ধি আৰু সংস্কৃতিৰ কেন্দ্ৰ আছে। কটন কলেজ কিয় অসমৰ্থ হৈছে এই অঞ্চলৰ ৰাইজৰ বৌদ্ধিক-সাংস্কৃতিক প্ৰতিভাক বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিবলৈ? অসমীয়া যুৱসমাজ কেতিয়াৰ পৰা ইমান সামৰ্থ্যহীন হ'ল?

আচলতে এই ক্ষেত্ৰত সমস্যা আমি নিজেই। আমি অইন কিবা বিছাৰো বা নিবিছাৰো -খ্যাতি জৰুল বিছাৰো। ৰাতিটোৰ ভিতৰতে খ্যাতিমান আৰু ক্ষমতাশালী হৈ পৰাৰ বাসনা বহু প্ৰতিভাবান যুৱক-যুৱতীৰ মজ্জাতো এনেধৰণে সোমাই পৰিছে যে সৎ শ্ৰমৰ পৰা আহৰণ কৰিব পৰা সন্তুষ্টিৰ প্ৰতি তেওঁলোক হৈ পৰিছে উদাসীন। ফলত দেখা দিছে একধৰণৰ স্থবিৰতাই। এয়েই নেকি লাচিত আৰু মূলা গাভৰুৰ উত্তৰাধিকাৰ সকলৰ চৰিত্ৰ? আৰু এটা জৰুৰী কথা - যেতিয়া আমি কও যে আমি লাচিতৰ উত্তৰাধিকাৰ তেতিয়া আমি মনত ৰখা উচিৎ যে নেপোলিয়নো বীৰ আছিল। যেতিয়া আমি গৌৰৱেৰে কও যে আমি মূলাগাভৰুৰ উত্তৰাধিকাৰ তেতিয়া আমি পাহৰি যোৱা উচিৎ নহয় যে Joan of Arc ও বীৰাঙ্গনা আছিল। যেতিয়া আমি কও যে আমি কৃষ্ণকান্ত আৰু কণীকান্তৰ উত্তৰাধিকাৰ তেতিয়া আমি পাহৰি যোৱা উচিৎ নহয় যে চেমুৱেল জনচন, আইনষ্টাইন, নিউটন আদিও 'বুদ্ধিজীৱি' আছিল।

এতিয়া আত্মবিশ্লেষণৰ সময়: নিজৰ শক্তিক পৰীক্ষা কৰি চোৱাৰ আৰু অইন শক্তিমান সকলৰ সৈতে তুলনা কৰি চোৱাৰ সময়।

সঞ্জীৱ কুমাৰ নাথ
১৭/৮৮/২৬

# শ্ৰদ্ধাঞ্জলী

**❍They Sought Strange truths in undiscovered lands**

**ড° মহেন্দ্ৰ বৰা**

অসমীয়া কবিতাৰ মননশীল পাঠকৰ বাবে এটি জনপ্ৰিয় নাম ড° মহেন্দ্ৰ বৰা। অসমীয়া কবিতাৰ সাম্প্ৰতিক ধাৰাটোক সজীৱ কৰাত আগভাগ লোৱা সকলৰ ভিতৰত কবি ড° বৰা অন্যতম আছিল। ৰামধেনু যুগত অসমীয়া কবিতাৰ যি নব্য ৰোমাণ্টিক ধাৰা গঢ়ি উঠিছিল, ড° বৰা সেই ধাৰাৰে অন্যতম প্ৰতিনিধি। বৰাৰ আলোচ্য কালছোৱাত সবাতোকৈ গুৰুত্বপূৰ্ণ সাহিত্য কৰ্মটো হ'ল 'নতুন কবিতা' (১৯৫৬) নামৰ যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ সংকলনখন। 'জাতিস্মৰ' (১৯৬৯) তেখেতৰ প্ৰথম কাব্য সংকলন। তেখেতৰ আনকেইটা কাব্য-সংকলন 'এই নদীয়েদি' (১৯৭০), 'ৰূপৰ টিলিঙাৰ মাত' (১৯৮১), 'আলি দোমোজাৰ ক্ৰুচৰ পৰা' (১৯৮৭), 'নীলা ধতুৰাৰ ফুল' (১৯৮৭)। ড° বৰা বিচিত্ৰ গদ্যৰো জনক। গদ্যৰচনা আৰু গীতানুবাদত তেওঁৰ মন আৰু মনন বেছিকৈ প্ৰয়োগ হোৱাত তেওঁৰ কবিতাৰেই কিছু ক্ষতি হ'ল বুলি ভাবিবৰ থল আছে। তেখেতৰ প্ৰায়বোৰ গদ্যই নিজৰ ৰাজ্য অতিক্ৰম কৰি কবিতাৰ ৰাজ্যত সোমাই পৰে। 'ফুল তৰা গান', 'পিটাৰ পেন' আদিৰ অনুবাদে তাকে সূচায়। তেখেতৰ অন্যান্য সমালোচনাত্মক গ্ৰন্থ হ'ল 'অসমীয়া কবিতাৰ ছন্দ' (১৯৬১) 'ৰমন্যাসবাদ' (১৯৭৬) 'সাহিত্য উপক্ৰমণিকা' (১৯৮৬)। অসমৰ বৌদ্ধিক জগতখনক চহকী কৰি থৈ যোৱা এই গৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

**ৰাজকুমাৰ**

আভিজাত্যপূৰ্ণ তথা 'ৰাজকীয়' অভিনেতা বুলি খ্যাত ৰাজকুমাৰৰ মৃত্যুৰ লগে লগে অবসান ঘটিল হিন্দী চলচ্চিত্ৰ জগতখনৰ এক অননুকৰণীয় সুকীয়া অভিনয় ধাৰাৰ। ১৯৫৭ চনত 'ৰংগিলী' বোলছবিত অভিনয় জীৱনৰ পাতনি মেলা এইগৰাকী পুৰুষে পুলিচৰ চাকৰি বাদ দি অভিনয় জগতত প্ৰবেশ কৰিছিল। পঞ্চাশৰ দশকত 'ঘমণ্ড', 'অবছৰ', 'লাখো মে এক', 'ছাত্ৰী বাজাৰ' আদি ছবি বোৰে তেওঁক সফল অভিনেতা হিচাবে প্ৰতিষ্ঠা কৰিব পৰা নাছিল। ১৯৫৭ চনত মেহবুব খানৰ 'মাদাৰ ইণ্ডিয়া'ই তেওঁৰ অভিনয় জীৱনলৈ বিশেষ পৰিবৰ্তন আনে। তাৰ পিছৰে পৰা ৰাজকুমাৰে 'শৰাৰত', 'উজালা', 'ফুল বনে অংগাৰে', 'দিল অপনা অউৰ প্ৰীত পৰাই,' 'ৰক্ত', 'প্যাৰ কা বন্ধন', আদি প্ৰায় ৬০ খন মান ছবিত অভিনয় কৰিছে। কেতিয়াবা খেতিয়কৰ চৰিত্ৰ, কেতিয়াবা নগৰীয়া আধুনিক চৰিত্ৰও অতি সুন্দৰভাৱে ফুটাই তুলি নিজৰ উপস্থিতিৰ ভিন্নতা অনুভৱ কৰাবলৈ সক্ষম হৈছিল তেওঁ। নিজস্ব ষ্টাইলত সংলাপ প্ৰক্ষেপণৰ গুণত হিন্দী ছবি জগতত ৰাজকুমাৰ ধৰা দিছিল এক অনন্য ৰূপত। তেখেতৰ বলিষ্ঠ অভিনয় চিৰস্মৰণীয় হৈ ৰওক প্ৰতিগৰাকী অভিনয়ানুৰাগী ব্যক্তিৰ মানস পটত।

**দেৱকান্ত বৰুৱা**

'আমি দুৱাৰ মুকলি কৰো।' দুৱাৰ মুকলি কৰিবলৈ ইচ্ছাটো আছিল খুবেই প্ৰবল। কিন্তু দুৱাৰ মুকলি হ'লনে নাই কব নোৱাৰো। তেওঁৰ কবিতাই যি ইংগিত দিয়ে তাৰ পৰা অনুমান হয় তেওঁ দুৱাৰ মুকলি কৰিব নোৱাৰিলে। (ভ্ৰমিলো বহুত বাট/কিন্তু দুৱাৰ মুকলি ক'ত? / বন্ধ দেখো সকলো দুৱাৰ) চলিত বছৰৰ জানুৱাৰী মাহত আমি হেৰুৱাব লগীয়া হ'ল এইগৰাকী আগশাৰীৰ কবি, ৰাজনীতিকক। নাম তেওঁৰ দেৱকান্ত বৰুৱা, কলংপৰীয়া কবি বুলি জনাজাত। অসমীয়া কাব্য সাহিত্যৰ জগতখনত বৰুৱাদেৱৰ কবিতাৰ অক্ষয়ী স্বাক্ষৰ চিৰকাল জিলিকি থাকিব। ৰাজনীতিত ব্যস্ত এটি জীৱন পাৰ কৰিলেও কবি হিচাবে এখন সুকীয়া আসন দখল কৰি আছিল - এইগৰাকী মহান সাহিত্য পুৰুষে। 'সাগৰ দেখিছা' নামৰ কবিতা পুথিয়ে বহন কৰে তেখেতৰ কবিতাৰ অন্তৰীণ প্ৰতিভূ। 'সাগৰ দেখিছা'ৰ প্ৰায়বোৰ কবিতাতে ফুটি উঠে কবিৰ সৌন্দৰ্য্য তন্ময়তা প্ৰিয়া তন্ময়তাৰ ৰূপত। মুক্তিকামী ভাৰতবাসীৰ মাজত অসমীয়া লিখকজনো আছিল উন্মুখ হৈ; মুক্তিৰ বাবে, স্বাধীনতাৰ বাবে। সংবাদ জগতৰ সৈতেও আছিল তেখেতৰ নিবিড় সম্পৰ্ক। নিউ প্ৰেছৰ বঙলাত 'দৈনিক অসমীয়া' কাকত প্ৰকাশ হৈছিল - তেখেতৰ সম্পাদনাত। এইজনা পুৰষ ১৯৯৬ চনৰ ২৬ জানুৱাৰীৰ দিনা আমাৰ মাজৰ পৰা গুচি গ'ল। আমি শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ তেখেতৰ প্ৰতি।

**দুৰ্গেশ্বৰ বৰঠাকুৰ**

আমি তোমাৰ কথাত প্ৰাণ খুলি হাঁহিছিলো, তোমাৰ সতে প্ৰাণখুলি কথা পাতিছিলো। আৰু তোমাৰ সতে নাটক কৰিছিলো। কিন্তু আমি এতিয়া কান্দিছো তোমাৰ মৰ্মস্পৰ্শী অকাল বিয়োগত।

দুৰ্গেশ্বৰ বৰঠাকুৰ আমাৰ মাজৰ পৰা গুচি গ'ল চিৰদনিৰ বাবে। ধেমেলীয়া নাটক কৰি তেওঁ নিজেও হাঁহিছিল আৰু আমাকো হুহুৱাইছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰত তেওঁ চাকৰি কৰিছিল আৰু তাৰপৰাই অবসৰ লৈ জীৱনৰ বাকী থকা দিনকেইটা হাঁহিৰ মাজেৰে পাৰ কৰাৰ স্বপ্ন গঢ়িছিল।। মহেন্দ্ৰ বৰঠাকুৰৰ 'নোকোৱাই ভাল' নামৰ অঁনাতাৰ যোগে প্ৰচাৰিত নাটখনত বীনা দাস মান্নাৰ সতে অভিনয় কৰি তেওঁ বিপুল

জনপ্ৰিয়তাৰে বিভূষিত হৈছিল। তেখেতৰ দ্বাৰা ৰচিত নাট দৈনন্দিন অনাতাঁৰ যোগে প্ৰচাৰ হোৱাৰ উপৰিও গুৱাহাটী দূৰদৰ্শন যোগেও ধাৰাবাহিকভাৱে প্ৰচাৰ হৈছিল। সেই একে নামেৰেই এখন গল্প সংকলন প্ৰকাশ হৈ ওলাইছে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত তেখেতৰ দ্বাৰা ৰচিত আৰু পৰিচালিত নাটে ভালেকেইবাৰ শ্ৰেষ্ঠতাৰ স্বীকৃতি পাইছিল।

চলছিত্ৰতো তেওঁ অভিনয় কৰিছিল ধেমেলীয়া (Comedy) চৰিত্ৰত। তেখেত যেন সদায় হাঁহি হহুৱাই থাকিবৰ কাৰণেই আমাৰ মাজলৈ আহিছিল। একেধাৰে তেওঁ আছিল অভিনেতা, শিল্পী, নাট্যকাৰ, লিখক। ৰং ধেমালি, হাঁহি, কিৰিলিৰে খলকনি তুলি থকা, নিৰহংকাৰ, প্ৰতিভাসম্পন্ন জনপ্ৰিয় শিল্পী। ভাওঁ দিয়া নহয়, অভিনয় কৰা নহয়, সেয়া যেন নিজৰ জীৱনৰে স্বাভাৱিক প্ৰসন্ন অভিব্যক্তি। কেৱল মঞ্চতেই নহয়, গাওঁৰ প্ৰান্তৰে প্ৰান্তৰে, গিজগিজাই থকা নগৰ-চহৰৰ অলিয়ে গলিয়ে শুনা গৈছিল তেওঁ তোলা হাঁহিৰ খলকনি। তেওঁ হাঁহিলে আৰু হাঁহি-হাঁহিয়েই বিদায় ললে চিৰদিনৰ বাবে। সেইবাবে বৰঠাকুৰ হৈ ৰ'ব চিৰসেউজৰ স্বাক্ষৰ।

**বিজয় শংকৰ**

বিজয় শংকৰ, অসমীয়া অভিনয় জগতৰ এটি জনপ্ৰিয় নাম। যাক আমি মৰমতে অকুদা বুলি মাতিছিলো, অকালতে হেৰাই গ'ল আমাৰ এই পৃথিৱীৰ পৰা সৌ সিদিনা '৯৬ চনৰ ২৪ মাৰ্চৰ দিনাখন আবেলি নুমাই গ'ল এটি প্ৰতিভাৱান জীৱন শিখা। আমি কোনেও ভবা নাছিলো ইমান আচম্বিতে, ইমান কৰুণ ভাৱে অকুদাৰ মৃত্যু সংবাদ পাম বুলি।

অকুদা এই পৃথিৱীৰ বুকুৰ পৰা হেৰাই গ'ল সঁচা, কিন্তু তেওঁৰ স্মৃতি আমাৰ মানস পটত আজীৱন সজীৱ হৈ থাকিব। ১৯৪৬ চনত 'ৰুনুমী' ছবিখনত শিশুশিল্পীৰ ভূমিকাৰে অভিনয় জীৱনৰ পাতনি মেলা অকুদাই ডঃ ভূপেন হাজৰীকাৰ 'এৰা বাটৰ সুৰ' নামৰ বোলছবিখনৰ যোগেদি প্ৰতিষ্ঠা লাভ কৰিছিল। তাৰ পিছত তেওঁ আৰু থমকি ৰব লগীয়া হোৱা নাই। 'লটিঘটি', 'চিকমিক বিজুলী', 'মানৱ আৰু দানৱ', 'কাচঘৰ', 'অৰণ্য', 'ঘৰ সংখাৰ', 'সোণমইনা', 'খোজ', 'নিয়তি', মন মন্দিৰ', 'পানী,' 'প্ৰেম জনমে জনমে', 'আপোনজন' আদিত তেওঁ সুন্দৰ অভিনয় কৰিছে। বোলছবিৰ উপৰিও 'চিনাকী সুহুৰি', সন্ধ্যাতৰা' আদি দূৰদৰ্শন ধাৰাবাহিকতো তেওঁ তেওঁৰ সাৱলীল অভিনয়ৰ পাৰদৰ্শিতা দেখুৱাইছে। তেখেতেই সম্পূৰ্ণ কৰি থৈ যোৱা 'দৈনন্দিন' নামৰ ধাৰাবাহিকখন অলপতে গুৱাহাটী দূৰদৰ্শন যোগে প্ৰচাৰ হৈ গৈছে। যোৱা বছৰ অসম সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা ড° মহেশ্বৰ নেওগৰ জীৱনৰ আধাৰত এখনি তথ্যচিত্ৰ নিৰ্মানৰ দায়িত্বও তেখেতে পাইছিল।

বেহেলা বাদক হিচাপেও তেখেত সকলোৰে পৰিচিত আছিল।

এগৰাকী পাৰদৰ্শী অভিনেতা হিচাবে অসমৰ গাঁৱে ভূঞে সকলোৰে সতে পৰিচিত। কিন্তু এতিয়া মানুহজন হেৰাই গ'ল আমাৰ মাজৰ পৰা। জীৱনত হয়তো আৰু কিম্বাকিবি কৰাৰ হেপাহ আছিল তেওঁৰ যদিও সেইবোৰ অপূৰ্ণ হৈ ৰ'ল। মৃত্যুক সাবটি সমাধি তলিত, অকুদা অকলে শুই পৰিল। তেওঁ এতিয়া চিৰনিদ্ৰাত মগ্ন।

আজি আমি তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

**পৰাগ কুমাৰ দাস**

অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত আলোড়ন সৃষ্টি কাৰী এক অসাধাৰণ প্ৰতিভাক যোৱা ১৭ মে'ত (১৯৯৬) আমি দুৰ্ভাগ্যজনকভাৱে হেৰুৱালোঁ। তেখেতৰ মৃত্যু অসমৰ সংবাদ জগতৰ বাবেও এক অপূৰণীয় ক্ষতি। তেওঁ আছিল বিপ্লৱী সাংবাদিক পৰাগ কুমাৰ দাস। তেওঁৰ স্বাধীনচিতীয়া সাংবাদিকতাই অসমীয়া সমাজক দি গ'ল জীৱনৰ প্ৰেৰণা, সত্যৰ হকে অহৰহ যুঁজাৰ প্ৰেৰণা।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত চতুৰ্থ স্থান অধিকাৰ কৰি, উচ্চতৰ মাধ্যমিক পৰীক্ষাত কটন মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ চতুৰ্থ স্থান দখল কৰি দিল্লীৰ School of Economics ৰ পৰা স্নাতক ডিগ্ৰী লোৱা এই গৰাকী ব্যক্তিয়েই Stock Exchange ৰ ব্যৱসায় প্ৰতিষ্ঠানৰ মুৰব্বী হৈও তাৰ চাকৰি বাদ দি সাংবাদিকতাকে জীৱনৰ ব্ৰত হিচাবে গ্ৰহণ কৰে।

দাসৰ লিখনিবোৰৰ ভিতৰত 'ৰাষ্ট্ৰদ্ৰোহীৰ দিনলিপি' 'মোক স্বাধীনতা লাগে', 'চাংলট ফেন্‌লা' আদি জনপ্ৰিয়। অসমৰ আৰ্থিক দুৰ্দশাৰ বাবে তেওঁ দায়ী কৰিছিল পৰিকল্পিত সাম্ৰাজ্যবাদী শোষণব্যৱস্থাক। শাসনৰ দায়িত্বত এনে শোষণৰ গুৰি ধৰোতা ব্যক্তিকো অপৰাধী জ্ঞান কৰিছিল তেওঁ আৰু হাতত কলম তুলি লৈছিল, সেইসকলৰ বিৰুদ্ধেই। যিজন ডেকাই অসমৰ জনসাধাৰণৰ মুক্তিৰ হকে প্ৰাণে পণে যুঁজিছিল, দুৰ্নীতি নিৰ্মূলকৰাৰ বাবে সামৰ্থ্যানুযায়ী সকলো কৰিছিল, সেইজন চফল ডেকাক গুলিয়াই হত্যা কৰা হ'ল। তেওঁৰ অমানুবিক হ'ত্যাৰ পিছত অসমবাসীৰ ক্ষোভ আৰু বিদ্ৰোহৰ প্লাৱনে প্ৰমাণ কৰে যে তেওঁ অসমৰ জাতীয় জীৱনৰ ইতিহাসত উজ্বল ভোটাতৰা হৈ জিলিকি ৰব। 'কটনিয়ানৰ' ৰ হৈ তেওঁৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি নিৰেদিন কৰিছোঁ। আমি মাত্ৰ চেষ্টা কৰিব পাৰো তেওঁৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ মুক্তিৰ স্বপ্ন ৰচিবলৈ। ❑❑❑

সম্পাদনা সমিতিৰ হৈ যুগুতালে চুচেন্দ্ৰ কুমাৰ শইকীয়াই।

# মহাকৰ্ষণৰ আধুনিকতম তত্ত্ব

○ ডঃ পবিত্ৰ বৰগোহাঞি
পদাৰ্থ বিজ্ঞান বিভাগ

আধুনিক বিজ্ঞানৰ বোধহয় এইটো চৰম দুৰ্ভাগ্য যে প্ৰকৃতি বিজ্ঞানৰ অধ্যয়নত চমকপ্ৰদ সাফল্য লাভ কৰাৰ পাছতো আমাৰ আটাইতকৈ পৰিচিত প্ৰাকৃতিক পৰিঘটনাটোৰ ৰহস্যৰ দ্বাৰ উন্মোচন কৰিবলৈ গৈ ইয়াৰ দুৱাৰ মুখতে থমকি ৰ'ব লগা হৈছে। আমি এতিয়াও ক'ব পৰা হোৱা নাই পকা ফল এটা কিয় গছৰ পৰা মাটিত সৰি পৰে, সূৰ্য্যৰ চাৰিওফালে পৃথিৱীকে ধৰি বিভিন্ন গ্ৰহবোৰ কিয় ঘূৰি আছে বা বিভিন্ন তাৰকাবোৰ থূপ খাই কিয় তাৰকা ৰাজ্য বোৰ গঠিত হৈছে। আধুনিক বিজ্ঞানে আমাক মাত্ৰ কৈছে যে মহাকৰ্ষণ বলৰ ক্ৰিয়াৰ ফলতে এই ঘটনাবোৰ ঘটিছে। কিন্তু এই মহাকৰ্ষণৰ উৎপত্তি কিয় বা কেনেকৈ হ'ল বা ইয়াৰ উৎপত্তিৰ প্ৰয়োজনেই বা কি এই সম্পৰ্কে আধুনিক বিজ্ঞান নিমাত। মহাকৰ্ষণ সম্বন্ধে পদাৰ্থ বিজ্ঞানত দুটা তত্ত্ব আছে। এটা নিউটনৰ আৰু আনটো আইনষ্টাইনৰ। নিউটনৰ মহাকৰ্ষণ তত্ত্বৰ মূল ভিত্তি হ'ল প্ৰকৃতিৰ পৰ্য্যবেক্ষণ। পৃথিৱীৰ চাৰিওফালে চন্দ্ৰৰ গতি আৰু সূৰ্য্যৰ চাৰিওফালে থকা বিভিন্ন গ্ৰহবোৰৰ গতিৰ কাৰণ নিৰ্ধাৰণ কৰিবলৈ গৈ নিউটনে দেখিলে যে প্ৰকৃতিত থকা সকলোবোৰ ভৰযুক্ত বস্তুৰ মাজত বিশেষ এক প্ৰকাৰৰ আকৰ্ষণ বলে ক্ৰিয়া কৰে। দুটা বস্তুৰ মাজত থকা এই বলৰ মান সিহঁতৰ ভৰৰ পূৰণফলৰ সমানুপাতিক আৰু সিহঁতৰ মাজৰ দূৰত্বৰ বৰ্গৰ ব্যস্তানুপাতিক। কিন্তু এই আকৰ্ষণ কিয় হয় তাৰ উত্তৰ নিউটনৰ তত্ত্বত নাই। এই বিষয়ে কৰা প্ৰশ্নৰ উত্তৰত নিউটনে মাথোন কৈছিল 'মই কোনো প্ৰকল্পত বিশ্বাস নকৰো' 'Hypothesis non fingo'. আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বত মহাকৰ্ষণক স্থান কালৰ বক্ৰতাৰ পৰিণতি বুলি কোৱা হৈছে। কিন্তু পদাৰ্থৰ উপস্থিতিয়ে স্থান কালৰ বক্ৰতা কিয় সৃষ্টি কৰে তাৰ ব্যাখ্যা আইনষ্টাইনৰ আপেক্ষিতাবাদত নাই। তত্ত্ব হিছাপে আইনষ্টাইনৰ আপেক্ষিকতাবাদ নিউটনৰ মহাকৰ্ষণ তত্ত্বতকৈ অধিক সফল আৰু গভীৰ যদিও মহাকৰ্ষণৰ মূল কাৰণ এই তত্ত্বইও এৰাই গৈছে। সৰল ভাষাত কবলৈ গ'লে নিউটন আৰু আইনষ্টাইনৰ তত্ত্বই মহাকৰ্ষণ ক্ৰিয়াৰ নীতিহে ব্যাখ্যা কৰিছে, মহাকৰ্ষণৰ উৎপত্তিৰ কাৰণ সম্পৰ্কে একো কব পৰা নাই। সম্প্ৰতি এটা নতুন তত্ত্বই মহাকৰ্ষণ তত্ত্বৰ এই মৌলিক দুৰ্বলতা দূৰ কৰাত সফলকাম হোৱা যেন দেখা গৈছে। এই তত্ত্বটো হৈছে চুপাৰ ষ্ট্ৰিং (Super String) তত্ত্ব। এই তত্ত্বত মহাকৰ্ষণক ওপৰৰ পৰা জাপি দিয়া হোৱা নাই; তত্ত্বটোৰ অস্তিত্বই নিৰ্ভৰ কৰিছে মহাকৰ্ষণ ক্ৰিয়াৰ অৱশ্যম্ভাবিতাৰ ওপৰত।

চুপাৰ ষ্ট্ৰিং তত্ত্ব প্ৰথম ব্যৱহাৰ কৰা হৈছিল এই শতিকাৰ ষাঠিৰ দশকৰ শেষৰ ফালে মৌলিক কণিকা বোৰৰ মাজত সংঘটিত হোৱা সবল ক্ৰিয়াৰ ব্যাখ্যাৰ বাবে। কিন্তু তাকে কৰিবলৈ যাওঁতে এনে কিছুমান ফলাফল পোৱা গ'ল যিবোৰ সবল ক্ৰিয়াৰ ক্ষেত্ৰত সম্পূৰ্ণ অৰ্থহীন আৰু অপ্ৰাসঙ্গিক। কিন্তু মহাকৰ্ষণ ক্ৰিয়াৰ বাবে এই ফলাফলবোৰ অতি তাৎপৰ্য্যপূৰ্ণ। আধুনিক বিজ্ঞানৰ মতে সকলোবোৰ পদাৰ্থ কিছুমান মৌলিক কণিকাৰ দ্বাৰা গঠিত। মৌলিক কণিকাৰ সূত্ৰ মতেই এই কণিকাবোৰ অবিভাজ্য। ইহঁতক ক্ষুদ্ৰতৰ কণিকালৈ বিভাজন কৰিব নোৱাৰি। আদিতে ইলেকট্ৰণ, প্ৰ'টন, নিউট্ৰণ আদি কণিকাবোৰকেই মৌলিক কণিকা বুলি ভবা হৈছিল। কিন্তু এই শতিকাৰ মাজ মানলৈ যেতিয়া নতুন নতুন ধৰণৰ বহুতো মৌলিক কণিকা আৱিস্কৃত হবলৈ ধৰিলে তেতিয়া বেছিভাগ মৌলিক কণিকাৰে মৌলিকতা সম্বন্ধে বিজ্ঞানী সকলৰ মনত সন্দেহ হবলৈ ধৰিলে আৰু তাৰ ফলস্বৰূপেই সৃষ্টি হ'ল কোৱাৰ্ক তত্ত্বৰ। এই তত্ত্বমতে বেছিভাগ মৌলিক কণিকাই কিছুমান






ক্ষুদ্ৰতৰ মৌলিক কণাৰ দ্বাৰা গঠিত। এই কণিকাবোৰক কোৱাৰ্ক বোলা হয়। আধুনিক বিজ্ঞানৰ প্ৰতিষ্ঠিও তত্ত্ব মতে (যাক ষ্টেণ্ডাৰ্ড মডেল বোলা হয়) বিশ্ব ব্ৰহ্মাণ্ডৰ সকলোবোৰ পদাৰ্থ দুই শ্ৰেণীৰ মৌলিক কণিকাৰ দ্বাৰা গঠিত। ইয়াৰে এবিধ হ'ল কোৱাৰ্ক আৰু আনবিধ লেপ্টণ। প্ৰ'টণ, নিউট্ৰণ আদি আপেক্ষিকভাৱে বেছি ভৰৰ কণিকাবোৰ কোৱাৰ্ক কণিকাৰ দ্বাৰা গঠিত। আনহাতে ইলেকট্ৰণ, মিউৰণ, নিউট্ৰিনো আদি পাতল কণিকাবোৰৰ কোনো আন্তঃ গাঁঠনি নাই। প্ৰকৃতিত এনে ধৰণৰ ছয় বিধ কোৱাৰ্ক আৰু ছয় বিধ লেপ্টন কণিকা থকাৰ কথা প্ৰমাণসহ জানিব পৰা গৈছে। অৱশ্যে এই কণিকাবোৰৰ প্ৰত্যেকৰে একোটাকৈ প্ৰতি কণিকাও আছে।

চুপাৰ ষ্ট্ৰিং তত্ত্বমতে পদাৰ্থৰ অন্তিম (ক্ষুদ্ৰতম) ৰূপ এই মৌলিক কণিকাবোৰ নহয়। সকলোবোৰ পদাৰ্থ কিছুমান ক্ষুদ্ৰাতিক্ষুদ্ৰ ষ্ট্ৰিং বা তাঁৰৰ দ্বাৰাহে গঠিত। এনে একোডাল তাঁৰৰ দৈৰ্ঘ্য প্ৰায় $১০^{৩৩}$ ছেণ্টিমিটাৰ। কোৱাণ্টাম তত্ত্বমতে ইয়াতকৈ কম দৈৰ্ঘ্য থাকিবই নোৱাৰে। এই দৈৰ্ঘ্যক প্লাংকৰ দৈৰ্ঘ্য বোলা হয়। এই তাঁৰবোৰৰ কিছুমানৰ দুই মূৰ মুক্ত। আন কিছুমানৰ আকৌ মূৰ দুটা লগ লাগি থাকে। এই তাঁৰবোৰ অনবৰত কঁপি থাকে। কঁপি থকা তাঁৰ এডালৰ কম্পন বহুত ধৰণৰ হব পাৰে আৰু প্ৰত্যেক বিধ কম্পনৰ কম্পনাংকও ভিন ভিন। উদাহৰণ স্বৰূপে গীটাৰ, ভায়োলিন আদি তাঁৰযুক্ত বাদ্যযন্ত্ৰবোৰৰ তাঁৰ এডালৰ ভিন ভিন অংশত স্পৰ্শ কৰিলে ইয়াৰ কম্পনৰ কম্পানংক ভিনভিন হয়। কম্পমান তাঁৰ এডালৰ শক্তি থাকে আৰু এই শক্তিৰ পৰিমান ইয়াৰ কম্পনাংকৰ সমানুপাতিক। গতিকে ভিন ভিন অৱস্থাত কঁপি থকা তাঁৰবোৰৰ শক্তিও ভিন ভিন। সাধাৰণ তাঁৰৰ ক্ষেত্ৰত প্ৰযোজ্য এই কম্পনাংক আৰু শক্তিৰ সম্বন্ধটো চুপাৰ ষ্ট্ৰিঙৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হয়। চুপাৰ ষ্ট্ৰিং তত্ত্বমতে ক্ষুদ্ৰাতিক্ষুদ্ৰ তাঁৰবোৰ বিভিন্ন ধৰণে কঁপি থাকে আৰু ইহঁতৰ কম্পন শক্তিৰ মান ভিন ভিন হ'ব পাৰে। আইনষ্টাইনৰ ভৰ আৰু শক্তিৰ সমতুল্যতা সূত্ৰ মতে এই কঁপি থকা তাঁৰবোৰৰ শক্তি ভৰলৈ ৰূপান্তৰিত হব পাৰে। আমি প্ৰকৃতিত পোৱা বিভিন্ন ভৰৰ মৌলিক কণিকাবোৰ এই তাঁৰবোৰৰ ভিন ভিন ধৰণৰ কম্পনৰ ফলত সৃষ্টি হোৱা শক্তিৰ ৰূপান্তৰহে মাথোন। বিভিন্ন মৌলিক কণিকাবোৰৰ মাজত হোৱা ক্ৰিয়াবোৰ এই তাঁৰবোৰৰ স্থিতিস্থাপক বলৰ সহায়ত ব্যাখ্যা কৰা হয়। দুটা ভিন্ন কম্পনাংকৰে কঁপি থকা দুডাল চুপাৰ ষ্ট্ৰিঙৰ এডালৰ লগত আন এডাল লগ লাগি যাব পাৰে বা এডালৰ মূৰৰ পৰা আন এডালৰ মূৰটো বিচ্ছিন্ন হৈ আহিবও পাৰে। ফলস্বৰূপে দুটা কণিকাৰ মাজত আকৰ্ষণ বা বিকৰ্ষণ হ'ব পাৰে।

চুপাৰ ষ্ট্ৰিং তত্ত্বৰ ইতিহাস বৰ দীঘলীয়া নহয়। ১৯৬৮ চনত ইটালীৰ বিখ্যাত পদাৰ্থবিদ গেব্ৰিএল ভেনেজিয়ানোই (Gabriele Veneziano) প্ৰথমে সবল ক্ৰিয়াৰ ব্যাখ্যাৰ বাবে এটা গাণিতিক তত্ত্ব ডাঙি ধৰিলে। ১৯৭০ চনত নাম্বু (Yoichiro Nambu), ছুছকিণ্ড(Leconand Susskind) আৰু নিয়েলচেন (Holger Nielsen) নামৰ তিনিজন বিজ্ঞানীয়ে দেখুৱালে যে ভেনেজিয়ানোই আবিষ্কাৰ কৰা সমীকৰণ কেইটা আৰু ইয়াৰ সমাধানবোৰ মৌলিক কণিকাবোৰৰ সলনি কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ ষ্ট্ৰিং থকা বুলি ধৰি ললে অধিক সফলভাৱে ব্যাখ্যা কৰিব পাৰি। তেওঁলোকেই প্ৰথমে মৌলিক কণিকাবোৰৰ বিকল্প হিছাপে ষ্ট্ৰিঙৰ ধাৰণাটো আগবঢ়ালে। কিন্তু তেওঁলোকে আগবঢ়োৱা তত্ত্বত বহুতো দুৰ্বলতা থাকি গ'ল আৰু ১৯৭৪ চন মানত মৌলিক কণিকাবোৰৰ মাজত থকা সবল ক্ৰিয়াৰ ব্যাখ্যাৰ বাবে আৱিষ্কৃত কোৱাৰ্ক তত্ত্বই বিজ্ঞান জগতত খোপনি পুতি লোৱাৰ পাছত ইয়াৰ ব্যাখ্যাৰ বাবে চুপাৰ ষ্ট্ৰিং তত্ত্ব অপ্ৰয়োজনীয় হৈ পৰিল। ফলস্বৰূপে বেছিভাগ বিজ্ঞানীয়েই এই তত্ত্ব পৰিত্যাগ কৰিলে। কিন্তু এই তত্ত্বত আকোঁৰগোজ হৈ লাগি থাকিল কেইজন মান বিজ্ঞানী। তেওঁলোকৰ ভিতৰত অন্যতম হ'ল জ'ন ছোৱাৰ্জ (John Schwarz) মাইকেল গ্ৰীন আৰু এডৱাৰ্ড ৱিটেন। তেওঁলোকে এই তত্ত্ব পৰিহাৰ নকৰাৰ কাৰণ হ'ল এই তত্ত্বৰ মাজত তেওঁলোকে সোণৰ খনিৰ সন্ধান পাইছে। ৱিটেনৰ ভাষাত "In string theory the physicist have stumbled into a very rich load, like a vein of rare minerals, that leads to very interesting physics, and also very deep mathematics". চুপাৰ ষ্ট্ৰিং তত্ত্বৰ গণিতীয় যুক্তিবোৰ ইমান গভীৰ হৃদয়গ্ৰাহী যে তেওঁলোক দৃঢ়ভাৱে পতিয়ন গৈছিল যে

এনে এটা তত্ত্ব কেতিয়াও ভুল হব নোৱাৰে। কিন্তু প্ৰকৃততে এই তত্ত্বভনো কি আছিল? এই তত্ত্বই ভৰহীন আৰু ঘূৰ্ণনশীল এটা কণিকাৰ অস্তিত্বৰ কথা ঘোষণা কৰিছে যিটো কণিকাৰ সন্ধান মৌলিক কণিকা বিজ্ঞানী সকলে তেওঁলোকৰ তত্ত্বৰ মাজত বহুত দিনৰ পৰা বিচাৰি ফুৰিছে কিন্তু ক'তো বিচাৰি উলিয়াব পৰা নাই। এই কণিকাটোক গ্ৰেভিটন বুলি কোৱা হয়। কোৱাণ্টাম ক্ষেত্ৰ তত্ত্বৰ সহায়ত মহাকৰ্ষণ ক্ৰিয়া ব্যাখ্যা কৰিবলৈ হ'লে এই কণিকাটোৰ অস্তিত্ব মানি ল'বই লাগিব। উল্লেখযোগ্য যে আধুনিক কোৱাণ্টাম ক্ষেত্ৰ তত্ত্ব মতে মৌলিক কণিকাবোৰৰ মাজত বিভিন্ন ধৰণৰ ক্ৰিয়াবোৰ সংঘটিত হয় কিছুমান কণিকাৰ বিনিময়ৰ জৰিয়তে। উদাহৰণ স্বৰূপে দুটা ইলেকট্ৰণৰ মাজত ক্ৰিয়া (বিকৰ্ষণ) হয় ফটন নামৰ এবিধ কণিকা বিনিময়ৰ যোগেদি। দুটা কোৱাৰ্কৰ মাজত ক্ৰিয়া হয় গ্লুৱন নামৰ এবিধ কণিকাৰ বিনিময়ৰ যোগেদি। গতিকে মহাকৰ্ষণ ক্ৰিয়াৰ ক্ষেত্ৰতো এনেধৰণৰ কণিকা বিনিময় হোৱাটো তাত্ত্বিক দিশৰ পৰা নিতান্ত প্ৰয়োজনীয় আৰু এই তত্ত্বমতেই এনে ধৰণৰ কণিকাৰ ভৰ শূণ্য আৰু ঘূৰ্ণনৰ মান দুই হোৱা প্ৰয়োজন। কিন্তু মৌলিক কণিকাৰ প্ৰতিষ্ঠিত তত্ত্বৰ ভিত্তিত (তথাকথিত ষ্টেণ্ডাৰ্ড মডেলত) এই কণিকাটোৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰি। কিন্তু ১৯৭৪ চনত জন ছোৱাৰ্জ আৰু জোৱেল ছাৰ্ক নামৰ দুজন বিজ্ঞানীয়ে প্ৰমাণ কৰি দেখুৱালে যে চুপাৰ ষ্ট্ৰিং তত্ত্বৰ গণিতীয় সমীকৰণবোৰৰ এটা সমাধানে এনে এটা ঘূৰ্ণনৰ মান দুই হোৱা ভৰহীন কণিকাৰ অস্তিত্বৰ কথাই প্ৰতিপন্ন কৰে। এই খিনিতে স্বাভাৱিকতে এটা প্ৰশ্ন হব পাৰে যে এই কণিকাটোৰ অস্তিত্বৰ ওপৰত কিয় ইমান গুৰুত্ব দিয়া হৈছে? ইয়াৰ কাৰণ হ'ল আধুনিক তাত্ত্বিক পদাৰ্থ বিজ্ঞানী সকলৰ অন্তিম লক্ষ্য হ'ল এনে এটা তত্ত্বৰ আবিষ্কাৰ কৰা যিটো তত্ত্বৰ সহায়ত সকলোবোৰ প্ৰাকৃতিক ঘটনা ব্যাখ্যা কৰিব পাৰি। এই তত্ত্বটোকে কোৱা হয় একীকৃত ক্ষেত্ৰ তত্ত্ব।

বিশ্বপ্ৰকৃতিত যিমানবোৰ বিভিন্ন প্ৰকাৰৰ ক্ৰিয়া সংঘটিত হৈ আছে সেইবোৰ মূল চাৰিবিধ বলৰ ক্ৰিয়া বুলি বিজ্ঞানী সকলে ঠাৱৰ কৰিছে। এই চাৰিবিধ ক্ৰিয়া হ'ল সবল ক্ৰিয়া, বিদ্যুৎ চুম্বকীয় ক্ৰিয়া, দুৰ্বল ক্ৰিয়া আৰু মহাকৰ্ষণিক ক্ৰিয়া। যি ধৰণৰ ক্ৰিয়াৰ ফলত প্ৰ'টন আৰু নিউট্ৰন কণিকা লগ লাগি পৰমানুৰ নিউক্লিয়াছ গঠিত হয় বা দুটা বা ততোধিক কোৱাৰ্ক লগ লাগি প্ৰ'টন, নিউট্ৰণ আদি কণিকাবোৰৰ সৃষ্টি হয় তেনে ধৰণৰ ক্ৰিয়াক সবল ক্ৰিয়া বোলা হয়। বৈদ্যুতিক আধানযুক্ত কণিকাবোৰৰ মাজত যি আকৰ্ষণ বা বিকৰ্ষণ হয় তাৰ কাৰণ বিদ্যুৎ চুম্বকীয় বল বুলি কোৱা হয়। এই বলৰ ক্ৰিয়াতেই দুটা ইলেকট্ৰণৰ মাজত বিকৰ্ষণ আৰু এটা প্ৰ'টন আৰু এটা ইলেকট্ৰণৰ মাজত আকৰ্ষণ হয়। তেজস্ক্ৰিয় পদাৰ্থৰ পৰমাণুৰ নিউক্লিয়াছৰ পৰা যি প্ৰক্ৰিয়াৰে, আলফা, বিটা আদি কণিকাবোৰ ওলাই আহে বা আপেক্ষিক ভাৱে গধুৰ কিছুমান মৌলিক কণিকাৰ অৱক্ষয় হৈ পাতল মৌলিক কণিকাৰ সৃষ্টি যি প্ৰক্ৰিয়াৰে হয় তাক দুৰ্বল ক্ৰিয়া বোলা হয়। আনটো প্ৰক্ৰিয়া –মহাকৰ্ষণৰ কথা আমি জানোৱেই। ভৰযুক্ত একাধিক পদাৰ্থৰ মাজত কেৱল ভৰৰ বাবেই যি আকৰ্ষণ হয় সেয়েই হ'ল মহাকৰ্ষণ। নক'লেও হ'ব যে এই চাৰিবিধ ক্ৰিয়া বৰ্ণনা কৰিবৰ কাৰণে ব্যৱহাৰ কৰা সূত্ৰবোৰ ভিন ভিন। মহাকৰ্ষণৰ ক্ষেত্ৰৰ কাৰণে ব্যৱহাৰ কৰা সূত্ৰটো সবল ক্ৰিয়াৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। কিন্তু আইনষ্টাইনৰ সময়ৰে পৰা বহুতো পদাৰ্থ বিজ্ঞানীৰ মনত এটা ধাৰণা বদ্ধমূল হৈ আহিছে যে সকলো বোৰ প্ৰাকৃতিক ঘটনা এটা মূল নীতি বা সূত্ৰৰ ভিত্তিত প্ৰতিষ্ঠিত আৰু আমি চাৰি বিধ ক্ৰিয়াৰ বৰ্ণনাৰ বাবে আবিস্কাৰ কৰা সূত্ৰবোৰ এই একেটা মূল সূত্ৰৰে ভিন ভিন ৰূপহে মাথোন। এই মূল সূত্ৰটোৰ সন্ধানত বিজ্ঞানীসকলে অহোৰাত্ৰি গবেষণা কৰি আহিছে আৰু এই দিশত একেবাৰে সফল নোহোৱাকৈয়ো থকা নাই। দুৰ্বল ক্ৰিয়া আৰু বিদ্যুৎ চুম্বকীয় ক্ৰিয়া ইতিমধ্যে একীকৃত কৰা হৈছে। ইলেক্ট্ৰ' উইক (Electro Weak) নামৰ এই তত্ত্বৰ সহায়ত এই দুবিধ ক্ৰিয়া সফল ভাৱে ব্যাখ্যা কৰিব পৰা গৈছে। এই দুবিধ ক্ৰিয়াৰ লগত সবল ক্ৰিয়াৰ একীকৰণ প্ৰচেষ্টাতো বিজ্ঞানীসকলে আশাৰ ৰেঙনি দেখিবলৈ পাইছে। কিন্তু এই তিনিবিধ






ক্ৰিয়াৰ লগত মহাকৰ্ষণ ক্ৰিয়াক একত্ৰিত কৰিবলৈ গৈ বিজ্ঞানীসকল বিবুধিত পৰিছে। প্ৰতিষ্ঠিত তত্ত্বমতে এই কাৰ্য্যসম্পন্ন কৰিবলৈ যাওঁতে এনে কিছুমান পৰিণতিৰ সম্মুখীন হব লগা হয় যিবোৰ গোটেই তত্ত্বটোৰে গ্ৰহণযোগ্যতা নোহোৱা কৰি দিয়ে। কিন্তু চুপাৰ ষ্ট্ৰিং তত্ত্বত মহাকৰ্ষণৰ ধাৰণাটো এনেদৰে সাঙোৰ খাই আছে যে ইয়াক কোনো মতেই এৰাই চলিব নোৱাৰি। গতিকে আন তিনিবিধ প্ৰক্ৰিয়াৰ ব্যাখ্যা সফলভাৱে দিব পাৰিলে এই তত্ত্বৰ সহায়তেই চাৰিবিধ ক্ৰিয়াৰ একীকৰণ কৰাটো সম্ভৱ হব বুলি বিজ্ঞানী সকলে বিশ্বাস কৰে। ষ্টেণ্ডাৰ্ড মডেলৰ তুলনাত এই তত্ত্বৰ সুবিধাবোৰ হ'ল ইয়াত মহাকৰ্ষণক কৃত্ৰিম ভাৱে তত্ত্বৰ মাজত অন্তৰ্ভূক্ত কৰিব নেলাগে। মহাকৰ্ষণৰ উৎপত্তিৰ কাৰণ এই তত্ত্বই নিজেই ডাঙি ধৰিছে। মৌলিক কণিকাৰ তত্ত্বত বিভিন্ন তত্ত্বৰোৰ লগ লগাবৰ সুবিধাৰ বাবে প্ৰয়োজন অনুসৰি বিভিন্ন মান ধৰি লব পৰা বহুতো ৰাশি (Parameters) অন্তৰ্ভূক্ত কৰা হৈছে। এই ৰাশিবোৰৰ উপস্থিতিয়ে তত্ত্বটোৰ সাৰ্বজনীনতা ক্ষুন্ন কৰিছে। কিন্তু চুপাৰ ষ্ট্ৰিং তত্ত্বত এনে ধৰণে কৃত্ৰিমভাৱে অন্তৰ্ভূক্ত কৰা ৰাশি নাই বুলিয়েই কব পাৰি। কিন্তু তথাপিও চুপাৰ ষ্ট্ৰিং তত্ত্ব এতিয়াও বহুতো বিজ্ঞানীৰ আস্থাভাজন হব পৰা নাই। ইয়াৰ কাৰণ হ'ল এই তত্ত্বৰ সহায়ত মৌলিক কণিকাৰ বিভিন্ন ক্ৰিয়াবোৰ ব্যাখ্যা কৰিবৰ বাবে স্থান কালৰ মাত্ৰা অধিক হ'ব লাগিব।

আমি বাস কৰা বিশ্বব্ৰহ্মাণ্ডখন চৌমাত্ৰিক (Four dimensional) বুলি কোৱা হয়। শূণ্যত কোনো এটা বস্তুৰ অৱস্থান নিৰ্ণয় কৰিবলৈ পূব-পশ্চিম, উত্তৰ-দক্ষিণ আৰু ওপৰ-তল এই তিনিটা ভিন্ন দিশৰ জ্ঞান থাকিব লাগিব। সেইবাবে স্থান শূণ্যৰ মাত্ৰা তিনি বুলি কোৱা হয়। আই নষ্টাই নে তেওঁৰ বিশেষ আপেক্ষিকতাবাদ তত্ত্বৰ সহায়ত দেখুৱাইছে যে কোনো এটা বস্তুৰ অৱস্থানৰ লগত সময়ৰ ধাৰণাটোও ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকে। সেইবাবে কোনো এটা ঘটনাৰ বিৱৰণ দিওঁতে ঘটনাটো ক'ত ঘটিছে সেইটো কোৱাৰ লগে লগে কেতিয়া ঘটিছে সেইটোও কব লাগিব। সেইবাবে আধুনিক বিজ্ঞানত বিশ্বব্ৰহ্মাণ্ডখন চাৰি-মাত্ৰাৰ বুলি কোৱা হয়। কিন্তু চুপাৰ ষ্ট্ৰিং তত্ত্ব সফল হবলৈ হ'লে বিশ্বব্ৰহ্মাণ্ডখন দহ মাত্ৰাৰ বুলি ধৰিব লাগিব। ইয়াৰে নটা মাত্ৰা স্থানৰ আৰু এটা মাত্ৰ কাল বা সময়ৰ। এনে ধৰণৰ বিশ্বব্ৰহ্মাণ্ডৰ ধাৰণাটোৰেই সম্পূৰ্ণ অবাস্তৱ। গতিকে চুপাৰ ষ্ট্ৰিং তত্ত্বই আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ঘটনা প্ৰৱাহৰ ব্যাখ্যা দিয়াটো আপাত দৃষ্টিত প্ৰায় অসম্ভৱ। কিন্তু চুপাৰ ষ্ট্ৰিং তত্ত্বৰ প্ৰবক্তা সকলে ইয়াৰো সমাধান বিচাৰি উলিয়াইছে। আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্ত্ব মতেই স্থান কালৰ জ্যামিতি স্থবিৰ নহয়। সময়ৰ লগে লগে ইয়াৰ স্থানৰ তিনিটা মাত্ৰা ক্ৰমে বৃদ্ধি পাই আহিবলৈ ধৰিলে। এটা সময়ত এই ছটা মাত্ৰাৰ দৈৰ্ঘ্য ১০$^{-৩৩}$ ছেণ্টিমিটাৰ হ'লগৈ আৰু ই আমাৰ দৃষ্টিৰ অগোচৰ হৈ পৰিল। কিন্তু কালৰ মাত্ৰা ক্ৰমে বৃদ্ধি পায়েই আহিল। সেই বাবেই বৰ্ত্তমান আমি স্থানৰ তিনিটা মাত্ৰা আৰু কালৰ এটা মাত্ৰা দেখিবলৈ পাওঁ। স্থান কালৰ এনে সংকোচনৰ সম্ভাৱনীয়তাৰ কথা মাৰ্কিন গণিতজ্ঞ কালাবি (Eugenio Calabi) য়ে ১৯৫৪ চনত গণিতীয় সমীকৰণৰ সহায়ত প্ৰমাণ কৰি দেখুৱাইছিল। ১৯৭৬ চনতো কালিফাৰ্ণিয়া বিশ্ববিদ্যালয়ৰ আন এগৰাকী গণিতজ্ঞ ছিং টুং য়াও (Shing Tung Yau)ৰেও এই একেটা প্ৰক্ৰিয়াকে পুনৰ নতুন ধৰণেৰে প্ৰদৰ্শন কৰে। সেইবাবে স্থান - কালৰ এনেধৰণৰ সংকোচন প্ৰক্ৰিয়াক কালাবি - য়াও সংকোচন (Calabi - Yau Campactification) বোলা হয়। এই প্ৰক্ৰিয়াৰ যথাৰ্থতা স্বীকাৰ কৰি লোৱাৰ পাছত চুপাৰ ষ্ট্ৰিং তত্ত্বৰ ভিত্তি আগতকৈ বহুত দৃঢ় হৈ পৰিছে। কিন্তু তথাপিও এই তত্ত্ব ব্যৱহাৰ কৰিবলৈ যাওঁতে আমি স্থান কালৰ মাত্ৰা দহ বুলিয়েই ধৰি লব লাগিব। আমি দেখি থকা বিশ্বব্ৰহ্মাণ্ডখন ত্ৰিমাত্ৰিকহে। কিন্তু আইনষ্টাইনে আমাক এই বিশ্ব ব্ৰহ্মাণ্ডখন চাৰি মাত্ৰাৰ বুলি ধৰি লবলৈ বাধ্য কৰালে। আমি ধৰি লৈছোওঁ। গতিকে চুপাৰ ষ্ট্ৰিং তত্ত্বই যদি ইয়াক দহ মাত্ৰাৰ বুলি ভাবিবলৈ আমাক বাধ্য কৰায় আমি বাধিত হবই লাগিব। আইনষ্টাইনে মনৰ ডেউকাৰ পাখি মেলিবলৈ আমাক শিকাইছে। পাখি মাৰি অলপ দূৰলৈ উৰি যোৱাতনো আপত্তি কিহৰ? কবিয়ে কৈছেই নহয় ...those unheard are sweeter...। ❑❑❑

# ।। অসমীয়া কবিতাৰ বিৱৰ্তন সন্দৰ্ভত ।।

○ *অধ্যাপক পৱন কুমাৰ বৰুৱা*

অসমীয়া কবিতাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশৰ ধাৰাবাহিক বুৰঞ্জী এতিয়ালৈ প্ৰণয়ন কৰা হোৱা নাই। কবি আৰু কবিতা প্ৰেমী সমালোচকসকলে নানান প্ৰবন্ধত এই বিষয়ৰ আলোচনা কৰিছে। সেইদৰে কবিতা সংকলন সমূহতো কবিতাৰ ইতিহাস আলোচনা কৰা হৈছে। অৱশ্যে 'পদ'ৰ পৰা 'কবিতা' লৈ উত্তৰণৰ বাট বৰ বেছি দীঘলীয়া নহয়। অসমীয়া সাহিত্যই মাধৱ কন্দলিৰ 'ত্ৰিপদী'ৰ পৰা নৱকান্ত বৰুৱাৰ 'মুক্তক' লৈ এহাজাৰ বছৰ কালেই অতিক্ৰম কৰা নাই। গতিকে এই সময় চোৱাৰ যুগশ্ৰেষ্ঠ কবি অপ্ৰমাদী মাধৱ কন্দলিৰ ছত্ৰছায়াতেই অসমীয়া কবিসকলে অৱগাহন কৰিছিল। অসমীয়া কবিতাৰ ভাষা আৰু ছন্দৰ যি মনোমোহা সৌন্দৰ্য্য বা 'ঠগ' তাক অন্য ক'তো বিচাৰি পোৱা নাযায়। সেইবাবেই বোধহয় সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষাক 'অ মোৰ সুৰীয়া মাত, অসমৰ সুৱদি মাত, পৃথিৱীৰ ক'তো বিচাৰি জনমটো, নোপোৱা কৰিলেও পাত' বুলি অভিহিত কৰিছিল। অসমৰ আৰ্য ভিন্ন ভাষা সমূহৰ সুৰ-ধৰ্মিতা এক বিশেষ লক্ষণ। অসমৰ আৰ্য ভাষাৰ শ্বাসাঘাতো বিশেষ লক্ষণ। স্থানীয়ভাষাৰ সুৰ আৰু আৰ্য্যভাষাৰ শ্বাসাঘাতৰ সুসমন্বয়ত অসমীয়া ভাষাত যি 'সুৰলহৰ' (বেজবৰুৱাৰ ভাষাত 'সুৰীয়ামাত') এই ভুখণ্ডত উদ্ভৱ হ'ল সি অসমীয়া ভাষাৰ প্ৰাণ-স্পন্দন। এই প্ৰাণস্পন্দন যি কবিতাত পোৱা নাযায় সি অসমীয়া কবিতা নহয়। এটা সময়ত বাৰে বঙলুৱা শব্দেৰে অসমীয়া কবিতা ৰচনা কৰা হৈছিল কিন্তু সেইবোৰে অসমৰ কাব্য জগতত চিৰস্থায়ী সাঁচ বহুৱাই থৈ যাব নোৱাৰিলে। সাম্প্ৰতিক সময়তো পাশ্চাত্য আৰ্হি আৰু বঙলুৱা ঠাঁচে অসমীয়া কবিতাৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি নকৰা নহয়। কিন্তু এই বিভ্ৰান্তি সাময়িক। ই অসমীয়া কবিতাৰ মনো জগতত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। ৰঘুনলাৰ দৰে মৰহি যাব।

> "..............থকাৰ নিমিত্তেই কবিতাৰ লগতো যুগধৰ্মৰ সম্বন্ধ আছে। সাহিত্যিকৰ প্ৰতিভাৰ তুলাচনী হৈছে পাঠকৰ মন। পাঠকৰ মন দেশ-কাল-পাত্ৰ ভেদে সদায় পৰিবৰ্তন হৈ থাকে। সেইদেখি সৰ্বৱৰহী সাহিত্যিকে দেশ, কাল, পাত্ৰ ভেদে পাঠকৰ মন যোগাবলৈ চেষ্টা কৰাটো স্বাভাৱিক। সাহিত্যৰ সালসলনি হৈ আছে আৰু হবও। কিন্তু এই সালসলনি বিলাকে সাহিত্যৰ সৌন্দৰ্য্যৰ হ্ৰাস নকৰি বেছিহে কৰে। বিচক্ষণ সাহিত্যিকে ......................."

কবিতা চিৰ নতুন। ইয়াক পুৰণি আৰু নতুন এই বিভাজন কৰাৰ উপায় নাই যদিও সমালোচকসকলে বিচাৰ বিশ্লেষণৰ সুবিধাৰ্থে প্ৰাচীন, মধ্যযুগীয়, আধুনিক, উত্তৰ আধুনিক, প্ৰগতিবাদী, সাম্প্ৰতিক ইত্যাদি ক্ষুদ্ৰ ক্ষুদ্ৰ বিভাজনেৰে কবিতাৰ সম্যক আলোচনা আগবঢ়ায়। এইটো চিৰ শাশ্বত কথা যে প্ৰতিভাবান ব্যক্তিৰ একান্ত অনুভৱ আৰু সাধনাৰ ফলস্বৰূপে সৃষ্টিশীল সাহিত্যই যুগে যুগে বৰণ সলায়। চতুৰ্দ্দশ শতিকাৰ মাধৱকন্দলি সেইসময়ত আধুনিক আছিল। সেইদৰে ষোড়শ শতিকালৈ শংকৰদেৱো আধুনিক আছিল। কিন্তু আজিৰ সময়ৰ পৰিপ্ৰেক্ষিতত তেওঁলোক পুৰণি হ'ল। কবিতাৰ যুগধৰ্মৰ লগত থকা চিৰকলীয়া সম্বন্ধৰ বিষয়ে ধ্বনি কবি ˚ বিনন্দ চন্দ্ৰ বৰুৱাই ১৯৩৭ চনতেই এটি সুন্দৰ মন্তব্য আগবঢ়াইছিল। মন্তব্যটিৰ হুবহু উদ্ধৃতি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। তেখেতে লিখিছিল – "সাহিত্যৰ লগত যুগধৰ্মৰ সম্বন্ধ থকাৰ নিমিত্তেই কবিতাৰ লগতো যুগধৰ্মৰ সম্বন্ধ আছে। সাহিত্যিকৰ প্ৰতিভাৰ তুলাচনী হৈছে পাঠকৰ মন। পাঠকৰ মন দেশ-কাল-পাত্ৰ ভেদে সদায় পৰিবৰ্তন হৈ থাকে। সেইদেখি সৰ্বৱৰহী সাহিত্যিকে দেশ, কাল, পাত্ৰ ভেদে পাঠকৰ মন যোগাবলৈ চেষ্টা কৰাটো স্বাভাৱিক। সাহিত্যৰ সালসলনি হৈ আছে আৰু হবও। কিন্তু এই সালসলনি বিলাকে সাহিত্যৰ সৌন্দৰ্য্যৰ হ্ৰাস নকৰি বেছিহে কৰে। বিচক্ষণ সাহিত্যিকে সেইদেখি এই সালসলনি বিলাক যুগধৰ্মৰ লগত খাপ খোৱাকৈ কৰে। যুগধৰ্ম অনুসৰি যেই সাজেৰেই সজাওক নালাগে সাজৰ ভিতৰত এটা সনাতন সৌন্দৰ্য্য বা সনাতন সত্য নিহিত থাকিলে সেই কবিতা স্থায়ী হয়। আজিৰ পাঠকে সেইকবিতা যেনেকৈ ভাল পাব শ শ বছৰৰ পাছতো সেই কবিতাই মানুহৰ মন আকৰ্ষণ কৰিব।"

সচাঁসচিকৈয়ে চিৰন্তন সত্য বস্তুটোহে কবিতাৰ ঘাই ধৰণী। সমসাময়িক বিষয়বোৰ ইয়াৰ বাহ্যিক ৰূপহে। অপ্ৰমাদী মাধৱ কন্দলিয়ে ৰাম চৰিত্ৰৰ সনাতন সত্য প্ৰকাশৰ বাবে তেওঁৰ সময়ত প্ৰচলিত ভাষা আৰু ৰীতিগ্ৰহণ কৰিছিল। সেই বাবেই ই সকলো মানুহৰ হৃদয় চুই গৈছিল। সেই হৃদয় স্পৰ্শী নীতিৰ পৰিশীলন সাধাৰণ মানুহৰ বিষয় নহয়। অসাধাৰণ প্ৰতিভাধাৰী ব্যক্তিৰ বাবেহে ই সম্ভৱ। মধ্যযুগীয়া অসমীয়া কবিসকলৰ এটি ঘোষিত আদৰ্শ আছিল এই যে তেওঁলোক সংস্কৃত ভাষাৰ পাৰদৰ্শি হোৱা স্বত্বেও জনসাধাৰণৰ বোধগম্যতা আৰু ৰসাস্বাদনৰ বাবে থলুৱাভাষাৰ কাবাৰ অনুশীলন কৰিছিল। কাব্যাদৰ্শৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ সমসাময়িক কবিসকলৰ মাজত কিছুপৰিমাণে মতবিৰোধ আছিল ঠিকেই কিন্তু কাব্যৰূপৰ ক্ষেত্ৰত বিৰোধ নাছিল। কাব্যৰ দেহ সজ্জাত তেওঁলোকে একেটা ৰীতিকে গ্ৰহণ কৰিছিল। অনন্ত কন্দলিয়ে 'মধ্য দশম'ত এইদৰে এটি মন্তব্য কৰিছে তেওঁ তৰ্ক শাস্ত্ৰত পণ্ডিত আছিল যদিও ভাগৱতৰ পাঠ শুনি তাৰ প্ৰভাৱত পৰমভক্ত হৈ পৰে আৰু সংস্কৃত শ্লোক ৰচনাৰ দক্ষতা থকা স্বত্বেও স্ত্ৰী শূদ্ৰই বুজি পোৱাৰ উদ্দেশ্যে স্থানীয় মাত কথাৰে কাব্য ৰচনা কৰিবলৈ অগ্ৰসৰ হয়। তেওঁৰ নিজৰ ছন্দতেই উদাহৰণটি দাঙি ধৰা হ'ল-

শ্লোক সংস্কৃত আমি লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰমতত্ত্ব
শ্ৰৱণত মিলয় আনন্দ।।

'পদবন্ধ' কথাষাৰেৰে স্থানীয় কাব্যৰূপৰ ব্যঞ্জনা কৰিছে আৰু লগতে কাব্যৰ ৰসাস্বাদন আৰু জ্ঞানদানৰ উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰিছে। 'শ্লোকৰ' ঠাইত 'পদ'ৰ প্ৰয়োগ এইদৰে মাধৱকন্দলিৰ পিছতেই মধ্যযুগৰ অসমীয়া কবিসকলে সণ্ঢালনিকৈ কৰিছিল।

পৰমতত্ত্ব জনসাধাৰণৰ বোধগম্য কৰা আৰু আনন্দ প্ৰদান কৰাৰ বাবেই 'পদ' ৰ সৃষ্টি কৰাৰ মহানন্দ মধ্যযুগৰ অসমীয়া কবিসকলে লাভ কৰিছিল। এই ক্ষেত্ৰত অগ্ৰণীভূমিকা লোৱা কবিজন হৈছে মাধৱ কন্দলি। তেওঁ পৰমতত্ত্বত কৈয়ো কাহিনীৰ মাজেদি জীৱনৰ চিৰন্তন বিষয, সত্য-শিৱ-সুন্দৰৰ ছবি অংকন কৰিছে। তেওঁৰ

কাব্যৰূপৰ চমৎকাৰিতাই তেওঁ যে যুগ শ্ৰেষ্ঠ কবি শিল্পী তাকেই প্ৰতিপন্ন কৰিছে। অসাধাৰণ প্ৰতিভাৰ আকৰ সৰ্বসাধাৰণৰ ঈশ্বৰ-অৱতাৰ শ্ৰীমন্ত শংকৰদেৱে তেওঁক 'অপ্ৰমাদী' বুলি অভিহিত কৰিছিল।

পূৰ্ব্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
বিৰচিলে পদে ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

'ৰামকথা' শ্লোকত নিলিখি পদত ভঙাৰ প্ৰচেষ্টা কবি মাধৱ কন্দলিৰ এক দুঃ সাহসিক কৰ্ম। উত্তৰ ভাৰতীয় প্ৰান্তীয় সাহিত্যত 'পদ'ৰ অলংকৰণ এয়ে প্ৰথম বুলি সমালোচক সকলে মন্তব্য কৰিছে। শ্ৰীমন্ত শংকৰদেৱে লিখা উল্লেখিত 'ত্ৰিপদী'টোত এই কৰিজনাক ভূয়সী প্ৰশংসা কৰিছে। অসমীয়া ছন্দৰীতিত সেই সময়তে নতুনত্বৰ সন্ধান কৰা শ্ৰীমন্ত শংকৰদেৱে শহা উদাহৰণেৰে নিজক শহা পহুৰ লগত ৰিজাই মাধৱকন্দলিক হাতীৰ লগত তুলনা কৰিছে। হাতীৰ লাদ দেখি শহা এটাই সিমান লাদিবলৈ গ'লে যি অৱস্থা হ'ব মাধৱ কন্দলিৰ পদ দেখি শংকৰদেৱৰো সেই অৱস্থা হৈছিল বুলি মন্তব্য কৰিছে। গতিকে মাধৱকন্দলিৰ ছন্দৰীতিৰ প্ৰভাৱতেই শংকৰদেৱে 'পদ' কৰিছিল আৰু পিছলৈ নতুন ছন্দসজ্জাৰো সৃষ্টি কৰিছিল। ড° সতেন্দ্ৰ নাথ শৰ্মাই প্ৰাক্ শংকৰ যুগৰ সাহিত্যৰ বিশ্লেষণত এটি মূল্যবান মন্তব্য কৰিছিল এইদৰে - "কন্দলী সৰস্বতী, কবিবৰ উপাধিধাৰী কবিসকলৰ সংস্কৃত ভাষা আৰু শাস্ত্ৰত যথেষ্ট বুৎপত্তি আছিল। ৰাজ অনুগ্ৰহ লাভ কৰি জনসাধাৰণক শিক্ষা আৰু কাব্যানন্দ দান কৰি তেওঁলোকে শাস্ত্ৰ জ্ঞানৰ সমুচিত প্ৰয়োগ কৰিছিল। যি দেশ, কাল আৰু পাত্ৰৰ উপযোগী কৰি কাব্যৰচনা কৰাত বা পৌৰাণিক আখ্যান অনুবাদ কৰাত যি ৰীতি আৰু কৌশল তেওঁলোকে অৱলম্বন কৰিছিল, পৰৱৰ্তী বৈষ্ণৱ যুগৰ কবিসকলে কাব্য ৰচনাৰ সেই ৰীতি আৰু কৌশলকেই বেছি সৌষ্ঠৱশালী কৰি তুলিলে।"

উত্তৰ বৈষ্ণৱ যুগত বৈষ্ণৱযুগৰেই পুনৰাবৃত্তি হয়। প্ৰতিভাবান ব্যক্তিৰ অভাৱত অসমীয়া কাব্যৰূপৰ সমৃদ্ধি আৰু বিকাশত স্থবিৰতাই দেখা দিছিল। ছন্দৰ ক্ষেত্ৰত মাধৱ কন্দলি আৰু তেওঁৰ সমসাময়িক কবিসকলে পদ, দুলৰী, ছবি আৰু ঝুমুৰী ছন্দ সজ্জাৰ অনুশীলন কৰিছিল। শ্ৰীমন্ত শংকৰদেৱে এই ছন্দৰীতি ব্যৱহাৰ কৰাৰ উপৰি নিজ প্ৰতিভাৰ দ্বাৰা দীৰ্ঘ ত্ৰিপদী বা লেছাৰি, কুসুমমালা আৰু ঝুনা বা একাৱলী ছন্দ ৰীতিৰ বিকাশ সাধন কৰিছিল। ছন্দ বৈশিষ্ট্যৰ ক্ষেত্ৰত বহুতে চৰ্যাপদলৈয়ো আঙুলিয়ায় কাৰণ শংকৰী যুগৰ কবিতাত যি মিত্ৰাক্ষৰী ৰীতি প্ৰয়োগ কৰা হৈছে তাৰ নমুনা চৰ্যাতো বিদ্যমান। অৱশ্যে চৰ্যাত অসমপংক্তিৰ ব্যৱহাৰো মনকৰিবলগীয়া। তথাপি পূৰ্বভাৰতীয় পদ বা পয়াৰ আৰু ত্ৰিপদীৰ প্ৰাচীনতম সুৰ চৰ্যাতো বিদ্যমান বুলি ড° মহেশ্বৰ নেওগে মন্তব্য কৰিছে। পদ বা পয়াৰৰ মিত্ৰাক্ষৰী ১৪ অক্ষৰ ৮ + ৬, দুলৰী ৬ + ৬ + ৮, ছবি বা দীৰ্ঘ ত্ৰিপদী ৮ + ৮ + ১০, লেছাৰি ১০ + ১০ + ১৪, পয়াৰৰ হ্ৰস্ব ৰূপ হিচাপে ঝুণা ৬ + ৬, ঝুমুৰি ৪ + ৪, চাৰিটা অন্ত্যানুপ্ৰাসেৰে কুসুমমালা ৩ + ৩। এই কুসুমমালা ছন্দক গুণমালা ছন্দও বোলা হৈছে। যেনে

- নমো নাৰায়ণ
সংসাৰ তাৰণ
ভকত চাৰণ
তোমাৰ চৰণ।

এই ছন্দৰীতিত যি সুৰ লহৰ শুনা যায় ই অসমীয়া ভাষাৰ প্ৰাণৰ সুৰ। কিন্তু বাংলা ভাষাৰ প্ৰভাৱত উনবিংশ শতিকাৰ অষ্টম দশকত ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰীয়ে যি অমিতাক্ষৰ ছন্দৰ আমদানি কৰিলে সি অসমীয়া কাব্যজগতলৈ নতুন সুৰ আনিলে। জোনাকীৰ সময়ত পাশ্চাত্য আৰ্হিত অসমীয়া ভাষা সাহিত্যলৈ এক বিৰাট পৰিবৰ্ত্তন আহিল। এই পৰিবৰ্ত্তনৰ জোৱাৰত অসমীয়া স্বকীয় সুৰৰ বিশ্ৰুটি নোহোৱাকৈ নাছিল। অৱশ্যে কেইবাগৰাকী সচেতন কবি সাহিত্যিকে বৈষ্ণৱ সাহিত্যৰ পুণৰুদ্ধাৰ কাৰ্য্যত মনোনিবেশ কৰি পুৰণি ঐতিহ্যৰ আধাৰত নতুনক আদৰণী জনাইছিল। তথাপি বাংলা প্ৰভাৱৰ বাবে অসমীয়া সাহিত্যৰ কি দুৰ্য্যোগ হৈছিল তাৰ বিষয়ে জানিবলৈ হ'লে আমি অম্বিকা নাথ বৰাই লিখা কথাখিনি মনত ৰাখিব লাগিব। অসমীয়া কবিতাৰ বিৱৰ্তনৰ ক্ষেত্ৰতো ই সমানে প্ৰযোজ্য। বৰাই জোনাকীৰ বৰঙনিৰ বিষয়ে গুণানুকীৰ্ত্তন কৰি এইদৰেও মন্তব্য কৰিছিল —"জোনাকীয়ে আমাৰ ভাষা আৰু সাহিত্যৰ এটা ডাঙৰ পৰিবৰ্ত্তন আনিলে। সেয়া হৈছে বঙলা সাহিত্য আৰু বঙালী জাতিৰ প্ৰভাৱ। আমাৰ বৰ্ত্তমান সাহিত্যত পশ্চিমীয়া ভাৱভংগী সোমাবলৈ ধৰিলে সঁচা কিন্তু আগেয়ে যেনেকৈ পোনেই পশ্চিমৰ পৰা আহি সোমাইছিল তেনে নহয়। এতিয়া ই বঙালী জাতি আৰু সাহিত্যৰ মাজেদি বৈ অহা, গতিকে বহুতখিনি বঙলুৱা ৰহন লৈ অসমীয়া সাহিত্যত সোমাইছে। আমাৰ কাব্য সাহিত্যত শংকৰদেৱৰ লগত মিল্টন, ৱৰ্থচ্ৱৰ্থ, শ্বেলী, কীটছ সোমাইছে সঁচা কিন্তু তেওঁলোক পোনেই ইংলণ্ডৰ পৰা অহা নহয়। হেমচন্দ্ৰ, মধুসূদন, ৰবীন্দ্ৰনাথে বংগদেশত বঙালী লুচী, চৰ্বি খুৱাই পঠিওৱা মিল্টন ৱৰ্ডচ্ৱৰ্থ, শ্বেলীহে সোমাইছে। আমাৰ নাট্য সাহিত্যত পুৰণি নাটকৰ লগত শ্বেক্স্পীয়েৰ, মাৰ্লো সোমাইছে হয় কিন্তু তেওঁলোক পোনেই ইংলণ্ডৰ পৰা অহা নহয়। গিৰীশচন্দ্ৰ আৰু দ্বিজেন্দ্ৰ লালে আনি বংগদেশৰ ফৰেচাডাঙাৰ ধুতি পিন্ধাই পঠিওৱা শ্বেক্স্পীয়েৰ, মাৰ্লেহেঁ। আমাৰ কথা সাহিত্যত জনচন, এডিচন, স্কট, ডিকেন্চ্ সোমাল সঁচা কিন্তু তেওঁবিলাক আগেয়ে বংগদেশত বঙ্কিম, ৰমেশ দত্তৰ ঘৰত আলহী সোমাইহে অসম পালেগৈ।" এইখিনি কথা বৰা ডাঙৰীয়াই ১৯৩৭ চনতেই কৈছিল। ইয়াৰ প্ৰাসংগিকতা এতিয়াও নোহোৱা নহয়। সাম্প্ৰতিক সময়ৰ অসমীয়া নতুন কবিতাৰ মাজতো বঙলুৱা ঢং এটি সোমাইছে। ৰামধেনু যুগত মুক্তক বা "আঠুভাঙা" ছন্দ আমদানি কৰিলে নৱকান্ত বৰুৱাই। ইয়াতো কলিকতাৰ বিশ্বভাৰতীয় প্ৰভাৱ অস্বীকাৰ কৰাৰ উপায় নাই। অৱশ্যে নৱকান্ত বৰুৱাই মননশীল দৃষ্টিভংগীৰে মধ্যযুগীয় অসমীয়া কবিতাৰ ছন্দৰ পৰিশীলনেৰে অসমীয়া সাজৰ মুক্তক ৰচনা কৰিছে। সাম্প্ৰতিক সময়ত অসমীয়া আধুনিক কবিতা বিচিত্ৰ হৈছে। এইটো হ'বলৈ পাইছে বিভিন্ন সংবাদ পত্ৰৰ বাবে। বাংলা সংবাদ পত্ৰ, সাময়িকী আদি আমি ৰবকৈ পঢ়ো। সেইদৰে অসমীয়া ভাষাতো সাম্প্ৰতিক সময়ত অজস্ৰ সংবাদ পত্ৰ আৰু আলোচনী প্ৰকাশ পাইছে। তাৰে কিছুমানত বাংলা আৰ্হি গ্ৰহণ কৰা হৈছে। সেইবাবেই আমাৰ ভাষাৰ কবিতাই নিজৰ সুৰ হেৰুৱাই বিজতৰীয়া হ'বলৈ ধৰিছে। কবিসকল স্ৰষ্টা আৰু দ্ৰষ্টা। তেওঁলোকে নিজৰ ভাষাৰ মহিমা উপলব্ধি কৰি অসমীয়া ভাষাৰ সুৰ লহৰ আয়ত্ব কৰি বিশ্বৰ সুৰৰ লগত সুসমন্বয় কৰি কবিতা লিখিবলৈ ললে অসমীয়া কবিতাই বিশ্বজয় কৰিবলৈ নিশ্চয় সক্ষম হ'ব। ❑❑❑

লেখকৰ টোকা ঃ এই প্ৰবন্ধ প্ৰস্তুত হোৱাৰ পাছত ড° কবীন ফুকনে 'অসমীয়া কবিতাৰ ইতিহাস'ৰ প্ৰথম খণ্ড প্ৰণয়ন কৰি উলিয়াইছে।

# অসম, আঞ্চলিকতাবাদ আৰু ৰাষ্ট্ৰ চৰিত্ৰৰ বিশ্লেষণ

○ উদয়াদিত্য ভৰালী

ব বৰ্তমানে অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক তথা সাংস্কৃতিক জীৱনত "আঞ্চলিকতাবাদ" হৈ পৰিছে সৰ্বাধিক চৰ্চিত বিষয়। ইয়াক নক'লেও চলে যে ই অকস্মাৎ আকাশৰ পৰা সৰি পৰা নাই। অথবা ইয়াৰ সৃষ্টি শূণ্যৰ পৰাও হোৱা নাই। ইয়াৰ এক দীৰ্ঘ ইতিহাস আছে। কিন্তু একালৰ আঞ্চলিক চিন্তা আৰু বৰ্তমানৰ আঞ্চলিক চিন্তাৰ মাজত মাথোন পৰিমানগত (Quantitative) পাৰ্থক্যই নহয়, লগতে গুণগত (Qualitative) পাৰ্থক্যও চকুত পৰে। অসমৰ অনগ্ৰসৰতাই আঞ্চলিকতাবাদী চিন্তা-চেতনাৰ মূল। এই দিশত অসমৰ স্বকীয় বৈশিষ্টপূৰ্ণ ইতিহাস আৰু এই নিৰ্দিষ্ট স্বতন্ত্ৰতা সম্পন্ন ঐতিহাসিক পৃষ্ঠভূমিত গঢ় লৈ উঠা অসমীয়া জাতীয়তাবাদী আদৰ্শই লৈছিল এক নিৰ্ণায়ক ভূমিকা। পিছে একালৰ আঞ্চলিক চিন্তাৰ মূল চালিকা শক্তি আছিল অন্ধ আবেগ আৰু অনেক ক্ষেত্ৰত ই জাত্যাভিমানৰ দ্বাৰা পৰিচালিত হৈছিল। পশ্চাদপদতাৰ কাৰণবোৰ বিজ্ঞানসন্মত ভাবে তথ্যৰ ভিত্তিত উদঘাটন কৰাৰ সচেতন প্ৰচেষ্টা একালত এনে চিন্তাত চকুত পৰা ৰূপেৰে নাছিল। অসমীয়া জাতীয়তাবাদী চিন্তা যদিও অতি শক্তিশালী আছিল তথাপি ই উচ্চবৰ্ণবাদী প্ৰৱণতাৰ পৰা মুক্ত নাছিল। অসমীয়া জাতীয়তাবাদে যেনে গণতান্ত্ৰিক মৰ্মেৰে নিজকে সজ্জিত কৰা উচিত আছিল সেই মৰ্ম আছিল অনুপস্থিত। বৃহত্তৰ অসমৰ খিলঞ্জীয়া জনজাতীয় গোষ্ঠীবোৰৰ প্ৰতিও ই প্ৰয়োজনীয় ৰূপেৰে ভাতৃত্ব তথা সমতাৰ মনোভাব পোষণ কৰিবলৈ ব্যৰ্থ হৈছিল আৰু তাৰেই পৰিণতিত নাগালেণ্ড, মিজোৰাম, মেঘালয় - এই ৰাজ্যবোৰৰ সৃষ্টি হৈছিল গৈ। অনা অসমীয়া ভাষী, বিশেষকৈ বাংলা ভাষী অসমবাসীৰ প্ৰতি ই অনেক ক্ষেত্ৰত বৈৰী মনোভাব ব্যক্ত কৰা দেখা গৈছিল। ফলত এই চিন্তাত উগ্ৰজাতীয়তাবাদী উপাদান যথেষ্ট পৰিমানে আছিল। তেনে পৰিস্থিতিত যি আঞ্চলিকতাবাদী চিন্তাৰ উৎপত্তি তেতিয়াৰ অসমত হৈছিল সেই চিন্তাৰ ভেটি পৰিপূৰ্ণ অৰ্থত বিজ্ঞানসন্মত ভাবে বিশ্লেষণাত্মক উপাদানেৰে গঠিত হোৱাৰ অৱকাশ নাছিল।



বৰ্তমানে এই পৰিস্থিতিলৈ গুণগত পৰিৱৰ্তণ আহিছে। অসমত বৰ্তমানে যি আঞ্চলিকতাবাদী চিন্তাৰ প্ৰাৰ্দুভাব দেখা গৈছে এই চিন্তাত উগ্ৰজাতীয়তাবাদ, উগ্ৰগোষ্ঠীবাদ, উগ্ৰবৰ্ণবাদ, সাম্প্ৰদায়িকতা, ধৰ্মান্ধতা - ইত্যাদি অসুস্থ উপাদানবোৰ অৱশিষ্ট যদিও সম্পূৰ্ণ ভাবে লোপ পোৱা নাই তথাপি আগৰ তুলনাত বৰ্তমানে আঞ্চলিকতাবাদী চিন্তাই যথেষ্ট বিজ্ঞানসন্মত বিশ্লেষনেৰে নিজকে সজ্জিত কৰিবলৈ সক্ষম হৈছে। এই চিন্তালৈ ইয়েই আনিছে গুণগত পৰিৱৰ্তন। অৱশ্যে ই পৰিতাপৰ কথা যে অসমত বৰ্তমানে যি আঞ্চলিকতাবাদী চিন্তা, সি দুটা ধাৰাত বিভক্ত হৈ আছে। তাৰ যিটো ধাৰাৰ প্ৰাৰ্দুভাৱ এতিয়াও তুলনামূলক ভাবে কিছু অধিক হৈ আছে সেই ধাৰাটোত বিজ্ঞান সন্মত তথা জনস্বাৰ্থমুখী আঞ্চলীকতাবাদী দৃষ্টি ভংগীয়ে সম্পূৰ্ণ ভাবে প্ৰাধান্য লাভ কৰিব পৰাগৈ নাই। মধ্যবিত্ত শ্ৰেণীৰ সুবিধাবাদ আৰু ব্যক্তিগত স্বাৰ্থপুৰণৰ মানসিকতা সেই ধাৰাটোত এতিয়াও যথেষ্ট প্ৰকট। জনস্বাৰ্থমুখী যিটো সুস্থ ধাৰা সেইটো এতিয়াও মূল সোঁতটোৰ এটা সমান্তৰাল আৰু আপেক্ষিক ভাবে

কিছু সীমিত পৰিসৰৰ ধাৰা হৈয়েই আছে। অৱশ্যে অসমবাসীৰ বাবে ই পৰম সৌভাগ্যৰ কথা যে এই জনস্বাৰ্থমুখী ধাৰাটোৰ প্ৰাধান্য দিনে দিনে জনমানসত বাঢ়ি আহিব ধৰিছে আৰু ইয়েই মূলসোঁতলৈ পৰিণত হোৱাৰ পথত আগবাঢ়িছে।

আনহাতেদি ইয়াকো পাহৰা উচিত নহয়, আঞ্চলিকতাবাদ নিজেই, এটা মতাদৰ্শ নহয়। বাস্তব পৰিস্থিতিয়ে গঢ় দিয়া ই এটা দৃষ্টিভংগীহে। ই যিহেতু এটা দৃষ্টি ভংগীহে সেয়ে তাক যি কোনো মতাদৰ্শত বিশ্বাসীয়ে গ্ৰহণ কৰাৰ সুবিধা আছে। ফলত শ্ৰেণী শোষণক মানি লোৱা পুঁজিবাদী মতাদৰ্শত বিশ্বাসীজনৰো এনে দৃষ্টি ভংগী থাকিব পাৰে আৰু তাৰ বিপৰীতে শ্ৰেণী শোষণ বিৰোধী জনেও এই দৃষ্টিভংগী গ্ৰহণ কৰিব পাৰে। অৰ্থাৎ ই শোষক শ্ৰেণীৰো দৃষ্টিভংগী হ'ব পাৰে, আৰু শোষিত শ্ৰেণীৰো দৃষ্টিভংগী হ'ব পাৰে। কিন্তু এই দুয়োটা দৃষ্টিভংগী যদিও আঞ্চলিকতাবাদী তথাপি তাৰ মৰ্ম হ'ব সম্পূৰ্ণ সুকীয়া। এটাই আঞ্চলিকতাবাদৰ জৰিয়তে অঞ্চলটোৰ শাসক শোষক শ্ৰেণীৰ স্বাৰ্থহে পুৰণ কৰে আৰু ই হ'ল শোষক শ্ৰেণীৰ আঞ্চলিকতাবাদী দৃষ্টিভংগী। আজিৰ সাম্ৰাজ্যবাদী বিশ্ব পৰিস্থিতিত এনে ধাৰাই স্বাভাৱিকতেই সাম্ৰাজ্যবাদৰ লেমটৌগিৰি কৰাহে অনেক ক্ষেত্ৰত চকুত পৰে। এনে ধাৰাত সাম্ৰাজ্যবাদ বিৰোধী প্ৰকৃত মৰ্ম নাথাকে। পৰিতাপৰ কথা যে বৰ্তমান অসমত অধিক ক্ষমতাশীল হৈ থকা ধাৰাটোত ইয়াৰ যথেষ্ট প্ৰভাৱ এতিয়াও আছে। আনহাতেদি ইয়াৰ যি সমান্তৰাল ধাৰাটো প্ৰৱাহমান হৈছে সেই ধাৰাটোও দুটা পৃথক মতাদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ থকা দেখা গৈছে। দুয়োটা যদিও স্বতন্ত্ৰ জাতীয় চিন্তাৰে উদ্বুদ্ধ তথাপি তাৰে এটা শিবিৰে এতিয়াও পুৰণা পুঁজিবাদী মতাদৰ্শ ভিত্তিক জাতীয়তা তথা আঞ্চলিকতাৰ দৃষ্টিভংগীকেই লৈ আছে। তেওঁলোকে সচেতন ভাবেই হওঁক, অথবা অসচেতন ভাবেই হওঁক বুৰ্জোৱা মতাদৰ্শৰ কৱলত নিজকে বন্দী কৰিছে। কাৰণ পুৰণা পুঁজিবাদী অৰ্থনীতিৰ মতাদৰ্শই হ'ল বুৰ্জোৱা মতাদৰ্শ। মুখত পুঁজিবাদৰ বিৰোধিতা কৰিলেও এনে সাঁচৰ মতাদৰ্শৰ অনুগামী হ'লে যে নিজেই বুৰ্জোৱা মতাদৰ্শৰ তথা পুঁজিবাদৰ গণ্ডীত বন্দী হ'ব লগা হয় তাক তেওঁলোকে হয়তো বুজি পোৱা নাই, অথবা বুজি পালেও আওকাণ কৰিছে। তেওঁলোকে লগতে বুজি পোৱা নাই যে আজিৰ সাম্ৰাজ্যবাদী বিশ্ব পৰিস্থিতিত এনে বুৰ্জোৱা মতাদৰ্শেৰে প্ৰকৃত সাম্ৰাজ্যবাদ বিৰোধী মৰ্মৰ জাতীয়তা তথা আঞ্চলিকতাক প্ৰতিষ্ঠিত কৰিব নোৱাৰি, বৰঞ্চ তাৰ বিপৰীতে নিজেই সাম্ৰাজ্যবাদৰ নাগপাশতেই ভৰি দিব লগা হ'ব। বৰ্তমানৰ বিশ্ব পৰিস্থিতিত বৃহৎ বহু জাতিক নিগম অথবা কোম্পানীবোৰেই যে সাম্ৰাজ্যবাদী অতি বৃহৎ পুঁজিপতি গোষ্ঠীক প্ৰতিনিধিত্ব কৰে আৰু সিহঁতে তথাকথিত "মুক্তবজাৰ", "গোলীয়কৰণ" ইত্যাদিৰে পৃথিৱীখন এখন "বৃহৎ গাঁও" বুলি ভূৱা প্ৰচাৰ চলাই সাম্ৰাজ্যবাদী লুণ্ঠনৰ বেহা চলাই আছে তাক সকলো সৎ মহলে জনা উচিত।

এই ধাৰাৰ আনটো শিবিৰ উদ্বুদ্ধ হৈছে নয়া গণতন্ত্ৰ অথবা নব্য গণতন্ত্ৰৰ আদৰ্শৰে। এই মতাদৰ্শক প্ৰতিষ্ঠা কৰিছিল সমাজবাদী শিবিৰে, বিশেষকৈ মাও চে টুঙৰ চিন্তাধাৰাই। ই হ'ল নতুন সাঁচৰ গণতান্ত্ৰিক মতাদৰ্শ যিয়ে বুৰ্জোৱা গণতন্ত্ৰৰ দৰে শোষণ শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ সলনি শোষিত শ্ৰেণীৰ অৰ্থাৎ ৰাইজৰ স্বাৰ্থ ৰক্ষা কৰে আৰু সেয়ে জনগণতন্ত্ৰ নামেৰেও পৰিচিত। এই ধাৰাৰ প্ৰধান মৰ্ম হ'ল – ই সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ সম্পূৰ্ণ বিৰোধী। সাম্ৰাজ্যবাদ আৰু সামন্তবাদেই, বিশেষকৈ সাম্ৰাজ্যবাদে যিহেতু বৰ্তমান অসমৰ ৰাইজৰ জীৱন দুৰ্বিষহ কৰি তুলিছে সেয়ে এই ধাৰাটোৰেই প্ৰকৃত জাতীয়তা তথা সুস্থ আঞ্চলিকতাক প্ৰতিনিধিত্ব কৰিছে। অসমবাসীৰ বাবে ই সুখৰ বতৰা যে অসমৰ প্ৰকৃত পৰিবৰ্তনকামী শক্তিৰ মাজত এই ধাৰাটো ক্ৰমান্বয়ে অধিক শক্তিশালীহে আহিছে।

আমি কৰা এই আলোচনাত এটা মূল প্ৰশ্ন হ'ল - সুস্থ আঞ্চলিকতাবাদী দৃষ্টিভংগীৰ প্ৰধান ভেটি কি? বৰ্তমানৰ ভাৰতীয় ৰাষ্ট্ৰ ব্যৱস্থাৰ বাস্তৱ পৰিস্থিতিয়ে যিহেতু আঞ্চলিকতাবাদী চিন্তাক অসমৰ জনস্বাৰ্থৰ দৃষ্টি কোণৰ পৰাই প্ৰাসংগিক কৰি তুলিছে সেয়ে আঞ্চলিকতাবাদী দৃষ্টিভংগী বিজ্ঞানসন্মত ভাবে জনস্বাৰ্থমুখী হ'বলৈ হ'লে তেনে চিন্তাৰে উদ্বুদ্ধ সকলে বৰ্তমানৰ ভাৰতীয় তথা অসমৰ সমাজ ব্যৱস্থাৰ প্ৰকৃত চৰিত্ৰকো বিজ্ঞানসন্মত বিশ্লেষণেৰে বুজি পাব লাগিব। আঞ্চলিকতাবাদ প্ৰাসংগিক হৈ পৰিছে অসমৰ বৰ্তমানৰ অনগ্ৰসৰতাৰ বাবে, যাৰ সৃষ্টি কৰিছে বৰ্তমানৰ ভাৰতীয় ৰাষ্ট্ৰ ব্যৱস্থাই; অৰ্থাৎ সেই ৰাষ্ট্ৰ ব্যৱস্থা হ'ল ৰোগৰ কাৰণ আৰু সুস্থ আঞ্চলিকতাবাদী দৃষ্টিভংগী হ'ল ৰোগ নিৰাময়ৰ এটা উপায়। কিন্তু ৰোগৰ কাৰণ কি তাকেই যদি বুজি পোৱা নাযায় তেন্তে ৰোগ নিৰাময়ৰ শুদ্ধ উপায়ো বিচাৰি পোৱা সম্ভৱ নহয়।

উনবিংশ শতিকাৰ দ্বিতীয় ভাগৰ পৰা বৰ্তমান সময়লৈকে অসমৰ অনগ্ৰসৰতা আৰু ইয়াৰ অৱহেলিত অৱস্থান সম্পৰ্কে অসমত এটা জনমত, বিশেষকৈ বৃহত্তৰ অসমীয়া জাতিৰ মাজত যথেষ্ট সৱল হৈ থকা দেখা যায়। ১৯৪৭ চনৰ ক্ষমতা হস্তান্তৰনৰ পাচত ই চকুত পৰা হৈ উঠিছে। কিন্তু এই জনমতৰ লগত অসমীয়া জাতীয়তবাদী চিন্তাৰ যিহেতু নিবিড় সম্পৰ্ক আছে আৰু অসমীয়া জাতীয়তাবাদী চিন্তাত যিহেতু যথেষ্ট কেৰোণো নিহিত হৈ আছিল সেয়ে এই কেৰোণবোৰে আঞ্চলিকতাবাদী চিন্তাকো যথেষ্ট ত্ৰুটিপূৰ্ণ কৰি থৈছিল। অসমীয়া জনমত গঠনৰ অগ্ৰণী অংশই অসমৰ অনগ্ৰসৰতাৰ কথা কৈ আহিছে। অথচ অসমৰ অমূল্য সম্পদৰাজি তেওঁলোকৰ চকুৰ আগতেই নিষ্ঠুৰ ভাবে যে ধ্বংস কৰা হৈ আছে সেই বিষয়ে তথ্যনিষ্ঠ সৱল জনমত গঠন কৰিবলৈ তেওঁলোকৰ গৰিষ্ঠসংখ্যকেই আশাসুধীয়া প্ৰচেষ্টা চলোৱা নাছিল। অসমৰ খাৰুৱা তেলেৰে বিহাৰৰ বাৰাউনীত শোধনাগাৰ পতাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰা হৈ

আহিছে। এই ক্ষোভ নিশ্চিত ভাবেই ন্যায্য ক্ষোভ। কিন্তু লগতে যে লাখ লাখ ঘনমিটাৰ প্ৰাকৃতিক গেচ আজি অত বছৰে অপৰাধীসুলভ নিষ্ঠুৰতাৰে অবাবতে জ্বলাই পেলোৱা হৈ আছে, সেই বিষয়ে অতি সম্প্ৰতিহে জনমত গঠনৰ প্ৰচেষ্টা চলিছে। অসম যে ঔদ্যোগিক বিকাশত অতি পিচ পৰি আছে সেই কথা সজোৰে কোৱা হৈছে অথচ গেচ ভিত্তিক উদ্যোগ প্ৰতিষ্ঠাৰ কথা অতি সম্প্ৰতিহে আলোচিত হৈছে। ঔদ্যোগীকৰণৰ কথা কোৱা হৈছে অথচ বিজুলী শক্তিৰ উৎপাদন প্ৰয়োজনীয় ৰূপেৰে বৃদ্ধি কৰাৰ প্ৰশ্নবোৰ এতিয়াহে উত্থাপিত হ'ব ধৰিছে। অৰ্থাৎ জনমত গঠন কৰোঁতা সকলে কেৰোণবোৰৰ যি প্ৰকৃত গুৰি তাকেই উদ্ঘাটন কৰিবলৈ প্ৰয়োজনীয় প্ৰচেষ্টা চলাব পৰা নাছিল। আনহাতেদি এই সমস্ত সময়চোৱাত অসমৰ ৰাজ্যিক ক্ষমতা অসমৰেই শাসক শ্ৰেণীৰ হাতত আছিল আৰু তেওঁলোকে আঞ্চলিক অনগ্ৰসৰতা আঁতৰ কৰিবলৈ ব্যৰ্থ হোৱা স্বত্বেও আৰু এই অনগ্ৰসৰতাৰ প্ৰকৃত কাৰণবোৰ ৰাইজক জনাবলৈ ব্যৰ্থ হোৱা স্বত্বেও এই জনমত তেওঁলোকৰ বিৰুদ্ধে প্ৰয়োজনীয় তীব্ৰতাৰে পৰিচালিত হোৱা নাছিল। তাৰ গুৰি আছে অসমীয়া জাতীয়তাবাদৰ ঐতিহাসিক কেৰোণত।

অসমীয়া জাতীয়তাবাদ ঐতিহাসিক ভাবে ভাষাভিত্তিক জাতীয়তাবাদ। তাৰ অৰ্থনৈতিক দৃষ্টিকোণ ঐতিহাসিক ভাবে আছিল অতি খেলিমেলিপূৰ্ণ। অথচ সুস্থ-সবল জাতীয়তাবাদৰ মূল ভেঁটিটোৱেই অৰ্থনৈতিক। এই ক্ষেত্ৰত ষ্টালিনৰ এবাৰ কথা বিশেষ ভাবে প্ৰনিধান যোগ্য। "বজাৰেই প্ৰথম পঢ়াশালী য'ত বুৰ্জোৱাই জাতীয়তাবাদৰ আদি পাঠ গ্ৰহণ ক'ৰে"- - ষ্টাৰ্লিনৰ এই বক্তব্য বুৰঞ্জীয়ে প্ৰশ্নাতীত ভাৱে সত্য বুলি প্ৰমান কৰিছে। অসমবাসীৰ বাবে বৰ্ত্তমানে বিষয়টো বুজিবলৈ তেনেই সহজ হৈ পৰিছে। বড়ো, কাৰ্বি, মিচিং আদি অতি ক্ষুদ্ৰ জনগোষ্ঠীৰ মাজত পুঁজিবাদী বিকাশ চকুত পৰা ধৰণে ঘটিছে অতি সাম্প্ৰতিক কালতহে। এই আধুনিক বিকাশ ঘটাৰ পিচতহে তেওঁলোকৰ মাজত এটা মধ্য শ্ৰেণীস্তৰৰ গঠন সম্ভৱ হৈছে। এই উদীয়মান শ্ৰেণীস্তৰটোৱেই নিজ নিজ জনগোষ্ঠীক একোটা ক্ষুদ্ৰ জাতিসত্তাৰ বান্ধোনত আটিল কৰি বান্ধিবলৈ আগভাগ লোৱা দেখা গৈছে। ইয়াৰ ফলতেই



সাম্প্ৰতিক কালৰ অসমত ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীবোৰৰ মাজত জাতিভিত্তিক ধ্যান-ধাৰণাপূৰ্ণ বিভিন্ন আন্দোলনবোৰে দেখা দিছে নিজ নিজ মধ্য শ্ৰেণীস্তৰৰ নেতৃত্ব। এই আশা আকাংখ্যাবোৰ আধুনিক "বজাৰ'ক কেন্দ্ৰ কৰি অৰ্থাৎ ঠিকা, ঠুকুলি, চাকৰি-বাকৰি, ৰাজনৈতিক তথা প্ৰশাসনীয় ক্ষমতা ইত্যাদিক কেন্দ্ৰ কৰি গঢ়ি উঠা সকলোৱে দেখিছে। বুৰ্জোৱা অৰ্থাৎ মধ্য শ্ৰেণীয়েই হ'ল জাতীয়তাবাদী আদৰ্শ সৃষ্টিৰ মধ্যমণি আৰু মধ্য শ্ৰেণীৰ দৰেই জাতীয়তাবাদী আদৰ্শও পুঁজিবাদী বিকাশৰেই সৃষ্টি।

অসমৰ পৰম্পৰাগত আঞ্চলিকতাবাদী দৃষ্টিভংগীৰ লগত অসমীয়া পৰম্পৰাগত জাতীয়তাবাদী আদৰ্শৰ যিহেতু অতি নিবিড় সম্পৰ্ক আছিল সেয়ে আঞ্চলিক দৃষ্টিভংগীৰ একালৰ কেৰোণবোৰৰ সৃষ্টিত পৰম্পৰাগত সাঁচৰ অসমীয়া জাতীয়তাবাদী আদৰ্শৰ কেৰোণবোৰৰ প্ৰভাব আছিল নিৰ্ণায়ক। ই ইতিহাস স্বীকৃত যে আন সকলো জাতিৰ দৰেই অসমীয়া জাতীয়তাবাদী আদৰ্শৰো স্ৰষ্টা আছিল অসমীয়া মধ্যবিত্ত শ্ৰেণী। কিন্তু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি হৈছিল ইংৰাজ সাম্ৰাজ্যবাদৰ ছত্ৰছায়াতহে। স্বাধীন জাতীয় পুঁজিবাদী বিকাশৰ জৰিয়তে ই বিকশিত হোৱাৰ সুবিধা পোৱা নাছিল। (সেই সুবিধা হওঁতে বৰ্ত্তমানো অহা নাই।) অসমত স্বাধীন জাতীয় পুঁজি গঠনৰ প্ৰচেষ্টা মনিৰাম দেৱানতেই আৰম্ভ হৈ তেওঁৰ ফাঁচীৰ লগে লগেই অন্ত পৰিছিল বুলিব পাৰি। সাম্ৰাজ্যবাদে সেই প্ৰক্ৰিয়াক কলিতেই মষিমুৰ কৰিছিল। আনহাতেদি আহোম ৰাজত্বৰ ক্ষয়িষ্ণুতা, আন সবল স্থানীয় ৰাষ্ট্ৰশক্তিৰ অভাব আৰু মোৱামৰীয়া গণ অভ্যুত্থানে জৰ্জৰিত কৰা অসমৰ সমাজক মানৰ আক্ৰমনে সম্পূৰ্ণ বিধ্বস্ত কৰি পেলাইছিল। সেই বিধ্বস্ত পৰিবেশত অসম ইংৰাজ সাম্ৰাজ্যবাদৰ অধীনলৈ গৈছিল আৰু সাম্ৰাজ্যবাদৰ ছত্ৰছাঁয়াত যি অসমীয়া মধ্যবিত্ত শ্ৰেণী বিকশিত হ'ল স্বাভাবিকতেই সি হৈ পৰিল অতি দুৰ্বল, বিশেষকৈ অৰ্থনৈতিক দিশত। সেই দুৰ্বল মধ্যবিত্ত শ্ৰেণীয়ে সাম্ৰাজ্যবাদৰ লগত ফেৰ মাৰি নিজকে প্ৰতিষ্ঠা কৰাৰ পথক বগাব নোৱাৰা পৰ্বত জ্ঞান কৰি বৰ্জন কৰিছিল আৰু সাম্ৰাজ্যবাদৰ সহযোগী শ্ৰেণী হিচাবেহে নিজ উত্থানৰ পথ গ্ৰহণ কৰিলে। এনে ঐতিহাসিক পৰিস্থিতিত যি অসমীয়া জাতীয়তাবাদী চেতনাৰ স্ফুৰণ ঘটিছিল

সেই জাতীয়তাবাদী চিন্তাত সাম্রাজ্যবাদ বিৰোধী মৰ্মই স্থান পোৱাৰ অৱকাশ আছিল তেনেই কম। অথচ ইতিহাসে স্পষ্ট ভাবে কয় জাতীয় স্বাধিকাৰ প্ৰতিষ্ঠা তথা জাতীয় বিকাশেই যিহেতু সুস্থ জাতীয়তাবাদৰ মূল মৰ্মও হ'বই লাগিব। কিন্তু পৰিস্থিতিৰ হেঁচাত অসমীয়া জাতীয়তাবাদ স্বাধীন জাতীয় পুঁজিৰ ভেঁটিত থিয় হোৱাৰ সলনি ই ভাষিক জাতীয়তাবাদলৈহে পৰিণত হৈছিল। ই এই ৰূপ পোৱাত প্ৰধান ভূমিকা লৈছিল অসমৰ বাংলাভাষী মধ্যবিত্ত আৰু অসমীয়া মধ্যবিত্তৰ মাজত সাম্ৰাজ্যবাদৰ সহযোগী হিচাবে নিজ উত্থানৰ সুবিধা গ্ৰহণক কেন্দ্ৰ কৰি দেখা দিয়া প্ৰতিযোগিতাৰ ফলত সৃষ্টি হোৱা দ্বন্দ্বই।

এনে ঐতিহাসিক পটভূমিত অসমীয়া জাতীয়তাবাদে যি আঞ্চলিকতাবাদী চিন্তাৰ স্ফুৰণ ঘটাইছিল সেই চিন্তাত স্বাভাবিকতেই সাম্ৰাজ্যবাদ বিৰোধী মৰ্ম থকাৰ অৱকাশ বিশেষ নাছিল। বৰঞ্চ ই উগ্ৰপ্ৰাদেশিকতাবাদেৰেহে পৰিপুষ্ট আছিল। এই উগ্ৰপ্ৰাদেশিকতাত পৰৰাজ্য বিদ্বেষী চিন্তাই আগঠাই পাইছিল। ঐতিহাসিক কাৰণত অসমীয়া জাতীয় চিন্তাত বাংলা বিদ্বেষী মনোভাবৰ যথেষ্ট প্ৰভাব আছিল। সেয়ে এই উগ্ৰপ্ৰাদেশিকতাতো বাংলা বিদ্বেষে বিশেষ স্থান লাভ কৰিছিল। ইংৰাজ সাম্ৰাজ্যবাদে সাম্ৰাজ্যবাদী স্বাৰ্থত ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ প্ৰশাসন আৰু শিক্ষাৰ মাধ্যম হিচাবে অসমত বাংলা ভাষা প্ৰচলন কৰা কাৰ্য্য, সাম্ৰাজ্যবাদৰ সহযোগী হ'বলৈ অসমীয়া মধ্যবিত্তই বঙালী মধ্যবিত্তৰ সৈতে কৰা প্ৰতিযোগিতা, বঙালী মধ্যবিত্তৰ একাংশৰ সাংস্কৃতিক উচ্চাত্মিকাৰ মনোভাব আৰু অসমীয়া উগ্ৰ জাতীয়তা-এই কেওটাৰ ফলতেই সেই বিদ্বেষৰ সৃষ্টি হৈছিল। অসমলৈ অবিৰত ভাবে চলি থকা বিদেশী-দেশীৰ প্ৰব্ৰজনে এই দ্বন্দ্বক অধিক তীব্ৰ কৰাত অৰিহণা যোগাইছে।

এই উগ্ৰতা ইমানেই অন্ধ আছিল যে কেন্দ্ৰই অসমৰ খাৰুৱা তেলেৰে বাৰাউনীত শোধানাগাৰ পতাৰ বাবে অনেক অসমীয়াই পশ্চিম বংগক দোষাৰোপ কৰিছিল, যদিও বাৰাউনী বিহাৰতহে অৱস্থিত।

এনে অন্ধ 'প্ৰাদেশিকতা বাদৰ ফলত যি আঞ্চলিকতাবাদী চিন্তাৰ সৃষ্টি হৈছিল সেই চিন্তাই অসমৰ অনগ্ৰসৰতাৰ মূলতেই যে সাম্ৰাজ্যবাদহে আছে তাক উদঘাটন কৰিবলৈ বিফল হৈছিল। বৰঞ্চ তাৰ বিপৰীতে ই এনে দ্বন্দ্বৰ হে সৃষ্টি কৰিছিল যাৰ ফলত জাতীয় বিকাশৰ মূল শত্ৰু সাম্ৰাজ্যবাদৰ সৈতে অসমীয়া জাতীয় চেতনাৰ বিৰোধ হোৱাৰ সলনি অইন প্ৰদেশৰ সাধাৰণ ৰাইজৰ লগতহে, বিশেষকৈ বাংলা ভাষী সকলৰ লগতহে বিৰোধৰ সৃষ্টি হৈছিল। এই দ্বন্দ্ব যিহেতু প্ৰধান শত্ৰুৰ বিৰুদ্ধে নগৈ আন লক্ষ্যলৈহে গতি লৈছিল সেয়ে ই হৈছিল লক্ষ্যভ্ৰষ্ট। অঞ্চলটোৰ প্ৰকৃত বিকাশত এই কেৰোণপূৰ্ণ আঞ্চলিকতাবাদী চিন্তাই প্ৰয়োজনীয় অৰিহনা যোগাব পৰা নাছিল। বৰঞ্চ ই শোষিত নিষ্পেষিত ৰাইজৰ মাজত অনাহক তিক্ততাৰ সৃষ্টি কৰি সাম্ৰাজ্যবাদী লুণ্ঠনক সুৰক্ষিত কৰাতহে পৰোক্ষ ভাৱে সহায় কৰিছিল।

কিন্তু সাম্প্ৰতিক কালত, বিশেষকৈ এই নব্বৈৰ দশকৰ পৰা অসমৰ আঞ্চলিকতাবাদী চিন্তা চৰ্চালৈ চকুত পৰা গুণগত পৰিৱৰ্তন অহা পৰিলক্ষিত হৈছে। তলত দিয়া কাৰণবোৰে এই পৰিৱৰ্তন অহাত বিশেষ ভূমিকা লোৱা দেখা যায়ঃ

অসমত যি পৰম্পৰাগত অসমীয়া জাতীয়তাবাদী ধ্যান-ধাৰণা আৰু তাৰ প্ৰভাৱত গঢ়ি উঠা আঞ্চলিকতাবাদী ধ্যান-ধাৰণা প্ৰচলন আছিল সি তাৰ চূড়ান্ত স্তৰ লাভ কৰিছিল বিদেশী বহিষ্কাৰৰ দাবীত হোৱা বিগত "অসম আন্দোলন"ত। এই যথেষ্ট দীঘলীয়া আন্দোলনে অভূতপূৰ্ব তীব্ৰতা আৰু ব্যাপ্তি লাভ কৰা স্বত্ত্বেও ই তাৰ লক্ষ্যত মতাদৰ্শগত ভ্ৰান্তি আৰু আদৰ্শগত দুৰ্বলতাসম্পন্ন নেতৃত্বৰ বাবে উপনীত হ'ব নোৱাৰিলে। এই বিফলতাই পৰম্পৰাগত অসমীয়া জাতীয়তাবাদী ধ্যান ধাৰণা আৰু তাৰ সাঁচত গঢ় লোৱা আঞ্চলিকতাবাদী ধ্যান ধাৰণাৰ কেৰোণবোৰ অভূতপূৰ্ব স্পষ্টতাৰে উদঙাই দেখুৱালে। একে সময়তেই মূৰ দাঙি উঠিল বিভিন্ন খিলঞ্জীয়া জনজাতিৰ গোষ্ঠীগত আন্দোলনবোৰে। ই পৰম্পৰাগত সাঁচৰ অসমীয়া জাতীয়তাবাদী চিন্তাৰ এটা প্ৰধান দিশক চুৰমাৰ কৰি দিলে। "অসমীয়া"ৰ - নতুন সংজ্ঞাৰ প্ৰয়োজন হৈ পৰিল। "অসম অসমীয়া"ৰ এই চিন্তাৰ মূৰত ই মাধমাৰ সোধালে। পৰম্পৰাগত অসমীয়া জাতীয়তাবাদী চিন্তাৰ কেৰোণবোৰ সম্পৰ্কে অসমীয়া মূল সুঁতি, বিশেষকৈ বিদ্বৎ সমাজে সজাগ হ'বলৈ বাধ্য হ'ল। "অসম আন্দোলন"ৰ তীব্ৰতা আৰু ইয়াৰ বিফলতাই অসমত জন্ম দিলে জাতীয় মুক্তিকামী সশস্ত্ৰ সংগঠনৰ। এই সংগঠনেও পৰম্পৰাগত অসমীয়া জাতীয়তাবাদৰ কেৰোণবোৰৰ বলি হৈ প্ৰথম খোজতে আদৰ্শগত বিচ্যুতিৰ খাৰৈত পৰিল। এই বিপৰ্যয়ে সেই কেৰোণবোৰক অধিক স্পষ্ট কৰি তুলিলে। আন্দোলনৰ ফলত যি অগপ দলৰ সৃষ্টি হ'ল সিও পৰম্পৰাগত জাতীয়তাবাদী তথা আঞ্চলিকতাবাদী চিন্তাৰ গণ্ডীৰ পৰা ওলাব নোৱাৰি তাৰ প্ৰথমবাৰৰ শাসনকালত অসমীয়া ৰাইজক অতি নিৰাশ কৰিলে। এতিয়াৰ শাসন কালতো বৰ্তমানলৈকে ই তাৰ পুৰণা আদৰ্শগত দুৰ্বলতাবোৰৰ পৰা ওলাই আহিব পৰা নাই যাৰ ফলত ই বিফলতাৰ গৰাহত পৰাৰ উপক্ৰম হৈছে আৰু অসমীয়া ৰাইজক পুনৰ নিৰাশ কৰিবলৈ লৈছে। এই বিফলতাবোৰে পৰম্পৰাগত অসমীয়া জাতীয়তাবাদী চিন্তা আৰু আঞ্চলিকতাবাদী চিন্তাৰ কেৰোণবোৰ যিমানেই উদঙাই দিছে সিমানেই জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদ সম্পৰ্কে অসমীয়া মূল সুঁতিয়ে বিশেষকৈ বিদ্বৎ সমাজে নতুন সাঁচেৰে চিন্তা কৰিবলৈ বাধ্য হৈছে আৰু ই জাতীয়তাবাদী চিন্তাৰ লগতে আঞ্চলিকতাবাদী চিন্তালৈকো নতুনত্ব স্বাভাৱিকতেই আনিছে।

এই পৰিৱৰ্তণ অহাৰ ক্ষেত্ৰত এটা বিশেষ কাৰণে অতি গুৰুত্বপূৰ্ণ ভূমিকা

লোৱা দেখা গৈছে। এই বিশেষ কাৰণটো হ'ল - জাতীয়তাবাদী তথা আঞ্চলিকতাবাদী শিবিৰত বাওঁপন্থী আদৰ্শৰ ক্ৰমান্বয়ে বাঢ়ি অহা জনপ্ৰিয়তা। ইয়াৰ আগলৈকে সেই শিবিৰ আছিল সম্পূৰ্ণ বাওঁপন্থা বিৰোধী। বৰঞ্চ জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদক সোঁপন্থী শিবিৰে মাৰ্ক্সবাদী - লেনিনবাদী শিবিৰক ধ্বংস কৰাৰ ষড়যন্ত্ৰত এপাট প্ৰধান অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰি আহিছিল। এই ক্ষেত্ৰত অৱশ্যে বাওঁপন্থী শিবিৰৰ যে কোনো ত্ৰুতি নাছিল তেনেও নহয়। অসমীয়া জাতীয়জীৱনৰ সুস্থ আশা, শংকা-সংশয় ইত্যাদিক বাওঁ শিবিৰে প্ৰয়োজনীয় স্বীকৃতি দিয়া নাছিল আৰু অনেক ক্ষেত্ৰত সেইবোৰ উগ্ৰজাতীয়তাবাদী ভ্ৰান্তি বুলি উৰাই দিছিল। সংশোধনবাদ তথা সংসদ সৰ্বস্বতাৰ বোকাত পৰা বাওঁ শিবিৰটোৱে আনকি জাতীয় প্ৰশ্ন সম্পৰ্কে শুদ্ধ মাৰ্ক্সবাদী দৃষ্টি ভংগী ল'ব পৰা নাছিল আৰু ভাৰতীয় ৰাষ্ট্ৰৰ চৰিত্ৰ সম্পৰ্কেও শুদ্ধ বিশ্লেষণ আগবঢ়াব পৰা নাছিল। ইয়াৰ ফলত জাতীয়তাবাদী শিবিৰে তেওঁলোকক বৈৰী জ্ঞান কৰিছিল আৰু বাওঁপন্থী শিবিৰেও সিটো শিবিৰক বিৰুদ্ধ শিবিৰ হিচাবে বিবেচনা কৰিছিল।

কিন্তু অসমত ক্ৰমান্বয়ে প্ৰকৃত বিপ্লৱী সমাজ পৰিৱৰ্তনত বিশ্বাসী মাৰ্ক্সবাদী শিবিৰ শক্তিশালী হৈ আহিছে। তেওঁলোকে সঠিক ভাবে বৰ্তমানৰ ভাৰতীয় ৰাষ্ট্ৰক অৰ্ধ-ঔপনিবেশিক, অৰ্ধ সামন্ততান্ত্ৰিক বুলি চিনাক্ত কৰিছে আৰু সেই পৰিস্থিতিত জাতীয় প্ৰশ্ন তথা জাতীয় মুক্তি সংগ্ৰামৰ গুৰুত্বকো উপলব্ধি কৰিবলৈ সক্ষম হৈছে। আনহাতেদি প্ৰকৃত জাতীয়তাবাদী শিবিৰেও নিজ বিপৰ্যয়ৰ অভিজ্ঞতাৰে লাহে লাহে বুজি উঠিছে যে আজিৰ আমাৰ অৰ্ধ-ঔপনিবেশিক পৰিস্থিতিত জাতীয় মুক্তি সংগ্ৰামৰ প্ৰশ্ন শ্ৰেণী সংগ্ৰামৰহে প্ৰশ্ন, যি সংগ্ৰাম পৰিচালিত হ'ব লাগিব সৰ্বহাৰাৰ আদৰ্শৰ নেতৃত্বত সাম্ৰাজ্যবাদ আৰু সিহঁতৰ দালালবোৰৰ বিৰুদ্ধে। এনে পৰিস্থিতিত মাৰ্ক্সবাদ-লেনিনবাদৰ মতাদৰ্শৰ ভিত্তিত গঢ়ি উঠা নয়া গণতন্ত্ৰ অথবা নব্য গণতন্ত্ৰৰ আদৰ্শ গ্ৰহণ কৰিলেহে যে জাতীয়তাবাদে তাৰ প্ৰকৃত লক্ষ্যত উপনীত হ'বলৈ সক্ষম হ'ব তাক জাতীয়তাবাদী শিবিৰে নিজৰতিক্ত বিফলতাৰ অভিজ্ঞতাৰ পৰাই লাহে লাহে শিকিছে। ইয়াৰ ফলত প্ৰকৃত জাতীয় মুক্তি পিয়াসী শিবিৰত মাৰ্ক্সবাদ-লেনিনবাদৰ আদৰ্শৰ প্ৰতি শ্ৰদ্ধা নিৰ্ণায়ক ভাবে বাঢ়ি আহিছে। এই অতি মৌলিক পৰিৱৰ্তনে জাতীয়তাবাদী ধ্যান-ধাৰণালৈ এটা গুণগত পৰিৱৰ্তন আনিছে আৰু ফলত আঞ্চলিকতাবাদী ধ্যান-ধাৰণালৈকো আহিছে গুণগত পৰিৱৰ্তন। মাৰ্ক্সবাদী-লেনিনবাদী নয়াগণতান্ত্ৰিক বিশ্লেষণেৰে জাতীয়তাবাদী শিবিৰে লাহে লাহে বুজি আহিছে অসমৰ অনগ্ৰসৰতাৰ মূলতেই হ'ল বৰ্তমানৰ অৰ্ধ ঔপনিবেশিক-অৰ্ধ সামন্ততান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা, যিটোৰ সৃষ্টিৰ মূলতেই আছে সাম্ৰাজ্যবাদ। অৰ্ধ ঔপনিবেশিক পৰিস্থিতিয়ে বিকাশৰ যি ভীষণ অসমতাৰ সৃষ্টি কৰিছে তাৰেই বলি হব লগা হৈছে দেশৰ সীমা মূৰীয়া অৱস্থানত থকা অসম। তাক জাতীয়তাবাদী শিবিৰে যেনেকৈ বুজি আহিছে, তেনেদৰে ইয়াকো বুজি আহিছে সৰ্বহাৰাৰ আদৰ্শৰে উদ্বুদ্ধ অতি জংগী তথা ঐক্যবদ্ধ গণ সংগ্ৰাম অবিহনে সুস্থ জাতীয় বিকাশৰ দ্বাৰ কেতিয়াও মুকলি নহ'ব, কাৰণ তেনে সংগ্ৰামেহে সাম্ৰাজ্যবাদক উৎখাত কৰিব পাৰিলেহে জাতীয় উন্নতিৰ পথ উন্মুক্ত হ'ব। এই পৰিৱৰ্তনে স্বাভাৱিকতেই আঞ্চলিকতাবাদী ধ্যান ধাৰণালৈকো গুণগত পৰিৱৰ্তন আনিছে। বৰ্তমানৰ সময়ত ইয়েই আমাৰ সমাজৰ সকলোতকৈ উল্লেখনীয় তথা ঐতিহাসিক বৈশিষ্ট।

❑❑❑

মোৰ দৃঢ় বিশ্বাস যে এই সকলোবিলাক ভয়ঙ্কৰ কুফল আঁতৰোৱাৰ মাত্ৰ এটাই উপায় আছে; সি হ'ল এক সমাজবাদী অৰ্থ-ব্যৱস্থা প্ৰতিষ্ঠা কৰা আৰু লগতে সামাজিক মঙ্গলবিধানৰ উদ্দেশ্যে চালিত এক নতুন শিক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা। এই অৰ্থ-ব্যৱস্থাত উৎপাদন সামগ্ৰী সমূহৰ কৰ্ত্তৃত্ব থাকিব সমাজৰ হাতত আৰু সমাজে সুপৰিকল্পিত ভাবে ইয়াক কামত খটুৱাব লাগিব। সুপৰিকল্পিত অৰ্থ-ব্যৱস্থাই সমাজৰ প্ৰয়োজনৰ ফালে চকু ৰাখি উৎপাদন-ব্যৱস্থাৰ বিধি-বিধান কৰিব লাগিব, প্ৰয়োজনীয় কামবিলাক প্ৰতিজন সক্ষম ব্যক্তিৰ মাজত ভগাই দিব পাৰিব লাগিব আৰু মুনিহ, তিৰোতা আৰু শিশুক জীৱন-নিৰ্বাহৰ নিশ্চয়তা দিব পাৰিব লাগিব। ব্যক্তি-মানৱৰ শিক্ষাই তেওঁৰ সহজাত দক্ষতাৰ বিকাশ সাধন কৰাৰ উপৰিও বৰ্ত্তমান সমাজত ক্ষমতা আৰু সাফল্যৰ যি গুণানুকীৰ্ত্তন চলি আছে তাৰ পৰিবৰ্ত্তে তেওঁৰ সহযোগী ভ্ৰাতৃসকলৰ প্ৰতি দায়িত্ববোধ জাগ্ৰত কৰাব পাৰিব লাগিব।

**- এলবাৰ্ট আইনষ্টাইন।**

# টাই ফাকে ঃ জীৱন আৰু সংস্কৃতি

○ ড° *তিলোত্তমা বৰুৱা*
অধ্যাপিকা, নৃতত্ব বিভাগ

উত্তৰ-পূব ভাৰতবৰ্ষ বিভিন্ন জনগোষ্ঠীৰ আবাসস্থল। অসম নানান জনগোষ্ঠী আৰু ধৰ্ম্মাৱলম্বী লোকৰ বাসভূমি। অতীজৰে পৰা যদিও এই জনগোষ্ঠী সমূহ একে ভূ - প্ৰাকৃতিক পৰিবেশৰে অধিবাসী, তথাপি তেওঁলোকে পৰম্পৰাগত ভাবে স্বকীয় সংস্কৃতিৰ ধাৰাবাহিকতা ৰক্ষা কৰিও মিলা প্ৰীতিৰে বসবাস কৰিবলৈ সক্ষম হৈছে। অসম তথা উত্তৰ-পূব ভাৰতৰ অন্যান্য ৰাজ্যত বাস কৰা জনগোষ্ঠী সমূহৰ নৃতাত্বিক দৃষ্টিকোণৰ পৰা বহু পাৰ্থক্য আছে যদিও সংস্কৃতি আৰু ধৰ্ম্মীয় পৰম্পৰাই এই পাৰ্থক্য বহুলাংশে হ্ৰাস কৰিছে।

বৰ্ত্তমান অসমত সীমিত জনসংখ্যাৰে উজনি অসমৰ বিশেষ বিশেষ অঞ্চলত সিচঁৰতি হৈ আছে বৌদ্ধ ধৰ্ম্মাৱলম্বী টাই ফাকে সকল। তেওঁলোক বৰ্ত্তমান ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ সমীপস্থ নামফাকে আৰু টিপামফাকে গাঁৱত, তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিতা অঞ্চলত অৱস্থিত বৰফাকিয়াল আৰু মানমউমুখ, লিডুৰ ওচৰত অৱস্থিত লংলাই আৰু লঙগাঁও, জাগুণৰ নিকটস্থ ফানেঙ আৰু মোলান গাওঁত বিস্তৃত হৈ আছে।

আনুমানিক ১৭৭৫ চনত, উন্নত জীৱনৰ সন্ধানত নিৰংকুশ জীৱিকা নিৰ্ব্বাহৰ অন্বেষণত পাটকাই পাহাৰ পাৰহৈ অসমৰ চিৰ সেউজীয়া উপত্যকাভূমিত স্থায়িত্বৰ নিগূঢ় বিশ্বাস লৈ বসবাস কৰিবলৈ আহিছিল শান্তি প্ৰিয় আৰু প্ৰয়োজন অনুযায়ী যুঁজাৰু জনগোষ্ঠী হিচাপে পৰিচয় দি অহা টাইফাকে সকল। এফালে জীৱন সত্তাৰ প্ৰশ্ন আনফালে জাতীয় অস্তিত্বৰ সংগ্ৰাম। এই দুয়োটা বিষয়ৰ প্ৰৱল নৈৰাজ্যৰ পৰা পৰিত্ৰাণ লাভ কৰি আজি একবিংশ শতাব্দীৰ দুৱাৰদলিত টাইফাকে সকল পৃথিবীৰ দৃষ্টিত অন্যতম শান্তিপ্ৰিয়, মানবীয় প্ৰমূল্যবোধ পূৰ্ণ সংস্কৃতিবান জনগোষ্ঠীৰূপে পৰিচয় দিবলৈ সমৰ্থ হৈছে।

একমাত্ৰ টাই ফাকে লোকে বসবাস কৰা এই গাওঁবোৰে সময় আৰু সভ্যতাৰ প্ৰৱল হেঁচা আৰু চাপৰ পিছতো অতি গৌৰৱপূৰ্ণ ভাবেই স্বকীয় জাতীয় কৃষ্টি, সংস্কৃতি জীয়াই ৰাখিছে। ঐতিহ্যমণ্ডিত সামাজিক ৰীতি নীতিৰে পৰিচালিত কৰিছে সমাজ। আৰু জীয়াই ৰাখিছে ভাবা আৰু প্ৰমূল্যবোধ।

সমাজ মানে একোটা নিৰ্দ্দিষ্ট ৰীতি-নীতি, আদৰ্শেৰে জীৱন নিৰ্ব্বাহ কৰা কিছুমান মানুহৰ সমষ্টিকে বুজা যায় শৃংখলাপূৰ্ণ সামাজিক বাতাবৰণ নিৰ্ম্মাণ বা গঠনৰ প্ৰাথমিক অৱলম্বন হ'ল সময় সাপেক্ষ আৰু যুক্তি পূৰ্ণ ৰীতি-নীতিৰ অৱস্থিতি। টাইফাকে সমাজৰ মাজতো সামাজিক জীৱন প্ৰৱাহত বহুতো বৈশিষ্ট্যপূৰ্ণ মৌলিক আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি দেখিবলৈ পোৱা যায়।



অতীজৰে পৰাই টাইফাকে সকলে চাংঘৰ সাজি থকাৰ নিয়ম। বাঁহ আৰু কাঠেৰে নিৰ্ম্মিত সুবৃহৎ ঘৰবোৰ টকৌ পাতেৰে ছোৱা হয়। আধুনিকতাৰ পাকচক্ৰত পৰি দুই এটা আধুনিক আবাসগৃহৰ প্ৰৱেশ ঘটিলেও চাংঘৰৰ ঐতিহ্যপূৰ্ণ পৰম্পৰা টাইফাকে সকলে এতিয়াও বিসৰ্জন দিব পৰা নাই। আধুনিক প্ৰযুক্তি বিদ্যাৰ ছায়াত নিৰ্ম্মিত ঘৰবোৰৰ দৰে তেওঁলোকেও বিভিন্ন কামত ব্যৱহাৰৰ বাবে আছুতীয়া কোঠালি নিৰ্ম্মাণ কৰি লয়। প্ৰাৰ্থনা কোঠা - "হং টাংচম", ৰান্ধনিকোঠা "হৌ অন", চ'ৰা ঘৰ "কান নক্" ইত্যাদি টাইফাকে গৃহৰ অবিচ্ছেদ্য অংগ। এনে চাংঘৰত যাতায়তৰ বাবে

ব্যৱহৃত জখলা চাং আৰু মাটি সংযুক্ত কৰি ৰখা দিশটো সদায় পুৰমূৱা কৰে। ধাৰণা কৰা হয় তাহানিৰ পৰাই নদী কাষৰীয়া অঞ্চলত বসবাস কৰি ভাল পোৱা টাইফাকে সকলে নদীৰ প্ৰৱল বানপানীৰ পৰা ৰেহাই পাবৰ বাবেই এই চাংঘৰৰ সংস্কৃতি গঢ় দিছিল; অৱশ্যে অন্যান্য ধ্যান - ধাৰণায়ো চাংঘৰ নিৰ্ম্মাণত অৰিহণা যোগাইছিল।

টাইফাকে সকলৰ খাদ্য অত্যন্ত স্বাস্থ্যসন্মত। তেওঁলোকে চেৰা ভাত বান্ধি পাতত টোপোলা কৰি খায়। উৎসৱ পাৰ্বনত ৰাইজক এনেদৰেই খুওৱাৰ ব্যৱস্থা কৰা হয়। টাই ভাষাত ইয়াক **"হ খাও"** বোলা হয়। প্ৰতি ঘৰে উক্ত ভাত বনোৱাৰ বাবে সুব্যৱস্থা থাকে। এই ভাত বনাবৰ বাব দুটা পাত্ৰৰ প্ৰয়োজন। ৩/৪ লিটাৰ পানী ধৰা ডাঙৰ পাত্ৰটোত পানী পূৰ কৰি জুইৰ ওপৰত ৰখা হয়। এই ডাঙৰ পাত্ৰটোৰ ওপৰত তাতোতকৈ সৰু এটা পাত্ৰ। ইয়াত এখন পাতল ঢাকনি থাকে আৰু পাত্ৰটোৰ তলত সৰু সৰু ফুটা থাকে। অলপ সময় তিয়াই থোৱা চাউল ইয়াত দিয়া হয় আৰু ঢাকনিখন মাৰি দিয়া হয় আৰু ডাঙৰ পাত্ৰটোৰ মুখত এই পাত্ৰটো দি দিয়া হয়। ডাঙৰ পাত্ৰটোৰ মুখত আৰু সৰু পাত্ৰটোৰ তলিত অৰ্থাৎ দুয়োটা পাত্ৰৰ মাজত এখন তিতা কাপোৰ সজোৰে বান্ধি দিয়া হয় যাতে ভাপ উৰি নাযায়।। যেতিয়া ডাঙৰ পাত্ৰটোৰ পানীবোৰ উতলিবলৈ ধৰে তেতিয়াই তাৰ ভাপবোৰ ২ য় পাত্ৰৰ ফুটাৰে সোমাই আৰু চাউলবোৰ এনেধৰণেই সিজি উঠে আৰু খাব পৰা হয়। চৰুৰ পৰা চাউলসমূহ গৰমে গৰমে এখন ডলাত উলিয়াই পাতত টোপোলা কৰি কৰি পৰিবেশনৰ বাবে সাজু কৰা হয়। টাইফাকে সকলে হালধি, মছলা, তেল আদি অতি কম পৰিমাণে ব্যৱহাৰ কৰে। স্বাস্থ্যৰ বাবে উৎপাদিত আৰু বনৰীয়া সেউজীয়া শাক-পাচলিৰ ওপৰত গুৰুত্ব দিয়া হয়। তেওঁলোকে সাধাৰণতে তৰি-তৰকাৰী পানীত সিজাই খায়। তাক "খাও লাম" বুলি কয়। সকলো ধৰণৰ বাহত "খাওলাম" সিজাব নোৱাৰি। টাইফাকে সকলৰ অন্যতম প্ৰিয় জাতীয় পিঠা হ'ল "খাও পুক"। ই বৰা চাউল আৰু তিল, নিমখ একেলগে মিহলাই খুন্দি তৈয়াৰ কৰা হয়। ইয়াৰ বাহিৰেও তেওঁলোকে ঘৰুৱাভাৱে প্ৰস্তুত কৰা কিছুমান খাদ্য সামগ্ৰী হ'ল শুকতি (পা-নাও), শুকান খৰিছা (ন হেউ), টেঙা খৰিছা (ন টোম), টেঙা মাছ (পা - টোম) ইত্যাদি।

সাজপাৰৰ ক্ষেত্ৰতো টাইফাকে সকলৰ স্বকীয় বৈশিষ্ট্য আছে। টাইফাকে নাৰীসকলে কঁকালত চামৰাৰ ফিটা সংযুক্ত কৰি তাঁত বয় আৰু নিপুণতাৰে প্ৰয়োজনীয় কাপোৰ বৈ ওলিয়ায়। প্ৰতিঘৰতে দুখনকৈ বা ততোধিক তাঁতৰ শাল দেখা যায়। পুৰষ-নাৰী সকলোৱে পৰিধানৰ বস্ত্ৰ তেওঁলোকে নিজেই বৈ উলিয়ায়। টাইফাকে পুৰুষ সকলে ঘৰতে বোৱা **'ফা'** (লুঙী) পিন্ধে আৰু মহিলাই চিন্ (মেখেলা) পিন্ধে। মহিলা সকলে বয়স অনুযায়ী চাদৰ পিন্ধাৰ পদ্ধতি ভিন ভিন। সাধাৰণতে আবিবাহিত মহিলাই শুধ বগা পাৰীত ফুলবচা চাদৰ আৰু বিবাহিতা মহিলাই ৰঙীন চাদৰ ব্যৱহাৰ কৰে। এই বিলাকক ক্ৰমে **'ফা ফ'ক' আৰু 'নাৱ ৰাও'** বোলা হয়। বুঢ়াবুঢ়ী সকলে মুৰত পাগুৰী (ফা হ) মৰাটো ফাকে সমাজৰ অন্যতম বৈশিষ্ট্য। শুনা যায় বহু বছৰৰ আগেয়ে লৰা-বুঢ়া সকলোৱে এই পাগুৰী মাৰিছিল। কিন্তু বৰ্ত্তমানে বুঢ়াসকলেহে ইয়াৰ ব্যৱহাৰ কৰা দেখা যায়। বিবাহৰ সময়ত গাভৰুৱে ব্যৱহাৰ কৰা চাদৰক **"নাংৱাত - পজুং"** বুলি কোৱা হয়। টাই ফাকে সকলৰ বস্ত্ৰ-শিল্প কলাৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন হ'ল **থুং** (মোনা) শিল্প। ইয়াৰ জৰিয়তে তেওঁলোকৰ শিল্প সংস্কৃতিয়ে বহিঃ জগতত অতি সবলভাৱে প্ৰতিষ্ঠা লাভ কৰিছে।

কৃষিয়েই হৈছে টাইফাকে সকলৰ জীৱিকাৰ প্ৰধান উৎস। যদিও বৰ্ত্তমানে আধুনিকতাৰ পৰশত পদ্ধতিসমূহৰ যথেষ্ট উন্নত হোৱা পৰিলক্ষিত হয় তথাপিও বেছিভাগেই নাঙল পদ্ধতিৰেই তেওঁলোকৰ কৃষি কাৰ্য্য সমাপন কৰে।

উৎসৱ সংস্কৃতিৰেই অন্যতম অঙ্গ। মানুহ আনন্দপ্ৰিয়। সেইবাবে প্ৰত্যেক জনগোষ্ঠীৰেই থাকে সুন্দৰক উপাসনা - আৰাধনাৰ অনুষ্ঠান। জীৱনৰ কঠোৰতম সংগ্ৰামৰ মুহূৰ্তবোৰৰ মাজতো মানুহে বিচাৰে আনন্দৰ অৱসৰ। টাইফাকে সকলৰ প্ৰায়বোৰ উৎসৱেই ধৰ্মীয় পৰম্পৰাৰেই পালন কৰা দেখা যায়। ৰাজহুৱা ভাৱে



পালন কৰা উৎসৱবিলাক হ'ল **কম্থিন পয়, প - টে-ছ্য পয়, পয় লু থৌ হেইং, মাই ক চুম ফাক পম, মাংকাপা পয়, পেত থৌন চি হেইন, পয় চাংকেন, লু চে টি পয় নৌন হৌক** আদি।

ফাকে বৌদ্ধ ধৰ্ম্মাৱলম্বী সকলে তিনিমাহৰ বৰ্ষা ব্ৰতৰ অন্তত কাতি পূৰ্ণিমাত **কম্থিন পয়, প-টে-ছ আৰু পয় লু থৌ হেইং** এই তিনিটা উৎসৱ সচৰাচৰ পালন কৰে। গীত - নৃত্যৰ অপূৰ্ব সমাহাৰেৰে টাই ফাকেসকলে উৎসৱৰ কেইদিন পৰম্পৰাগত সাজপাৰেৰে ৰং ৰহইচেৰে



প্ৰশান্তিৰ বন্দনা গায়। তাৰপিছত মাঘমাহৰ পূৰ্ণিমানত উদযাপন্ কৰে **"মাই লুম ফাই পয়"**। অসমীয়া সমাজৰ মাঘ বিহুৰ দৰেই এই বিহুত গাওঁবাসী সকলে মিলিজুলি ৰাজহুৱা স্থানত মেজি সাজে আৰু পূৰ্ণিমাৰ আগদিনাৰ গধূলি ৰাইজ একত্ৰিত হৈ মেজি জ্বলাই পূজা অৰ্চনা কৰে তাৰ লগতে সৰুকৈ মেজি সাজি জ্বলাই কাষৰ নেত বিসৰ্জন দিয়ে। মেজি জলোৱাৰ পিছদিনা তেওঁলোকে **"খাও য়া কু"** খায়, ই হ'ল একপ্ৰকাৰ খিচিৰি ভাত। ইয়াক তিল, কচু, ভাত, ইত্যাদি অনেক বস্তু মিলায় বনোৱা হয়। প্ৰথমতে ভগবান বুদ্ধক পূজা অৰ্চনা কৰি ৰাইজে আনন্দ মনেৰে ভোজ ভাত খায়।

ফাগুণৰ পূৰ্ণিমাত ফাকেসকলে পালন কৰে **'পয় মাংকাপা', পয় পেত মৌন চি হেইং লু'** - চেতি ইত্যাদি। এই বিলাক উৎসৱ প্ৰতিবছৰে পতাৰ নিয়ম নাই। প্ৰয়োজন অনুসৰি আৰু সুবিধা বুজি ৰাইজে এই উৎসৱ সমূহৰ আয়োজন কৰে।

ইয়াৰ পাছত প্ৰথম বহাগৰ পৰাই আৰম্ভ হোৱা **"পয় চাংকেন"** । ইফাকে সকলৰ প্ৰধান জাতীয় উৎসৱ। এই উৎসৱত পঞ্জিকাৰ নিৰ্দ্ধাৰিত দিন বাৰ অনুসৰি বৌদ্ধ বিহাৰৰ পৰা বুদ্ধ মূৰ্ত্তি সমূহ বাহিৰত সাজি থোৱা কৃত্ৰিম বেদীৰে উলিয়াই আনি ৰখা হয়। ৰাইজে ৰাজহুৱা ভাৱে মুকলিকৈ নিৰ্ম্মল পানীৰে ছটিয়াই মূৰ্ত্তিক স্নান কৰায় আৰু লগতে ৰাইজে পৰস্পৰে পৰস্পৰক প্ৰীতিৰ চিন স্বৰূপে পানী ছটিয়াই নতুন বছৰৰ ওলগ জনায়। সেইবাবে ইয়াক কোনো কোনোৱে পানীবিহু বুলিও কয়। আবেলিলৈ গাঁৱৰ বয়োজেষ্ঠ সকলকে মুখ্য কৰি সকলোৱে বুদ্ধ মূৰ্ত্তিৰ চাৰিওফালে বহি প্ৰাৰ্থনা কৰে। তাক **'লু চি মি'** বুলি কোৱা হয় এনেকৈ প্ৰায় তিনিদিন চলি থাকে। তাৰ পাছত পুনৰ বৌদ্ধ বিহাৰৰ ভিতৰলৈ বেদীত মূৰ্ত্তিবোৰ স্থাপন কৰা হয়।

**'চাংকেন'** উৎসৱ সামৰণি পৰাৰ দুদিনমানৰ পিছত **'লু চে তি'** উৎসৱ পালন কৰা হয়। এই উপলক্ষে ৰাইজে ন খাপৰ পিৰামিড্ সদৃশ চৈত্য বনায়, নিৰ্দ্দিষ্ট সময়ত ৰাইজে নানা তৰহৰ নিচান বনাই তাত স্থাপন কৰে।

**'চাংকেন'** উৎসৱ সমাপ্তিৰ পাছত বহাগী পূৰ্ণিমাত ফাকে সকলে বুদ্ধজয়ন্তী উপলক্ষে **"পয় নৌন হৌক"** পালন কৰে। উক্ত উৎসৱত ৰাইজে নানাধৰণৰ ৰঙ ধেমালিৰ কাৰ্য্যসূচীৰে বৌদ্ধবিহাৰত প্ৰাৰ্থনা কৰে। এইবিলাকৰ ওপৰিও টাইফাকে সকলে কিছুমান ঘৰুৱা উৎসৱো পালন কৰে। সেইবিলাক যেনে সন্তান জন্ম দিয়াৰ পিছত নাম দিবৰ বাবে, বিবাহ কাৰ্য্য আনুষ্ঠানিকতা প্ৰদানৰ বাবেও। কোনো লোক ঢুকুৱাৰ পাছত শেষকৃত্য সমাপন কৰিবলৈকো একপ্ৰকাৰৰ উৎসৱ অনুষ্ঠিত হয়। ঘৰৰ বা পৰিয়ালৰ সুখ শান্তি আৰু সমৃদ্ধিৰ বাবে আয়োজিত ঘৰুৱা উৎসৱক **"মাংকালা"** আৰু **"আনট্ৰে"** পালন কৰা হয়।

দুয়োটাৰ বিশেষ পাৰ্থক্য নাই যদিও **মাংকালা** পুৱা আৰু **আনট্ৰে** গধুলি অনুষ্ঠিত কৰাৰ নিয়ম।

সন্তান জন্মৰ এক দুমাহৰ ভিতৰত সাধাৰণতে নাম দিয়া হয়। এই সময়তেই কেছুৱাক প্ৰথমে আনুষ্ঠানিক ভাৱে ঘৰৰ বাহিৰ কৰি মুকলি আকাশৰ তললৈ আনা হয়। তেতিয়া লগত প্ৰয়োজন হয় ভাত, কণী, কুহিয়াৰ, কল, টেঙামাছ, চামপু, ফা আদি। লগতে সোণ, ৰূপ, লো ইত্যাদি বস্তুৰে তিয়োৱা পানীৰে গা ধুওৱা হয়। বিশ্বাস কৰা হয় তেনে কৰিলে সন্তান ধাতুবোৰৰ দৰেই কঠিন আৰু উজ্জ্বল হয়।

টেঙামাছ বিবাহ অনুষ্ঠানৰ বাবে অপৰিহাৰ্য্য। দৰা পক্ষই কইনা পক্ষক

বিয়াৰ দিনা পুৱা টেঙামাছ দিয়াটো নিয়ম।

কোনো লোকৰ শ্ৰাদ্ধ সাধাৰণতে সাতদিনত সমাপ্ত কৰা হয়। প্ৰত্যেক দিনাই মৃতকৰ আত্মাৰ শান্তিৰ বাবে ৰাইজে একগোট হৈ প্ৰাৰ্থনা কৰে। অন্তিম দিনা 'টাংখন' স্থাপন কৰি সমাপ্ত কৰা হয়। ফাকেসকলৰ বিশ্বাস যে মৃতকৰ আত্মাই সাতদিনলৈ ঘৰৰ আশে পাশে থাকে সেইবাবেই সাতদিনলৈ শ্ৰাদ্ধ পতাৰ নিয়ম ফাকে লোক সমাজত প্ৰচলিত।

টাইফাকে সমাজত অজস্ৰ লোকবিশ্বাস আছে। তন্ত্ৰ-মন্ত্ৰ আৰু মঙ্গল চোৱা প্ৰথাও তেওঁলোকৰ আছে। মঙ্গল চোৱাৰ কাৰ্য্যক তেওঁলোকে 'কালা' চোৱা বুলি কয়।

মৃত্যুমুখী কোনোলোকক নিৰ্দ্দিষ্ট প্ৰথামতে পূজা অৰ্চনা কৰিলে তেওঁলোকে ভাল হৈ সুদীৰ্ঘ জীৱন পাই বুলি বিশ্বাস কৰা হয়। এনে ব্যৱস্থাত দুৰ্বল ব্যক্তি স্বাস্থ্যবান হোৱাৰ লোকবিশ্বাস তেওঁলোকৰ আছে। এই কাৰ্য্যকে 'জেটি' তৈয়াৰ কৰি ব্যক্তিজনৰ বয়সৰ সমানেই মম, ফুল আদি দেৱতাক উছৰ্গা কৰাৰ বিধান আছে।

কেতিয়াবা কোনো ব্যক্তিয়ে ভয় খাই বেমাৰত পৰিলে 'খন' (আত্মা) পলাই যোৱা বুলি ফাকে সমাজে বিশ্বাস কৰে। এই ক্ষেত্ৰত আত্মা আহ্বান কৰাৰ ব্যৱস্থা আছে। আত্মা গ্ৰহণ কৰাৰ পদ্ধতি দুটা; শিশুৰ বাবে সাধাৰণতে নদীৰ পাৰত আৰু বয়োজেষ্ঠ লোকৰ বাবে আত্মাক ঘৰতে আহবা কৰাৰ নিয়ম। প্ৰথমটো পদ্ধতিত প্ৰয়োজন হয় ভাত, মাছ, কণী, কল, কুহিয়াৰ আৰু বেমাৰীৰ চোলাকাপোৰ। এইখিনিলৈ নদীৰ পাৰে পাৰে জাকৈ মাৰি যোৱা হয় আৰু যি পায় তাতেই আত্মাটো আছে বুলি ভাবি ঘৰলৈ অনা হয়।

আনটো পদ্ধতিত প্ৰয়োজন হয় দা, কুঠাৰ, কাঁড় কোৰ, যাঠি, জাকৈ আদি। এই কাৰ্য্য পুথি পাঠ কৰি সমাপন কৰা হয়। বিশ্বাস কৰা হয় এনে কৰিলে বেমাৰী ব্যক্তি ভাল হৈ উঠে।

টাইফাকে সকল পূৰ্বৰ পৰাই বৌদ্ধ ধৰ্ম্মত বিশ্বাসী বৌদ্ধ ধৰ্ম্মৰ অহিংস নীতি তেওঁলোকৰ আদৰ্শ। লগতে এই ধৰ্ম্মৰ নীতিশিক্ষা স্বৰূপ সহনশীলতা, সততা, জাগ, সংযম এই সকলো তেওঁলোকে প্ৰতিমুহূৰ্ততে পালন কৰিবলৈ যত্ন কৰে। মূলতঃ এয়াই তেওঁলোকক বৰ্ত্তমানলৈকে সংস্কৃতিবান কৰি তোলাৰ অনুপ্ৰেৰণা। বছৰৰ বাৰমাহেই তেওঁলোকে পূৰ্ণিমা আৰু অমাবস্যাত বৌদ্ধ বিহাৰলৈ গৈ জীৱনৰ প্ৰশান্তিৰ প্ৰাৰ্থনা কৰে। তদুপৰি তেওঁলোকৰ বিশেষকৈ বয়োজ্যেষ্ঠ খিনিয়ে শাওন মাহৰ পূৰ্ণিমাৰ পৰাই কাতি মাহৰ পূৰ্ণিমালৈকে তিনিমাহ বৰ্ষা ব্ৰত পালন কৰে। এই ব্ৰত তেওঁলোকে যথেষ্ট কষ্ট আৰু সংযমেৰে পালন কৰে।

বৰ্ত্তমানলৈকে নিজৰ আপোন কৃষ্টি সংস্কৃতি জীয়াই ৰাখিব পৰাৰ টাইফাকে সকলৰ প্ৰধান অৱলম্বন হ'ল ভাষা। তেওঁলোকৰ মাজত এতিয়াও তেওঁলোকৰ বৰ্ণ - ভাষা প্ৰচলিত হৈ আছে। বিভিন্ন লোকাচাৰ, প্ৰাৰ্থনা আদিতো তেওঁলোকে টাই ফাকে ভাষা ব্যৱহাৰ কৰে।

বৰ্ত্তমান অসমত আন আন ফাকে গাওঁ বিলাকৰ ভিতৰত সৰ্ববৃহৎ ফাকে সংস্কৃতিৰ মূল বাহক **নামফাকে** গাওঁবাসীসকল। তেওঁলোকৰ সংস্কৃতি প্ৰেম, ভাষা প্ৰেম তথা মানবীয় উদাৰ নীতি বৰ্ত্তমান সময়ত বহু বাহিৰৰ পৰ্য্যটকক আকৰ্ষিত কৰিছে। গাঁৱৰ মাজমজিয়াত সুপৰিকল্পিত ভাৱে নিৰ্ম্মিত বৌদ্ধবিহাৰ এই আকৰ্ষণৰ মুখ্য কাৰণ। তাৰ বাহিৰেও এখনকৈ প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী আৰু উচ্চ বিদ্যালয় আছে। আশা কৰিব পাৰি এক বিংশ শতিকালৈ তেওঁলোক জীৱন, সংস্কৃতি সময় আৰু সভ্যতাৰ কৰ্ষণত আৰু উন্নীত হ'ব। উন্নীত হ'ব সমস্ত ক্ষেত্ৰতে বোধৰ বিন্যাস। এনেধৰণেৰেই অতি কম সংখ্যাৰে হ'লেও নিজৰ স্থিতি বাহাল ৰাখিব পাৰিব এটা জাতি ৰূপে।

❑❑❑

প্ৰচলিত অৰ্থত যাক 'সাফল্য' বুলি কোৱা হয়, সি যাতে ছাত্ৰসকলৰ মাজত জীৱনৰ লক্ষ্য বুলি প্ৰচাৰিত নহয়, এই বিষয়ে সতৰ্ক দৃষ্টি ৰখা উচিত। কাৰণ জীৱনত সফল তেওঁকেই কোৱা হয় যি তেওঁৰ লগৰীয়াসকলৰ পৰা অনেক পাইছে। ইয়াৰ বিনিময়ত সমাজক তেওঁ যি সেৱা দিয়ে, তাৰ পৰিমান প্ৰাপ্তিতকৈ সাধাৰণতে বেছি হয়। কিন্তু মানুহৰ মূল্য নিৰূপণ কৰা উচিত তেওঁ সমাজৰ পৰা কিমান নিলে তাৰ ভিত্তিত নহয়, বৰং তেওঁ সমাজক কিমান দিলে তাৰ ভিত্তিত হে।

**- এলবাৰ্ট আইনষ্টাইন।**

আলোকপাত

# নব্বৈৰ দশকত কটনিয়ানৰ গল্প

○ *দেৱব্ৰত দাস*

**প্ৰস্তাৱনা ঃ** এটা জাতিৰ অস্তিত্ব তথা বিকাশৰ ক্ষেত্ৰত সাহিত্য সংস্কৃতিৰ ভূমিকা বা তাৎপৰ্য অত্যন্ত মূল্যবান। অসমীয়া জাতিৰ উত্তৰোত্তৰ উন্নতি তথা অৱস্থিতিৰ বিষয়ে নানা ঠাইত নানা স্তৰত নানা বিজ্ঞজনে আলোচনা-বিলোচনা, আন্দোলন-প্ৰতি আন্দোলনত সততেই ব্যস্ত হৈ থকা দেখা যায়। দুখৰ কথা সাহিত্য বা সংস্কৃতিৰ জগতত ক'ত কি ঘটি আছে বা সমাজৰ এই মহত্বপূৰ্ণ অংশটোৰ গতি প্ৰকৃতিৰ ৰেহৰূপ কেনেকুৱা এই ৰিষয়ে বিশেষ চিন্তাভাৱনা অথবা বিচাৰ খোচাৰ সহজে চকুত নপৰে। সাহিত্য সভা বা চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আদিৰ কামকাজো সততে দায়সৰা ধৰণৰ। নতুন সম্ভাৱনাপূৰ্ণ লেখক-লেখকা সকলে সঠিক সহায় আৰু উৎসাহ উদ্দীপনা পাইছে নে নাই, এই বিষয়ে কেতিয়াও কোনেও ক'তো চিন্তাচৰ্চা কৰা দেখা নেযায়। এই বিসংগতি অৱশ্যে অসমত কোনো নতুন কথা নহয়। সত্তৰৰ দশকত আমি যেতিয়া লেখিবলৈ আৰম্ভ কৰিছিলো তেতিয়াও অসমৰ বৌদ্ধিক জগত নবাগত সাহিত্য পিপাসু লেখক লেখিকাৰ ক্ষেত্ৰত একে ধৰনেই নিৰাসক্ত আছিল। ফলত কলেজ বিশ্ববিদ্যালয় পৰ্য্যায়ত আমি লগ পোৱা বহুতো সাহিত্য প্ৰতিভা উৎসাহ উদ্দীপনাৰ অভাৱত ইচ্ছাকৃত অথবা অনিচ্ছাকৃত ভাবেই অসমীয়া সাহিত্যৰ পৰা পৰৱৰ্তী জীৱনত নিৰ্বাসিন ললে। এনে ঘটনা, মোৰ দৃঢ় বিশ্বাস অকল আমাৰ প্ৰজন্মৰ ক্ষেত্ৰতেই নহয় পূৰ্ববৰ্তী প্ৰজন্মবোৰতো নিশ্চয় ঘটি আহিছে। এই অৱস্থাৰ ফলত লোকচান আন কাৰো হোৱা নাই, হৈছে অসমীয়া সাহিত্যজগতৰ।

অসমীয়া আলোচনী দুখনমানৰ সম্পাদনাত সহায় কৰাৰ অভিজ্ঞতাৰ পৰা কৈছো, নতুন লেখকৰ অভাৱ অসমত নাই। অভাৱ আছে মাথো গুণগত মানদণ্ডৰ। উৎসাহ যিমান আছে অৰ্হতা বা প্ৰতিভা সিমান নাই। আলোচনীবোৰলৈ বিভিন্ন চুটি গল্প যিমান পঠোৱা হয় তাৰ বেছিভাগেই উচ্ছাসত লেখা, উদ্দেশ্য হয়তো সাহিত্যিক যশ সন্মান বোটলা। কিন্তু এনে আগ্ৰহৰ আগতে অসমীয়া ভাষাৰ গুন তথা শুদ্ধতা আহৰণ, উচিত জীৱন দীক্ষা, পৃথিৱী তথা সমাজৰ সম্যক পৰ্যবেক্ষন ক্ষমতা এইবোৰো যে আহৰণ কৰি ল'ব লাগে আগতীয়াকৈ, এই দৰকাৰী কথাটো বেছিভাগ নতুন লেখাৰুৰ অৱগতিত নেথাকে প্ৰায়েই। গল্পবোৰ হয় গতানুগতিক, নহয় কোনো বিখ্যাত লেখকৰ আৰ্হিত লেখা অথবা হয়তো তেনেই পালনৰা ধৰণৰ। তদুপৰি আলোচনীলৈ প্ৰকাশাৰ্থে পঠোৱাৰ আগেয়ে যে ব্যাকৰণ, বানান বা বাক্যৰচনাৰ ভুল ত্ৰুটিবোৰো শুধৰাই পঠিওৱাৰ দৰ্কাৰ, এই কথাও বেছিভাগ লেখিকা লেখকে পাহৰি থাকে।

**তেতিয়া মই গৰ্বিত হৈ লক্ষ্য কৰিলো যে মোৰ পূৰ্বানুমান সম্পূৰ্ণ ভুল আছিল। কম বয়সীয়া লেখক লেখিকাবোৰে যথেষ্ট উচ্চ মান বিশিষ্ট চুটিগল্প ৰচনা কৰিছে। ৰচনাবোৰৰ মাজেৰে এটা কথা সহজেই অনুমেয় যে তেওঁলোকে ইতিমধ্যে যথেষ্ট কিতাপ পত্ৰ বা উচ্চখাপৰ সাহিত্যৰ সৈতে ওতঃপ্ৰোতভাবে পৰিচিত হৈ উঠিছে। মোৰ বাবে আটাইতকৈ আনন্দৰ কথা আছিল যে শিক্ষা ব্যৱস্থাৰ হেজাৰ ৰকমৰ দুৰ্নীতি অবিচাৰৰ মাজতো, অসমীয়া ভাষা শিক্ষণৰ প্ৰতি প্ৰচণ্ড অৱহেলাৰ যুগতো কটন কলেজৰ চুটিগল্প লেখা ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা তথা বানানৰ ভুল তেনেই নাম মাত্ৰ নাছিল।**

এনে বিৰূপ বাস্তৱৰ দুটা পাৰস্পৰিক বিপৰীত ধৰ্মী আৰু অসমীয়া গল্প সাহিত্যৰ বাবে দুঃখজনক সত্যৰ বিষয়ে বিদিত হৈ তিনিবছৰমান পূৰ্বে মই যিবাৰ প্ৰথম কটন কলেজৰ গল্প প্ৰতিযোগিতাৰ বিচাৰক হ'বলৈ সন্মতি দিছিলো তেতিয়া মোৰ মনত দুটা ভয়ে ঠাই লৈছিল। প্ৰথমটো হ'ল প্ৰতিযোগীবোৰৰ মাজত যদি এজনো প্ৰতিভাসম্পন্ন গল্প লেঁখক নেপাওঁ তেনেহলে বৰ নিৰাশ হ'ব লগীয়াত পৰিম। দ্বিতীয়টো হ'ল কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ ৰচনাতো নিশ্চয় আলোচনী দুখনলৈ পঠিওৱা গল্পবোৰৰ দৰেই বহুতো বানান ব্যাকৰণ বাক্যপ্ৰকৰণৰ ভুলভ্ৰান্তি থাকিব। কিন্তু যেতিয়া গল্পবোৰ মোৰ হাতত পৰিল, তেতিয়া মই গৰ্বিত হৈ লক্ষ্য কৰিলো যে মোৰ পূৰ্বানুমান সম্পূৰ্ণ ভুল আছিল। কম বয়সীয়া লেখক লেখিকাবোৰে যথেষ্ট উচ্চ মান বিশিষ্ট চুটিগল্প ৰচনা কৰিছে। ৰচনাবোৰৰ মাজেৰে এটা কথা সহজেই অনুমেয় যে তেওঁলোকে ইতিমধ্যে যথেষ্ট কিতাপ পত্ৰ বা উচ্চখাপৰ সাহিত্যৰ সৈতে ওতঃপ্ৰোতভাবে পৰিচিত হৈ উঠিছে। মোৰ বাবে আটাইতকৈ আনন্দৰ কথা আছিল যে শিক্ষা ব্যৱস্থাৰ হেজাৰ ৰকমৰ দুৰ্নীতি অবিচাৰৰ মাজতো, অসমীয়া ভাষা শিক্ষণৰ প্ৰতি প্ৰচণ্ড অৱহেলাৰ যুগতো কটন কলেজৰ চুটিগল্প লেখা ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা তথা বানানৰ ভুল তেনেই নাম মাত্ৰ নাছিল।

সেয়া আছিল তিনি চাৰি বছৰ মানৰ আগৰ কথা। যোৱা মাহত অৰ্থাৎ ছিয়ানব্বৈৰ জুলাই মাহত কটনিয়ানৰ নতুন সম্পদক সঞ্জীৱ কুমাৰ নাথে এটা নতুন প্ৰস্তাৱ লৈ উপস্থিত হ'ল। যোৱা কেইসংখ্যামানৰ 'কটনিয়ান'ত ছপা হোৱা চুটিগল্পবোৰৰ ওপৰত এটা প্ৰৱন্ধ লেখি দিব লাগে। প্ৰস্তাৱটোত মই সহৰ্ষে মান্তি হলো এইবাবেই যে একেলগে বেছ কেইটামান উচ্চমান বিশিষ্ট চুটি গল্প পঢ়ি মই ৰাইজক জনা'ব পাৰিম দুজনমান ভৱিষ্যতৰ ক্ষমতাশালী সাহিত্যিকৰ প্ৰতিভাৰ কথা। যদিও মই সঠিক অৰ্থত সাহিত্যৰ সমালোচক নহওঁ বা সমালোচনাৰ অ-আ, ক-খ খিনিও মই নেজানো এতিয়াও তথাপি সাধাৰণ পাঠক হিচাপে যিবোৰ ৰচনাই মোক মুগ্ধ কৰিলে সিবিলাকৰ ৰাজহুৱা প্ৰশস্তি এটা মই লিপিবদ্ধ কৰি থৈ যাব পাৰিম। আওপকীয়াকৈ হয়তো লেখক-লেখিকা সকলে

একে আয়াসতে কিঞ্চিৎ উৎসাহ উদ্দীপনাও লাভ কৰিব। এতেকেই মই বাচি ললো নবৈৰ দশকত প্ৰকাশিত চাৰিখন 'কটনিয়ান'।

## মূল ৰচনাখন ঃ

৯০-৯১চনত প্ৰকাশিত ৬৫ তম সংখ্যাৰ সম্পাদিকা আছিল **ৰত্না ভৰালী**। **হেমেন ৰাজবংশীৰ** "মহানগৰীত যশোদা" গল্পটোত তেনেই নিম্নবিত্ত সমাজৰ বিধবা এগৰাকীৰ পৰিবৰ্তিত সমাজ ব্যৱস্থাত মহানগৰৰ ব্যস্ততাৰ মাজত জীৱন যাপন আৰু সংঘৰ্ষৰ নিখুঁত চিত্ৰণ। সাধাৰণ জনতাৰ প্ৰতি আওকান স্বাৰ্থপৰ নাগৰিক সমাজৰ মাজত দৰিদ্ৰ নিঠৰুৱা যশোদাই জীয়াই থকাৰ সমল বিচাৰি পাইছে আন এটা নিঠৰুৱা কেওকিছু নোহোৱা সদ্যজাত কেচুৱাৰ মাজত।

**শাশ্বতী দাসৰ** "উপলব্ধি সময়ৰ", নায়িকাই নিম্ন মধ্যবিত্ত সমাজৰ পটভূমিত দাৰিদ্ৰ্যৰ ক্লেশ সহিব নোৱাৰা অনুপমা পেহীৰ আত্মঘাতী চিন্তাভাৱনাৰ চিকাৰ হৈছে। বিহাৰী বুঢ়ী এজনীয়ে চৰকাৰী সাহায্য বিচাৰিবলৈ গৈ এনে ব্যৱস্থাবোৰৰ সাৰশূন্যতা বুজি পাইছে। শেষত গল্পলেখিকাই দুশ্চৰিত্ৰ মদাহী যুবক এজনৰ পাগলী এজনীৰ প্ৰতি মানবীয় আবেদনে জীৱনৰ প্ৰতি আশাবাদী কৰি তুলিছে।

**ৰমেন কুমাৰ কাকতিৰ** "মুহূৰ্ত কেইটামানৰ কলাজ"ত সাহিত্য জগতত চলি থকা নৈৰাজ্যৰ চিত্ৰ আঁকিছে। সম্পাদক সকলে জাতিৰ সংস্কৃতি ৰক্ষাৰ নামত ভুৱা Concern দেখুৱাই প্ৰবন্ধ পাতি লিখোৱাইছে। কিন্তু জীৱনৰ মৌলিক সমস্যা বোৰো যে জাতীয় অস্তিত্ব তথা সংস্কৃতিৰেই অংশ তাক সতৰ্কতাৰে এৰি থৈ যাব বিচাৰিছে।

**নয়ন কুমাৰ পাঠকৰ** "সংক্ৰমনত তুমি, মই সকলো" এটা অত্যন্ত উৎকৃষ্ট গল্প। প্ৰতীকাত্মক এই গল্পটোত বৰ্তমান সমাজ ব্যৱস্থাত দুৰ্নীতি আৰু অনৈতিকতাৰ প্ৰাৰ্দুভাৱৰ কথা অত্যন্ত সিদ্ধহস্ত ভাবে উপস্থাপনা কৰাই নহয় ভৱিষ্যতৰ বিকৰাল স্বৰূপৰ প্ৰতিও গল্পকাৰে সফলতাৰে নিৰ্দেশ দিব পাৰিছে।

**গিৰীশ ডেকা আৰু বিকাশ শৰ্মাৰ** গল্প যথাক্ৰমে "মাষ্টাৰ প্লেন" আৰু "জীৱন জীৱিকা আৰু...."ত সমাজৰ সঠিক চিত্ৰ ফুটি উঠিছে। বস্তুবাদী সমাজব্যৱস্থাত নিয়ম, কানুন, শ্ৰদ্ধা আবেগ আদি মূল্যবোধ কিদৰে ভাঙি যাব ধৰিছে। চৰকাৰ বা শাসকগোষ্ঠীয়ে কিদৰে সকলোবোৰ সাসুবিধা সাধাৰণ শ্ৰেণীৰ পৰা আঁতৰাই নি নিজস্ব কৰি পেলাব ধৰিছে তাৰ উদাহৰণ ডাঙি ধৰা হৈছে গল্প দুটাত।

১৯৯১-৯২ চনৰ "কটনিয়ানৰ" সম্পাদক **কংকন ডেকা**। এওঁৰ সম্পাদনাত কেইবাটাও উৎকৃষ্ট গল্প লেখি উলিয়াইছে কটনিয়ান সকলে। এই সংখ্যাৰ উৎকৃষ্টতম গল্পটোৰ কথাই আগেয়ে কওঁ। মোৰ মনত পৰে ওপৰত উল্লেখ কৰা গল্প প্ৰতিযোগিতাটোত এইটো গল্পকেই মই প্ৰথম স্থান দিছিলো।

**মৌচুমী কন্দলীৰ** গল্প "প্ৰত্যহিকতাত মনু"ৰ কোনো গতানুগতিক প্লট বা ঘটনা নাই। এজন অস্থিৰ কিন্তু সূক্ষ্ম চেতনাসম্পন্ন নিবনুৱা ডেকাৰ মনলৈ ভুমুকি মৰা কিছুমান প্ৰশ্ন আৰু নিজকে প্ৰবোধ দিয়াৰ প্ৰয়াস। "গভীৰ অস্থিৰতা, নৈৰাশ্য আৰু ব্যৰ্থতাৰ ভাববোৰ যেন অতদিনে তেজত, হাতৰ তলত লুকাই আছিল, আৰু এতিয়া ক্ৰমান্বয়ে তাৰ সম্পূৰ্ণ মানুহটোক আচ্ছন্ন কৰি পেলাইছে ..... মানুহবোৰ কিয় জীয়াই থাকে? কি এই জীয়াই থকাৰ অন্তহীন তাড়না?" গল্পটোৰ ৰচনাৰীতি আৰু মূলবক্তব্যই যথাক্ৰমে সৌৰভ কুমাৰ চলিহা আৰু তেওঁৰ বিখ্যাত গল্প অশান্ত ইলেকট্ৰনলৈ মনত পেলাই দিয়ে।

**অংশুমান বৰাৰ** "জন অৰণ্যত অকলশৰীয়া" আন এটা অতি উৎকৃষ্ট গল্প। সমাজৰ সুবিধাবাদী উচ্চবিত্ত শ্ৰেণী আৰু আনভাগ, —দুয়ো শ্ৰেণীৰ বিভাজন প্ৰায় কাব্যিক লালিত্যেৰে লেখকে ফুটাই তুলিব বিছাৰিছে — "দাদাইঁতৰ সমাজ সুখ-সমৃদ্ধিৰে ভৰা অভিজাত সমাজ। য'ত টকাৰে সকলো কিনিব পাৰি। যি খন সমাজৰ এসাজ ৰেষ্টোৰৰ বিলেৰে ৰাহুলহঁতৰ এসপ্তাহৰ বজাৰ খৰছ চলি যায়। .. মোৰ মা দেউতা ৰামু খুড়া, ৰাহুলহঁতৰ দৰে..... আপোনমনে চলা কিছু জীৱন....... কোনো দাবী নাই আকাংখ্যা নাই.... জীয়াই থকাই হৈছে ইহঁতৰ নিস্তব্ধ এক প্ৰতিবাদ।" "উপস্থাপনৰ বৈশিষ্ট্যই গল্পটোক ভিন্নতৰমাত্ৰা প্ৰদান কৰিছে।

**নয়ন কুমাৰ পাঠকৰ** "এটা সৰল সমীকৰণৰ প্ৰতীক্ষাত" গল্পটো আগৰ সংখ্যাত ছপা হোৱা একে লেখকৰ ওপৰত উল্লেখিত গল্পটোৰ বিজনিত হয়তো শেঁতা যেন বোধ হ'ব। কিন্তু স্বকীয় গুণেৰে গল্পটো অতি সুগথিত আৰু সু পৰিবেশিত। প্ৰেম, দায়িত্ববোধ আৰু তাৎক্ষণিক সমস্যাবোৰৰ মাজত হোষ্টেলৰ কলেজীয়া ছাত্ৰ এজনৰ জীৱনবোধৰ দ্বিধা খুব নিপুণতাৰে গল্পলেখকৰ হাতত ফুটি উঠিছে গল্পটোৰ স্বল্প পৰিসৰত।

**হৰেকৃষ্ণ ভূঞাৰ** "ৰুগ্ন ডেউকা" (দেউকা লেখা হৈছে)ৰ পটভূমি কিঞ্চিত ভিন্ন। বৈজ্ঞানিক গবেষণা এটাৰ আঁৰত তিনিটামান চৰাইৰ প্ৰজাতিৰমাজত দেখা দিয়া কেঞ্চাৰৰ লক্ষণ তথা নিৰাময়তাৰ সন্ধানত ব্যস্ত অধ্যাপক স্বামীৰ হৈ পাৰিবাৰিক নিৰাসক্ততা পত্নীৰ বাব অসহ্য হৈ উঠিছে। যিদৰে বাতাবৰণ কলুষিত ৰসায়নেৰে বিষাক্ত হ'ব ধৰিছে, পাৰিবাৰিক সম্বন্ধবোৰো যেন লাহে লাহে উৰ্ৱলি যাব ধৰিছে একেদৰে। আন এটা অতিকৈ উৎকৃষ্ট গল্প।

১৯৯২-৯৩ চনৰ ৬৭ তম "কটনিয়ান" খনৰ (সম্পাদক **সুৰেশ ৰঞ্জন গদুকা**) গল্পকেইটাইহে পাঠকক নিৰাশ কৰিব। হয়তো গল্পবোৰৰ মানদণ্ড নিৰ্দ্ধাৰিণত সম্পাদনাৰো দায়িত্ব থাকিব। সি যি কি নহওঁক প্ৰকাশিত গল্প কেইটাৰ ভিতৰত এটা গল্পৰ উল্লেখেই যথেষ্ট বুলি কব পাৰি।

**ইৰা দাসৰ** "নিশ্চিত অথবা অনিশ্চিত সময়ৰ স্কেচ্" গল্পটোত এগৰাকী কম বয়সীয়া অধ্যাপিকাৰ মনৰ দ্বন্দ্ব। বানপানী, দাৰিদ্ৰ, সন্ত্ৰাসবাদ আদি জ্বলন্ত সমস্যাৰ মাজত আপাত স্বাধীনতাতে "এক নিৰাপদ অৱস্থানত ৰৈ পৰস্পৰ বিৰোধী মতাদৰ্শত নিজকে উটুৱাই দিয়াৰ মধ্যবিত্তীয় ভণ্ডামিয়ে তাইক প্ৰতিটো মুহূৰ্ততে অতীষ্ঠ কৰি তুলিছে।"

৬৯ তম সংখ্যা "কটনিয়ান"ত আকৌ কেইবাটাও উৎকৃষ্ট চুটিগল্প ৰচনা হৈছে। সম্পাদক আছিল **অখিল গগৈ**।

**অৰূপ কুমাৰ নাথৰ** "নষ্ট এপিটাফ" আধুনিক টেকনিকত লেখা এটা বৈশিষ্টপূৰ্ণ গল্প। আজিকালিৰ যুগৰ যুৱকৰ মনৰ অৱস্থা নিপুনতাৰে ফুটাই তুলিছে লেখকে। "মনে মনে চিগাৰেটৰ শ্ৰাদ্ধ পাতি সি ভাবিছিল - সি ডাঙৰলৈ প্ৰমোচন পাইছে। সংগত, মদৰো সোৱাদ ললে। 'স্বাধীনত' এটা শব্দই যেন তাৰ সমগ্ৰ দেহ মন আকুল কৰি তুলিছিল। প্ৰেম নামৰ অনুভূতিটোৱে তাক বাৰুকৈ পাগল কৰি তুলিছিল। ... সি গম পালে ডেকা হোৱা মানেই এজনী প্ৰেমিকাৰ প্ৰয়োজন।" বিকলাংগ যুৱক এজনৰ জীৱনৰ প্ৰাপ্তি আৰু হতাশাৰ নিপুণ ছবি এখন আঁকি উঠি শেষৰ ইতৰ প্ৰাণীৰ সৈতে আত্মীয়তা মানি লোৱাটো অৱশ্যে কিঞ্চিৎ কষ্টপ্ৰদ।

**হীৰা পেগুৰ** "ঝক্ ঝক ৰেলৰ শব্দ" পঢ়ি উঠি যি কোনো পাঠক লেখকজনৰ নিপুণতাৰ ওপৰত আশ্বস্ত হৈ উঠিব। মিচিং যুৱক এজনৰ এটা ৰেল যাত্ৰাৰ বিৱৰণৰ মাজেৰে তাৰ জনজাতীয় ঐতিহ্য, মিচিংসকলৰ সমস্যা, জীৱনবোধত প্ৰেম, প্ৰত্যাখ্যান, মৃত্যুৰ আশংকা এই সকলোবোৰ সহৃদয়তাৰে তন্ময়তাৰে ফুটাই তুলিব পাৰিছে লেখক জনে। ইমান দুখ কষ্ট, বেদনাৰ মাজতো মানুহৰ মানবীয়তা শেষ হৈ যোৱা নাই। "আমি সকলো মানুহেই যেন নিজৰ নিজৰ অস্থিতিৰ কথা পাহৰি যাব ধৰিছো, কিবা এটা অদৃশ্য শক্তিৰ প্ৰভাৱত অস্পষ্ট হৈ পৰিছে আমাৰ সমূহীয়া জাতি, ধৰ্ম, বৰ্ণ সকলো। এক মুহূৰ্তৰ বাবে মোৰ শৰীৰৰ সমস্ত পেশীয়েই প্ৰচণ্ডভাৱে সক্ৰিয় হৈ উঠিল। মই গভীৰ উদ্বেগেৰে অপেক্ষা কৰিব ধৰিলো পিছৰ ষ্টেচনটো কেতিয়া পাব পৰা যায়। মই বুঢ়ীক বিচাৰিব লাগিব।" এটা অত্যন্ত উৎকৃষ্ট চুটি গল্প।

**প্ৰাণজিৎ বৰাৰ** "ক্ৰান্তিকালৰ যন্ত্ৰণা" আন এটা সুলিখিত গল্প। গল্পটো পঢ়ি থাকিলে বুজা যায় ভাষাৰ নিপুণতাৰ উপৰিও গল্প ৰচনাৰ কৌশল লেখকজনে ইতিমধ্যেই আয়ত্ত কৰি পেলাইছে। গল্পটোৰ প্লটত বিশেষ নতুনত্ব নেথাকিলেও লেখকে এটা অত্যন্ত পঠনযোগ্য (readable) গল্প লেখি উলিয়াইছে।

**মনালিছা শইকীয়াৰ** "পথ" নামৰ গল্পটোত আজিৰ পৃথিৱীৰ সমস্যা যুৱতী এগৰাকীৰ অনুভূতিৰে ফুটাই তোলাৰ চেষ্টা কৰা হৈছে। প্লটটোত আজিৰ যুৱকসকলৰ ক্ষোভ আৰু শাসক শ্ৰেণীৰ বিৰুদ্ধে যুদ্ধযাত্ৰাৰ সংকেত দিয়া হৈছে। কিন্তু ভাষাৰ বাহুল্য তথা প্ৰতীকৰ অস্পষ্টতাই গল্পটোক উৎকৃষ্টতাৰ শ্ৰেণীত ঠাই দিয়াব নোৱাৰিলে। তথাপি স্বীকাৰ কৰিবই লাগিব প্ৰাণজিৎ বৰাৰ দৰে এই লেখিকায়ো অভিজ্ঞতাৰে পুষ্ট হৈ উঠিলে উৎকৃষ্ট সাহিত্য নিমাৰ্ণ কৰিব পাৰিব।

একেসংখ্যা কটনিয়ানত প্ৰাচীৰ পত্ৰিকাৰ পৰা ৰিপ্ৰিণ্ট কৰা এটা উৎকৃষ্ট চুটি গল্প প্ৰকাশিত হৈছে। **চুলতান আলি আহমেদৰ** "এন্ধাৰৰ সিপাৰে"। আতংকবাদী যুৱক এজনে দলৰ নিৰ্দেশত হত্যা কৰিবলৈ গৈ নিজৰ ভুল উপলব্ধি কৰিছে। অত্যন্ত সংক্ষিপ্ত পৰিসৰত গভীৰ বক্তব্য ফুটাই তুলিব পৰা চুলতানে চেষ্টা কৰিলে হয়তো সফল গল্প লেখক হ'ব পাৰিব।

**শেষত কেইটামান আন্তৰিক মন্তব্য ঃ**

১) গল্পবোৰৰ ওপৰত মন্তব্য কৰাৰ সময়ত মই সাৱধানেৰে অধ্যাপক-অধ্যাপিকা তথা অতিথি লেখক সকলৰ গল্পবোৰ সাঙুৰিব বিচৰা নাই। কিন্তু যিহেতু কেইখনমান "কটনিয়ান" ত লেখকৰ শ্ৰেণীৰ উল্লেখ নাই তাৰ মাজত অধ্যাপক বা অতিথি লেখকৰ উল্লেখো ভুলক্ৰমে কৰি পেলাব পাৰো। তাৰ বাবে প্ৰস্তুত ৰচনা লেখকৰ সীমাতি ক্ৰমৰ ভুল সবিনয়ে মাৰ্জনীয়।

২) 'কটনিয়ান'বোৰত খেল-ধেমালি বা গীত-সংগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষিত হয়, দেখা পাইছো। কিন্তু সাহিত্য প্ৰতিযোগিতাবোৰৰ ফলাফল কিয় প্ৰকাশ নহয়? এই বিসংগতিটোৰ কাৰণ বুজি নেপালো।

৩) গল্পবোৰৰ সশ্ৰদ্ধ পাঠে মোক আন এক ধৰণে উপকৃত কৰিছে। সেইটো হ'ল গল্পবোৰত ফুটি উঠা যুৱ মানসৰ ছবি প্ৰতিচ্ছবি বোৰেৰে নব্বৈৰ দশকৰ যুৱক যুৱতী সকলৰ মানসিক পৃথিবীখনৰ সৈতে পৰিচিত হৈ ল'ব পৰিছোঁ।

৪) অনুমান কৰিব পাৰি গল্প লেখক-লেখিকা সকলৰ প্ৰায় ভাগেই উৎকৃষ্ট প্ৰজ্ঞাৰ অধিকাৰী। মোৰ দৃঢ় বিশ্বাস এওঁলোকৰ বেছিভাগেই ছাত্ৰ হিছাপেও নিজ নিজ বিষয়ৰ অধ্যয়নত পটুটা প্ৰদৰ্শন কৰিব পাৰিছে। পঢ়াশুনাত বিঘিনি নঘটাকৈ এওঁলোকে বা আন আন সাহিত্য প্ৰেমী কটনিয়ান সকলে যদি অবিৰত সাহিত্য চৰ্চা চলাই যাব পাৰে তেনেহলে অসমীয়া ভাষা আৰু সাহিত্য দুয়ো উপকৃত হব। আওপকীয়াকৈ অসমীয়া জাতিটো।

৫) অসমীয়া সাহিত্যৰ ওপৰত লেখত ল'ব লগীয়া কবি মহাৰথী বা সাহিত্য সভাৰ বৰমূৰীয়া সাৰথি সকলে প্ৰায়েই সভাই সমিতিয়ে এক ধৰণৰ আক্ষেপ কৰা শুনা যায় যে আজিকালি অসমীয়া ভাষাত ভাল চুটিগল্প লেখোতা ওলোৱা নাই নতুন সকলৰ মাজত। মোৰ দৃঢ় বিশ্বাস 'কটনিয়ানৰ' উপৰোক্ত গল্পবোৰ পঢ়িলে তেওঁলোকৰ ধাৰণা সলনি হৈ যাব। অসমীয়াত নতুন লেখক-লেখিকা নোলায়। এই আক্ষেপটোও ভুল প্ৰতিপন্ন হ'ব। কিন্তু কটনিয়ান সকলৰ এই প্ৰতিভা যাতে অবাবতে মৰহি নেযায় তাৰ বাবে দুই ধৰণৰ প্ৰতিশ্ৰুতি দৰ্কাৰ। এটা হ'ল লেখক-লেখিকাসকলৰ নিৰবচ্ছিন্ন অধ্যৱসায় আৰু সাহিত্যচৰ্চা। দ্বিতীয়টো হ'ল অসমৰ কাকত আলোচনী বোৰৰ সম্পাদক সকলৰ কিঞ্চিত দায়িত্ববোধ এই নতুন লেখক লেখিকা সকলৰ চুটিগল্পলৈ কৃপাদৃষ্টি পেলাবলৈ আৰু এওঁলোকৰ প্ৰতি সাহিত্য সভা জাতীয় অনুষ্ঠান বোৰৰ অভিভাৱক মূলক উৎসাহ তথা প্ৰতিপালন।

৬) নব্বৈৰ দশকৰ কটনিয়ান সকলৰ উদ্যম দেখি মই অসমীয়া সাহিত্যৰ ভৱিষ্যতৰ প্ৰতি যথেষ্ট আশাবাদী হৈ উঠিছো। সৌৰভ কুমাৰ চলিহা, হীৰেণ গোহাঁই বা হোমেন বৰগোহাঞিৰ দৰে কুশলী সাহিত্যিকে দেখুৱাই যোৱা কটনিয়ানৰ ঐতিহ্যৰ ধাৰাবাহিকতা নব্বৈৰ দশকতো অবিৰাম চলি আছে। চলি থাকক। এই শুভেচ্ছাৰে ৰচনাখন শেষ কৰিলোঁ। ❑❑❑

# শব্দ-বৰ্ণ-বাক্য

○ *অৰিন্দম বৰকটকী*
স্নাতক তৃতীয় বৰ্ষ (ইংৰাজী বিভাগ)

I have only 26 letters of Alphabet. I do not have any colour and music. I must use my craft to make the reader see the colours and hear the sound"...... উক্তিটো জন্মসূত্রে ক'লা ৰঙক প্রতিনিধিত্ব কৰা এগৰাকী কৃষ্ণাঙ্গী লেখিকাৰ। শব্দৰ ওপৰত তেখেতৰ যি প্রচণ্ড বিশ্বাস সেই বিশ্বাসৰ বাবে তেখেতৰ পৰিচয় আমাৰ বাবে মাত্র 'নবেল বঁটা বিজয়ী টনী মৰিছন'তেই আবদ্ধ নহয়। আজিৰ প্রজ্ঞাৰ পৃথিৱীখনত তেখেতৰ স্থান নাৰীত্বৰ প্রতীক হিচাপেহে। মাত্র ২৬ টা বৰ্ণৰ ব্যৱহাৰেৰে পাঠকৰ হৃদয় শাসন কৰি থকা টনী মৰিছনৰ দৰে লিখক-লিখিকাসকলে আমাক এই কথাই সোঁৱৰায় যে "মানুহে এতিয়ালৈকে উচ্চাৰণ কৰা মহত্তম শব্দটো হৈছে কিতাপ।" কিতাপ হৈছে জীৱনৰ নঞৰ্থক দিশবোৰৰ বিৰুদ্ধে যুঁজি অহা মানুহৰ ক্রমবিবর্তনৰ ইতিহাসৰ সফল শ্রুতলিপি। পৃথিৱীৰ একমাত্র চিৰন্তন সত্য হৈছে শব্দ আৰু এই শব্দক প্রতিনিধিত্ব কৰে একমাত্র কিতাপেহে।

**সত্যানুসন্ধানেই শ্রেষ্ঠ সাহিত্যৰ মূল লক্ষণ। জীৱনৰ জটিলতা আৰু সামাজিক বৈষম্যই সৃষ্টি কৰা যি মানসিক সংঘাত সেই সংঘাতেই হোৱা উচিত সাহিত্যৰ উপজীব্য। গতানুগতিকতাৰ বিপৰীতে জীৱনৰ জটিলতাই সৃষ্টিশীল মনক অতীজৰে পৰা আকৰ্ষণ কৰি আহিছে।**

ইলেক্ট্রনিক সভ্যতাই সৃষ্টি কৰা ভয়াবহ হৃদয়হীনতাৰ যুগতো, যি সময়ত সৰহসংখ্যক মানুহৰ বাবে হৃদয়, অথবা মগজুতকৈ চকু আৰু কাণৰ উপযোগিতাই বেছি সেইসময়ত লিখকে কিহৰ তাড়নাতনো শব্দৰ ওপৰত বিশ্বাস স্থাপন কৰাৰ শক্তি পাইছে সি আজিৰ পৃথিৱীত এটা ডাঙৰ ৰহস্য। কিন্তু ৮০ বছৰ বয়সত ফৰাচী ভাষাত এখন অভিধান প্রনয়ণ কৰাৰ প্রয়াস কৰা ভল্টেয়াৰ বা লিখক জীৱনৰ শেষ বয়সত "I shall change the world for the next thousand years" বুলি পৃথিৱী পৰিৱৰ্ত্তন কৰিব বিচৰা ডি, এইচ, লৰেন্সৰ দৰে ব্যক্তিয়ে আমাক প্রত্যয় নিয়ায় যে জীৱনৰ প্রতি থকা বিশ্বাস আৰু অভিজ্ঞতাই জন্ম দিয়া মননশীলতাই এজন ব্যক্তিক লিখকলৈ ৰূপান্তৰিত কৰে। যদিওবা সকলো ব্যক্তিয়েই এটা সৃষ্টিশীল মনৰ অধিকাৰী তথাপিতো জীৱনৰ শেষ হৈ যাব খোজা সম্ভাৱনাবোৰক জীয়াই ৰখাৰ বাবে যি প্রবল আত্মবিশ্বাসৰ প্রয়োজন সেই আত্মবিশ্বাস মাত্র এচাম লোকৰহে থাকে। সেই শ্রেণীটোৱে নিজৰ সৃষ্টিশীলতাক সামূহিক অৰ্থত ব্যৱহাৰ কৰিব পাৰে। সেই শ্রেণীটোৱেই হৈছে লেখক শ্রেণী। তেনে অনুভৱী লোকসকলে সম্পদ থকালৈকে নিলিখাকৈ থাকিব নোৱাৰে। তেওঁলোক হৈ পৰে মাৰ্কিন লিখক জন আপডাইকে কোৱাৰ দৰে - "They have the excitement of creating something out of nothing on paper on clay, And they do try to tell the truth"

সত্যানুসন্ধানেই শ্রেষ্ঠ সাহিত্যৰ মূল লক্ষণ। জীৱনৰ জটিলতা আৰু সামাজিক বৈষম্যই সৃষ্টি কৰা যি মানসিক সংঘাত সেই সংঘাতেই হোৱা উচিত সাহিত্যৰ উপজীব্য। গতানুগতিকতাৰ বিপৰীতে জীৱনৰ জটিলতাই সৃষ্টিশীল মনক অতীজৰে পৰা আকৰ্ষণ কৰি আহিছে। বৰ্তমান সময়ত লিখকৰ সামাজিক দায়বদ্ধতাৰ প্রশ্নটো অহাৰ লগে লগে আজিৰ কোনো জনপ্রিয় সাহিত্যই কেৱল মাথো লিখকৰ চৰিত্ৰ বা পৰিবেশৰ ওপৰত কৰা মনস্তাত্বিক আলোকপাততে আবদ্ধ হৈ থকা নাই। নব্য - আধুনিকতাবাদৰ পথ প্রদৰ্শক ক্যেমু, কাফ্‌কা বা ছাত্রেৰ নিৰাশাবাদৰ (সহজ অৰ্থত নিৰ্মম বাস্তববাদ) প্রভাৱ পৰা আজিৰ গাব্রিয়েল গৰ্ছিয়া মাৰ্কুইজ (One hundred years of Solitude) বা মাৰিও ভাৰ্গাছ ল্লছাই (The Real life of Alejandro Mayta) আমাক প্রত্যয় নিয়ায় যে 'কলাকৈবল্যবাদৰ' বিপৰীতে আজিৰ মহৎ সাহিত্যত স্থিতি লৈছেহি জীৱনে। কিন্তু সাহিত্যত জন জীৱনৰ প্রতিফলন ঘটিবলৈ আটাইতকৈ প্রয়োজনীয় গুনটো হ'ল লিখকৰ স্বাধীনতা। যিকোনো সৃষ্টিধৰ্মী ৰচনাই সাহিত্যৰ ৰূপ পোৱাৰ পিছত ই লিখকৰ কেৱল ব্যক্তিগত অনুভূতি হৈ নাথাকে, জনসাধাৰণৰ মাজত ই এটা শক্তিশালী গণসংযোগৰ মাধ্যম হিচাপে ক্রিয়া কৰে। সেয়েহে চৰকাৰ বা তেনে শাসকগোষ্ঠীয়ে লিখকৰ চিন্তাক নিজৰ স্বাৰ্থত পৰিচালিত কৰিব বিচৰাটো আচৰিত নহয়। কিন্তু লিখকৰ কলাসুলভ দৃষ্টিভংগী ৰাজনীতি বা সমাজনীতিৰ পোনপটীয়া আহ্বানতকৈ সদায় পৃথক। নিজৰ বিবেকৰ মাধ্যমেৰেহে এজন লিখক আগবাঢ়ে। গতিকে কিছুদিন আগলৈকে প্রায়বোৰ মহৎ লিখকৰ দৃষ্টিভংগী আছিল আৰ্নেষ্ট হেমিংওৱেই নিজৰ ৰচনাৰীতি সম্বন্ধে কোৱাৰ দৰে - to put down what I see and what I feel in the best and simplest way I can tell it." কিন্তু বৰ্তমান সময়ত কোনো লিখকেই চৰকাৰী হস্তক্ষেপৰ পৰা হাত সাৰিবলৈ সামাজিক পৰিস্থিতিৰ প্রতি নিৰ্লিপ্ত হৈ থাকিব নোৱাৰে। কাৰণ নিজৰ যুগৰ বাবে লিখাটোৱেই হৈছে আজিৰ যুগৰ মহৎ সাহিত্যৰ লক্ষণ। যিকোনো মহৎ সাহিত্যত মানুহ একাংগী ভাবে জড়িত হৈ পৰাত সাহিত্যত আজি মহৎ প্রমূল্যৰ অৰ্থ মানবীয় প্রমূল্য। সেই সাহিত্যই আজি মহৎ যি মানুহক বা নিজৰ যুগক প্রতিনিধিত্ব কৰে। অৱশ্যে তেনেস্তৰৰ সাহিত্য সৃষ্টিৰ বাবে অভিজ্ঞতাৰ লগতে মননশীলতাৰো প্রয়োজন। অভিজ্ঞতাৰ লগত

মননশীলতাৰ সংযোগে পাঠকক দৈনন্দিন জীৱনৰ প্ৰেৰণাহীন বাস্তৱতাৰ পৰা গভীৰ জীৱনবোধলৈ আগবঢ়াই নিয়ে। জা, পল ছাত্ৰেৰ ভাষাত কবলৈ গ'লে "প্ৰতিজন সমাজ-সচেতন লিখক আগবঢ়া উচিত নিজৰ পথেৰে, নিজৰ শৈলীৰে, নিজৰ বিষয়বস্তুৰে। "If the writer is imbued as I am with the urgency of these problems, one can be sure that he will offer solutions to them in creative unity of his work" সমাজত সাহিত্যৰ মাজেৰে জনগণৰ স্বাৰ্থক প্ৰতিষ্ঠা কৰিব বিচৰা এনে প্ৰতিজন লিখকৰ সৈতে শাসকৰ সংঘাতে দেখা দিয়াৰ অলেখ উদাহৰণ আছে। কেইবছৰমান আগলৈকে ডষ্টয়েভস্কিৰ ৰচনাৰাজি নিজৰ দেশতেই প্ৰকাশিত হোৱাত বাধা আছিল, জনতাৰ কবি মায়াভস্কক আখ্যা দিয়া হৈছিল "অতিবিপ্লবী ৰাজনৈতিক দুৰ্বৃত্ত" বুলি, দেশদ্ৰোহী নাম পাইছিল আখমাতভাৰ্ দৰে কবিয়ে। কিন্তু এওঁলোক প্ৰতিজনকেই আজিৰ পৃথিৱীৰ পাঠকে আন্তৰিকতাৰে স্মৰণ কৰে। যিহেতু সামন্তীয় বা ৰাজকীয় আমোলত সাহিত্য সৃষ্টিৰ দিন আৰু নাই সেয়েহে যিসকল লিখকৰ কলমে জনগণৰ পক্ষ লয় সেইসকলকহে সময়ে গ্ৰহণ কৰে বা ভৱিষ্যতেও কৰিব। এইখিনিতে কিতাপ এখন সময়ে গ্ৰহণ কৰা নকৰাৰ কথাটো ইয়াৰ বিক্ৰীৰ হাৰ বা 'জনপ্ৰিয়তা'ৰ ওপৰত নিৰ্ভৰশীল বুলি ভাবিলে ভুল কৰা হ'ব। আন আত্মিক বা মানসিক উপাদানসমূহৰ দৰে পুঁজিবাদী সমাজখনত সাহিত্যকো পণ্য হিচাপেহে বিচাৰ কৰা হয়। পুঁজিবাদী সমাজখন প্ৰকৃতাৰ্থত মানুহৰ আত্মিক বিকাশৰ বা মানসিক উৎকৰ্ষতাৰ বাবে অনুকূল নহয় বুলিয়েই প্ৰকাৰান্তৰে সেই সমাজৰে বহু প্ৰতিষ্ঠিত লেখকে আজি মত পোষণ কৰিছে। সেয়েহে এনে সমাজত হয়তো সাহিত্যৰ মূল্য নিৰ্ণীত হয় কিতাপখনৰ 'বজাৰ' চাহিদাৰ ভিত্তিত। গতিকে এনে এখন সমাজত লেখক যিমানেই স্বাধীন নহওক, মহৎ সাহিত্যৰ সৃষ্টি এক দুৰূহ কাম; যদিওবা বহুসময়ত পূজিবাদী সমাজৰ চৰম নিষ্পেষণে মানবীয় আদৰ্শৰ লিখকক মহৎ সাহিত্য ৰূপায়নৰ প্ৰেৰণা দিব পাৰে বুলি ভবা হয়। এই সম্পৰ্কত এংগেলছ্ৰ মতামত প্ৰণিধানযোগ্য। "সাহিত্য হৈছে বিশেষ পৰিস্থিতিত বিশেষ চৰিত্ৰৰ ৰূপায়ণ"। সাহিত্যৰ যি বস্তুনিষ্ঠ সত্যতা তাক অস্বীকাৰ কৰি কোনো সাহিত্যিকেই মহৎ সাহিত্য ৰচনা কৰিব নোৱাৰে। বস্তুনিষ্ঠ সত্যতা বা বাস্তৱিকতাক অনুসৰণ কৰিলেহে সাহিত্যই সময় সাপেক্ষ হৈও যুগনিৰপেক্ষ আৱৰণ লাভ কৰিব পাৰে। তেনে সাহিত্যৰ পৰিবেশ - বিষয়বস্তু বা চিন্তা আমাৰ বাবে আচহুৱা হলেও মানবীয় প্ৰমূল্যক প্ৰতিনিধিত্ব কৰা বাবে সেই সাহিত্য আমাৰ সদায় প্ৰিয় হৈ ৰয়।

**সাহিত্যৰ যি বস্তুনিষ্ঠ সত্যতা তাক অস্বীকাৰ কৰি কোনো সাহিত্যিকেই মহৎ সাহিত্য ৰচনা কৰিব নোৱাৰে। বস্তুনিষ্ঠ সত্যতা বা বাস্তৱিকতাক অনুসৰণ কৰিলেহে সাহিত্যই সময় সাপেক্ষ হৈও যুগনিৰপেক্ষ আৱৰণ লাভ কৰিব পাৰে। তেনে সাহিত্যৰ পৰিবেশ - বিষয়বস্তু বা চিন্তা আমাৰ বাবে আচহুৱা হলেও মানবীয় প্ৰমূল্যক প্ৰতিনিধিত্ব কৰা বাবে সেই সাহিত্য আমাৰ সদায় প্ৰিয় হৈ ৰয়।**

সাহিত্য কেৱল হৃদয়ৰ তাগিদাত লিখকৰ কলম আৰু কাগজৰ সংঘৰ্ষত সৃষ্টি হোৱা লিখনি নহয়। লিখকৰ বাবে পাঠক সদায়েই এৰাব নোৱাৰা অংগ হৈ আহিছে। লিখকে যাৰ বাবে লিখে তেওঁলোকৰ ৰুচিবোধ গ্ৰন্থখনৰ সফলতাৰ প্ৰধান নিৰূপক। সাধাৰণ পাঠকৰ বাবে গ্ৰন্থ এখনৰ প্ৰতি আকৰ্ষণ নিৰ্ভৰ কৰে গ্ৰন্থখনৰ অন্তঃস্ৰোতৰ লগত পাঠকৰ হৃদয়ৰ কিমান মিল সেই কথাৰ ওপৰত। কিন্তু কেৱল হৃদয়ৰ তাগিদা থকা ৰুচিবোধক সাহিত্যৰ মানদণ্ড বিচাৰৰ আহিলা হিচাপে আশা কৰিব নোৱাৰি। যিহেতু সাহিত্য লিখকৰ অনুভূতিৰ সৃষ্টি গতিকে ইয়াত বাস্তৱ দৃশ্য বা অৱস্থাতকৈ নিবস্তুক (abstract) গুণৰ অবস্থান অধিক হোৱাটোৱেই স্বাভাৱিক। কিন্তু কিতাপ এখন পঢ়োতে আমি যদি এনে নিবস্তুক গুণবোৰক উলাই কৰো বা বাহ্যিক দৃশ্যৰ ৰসাস্বাদনতেই আমাৰ অভিজ্ঞতা আবদ্ধ কৰোঁ তেন্তে তেনে অধ্যয়ন আমাৰ মানসিক দিগন্তৰ প্ৰসাৰৰ ক্ষেত্ৰত সহায়ক নহ'ব পাঠকৰ চিন্তাৰ গভীৰতা বা বিশ্লেষণাত্মক চিন্তাৰ বিভ্ৰাট ধৰা পৰে। সাধাৰণ পাঠকৰ কথা বাদেই, সমালোচনা সাহিত্যতো ড° চেমুৱেল জনছনৰ দৰে বৰেণ্য ব্যক্তিয়ে নিজৰ এটা যুগনিৰপেক্ষ ৰুচিবোধৰ অভাৱৰ বাবে ফিল্ডিঙৰ 'টম জ'নছ'ৰ বিষয়ে এইবুলি মন্তব্য কৰিছিল - "I scarcely know of a more corrupt work". ঠিক সেইদৰে চিকিৎসালয়ত সাধাৰণ কাম কৰা কীটছ্‌ৰ কবিতা পঢ়ি প্ৰথমাবস্থাত সমালোচকে এই বুলি উপদেশ দিছিল ঃ "Go back to your pills and mortars." এনেবোৰ বিচাৰ - বিভ্ৰাটে প্ৰমাণ কৰে যে ব্যক্তিগত ক্ষেত্ৰত প্ৰতিজন পাঠকেই শ্ৰেষ্ঠ সমালোচক হলেও কোনো সাহিত্যৰে সৰ্বজনগ্ৰহনযোগ্য চূড়ান্ত সমালোচনা বিচাৰি উলিয়াব নোৱাৰি। তাৰোপৰি জীৱন ধাৰণেই যি সময়ত সৰহ সংখ্যক মানুহৰ বাবে সমস্যা সেইসময়ত ৰবীন্দ্ৰ নাথ বা য়েটছ্‌ৰ কবিতাৰ প্ৰাসংগিকতা তেওঁলোকৰ জীৱনতনো কিমান সিও এটা ডাঙৰ প্ৰশ্ন। গতিকে মাৰ্ক্সে ভবাৰ দৰে মানুহৰ মনত ৰুচিবোধ তেতিয়াহে সৃষ্টি হ'ব যেতিয়া ৰুচিক গ্ৰহণ কৰিব পৰা অৱস্থা এটা আমাৰ মাজলৈ আহিব।

তথাপিতো আমি কিতাপ পঢ়িব লাগিব। আস্থা ৰাখিব লাগিব শব্দৰ ওপৰত। ব্যক্তিকেন্দ্ৰীক বাস্তৱমুখীতাই মানুহক আজি ইমানেই জটিল কৰি তুলিছে যে ফুল-তৰা-চৰাই আৰু নদীৰ কথা কোৱা মানুহৰ চিন্তাক আজি পৰিচালিত কৰে ভাষা-সংস্কৃতি আৰু ধৰ্মৰ নামত চলা নাৰকীয় সংঘৰ্ষ - বিভীষিকা আৰু স্বাৰ্থপৰতাবোৰে। সভ্যতাৰ নামত চলা এনেবোৰ অন্তহীন অমানৱীয়তাত অতিষ্ঠ হৈ 'টাইম' আলোচনীত এজন পাঠকে প্ৰশ্ন কৰিছিল ঃ "How do we know that life on this earth is not another world's hell?" আন কোনোবা পৃথিৱীৰ বাবে আমাৰ পৃথিৱীখন নৰক হয়নে নহয় নাজানো। কিন্তু যন্ত্ৰনা 'উপলব্ধি কৰাৰ শক্তি' যিটো হোমেন বৰগোহাঞিৰ মতে (নাগৰিক' ২৪ জানুৱাৰী, ১৯৯০) আধুনিক মানুহৰ বাবে হ'ব পৰা সৰ্বশ্ৰেষ্ঠ আৰ্শীবাদ ; সম্ভৱ হৈ উঠিব পাৰে কেৱল গ্ৰন্থ অধ্যয়নৰ জৰিয়তেহে। ❑❑❑

আলোকপাত

# ‘কটনিয়ান’ৰ কবিতাত এভুমুকি

○ *নলিনীধৰ ভট্টাচাৰ্য্য*

***ৰাতিয়ে উপহাৰ দিব নোৱাৰে সূৰ্য্য / ৰাতিৰ কবিতাই পাৰে***

আজিৰ পৰিস্থিতিত নিজকে নিজে কেতিয়াবা প্ৰশ্ন কৰোঁ, জীৱনৰ পৰা কবিতা হেৰাই গৈছে নে কি? ওপৰে ওপৰে চালে হেৰাই গৈছে, বুলিয়েই ধাৰণা হয়। আমি যেন সভ্যতাৰ ভটীয়নী পানীত কৰুৱকাই আছোঁ। অপৰাধ কৰাটো এতিয়া সহজ হৈ পৰিছে, — সাধাৰণ অপৰাধ নহয়, মানুহৰ জীয়াই থকাৰ অধিকাৰ হৰণ কৰা অপৰাধো এতিয়া ভাতৰ লগত পানী খোৱা কথা হৈছে। সভ্যতাৰ এই ওলোটা-যাত্ৰাৰ দিনত কবিতাৰ মৃত্যু হ'ব পাৰে। বৰ্তমান সমাজত দেখিছোঁ, টেলিভিছনৰ পৰা আৰম্ভ কৰি পৰ্বতাৰোহণলৈকে নীলা ধৰণৰ বাহ্যিক আকৰ্ষণে আমাৰ শিশু-কিশোৰ-কিশোৰী, তৰুণ-তৰুণীৰ দেহ-মন এনেভাৱে ক্লান্ত কৰিছে, যে তেওঁবিলাকে অন্তৰৰ সাধনা আৰু বিকাশ সম্ভৱ কৰি তুলিব পাৰিবনে নোৱাৰে সন্দেহ। তথাপি, মানুহৰ ওপৰত আমি বিশ্বাস হেৰুৱাব নোৱাৰোঁ। মানুহে নিজৰ গৰজতে কবিতাক আমন্ত্ৰণ জনায়, কাৰণ কবিতাই আমাক জীৱনৰ ভাষা কয়। কবিতাই ভাষাৰ সেৱা কৰে, আৰু তাৰ অপূৰ্ব নিৰ্মাণক্ষম প্ৰজ্ঞাৰে আমাৰ মন -মগজুৰ বিকাশতো অৰিহণা যোগায়। মৃদু ৰহস্যাবৰণৰ মাজত কবিতা কবিৰ অভিজ্ঞতাৰ কল্পনাময় সৃষ্টি - তাত হৃদয় আৰু মগজু যুগপৎভাৱে ক্ৰিয়াশীল এটা ব্যঞ্জনাময় ভাষাৰ আধাৰত ধ্বনি আৰু অৰ্থৰ সাযুজ্য সম্ভৱ হ'লেহে কৰিতাত আপোন সুৰ বাজি উঠে। বহিৰ্জীৱন আৰু অন্তৰ্জীৱনৰ মাজতে কৰি সত্তাৰ স্থিতি, - তাত যি নিৰ্য্যাসৰ সৃষ্টি হয়, সিয়েই কবিতাৰ ৰূপ লয়।

কটনিয়ান সকলৰ কবিতা পঢ়ি মোৰ মনলৈ এইবোৰ কথা আহিছে। যোৱা কেইবছৰমানৰ ‘কটনিয়ান'ত ওলোৱা কবিতাবোৰৰ গুণাগুণ যিয়েই নহওক কটন কলেজৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ কবিতা - চৰ্চাত থকা আন্তৰিকতা দেখি ভাল লাগিছে। এই আন্তৰিকতা নতুন সৃষ্টিৰ মূলধন হৈছে যেতিয়া তেওঁবিলাকে এদিন


**হায় বৰনৈৰ বান**
**এডিঙি পানীত মোৰ বুকুৰ সুৱাগ মণি**
**কোন বন্তিয়াইদি আহিব আঘোণ নামি**


অসমীয়া কবিতাৰ মুখ উজ্জ্বল কৰিব পাৰিব। এসময়ত কটন কলেজেই সমগ্ৰ অসমৰ যৌৱনকে এনেবোৰ কামত বাট দেখুৱাইছিল, এতিয়া পথ-প্ৰদৰ্শনৰ বাবে লগা প্ৰয়োজনীয় প্ৰতিভা ক্ৰমে নিষ্প্ৰভ হৈ আহিছে যেন লাগিলেও, সেই ঐতিহ্য কটন কলেজে একেবাৰে মোলান পৰিবলৈ দিয়া নাই। এই তৰুণ কবিসকলৰ মাজত আমি আন্তৰিকতা দেখিছোঁ, — তেওঁবিলাক ভাষাৰ সেৱাত ব্ৰতী হৈছে আৰু লগতে জীৱন-মননৰ বিকাশৰ বাবেও চিন্তা কৰিছে। এয়া আশাৰ কথা।

‘কটনিয়ান'ৰ মুঠ চৰিটা সংখ্যাত (৬৫ তম, ৬৬ তম, ৬৭ তম আৰু ৬৯ তম) ভালে কেইজন কবিয়ে কবিতা লিখিছে। কবিসকল প্ৰতিশ্ৰুতিসম্পন্ন আৰু তেওঁবিলাকৰ ভবিষ্যত উজ্জ্বল বুলি ধাৰণা কৰিব পাৰি। ইয়াৰ কাৰণ হ'ল, তেওঁবিলাকে ভাষাৰ অনুশীলন যেনেকৈ কৰিছে, সেইদৰে কবিতাক জীৱন বিকাশৰ বাহন কৰিবলৈও


**ভালে কেইজন কবিয়ে কবিতা লিখিছে। কবিসকল প্ৰতিশ্ৰুতিসম্পন্ন আৰু তেওঁবিলাকৰ ভবিষ্যত উজ্জ্বল বুলি ধাৰণা কৰিব পাৰি। ইয়াৰ কাৰণ হ'ল, তেওঁবিলাকে ভাষাৰ অনুশীলন যেনেকৈ কৰিছে, সেইদৰে কবিতাক জীৱন বিকাশৰ বাহন কৰিবলৈও যত্ন কৰিছে।**


যত্ন কৰিছে। অধিক সংখ্যক কবিকে ‘সামাজিক’ আখ্যা দিব পাৰি, দুই এজন আত্মনিষ্ঠ থাকিলেও পৰোক্ষভাৱে তেওঁবিলাকো সমাজমুখী। তেওঁবিলাকে শ্লোগান - আৰু কবিতাৰ পাৰ্থক্য বুজি পাইছে। এই কেইটা সংখ্যাত কেইবাটাও কবিতা লিখা হেমাংগ দত্তই ভাষাক ইংগিতময় কৰিবলৈ চেষ্টা কৰিছে। সমাজ সম্বন্ধে কৌতূহল তেওঁৰ আছে, আৰু এই কৌতূহলেই তেওঁৰ কবিতাৰ প্ৰসংগ নিৰ্ণয় কৰিছে। ‘ৰাতিৰ কবিতা', ‘বন্দী', ‘চহৰত চেলকাৰ্ক', ‘এজৰে' আদি পৰোক্ষভাৱে সমাজ-সম্পৰ্কীয় চিন্তাৰে ধ্বনি-প্ৰতিধ্বনি মাখোন। অৱশ্যে, তেওঁৰ প্ৰকাশ ভংগীত ব্ৰেখট'ৰ প্ৰভাৱ আছে যেন অনুমান হয়, আৰু আন হাতে তেওঁৰ কেতিয়াবা শব্দ - বাহুল্যও হৈছে। নিজাকৈ এটি শৈলীৰ সাধনা কৰিলে দত্তৰ ভবিষ্যত উজ্জ্বল হ'ব বুলি আশা কৰিব পৰি। দত্তৰ- *ৰাতিয়ে উপহাৰ দিব নোৱাৰে সূৰ্য্য/ৰাতিৰ কবিতাই পাৰে*, এই শব্দ কেইটা বেচ অৰ্থব্যঞ্জক। যোগেন বৰাই গ্ৰাম্য জীৱনৰ ছবি ঘৰুৱা কথাৰে আঁকিবলৈ আন্তৰিক চেষ্টা কৰিছে। আন তৰুণ কবি বহুতেই এনে এক ভাষা-নিৰ্মাণৰ প্ৰয়াস কৰিছে আৰু বৰায়ো সেই পথকে লৈছে। *‘কোন বন্তিয়াইদি আহিব আঘোণ নামি'*ৰ কবিতাটোত গ্ৰাম্য জীৱনৰ আশা-আনন্দ প্ৰকৃতিৰ নিৰ্মম তাণ্ডৱ-লীলাই চূৰমাৰ কৰিছে তাৰ অনুভূতিময় প্ৰকাশ হৈছে তলৰ শাৰীকেইটাত ঃ

হায় বৰনৈৰ বান
এডিঙি পানীত মোৰ বুকুৰ সুৱাগ মণি
কোন বন্তিয়াইদি আহিব আঘোণ নামি

বৰাক আৰু অলপ সংযম লাগিব আৰু বাস্তৱৰ ছবিখন উপমা উৎপ্ৰেক্ষাৰে অৰ্থঘন কৰাৰ প্ৰয়াসৰো প্ৰয়োজন হ'ব। অনুকৰণ কৰাতকৈ স্বকীয় উপলব্ধিক গভীৰ ব্যঞ্জনাময় ভাষালৈ ৰূপান্তৰিত কৰাটোহে বেছি ভালকথা হ'ব। বৰাৰ *‘এইখিনিতেই ল'ৰা এটাই....'* নামৰ কবিতাটো সুখপাঠ্য হৈছে। তেওঁৰ ভাষা-চৰ্চা প্ৰশংসনীয়, মাত্ৰ কবিতাৰ গাথনি সম্পৰ্কে সচেতন হ'লে তেওঁৰ কবিতা অধিক আকৰ্ষণীয় হ'ব। ৰঞ্জন ভট্টাচাৰ্যৰ *‘অমৃত পিয়লা'* বা *‘এতিয়া সকলো' বিষণ্ণতাৰ বাবে অনুকূল'* আদি কবিতাত উপলব্ধিৰ ব্যঞ্জনা স্পষ্ট হৈছে যেন লগা নাই, কিন্তু দুটা মান স্তবক আকৰ্ষণীয় হৈছে ঃ

(১) নমাই আনিব পাঁৰো ভাগিৰথী গান
আকাশৰ পৰা
ঘৰ এৰি বৈৰাগী তুমি দিবানে প্ৰেমৰ
অমৃত পিয়লা
(২) আমি হেৰুৱালো শিশুৰ হাতেৰে উৰা
চিলাৰ দৰে জীৱন

প্ৰেমৰ আকুতি আৰু স্মৃতিজনিত বিষাদ স্তবক দুটাৰ উৎস। ভট্টাচাৰ্য্যই চেষ্টা কৰিলে এদিন ইয়াতকৈ সফলতাৰ পৰ্য্যায়ত উপনীত হ'ব পাৰিব।

মই পঢ়া 'কটনিয়ান'ৰ চাৰিওটা সংখ্যাত ভালেমান কবিয়ে অংশ গ্ৰহণ কৰিছে। সেই সকলৰ বেছি ভাগৰে সমাজৰ প্ৰতি কৌতূহল দেখা যায়। সমাজ-সচেতনতাক কাব্য-কলালৈ ৰূপান্তৰিত কৰাৰ আগ্ৰহ বা চেষ্টা তেওঁবিলাকৰ নোহোৱা নহয়, কিন্তু সকলো কবিৰ হাতত কবিতাই ৰসোত্তীৰ্ণ ৰূপ লৈছে বুলিব নোৱাৰি। অৱশ্যে কিছুমান কবিতাৰ অংশ একোটা উজ্জ্বল আৰু অৰ্থবহ হৈছে। আমি ইয়াত কিছুসংখ্যক কবিতাৰ হে পংক্তিবোৰ উল্লেখ কৰিছোঁ ঃ

(১) জীৱনটো যদি 'হাইকু হ'লহেঁতেন (নিবেদিতা ফুকন)

(২) বাঁহীৰ সুৰত জোনাক নামিছিল
তাৰেই এমুঠি জোনাক
উদং দেহাটিত ছটিয়াই লৈ
তাই হ'ল পথাৰ... (দেবজিৎ নাথ)

(৩) পশুহঁতে ভাল নেপায়
মোৰ আইৰ সুন্দৰ সপোনবোৰ
সিহঁতে ভালপায়
ৰক্তাক্ত মৃতদেহৰ উন্মাদনা (গৌতম বৈশ্য)

(৪) মাতৃভূমি- মই তোমাৰ বেনামী প্ৰেমিক
লণ্ঠনৰ পোহৰো আমাৰ বাবে আড়ম্বৰ
আমি এতিয়া য'ত আছোঁ, তাত
এচেৰেঙা ৰ'দৰ বাবেও 'কিউ' কৰিব লাগে।
(অঞ্জন ভূঞা)

(৫) লুইতৰ অলিয়ে - গলিয়ে
ক'ত হেৰুৱালোঁ বাৰু
বুঢ়ী আইতাৰ আঁচল? (নয়ন কুমাৰ পাঠক)

(৬) সকলো সেউজীয়া গোটাই যিটো সুৰ সাঁচি ৰাখিছিলো
মাহ-হালধি সানিবলৈ নাপাওতেই সি হালধীয়া হৈ
গ'ল। (প্ৰাণজিৎ বৰা)

(৭) মোৰ কামিজটো খুলিবলৈ সেয়ে নকবা
সময় বুলিলে এতিয়া অসময়কে বুজিবা।
(অজিত ৰাজবংশী)

**বাঁহীৰ সুৰত জোনাক নামিছিল**
**তাৰেই এমুঠি জোনাক**
**উদং দেহাটিত ছটিয়াই লৈ**
**তাই হ'ল পথাৰ...**

(৮) জোনাকত সংঘটিত হয় চিকাৰ
সেউজ বিদীৰ্ণ কৰে আৰ্তনাদে
মোৰ দৰে কিমানে বাট হেৰুৱাই
বিচাৰি ফুৰে কবিতাৰ ঘাট? (মলয়া বৰগোঁহাই)

এই সকলৰ উপৰিও 'কটনিয়ান'ৰ এই চৰিটা সংখ্যাত আৰু বহুতেই কবিতা লিখিছে। সেই সকল হ'ল, ৰাজীৱ কৌশিক, গৌৰাংগ ডেকা, কৌশিক গগৈ, শ্যামল গগৈ, ইয়াছুদিন বেনাজিৰ, প্ৰাণজিৎ দাস, অচিন্ত্য সোণোৱাল, কৰবী দত্ত, অষ্টম কাঠাৰ, দীপক বৰ্মন, ভাস্কৰ দাস, প্ৰণবজ্যোতি নাথ, অমল ডেকা, বীৰেণ শইকীয়া, পইনুৰুদ্দিন আহমদ, অঞ্জুমণি ভৰালী, পৰাগ বৰা, এড্‌ৱাৰ্ড ষ্টেডী চাংমা, ভাস্কৰ ঠাকুৰীয়া, মনালিচা শইকীয়া, প্ৰণৱ পেগু, জুবিলী গগৈ আদি। এইসকল কবিৰ কবিতাৰ প্ৰসংগত ভাব-বৈচিত্ৰ্য আছে, কিন্তু ভাষাৰ ক্ষেত্ৰত তেওঁবিলাকে অধিক অনুশীলন কৰিব লাগিব। জুবিলী গগৈ, প্ৰণব পেগু, অঞ্জুমণি ভৰালী, প্ৰণবজ্যোতি নাথ, আদিৰ ৰচনা বাশ্ৰয়ী, কিন্তু প্ৰকাশ-ভংগী বহু পৰিমাণে পোনপটীয়া। কবিতা দৰাচলতে বক্ৰোক্তি। বক্ৰতাই কবিতাৰ প্ৰাণ। কবিসকলে সেইকথালৈ মন কৰিলে উপকৃত হ'ব। তদুপৰি গদ্যছন্দতো এটা লয় বা ছন্দস্পন্দৰ প্ৰয়োজন আছে। সেইটো আৱশ্যক হয় 'কমিউনিকেচন'ৰ কাৰণে।

**কবিতা দৰাচলতে বক্ৰোক্তি। বক্ৰতাই কবিতাৰ প্ৰাণ। কবিসকলে সেইকথালৈ মন কৰিলে উপকৃত হ'ব। তদুপৰি গদ্যছন্দতো এটা লয় বা ছন্দস্পন্দৰ প্ৰয়োজন আছে। সেইটো আৱশ্যক হয় 'কমিউনিকেচন'ৰ কাৰণে।**

দীক্ষিত পাঠকৰ মনত ৰেখাপাত কৰিবলৈ কবিতাত ভাষিক লাৱণ্যৰ প্ৰয়োজন আছে। সেইবাবে উপযুক্ত শব্দ-চয়ন, তাৰ ধ্বনি-ব্যঞ্জনা এইবোৰ কবিতাৰ উপযুক্ত উপাদান। দুই এজন কবিৰ ক্ষেত্ৰত ভাষা সাংবাদিকতাধৰ্মী হৈ পৰিছে। পইনুৰুদ্দিনে লিখিছে ঃ

ধৰ্মৰ নামত
ভাষাৰ নামত
জাতিৰ নামত
সংস্কৃতি ৰক্ষাৰ নামত
কৃষ্টিৰ বনিকসৱে
মানৱতাৰ মৰ্য্যাদা ভূলুণ্ঠিত কৰি ....

পইনুৰুদ্দিনে কথাখিনি ঠিকেই কৈছে, কিন্তু ইয়াক কবিতাৰ ভাষা বুলিব নোৱাৰি। তেওঁ এই বিষয়ে সতৰ্ক হ'লে নিশ্চয় উপকৃত হ'ব। কবিতা প্ৰতীকধৰ্মী হ'ব পাৰে বা বক্তব্যধৰ্মী ও হ'ব পাৰে, কিন্তু ভাষাগত শৈথিল্য থাকিলে এবিধো সফল নহয়। কবিতাৰ ভাষা অনুভূতিৰ ভাষা, উপমা-উৎপ্ৰেক্ষাৰ ভাষা। পৰশমণি দাসে 'মৰম'ৰ উপমা দিছে এনেকৈ ঃ *শেৱালী শয়নে শায়িত এহাল সদ্যস্নাতা শৰালি;* অনুপ্ৰাসৰ শোভা থাকিলেও, শেৱালী শয়নে শায়িত - এই প্ৰকাশভংগীটো শ্ৰুতিমধুৰ নহ'ল। তেওঁ অতিশয়সংক্ষিপ্ত কবিতা লিখিছে, সংক্ষিপ্তকৰণ কামটো বেয়া নহয়, কিন্তু মনত ৰখা ভাল যে এই ক্ষেত্ৰত এজৰা পাউণ্ড, বা কাৰ্ল চেণ্ডবুৰ্গৰ দৰে কবিহে সফল হৈছে' অসীম কৃষ্ণ বৰুৱাৰ *'তুমি মোক আগেয়ে কোৱাৰ দৰে/ এতিয়াও আবেগিক সজাব নোৱাৰিবা';*- এনেধৰণৰ পংক্তি কাব্যোচিত যেন নেলাগে। কোনো কোনো কবিয়ে তৎসম শব্দৰ অত্যধিক ব্যৱহাৰ কৰিছে, - সেইটো নকৰি ভাষাক সহজ ব্যঞ্জনাময় কৰিব পাৰিলে আনুভূতিক উপস্থাপন আবেদনপূৰ্ণ হৈ উঠে।

এই চমু জৰীপত 'কটনিয়ান'ৰ কবিসকলৰ প্ৰতি সুবিচাৰ কৰিব পৰা নাই। এহাতে বাৰ্ধক্যজনিত অসুখ, আৰু আনহাতে লেখা-পঢ়াৰ ব্যস্ততা - তাৰ মাজতে, টৌতে খৰ মাৰি, ছাত্ৰসকলৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি, এই দু-আষাৰ লিখি দিছোঁ। ইয়াৰ পৰা যদি কবিতা চৰ্চা কৰা ছাত্ৰ - ছাত্ৰী, সকল উপকৃত হয়, আনন্দ পাম। ছাত্ৰ-ছাত্ৰীসকলৰ নিৰলস সাধনা চলি থাকক - এয়ে মোৰ আন্তৰিক কামনা।

❑❑❑

# এজন জীৱন শিল্পীৰ সৈতে এটি সন্ধিয়া



'বহুদিন বকুলৰ গোন্ধ' নোলোৱা মানুহজনৰ 'মনৰ খবৰ' বিচাৰি গৈছিলোঁ, তেখেতৰ বাসভৱনলৈ। আধুনিক পৃথিবীৰ আধুনিকতাৰ মাজতো তেখেতৰ বাসভৱন সঁচা অৰ্থত এক কুটীৰ। কিতাপ ভাল পোৱা শান্ত সৌম্য মানুহজনক প্ৰথম দৃষ্টিতেই বজ্ৰ কঠিন মনৰ অধিকাৰী বুলি ভাব হয়। কঢ়া নিয়মানুবৰ্তী হৈও জনপ্ৰিয় শিক্ষকগৰাকী নীতি আদৰ্শৰ ক্ষেত্ৰত আপোচ বিহীন। সাংস্কৃতিক জগতত সঁচা শিল্পীৰ অভাৱ পদে পদে অনুভৱ হোৱা সময়ত বা আমোদকাৰীৰ প্ৰাদুৰ্ভাৱত, তেখেতে যোগ্য স্থান পোৱা সম্পৰ্কে সন্দেহৰ অৱকাশ ৰৈ যায়। এসময়ত মেট্ৰিক, আই. এচ. চি. ত ষ্টেণ্ড কৰি কৃতী ছাত্ৰ হিচাবে পৰিচিত, জনপ্ৰিয় শিক্ষক, লোক-সংস্কৃতিৰ গৱেষক, কৃতী সংগীত শিল্পী গৰাকীৰ মনৰ বতৰা ল'বলৈ মনত সৃষ্টি হৈছিল অদম্য হেঁপাহৰ। যি গৰাকী মানুহে সাংস্কৃতিক কৰ্টুযামি বেয়া পায়, বগা-কপাহী ধুতী পাঞ্জাৱী, ক'লা ৰঙৰ মোটা ফ্ৰেমৰ চছমা পৰিহিত, ছন্দময় জীৱন যাপন কৰা ব্যক্তি গৰাকীয়ে কি ধাৰণা পোষণ কৰে সমাজ তথা জীৱনৰ বিষয়ে বা এসময়ৰ কটনিয়ান গৰাকীয়ে এতিয়াও কটনক ভাল পায়নে? একালৰ কটনত বিজ্ঞান পঢ়া ছাত্ৰ গৰাকীয়ে শান্তি নিকেতনক শিক্ষা গ্ৰহণৰ থলী হিচাবে কিয় বাচি লৈছিল, তাক জনাৰ ইচ্ছা হৈছিল। গায়ক হৈও গায়ক হোৱাটোক যিয়ে প্ৰাথমিকতা নিদিয়ে, শিক্ষকতা বৃত্তিক যিয়ে প্ৰবৃত্তি আখ্যা দিয়ে, সেইজন বীৰেন্দ্ৰ নাথ দত্তক নিবিড় ভাৱে লগ পোৱাৰ বাসনাই আমাক লৈ গৈছিল তেখেতৰ কুটীৰলৈ।

সাক্ষাৎ গ্ৰহণ ঃ বিশ্বজিৎ শৰ্মা, ৰিম্ ঝিম্ বৰা।
যুগুতালে ঃ বিশ্বজিৎ শৰ্ম্মা।

**প্ৰশ্ন ঃ-** এগৰাকী কৃতী শিক্ষাগুৰু লোকসংস্কৃতিৰ গৱেষক আৰু এগৰাকী কৃতী সংগীত শিল্পী হিচাবে আপোনাক আমি জানো। ইয়াৰ ভিতৰত আপুনি নিজকে কি বুলি চিনাকি দি ভাল পায়?

* প্ৰথম কথা হ'ল, মোক সংগীত শিল্পী, শিক্ষক আৰু লোক সংস্কৃতিৰ গৱেষক বুলি কোৱা হৈছে। মই কিন্তু নিজকে পৰিচয় দিব খোজো এজন শিক্ষক হিচাবে। কিমান দূৰ কৃতী হ'ব পাৰিছোঁ কব নোৱাৰোঁ, কিন্তু Serious teacher হ'ব চেষ্টা কৰিছোঁ? শিক্ষক হিচাবে শেষৰ কিছুবছৰ মই লোক-সংস্কৃতি বিষয়টোৰ লগত জড়িত হৈছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগত কাম কৰিছিলোঁ, প্ৰথমে ৰিডাৰ হিচাবে, পিছত প্ৰফেচাৰ হিচাবে। তাৰ পৰা মই অৱসৰ গ্ৰহণ কৰাৰ পিছত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়লৈ মোক নিয়া হৈছে এটা নতুন বিভাগ খুলিবলৈ য'ত বিষয়টো সংস্কৃতি আৰু কলা। কিন্তু লোক সংস্কৃতিৰ শিক্ষকতা কৰাৰ আগেয়ে মই বহু বছৰ ধৰি বি. বৰুৱা কলেজত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাবে পাঠদান কৰিছিলোঁ। অংশকালীন ভাৱে সন্দিকৈ কলেজতো শিক্ষকতা কৰিছোঁ। চাৰে ছয় সাত বছৰ মান মই অধ্যক্ষও আছিলোঁ, ক্ৰমে গোৱালপাৰা কলেজ, পাণ্ডু কলেজ আৰু গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা কলেজত। মই শিক্ষকতাৰ বিভিন্ন দিশৰ লগত জড়িত হৈছোঁ আৰু বিষয় হিচাবে লোক-সংস্কৃতিৰ লগত জড়িত হ'লো অলপ পলমকৈ, যদিও এই বিষয়টোৰ প্ৰতি মোৰ আগ্ৰহ আগৰে পৰা আছিল। অধ্যক্ষ হিচাবে সামগ্ৰিক ভাৱে শিক্ষাদানৰ বিষয়টো চোৱা মোৰ কৰ্তব্য আছিল। গতিকে সেই সকলো দিশৰ পৰা কব খুজিছোঁ, কিবা যদি মই সেৱা আগবঢ়াইছোঁ, সেয়া শিক্ষক হিচাবে। সংগীতৰ লগত মোৰ নামটো অৱশ্যে কিছু জড়িত। যদিও অন্ততঃ যোৱা বিশ পচিশ বছৰ মান মই ৰাজহুৱা ভাবে কোনো সংগীত পৰিবেশন কৰা নাই, সচেতন ভাবেই। কিন্তু অকল শিক্ষক বোলোতে মই নিজকে যদিও কৈছোঁ যে বৃত্তিৰ ফালৰ পৰা শিক্ষক কিন্তু শিক্ষকতা মোৰ প্ৰবৃত্তি। যদিও জীৱিকা মই শিক্ষকতাৰ পৰা পাইছোঁ, তথাপি কম যে ই *অকল মোৰ*

*জীৱিকাই নহয়, মোৰ জীৱনো। শিক্ষকতাৰ লগত মই এটা আদৰ্শ জীৱনক জড়িত কৰিব খোজোঁ। গতিকে, মই যদি ভাল শিক্ষক হ'ব খুজিছোঁ, মই অকল শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক যিখিনি পঢ়ুৱালোঁ আৰু তেওঁলোক পৰীক্ষাৰ ফলাফলত কিমান কৃতকাৰ্য্য হ'ল, সেইটোৱে মোৰ কৃতিত্ব মই জুখিব নিবিচাৰোঁ। বৰং তেওঁলোকক মই অনুপ্ৰাণিত কৰিব পাৰিলোঁনে নাই কিবা জনাৰ কাৰণে আৰু এটা উন্নত জীৱন যাপন কৰিবৰ কাৰণে তেওঁলোকৰ মনত মই ধাউতি জগাব পাৰিলোনে নোৱাৰিলোঁ, সেইটোহে মই জুখিব চেষ্টা কৰিছোঁ।* গতিকে মই শিক্ষকতাক অকল শ্ৰেণীকোঠাৰ ভিতৰতে আবদ্ধ কৰিব নোখোজোঁ, সামগ্ৰিক ভাবে চাওঁ।

**প্ৰশ্ন ঃ-** সংগীত চৰ্চা আপুনি কেতিয়া কেনেদৰে আৰম্ভ কৰিছিল? এসময়ৰ সংগীত জগতত জনপ্ৰিয়তাৰ শীৰ্ষত থকা স্বত্বেও আপুনি পাছৰ সময়চোৱাত সংগীত জগতৰ পৰা কিছু আঁতৰি আহিল। আমি ভাৱো, ইয়াৰ ফলত অসমৰ ৰাইজ (বিশেষতঃ যুৱ সমাজ) এক মানব দৰদী, জীৱনৰ প্ৰকৃত দিশ উন্মোচন কাৰী সংগীত সান্নিধ্যৰ পৰা বঞ্চিত হ'ল। এই সন্দৰ্ভত আপোনাৰ বক্তব্য কি? বৰ্তমানে সংগীত চৰ্চা আপুনি কেনেদৰে অব্যাহত ৰাখিছে?

* সেইটো ঠিক মোৰ মনত পৰাৰ পৰাই বুলি ক'ব পাৰোঁ। সেই কথাটোৰ লগত জড়িত আছে, মই সংগীতৰ লগত কিমান দূৰ যুক্ত আছিলোঁ আৰু কিমান দূৰ বিযুক্ত হৈছোঁ। কাৰণ মই বাছি-বিছাৰি সংগীতজ্ঞ হ'বলৈ যোৱা নাছিলোঁ। কেনেবাকৈ গান গোৱাটো স্বাভাবিক ভাৱে আহিছিল আৰু মানুহে কিছুদূৰ বোধহয় ভালো পাইছিল। মানুহে ভাল বোলাত যে বেয়া পাইছিলোঁ, সেইটো কথাওঁ নহয়। কিন্তু সেইটোক মই শেষ কথা বুলি ভবা নাছিলোঁ, প্ৰাথমিকতা দিয়া নাছিলোঁ। এফালৰ পৰা প্ৰাথমিকতা দিওঁ, সেহটো হ'ল যে মোৰ জীৱনৰ লগত সংগীত ওতঃ প্ৰোত ভাৱে জড়িত হৈ আছে। *সংগীতক মই অলপ ওপৰৰ পৰা চাওঁ। সংগীতৰ লগত সুৰৰ যি সংগতি-ছন্দ, মই ভাৱো যে সেইটো জীৱনতেই হ'ব পাৰে। অৰ্থাৎ মই যদি মোৰ কামখিনি সংগতিপূৰ্ণ ভাৱে কৰিব পাৰোঁ, শিক্ষাদানৰ কামখিনি যদি সংগতিপূৰ্ণ ভাৱে কৰিব পাৰোঁ, তাতেইটো ছন্দ আহিব, সুষমা আহিব।* মই ৰাজহুৱা ভাৱে সংগীত পৰিবেশন আৰু সংগীতক ব্যক্তিগত ভাৱে জীৱনত খটুওৱা, এই দুটাৰ প্ৰাৰ্থক্য কৰোঁ। প্ৰথম ফালটোত মই এতিয়া নায়েই, কিন্তু দ্বিতীয় ফালটোত গান সদায়েই আছে। সেইটো কেতিয়াবা নোহোৱা নহওঁক, সেইটোকে কামনা কৰোঁ। এতিয়া, ৰাজহুৱা সংগীত পৰিবেশন নকৰাৰ কেইটা মান কাৰণ আছে। এটা হ'ল, যেতিয়া মই দেখিলোঁ যে সংগীতক মই জীৱিকা কৰি নল'ম অথচ সংগীতৰ দোহাই দি শিক্ষকতাৰ দায়িত্বক, যাক মই জীৱিকা হিচাবে লৈছোঁ, যেন নিষ্ঠাৰে পালন কৰিব পৰা নাই, গতিকে সেইফালে যদি কমাই দিওঁ, শিক্ষকতাকে বেছি নিষ্ঠাৰে কৰিব পাৰিম। আৰু এটা সময়ত বহুবেছি Professionalism আহি গ'ল সংগীতৰ ক্ষেত্ৰত। ফলত আমি যিবোৰ Professional নহওঁ, আমাৰ কাৰণে সেইটো অৰ্থহীন হৈ পৰিল। এইবোৰ কথা ভাবিয়েই আৰু মূলতঃ বিদ্যায়তনিক দিশটোক গুৰুত্ব দিয়া বাবেই ৰাজহুৱা ভাৱে সংগীত পৰিবেশন কৰা নাই।

**প্ৰশ্ন ঃ-** আপোনাৰ প্ৰিয় গীত আৰু গীতিকাৰ সম্পৰ্কে ক'বনে?

* এটা নিৰ্দিষ্ট গীতৰ কথা কোৱাটো টান। যদি কোৱা হয় যে কোনোবাটো গীতত মই কিবা সুকীয়া বস্তু দিব পাৰিছোঁ, সেইফালৰ পৰা মোৰ তেনেকুৱা কেইটামান গীত আছে। এটা হ'ল— "আকাশ, আমাক অকণি আকাশ দিয়া"। নৱকান্ত বৰুৱাৰ ৰচনা। সেই গানটোত যেন কম কথাত বহু কিবা কোৱা হৈছে আৰু সুৰটোত মোৰ ভিতৰৰ পৰা যেন কিবা বক্তব্য ওলাই আহিছিল। সেই বক্তব্যটো বৰ গভীৰ বক্তব্য। বিশেষ এটা ৰাগৰ ওপৰত ভিত্তি কৰা সেই গানটোৰ পৰিবেশনৰ ধৰণৰ দৰে তেনেকুৱা বোধকৰো তেতিয়ালৈকে কৰা হোৱা নাছিল। গানটো মানুহে আদৰি লৈছিল আৰু গানটো মোৰো বৰ আদৰৰ, এতিয়াও। মোৰ কথা কলে মানুহে আন এটা গানৰ কথাও কয়, "ধুন, ধুন, ধুনীয়া......." গানটো। *দেখাত অলপ ধেমেলীয়া হলেও গানটোৰ ভিতৰত অত্যন্ত গহীন কথা আছে। এই যে কন্যা আৰু পিতৃৰ সম্পৰ্কটো, সেই সম্পৰ্কটোতো সদায় নাথাকে, কাৰণ বয়স বৈ নাথাকে, কন্যা ডাঙৰ হয়। তাই ডাঙৰ হব নালাগে। এই যে পিতৃৰ ভাবটো, এইজনী ছোৱালীটো এদিন ডাঙৰ হব। মোৰ লগত এই সম্পৰ্কটো নাথাকে, এইটো বৰ গহীন, বিশ্বজনীন।* গানটো মোৰ ভাল লাগে। আন এটা গীত "বগলী বগা ফোট দি যা"। গানটোত বগা ফোট যে বিচৰা হৈছে সেইটো শুদ্ধতাৰ প্ৰতীক। শুদ্ধতাক বিচৰাৰ কথা তাত আছে। তাত লোকগীতৰ সুৰৰ experiment কৰাৰ লগতে chordৰ খেলা অলপ কৰিবলৈ চেষ্টা কৰিছো। কিন্তু গোটেইখিনি সুৰেই অসমীয়া থলুৱা সুৰ। তেনেকুৱা আন এটা গীত বৰ জনপ্ৰিয় হৈছিল। সেয়া হ'ল "ৰহীমলা"। এটা ফালে বিয়া, আনফালে বিহু। গীতটো গাইছে ডেকা ল'ৰাই সেই ছোৱালীজনীক লক্ষ্য কৰি যাৰ সেইদিনা বিয়া। তেওঁলোকৰ এটা সম্বন্ধ মানসিকভাৱে গঢ়ি উঠিছিল। গতিকে প্ৰথম atmosphere টো মই বিয়াৰে আনিছোঁ। কিন্তু মাজে মাজে লৈ আহিছো বিহুৰ সুৰ, কাৰণ তেওঁলোকৰ মনৰ বিনিময় বিহুৰ মাজতে হৈছিল। আন এটা গীত মোৰ প্ৰিয় "পালোনে নাপালো নুসুধিবা মোক"। সেইটোত মই এফালে বৰগীত, আনফালে ভীমপলশ্ৰী ৰাগ সমান্তৰালভাৱে ব্যৱহাৰ কৰিছো। বৰগীতত ধনশ্ৰী ৰাগ, সেয়ে তাত খোলো ব্যৱহাৰ কৰিছো, তবলাও ব্যৱহাৰ কৰিছোঁ। তফজ্জুল আলিৰ ৰোমান্টিক ধৰ্মী গীত এটি বৰ জনপ্ৰিয় হৈছিল, "বহুদিন বকুলৰ গোন্ধ লোৱা নাই"। এটা সময়ত তফাদাৰ বহু গীত মই গাইছিলো যিবোৰ highly ৰোমান্টিক। এই গানটোৰে

মোক এটা satisfaction দিছিল।

গীতিকাৰ হিচাপে প্ৰথমেই ক'ম শঙ্কৰ মাধৱ। বৰগীতৰ ভিতৰৰ গোটেই music systemটো মোৰ প্ৰিয়। ইয়াৰ উপৰি ৰবীন্দ্ৰ সংগীত মোৰ প্ৰিয়। প্ৰত্যেকটোতে satisfaction পোৱা যায়। কোনো এটা গানক সেইকাৰণে মই আঙুলিয়াই নিদিওঁ। এইসকলৰ সংগীত সৃষ্টিৰ মাজেদি একোটা দৰ্শন, চিন্তাৰ গভীৰতা ফুটি উঠিছে। ৰবীন্দ্ৰনাথ, জ্যোতিপ্ৰসাদ আদিৰ কোনোবাটো গীত মোৰ ভাল নালাগিব পাৰে, কিন্তু যিটো totality সেইটো মোৰ ভাল লাগে।

**প্ৰশ্ন ঃ-** সচেতন, সৎ ব্যক্তি মানেই আজি অনুভৱ কৰে যে সম্প্ৰতি আমাৰ সমাজ, জাতি এক গভীৰ সংকটত নিমজ্জিত। মানবীয় প্ৰমূল্যসমূহ আজি লুপ্ত প্ৰায়। বিশেষতঃ যুৱ-সমাজৰ এক বৃহৎ অংশই সস্তীয়া আমদানিকৃত ভোগবাদী মানসিকতাৰ চাকনৈয়াত নিজকে হেৰুৱাই পেলাইছে আৰু নিজৰ সাংস্কৃতিক মূলৰপৰা বিচ্ছিন্ন হৈ পৰিছে। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে আৰু ইয়াৰ অৱসান কেনেদৰে হব পাৰে বুলি ভাবে?

* ইয়াৰ উত্তৰত কওঁ, যিটো যুৱ-মানসিকতাৰ কথা কোৱা হৈছে, মই কিন্তু বস্তুটোক তেনেকৈ নাচাওঁ। মই কম যে আমি বয়সস্থসকলে, অভিভাৱকসকলে তোমালোকক সেই ঠাইলৈ ঠেলি দিছোঁ। তোমালোকেতো নিজে নিজেই এইবিলাক শিকি অহা নাই? তোমালোকক শিকোৱা হৈছে। কিছুমান বস্তু দাবী কৰিবলৈ তোমালোকক আমিয়েই যেন আগবঢ়াই দিছোঁ। এইবোৰৰ দুটা দিশ আছে। প্ৰথম কথা হ'ল, তুমি পৰম্পৰাৰ লগত বিচ্ছিন্ন হ'লা। ঘৰখনত যদি পৰম্পৰাটো বৰ্তি থাকে, তেনেহ'লে ল'ৰাজন পৰম্পৰাৰ পৰা বিচ্ছিন্ন হৈ যাব বুলি মই নাভাবো। গতিকে দেখা গৈছে যে ঘৰখনতেই কিবা কাৰণত পৰম্পৰাৰ অৱনতি ঘটিছে। কিন্তু ইয়াৰ এটা অন্য দিশো আছে, যিটো সামাজিক দিশ, নৈতিকতাৰ দিশ। তুমি কৈছা যে আমি নতুন ধৰণ-ধাৰণাৰ প্ৰতি আকৃষ্ট হৈছোঁ। ধৰা ল'ৰা এজনে এখন মটৰ বাইক লৈ ঘুৰিছে, latest এনেকুৱা এযোৰ জোতা পিন্ধিছে যাৰ দাম আমি কল্পনা কৰিব নোৱাৰোঁ। এই টকাটো কঁৰ পৰা আহে? তেওঁৰ পিতৃ বা অভিভাৱকৰ যদি আয় নাইয়ো, তেওঁ ব্যৱস্থাটো কৰি দিছে। এই দ্বিতীয় দিশটো মই ভাবো বেছি গুৰুত্বপূৰ্ণ। আজি যদি তোমালোকৰ মানসিকতা কোনোবা পিনেদি গৈছে, আমি কেতিয়াবা ঘূৰাই আনিব পাৰিম। কিন্তু সমাজ খনৰ যিটো fabric, মানে moral fabric নষ্ট হোৱা দিশটো মনত ৰখা উচিত। আকৌ, আধুনিক হোৱা মানে পৰম্পৰাৰ পৰা বিচ্ছিন্ন হোৱা বুলি এটা ডাঙৰ ভুল ধাৰণা আছে। পশ্চিমীয়া সভ্যতাটোহে যে আধুনিক (বিশেষকৈ আমেৰিকাৰ), তেওঁলোকে কৰা কামবিলাক কৰিলেহে আধুনিক হোৱা বুলি এতিয়া ভবা হয়। কিন্তু আধুনিকতা ক'ত থাকে, প্ৰশ্নটো সেইখিনিত। বিশেষ ধৰণে খোৱা-বোৱা, চলন-ফুৰন, বিশেষ ধৰণে ইংৰাজী মতা, অকল সেইটোতে থাকে নেকি? মই কওঁ, আধুনিকতা থাকে তোমাৰ চিন্তাত, মানসিকতাত। এতিয়া কোৱা হৈছে যে এইটো globalisation ৰ যুগ, মানে চিৰা নাখায় Kellog ৰ কিবা এটা খোৱা। প্ৰশ্নটো হৈছে What kind of globe is that য'ত ভাৰত খন নাই? Globalisation মানে অকল সেইপিনে যোৱাৰ কথা কিয় উঠে? Globe এ মোক সামৰি নলয় কিয়? Globalisation ৰ অৰ্থ যদি এইটোৱেই হয় যে পৃথিৱীৰ সকলো ভাল বস্তুৰ প্ৰতি মোৰ মনটো মুক্ত ৰাখিম তেনেহ'লে সেইটো বেদতেই আছে, "আমো ভদ্ৰা কতহো য়ন্তু বিশ্বতঃ"। বিশ্বৰ সকলো বিলাক ভাল চিন্তা মোৰ ওচৰলৈ, তোমাৰ ওচৰলৈ আহক। ইয়াতকৈ বেছি global thinking কি হ'ব পাৰে? গতিকে আমি আমাৰ বেয়াখিনি আঁতৰাম, কিন্তু ভালখিনি কিয় নাৰাখিম? আচলতে প্ৰয়োজন এটা মুক্ত মন। এতিয়া বহুতে ভাবে যে পৰম্পৰা আৰু আধুনিকতাৰ মাজত বিৰোধ আছে। সম্পূৰ্ণ অসত্য। পৰম্পৰা কোনো স্থিৰ বা স্থবিৰ বস্তু নহয়, আধুনিক বস্তুকো পৰম্পৰাই সামৰি লয়। বাৰু, আমি ভাবিলোঁ, পশ্চিমীয়া ধৰণটো ভাল। *তাত যেনেকে খোৱা, নচা, পিন্ধা, ঘৰ সজা হয়, গোটেইখিনি সেই ধৰণে কৰা হ'ব। কিন্তু সেইটোৱে কি কৰিব? দেখা যাব কিছুদিন পিছত পৃথিৱীত কোনো বৈচিত্ৰ্য নাথাকিব। সকলোৱে একে গান গাব, একে পিন্ধিব, একে নাচ নাচিব, সকলোখিনি একে, সেইখন পৃথিৱী বৰ বাসযোগ্য হ'বনে? Allen Lonex নামৰ folklorist এজনে কৈছিল যে "কিছুদিন পিছত আমাৰ ক'তো যাব লগীয়া নাথাকিব। We shall have nowhere to go." নিউয়ৰ্কত যি, টকিঅ'ত, ৰাৱাল পিণ্ডিত, দিল্লী, গুৱাহাটীটো সেই একেই।* কলৈ যোৱা হ'ব? গতিকে সেইটো যাতে নহয়, তাৰ বাবে প্ৰত্যেকেই নিজ বৈচিত্ৰ্যতা ৰক্ষা কৰি চলিব লাগিব। আন এটা বস্তু বেছি গুৰুত্বপূৰ্ণ Biodiversity নোহোৱা হ'ব। যেতিয়া সকলো বস্তু Monocultured হৈ যাব ভাৰসাম্যতা তেতিয়া নাথাকিব। যদি কেতিয়াবা সেই cultureটোৰ বিপদ হয়, তেতিয়া? আমাৰ বাবে ৰাস্তা থাকিবনে? গতিকে বৈচিত্ৰ্যতা লাগে। কিন্তু বিশ্ব-বৈচিত্ৰ্য ৰাখিবৰ বাবে ভাৰতীয় বৈশিষ্ট্য লাগিব। ভাৰতীয় বৈচিত্ৰ্য ৰক্ষাৰ বাবে অসমীয়া বৈশিষ্ট্য লাগিব। সকলোৱে নিজ নিজ বৈশিষ্ট্যবিলাক ৰক্ষা কৰি চলিব লাগিব। সেই পিনৰ পৰা সংকটটোৰ অৱসান ঘটিব যেন লাগে দেখোন।

**প্ৰশ্ন ঃ-** লোক সংস্কৃতি আৰু লোক সাহিত্যৰ সংজ্ঞা আপুনি কেনেদৰে দিব?

* লোক-সাহিত্য, লোক সংস্কৃতিৰ ভিতৰুৱা বস্তু। লোক সংস্কৃতি ব্যাপক। ই সংস্কৃতিৰ বিভিন্ন দিশ সামৰে। তাৰ ভিতৰত লোক সাহিত্য,যাক মৌখিক সাহিত্য বুলি কোৱা হয় তাকো সামৰে। তাৰ আৰু এটা খণ্ড আছে যাক কব পাৰি Material

Culture, বস্তুগত সংস্কৃতি। পৰম্পৰাগত অসমীয়া ঘৰটো কেনেকৈ সজা হয়, কাপোৰ কানি কেনেকুৱা, অসমীয়া খাদ্য, ৰন্ধন-প্ৰণালী কেনেকুৱা, অসমীয়া বয়ন শিল্প, অসমীয়া বাচন-বৰ্তন, গহনা-পাতি কেনেকুৱা ইত্যাদি। সেইটো কোৱা হয় Material Culture। তাৰ পিছত হ'ল পৰিবেশ্য কলা, Performing arts। লোক-পৰিবেশ্য কলা। যেনে নৃত্য, লোকনৃত্য, লোকনাট্য, লোকসংগীত এই মূল চাৰিটা খণ্ড লৈ সামগ্ৰিক ভাবে লোক-সংস্কৃতি। লোক সাহিত্য হৈছে পৰম্পৰাগত ভাবে প্ৰায় মুখে মুখে চলি অহা মৌখিক যিটো সাহিত্য। কিন্তু লোক সংস্কৃতিটো ব্যাপক। তাৰে এটা অংশহে লোকসাহিত্য। লোক সংস্কৃতি মূলতঃ পৰম্পৰাগত সংস্কৃতি আৰু যিটো পৰম্পৰা, তাৰ দুটা দিশ আছে, শিষ্ট (Elite) আৰু folk. ভাৰত নাট্যমো ভাৰতীয় পৰম্পৰাৰ ভিতৰৰ বস্তু। কিন্তু ইয়াক আমি লোকনৃত্য বুলি নকওঁ। ই শিষ্ট পৰ্য্যায়ৰ। আনহাতে আমাৰ বিহুনৃত্য আদি লোকনৃত্য।

**প্ৰশ্ন ঃ-** জীৱন সম্পৰ্কে আপুনি কি ধাৰণা পোষন কৰে?

* জীৱন বোলোতে যদি মোৰ ব্যক্তিগত জীৱনকেই বুজোৱা হৈছে তেন্তে ক'ম যে জীৱনটো যেন শিক্ষা গ্ৰহণৰ দীঘলীয়া বহী এখন যাৰ শেষ নাই। জীৱনে দৃষ্টিক ক্ৰমে বহল কৰি নিয়ে, উপলব্ধিক ক্ৰমে বহল কৰি নিয়ে, গভীৰ কৰি নিয়ে। মই সেইফালৰ পৰা ক'ম যে জীৱনটো এখন বহী য'ত নতুন নতুন কথা লিখা হৈ গৈ আছে। *এটাই চেষ্টা কৰিছোঁ — যদি কাৰোবাক অতিক্ৰম কৰিব খুজিছোঁ, সেয়া নিজকে। আগতে যি আছিলোঁ, তাতকৈ ওপৰলৈ উঠিবলৈ চেষ্টা কৰিছোঁ। অন্যৰ লগত মোৰ কোনো প্ৰতিদ্বন্দ্বিতা নাই।* আৰু যদি নিজেই এটা ভাল জীৱন যাপন কৰিবলৈ চেষ্টাওঁ কৰো, তেনেহ'লে সমাজৰ প্ৰতি অন্ততঃ মই বেয়া কৰা নাই। মোৰ চেষ্টাটোৱেদি অন্ততঃ এটা কথা থাকি যাব যে হয়, এই মানুহটোৱে চেষ্টা কৰিছিল। কিন্তু আজিৰ দিনত প্ৰশ্নটো হৈছে যে ভালে থাকি কি লাভ? বুজি পালোঁ যে এই বিলাক ভাল কথা। ভালে থাকি কি হ'ব? কিন্তু Goodness is its own reward. বেলেগে reward বিচাৰিব নালাগে। মই কিবা এটা ভাল কৰিব খুজিছিলোঁ, মোৰ যদি সেই উপলব্ধিটো আছে, তেনেহ'লে সেইটোৱেই মোৰ কাৰনে reward. মই এইটোও জানো যে মইয়েই অকল ভাল কৰিব খোজা নাই। ভাল কৰিব খোজা মানুহৰ সংখ্যাই হয়তো অধিক। কিন্তু বেয়া বিলাক সংগঠিত হয়। আমিবোৰ যদি লগ লাগিব পাৰোঁ, বেছি শক্তিশালী হ'ব পাৰিম বুলি মই বিশ্বাস কৰোঁ।

**প্ৰশ্ন ঃ-** স্বধীনতাৰ অৰ্ধ-শতাব্দীৰ পাছতো দেখা গৈছে যে ভাৰতবৰ্ষৰ পৰা দুৰ্ভিক্ষ, অনাহাৰ, অনাতন, মহামাৰী ইত্যাদি নিৰ্মূল হোৱা নাই। বৰং অসমৰ দৰে আওহতীয়াৰাজ্য কিছুমানৰ ক্ষেত্ৰত এনে সমস্যা বৃদ্ধি পাইছে। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে? পৰিত্ৰাণৰ উপায় কি হ'ব পাৰে?

* ইয়াৰ লগত বহু কথা জড়িত হৈ আছে, যিবিলাকৰ বিশ্লেষণ অলপ দীঘলীয়াকৈ দৰকাৰ। কিন্তু মই এই খিনিকেই ক'ম যে ভাৰতৰ স্বাধীনতা বুলিলে আমি সেই সময়ত বুজিছিলোঁ, বৃটিছৰ শাসনৰ পৰা মুক্ত হোৱা। আজি কিন্তু স্বাধীনতাৰ অৰ্থ সলনি হৈছে। সেইটো আছিল ৰাজনৈতিক স্বাধীনতা। সেই সময়ত সেইটোকে লক্ষ্য বুলি ধৰা হৈছিল। কিন্তু দেখা গ'ল যে ৰাজনৈতিক স্বাধীনতাই শেষ কথা নহয়। তেতিয়া আহি গ'ল সামাজিক, অৰ্থনৈতিক স্বাধীনতা। সেই লৈ ১৯৫০ চনত আমাৰ সংবিধানখন ৰচনা হ'ল। সংবিধান খনত আচলতে কিছুমান আশা-আকাংক্ষাৰ প্ৰতিফলনহে ঘটিছে। গোটেইখিনি কাম হৈছে বুলি ক'ব নোৱাৰি। এইটো কথা ঠিক যে স্বাধীনতাৰ সংজ্ঞা বেলেগ বেলেগ জনৰ কাৰণে বেলেগ বেলেগ। তুমি যিটো এই অঞ্চলৰ কথা কৈছা, এই অঞ্চলটোত এই সমস্যা বিলাক বেছি, যেনেকৈ কাশ্মীৰত। ইয়াৰ কিছুমান ঐতিহাসিক কাৰণ আছে। তুমি শোষণৰ কথা কৈছা। শোষণৰ আকৌ কেইবাটাও ভাগ আছে। অৰ্থাৎ ধনীয়ে দুখীয়াক, ৰাজনৈতিক ভাৱে প্ৰতিপত্তিশীল সকলে প্ৰতিপত্তি নোহোৱা সকলক, এটা অঞ্চলৰ মানুহে আন এটা অঞ্চলৰ মানুহক ইত্যাদি। আমি বোধহয় গান্ধীক প্ৰায় বিসৰ্জন দিলোঁ, আৰু তাৰ ফলবিলাক বোধহয় এই কাৰণেই। গান্ধীকটো এতিয়া Backdated বুলি ভবা হয়। কিন্তু গান্ধীৰ ভিতৰৰ যিটো অন্তৰ্দৃষ্টি আছিল, সেইটো আজি নাই। তেওঁৰ বহু কথা আছিল প্ৰতীকি। কিন্তু তেওঁ এই কথাটো বোধহয় আমাক কব খুজিছিল যিটো আমি নুশুনিলোঁ, যে ভাৰতবৰ্ষৰ আচল মুক্তি গাঁৱক লৈ। কাৰণ ভাৰতবৰ্ষ গাঁৱতেই থাকে। ঠিক তেনেকৈ appropriate technology ৰ কথাও আহিব। মোৰ বন্ধু, folklorist এজনে ভাল কথা এটা কৈছিল, "Airlines, Rail line, Motor bus, truck বন্ধ কৰি দিয়া ভাৰতবৰ্ষ চলি থাকিব। গৰুগাড়ী বন্ধ কৰি দিয়া ভাৰতবৰ্ষ বন্ধ হৈ যাব।" এইটোৰ অৰ্থ এই নহয় যে আমি অকল গৰুগাড়ীক লৈ থাকিম। কথাটো হৈছে যে ভাৰতবৰ্ষৰ technology ৰ কথাটো ভাবোতে গৰুগাড়ীৰ technology ৰ কথাওঁ ভাবিব লাগিব। এই কথাবিলাক গান্ধীয়ে বুজিছিল, ভাৰতবৰ্ষৰ ভিতৰখন তেওঁ বেছি ভালকৈ চিনি পাইছিল। পাছলৈ আমাৰ planning কৰা হ'ল আচল ভাৰতবৰ্ষক লৈ নহয়, ওপৰুৱাকৈ। বৰ্তমান দেখা দিছে এক অদ্ভুত মানসিকতাই—বিমান পাৰা কৰি লোৱা, তোমাৰ জীৱনত, সেই বিলাকতো আছেই। গান্ধী আৰু ৰবীন্দ্ৰনাথে কৰা চিন্তা বিলাক ভাৰত সম্পৰ্কে, পৃথিৱী সম্পৰ্কে সচেতন আছিল। এতিয়া সেই বিলাক নহলেও মই কিন্তু আশাবাদী।

**প্ৰশ্ন ঃ-** আপুনিও এসময়ত কটনিয়ান আছিল। আপোনাৰ সময়ৰ

কটন আৰু আজিৰ কটনৰ মাজত কিবা প্ৰভেদ লক্ষ্য কৰিছেনে? এনে পৰিবৰ্তনবোৰ ইতিবাচক নে নেতিবাচক? যদি কোনো নেতিবাচক দিশ দেখিছে, তাৰ বাবে কিহক আপুনি জগৰীয়া কৰিব? শিক্ষানুষ্ঠান এটাৰ পবিত্ৰতা আৰু সমাজত ইয়াৰ উপযোগিতা বৰ্তাই ৰাখিব পৰা যায় কিদৰে?

* মই কটনিয়ান আছিলোঁ, I am proud of it, অৱশ্যে এতিয়াৰ কটন সম্পৰ্কে মোৰ প্ৰত্যক্ষ ধাৰণা নাই। ৰাস্তাৰে যাওঁতে দেখো যে কটনৰ ঘৰ এইটো হ'ল, ল'ৰা-ছোৱালীৰ পোছাক-পৰিচ্ছদ সলনি হ'ল ইত্যাদি। কটন কলেজ centre of Excellence হ'ল, সকলো বিষয়তে স্নাতকোত্তৰ শ্ৰেণী খোলা হ'ল, ইত্যাদি বোৰ কাগজত পাই থাকোঁ। আমাৰ দিনত স্নাতকোত্তৰ শ্ৰেণী নাছিল। এতিয়া প্ৰত্যেক বিষয়তে আছে। শিক্ষক—ছাত্ৰৰ সংখ্যা বাঢ়িছে। যেতিয়া বিশ্ববিদ্যালয় বা সংসদৰ ৰিজাল্ট ওলাই, তেতিয়া দেখা যায় যে দহটাৰ ভিতৰৰ আঠটাই কটনৰ। এইখিনি মই ইতিব্যচক দিশ বুলিয়ে ধৰিম। কিন্তু অন্য কিছুমান ক্ষেত্ৰত এনে নহয়। মই অকল কটনতে বুলি কোৱা নাই কিন্তু কটন যিহেতু বাকীবোৰৰ বাবে আদৰ্শৰ নিচিনা মই কটনৰ কথা বিশেষ ভাৱে কৈছো। যেনে ধৰা ৰেগিং বোলা কথাটো, আমি বৰ আতংকিত হৈছোঁ। Excellence টো কিহত থাকে? পঢ়া-শুনাত ভাল হ'লেই আশী-নব্বৈ পালেই? তাতেই থাকিব নেকি? সেইবিলাক মই অদৰকাৰী বুলি কোৱা নাই। কিন্তু যিবিলাক খবৰ আমি পাইছোঁ যে নিষ্ঠুৰতা, আনকি অশ্লীলতা, সেইটো যদি সেইখন বিদ্যানুষ্ঠানত হৈছে, তেনেহ'লেতো Excellence ৰ মাত্ৰাটো কমিব। অন্ততঃ মই সিমানখিনি Marks নিদিওঁ Excellence ত। কিন্তু মই এইবাৰ শুনি সুখী হৈছোঁ যে কটনত অতি সচেতন আৰু সক্ৰিয় ধৰণৰ প্ৰচেষ্টা এটা চলিছে ৰেগিং বন্ধ কৰিবলৈ আৰু তাৰ সুফল পোৱা বুলিও শুনিছোঁ। মই তোমালোকক অভিনন্দন জনালোঁ। সেইটো যদি কৰিব পাৰিছা, *মই তোমালোকে এটা ডাঙৰ কাম কৰা বুলি ক'ম। কাৰণ তুমি যিটো কথা কৈছিলা নৈতিকতা, ভোগবাদিতা আদি, তাৰ লগত ই জড়িত। অন্ততঃ এঠাইত তোমালোকে আৰম্ভ কৰিছা, it may be the tip of the iceberg* আৰু ইয়াৰ cummulative effect এটা হ'ব। হ'লে ইয়াৰ নিশ্চয় ইতিবাচক দিশ আছে, অকল কটনতে নহয় অন্যতো হ'ব।

এতিয়া কোৱা হয় মানসিক অৱক্ষয়ৰ কথা। সেইটো অকল কটনতে হৈ থকা নাই। তুমি যিটো যুৱমানসিকতা, শিক্ষা জগতৰ পৰিবেশ আদিৰ কথা কৈছিলা, সেই গোটেই কথাবিলাক চাবলৈ হ'লে মই কম যে এই কলেজ বা ইউনিভাৰছিটি বোৰতো দ্বীপ নহয়। দ্বীপ হৈ বেলেগে থাকিব নোৱাৰে। ই সমাজৰ ভিতৰৰ বস্তু। গতিকে সমাজত যিবোৰ ঘটনা হয়, সেইবিলাকৰ প্ৰতিফলনহে হয় তাত। এইবোৰৰ বাবে কটনিয়ানহে দায়ী, সেইটো নহয়। কিন্তু কটনৰ ওপৰত মানুহৰ চকু বেছি। সেয়েহে বোধহয় কটনিয়ানৰ দায়িত্বও বেছি। তোমালোকে যিটো আগভাগ লৈছা, সেইফালৰ পৰা তোমালোকে তোমালোকৰ দায়িত্ব পালন কৰিবলৈ আহিছাঁ সেইটো ভাল কথা হৈছে। কিন্তু অৱক্ষয়তো সমাজত সামগ্ৰিক ভাৱে হৈছে আৰু তাৰ প্ৰতিফলন হৈছে কলেজ বা বিশ্ববিদ্যালয়ত।

**প্ৰশ্ন ঃ-** এসময়ত যিসকল মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে সংসদ বা বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহত সৰ্বোচ্চ নম্বৰ পায় আৰু কৃতিত্বৰে উত্তীৰ্ণ হৈ ৰাইজৰ আদৰ-স্নেহ লাভ কৰে পাছলৈ তেওঁলোকৰ বেছিভাগেই হেৰাই যোৱা পৰিলক্ষিত হয়। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে? সমাজ আৰু দেশে তেওঁলোকৰ পৰা আশা কৰা খিনি নাপায় কিয়? প্ৰচলিত শিক্ষা ব্যৱস্থাই এনেকুৱা মেধাক সৰ্বতো প্ৰকাৰে সমাজ কল্যাণত ব্যৱহাৰ কৰিব পৰা নাই নেকি?

* অত্যন্ত প্ৰাসঙ্গিক কথা। সামগ্ৰিক অৰ্থত ধৰা এজন ছাত্ৰই খুব ভাল কৰিলে পৰীক্ষাত আৰু পিছত কোনোবা এটা জীৱিকাত লাগিল। কেতিয়াবা দেখা যায় যে তেওঁ অকল চাকৰিটোৱেই কৰিছে আৰু মাটি-বাৰী, পৰিয়াল লৈ সুখেৰে থাকিল। তেওঁলোকৰ পৰা আমি আশা কৰিছিলোঁ। তেওঁলোকক কিন্তু মই negativeত নথওঁ। zeroত থ'ম। তেওঁলোকৰ পৰা আমাৰ লাভো হোৱা নাই, লোকচানো হোৱা নাই। কিন্তু তথাপি সেইটো আমাৰ কাৰণে এফালৰ পৰা ক্ষতি। কিয়নো তেওঁলোকক আমি পঠিয়াইছিলোঁ, কিবা অৱদান দিব বুলি, একো নিদিলে। কিন্তু তেওঁলোকক মই দোষ নিদিওঁ। আনহাতে কিছুমানে অৱদান দিছে। ধৰা চিন্তাত বা সৃষ্টি মূলক বিভিন্ন দিশত। কিন্তু দেখা গৈছে যে percentage হিচাবত তেওঁলোকৰ সংখ্যা কমি আহিছে। আনহাতে বেছি ভাগৰে ক্ষেত্ৰত দেখা গৈছে যে তেওঁলোকৰ অৱদান negative ধৰণৰ। অৰ্থাৎ তেওঁলোক যদি ওপৰলৈ উঠিছে, ভাল বাটেদি নহয়। গতিকে তেতিয়াই প্ৰশ্ন উঠে যে আমাৰ মেধাৰ লগত সততা আৰু সেৱা মনোবৃত্তিৰ সম্পৰ্ক নোহোৱা হৈছে নেকি? সেইটোৱেই বোধহয় ঘটিছে। তাৰ কাৰণ হিচাবে কম যে সমাজৰ মূল্যবোধ সলনি হৈছে। সৰু ল'ৰা এজনক সোধা হয়, ডাঙৰ হ'লে কি হ'বা? ডাক্তৰ নে ইঞ্জিনিয়াৰ হ'বা? মানুহ হোৱাটো আমি নিশিকাওঁ। ডাক্তৰ হ'লে, ইঞ্জিনিয়াৰ হ'লে ভাল। শিক্ষক হ'লে বেয়া, যে পঢ়া শুনাত ভাল আছিল, পিছে মাষ্টৰহে হৈছে। মই কম যে তেওঁ বেছি সেৱা আগবঢ়াইছে। সেইকাৰণে কওঁ যে আমি শিক্ষকক কিমান মূল্য দিওঁ? শিক্ষক বুলিয়ে নহয়, যিজন ভাল খেতিয়ক তেওঁও যদি সততাৰে নিজ ক্ষেত্ৰত অৱদান দিছে তেওঁও Positive। জীৱনত যিমান খিনি পাৰা কৰি লোৱা, সেয়া হ'লেতো ধনী-দুখীয়াৰ মাজৰ ব্যৱধানতো কমাব নোৱাৰা। Total income বাঢ়িব, কিন্তু দুখীয়া বিলাক সেই ভাগেই ৰৈ যাব। কথাটো বাস্তৱ। এতিয়া তুমি যদি কিবা এটা কৰিছা, *গুৱাহাটীত যদি ভাল R.C.C. building কৰিব পৰা নাই, ভাল*

*গাড়ী ল'ব পৰা নাই, You are supposed to be a failure. এনেকুৱা ভৰা হৈছেতো।* এতিয়া যিজন মানুহে তেনেকুৱা কৰিছে, তেওঁ কাৰোবাৰ পুত্ৰ, কাৰোবাৰ জোঁৱাই, কাৰোবাৰ ভাতৃ। তেওঁলোকে বাধা দিছেনে? গতিকে তেওঁক অকলে কেনেকৈ দোষ দিবা? আমাৰ সকলোৰে হাত আছে। সেই কেইজনকেই দোষী কৰি আমি দায়িত্ব এৰাব নোৱাৰোঁ।

কিন্তু মই নিজে এটা কথা ভাবো যে নিজৰ নৈতিক স্থিতিত স্থিৰ হৈ থাকিব পৰা মানুহৰ অভাব হোৱা নাই। সাধাৰণতে এটা কথা উঠে যে ভাল পথত থাকি কি লাভ? অমুকে গাড়ী কৰিলে, মাটি কৰিলে ইত্যাদি। *কিন্তু তোমাৰ জীৱনৰ উদ্দেশ্য কি আছিল, গাড়ী কৰাই আছিল নেকি?* গাড়ীখন নোহোৱাৰ কাৰণে যদি তোমাৰ দুখ, তেনেহলে তুমি ভাল মানুহ নোহোৱা। কিন্তু মই কোৱা নাই যে খাব, পিন্ধিব নালাগে। এতিয়া ভাল মানুহৰ সংখ্যা কম নহয়। বৰং একলগ হোৱা নাই। সেইখিনি লগ লাগিলে কিন্তু মই আশাবাদী।

**প্ৰশ্ন ঃ-** আপোনাৰ শান্তি নিকেতনৰ অভিজ্ঞতাৰ বিষয়ে ক'ব নেকি? আজিৰ অতিপ্ৰতিযোগিতা মূলক পৰিবেশত শান্তি নিকেতনৰ দৰে অনুষ্ঠান সমূহৰ প্ৰাসঙ্গিকতা আছে বুলি আপুনি ভাবেনে?

* বৰ Interesting প্ৰশ্ন। মই শান্তি নিকেতনলৈ যোৱা কথাটো এনেকুৱা যে মেট্ৰিকৰ পিছত মই আৰ্টচ পঢ়িব খুজিছিলোঁ। ঘৰৰ মতে চাইন্স। কিন্তু তেতিয়াই মই এক ধৰণৰ চুক্তি কৰিলোঁ যে Intermediate Sceience ৰ পিছত ভাল নালাগিলে মই Arts পঢ়িব পাৰিম। কোৱা হ'ল যে প্ৰথমে Science পঢ়িলে পাচত Arts লৈ যাব পাৰিবা, কিন্তু Arts পঢ়িলেতো নোৱাৰিবা। মই দেখিলোঁ যে হয়, মই Intermediate Science পঢ়িম। Science ত বেয়া কৰা নাছিলোঁ বোধহয়। প্ৰথম terminal পৰীক্ষাত Physics (96), Chemistry (92) আৰু Anthropology (85) ত মই highest mark পাইছিলোঁ। Anyway পিছত মই ভাল কৰা নাই। কাৰণ বস্তুটোৰ প্ৰতি মোৰ সিমান আগ্ৰহ নাছিল। তাৰ পিছত মই ঠিক কৰিলোঁ যে মই Arts লৈ যাম। ইফালে I. Sc. কিন্তু মই অসমীয়াত লেটাৰ মাৰ্ক পাইছিলোঁ।

শান্তি নিকেতনলৈ যোৱাৰ কথা হ'ল যে আমি মেট্ৰিকত ৰেপিড ৰিডাৰ ল'ব লাগিছিল। আমি লৈছিলোঁ, ৰবীন্দ্ৰনাথৰ My boyhood days (ছেলেবেলা)। সেইখন পঢ়ি ভাৱ হ'ল যে শান্তি নিকেতনলৈ যাম। যোগাযোগ হ'ল, গুচি গ'লোঁ। ঘৰৰ পৰা আপত্তি কৰিছিল, প্ৰেছিডেন্সী আদি থাকোতে শান্তি নিকেতন কিয়? কিন্তু মই নিজে ভাবো যে শান্তি নিকেতনত দুবছৰ পঢ়ি মই যিখিনি পালোঁ, অন্যত দহবছৰতো নাপালোঁহেতেন। মোৰ কাৰণে বন্দুৱাৰ ই মুকলি কৰি দিলে। কিন্তু প্ৰাসঙ্গিকতাৰ কথা উঠে। আজিৰ দিনত এনে অনুষ্ঠানৰ কিবা প্ৰাসঙ্গিকতা আছেনে? এতিয়া নহয়, তেতিয়াও উঠিছিল। নহ'লে মোৰ ঘৰৰ পৰা কিয় আপত্তি কৰিলেহেঁতেন? এতিয়া আৰু বেছিহে হৈছে। প্ৰশ্নটো প্ৰতিযোগিতাৰ। মইতো ক'লোৱেই যে প্ৰতিযোগিতা কৰটোৱেই জীৱনৰ শেষ কথা নহয়। অন্ততঃ মই তেনেকৈ ভৰা নাই। গতিকে, যিসকলে প্ৰতিযোগিতা কৰে, কৰক, কিন্তু এখন শান্তি নিকেতনো থাকক। তেনেকুৱা এটা বস্তু থাকক য'ত বাহ্যিকতাতকৈ আন্তৰিক শিক্ষাৰ, উপলব্ধিৰ স্থান বেছি। আজি বিশ্ব মানৱতাৰ কথা কোৱা হয়, মইতো তাৰে lesson তাতেই পাইছোঁ। আমি তাত আছিলোঁ, ত্ৰিশজনমান ছাত্ৰ। গছৰ তলত class কৰোঁ। সেই কাৰনেই বোধহয় প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্ক আমি প্ৰাণেৰে feel কৰোঁ, অন্যই অলপ mechanically feel কৰিব। আমাৰ লগত ভাৰতৰ প্ৰায় প্ৰত্যেক অঞ্চলৰ ল'ৰা -ছোৱালী আছিল, আনকি পৃথিৱীৰ অন্য ঠাইৰো। ভাত খাওঁতে বিভিন্ন দেশৰ মানুহে একেলগে খাইছিলোঁ। সেইটো কাৰণেই বিদেশ বুলিলেই বৰ কিবা এটা ভাবটো নাহে। সকলো মানুহকে একেলগে লগ পাইছোঁ। গতিকে তেনে ধৰণৰ অনুষ্ঠানৰ প্ৰাসঙ্গিকতা, যদি কোৱা হয় যে *শিক্ষাৰ উদ্দেশ্য* মানুহৰ মনবোৰ বহল কৰি নিয়াই, তেনেহ'লে নিশ্চয় আছে। আৰু কেইখন মান শান্তি নিকেতন হ'লে মই বেয়া নাপাওঁ।

**প্ৰশ্ন ঃ-** নতুন পুৰুষৰ প্ৰতি দুআষাৰ বক্তব্য ৰাখিবনে?

* আমি ইমান সময় যিবোৰ আলোচনা কৰিলোঁ, সেই কথাটো বোধহয় তাতে আছে। আমি আমাৰ নিজত্বতো ৰক্ষা কৰিম কিন্তু আমাৰ দুৱাৰ খিৰিকীবোৰ খুলি ৰাখিম। *মোৰ কোঠাতেই মই থাকিম,* আপোনতো *ৰাখিম, কিন্তু দুৱাৰ খিৰিকীবোৰ খুলি ৰাখিম।* মুক্ত বায়ু আহিব। বিশ্বজনীনতা মনত ৰাখিম। গতিকে বিশ্বনাগৰিক হ'বৰ কাৰণে Aeroplane ত উঠি লণ্ডন পোৱাৰ কোনো দৰকাৰ নাই। তোমাৰ মনতো যদি ভালে থাকে, পৃথিৱীৰ সকলো ফালৰ মানুহৰ লগত সম্পৰ্ক স্থাপন কৰাৰ আগ্ৰহটো যদি থাকে, সেইটোতেই বোধহয় উত্তৰটো আছে।

❑❑❑

# পাগলৰ দিনলিপি

○ *শ্ৰীবিপুল কলিতা*
স্নাতক তৃতীয় বৰ্ষ



এটাৰ পাছত এটাকৈ কেইবাটাও মানুহে মোক হেঁচা মাৰি ধৰিলে। সিহঁতৰ বন্ধনৰ পৰা মুক্ত হবলৈ বহু চেষ্টা কৰিও মই বিফল হলোঁ। তাৰে ভিতৰত আটাইতকৈ বেছি যিটোৰ চকুকেইটা ৰঙা হৈছে সি মোৰ ককাইদেউ। সিহঁতে ধৰি বান্ধি আনি মোক পিচফালৰ মোৰ কোঠাটোত সুমুৱাই থ'লেহি।

"বাহিৰ ওলালে ভৰি-মূৰ ভাঙি দিম" ককাইদেৱে ধমক দি ক'লে। এনেকুৱা ঘটনা প্ৰায়ে ঘটি থাকে। মানুহবোৰৰ চকু মাথো মোৰ ওপৰত। মই বাহিৰৰ পৃথিৱীত মুকলি আকাশৰ তলত হাঁহি স্ফুৰ্টি কৰিলেই সিহঁতৰ ধৈৰ্য্য নোহোৱা হয়, সিহতে সহ্য কৰিব নোৱাৰা হয় আৰু মোক আনি এনেকৈ বন্ধকোঠাৰ ভিতৰত সুমুৱাই থয়।

সন্ধ্যা লাগি ভগাৰ পাছত কোঠাটোলৈ হাতত অলপ খোৱা বস্তু লৈ এজনী মানুহ সোমাই আহিল। মোৰ কাষত বহিল হি। মোক লাহেকৈ মূৰে-কপালে হাত ফুৰাই ক'লে - "খা আৰু সোনকালে শুই থাক।" মই উচাট্ মাৰি উঠি আহিলো এচুকলৈ। তেওঁ স্তম্ভিত হ'ল। চকু কেইটা তেওঁৰ চল চলীয়া হ'ল। আৰু তেনে হোৱা দেখিলেই মই ভাল পাওঁ। সেইটো মানুহজনীৰ সহজাত অভ্যাস। অলপ পাছত চকুকেইটা মোহাৰি যায়গৈ। তেওঁ মোৰ মা। কিন্তু কি হ'ব, একেদলৰে মানুহ। মোক দেখিলে হৈ চৈ কৰা চুবুৰীৰ কুকুৰ জাক, ল'ৰা-ছোৱালীমখা আৰু মোক ধৰি বান্ধি বন্দী কৰি লৈ অহা মানুহজাকৰ দলৰে।

মোৰ এই অসুখটো হোৱাৰ বহু আগৰে কথা। ধনবৰৰ দেউতাকৰ এই অসুখটো হোৱা দেখি মায়ে কৈছিল - "এইবোৰ অসুখ ব্যভিচাৰী মানুহৰহে হয়।" তাৰ মানে এতিয়া ময়ো ব্যভিচাৰী। সেই মানুহবোৰেও তেনেদৰেই ভাৱে। সেয়ে তেওঁৰ সেই মানুহবোৰৰ লগত বেছি হলি গলি। সিহঁত আহিলে ভালকৈ কথা বতৰা পাতে, শুশ্ৰূষা কৰে। তেতিয়া মানুহজনীৰ প্ৰতি মোৰ ঘৃণা উপজে আৰু এনেদৰে মানুহজনীৰ চকুদুটাইদি পানী বাগৰিলে মই আনন্দত কিৰিলি পাৰোঁ। আচল কথাটো হ'ল মোৰ বেমাৰটো হোৱাৰ কাৰণ যে ব্যভিচাৰ নহয়, এই কথাটো মানুহবোৰে বুজক বুলিয়েই মই ৰাস্তাই-ঘাটে, বজাৰে-সমাৰে চিঞৰি চিঞৰি কথাটো কওঁ। নুশুনি ভেঙুচালি কৰিলে ল'ৰা-ছোৱালীমখাক খেদা মাৰি যাওঁ। আৰু তেতিয়া ৰাস্তাৰ

মানুহবোৰে মোক নেদেখা জন্তুৰ দৰে বৈ বৈ চোৱা আৰম্ভ কৰে। কিছুমানে হাঁহে। আৰু মোৰ সেই পিশাচৰ দৰেৰে ককাইদেউটোৱেই আন মানুহবোৰৰ সৈতে আনি মোক এই কোঠাটোত ভৰাই থয় -

"বাহিৰলৈ ওলালে ৰাজহাড় ভাঙি দিম।"

মানুহবোৰে বাৰু মোৰ ফালে আঙুলিয়াই কি কয় - কয় চাগে — "সেই ব্যভিচাৰীটো চা, ব্যভিচাৰীটো।" মা বোলা মানুহজনীয়েও কয়। কিন্তু আন মানুহবোৰৰ স'তে তেওঁৰ এটাই প্ৰভেদ, মোক দেখিলে, মোৰ ওচৰত বহিলে ইঁহাৰ সলনি তেওঁ কন্দা আৰম্ভ কৰে। কিন্তু কিয়? বুজিছোঁ এয়াও এক অভিনয়। সকলো জানিও নজনাৰ অভিনয়। মোক অন্তৰেদি ব্যভিচাৰী বুলি ভাবে, কাৰণ কথাটো তেওঁ মোক নিজেই কোৱা আৰু মোৰ আগত ব্যথা প্ৰকাশ কৰে। চকুপানী টুকি মোৰ জঁটলগা চুলি কেঁইড়াল আঙুলিৰে ফালি ফালি বুজায় - "তই ভাল হৈ যাবি সোণ" মই উচাট মাৰি উঠোঁ - ছিঃ কেনে নিকৃষ্ট অভিনয়।

মা ওলাই যোৱাৰ পাছত বিচনাত পৰিলেই কণ কণ ল'ৰা-ছোৱালীমখাই ভেঙুচালি কৰা দৃশ্যবোৰ মোৰ চকুৰ আগত ভাঁহি উঠে। মোৰ বেমাৰ হোৱাৰ কথা সিহঁতে জানে কিন্তু বেমাৰৰ কাৰণ যে ব্যভিচাৰ সেই কথটো সিহঁতক কোনে কলে। ক'ত শিকিলে মোক যে ঘিণাব লাগে। নিশ্চয় মোৰ দৰে মাক - বাপেকৰ পৰা গম পাইছে, কিন্তু পানী কেঁচুৱাবোৰক কথাবোৰ কোনে কলে। মই কাষলৈ গলে সিহঁতে ভয়তে নাক মুখ কোঁচায়। কান্দোনত গগন ফালে, নে ঘৃণাত? মোক দেখিলে যে বিৰক্ত হ'ব লাগে, তেনেকৈ পোন্দোৱাকৈ চাব লাগে সিহঁতে ক'ত শিকিলে। এদিনটো এটা মজাৰ ঘটনাই ঘটিল। এটা কেঁচুৱাৰ ওচৰলৈ যাওঁতে মোৰ হঠাৎ মনত পৰিল যে সিহঁতে ছাগে এই শিক্ষাবোৰ গৰ্ভতে পাইছে। কথাটো মনত পৰিলত মই ৰ'ব নোৱাৰি জোৰেৰে হঁহা আৰম্ভ কৰিলোঁ। ইমান জোৰেৰে হাঁহিলো যে ভয়ত বিব্ৰত হৈ মাকে কেঁচুৱাটোক সাৱটি নেজাল তৰাৰ দৰে আঁতৰি ঘৰৰ ভিতৰ পালেগৈ আৰু চিঞৰা আৰম্ভ কৰিলে —

"বলিয়া ঔ, বলিয়া।"

দৃশ্যটো মনত পৰিলে মোৰ আজিও হাঁহি উঠে। কেতিয়াবা ৰাস্তাই ঘাটে হাঁহো। হাঁহিলে মানুহবোৰৰ সহ্য নহয় আৰু ধৰি বান্ধি এই কোঠাটোলৈ লৈ আহে। হাঁহিব নজনাহঁত কৰ'বাৰ।

চুবুৰীৰ কুকুৰমখাৰ কথা যে কলোঁ - মোৰ বেমাৰৰ কথা সিহঁতেও জানে। মোক দেখিলেই নেজ থিয় কৰি এক গোট হৈ সিহঁতে ভুকা আৰম্ভ কৰে। সিহঁতৰ ভুকভুকনি শুনিলে ময়ো চোচাঁ মাৰি যাওঁ। পিছে পিছে কামনোহোৱা ল'ৰাছোৱালীমখা। আগে আগে কুকুৰমখা আৰু মাজত মই। কিন্তু হঠাৎ যেতিয়া মোৰ ভাৱ হয় যে মোক যে ঘৃণাব লাগে কথাটো এই কুকুৰমখাই জানিব পাৰিলে কেনেকৈ, তেতিয়া মই তন্ময় হৈ বৈ যাওঁ। হঠাতে মনত পৰে স্কুলত হেড্ছাৰে কোৱা কথা এষাৰ -

"বোপাই বিজ্ঞানে অসম্ভৱকো সম্ভৱ কৰে।" তাৰ মানে কুকুৰৰ 'মানৱতা'বোধ বিজ্ঞানে আনিলেই। কথাটো ভবাৰ লগে লগে কুকুৰবোৰলৈ মোৰ মৰম উপজে। সিহঁতৰ কাষ চাপি কথা পাতিবৰ চেষ্টা কৰোঁ। কিজানিবা সিহঁতে মোৰ আচল কথাবোৰ বুজেই। আৰু বুজিলেই মোৰ সমৰ্থনত এটা ভাল দল ওলাব। কিন্তু প্ৰায়ে সিহঁতে যেতিয়া মোৰ কাষলৈ আহি অলপ নেজ জোকাৰি, শুঙি আতঁৰি যাব খোজে, তেতিয়া মই ক্ৰমশঃ ডাঙৰ ডাঙৰ শব্দেৰে সিহঁতৰ আগত ভাষণ দিয়া আৰম্ভ কৰোঁ। তেতিয়া মোৰ চাৰিওফালে ভৰি পৰে কুকুৰৰ সলনি মানুহ। নিৰ্লজভাৱে ...মে মোক ধৰি বান্ধি লৈ আহে। কুকুৰবোৰে মোৰ পক্ষ ল'ব পাৰে বুলি সিহতঁৰ ভয়।

লাহে লাহে মোৰ ধাৰণা হৈছে এই অপদাৰ্থ মানুহবোৰে মোৰ মৃত্যু বিচাৰিছে। ককাইদেৱেটো মই মৰিলে প্ৰায়ে কয় ভোজে - ভাতে খোৱাৰ কথা। কিন্তু মোৰ ক'বলগাখিনি সিহঁতে এবাৰলৈও নুশুনে। সেইটো সিহঁতৰ চৰিত্ৰৰ দোষ। সিহঁতবোৰ নিজেই ব্যভিচাৰী, সেই মুখা খোল খোৱাৰ ভয়ত, মোক মাৰিব খুজিছে।

কিন্তু মোৰ আচল কথাবোৰ বুজাব নোৱাৰাকৈ মই মৰিব নোৱাৰিম। সকলো মানুহক চিঞৰি চিঞৰি বুজাম নিজস্ব পৱিত্ৰতাৰ কথা। অকলে পাৰিম জানো। এৰা কুকুৰমখা আছে নহয়। এদিন নহয় এদিনটো মুক্তভাৱে সিহঁতৰ লগত কথা পাতিব পাৰিম। সিহঁতৰ ভুলটো ভাঙি দিব পাৰিলেই মোৰ কাম শেষ। সিহঁত মোৰ সহযাত্ৰী হ'ব আৰু আমি একেলগে মানুহবোৰক, মা বোলা মানুহজনীক কথাবোৰ বুজাম।

কিন্তু তাৰ আগতে সিহঁতৰ লগ লাগি হত্যা কৰিম মই সেই ডাক্তৰটো। সি প্ৰায়ে মোৰ ওচৰলৈ আহে নিৰ্লজভাৱে সান্ত্বনা দিয়ে অথচ মানুহবোৰক কয় মই হেনো পাগল। আচলতে সি নিজেই এটা পাগল। তাৰ মৃত্যু এটা প্ৰয়োজন, — মোৰ বাবে। ❑❑❑

গল্প

# শেষযাত্ৰা

○ মৃণাল চন্দ্ৰ কলিতা
প্ৰাক্তন ছাত্ৰ



কালুবুঢ়াই গ্ৰাহকৰ আশা বাদ দিলে। তাৰ দোকানৰ কাঠৰ দৰজাৰ পাতবোৰ এখন এখনকৈ লগাই বুঢ়াই সিটো মূৰে থকা সোণতলী গাওঁখনলৈ চায় -এন্ধাৰে আবৰি ধৰা গাওঁখন তেনেই নিমাওমাও। মাজে মাজে জোনাকী পৰুৱাৰ দৰে দুটামান টৰ্চ্চ জ্বলি উঠিছে আৰু নুমাইছে। জয়াল নীৰৱতাক জোকাৰি দিছে জোতাৰ কেইটামান বিশৃংখল গিৰিপ্ গিৰিপ্ শব্দই। হুইছেলৰ দীঘলীয়া শব্দই হঠাতে গিৰিপ্ গিৰিপ্ শব্দৰ প্ৰাবল্য বঢ়াই তুলিছে। জিপকেইখনৰ কাষত ড্ৰাইভাৰ কেইজনে সৰুকৈ জুই একোৰা ধৰিছে; তাৰ চাৰিওকাষে ঘূৰণীয়াকৈ বহিছে। পুহ মাহৰ ঠাণ্ডাটো বৰ বেছিকৈ পৰিছে। কালুবুঢ়াই এড়ি ছাদৰখন গাত টানকৈ মেৰিয়াই ললে।

তাৰ মৰমৰ সোণতলী গাওঁখনক সন্দেহ আৰু আশংকাৰ ডাৱৰে আগুৰি ধৰাত কালুবুঢ়াৰ সশব্দ হুমুনিয়াহ এটা ওলাই আহে। সংগঠনৰ কোনোবা ডাঙৰ লিডাৰ হেনো গাওঁত সোমাইছে; তাক ধৰিবলৈকেই এই সেনাবোৰে সন্ধিয়াতে গাওঁখন ঘেৰি ধৰিলেহি। কোনো ক'তো ওলাব নোৱাৰে। ৰাস্তালৈ কোনোবা ওলালেই হেনো গুলীয়াব। ভয়ত পেপুৱা লাগিছে সকলোবোৰ। সেনাবোৰে গাওঁখনৰ ভিতৰত সোমাই সতৰ্কতাৰে খানাতালাচ কৰি ফুৰিছে; ওপৰৰ নিৰ্দেশ - এই লিডাৰটোক মৃত বা জীৱিত অৱস্থাত কৰায়ত্ব কৰিব লাগে। সেনাৰ এই অপাৰেশ্যন সফল হ'লে সংগঠনটোৰ কঁকাল ভাগিব, দেশতো শান্তি প্ৰতিষ্ঠা হ'ব। যোৱা কেইবছৰমানে বৰকৈ ব্যতিব্যস্ত কৰিছে চৰকাৰক, এই নিষিদ্ধ সংগঠনটোৱে।

কালুবুঢ়াই শেষ পাতচটা লগাই দি সমুখৰ ৰাস্তাটোলৈ চায়; নাই মলখু, বুধিনহঁত অহাৰ কোনো আশাই নাই। এই বিপদত আহিবনো কেনেকৈ! এই ঠেৰেঙা লগা জাৰত দুচিলিমমান লগাব পাৰিলে গাটোত অলপ গৰম উঠিলহেতেন। অকলে চিলিম ধৰাত কোনো টেষ্টেই নাই। আৰু ধপাত মলিওৱাত মলখুৰ সমান জানো কোনোবা আছে। কালুবুঢ়াৰ মনটো টৰঙা টৰঙা লাগে। ক'ৰ সংগঠন, আৰ্মি, এইবোৰৰ কাৰণে ভাগু এচিলিমো খাব নোৱাৰাত পৰিল সিহঁত। চৰম বিৰক্তিত কালুবুঢ়াৰ গালৰ সোতোৰা সোতোৰ আঁকবাকবোৰ আৰু বেছি ঘন, ডাঠ হৈ পৰে। গুমটিটোৰ সৰু দৰজাখনেৰে সোমাই লাহেকৈ দৰজাখন বন্ধ কৰি দিয়ে সি। কাণৰ ভাঁজত থৈ দিয়া আধা খোৱা বিড়িটো জ্বলাই মুখত লয়, আৰু আকাশ পাতাল চিন্তাত বিভোৰ হৈ পৰে, এই যে সংগঠনটো, কি কৰিব খুজিছে সিহঁতে? দেশৰ ডেকা ল'ৰা সোপা মৰি সাং হ'ল, কামচোন একো নহ'ল? সিহঁতৰ সোণতলী গাৱঁৰ সনাতনো সংগঠনত সোমোৱা বুলি মলখুৱে কৈছিল। সি ঘৰ এৰাৰ দহবছৰমানেই হ'ল কিজানি। আজিলৈকে দেখাদেখি নাই; মৰিল চাগৈ ক'ৰবাত! কথাটো ভবাৰ লগে লগে কালুবুঢ়া কঁপি উঠে; সনাতনৰ মংগলৰ বাবে ইষ্ট দেৱতাৰ প্ৰতি মূৰ দোৱায়। চেৰেঙকৈ পুৰণি কথা কিছুমান তাৰ মনত পৰি যায়। সনাতনক সি নিজৰ কোলাত তুলি তালি ডাঙৰ কৰিছিল, নিজৰ পো-জী নথকাত সিয়েই তাৰ পোৰ দৰে আছিল। কিমান যে মৰম কৰিছিল তাক! কিমান সাধু যে কৈছিল তাক সি! মৰমেৰে আবৰি ৰখাত সনাতন কিমান ডাঙৰ হ'ল ধৰিবই পৰা নাছিল কালুবুঢ়াই; আন্ধাৰ হ'লে ভূতৰ ভয়ত তাৰ কোচত উঠা ল'ৰাটো এদিন আন্ধাৰতেই গাওঁখনৰ পৰা অন্তৰ্দ্ধান হোৱাতহে কালুবুঢ়াই গম পালে সনাতন বহুত ডাঙৰ হ'ল, ডেকা হ'ল! আজি যে আৰ্মিয়ে গাওঁখন ঘেৰাও কৰিছে সনাতনক বিচাৰি নেকি! সি তাৰমানে জীয়াই আছে এতিয়াও। কথাটো ভাবি তাৰ মনটো পাতল হৈ পৰিল। সনাতন বাৰু তাৰ মৰমৰ কালুবুঢ়াৰ ওচৰলৈ আহিবনে এবাৰ? আহিব পাৰিবনে? মনত পৰিবনে তাৰ ল'ৰালিৰ কালুবুঢ়ালৈ?

গিৰিপ্ গিৰিপ্ কেইটামান শব্দ কালুবুঢ়াৰ গুমটিৰ ওচৰ পায়। বেছিঁকৈ জ্বলি থকা লেমটোৰ ফিটাডাল সি তললৈ নমাই দিয়ে, আৰ্মিলৈ কালুবুঢ়াৰ ভয় লাগে, বৰ ভয় লাগে.......।

ঃঃঃ-ঃঃঃ

ৰসেশ্বৰী বুঢ়ীয়ে বাগৰ সলাওঁতেই কঁকালটোৰ পৰা মোটৰকৈ শব্দ এটা হ'ল। আজি কেইদিনমানৰ পৰা কঁকালৰ বিষৰ কোবটো চৰিছে। বিষৰ প্ৰকোপত তাই ভাত ৰন্ধা দূৰৰ কথা, বিচনাৰ পৰাই উঠিব পৰা নাই। চাকিটো জ্বলাই ফুট গধূলিতে তাই বিচনাত পৰিল। সেই তেতিয়াই ওচৰৰে ৰমলা বুঢ়ীয়ে ক'লে গোটেই গাওঁখন আৰ্মিয়ে ঘেৰাও কৰিছে। কোনোবা লিডাৰ সোমাইছে বোলে। ঘৰবোৰ খানাতালাচ কৰিব। খবৰটো শুনি ৰসেশ্বৰী বুঢ়ী চমক খাই উঠিছিল। আনন্দতে তাই উঠি বহিব খুজিছিল; পিছে কঁকালৰ বিষত নোৱাৰিলে।

সনাতন ঘৰৰ পৰা ওলাই যোৱাৰ দহবছৰেই হ'ল। আজি চাৰি বছৰমান আগতে দুবাৰমান পুলিছে তাক বিচাৰি আহিছিল। তাৰ পিছত যোৱা চাৰি বছৰে সনাতনৰো খবৰ নাই, পুলচেও তাক বিচাৰি ৰসেশ্বৰীক আমনি (?) কৰা নাই। গাওঁৰ ডেকামখাই মাজে মাজে আলোচনা কৰা শুনে তাই; আৰ্মিৰ সৈতে গুলীয়া গুলিত সংগঠনৰ বহুত ল'ৰা মৰিল, আৰ্মিৰো বহুত মৰিল। ৰাইজেও বিনা কাৰণত জীয়াতু ভুগিলে, বহুত মৰিলো। এইবোৰ শুনি শুনি বুঢ়ীয়ে পুতেকৰ আশা বাদেই দিছিল।সিও চাগৈ ক'ৰবাত গুলী খাই মৰিল।

পিছে আজি ৰমলা বুঢ়ীয়ে সকলো ওলট-পালট লগাই দিলে। আৰ্মিয়ে যে সংগঠনৰ লিডাৰক বিচাৰি গাওঁখন বেৰি ধৰিছে, সেই লিডাৰটো সনাতনেই নেকি? তেনেহ'লে সনাতন মৰা নাই? গাওঁত সোমাইছে যদি সিতো এবাৰ তাইৰ ওচৰলৈ আহিব পাৰে। অভিমানত বুঢ়ীৰ চকুৰ পানী বৈ আহে। নে আৰ্মিৰ কাৰণে আহিবলৈ সুবিধা পোৱা নাই। নাই, নাই, আৰ্মিৰ হাতত ধৰা পৰাতকৈ সি তাইৰ ওচৰলৈ আজি আহিবই নালাগে। নে সি মৰাটোৱেই সঁচা....? আৰ্মিয়ে যদি তাইৰ ওচৰলৈ আহি পুতেকক উলিয়াই দিবলৈ ধমকি দিলেহেঁতেন! লাঠিৰে দুই এটা কোবেই মাৰক, ঘৰটো লণ্ড ভণ্ড কৰি দিয়ক তথাপিও সনাতনক বিচাৰি আৰ্মি তাইৰ ওচৰলৈ আহক। ৰসেশ্বৰীৰ পুতেকলৈ বৰকৈ মনত পৰিছে আজি।

ভোকত ৰসেশ্বৰীৰ পেটটো কলমলাই উঠিল। চাউল আছে - এসাজ জোৰাকৈ। ৰান্ধিবলৈহে গাত বল আৰু কঁকালত জোৰ নাই। আৰ্মিৰ কাৰণেই চাগৈ জেচমিনো আহিব পৰা নাই। নহ'লে তাইয়েই আহি ভাত কেইটা ৰান্ধি দিলেহেঁতেন, দৰকাৰ হ'লে ৰাতিটো বুঢ়ীৰ লগতে থাকিলহেঁতেন। বুঢ়ীৰ জেচমিনৰ মৰম লগা মুখখন চকুৰ আগত ভাহি উঠিল। ছোৱালীজনী দিনক দিনে কেনেকৈ মন মাৰি থকা হৈছে! জেচ্‌মিন ৰসেশ্বৰীৰ একো নহয়, তথাপিও তাই অকলশৰীয়া বুঢ়ীক ইমান সহায় কৰে! তাইৰ প্ৰতি মৰমত ৰসেশ্বৰীৰ অন্তৰখন গলি যাব খোজে।

কেইটামান ব্যস্ত খোজৰ শব্দত ৰসেশ্বৰী উচপ্ খাই উঠে; তাই কাণ পাতি ৰয়। হয়, হয়, আৰ্মি তাইৰ ঘৰৰ ফালেই আহিছে। আৰ্মিয়ে নিশ্চয় সনাতনক বিচাৰি আহিছে। এতিয়াই সিহঁতে বুঢ়ীৰ ঘৰৰ বাঁহৰ দৰজাখনত লাঠিৰে ধম্‌ধমকৈ কোবাব। কঁকালৰ বিষত বুঢ়ী বিচনাতে পৰি থাকিব। খণ্ডত একো নাই হৈ সিহঁতে দৰজাখনত প্ৰচণ্ড গোৰ কেইটামান সোধাব; কেৰ্‌কেৰকৈ দৰজাখন ভাগি থাকিব। হুৰমূৰকৈ এজাক চিপাহী সোমাই আহি তাইক গায়ে মূৰে কেইটামান কোব সোধাই ছটা মাতেৰে সুধিব, “সনাতন কঁহা হ্যায়?” - চিপাহীকেইটাৰ প্ৰতি কৃতজ্ঞতাত বুঢ়ীৰ মনটো ভৰি পৰিব: সিহঁতে অন্ততঃ তাইক সনাতন নমৰাৰ খবৰটো দিব!.....

পিছে ব্যস্ত খোজকেইটা ক্ৰমশঃ ওচৰ চাপি আহি এসময়ত দূৰলৈহে আঁতৰি গ'ল। তীব্ৰ বেদনাত বুঢ়ীৰ অন্তৰখনে হাঁহাকাৰ কৰি উঠিল। তাইৰ এনেকুৱা লাগিল যেন চিপাহী কেইটাই সমদল কৰি সনাতনৰ মৃতদেহটোহে তাইৰ চকুৰ আগেৰে লৈ গ'ল। দুৱাৰমুখলৈ দৌৰি গৈ তাইৰ চিপাহী কেইটাক চিঞৰি সুধিবৰ মন গ'ল, “হেৰা, তোমালোকে সনাতনক বিচাৰিছা নেকি?”

ঃঃঃ-ঃঃঃ

জেচমিনে বাৰান্দাৰ চকীখনত বহি একেথিৰে জোনটোৰ ফালে চাই ৰ'ল। এসময়ৰ উজ্জ্বল ধুনীয়া জোনটো ক্ৰমশঃ নিস্তেজ হৈ আহিছে। জোনটোৰ বুকুত যেন বহুত দুখ, সেই দুখবোৰে যেন একলা দুকলাকৈ গ্ৰাস কৰি আনিছে তাইৰ সুভ্ৰতাখিনি, ৰংখিনি। জেচমিনৰ নিজকে জোনটোৰ অতি নিকট আত্মীয় যেন লাগিল।

প্ৰচণ্ড বেগত আৰ্মিৰ জীপ গাড়ী এখন গুচি গ'ল। চিপাহীয়ে কোন লিডাৰক বিচাৰিছে বাৰু? সনাতনক? তেনেহ'লে তাই আশা কৰাৰ দৰেই সি এতিয়াও জীয়াই আছে! সি বাৰু গাওঁৰ কোনখিনি ঠাইত লুকাই আছে? আৰ্মিয়ে তাক ধৰি নিব আজি ৰাতিয়েই? কেম্পলৈ লৈ গৈ তাৰ ওপৰত অকথ্য অত্যাচাৰ চলাব, নখৰ গুৰিত বেজি সুমুৱাই দিব - ইলেকট্ৰিক শ্বক দিব- ষ্টোভৰ গৰম চৌকাত জোৰকৈ তাক বহুৱাই দিব, ইমানবোৰ অত্যাচাৰ সনাতনৰ দেহটোৱে সহ্য কৰিব পাৰিবনে? আৰ্মি কেম্পৰ সেই যন্ত্ৰণাবোৰৰ পৰা মুক্ত হৈ সি জেচমিনৰ ওচৰলৈ আহিব পাৰিবনে? পাৰিবনে? নে সনাতনৰ নিশ্চল দেহটো এদিন ৰসেশ্বৰী বুঢ়ীৰ চকুৰ সন্মুখতে আৰ্মিৰ বেষ্টনীৰ মাজত দাউ দাউকৈ পুৰি ছাই হৈ যাব; তাই সেই ৰঙিয়াল ডেকাটোৰ মুখখন এবাৰো দেখিবলৈ পোৱাৰ আগতেই? দুখত জেচমিনৰ অন্তৰখন মোচৰখাই যাব খোজে।

অৰণ্যৰ মাজৰ পৰা 'মুক্ত' হৈ সনাতন তাইৰ ওচৰলৈ, বৃদ্ধা মুমূৰ্ষু মাকৰ ওচৰলৈ উভটি আহিবনে? এদিন যদি ৰঙিয়াল প্ৰাণোচ্ছল ডেকাজন জেচমিনৰ ওচৰলৈ' উভটি আহিলহেঁতেন! আনন্দত, আবেগত, অভিমানত সৰু ছোৱালী এজনীৰ দৰে তাই কান্দি দিব, সনাতনে আলফুলে মৰমেৰে তাইৰ মূৰটোত হাত বুলাই দিব.......।

গাঁৱৰ গোঁসাই ঘৰটোৰ বাল ক্লকটোৰ পৰা ধাতৱ আঘাতৰ বাৰটা শব্দ ছিটিকি পৰে। ফেঁচাৰ নিউ নিউ চিঞৰে জেচমিনক আৰু বেছি বিষণ্ণ আৰু নিঃসংগ কৰি তোলে।

ঃঃঃ-ঃঃঃ

দেশপ্ৰাণ শৰ্মাই আৰু এগিলাছ সোমৰস গলাধঃকৰণ কৰি কাগজ কেইখিলাত চকু ফুৰোৱাত লাগিল। প্ৰতিশ্ৰুতি, আশ্বাস আৰু আঁচনিৰ চমৎকাৰ বৰ্ণনাত তেওঁ নিজেই সন্তুষ্ট হ'ল; সভালৈ ভাড়াত অনা দৰ্শক ৰাইজৰ সন্তুষ্টি অসন্তুষ্টিৰ কথা ভাবিব নালাগে। আচল কথা হ'ল পাব্লিচিটি - প্ৰচাৰ। দুজনমান ডাঙৰ সাংবাদিকক মেনেজ কৰিব পাৰিলেই হ'ল। দেশপ্ৰাণ শৰ্মাই ফোনৰ ডায়েল ঘূৰায়, "হেল্ল' হেল্ল' .... ভিলেজ্ ৱেল্‌ফেয়াৰ মিনিষ্টাৰ দেশপ্ৰাণ শৰ্মা স্পীকিং ... হেৰি ডেকা, অহাকালি ৰাতিপুৱা দহটাত মিটিং এখন আছে.... নহয় নহয়, গুৱাহাটীতেই পাতিছো। মিটিংখন ... আপোনালোক থাকোঁতে ভিলেজ ৱেলফেয়াৰৰ মিটিং গাঁৱত পাতিব লাগেনে? ... হেঃ হেঃ হেঃ.. আহিব? ... থেংক ইউ থেংক ইউ.... চিন্তা কৰিব নালাগে.... আপোনাৰ কামটো এই সপ্তাহতে হ'ব।

ঃঃঃ-ঃঃঃ

হাড় কঁপোৱা জাৰে সনাতনৰ হাতৰ আঙুলিবোৰ কোঙা কৰি আনে। মটৰ চাইকেলৰ গতি মন্থৰ হৈ যাব খোজে। খলা বমা ৰাস্তাত মটৰ চাইকেলখন ছিটিকি যাব খোজে। তাৰ হাতত সময় খুবেই কম, দায়িত্ব বহুত। এতিয়া এক বাজিছে আৰু আধা ঘণ্টামান গ'লেই সি সোণতলী গাওঁ পাব। সোণতলীত সি খুউব বেছি দুঘণ্টা থাকিব পাৰিব। তাৰ পৰা সি পুনৰ উভটিব লাগিব, ৰাতি পুওৱাৰ আগে আগে গুৱাহাটী পাবই লাগিব। সনাতনে মটৰ চাইকেলৰ স্পীড্ বঢ়াই দিয়ে। ৰাতিৰ আন্ধাৰ ছিৰাছিৰ কৰি, ডাঠ কুঁৱলী ভেদি সৰীসৃপৰ দৰে আগবঢ়ি যায় দুচকীয়া যানখন।

গুৱাহাটীত তাৰ কাম বহুত। সংগঠনৰ এটা গুৰুত্বপূৰ্ণ কাম কৰিবলৈ নিৰ্দেশ দিয়া হৈছে তাক। কামটোৰ বাবে তাক ট্ৰেইনিঙো দিয়া হৈছে। সংগঠনৰ চুইচাইড স্কোৱাডৰ সদস্য সি। অহাকালি গুৱাহাটীত হ'ব ভিলেজ ৱেলফেয়াৰ প্ৰগ্ৰেমৰ মিটিং এখন। তাত সিও থাকিব ৰাইজৰ লগতে বহি। দেশপ্ৰাণ শৰ্মা বহি থাকিব সন্মুখৰ মঞ্চত। ঠিক দহ বাজি পয়ত্ৰিশ মিনিটৰ আগমুহূৰ্ততে সি দৌৰি যাব দেশপ্ৰাণ শৰ্মাৰ ওচৰলৈ। ঘটনাৰ আকস্মিকতাত সকলো হতভম্ব হৈ যাব। বিমূঢ় হৈ যাব পুলিচ আৰু দেহৰক্ষী। হয়তো তাক সিহঁতে কব্জায়ত্ব কৰিব। দেশপ্ৰাণ শৰ্মাৰ নিচেই ওচৰতে পুলিচ আৰু সনাতনৰ জোটাপুটি আৰম্ভ হৈ যাব; হয়তো সিহঁতে তাক গুলী কৰিব। কিন্তু ইতিমধ্যেই দহ বাজি পয়ত্ৰিশ মিনিট পাৰ হৈ যাব আৰু লগে লগে তাৰ কঁকালৰ বেল্টত থকা টাইম বোমাটো গুৰমকৈ বিস্ফোৰিত হৈ যাব। ঠাইতে মুহূৰ্ততে ছিন্ন ভিন্ন হৈ যাব দেশপ্ৰাণ শৰ্মাৰ দেহ। মৰি যাব সিও। দুয়োটি দেহেই হৈ যাব নিশ্চিহ্ন। তাৰ পিছত ছিন্ন ভিন্ন অংগ প্ৰত্যংগ আৰু মঙহৰ টুকুৰাবে দেশপ্ৰাণ শৰ্মাৰ দেহ নতুনকৈ তৈয়াৰ কৰা হ'ব। তাত হয়তো সনাতনৰ দেহৰ দুই এটুকুৰা মঙহো যোগ হ'ব। (মাংসপিণ্ডৰ কি বন্ধুত্ব!) এনেদৰে সনাতনৰ দেহৰ দুই এটুকুৰা মঙহো দেশপ্ৰাণ শৰ্মাৰ দেহৰ স'তে ৰাষ্ট্ৰীয় মৰ্য্যদা সহকাৰে চিতাত উঠিব। কথাটো ভাবি সনাতনৰ হাঁহি উঠি গ'ল। পিছ মুহূৰ্ততে সনাতনে অনুভৱ কৰিলে তাৰ চকুদুটাত যেন কিবা এটা হৈছে - কিবা এটা হৈছে। চুই চাই গম পলে সি - তাৰ চকুৰ পৰা শীতল পানী কেইটোপালমান নিগৰিছে। ওহ, বেয়া কথা, এইধৰণৰ অনুভূতিবোৰৰ লগততো তাৰ বহুদিনৰ পৰাই সম্পৰ্ক নাই। সি বাৰু কিমান বছৰ কন্দা নাই!

মৃত্যুপথৰ প্ৰায় শেষপ্ৰান্তত সনাতন। কিন্তু মৃত্যুপথত শেষ খোজটো পেলোৱাৰ আগে আগে সি চাই যাব খোজে তাৰ সাদৰী মাকক, ভনীয়েক শেৱালিক, দুৰ্ভগীয়া জেচমিনক আৰু তাৰ শৈশৱ-কৈশোৰক ৰোমাঞ্চিত কৰি ৰখা কালুবুঢ়াক, তাৰ মৰমৰ গাওঁখনক। মৃত্যুৰ আলি কেঁকুৰিটোত অদৃশ্য হৈ যোৱাৰ পূৰ্বে মাথো অলপ সময়ৰ বাবে জীৱনটো উপভোগ কৰিব খোজে সি। কিমানদিন যে দেখা নাই মাকক। ভনীয়েকক, জেচমিনক, কালুখুড়াক, মৰমৰ গাওঁখনক। যিমান পাৰি সোনকালেই ঘৰ পাব লাগে, সিহঁতক লগ পাবলৈ সি অস্থিৰ হৈ পৰিল। মটৰ চাইকেলৰ স্পীড সি আৰু অলপ বঢ়াই দিয়ে। আৰু অলপ... আৰু অলপ....

হঠাৎ ব্ৰেক মাৰি দিলে সনাতনে। ঘৰ্ষণ আৰু ধাতৱ সংঘাতৰ সন্মিলিত শব্দেৰে বৈ গ'ল মটৰ চাইকেলখন। তাৰ গাওঁখনলৈ চাই হতভম্ব হৈ গ'ল সি। গাওঁখনৰ পৰা ভাঁহি আহিছে গাড়ীৰ শব্দ, দুই এডোখৰ ঠাই হঠাৎ পোহৰ হৈ উঠে, আকৌ আন্ধাৰ হৈ যায়। গাওঁৰ এমূৰত সেয়া কোনোবাই জুই ফুৰাইছে। সনাতন বিপাঙত পৰিল। ইফালে সিফালে চাওঁতেই তাৰ চকুত পৰিল এখন সৰু দোকান। মটৰ চাইকেলৰ পৰা নামি আহিল সি। সোঁহাতখন পকেটত ভৰাই দিলে। শীতল ধাতৱ স্পৰ্শ পোৱাৰ পিছত হাতখন উলিয়াই আনিলে। লাহে লাহে সি দোকানখনৰ ওচৰ চাপি গ'ল। দৰজাত কেইটামান সঘন মৃদু টোকৰ পৰিল। সনাতনৰ সোঁহাতখন শীতল ধাতুখণ্ডত স্থিৰ। দৰকাৰ হ'ব পাৰে। সংগঠনৰ গুৰুত্বপূৰ্ণ কাম তাৰ ওপৰত; সি আজি অযথা ৰিস্ক ল'ব নোৱাৰে। আৰু দৰজাখন খোল খাই গ'ল। এক ভয়াৰ্ত বৃদ্ধৰ মলিন মুখ চিনিব পৰা হৈ উঠিল। বৃদ্ধৰ হাতৰ লেমৰ সামান্য পোহৰ। বৃদ্ধজন ভিতৰৰ পৰা ওলাই আহি সন্ত্ৰস্তভাবে থিয় দিয়ে তাৰ ওচৰত। সনাতনে লেমৰ ফিটাডাল অলপ ওপৰলৈ তুলি দিয়ে; পোহৰত স্পষ্টকৈ দেখা যায় বুঢ়াৰ মুখ। চমক খায় উঠে সনাতন। আবেগসনা চেঁপাকণ্ঠেৰে সি কয়, "কালুখুড়া, তই!" দহবছৰ পুৰণি চিনাকি কণ্ঠস্বৰত শিহঁৰিত হৈ উঠে কালুবুঢ়া। সি আবেগেৰে সাৱটি ধৰে সনাতনক। দহবছৰে নিৰুদ্দেশ হৈ থকা তাৰ মৰমৰ সোণক। মুহূৰ্তৰ বাবে দুটা মানুহ ছাঁ-পোহৰত নীৰৱ হৈ ৰয়, উভতি যায় দহবছৰ আগলৈ। "ইমানদিনে ক'ত আছিলি অ' তই?" "খুড়া লাহে লাহে। খুড়া

মোৰ হাতত সময় তেনেই কম। দুঘণ্টাৰ ভিতৰতে ৰাতিতেই মই ইয়াৰ পৰা যাব লাগে। সংগঠনৰ বহুত দায়িত্ব আছে। সোনকালেই গাঁৱলৈ যাওঁ। আহোঁতে তোৰ ইয়াত এবাৰ সোমাম। গাঁওত চোন পোহৰ?" "গাঁৱলৈ যাব নোৱাৰিবি অ' সনাতন; আৰু তই ইয়াত বেছি সময় থকাটোও ঠিক নহ'ব। গোটেই গাওঁখন ঘেৰাও কৰি আৰ্মিয়ে ঘৰবোৰ খানাতালাচ কৰিছে। সংগঠনৰ কোনোবা লিডাৰ সোমাইছে বোলে গাঁৱত।"

কথাখিনিয়ে যেন সনাতনৰ বুকুখন ছিৰাছিৰ কৰি পেলায়। তাৰ দুচকু পানীৰে ভৰি পৰে। বেদনাত দ্ৰবীভূত হৈ যায় তাৰ হিয়া। মৃত্যু তাৰ সন্নিকট, মৃত্যুৰ আগে আগে মাক-ভনীয়েক আৰু জেচমিনক শেষবাৰৰ বাবেই চাই যোৱাৰ তাৰ তীব্ৰ ইচ্ছা তেনেহ'লে অপূৰ্ণ হৈয়ে ৰ'ব! বজ্ৰাহত মানুহৰ দৰে নিৰ্বাক নিস্পন্দ হৈ ৰয় সি।

"যদি গোলমাল নালাগে কাইলৈ আৰ্মি গুচি যাব কিজানি। আজি তই যা। দুদিনমান পিছত আহিবি।"

দুদিন পিছত? সি কেনেকৈ কালুখুড়াক কয় যে আজিয়েই তাৰ জীৱনৰ শেষ ৰাতি! ঘৰ ঘৰ শব্দ কৰি আৰ্মিৰ গাড়ী এখন পাৰ হৈ যায়। দুয়ো দোকানৰ পিছফালে লুকায়। "সনাতন দেৰি নকৰিবি। আৰ্মিয়ে মটৰ চাইকেলখন দেখিলেই তই ধৰা পৰি যাবি।" হয়, ইয়াত থকাটো মুঠেই নিৰাপদ নহয়। সনাতন ধৰা পৰি গলে সংগঠনৰ কামেই পৰি ৰ'ব। সি সোনকালে আঁতৰি যোৱাই উচিত। এফালে সংগঠনৰ কৰ্তব্য আৰু আনফালে মাক, ভনীয়েক আৰু জেচমিনক শেষবাৰৰ বাবে চাই যোৱাৰ দুৰ্বাৰ হেঁপাহ। দুটা শক্তিশালী বলৰ বিপৰীতমুখী ক্ৰিয়াত বিমূঢ়ভাৱে স্থিৰ হৈ ৰয় সনাতন। কম্পিতস্বৰেৰে সি কালুবুঢ়াক আকুলভাৱে সোধে "মা, ভনী আৰু জেচমিন ভালে আছেনে?"

"আছে, ভালেই আছে। অ' এটা কথা গম পাৰনে নাই। শেৱালিৰ বিয়া হৈ গ'ল নহয়, দুবছৰেই হ'ল। ৰজতৰ লগত। ছোৱালী এজনীও হ'ল, বৰ মৰম লগা....' কি? শেৱালিৰ বিয়া হ'ল? ঘৰ এৰি গুচি যোৱাৰ সময়ত শেৱালি তেনেই সৰু আছিল, বয়স আছিল মুঠেই বাৰ বছৰ। তেতিয়াও ফ্ৰক পিন্ধিয়েই আছিল তাই। কইনাৰ সাজত তাইক বাৰু কেনেকুৱা লাগিছিল? শিৰত সেন্দুৰ, কপালত ৰঙা ফোঁট, কোলাত কেঁচুৱা লৈ থকা শেৱালিক চাবলৈ তাৰ তীব্ৰ ইচ্ছা জাগিল।

"ৰসেও বহুত বুঢ়ী হ'ল অ'। তাইৰ কঁকালৰ বিষটোও বৰ বেছি হৈছে। বিচনাত পৰি থাকিব লগা হৈছে।"

"খোৱা বোৱা?" অপৰাধীৰ দৰে ইতস্ততঃ ভাৱে সনাতনে সোধে।

"চাউল - দাইল মযেই দি পঠিয়াওঁ, শেৱালিয়েও দিয়ে। দেহা ভালে থাকিলেহে তাই নিজে ৰান্ধে? নহ'লে জেচমিনেই ৰান্ধি দিয়ে। আজি চাগৈ লঘোনেই থাকিল। তাইৰ কঁকালৰ বিষটোও দুদিনমানৰ পৰা বেছি হোৱা বুলি শুনিছিলো। আৰ্মিৰ ভয়ত জেচমিনো ক'ত যাব পাৰিছে চাগৈ!"

কালুবুঢ়াৰ প্ৰতিটো খবৰে একো একোডাল তীক্ষ্ণ সবেগ কাড়ৰ দৰে বিদ্ধ কৰি যায় সনাতনৰ হিয়াখন। তথাপিও সি ধৈৰ্য্য ধৰি খবৰবোৰ সুধি যায়। "জেচমিনৰ খবৰ কি?"

"তাকেতো অ'। তাইৰ বয়সো বহুত হ'ল, ত্ৰিশ মানেই হ'ল কিজানি। মাক পিতাকে বিয়া দিবলৈ ইমান চেষ্টা কৰিলে, নাই তাই বিয়াত নবহে। মইও বহুদিন বুজালো। বৰ আচৰিত ছোৱালী অ'। তাই ৰসে'ক কমতো সহায় কৰা নাই! শেৱালিৰ বিয়াৰ পিছৰ পৰা তাইয়েই ৰসেৰ জীৰ দৰে হৈ পৰিছে....।" জেচমিনৰ প্ৰতি শ্ৰদ্ধাত সনাতনৰ শিৰ নত হৈ যায়।

"খুড়া, তহঁতে কিবাকৈ কাৰোবাৰ লগত তাইৰ বিয়াখন পাতি দে" দুখ আৰু সহানুভূতিত সনাতনৰ মাতটো কঁপি উঠে।

"লাভ নাই অ', তাই কোনোপধ্যেই মান্তি নহয়। ইপিনে তাইৰো বয়স বহুত হ'ল নহয়; কোননো আগবাঢ়ি আহিব!" তীব্ৰ বেদনাত নিস্পন্দ হৈ যাব খোজে সনাতনৰ দেহ। সি অসহায়ভাৱে করুণ দৃষ্টিৰে কালুবুঢ়ালৈ চাই ৰয়ঃ যেন যত্নেৰে সাজি থকা বালিঘৰ এটা ভাঙি যোৱাৰ পিছত অসহায় শিশু এটাই সান্ত্বনা বিচাৰি করুণভাৱে থিয় হৈ ৰৈছে কালুবুঢ়াৰ ওচৰত। নিৰ্বাক সনাতন লাহে লাহে আগবাঢ়ি যায় মটৰ চাইকেল খনৰ ওচৰলৈ; পিছে পিছে কালুবুঢ়া। মটৰ চাইকেলৰ বক্সৰ পৰা এটা টোপোলা সনাতনে উলিয়াই আনে। টোপোলাটো কালুবুঢ়ালৈ আগবঢ়াই দি সি অনুৰোধৰ সুৰত কয়, "ইয়াত দুযোৰ কাপোৰ আছে। এযোৰ শেৱালিক আৰু এযোৰ জেচমিনক দিবি। আৰু এয়া পাঁচশ টকা, মাক দিবি। ইয়াৰে অলপ টকাৰে শেৱালিৰ কেঁচুৱাটোলৈ কিবা কিবি কিনি দিবি...." "দুদিনমান পিছত তই নিজেই দিব পাৰিবি দেখোন?" আচৰিত হৈ কালুবুঢ়াই কয়।

"নাই অ', সময় কেতিয়া পাওঁ একো ঠিক নাই। সংগঠনৰ কামৰ হেঁচা খুউব বাঢ়িছে। আৰু শুন এইবোৰ মই দিয়া বুলি নক'বি। ক'বি তোৰ অলপ সাঁচতীয়া পইছা আছিল; তাৰেই এইবোৰ কিনিছ। মই অহা বুলিও সিহঁতক নকবি।"

"তই নাহিবিয়ে নেকি?"

"চেষ্টা কৰিম। পিছে সময়নো আৰু ক'ত পাম? মই দেৰি নকৰো খুড়া, ধৰা পৰি যাম।" কালুবুঢ়াই সনাতনক জোৰেৰে বুকুৰ মাজত সাৱটি ললে; সনাতনক সি এনেদৰে যাবলৈ দিবলৈ টান পাইছে।

"কামৰ মাজতে সময় উলিয়াই মাজে মাজে আহি থাকিবি। তোক চাবলৈ আমাৰ খুউব মন যায় অ' সনাতন। মোৰতো আৰু ল'ৰা ছোৱালী নায়েই - তয়েই মোৰ পোৰ দৰে অ' সনাতন।" কালুবুঢ়াৰ কথাবোৰ বাজি ৰয়।

সনাতনে মটৰ চাইকেল ঘূৰাই লৈ ষ্টাৰ্ট কৰে; সি যাবলৈ সাজু হয়। "খুড়া, আহো দেই" সনাতনে কোনোমতে মাতটো দি মুখখন আন্ধাৰলৈ ঘূৰাই দিয়ে। চকুলোৰে তিতি যায় তাৰ দুগাল।

লাহে লাহে সশব্দে মটৰ চাইকেল আগবাঢ়ি যায়। সেই শব্দ অতিক্ৰম কৰি সনাতনৰ কানলৈ ভাহি আহে কালুবুঢ়াৰ আকুল কণ্ঠস্বৰ, "তই আকৌ আহিবি দেই....."

"চেষ্টা কৰিম খুড়া।" ❑❑❑

# আলি দোমোজা

○ ৰণ্জন ভট্টাচাৰ্য্য
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ



নন্দিনীয়ে ধাবাখন দাণ্ডি বাঁহ এডালেৰে ঢোকা দি ৰাখিলে। দোকানৰ ভিতৰৰ চিনাকি গোন্ধটো নাকত লাগিল। চকুত কট্ কটাই থাকিল বিস্কুটৰ টিনকেইটা। সাঁফৰবোৰত আঙুলিৰ বহুতো চাপ। তেল চিকটি লগা সাঁফৰ কেইটাত এই আঙুলিৰ চিহ্নবোৰ এনেকৈ বহি গৈছে যাক মচি উঠাব নোৱাৰি।

শাৰীখনৰ আগটো কঁকালত মেৰাই লৈ তাই দোকানত বহিল। কান্ধত চেফটি পিন নলগোৱা শাৰীখন এনেভাৱে ৰাখিলে যাতে খুউব সহজেই সৰি পৰি বুকুখন উন্মুক্ত হৈ পৰিব পাৰে। এটা দীঘল উশাহ টানিলে নন্দিনীয়ে।

পাঁচ আলিটো ব্যস্ত হৈ পৰিছে। ট্ৰেফিক পইণ্টটোলৈ পুলিচজন এতিয়াও অহা নাই যদিও গাড়ী, মটৰচাইকেল, টাংগা আদি ঠিকমতেই চলি আছে। নন্দিনীও ব্যস্ত। এই পাঁচআলিৰ চুকৰ দোকানখনক লৈয়েই তাই বাকীবোৰ মানুহৰ দৰেই ব্যস্ততাৰে দিন পাৰ কৰি আহিছে। ব্যস্ততা সকলোৰে আছে, বিভিন্ন জনৰ ব্যস্ততাত বিভিন্ন মাত্ৰা। নন্দিনীয়ে ভবাৰ দৰে শুভংকৰো স্থবিৰ নহয়। ঘুৰা-পকা কৰি থাকিলেই ব্যস্ততা নহয়। শুভংকৰে ৰাতিপুৱা উঠি নন্দিনীৰ দোকানত এই সময়তে চাহ, চিগাৰেট খাবলৈ আহে। দিনটোৰ বাবে নন্দিনীৰ দোকানৰ সম্মুখতে কৰিব লগীয়া কামৰ আঁচনি এখন কৰি লয়। তাৰপিচত আঁচনি অনুসৰিয়েই কেতিয়াবা ৰাতিলৈকে কিতাপৰ দ'মৰ মাজত কটাই দিয়ে, কেতিয়াবা মদৰ মহলৰ তক্তাৰ বেঞ্চ এখনতে কটাই দিয়ে। কেতিয়াবা হয়তো উদ্দেশ্যবিহীনভাৱে ঘুৰি-পকিয়েই কাটি যায় তাৰ গোটেই দিন।

এই অস্বাভাৱিক ল'ৰাটোক প্ৰথম নন্দিনীয়ে ক'ত লগ পাইছিল? নহয় প্ৰথম তাই তাক দেখিছিলহে, দোকান খোলাৰ পিছতহে লগ পাইছিল। নন্দিনীৰ ঘৰৰ সমুখতে শুভংকৰহঁতৰ হোষ্টেলটো। চিপ্‌চিপীয়া বৰষুণে সেই গোটেই দিন আৰু ৰাতি স্তব্ধ কৰি দিছিল পৃথিৱীৰ উৎসৱ। দুমহলীয়া হোষ্টেলটোৰ ওপৰ মহলাৰ ওঠৰ নং খিৰিকিখন মাজনিশাও খোলা আছিল। বাৰে বাৰে বতাহে কঁপাই আছিল খিৰিকিৰ আকাশীৰঙৰ পৰ্দাখন। ভিতৰত ছাঁয়ামূৰ্তি এটাৰ দৰে পায়চাৰি কৰি আছিল শুভংকৰে। নন্দিনীয়ে তাইৰ ঘৰৰ পিৰালিৰ পৰা আচৰিত হৈ চাইছিল শুভংকৰক। অতিপ্ৰাকৃত পৰিৱেশ এটাই তাইক মূক কৰি পেলাইছিল।

তাৰ এসপ্তাহৰ পিছতে নন্দিনীৰ গিৰিয়েকৰ মৃত্যু হ'ল। গিৰিয়েকৰ মৃত্যুৰ এমাহ পিছতে হোষ্টেলটোৰ সমুখত নন্দিনীয়ে এই চাহৰ দোকানখন আৰম্ভ কৰিলে। চাহৰ দোকানত শুভংকৰে যেতিয়াৰে পৰা চাহ খাবলৈ ল'লৈ তেতিয়াৰে পৰা নন্দিনীয়ে তাক লগ পাইছে। চুটি চুটি দুই এটা সাধাৰণ কথা

পাতিছে।

হোষ্টেলটোৰ পৰা ল'ৰাবোৰ চাহ খাবলৈ ওলাইছে। এইখিনিতে সিহঁতৰ আড্ডা জমে। যেতিয়া এই আড্ডাবোৰ নন্দিনীৰ দোকানৰ চৌপাশে গুজ-গুজাই আছিল তেতিয়া নন্দিনীৰ এনে লাগিছিল যেন তাইও অভিজাত মানুহবোৰৰ ব্যস্ততাৰ মাজত সোমাই পৰিছিল। প্ৰথমতে নন্দিনীৰ লাজেই লাগিছিল; ইমানবোৰ ডেকা ল'ৰাৰ মাজত সংকুচিত হৈ পৰিছিল তাইৰ অৱশিষ্ট যৌৱন। লাহে লাহে ল'ৰাবোৰেই কিন্তু তাইক সহজ কৰিছিল। সিহঁতৰ সকলো ধৰণৰ আড্ডাত পিছলৈ তাইও যোগ দিব পৰা হ'ল। এতিয়াও টিনবোৰৰ সাঁফৰত লাগি থকা আঙুলিৰ চাপবোৰ চাই ৰোমাঞ্চিত হয়। ল'ৰাবোৰে তাইলৈ অপেক্ষা নকৰাকৈয়েই সাঁফৰ খুলি টিনৰ পৰা বিস্কুট উলিয়াই খাইছিল। নন্দিনীয়ে এতিয়াও সাৱধানে চাই সেই আঙুলিৰ চাপবোৰৰ মাজত কৰবাত শুভংকৰৰ আঙুলিৰ চাপ বৈ গৈছে নেকি! কিন্তু এদিনো শুভংকৰে তাইক নোকোৱাকৈ এনেদৰে সাঁফৰ খুলি বিস্কুট উলিয়াই পোৱা নাছিল। অথচ এতিয়া শুভংকৰেইহে তাইৰ নিয়মীয়া গ্ৰাহক।

"বাইদেউ ২ টা বিস্কুট..."

".... বাইদেউ পপ এটা..."

নন্দিনীয়ে সহজেই মনত ৰাখিব পৰা হৈছিল মৌখিক বাকীৰ হিচাপ। তিনিজনী পেন্দুকনা ছোৱালীৰে তাইৰ সংসাৰখন চলাবলৈ দোকানখনৰ আয়েই যথেষ্টে আছিল।

কিমান বয়স এতিয়া নন্দিনীৰ! চৈধ্য বছৰত তাইৰ বিয়া। প্ৰথমৰ ছোৱালীজনী ২ বছৰৰ পিছত জন্ম। গিৰিয়েকৰ অসুখ আৰম্ভ হয় দ্বিতীয়জনী ছোৱালীৰ ২ বছৰত। আজি তাই বিধবা হোৱাৰ দিন ২ মাহ...। হুমুনিয়াহ এটা এৰি বুকুখনলৈ চাই তাই ভাবিলে —"যদি আগেয়েই জানিলোহেতেন বুকুৰ ২ টা মাংসপিণ্ড ২ খন মসৃণ হাতো দোকানৰ আয়ৰ কাৰণ হ'ব পাৰে তেনেহ'লে সিহঁতক নিপোটলকৈ ৰাখিবলৈ সদায় চেষ্টা কৰিলোহেঁতেন।" তাই সেয়ে আজিকালি জেদি হৈ গৈছে। এই জেদ চলিছে সুভগাৰ লগত। সুভগাই নন্দিনীৰ দোকানৰ সমুখতে চাহ-বিস্কুট, চিগাৰেটৰ দোকানখন খোলাৰে পৰা নন্দিনীয়ে এটা - এটাকৈ বহুত কিবা-কিবি হেৰুৱালে। ব্যস্ততাৰ ৰোমান্স হেৰুৱালে, আয় হেৰুৱালে, আত্মবিশ্বাস হেৰুৱালে! কিন্তু সুভগাৰ যৌৱনপুষ্ট আবেদনক এইবোৰে উপেক্ষা নকৰিলে। হোষ্টেলৰ ল'ৰাবোৰে সুভগাৰ চাহৰ দোকান আড্ডাৰে ৰোমান্সিত কৰিলে। সুভগাৰ বিস্কুটৰ টিন খুলি বিস্কুট উলিয়াই খাবলৈ ল'লে।

".. বাইদেউ ২ টা বিস্কুট।"

"... বাইদেউ প'প এটা।"

নন্দিনীৰ জেদ বাঢ়ি যায়। সুভগাই যিমানে পাতল শাৰি হাতকটা ব্লাউজ পিন্ধি দোকানলৈ আহিবলৈ আৰম্ভ কৰে, নন্দিনীও সিমানেই অস্থিৰ হৈ উঠে। ৰাতি ৰাতিটো নিজৰ যৌৱনৰ জোখ-মাখ কৰি নিদ্ৰা হেৰুৱাই পেলায়। এটা মাত্ৰ শপত লৈয়েই তাই টোপনি যায় "আন নহ'লেও তাই শুভংকৰক ধৰি ৰাখিব।"

"যদি পুলিচজন নাথাকিলহেতেন এই পাঁচ আলিটোত দুৰ্ঘটনা ঘটিল হেতেন নে!"

"....সোঁহাতৰ ৰাস্তাৰে পানবজাৰলৈ আহি থকা কোনোবা মানুহ আপুনি লগপাইছেনেকি যি ভুল কৰি ষ্টেছনৰ ৰাস্তাৰে গুচি গৈছে!"

"হোষ্টেলটোৰ ল'ৰাবোৰৰ ওপৰত আপোনাৰ আয় হানড্ৰেড্ পাৰ্চেণ্ট নিৰ্ভৰ কৰে।"

শুভংকৰ মানুহটো যেনেকুৱা অস্বাভাৱিক তাৰ কথাবোৰো অস্বাভাৱিক। নন্দিনীয়ে তাৰ এনেকুৱাবোৰ কথাত প্ৰায় নিৰুত্তৰ হৈ থাকে? এথুতুঁৰি দাঁড়ি, এটাই মাত্ৰ অ'ভাৰ কোট আৰু অদ্ভুত ৰহস্যময় এহাল চকুৰে শুভংকৰক লৈ প্ৰায়বোৰ ল'ৰাৰ মাজতে চৰ্চা হয়। জুম-জুম আড্ডাৰ মাজতো নিশ্চুপ হৈ থকা শুভংকৰক তাই সম্ভ্ৰম কৰিছিল। চাহ - বিস্কুট হাতত গুজি দি আহিছিল। কিন্তু তাই কেতিয়াও ভবা নাছিল শেহলৈকো যে তাইৰ ওচৰত কেৱল শুভংকৰেই থাকিব। সুভগাই অন্ততঃ শুভংকৰক তাইৰ ওচৰৰ পৰা কাঢ়ি নিব নোৱাৰিব। বাকী ল'ৰাবোৰৰ দৰে সুভগা আৰু নন্দিনীক প্ৰতিযোগিতাৰ মঞ্চত উঠাই দৌৰা-দৌৰি কৰা নাই শুভংকৰে।

হয়তো নন্দিনীৰ ওপৰত শুভংকৰৰ আস্থা আছে। এনেকৈ ভাবিলেই নন্দিনীয়ে চিপ্‌চিপীয়া বৰষুণ দিলে বাহিৰলৈ ওলাই আহে। অস্বাভাৱিকতাবোৰৰ প্ৰতি প্ৰৱণতা বাঢ়ি যায়। কান পাতি শুনিবলৈ মন যায় নিশা ভাগি পুৱা হোৱাৰ শব্দ। ৰহস্যময় ৰাতিৰ নিৰ্জনতা উজাগৰে থাকি উপভোগ কৰিবলৈ মন যায়। শুভংকৰ মানুহটোক অতি ওচৰৰ পৰা জানিবলৈ মন যায়। শুভংকৰ আহিল। হোষ্টেলৰ গে'টৰ বাহিৰ হওঁতেই দেখা পালে নন্দিনীয়ে। কিয় আহে সি! এনেকৈ যদি নিৰৱতাৰ প্ৰেমত পৰি দিনবোৰ কটাই দিয়ে তেনেহ'লে আধৰুৱা হৈ যাবনেকি তাৰ জীৱন। অনুপমাকো সুধিছিল সি। কোনটো বাট ভাল। কোনটো বাটে গ'লে প্ৰকৃততে যোৱা হয়! তেতিয়া সমুখৰ বিশুদ্ধ-অশুদ্ধ অথবা নিষিদ্ধ সকলোবোৰ পথ, ভৌতিক-অভৌতিক সকলোবোৰ ঘটনা - অঘটনাৰ মাজত জীৱনৰ অৰ্থ বিচাৰি সি পিত্-পিতাই ফুৰিছিল। এক ভয়ংকৰ অসহায়বোধ, নিঃসংগতাবোধে তাক অনবৰতে বেৰি ৰাখিছিল। অনুপমাৰ বুকুৰ ঠেক গিৰিপথত মুখ লুকুৱাই কেতিয়াবা পাহৰি থাকিব বিচাৰিছিল অসহায়তা আৰু গ্লানিবোধ।

"....ফুলৰ আছে এক নান্দনিক সৌৰভ। ফুল ফুলে

নিঃশব্দে। পোহৰত পৃথিৱী সজাগ হয়, পোহৰত ব্যস্ততাই প্ৰানী আৰু প্ৰকৃতিক অস্তিত্বৰ চেতনা দিয়ে। অথচ পোহৰ অহাৰ কোনো শব্দ নাই। পৃথিৱীত সকলোবোৰ আশ্চৰ্য্যকৰ ঘটনাই নিঃশব্দে ঘটে আৰু সেইবোৰেহে স্থায়ী মূল্য ৰাখি যাব পাৰে।" অনুপমাই নিৰৱ কৰি থৈ গুচি গ'ল শুভংকৰক। নিচুকাই, ওমলাই লোৱাৰ পাচত টোপনি যোৱা শিশুৰ ওচৰৰ পৰা মাক যেনেকৈ নিৰবে উঠি যায় তেনেকৈ নহয়, বৰ আকস্মিক ভাৱে তাই গুচি যাব লগা হ'ল। নিৰৱ মুহূৰ্তবোৰত এতিয়া শুভংকৰে ভাবে তাৰ জীৱনৰ মান্য - অমান্য পথবোৰৰ কোনটোৰে গুচি গ'ল অনুপমা! এক আশ্চাৰ্য্য আনন্দবোধৰ বাবে আৰু তাৰ স্থায়ী মূল্যৰ বাবে নিৰৱ হৈ ৰ'ল শুভংকৰ-চিগাৰেটৰ পেকেট আৰু চাহৰ গিলাচটো আগবঢ়াই নন্দিনীয়ে অবাক হৈ চাই ৰ'ল শুভংকৰক। চকুৰ পাহিবোৰ তাৰ ক'লা পৰি গৈছে। নুখুৰোৱা দাঁড়িবোৰ ঠায়ে ঠায়ে তাম বৰণীয়া হৈ পৰিছে। নিৰ্বাক-নিশ্চল শুভংকৰৰ গাত চুচৰি বাগিৰ থাকিল নন্দিনীৰ চকুহাল। শুভংকৰে মুখ তোলাৰে তাই ৰ'ল। একো বেয়া কথা ভবা নাই, একো বেয়াকাম কৰিবলৈ লোৱা নাই বুলিয়েই তাইৰ ধাৰণা। যদি আকৰ্ষণেই নাথকিল হেঁতেন কিয় বাকীবোৰ ল'ৰাৰ দৰে শুভংকৰে তাইৰ দোকানখন এৰি নগ'ল। জুমৰ পৰা কিছু অকলশৰীয়া ল'ৰাটো, একো ডাঙৰ কথা নহয় যদিহে তাৰ চকুৰ ৰহস্যত উদঙাই দিব পৰা যায় তাইৰ বুকুৰ ৰহস্য। এটা শুভংকৰক বুকু উদঙাই দেখুওৱাতো হাজাৰটা উশৃংখল ল'ৰাৰ সমূখত বুকু উন্মুক্ত কৰি ৰখাতকৈ কম দোষণীয়। শুভংকৰে হয়তো নাজানে নন্দিনীয়ে তাক দেখা পোৱাৰ, তাৰ ওচৰ চপাৰ আশাতে অথবা তাৰ মৰমতে ভিতৰ টৌলাং দোকানখন ধৰি ৰাখিছে। হয়তো নন্দিনীৰ দোকানখন নোহোৱা হৈ গলে শুভংকৰৰ দিনবোৰ কিবা ভুল হৈ যাব, এই আশংকা নন্দিনীৰ। নন্দিনীৰ আৰু এটা ভয় আছে গতানুগতিকতাত অতিষ্ঠ হৈ যদি শুভংকৰ আঁতৰি যায়! সেয়ে নন্দিনীয়ে আজি শুভংকৰৰ সমুখতে মুকলি কৰি দিব তাইৰ আন্তৰিক স্পৃহা।

"...আহাৰ, নিদ্ৰা, মৈথুনৰ বাহিৰে আন সৃজন চিন্তা কেৱল ইহতৰ বোৰৰহে নাথাকে। পাৰহোৱা দিনবোৰত যে মই....'

"... অস্ হ... তুমি এইখন পৃথিৱীৰে মানুহ। মানুহ হিচাবে একো ঘটনাই তোমাৰ বাবে মোৰ বাবে অস্বাভাৱিক বুলি নাভাবিবা।"

তেতিয়া অনুপমাৰ মৰমৰ ছাঁই শুভংকৰক শীতল কৰাৰ সময়। শুভংকৰৰ ধাৰণা হৈছিল মানুহ আৰু মানুহৰ ওচৰ সম্বন্ধই এদিন পৃথিৱীৰ শেষ সত্য বুলি নিশ্চয় পৰিগণিত হ'ব।

শুভংকৰ নন্দিনীৰ দোকানখনত তেতিয়ালৈকে বহি থাকে যেতিয়ালৈকে পুলিচপইন্টটোলৈ পুলিচজন নাহে। পুলিচজন আহি যান-বাহন নিয়ন্ত্ৰণ কৰিবলৈ লোৱাৰ পাছৰ আৰু আগৰ *পাঁচআলিটোৰ ব্যস্ত পৰিৱেশৰ তুলনাত্মক* অনুধাৱনৰ লগত শুভংকৰে নিজৰ মনৰ কিবা এটা মিল বিচাৰি পায়।

পুলিচজন আহেনেকি চাই নন্দিনীয়ে আৰু এটা চিগাৰেট শুভংকৰলৈ আগবঢ়াই দিলে। আধাপোৰা চিগাৰেটটো আঙুলিৰ ফাঁকৰ পৰা পেলাই আনটো জ্বলাই ল'লে শুভংকৰে। 'এবাৰলৈ যদি নন্দিনীক শুভংকৰে বুজিলেহেতেন' ... এনে লাগিল নন্দিনীৰ।

" - মই আপোনাৰ দোকানত চাহ খাবলৈ লোৱা কিমান দিন হ'ল?"

শুভংকৰৰ এনে এটা আকস্মিক প্ৰশ্নৰ বাবে নন্দিনী একেবাৰে প্ৰস্তুত নাছিল।

"- যোৱাবাৰ বাৰিষা দিনত একেলেথাৰিয়ে যে কেইবাদিনো চিপ্‌চিপীয়া বৰষুণ দিছিল!" তাই ক'লে।

"— বৰষুণৰ ৰাতি এই ৰাস্তা পাঁচোটা ষ্ট্ৰিত লাইটৰ পোহৰত সাপৰ পিঠি যেন দেখি।"

নন্দিনীয়ে কি ক'ব ভাবি নাপালে। শুভংকৰৰ এনেকুৱা কথাবোৰত কিবা ক'ব পৰাকৈ তাইৰ সামৰ্থ্য নাই। মনতে ভাবিলে তেনেকুৱা এটা ৰাতিৰ কথা।

অতি প্ৰাকৃত পৰিৱেশ এটা তাইৰ চকুৰ আগত ভাঁহি উঠিল। পাঁচোটা ৰাস্তা পাঁচোডাল পিচল ক'লা সাপৰ দৰে কিলবিল কৰি মাজৰাতি শুভংকৰৰ খোলা খিৰিকিৰ ফালে উঠি গৈছে। ছাঁয়ামূৰ্ত্তিৰ দৰে কোঠাত পায়চাৰি কৰি আছে শুভংকৰ। শিয়ৰী উঠিল নন্দিনী। যেতিয়া আশা ভাগে, যেতিয়া খুউব প্ৰিয় কিবা এটা হেৰায়, ভবাতকৈ যেতিয়া অধিক বেছি ব্যতিক্ৰম যেন লাগে, জীৱনত তেতিয়াই মানুহ অতি প্ৰকৃত উপলব্ধি বা পৰিৱেশ কল্পনাৰ প্ৰেমত পৰে। অস্বাভাৱিক জীৱনবোধ এটাই আগুৰি ধৰে মানুহক।

"— মাজৰাতি তুমি খিৰিকি খুলি ভিতৰ বাহিৰ কৰি ফুৰা, বৰষুণ বতাহলৈ চাই অস্থিৰ হোৱা মই প্ৰায়েই চাই থাকোঁ।"

শুভংকৰে এই প্ৰথম যেন নন্দিনীৰ চকুলৈ চালে। তাৰ থৰ হৈ ৰোৱা উজ্বল চকুহালৰ সমূখত নন্দিনীয়ে সহজ হ'বলৈ চেষ্টা কৰিলে। এনেতেই পুলিচ পইন্টটোৰ ফালে চাই শাৰীখনৰ আগটো কঁকালৰ পৰা এৰুৱাই দিয়াৰ লগে লগে তাইৰ বুকুৰ পৰা খহি বুকুখন উন্মুক্ত হৈ পৰিল। ট্ৰেফিক পুলিচজন আহিল। নন্দিনীৰ সহজ হৈ পৰা মুখখনত তেতিয়া সংশয় নাছিল। কিন্তু সহজ হ'ব নোৱাৰিলে শুভংকৰ। সি অকস্মাৎ বহাৰ পৰা উঠি আধাপোৰা চিগাৰেটটো টানকৈ আঙুলিৰ চেপাত লৈ পাঁচআলিৰ শৃংখল প্ৰচেষ্টা ভাঙি দং দং কৈ আঁতৰি গ'ল। খন্তেকলৈ পুলিচজন বিবুধিত পৰিল। খন্তেকলৈ ব্যস্ত মটৰচাইকেল, গাড়ী আৰু টাংগাবোৰৰ মাজত খেলিমেলি লাগিল। আচৰিত হৈ ৰ'ল নন্দিনী।

❑❑❑

গল্প

# মোৰ মৃত্যুত

○ *সৌৰভ*



অৱশেষত অতি সহজ অৰ্থত মোৰ মৃত্যু হ'ল। মৃত্যু হ'ল মানে মোৰ ওঁঠৰ উদ্দেশ্যহীন কচৰৎ বন্ধ হ'ল; হাঁহিৰ নামত মোৰ ওঁঠ আৰু দাঁতে লৰচৰ নকৰা হ'ল। অনাই বনাই মোক লৈ ফুৰোৱা মোৰ ভৰি দুখন স্থবিৰ হ'ল; য'তে ত'তে যিকোনো মানুহৰ মুখ চাই ফুৰা, আবেলিৰ বেলিয়ে পাহাৰৰ আঁৰত মুখ লুকুৱা দৃশ্য চাব পৰা, মদৰ দোকান, কচাই খানা, আৰু চহৰৰ অস্পৃশ্য গলিবোৰৰ ওপৰত এনেয়ে অৰ্থহীন ভাৱে দৃষ্টি নিক্ষেপ কৰা মোৰ চকুযোৰৰ সামৰ্থ্য টুটি আহিল; সুগন্ধি মচলাৰে ৰন্ধা তৰকাৰীৰ গোন্ধ লোৱা, গোলাপ আৰু ফুলনিৰ গোন্ধ ল'ব পৰা, বৰষুণত ভিজা জীপাল মাটিৰ সজীৱ গোন্ধ ল'ব পৰা, বোমাবিস্ফোৰণত সিঁচৰতি হৈ পৰা মানুহৰ তেজ আৰু মাংসপিণ্ডৰ গোন্ধ লোৱা মোৰ নাকটোৰ ঘ্ৰাণ শক্তি সম্পূৰ্ণ লোপ পালে। সুগন্ধি মচলাৰে ৰন্ধা তৰকাৰীৰ গোন্ধ নাকত লাগিলেই লকলকাই উঠা মোৰ জিভাখন, সূৰ্য্যৰ বিদায় পৰত বা জীপাল মাটিৰ গোন্ধ লোৱাৰ পৰত শব্দৰ গুণগুণনি তুলিব পৰা মোৰ জিভাখন, গুলীয়াগুলী আৰু বোমা বিস্ফোৰণত নিহত প্ৰতিজনৰ তেজ আৰু কেঁচা মাংসপিণ্ডৰ গোন্ধ পাওঁতে প্ৰতিবাদৰ আৰ্তনাদ তুলি চৌপাশৰ সংবেদনত আৰু এবাৰ জোকাৰণি তুলিবৰ চেষ্টা কৰিব পৰা মোৰ জিভাখন - একেবাৰে নিশ্চুপ হৈ পৰিল; নৈৰ বুকুৰেদি নামি অহা সূৰ্য্য, নৈৰ বুকুৰেদি বগুৱা বাই উঠি যোৱা সূৰ্য্যক দেখি, শস্য শ্যামলা বিস্তীৰ্ণ পথাৰৰ সোমাজত থিয় হওঁতে অজান পুলকত শিহঁৰিত হৈ উঠিব পৰা মোৰ শৰীৰৰ সকলো উচ্চল অঙ্গ-প্ৰতঙ্গ, ছবিঘৰৰ আন্ধাৰত উলঙ্গ নাৰীদেহৰ ছবি মোৰ চকুৰ দৃষ্টিত ধৰা দিওতে উদগু হৈ উঠা মোৰ শৰীৰৰ সকলো অঙ্গ-প্ৰতঙ্গ নিশ্চল হৈ পৰিল। থোৰতে মোৰ জীৱন আৰু মৃত্যুৰ মাজত সহজ সৰলৰেখা এডাল টানি দিলে এইখিনি কথাই। আৰু এই সকলোবোৰ মোৰ ইচ্ছানুযায়ী কৰা হ'ল; অৰ্থাৎ আন এক সহজ অৰ্থত মই আত্মহত্যা কৰিলো। কিন্তু মই অতি সন্তৰ্পনে সক্ৰিয় কৰি ৰাখিলো মোৰ কাণ আৰু প্ৰয়োজন হলেই অতি সাৱধানে খুলিব পৰাকৈ ৰাখিলো মোৰ চকুহাল। অৱশ্যে মোৰ মগজু, হাঁওফাওঁ আৰু হৃৎপিণ্ড, কেৱল

এই তিনিটা অঙ্গকহে মই সম্পূর্ণ সক্রিয় কৰি ৰাখিছো। মোৰ ঘ্ৰাণশক্তি সম্পূর্ণ লোপ পালে যদিও, বায়ু সেৱন কৰিব পৰাকৈ মই মোৰ নাকটোৰ সামৰ্থ্য অটুত ৰাখিছো। হাওঁফাওঁ আৰু হৃৎপিণ্ডই বায়ু পৰিশীলিত কৰি আছে আৰু মোৰ মগজুলৈ অক্সিজেন মিহলি তেজৰ যোগান অব্যাহত ৰাখিছে। অর্থাৎ হৃৎপিণ্ডৰ পৰা মোৰ শৰীৰৰ ওপৰভাগহে এতিয়াও কিছু সক্রিয় হৈ আছে। শৰীৰৰ অইন সকলো অঙ্গলৈ ৰক্ত সঞ্চালন বন্ধ হৈ গৈছে আৰু সেয়েহে অন্যান্য অঙ্গ প্রত্যঙ্গ এতিয়া নিশ্চল - নিশ্চুপ। অৱশ্যে যি বিশেষ ব্যৱস্থাৰে মই মোৰ শৰীৰটোক এইদৰে অর্ধমৃত দেহলৈ ৰূপান্তৰিত কৰিব পাৰিছোঁ, আৰু প্রায় ছয়ঘণ্টা পাছতেই ইয়াৰ কার্য্যকাৰিতা লোপ পাবলৈ ধৰিব আৰু মৃত্যুৱে মোৰ মগজুৰ কোষবোৰকো স্পর্শ নকৰাকৈ নাথাকিব। অর্থাৎ আৰু ছয়ঘণ্টা পাছতহে মোৰ এই 'মৃত্যু'ৰ প্রক্রিয়া সম্পূর্ণ হ'ব। মই এই সকলোবোৰ কৰিলোঁ মোৰ চকুহালে সদায় দেখি থকা মানুহবোৰৰ মুখবোৰ ভালদৰে চিনি লোৱাৰ মানসেৰেহে।

যিটো সৰু কোঠাৰ চাৰিবেৰৰ মাজত মই প্রায়েই অলসতা আৰু নিসংগতাত ডুব গৈ থাকো, এতিয়া মই সেই কোঠাটোৰ বিচনাত। মই মূৰ থোৱা গাৰুটোৰ কাষত বিষাক্ত ঔষধৰ সৰু খালী বটল এটা, আৰু মোৰ 'আত্মহত্যা'ৰ কাৰণ বৰ্ণিত মোৰ হাতৰ আখৰৰ এখন চিঠি। ভিতৰৰ পৰা কোঠাৰ দুৱাৰ বন্ধ। এটা সময়ত দুৱাৰত টোকৰ পৰিল। প্রথমতে লাহে লাহে আৰু মৃদুভাৱে, তাৰ পাছত ক্রমান্বয়ে জোৰকৈ আৰু অস্থিৰভৱে। তাৰ পাছত মোৰ নাম কাঢ়ি কোনোবাই মাতিলে- - মাতত উদ্বিগ্নতা স্পষ্ট। মাৰ মাতষাৰ চিনি পোৱাত মোৰ অকণো অসুবিধা নহ'ল। ক্রমান্বয়ে মাতষাৰ এটা অসহায় চিঞৰলৈ ৰূপান্তৰিত হ'বলৈ ধৰিলে। তাৰ পাছত কেইমুহূর্তমানৰ নিস্তব্ধতা আৰু আন এটা সময়ত দুৱাৰত অশেষ ভুকু, ঢকা, লগতে কিছুমান চিনাকি চিঞৰত উচ্চাৰিত মোৰ নাম। চিঞৰৰ সংখ্যা ক্রমান্বয়ে বাঢ়ি আহিল আৰু মই অন্যমনস্কভাৱে "মোৰ মৃতদেহ"ৰ সৈতে পৰি ৰলো। এটা সময়ত দুৱাৰখন ভাঙি পৰিল আৰু হুৰমুৰকৈ কিছুমান মানুহ সোমাই আহিল। এগৰাকী তিৰোতাই মোৰ দেহত উবুৰি খাই পৰি হুৱাওৱাওকৈ কান্দিলে; এইগৰাকী মোৰ মা, চিনি পোৱাত মোৰ অলপো অসুবিধা নহ'ল। মই অতি সাৱধানে মোৰ শ্বাস প্রশ্বাস নিয়ন্ত্রণ কৰি ল'লো - যাতে ধৰা পৰি নাযাওঁ। ইতিমধ্যেই মই শৰীৰটোক জঠৰ আৰু শেতা কৰি পেলোৱাৰ ব্যৱস্থা কৰিছিলো। অৱশ্যে আন কোনো মানুহ মোৰ মৃতদেহৰ ওপৰত উবুৰি খাই পৰা নাছিল। কোনেও মোৰ শ্বাস প্রশ্বাসো পৰীক্ষা কৰি চোৱা নাছিল।

এইবোৰ কোনেও নকৰে বুলি মই আগেয়ে প্রায় নিশ্চিত আছিলোঁ, সেয়েহে ইমানদূৰ আগবাঢ়িছোঁ।

ক্ষন্তেকতে হুৱা-দুৱা লাগি গ'ল। ক্রমান্বয়ে সৰু কোঠাটোত মানুহৰ ভিৰ বাঢ়িল। মোৰ মৃতদেহটো বগা কাপোৰ এখনেৰে ঢাকি দিয়া হ'ল। মোৰ অস্বস্তিখিনিও অলপ দূৰ হ'ল, অন্ততঃ এতিয়া মই পাতল কাপোৰখনৰ তলৰ পৰা মানুহবোৰৰ মুখবোৰ নিৰীক্ষণ কৰিব পাৰিম। বয়সীয়াল মানুহবোৰে ইচ্ ইচ্ আচ্ আচ্ কৰা মই শুনিলো। দুই এজনে মন্তব্য কৰিলে -"ইমান ধুনীয়া ডেকা ল'ৰাটো, চেঃ ইমান সুন্দৰ জীৱনটো অকালতে মৰহি গ'ল।" ইয়াৰে বেছিকেইজনকে মই চিনি পাওঁ। পিছে মই 'জীয়াই' থাকোতে এখেতসকলৰ বেছিভাগেই মোক শুনা-নুশুনাকৈ 'নিষ্কর্মা' বুলি ইতিকিং কৰা মোৰ ভালদৰেই মনত আছে। কেতিয়াবা কিবা কাৰণত যদি মই এখেতসকলৰ ঘৰলৈ যাবলগীয়া হৈছিল তেনেহ'লে কি কাম আছে তাকে অতি নির্লিপ্তভাৱে সুধি দুৱাৰমুখৰ পৰাই মোক ওভতাই পঠিয়াইছিল। আনকি বহিবলৈও কোৱা নাছিল। ৰাস্তাৰে যাওঁতে কেতিয়াবা কাষেৰে পাৰ হৈ যাবলগীয়া হ'লে তেখেতসকলে মোলৈ কেৰাহিকৈহে চাইছিল, মাতষাৰো দিয়া নাছিল। মই হেনো "ধোদ", নিজৰ জীৱনটো তিলতিলকৈ ধ্বংসৰ মুখলৈ লৈ যোৱা এটা কাণ্ডজ্ঞানহীন প্রাণী, মোৰ মুখলৈ চোৱাও পাপ। অথচ এই একেকেইজন মানুহেই এতিয়া মোৰ 'মৃত্যু'ৰ পাছত মই এৰি থৈ অহা জীৱনটো কিদৰে সুন্দৰ বুলি ক'লে মই বুজি নাপালোঁ। অৱশ্যে মই এতিয়া মানুহকেইজনৰ মুখকেইখন আগতকৈ ভালদৰে চিনিপালো। খুব সম্ভৱ এওঁলোকে মোৰ দৰেই নিষ্কর্মা আৰু ধোদ বা এওঁলোক খুব ভাল অভিনেতা আৰু মিছলীয়া। নহ'লে মোৰ 'মৃত্যু'ত এইদৰে দুখ কৰাৰ থল নাই।

"ইমান ধুনীয়া ডেকা ল'ৰাটো! এইটো সম্ভৱেই নহয়। নিশ্চয় কিবা ষড়যন্ত্র থাকিব লাগিব।" অতি জ্ঞানী আৰু অনুসন্ধিৎসুৰ দৰে এজনে কথাখিনি কলে। এখেতকো মই চিনি পাওঁ। এখেত এই ঠাইখিনিৰ এজন সৰু সুৱা মুৰব্বীলোক। মোৰ 'জীৱিত' কালত মোক লগ পালে প্রায়েই এওঁ সুধিছিল - "হেৰা ডেকাল'ৰা, ইমান পুষ্ট স্বাস্থ্য কিদৰে বনাইছাহে। পিছে তোমাৰ পিতাৰাই এৰি থৈ যোৱাখিনিকে খাই উছন কৰিব খুজিছানে নিজাববীয়াকৈ উপার্জন কৰিছা? আজিকালিৰ ল'ৰা কৰওটো নোৱাৰি ...।" এখেতৰ এনেধৰণৰ কথাবোৰৰ উত্তৰ থিতাতে দিয়াটো মোৰ পক্ষে সম্ভৱ নাছিল। অৱশ্যে এখেতে যে মোৰ পৰা কিবা উত্তৰ আশা কৰিছিল সেইটোও মিছা। প্রকৃততে মোৰ খবৰ লোৱাৰ আগ্রহ থকা হ'লে তেখেত মই থকা ঘৰটোলৈকে আহিব পৰিলেহেঁতেন, - মই তেখেতৰ চুবুৰীয়াহে আছিলোঁ। আচলতে তেওঁ মোক তেওঁৰ কথাখিনি শুনোৱাতহে বেছি আগ্রহী আছিল। কেতিয়াবা জোনাক ৰাতি মই নদীৰ পাৰৰ পৰা গুণগুণাই উভতি আহিলে তেখেতে মোক মাজবাটতে আগচি ধৰাদি ধৰি সুধিছিল, "হেৰা, এই ৰাতিখন ক'ৰপৰা আহিলা, বৰ ৰঙিয়াল দেখিছো!" মই "নদীৰ পাৰৰ পৰা আহিলো", বুলি কলেও তেখেতে মোৰ উত্তৰলৈ ভ্রুক্ষেপ নকৰি মাথোঁ সন্দেহ আৰু তাচ্ছিল্যৰ ভাৱ লৈ নাচি থকা চকু যুৰিৰে মোলৈ চাইছিল আৰু এটা চেপা হাঁহি মাৰিছিল। পিছে এইজন মানুহৰ মুখখন মই এতিয়া আগতকৈ ভালদৰে চিনি পালো। মোৰ মৃত্যুত

তেখেতে কৰা মন্তব্যটো শুনি মই নিশ্চিত হ'লো যে তেখেত প্ৰকৃততে এজন মূৰ্খহে।

ইতিমধ্যে মই মোৰ মৃত্যু উপলক্ষে লিখা চিঠিখন ইহাত-সিহাতকৈ ভালেকেইখন হাত বাগৰিছে। চেমনীয়াবোৰৰ বেছিভাগেই চিঠিখনৰ পৰা মোৰ আত্মহত্যা সম্পৰ্কে একো কাৰণ ঠাৱৰ কৰিব নোৱাৰি বুলি, আৰু মই প্ৰকৃততে এটা পাগলহে আছিলো বুলি মন্তব্য কৰিছে। কাপোৰৰ তলৰ পৰাই মই এবাৰ সন্তৰ্পণে চাই দেখিলো দুই-এজনে এনেয়ে চকু ফুৰাই হাত বগৰাইছে। কিশোৰী আৰু যুৱতীহঁতে চিঠিখনক লৈ কিছু টনা-আজোৰা কৰাযেন অনুমান হ'ল। বোধহয় মই কিবা প্ৰেমজনিত কাৰণত আত্মহত্যা কৰিলোঁ নেকি আৰু যদি সেয়ে হয় কি বিৰহ বেদনাত ভূগি মই এনে কাম কৰিলোঁ তাকে জানিবলৈ এওঁলোকে উথপথপ লগাইছে। বৰ খৰতকিয়া গতিৰে মোৰ চিঠিখন ইমূৰৰ পৰা সিমূৰলৈ পঢ়ি শেষ কৰাৰ পাছত তেওঁলোকৰ মুখ আৰু চকুত লক্ষ্যভ্ৰষ্ট হোৱা আৰু কিছু পৰিমাণে তিক্ততাৰ ভাৱ দেখিয়েই মই এই বিষয়ে ঠাৱৰ কৰিব পাৰিলোঁ। মাজতে কোনোবা এজনীয়ে মই লিখি থোৱা বিশেষ বাক্য এটাত গুৰুত্ব আৰোপ কৰি চিএঞৰি উঠিল - "বুজিছোঁ বুজিছোঁ, মই ভৰাটোৰেই হয়, নহ'লে তেওঁ এইদৰে নিলিখিলেহেঁতেন।"

অৱশেষত চিঠিখন লাহে লাহে বয়সীয়াল মানুহবোৰৰ হাতত পৰিলহি। তেওঁলোকৰ কোনেও মোৰ চিঠিখনৰ ওপৰত মন্তব্য দিয়া মই নুশুনিলোঁ। মোৰ চিঠিখন পঢ়ি তেওঁলোক খুউব গহীন হৈছে নেকি আৰু তেওঁলোকৰ চকু-মুখত ব্যথাৰ ভাব ফুটি উঠিছে নেকি তাক চাবলৈ মই কাপোৰৰ তলৰ পৰাই অতি সন্তৰ্পণে আকৌ এবাৰ দৃষ্টি নিক্ষেপ কৰিলো। ওহো নাই, আচলতে এওঁলোকে নিৰ্লিপ্তভাৱে চিঠিখন ইহাত সিহাত সলাইছে, দুই এজনৰ চকুত প্ৰশ্নবোধক চাৱনি, দুই এজনৰ আকৌ খং উঠা যেন লাগিল - "এইবোৰ কি গছত গৰু উঠা কথা লিখিছে," - এনে ভাৱ। তেওঁলোক কোনেও তেনেহলে মই মোৰ চিঠিত উল্লেখ কৰা আত্মহত্যাৰ কাৰণটো বুজি উঠিব পৰা নাই। কিছুসময়ৰ পাছত বাতৰিকাকতৰ সম্পাদকজন ওলালহি। মোৰ জীৱিত কালত তেখেত মোৰ চুবুৰীয়া আছিল আৰু এই আবাসস্থলীৰ তেখেত এজন মুখীয়াল ব্যক্তি। তেখেতৰ অনুপস্থিতিত বা তেখেতৰ অজ্ঞানে ইয়াৰ কোনো গুৰুত্বপূৰ্ণ কামেই সমাধা নহয়। সেয়েহে তেখেতক বোধহয় মোৰ 'মৃত্যু'ৰ খবৰটো কোনোবাই দিলে আৰু পলমকৈ হ'লেও মোৰ 'মৃত্যু'ৰ গুৰুত্ব বুজি তেওঁ আহিল। মানুহবোৰেও বোধহয় তেওঁ অহালৈকে বাট চাই আছিল। তেওঁ অহাৰ লগে লগে হুলস্থূলীয়া পৰিৱেশ কিঞ্চিত শাম কটা যেন অনুমান হ'ল, মানুহবোৰক নতুন ব্যস্ততাই আগুৰি ধৰা যেন অনুমান হ'ল, এটা মৃদু গুঞ্জন উঠিল। সম্পাদকজনলৈ কোনোবাই মই লিখা চিঠিখন আগবঢ়াই দিলে। মই তেওঁৰ মুখলৈ দৃষ্টি নিক্ষেপ কৰিলোঁ। কোনো মন্তব্য নকৰাকৈ তেখেতে মোৰ চিঠিখনত চকুফুৰাইছে। তেখেতৰ মুখত চিন্তাক্লিষ্টতা নে প্ৰশ্নসূচক ভাৱ মই কাপোৰৰ তলৰ পৰা ঠিক ধৰিব নোৱাৰিলোঁ। তাৰ পাছত মই আৰু কিবা লিখি থৈ গৈছোঁ নেকি তেখেতে সুধিলে আৰু মোৰ দিনলিপিবোৰ চোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। কোনোবাই তেখেতৰ হাতত মোৰ দিনলিপিবোৰ তুলি দিলেহি। তেখেতে মোৰ দিনলিপিত কি বিছাৰিছে আৰু মোৰ দিনলিপি পঢ়ি তেখেতে কি মন্তব্য দিয়ে তাক জানিবলৈ মই উদগ্ৰীৱ হৈ ৰ'লোঁ। বোধহয় তেখেতে মানুহবোৰক বাহিৰলৈ ওলাই যাবলৈ ইংগিত দিলে, মানুহবোৰ বাহিৰলৈ ওলাই যোৱা যেন মোৰ অনুমান হ'ল। মই কিছু সন্তুষ্ট হ'লো, তাৰমানে এখেতে মোৰ আচল উদ্দেশ্য বুজিছে নেকি? যিজন ব্যক্তিয়ে (সম্পাদক) মোৰ জীৱিত কালত মোক কোনো মূল্যোৰে বিবেচনা কৰা নাছিল, সেই একেজন মানুহেই এতিয়া মোৰ মৃত্যুত কিছু চিন্তাক্লিষ্ট অথবা গম্ভীৰ হৈ পৰা দেখি মোৰ ধাৰণা হৈছিল - তেওঁ ছাগৈ মোৰ মৃত্যুৰ আচল কাৰণ বুজিব পাৰিছে আৰু সেয়েহে তেওঁ কিছু অনুতপ্ত। কিন্তু মোৰ ভুল ভাগিবলৈ বেছি পৰ নালাগিল। আচলতে তেওঁ মোৰ 'মৃত্যু'ৰ আচল কাৰণ সমধানত অলপো ব্যস্ত নহয়। মোৰ জীৱনকাল, জীৱনকালৰ আশা-আকাঙ্খা, ক্ষোভ আৰু হতাশা এইবোৰ একোৰেই মূল্য তেওঁৰ ওচৰত নাই। তেওঁৰ বাবে একমাত্ৰ গুৰুত্বপূৰ্ণ কথাটো হ'ল মোৰ 'মৃত্যু'। তেওঁৰ মুখীয়াল চৰিত্ৰ, গুৰুগম্ভীৰ চিন্তাক্লিষ্টতা জাহিৰ কৰিবৰ বাবেহে মোৰ 'মৃত্যু' তেওঁৰ বাবে এক গুৰুত্বপূৰ্ণ ঘটনা। আচলতে মোৰ মৃতদেহটো বাহিৰলৈ উলিয়াই নিয়াৰহে যো- জা চলিছে। এটা সময়ত মোক বাহিৰলৈ উলিয়াই অনা হ'ল আৰু এখন বাহৰ চাঙিত মোৰ "মৃতদেহ" তুলি দিয়া হ'ল। চাঙিখন অপ্ৰয়োজনীয় ভাৱে ডাঙৰকৈ সাজিছে বুলি এজন বয়সীয়াল লোকে কাৰোবাক ধমক দিয়া মই শুনিলো। কিছুসময় তেখেতে চাঙিখনৰ সন্দৰ্ভত বাং-বিং বকি থাকিল। তেখেতৰ কথাত কিছুমানে মুখ টিপি হঁহা মই শুনিলো। এই মানুহজনক মোৰ এবাৰ পুতৌ কৰিবৰ মন গ'ল, পিছে নোৱাৰিলোঁ, - মই এতিয়া 'মৃত'। কেনে দুখ লগা ধৰণে কৃপণ এই মানুহজন। যি কি নহওঁক মোৰ জীৱিত কালত মই গহীন - গম্ভীৰ বুলি ভাবি অহা এই মানুহজনৰ মুখখন এতিয়া মই ভালদৰে চিনি পালোঁ।

কিছু সময়ৰ পাছত বাতৰি কাকতৰ সম্পাদকজনে বক্তৃতাৰ সুৰত আৰম্ভ কৰিলে - "সমবেত ৰাইজ, এজন অকলশৰীয়া ডেকাৰ অকাল বিয়োগত শোক প্ৰকাশৰ অৰ্থে আমি ইয়াত গোট খাইছোহঁক। (যদি এতিয়ালৈকে মোৰ হাঁহিব পৰা সামৰ্থ্য লোপ নাপালেহেঁতেন, এই কথাষাৰ শুনি মই ছাগৈ হাঁহি সামৰিব নোৱাৰিলোহেঁতেন। মোৰ মৃত্যুত মোৰ আইক বাদ দি সচাঁকৈয়ে অইন কোনোবা শোকাবিহ্বল হৈছেনে বাৰু?) এইজন ডেকা অতি সংবেদনশীল আছিল। তেৱে লিখি থৈ যোৱা শেষ চিঠিখনে তাকেই প্ৰতিপন্ন কৰে।" এইবুলি কৈ তেওঁ মোৰ চিঠিখন পঢ়িব ধৰিলে। এখেতেও মোৰ চিঠিখনৰ পৰা

মোৰ আত্মহত্যাৰ কাৰণ উদ্ধাৰ কৰিব নোৱাৰিলে বুলি এতিয়া মই নিশ্চিত হ'লোঁ। আচলতে এওঁলোকে প্ৰত্যেকেই মোৰ আত্মহত্যাৰ যি ব্যাখ্যা নিজাববীয়াকৈ তৈয়াৰ কৰি লৈছে, চিঠিখনত লিখি থোৱা কথাখিনিৰ সৈতে তেওঁলোকৰ সেই অনুমানৰ সাদৃশ্য আছে নে নাই সেইটোহে বোধহয় পৰীক্ষা কৰি চাইছে। সেইবাবেই এওঁলোক মোৰ চিঠিখনক লৈ নিৰাশ হৈছে আৰু মোৰ আত্মহত্যাৰ প্ৰকৃত কাৰণ উদ্ধাৰত বিফল হৈছে। সি যি কি নহওঁক বাতৰি কাকতৰ সম্পাদকজনে মোৰ চিঠিখন পঢ়িয়েই গ'ল। "........ আমি প্ৰত্যেকেই এইদৰে সোমাই গৈছোঁ নিজৰ সংকীৰ্ণ, নিঃকিন, নিৰস আৰু অৰ্থহীন মানসিক পৰিসৰৰ মাজলৈ। এইদৰেই আমি বন্দী হৈ গৈছোঁ নিজৰ ভিতৰত। ইয়াৰ পাছতো জীৱনৰ কোনো অৰ্থ থাকিব নোৱাৰে।........ এতিয়া প্ৰত্যেকৰে ৰূপান্তৰ ঘটিছে চেতনৰ পৰা অচেতনলৈ, সংবেদনশীল শক্তিৰ পৰা সংবেদনহীন জড় পদাৰ্থলৈ।........ আচলতে এতিয়া তোমাক 'তুমি' আৰু মোক 'মই' বুলি কোৱাৰ কোনা অৰ্থ বা উদ্দেশ্য নাই...।" চিঠিখন আকৌ এবাৰ পঢ়ি শুনোৱা হোৱাৰ পাছত কোনোবাই প্ৰকৃততে কিবা বুজি পালে নেকি তাকে চাবলৈ মই আকৌ এবাৰ দৃষ্টি নিক্ষেপ কৰিলোঁ কাপোৰৰ তলৰ পৰাই। আৰু সেই ছোৱালীজনীৰ মুখত মোৰ দৃষ্টি আৱদ্ধ হৈ ৰ'ল।... আঃ এই ছোৱালীজনী। সংগোপন মাজনিশা যেতিয়া এই সৰু কোঠাটোৰেই মজিয়াত পৰি ৰৈছিল তাইৰ ক্লান্ত শৰীৰ, মই তাইৰ ওঠ চেপি ধৰিছিলো মোৰ দুপাৰি দাঁতেৰে। তেতিয়া এক তীক্ষ্ণ স্নায়বিক উত্তেজনাই আমাক নিঃশেষকৈ গিলি পেলাইছিল। অথচ স্পৰ্শৰ আনন্দত আপ্লুত হৈ আমি কোনেও কাৰো বুকুৰ মাজত সোমাই থকা নাছিলোঁ ওৰেটো ৰাতি। ভয়, আতংক আৰু বিস্ময় মিহলি দৃষ্টিৰে এতিয়া তাই মোলৈ চাই আছে। তৎক্ষণাত মই চকুহাল জপাই দিলোঁ। মই চকু মেলি চোৱা কথাটো তাই গম পোৱা নাই নিশ্চয়। এই ছোৱালীজনীৰ মুখখনো মই আগতকৈ এতিয়া ভালদৰে চিনি পালোঁ।

সম্পাদকজনে অনৰ্গল মোৰ গুণানুকীৰ্ত্তন কৰি গ'ল। মোৰ দিনলিপিৰপৰা তেখেতে কেইটা মান কবিতা পঢ়িলে আৰু ক'লে মই এজন প্ৰেমিক আছিলোঁ। মোৰ চিঠিখনৰ লগতে এই কবিতাবোৰ তেখেতৰ কাকতত প্ৰকাশ পাব বুলি সমবেত ৰাইজক তেওঁ প্ৰতিশ্ৰুতি দিলে। উচ্চস্তৰৰ জৈৱ কাৰিকৰী বিজ্ঞানৰ ছাত্ৰ হৈও মই কিদৰে স্থূল উচ্চাকাংক্ষাক প্ৰশ্ৰয় নিদি জীৱনৰ সত্যৰ সন্ধান কৰিবলৈ ল'লোঁ - সেইবিষয়ে তেওঁ দীঘলীয়া বক্তৃতা ৰাখিলে। মই যে দয়ালু আছিলোঁ, ভিক্ষাৰী আৰু ৰিক্সাৱালাবোৰৰ প্ৰতি যে মোৰ দৰদ আছিল তাকে বুজাবলৈ তেখেতে মোৰ দিনলিপিৰ পৰা কেইটামান শাৰী পঢ়ি শুনালে। অথচ এই একেজন মানুহেই মই কেতিয়াবা কোনোৱা ভিক্ষাৰীক দুটকা উলিয়াই দিয়া দেখিলে এনে ভাৱেৰে মোৰ পিনে চাইছিল, যেন তেওঁ ক'ব খোজে - "দাতা কৰ্ণ হৈ দেখুৱাইছে চোৱা।" এওঁ মোক সঁকীয়াই দিবলৈ পাহৰা নাছিল যে জীৱনত উন্নতি কৰিবলৈ হ'লে মানুহৰ প্ৰতি অনাহক দুৰ্বলতা পোষণ নকৰাই শ্ৰেয়। মোৰ বুজিবলৈ বাকী নাথাকিল যে এওঁ এজন ভাল অভিনেতাও। ক্ৰমশঃ মোৰ মগজুৰ শক্তি টুটি আহিব ধৰা যেন মোৰ অনুমান হ'ল।

অৱশেষত মোক শ্মশানলৈ নিয়াৰ যো জা চলিল। তথাপিও ইমান সময়ে মই ক্ষীণ আশা এটা পুহি ৰখিছিলোঁ যে কোনোবাই অন্ততঃ মোৰ শ্বাস প্ৰশ্বাস পৰীক্ষা কৰি চাব আৰু নিশ্বাসৰ উমান পালে মোক জীয়াই ৰখাৰ চেষ্টা কৰিব। কিন্তু তেনে নহ'ল। মোৰ মৃত্যুৰ পাছত মানুহবোৰে কেৱল মোৰ মৃত্যুৰ উত্তেজনাৰ সোৱাদ লোৱাত ব্যস্ত হৈ পৰিল। মানুহবোৰে মোৰ জীৱন আৰু মৃত্যুৰ মাজত অতি সহজভাৱে সৰলৰেখা এডাল টানি দিলে। মই যি অৰ্থত মোৰ মৃত্যুৰ অভিনয় কৰিছিলোঁ, সেই অৰ্থত তেওঁলোকে মোৰ প্ৰকৃততে মৃত্যু হোৱা বুলি ধৰি ল'লে। সেয়েহে এতিয়া মোৰ জীয়াই থকাৰো কোনো লিপ্সা নাই। এইয়া অতবছৰে মোৰ কাৰিকৰী জ্ঞানেৰে মই তৈয়াৰ কৰি উলিওৱা মগজুৰ চিন্তাবোৰ ৰেকৰ্ড কৰি ৰাখিব পৰা যন্ত্ৰটোৱে অনৰ্গল মোৰ চিন্তাবোৰ ৰেকৰ্ড কৰি গৈছে। চিতা তৈয়াৰ কৰা হৈ গ'ল। মোৰ মৃতদেহটো চিতাত তুলি দিয়াৰ যো জা চলিল। শেষবাৰৰ বাবে মই নীৰৱে এবাৰ চকু মেলি চালোঁ। বিতচকু পিন্ধা ভদ্ৰলোকজনে এনে দৃষ্টিৰে মোৰ চিতাৰ পিনে চাই আছে যেন তেওঁ সকলোকে বুজাই ক'ব খুজিছে যে - "একো হোৱা নাই। সাধাৰণ ঘটনা; মূৰ্খ ক'ৰবাৰ! অলপো দুখ নকৰিবা, দুখ কৰাৰ চেষ্টাই নকৰিবা। কৰা যদি অলপ পুতৌ কৰিব পাৰা।" মোৰ মৃত্যুত যিদৰে আনকোনো লোক শোক বিহ্বল নহয় মইয়ো নহও। কিয়নো মই জীয়াই থাকিবলৈ হ'লে মই শিকিব লাগিব অভিনয়। মিছলীয়া, অভিনেতা, মূৰ্খ বা কৃপণ, - যিকোনো এটা চৰিত্ৰ মই বাছি ল'ব লাগিব। কিন্তু এই মুহূৰ্ত্তত মোৰ একমাত্ৰ দুখ এই যে মই অতদিনৰ শ্ৰমেৰে নিৰ্মাণ কৰি উলিওৱা মোৰ যন্ত্ৰটো মই এৰি যাব লাগিব আৰু তাৰ লগতে থাকি যাব মোৰ এই শেষ চিন্তাবোৰ। কোনোবাই যন্ত্ৰটো নিশ্চয় পাব আৰু এই যন্ত্ৰটোৱে যেতিয়া মোৰ শেষ কথাবোৰ কৈ যাব, তেতিয়া হয়তো হুৱাদুৱা লাগি পৰিব, হয়তো গোটেই পৃথিৱীজুৰি মোৰ নাম মানুহৰ মুখে মুখে হ'ব। কিন্তু কোনেও মোৰ কথাবোৰ বুজি নাপাব, মোৰ দেহ জড়লৈ ৰূপান্তৰ হ'ব। মানুহবোৰৰ পুনঃ জীৱনলৈ প্ৰত্যাবৰ্ত্তন নঘটিব। এইটোৱেই মোৰ শেষ আৰু একমাত্ৰ দুঃখ। তথাপিও মই যন্ত্ৰটো এৰি থৈ যাবগৈ লাগিব। মোক চিতাত তোলাৰ আগতে মোৰ গাৰ চোলাটো খুলি দিবলৈ ডেকা ল'ৰা এজনক বয়সস্থ মানুহ এজনে ক'লে। এইয়া মোৰ চোলাৰ বুটামবোৰ তেওঁ খুলিব ধৰিছেই। মোৰ চোলাৰ জেপত থাকি যাব সেই অকণমান যন্ত্ৰটো।

❑❑❑

গল্প

# সংগোপনে সেউজীয়া

○মনালিছা শইকীয়া
স্নাতক তৃতীয় বৰ্ষ




বিলৰ মাজত অজস্ৰ পদুম ফুল ফুলি আছে। বহল সেউজীয়া পাতবোৰ ওপঙি আছে পানীত। প্ৰতি পাহ ফুলে যেন আকুলভাৱে টানিছে দয়ালক। মোহাচ্ছন্ন মানুহৰ দৰে সি সাঁতুৰিছে। পিছমুহূৰ্ত্ততে তাৰ অনুভৱ হ'ল সি এখন গভীৰ হাবিত সোমাই পৰিছে। সৌটো হাবিৰ মাজত ভেলু। "আঃ! ভেলু! তোকটো সাপে খুঁটি মাৰিছিল - তই মৰিছিলি।"

চিঞঁৰিব খোজে দয়ালে। তাৰ মাত নোলায়। সেই মুহূৰ্ত্ততেই যেন দূৰদূৰণিৰ পৰা ভাঁহি আহে ধাতবিক শব্দ এটাৰ দীঘল সুৰ। "ক্লিং — ক্লিং ..... ক্লি — লি —লিং " খকমকাই সাৰ পায় সি। তীব্ৰবেগত সপোনৰ ধূসৰ জগতখনৰ পৰা ঘূৰি আহি দুচকু নিবদ্ধ হ'ল চিলিং ফেনখনত। ক'ত সেই পদুমণি - ! অৰণ্য অথবা ভেলু - ! কি এক অদ্ভুত সপোন দেখিলে সি।

" - ক্লিং - ক্লিং - ক্লিং - " গাখীৰ দিয়া ল'ৰাটোৱে পুনৰবাৰ তাৰ চাইকেলৰ বেলটো বজাইছে।

"বাইদেউ গাখীৰ" - সম্ভৱ মাকহঁতে শুনা নাই। বিচনাত বহি লৈ খিড়িকীৰে বাহিৰলৈ চালে দয়ালে। খৰধৰকৈ হাতত বাচন এটা লৈ ওলাই গৈছে ভন্টি। বিৰক্তিৰে ল'ৰাটোৱে গাখীৰ বাকি দি কৈছে - "ইমান দেৰী বেল বজাইছোঁ।" "নুশুনিলে কি কৰিম!" ভন্টিয়ে ওলোটাই ধৰিছে তাক। গাখীৰ অনা বাচনটোত ঢাকনিখন শব্দ কৰি লগাই চাইকেলত উঠিছে ল'ৰাটো। গেটখন বন্ধ কৰি ভন্টি তাইৰ স্বাভাৱিক চঞ্চলতাৰে সোমাই আহিল।

বৰ অদ্ভুত সপোন এটা দেখিলে সি ! অলপ আগতে দেখা সপোনটোৰ কথাই মনলৈ আহিল দয়ালৰ। শৈশৱতে দেখা বিলখন, অৰণ্যখন, মৃত ভেলু - কি হ'ব পাৰে এই সপোনৰ অৰ্থ ! সপোনৰ কিছুমান অৰ্থ দয়ালে পঢ়িছিল। ক'ত পঢ়িছিল? সি মনত পেলাবলৈ যত্ন কৰিলে। ৰাজেনৰ ঘৰত ? নাই নহয়। সি ঘৰত পঢ়িছিল। ভন্টি? ঠিক, ভন্টিয়ে লগৰ ছোৱালীৰ পৰা খুজি আনিছিল। তাইকেই সি ক'ব,— কিতাপখন পুনৰবাৰ আনিবলৈ।

বাহিৰত দুপৰীয়াৰ তীব্ৰ ৰ'দজাক নাই। দুপৰীয়া ভাত খাই উঠি বিচনাত পৰোঁতে যথেষ্ট ৰ'দ আছিল। বাহিৰত এতিয়া এটা ৰ'দহীন কোমল আবেলি আৰম্ভ হৈছে। মৃদু বতাহত লৰিছে পদূলিৰ পাতাবাহাৰ গছৰ পাত। শিলাময় ৰাস্তাটো শূণ্য হৈ আছে। গোটেই পৰিবেশটোত যেন সি দেখা সপোনটোৰ সৈতে সামঞ্জস্য আছে-। ভেলু, বিলখন, এনে এটা আবেলি এই সকলোবোৰতে যেন বৰ সন্তৰ্পনে লুকাই আছে তাৰ শৈশৱ। বহুবছৰৰ আগৰ দিন কিছুমান মনত পেলাই চালে সি। সেই দিনবোৰতো আবেলি হোৱালৈ আকুলভাৱে অপেক্ষা কৰিছিল সিহঁতে। মৃদু বতাহত পদূলিৰ বকুলজোপাৰ পাতবোৰে সিৰিক্ সিৰিক্ শব্দ এটা কৰিছিল-। গাঁৱৰ ধূলিয়ঁৰি পথটোৰে ধূলি

উৰুৱাই চাপৰিৰ পৰা ঘূৰি আহিছিল মঘাই দাইটিৰ গৰু গাড়ীখন। গৰু গাড়ীখনৰ পিছে পিছে দৌৰিছিল সি আৰু ভেলু।

"আমাক বিলৰ ওচৰলৈকে উঠাই নেচোন দাইটি। তইতো সেইফালেই যাবিগৈ।"

কি এক যাত্ৰা আছিল! সমগ্ৰ শৰীৰত জোকাৰণি ঠেকেচনি - এহাল তেজাল বলদৰ দপ্‌দপনি! দুয়োটাৰ হাতত দুটা বৰশী। ভেলুৰ হাতত কচুপাতৰ টোপোলাত টোপ কৰিবলৈ এটোপোলা কেঁচু। বিলৰ পাৰৰ নিৰ্দিষ্ট ঔ জোপাৰ তলত বহি পৰিছিল দুয়োটা। মাজে মাজে ঔ টেঙা এটা বিলত সৰি শব্দ কৰি পানীবোৰ লৰাই দিছিল। বিলৰ সিপাৰে এখন ঘন হাবি। হাবিখনৰ পৰা বাহিৰ হৈ অহা কিছুমান আচহুৱা শব্দই দুয়োটাকে চক্‌ খুৱাই তুলিছিল। তথাপিও বহি আছিল সিহঁত!

আছেনে পুঙাটো। - টানিছে নেকি!

ঃ "ঐ দয়াল টানিছে টানিছে" সৰু সৰুকৈ কৈছিল ভেলুৱে।

ঃ "আঃ! এটা মস্ত গৰৈ চা ভেলু!"

প্ৰতিটো মাছ দীঘল, টান লতা এডালত দীঘল দীঘলকৈ সী গৈছিল। গৰৈ, চেঙেলী, বাহুপোৱালী... কত মাছ!

ঃ "বৰশীত টোপৰ লোভ দেখুৱাই মাছ ধৰিব নাপায়। পাপ। তহঁতে পাপ কৰিছ।"

আইতাকে প্ৰায়েই সকীয়াইছিল দয়ালক। চাকিৰ পোহৰত মায়াময় হৈ ধৰা দিছিল আইতাকৰ মুখখন।

স্পষ্টকৈ মনত আছে দয়ালৰ। এদিন বিলৰ পাৰত ভেলুক সাপে খুঁটিলে। মানুহটো নীলা পৰি গৈছিল। বেজেও বচাব নোৱাৰিলে। ভেলু মৰিছিল। এই যেন দয়ালৰ কাণত বাজিছিল আইতাকৰ কথাষাৰ "পাপ! পাপ!" টোপৰ লোভ দেখুৱাই কিমান মাছ ধৰিলে সিহঁতে। সঁচাই যেন সেইয়া পাপ আছিল। তাৰপিছত কোনোদিনে দয়ালে বৰশী স্পৰ্শ কৰা নাছিল। এদিন আইতাক ঢুকাল। দেউতাকৰ সৈতে সিহঁত গাঁৱৰ পুৰণি ঘৰৰ পৰা উঠি আহিল। সেই সৰুতেই সি যি গাওঁখন এৰি থৈ আহিল। অথচ দয়ালৰ অনুভৱ হয় তাৰ নাকত লাগি থাকে কেঁচা মাছৰ গোন্ধ। ভেলুৰ সম্পূৰ্ণ অৱয়বটো মনত আছে তাৰ। চুলিবোৰ ৰঙচুৱা, গাৰ বৰণটো মিঠাবৰণীয়া। পিন্ধি থকা গামোচাখনৰ গাঁঠিটোৰ কাৰণে পেটটোৰ ওপৰচোৱা ডাঙৰ দেখা গৈছিল। পাহৰা নাই দয়ালে। কোনোটো স্মৃতিকেই পাহৰি যোৱা নাই।

খুউব সৰুতেই দয়ালে ছবি আঁকিছিল। প্ৰাথমিক বিদ্যালয়ত চিলটত পেন্সিলেৰে অথবা নলীয়া কটাৰীৰ আগটোৰে কেঁচা ঘৰৰ মজিয়াত।

দশানন ৰাৱণ। গাঁৱৰ নামঘৰ। এখন বিল, পদুমফুল, এখন হাবি - বিলৰ পাৰত দুটা শিশু। হাতত বৰশী। অপৈণত হাতৰ পৰশত ছবিবোৰে প্ৰাণ পোৱা নাছিল। তথাপিও উচ্ছ্বাসিত হৈছিল দয়াল। কোনোবাই এবাৰ কৈছিল - "ইয়াৰ হাতখন ভাল। ছবি আঁকিব পাৰিব ই।" সেই সৰুতেই সি ভাবি পেলাইছিল সি ছবি আঁকিব। ছবিৰ ভাষাৰে কথা ক'ব। নাঃ। একো কৰিব নোৱাৰিলে সি। এই যেন হঠাত তাৰ বুকুলৈ ক্ৰমাৎ উজাই আহে অপাৰ হতাশাবোধ। কিবা এটা কৰিব নোৱাৰাৰ হতাশা। এখন ছবি আঁকিব নোৱাৰাৰ যন্ত্ৰণা।

যেন সি হেৰুৱাই পেলাইছে সৃষ্টিৰ সকলো ক্ষমতা। কিয় নোৱাৰে সি ছবি এখনত মগ্ন হ'বলৈ। নিজেও নুবুজে দয়ালে। যেন সি কংক্ৰীটৰ এখন পৃথিৱীত আবদ্ধ। নিঃশেষ হৈ গৈছে তাৰ সমস্ত সেউজীয়া। মাজে মাজে দয়ালৰ ইচ্ছা হয়। ক'ৰবালৈ গুছি যাব সি। নিৰ্ক্ষমা জীৱনটোৰ সৈতে সি নিৰুদ্দেশ হৈ যাব। কোনেও তাক বিচাৰি নেপাব। গৈ থাকিব সি। আঃ। আবেগিক হৈ পৰিছে সি। ক'লৈ যাব সি? পৃথিৱীত এনে এখন ঠাই নিশ্চয় নাই য'ত হতাশাবোৰ হঠাত বিৰাট আশা এটা হৈ ৰৈ থাকে। কোনো অৰ্থ নাই তাৰ চিন্তাবোৰৰ। নিজকে ধিক্কাৰ দিয়ে সি। কিন্তু এয়াতো তাৰ দোষ নহয়। অনেক ইণ্টাৰভিউ - অনেক প্ৰশ্ন। চাকৰি এটা নহয়গৈ তাৰ। দেউতাক অথবা ককায়েকৰ সৈতে সকলো কথা পতাৰ ইচ্ছা নহয় তাৰ। কি লাভ। কি কৰিব পাৰিব সিহঁতে?

সোঁহাতৰ আঙুলিৰে দয়ালে কপালখন পিটিকিবলৈ ধৰিলে। ৰাতিপুৱাৰ পৰাই তাৰ মূৰৰ বিষটো হ'ল। এতিয়াও বিষাই আছে। ৰাতি যথেষ্ট দেৰিকৈ ঘৰ সোমাইছিল সি। টোপনি যাওঁতে আৰু দেৰি। বাহিৰত অলপ পোহৰ হওঁতেই সাৰপাই খপ্‌জপাই উঠিব লগা হ'ল। খুউব জোৰেৰে কলিং বেলটো বাজিছিল। ককায়েক ৰস্ত চুপাৰত ওলাইছেহি, গুৱাহাটীৰ পৰা। সি খপ্‌জপাই উঠোঁতেই মূৰৰ বিষটোৱে ধৰিলে। প্ৰায় দুমাহমানৰ মূৰত ঘৰলৈ আহিছে ৰস্তু। অকলে আহিছে। বৌৱেক, ভতিজাক কাকো অনা নাই লগত। সকলো ব্যস্ত হৈ পৰিছিল ৰন্তুৰ সৈতে। দয়ালে সেই ব্যস্ততাত টোপনি মাৰিবলৈ সুবিধা পোৱা নাছিল। দুপৰীয়া ভাতকেইটা খায়েই যি বিচনাত পৰিছিল। যথেষ্ট সময় শুলে সি।

"আমাৰ এজন ৰাতি এপৰতহে ঘৰ সোমাইছেহি।" মাকৰ মাতষাৰ শুনিছে দয়ালে। হয়তো ককায়েকক তাৰ কথা কৈছে।

"কিয়, ক'ত আছিল সি?"

"আছিল ছাগে ক'ৰবাত আড্ডা মাৰি।" মাকৰ মুখত 'আড্ডা' শব্দটো শুনি হাঁহি উঠিল দয়ালৰ। মাকৰ মতে সি মানেই আড্ডা আৰু আড্ডা মানেই সি। আড্ডা! যোৱাকালি সঁচাকৈয়ে সি আড্ডাত বহিছিল। বহুদিনৰ মূৰত। সৌবীৰহঁতৰ লগত সিও অলপ মদ খালে। কি যে এক আকস্মিক সংযোগ হৈ গ'ল যোৱাকালি সিহঁতকেইটাৰ। সি, সৌবীৰ, বিপুল আৰু গুণীন। আটাইকেইটা। সন্ধিয়া চাৰুৰ দোকানৰ ফালে আনদিনাৰ দৰে ওলাই গৈছিল দয়া‍ হঠাৎ সৌবীৰৰ মুখামুখি হ'ল। সৌবীৰেই তাক কৈছিল বিপুল আৰু গুণীন অহাৰ কথা। "ব'ল ভাই। ইমানদিনৰ মূৰত আটাইকেইটা লগ ম। ইউনিভাৰ্চিটি এৰাৰ পিছতো লগ হোৱাই নাই আমি।" সৌবীৰৰ স্কুটাৰৰ পিছফালে

বহি পৰিছিল সি। বহুদিনৰ মূৰত সিহঁত কেইটা একেলগে বহিছিল। বিপুল, গুণীন দুয়োটাই কিবা কাম লৈ আহিছিল সৌবীৰৰ ওচৰলৈ। এৰি অহা নিজৰ অস্তিত্বক সোঁৱৰিছিল সিহঁতে। বিপুলে ক্ৰিকেট খেলা বাদ দিলে। ভাল খেলিছিল পঢ়ি থাকোতে।

"হাৰি গ'লো ভাই। এখনো মেচ্ হাৰি নোপোৱা এই বিপুল জীৱনত হাৰি গৈছে বুজিছ।"

জিভা দোৰোল খাইছিল বিপুলৰ। সি কৈছিল ঘৈণীয়েকৰ সৈতে তাৰ সাংঘাটিক কাজিয়া হয়। কিয় জানে বিপুলৰ সন্দেহ হয় বিয়াৰ পূৰ্বৰ প্ৰেমিকৰ সৈতে তাৰ ঘৈণীয়েকৰ অবৈধ সম্পৰ্ক আছে।

"ই চালা মস্ত সন্দেহবাদী। নিজৰ ৱাইফকো বিশ্বাস নকৰে...।"

গুণীনে গালি পাৰিছিল বিপুলক। গুণীনৰো আগৰ সুন্দৰ স্বাস্থ্য নাই। সাংঘাটিক মদাহী হ'ল। মদৰ বটল দুটা সিয়েই লৈ আহিছিল। সিহঁতে শেষ কৰি পেলাইছিল বটল দুটা।

আগৰদৰে আলোচনা নাছিল। উচ্ছ্বাসিত জীৱনবোৰ নাছিল। যেন নিৰ্দিষ্ট কিছুমান আত্মকেন্দ্ৰিক বৃত্তত সোমাই পৰিছিল সিহঁত। দয়ালৰ নিচা বেছি হৈছিল। কথা নকৈ সি বহি আছিল। পিছদুৱাৰেদি ঘৰ সোমাওঁতে যথেষ্ট দেৰি হৈছিল তাৰ। বৰ বিৰক্তিকৰ কিছুমান দিন কটাইছে সি। সপ্তাহত তিনিদিন সি ল'ৰা কেইটামানক টিউচন কৰে। বাকী দিনকেইটাত চাৰুৰ দোকানৰ ফালে আবেলি ওলাই যায়। চাৰু!

মনত পৰিল দয়ালৰ। চাৰুৱে তাৰ সৈতে জৰুৰী কথা আছে বুলি কৈছিল কালি।

সৌবীৰক লগ পোৱাৰ কাৰণে "কাইলৈ ক'বি দে" বুলি গুছি আহিছিল। কথাটো মনত পৰাত পিন্ধি থকা লুঙী খনত টানকৈ গাঁঠি এটা দি বিচনাৰ পৰা নামি আহিল দয়াল। আজি টিউচনো নাই তাৰ।

পিছফালে বাৰাণ্ডাত বহি আটাইবোৰে চাহ খাইছে। তাক উঠি যোৱা দেখি বস্তুৱে মাত লগালে - "বহুদেৰি শুলি!"

"বৰ ভাল টোপনি গ'লো।"

কথা কৈ কৈ সি টিউবেলৰ ফালে গৈ মুখখন ধুই ল'লে। মুখ ধুই থাকোতে সি মন কৰিলে ডালিমজোপাত পকা ডালিমবোৰ ওলমি আছে। মুখখন ধুই আগফালৰ বাৰাণ্ডাত বহিলহি দয়াল।

"ভন্‌টি চাহ একাপ আনচোন।"

বাহিৰৰ পৰাই চিঞঁৰিলে সি। ভন্‌টিৰ লগতেই মাজে মাজে ধেমালি কৰে দয়ালে। দেউতাকৰ সৈতে যেন তাৰ আত্মিক সম্বন্ধ কেতিয়াবাই শেষ হৈ গৈছে। দেউতাকৰ কথাকেইবাৰ এতিয়াও তাৰ কাণত বাজি থাকে। কি যে এক দূৰত্বই গঢ় লৈ উঠিল। ফাইন আৰ্ট কলেজত পঢ়িবলৈ বিচাৰিছিল দয়ালে। দেউতাকক কৈছিল সি।

"কি কৰিবি সেইবোৰ পঢ়ি। তই ইয়াতেই কলেজত পঢ়। তইও বাহিৰত পঢ়িবলৈ গলে বস্তুৰ অসুবিধা হ'ব। অন্ততঃ সি লাইন এটা লৈ পঢ়ি আছে।"

যেন এক বিস্ফোৰণ ঘটিছিল তাৰ মাজত। তাৰ ইচ্ছা, দেউতাকৰ প্ৰতি আন্তৰিকতা, সকলো খানবান হৈ দূৰলৈ ছিটিকি পৰিছিল। বস্তু ইঞ্জিনিয়াৰ হ'ব। দেউতাকৰ স্বপ্ন আছিল সিমানখিনিয়েই। সেই তাহানিতে যি এক দূৰত্বই গঢ় লৈ উঠিল - আজিও নকমিল।

যেন তাৰ চৌপাশে বিয়পি আছে শ্বাসৰুদ্ধ বায়ু।

যি কেইটা ল'ৰাক সি ইংৰাজী পঢ়ুৱায় আটাইকেইটাই অহাবছৰলৈ মেট্ৰিক দিব। দয়ালে তাৰ সমস্ত সাধ্যৰ ভিতৰত সিহঁতক বুজায়। সামান্য ইংৰাজী গ্ৰামাৰৰ জ্ঞানকনো সিহঁতৰ আয়ত্তৰ বাহিৰত। বিৰক্ত হয় দয়াল। "ভইচ চেঞ্জ" - "নেৰেচন" 'টেন্স" - এটা শুদ্ধ বাক্য। নাঃ! যতচব মূৰ্খ।

ধৈৰ্য্য হেৰাই গৈছিল এদিন তাৰ।

"এনেকৈ হ'লে মই তোমালোকক পঢ়াব নোৱাৰোঁ"

উষ্মাৰে কোৱা কথাষাৰৰ পিছতে সি পঢ়ি পেলাইছিল ল'ৰাকিটাৰ দুচকুৰ ভাষা। যেন সিহঁতে কৈছিল —

"এৰি দিয়া। মাষ্টৰৰ অভাৱ নেকি !"

সি তাৰিপিছত একো নকলে। কি লাভ সিহঁতক কৈ। পাৰ্য্যমানে মাতষাৰ কোমল কৰি কৈছিল সি — "কিয় নোৱাৰিবা তোমালোকে, তোমালোকতো বেয়া ছাত্ৰ নহয়, অলপ মন দিলেই পাৰিবা"- তাৰপিছত সি পুনৰ বুজাইছিল — Past perfect tense/ হ'ল..........।"

কথাষাৰ মনত পৰি নিজৰ হাঁহি উঠি গ'ল দয়ালৰ। কি এক চাৰ্টিফিকেট! ভাল ছাত্ৰ সিহঁত। সেই ভাল ছাত্ৰকিটাৰ কিতাপৰ মাজৰ পৰা সি আৱিস্কাৰ কৰে নিতৌ নতুন সামগ্ৰী। অৰ্ধনগ্ন চিত্ৰতাৰকাৰ ছবি, ভুলে - ভ্ৰান্তিয়ে লিখা প্ৰেম পত্ৰ। সিহঁতে গম নোপোৱাকৈ সি সেইবোৰ চাই কিতাপৰ মাজত ভৰাই থয়। কি সাহসত সি সিহঁতক পঢ়াবলৈ এৰি দিব ! সিহঁতৰ একো নহয় কিন্তু এই যে মাহৰ আৰম্ভণিত কেইটামান টকা নিজৰ বুলি পায়। সেইকিটাৰ লোভ ! লোভ ঠিক নহয়। টকাকেইটা অতি জৰুৰী তাৰ। নিজৰ বাবে।

"ঐ সৰুদা চাহ আনিছো"

ভন্‌টিয়ে হাতত চাহ একাপ লৈ তাৰ কাষত বৈছেহি। পাতল গুলপীয়া কাপোৰযোৰৰ মাজত উজ্বলি উঠিছে তাইৰ সৰল হাস্যমুখ। ফিৰ্‌ফিৰিয়া পাতল দোপাট্টাৰ আগ বতাহত উৰিছে।

"নতুন?" তাইৰ কাপোৰযোৰৰ ফালে চকুৰে ইংগিত দি সুধিলে দয়ালে। ভন্‌টিক জোকাই ভাল লাগে দয়ালৰ। ঘৰৰ সৰু আৰু একমাত্ৰ ছোৱালী হোৱাৰ বাবে আটাইৰে মৰমৰ। তাতকৈও কেইবাবছৰো সৰু তাই। দয়ালৰ মনত আছে সি তাইক দুহাতত ধৰি খোজ কাঢ়িবলৈ শিকাইছিল। এখোজ - দুখোজকৈ।

"ধেৎ ! পুৰণি - আগতে দেখা নাই।"

"ভন্‌টি, তই যে এবাৰ কিতাপ এখন আনিছিলি - সপোনৰ অৰ্থ কিছুমান লিখা আছিল —"

চাহুৰ কাপত সোহা মাৰি আৰম্ভ কৰিলে সি।
"অঁ বন্দনাৰ কিতাপ আছিল। কিয়?"
"আনিবিচোন কিতাপখন আকৌ এবাৰ"
লাহেকৈ কৈ তাইলৈ চালে সি। ভনুটিৰ দুচকুত দুষ্টামিবোৰে তগ্‌বগাই উঠিল।
"কি হ'ল - কাৰ সপোন দেখিছ? কোনোবা ছোৱালীৰ?"
তাই জোকালে তাক। অপ্ৰস্তুত হ'ল দয়াল। ভনুটিয়ে ছাগৈ সঁচাকৈ ভাবি পেলাইছে আন কিবা বুলি। সি কথাষাৰ বুজালে তাইক।
" তই জান যদি তয়েই কচোন - সপোনত মৰি যোৱা মানুহ এটা দেখা পোৱা, বিল এখন - পদুমফুল - এখন ঘন হাবি এইবোৰ দেখাৰ কি অৰ্থ হ'ব পাৰে।"
"নাঃ ! মই নাজানো। কিতাপখন আনি দিম। চাবি। মই আকৌ ভাবিছিলো তই কিজানি কোনোবা ছোৱালী তোৱালীৰ.......।"
কথা শেষ নকৰি তাই হাঁহিটো টিপা মাৰি ভিতৰলৈ গ'ল।
বাৰান্দাৰ পৰা উঠি আহে দয়াল। তাৰ কোঠাটোলৈ সোমাই যাওঁতে দয়ালে মন কৰিলে কোঠাটো ভনুটিয়ে সামৰি থৈ বস্তুবোৰ চিজিল লগাই থৈ গৈছে। বিচনা চাদৰখন ভালদৰে পাৰি থৈ গৈছে। বহুদিনৰ আগতেই এচুকত সি দমাই থোৱা আধা অঁকা ছবিবোৰ সামৰি-সুতৰি ভালদৰে থয় তাই। ছবি নঅকাঁৰ কাৰণে গালি পাৰে তাক।
দয়ালে নিজেও নুবুজে কিয় তাৰ সকলো উচ্ছ্বাস কমি গ'ল। লুঙীখন খুলি লংপেন্টটো পিন্ধি ল'লে সি।
সৰু আইনাখনৰ সন্মুখত থিয় হৈ নিজকে যেন সি বিচাৰিলে। এদিনতেই যথেষ্ট বাঢ়িল দাঢ়িখিনি। বহুবছৰৰ ক্লান্তি আহি একেলগে থুপ খাইছে যেন তাৰ মুখখনত। এই যেন তাৰ সমস্ত সতেজতা শেষ হৈ গ'ল নিগৰি নিগৰি।
বৰ অৱশভাবে সি নিজৰ এই অস্তিত্ব কঢ়িয়াই ফুৰিছে। অথচ ৰন্তু। তাতকৈ চাৰিবছৰ ডাঙৰ। কিমান সুন্দৰ তাৰ স্বাস্থ্য। ৰন্তুৰ কাষত নিজকে তাৰ অপ্ৰস্তুত বোধ হয়। মাজে মাজে ভাব হয় দয়ালৰ; ৰন্তু টেঙৰ। ৰন্তুৱে সদায় নিজৰ সুবিধাখিনি আগত ৰাখে। চাকৰি পায়েই প্ৰেম কৰি থকা ছোৱালীজনীক বিয়া কৰালে। চাকৰিৰ অজুহাতত বাহিৰত থাকে। মাজে মাজে ঘৰলৈ আলহীৰ দৰে আহে তথাপিও ৰন্তুৰ স্থান ঘৰত অতি গুৰুত্বপূৰ্ণ। সি পঠিওৱা টকাকিইটা নহলে ঘৰ নচলে। দেউতাকৰ পেন্সনৰ টকাকেইটামানো আছে।
গাঁৱৰ মাটিখিনিত চিনাকী মানুহ এজনে আধিলৈ খেতি কৰে। চাউলখিনি পায়। তথাপিও যেন অতি প্ৰয়োজনীয় ৰন্তুৰ টকাকেইটা।
"তই ইন্টাৰভিউবোৰ দিয়েই আছনে?"
ৰন্তু তাৰ কোঠালৈ সোমাই অহাতো সি মন কৰা নাছিল। ৰন্তুৰ মাত শুনি ঘূৰি চালে দয়ালে। ৰন্তুৰ প্ৰশ্নৰ উত্তৰ দিলে সি "না: — বাদ দিছোঁ"
"এনেকৈয়ে থাকিবিনে?"
ৰন্তুৱে হাত সাৰিব বিচাৰিছে। অন্ততঃ দয়ালে কিবা এটা কৰিলে সি সকাহ পাব। দয়ালৰ ভাল নালাগিল ৰন্তুৰ কথাষাৰ।
"এনেকৈতো থাকিব নালাগিছিল — উপায়তো নাই।"
দয়ালৰ শ্লেষ মিহলি কথাষাৰ ৰন্তুৱে বুজি পালে। মনে মনে থাকিল সি। কথাৰ প্ৰসংগ সলালে দয়ালে।
"চবৰে ভালনে? ই ৰাজাৰ কেনে?"
কণমানি ভতিজাকৰ খবৰ ল'লে সি।
"তাৰ ভালেই। মাকৰহে বৰ ঠিক নহয়।" তাৰ টেবুলত থকা কিতাপ এখনৰ পাতবোৰ লুতিয়াই ক'লে ৰন্তুৱে।
"থাকিবি নহয় আজি তই?" সুধিলে দয়ালে।
"নাই - আজি ৰাতি যামগৈ। সিহঁত অকলে আছে নহয়। আচলতে মই কাম এটা লৈ আহিছিলো —" ৰন্তুৱে কৈ গ'ল "আমাৰ গাঁৱৰ মাটিখিনি ভাগ হ'লে ভাল আছিল নেকি! মই ভাবিছো মোৰ ভাগটো বেচি দিম। অলপ পইচাৰ দৰকাৰ হৈছে মোক।"
ৰন্তুৰ কথাখিনিয়ে বিৰক্তি দিলে দয়ালক। এইবিলাক কথা সি কোনোদিনে ভবা নাই। চাৰ্টটো গাত সুমুৱাই বুটাম কিটা লগাই কৈ গ'ল দয়ালে - "যি ভাবিছ দেউতাক ক'বি। মোৰনো কি!"
"হ'ব দে। দেউতাৰ সৈতেই কথা পাতিম তেন্তে।
তই ক'ৰবালৈ যাব?"
"এনেয়ে অলপ —।"
"তই যাবিচোন আমাৰ তালৈ। ৰাজাই ভাল পাব।"
"যাম বাৰু।"
ৰন্তুৰ লগতে সিও কোঠাৰ পৰা ওলাই আহিল। চাৰ্টৰ পকেটত হাত দি চালে সি। চাৰুৰ বাকী খিনি আজি দি দিব। চাৰুৱে তাৰ পৰা পইচা নোখোজে। সুবিধা হ'লেই দয়ালে তাক তামোল, ছিগাৰেটৰ বাকী দি দিয়ে জোৰ কৰি। সন্ধিয়া চাৰুৰ দোকানৰ ফালে ওলাই আহি ভাল লাগে দয়ালৰ। সন্ধিয়াৰ লগে লগে ঠাইখনত সৰু-সুৰা ব্যস্ততা কিছুমানে প্ৰাণ পাই উঠে। এখন দুখনকৈ দোকানবোৰ বাঢ়িছে। মানুহবোৰ সন্ধিয়া তিনি আলিলৈ ওলাই আহি ভাল পাই। দয়ালৰ ভাল লাগে চাৰুৰ সান্নিধ্য। চাৰুৰ দোকানৰ আগৰ বেঞ্চখনত বহি লৈ সি চাই ৰয় চাৰুৰ দোকানৰ গ্ৰাহকবোৰক। গ্ৰাহক নাথাকিলে চাৰুৰ সৈতে বিভিন্ন ধৰণৰ কথা পাতে। চাৰুৱে তাক নিজৰ কথা কয়। গাঁৱত থকা তাৰ প্ৰেমিকাৰ কথা। এইবাৰ বিহুত তাই চাৰুক এখন গামোচা দিছে। ভমকাফুলীয়া এখন মিহি সূতাৰ গামোচা। দয়ালে চাৰুৰ আগত তাৰ প্ৰেমিকাৰ নিপুণ হাতৰ প্ৰশংসা কৰিছিল। চুই চাইছিল গামোচাখন দয়ালে। খুউব মিহি। নিমজ। নাৰীৰ শৰীৰৰ দৰে। নাৰীৰ শৰীৰ! কথাষাৰ ভবাৰ লগে লগে যেন দয়ালৰ সমগ্ৰতাৰে প্ৰবাহিত হৈ গ'ল এক শীতল অনুভৱ। নীলি! জীৱনত সি এজনী ছোৱালীক চুই পাইছিল।
সিহঁতে কলেজত এবাৰ নাটক কৰিছিল। নাটকত দয়ালে নীলিৰ

চৰিত্ৰটোক সাৱটি ধৰাৰ দৃশ্য এটা আছিলে। নীলিৰ শৰীৰৰ উত্তাপ অনুভৱ কৰিছিল সি। অলপ বেলেগ ধৰণে তাইক সি সেই সুযোগতে বুজি লৈছিল। দয়ালে তাৰপিছত কিছুমান কথা ক'ব বিচাৰিছিল নীলিক। এই যেন সুযোগৰ বাবে অপেক্ষা কৰি থাকোতেই সি খবৰটো পালে, নীলিৰ বিয়া ঠিক হৈছে। কি যে এক ভয়াতুৰ আছিল সি!

নিজৰ অসমৰ্থতাক পুতৌ কৰিছিল দয়ালে। ক'ব নোৱাৰাকৈ তাৰ কান্দোন ওলাই আহিছিল সেইদিনা।

কিযে আবেগিক আছিল সি।

সামান্য কথাবাৰতেই চকুপানী। ভাবিলে দয়ালৰ নিজৰো লাজ লাগে। সি জানো এইটো অৱস্থাৰ মাজত নীলিক নিজৰ কৰি ৰাখিব পাৰিলহেঁতেন!

ৰাষ্ট্ৰীয় পথটোৰ দাঁতিৰে খোজ লওঁতে তাৰ এনে লাগিল এই যেন শাৰী শাৰীকৈ অহা গাড়ীবোৰে ধুমুহাৰ দৰে উৰুৱাই নিব তাক। কি এক বিৰামহীণ যাত্ৰা। অনেক সৰু-বৰ গাড়ীৰ গোঁ-গোৱণি।

বন্দিতক দেখা পালে সি।

ডাক্তৰ ভৰালীৰ চেম্বাৰৰ পৰা ওলাই আহিছে সি। তাৰ ফালে আগবাঢ়ি গ'ল দয়াল।

"বন্দিত! খুড়ীদেউৰ গা কেনে?"

"হঠাৎ যোৱাকালি বেছি হৈ গ'ল" বন্দিতৰ বিমৰ্ষ মুখ।

"ডাক্তৰে কি কৈছে?"

"গুৱাহাটীলৈ নিবলৈ কৈছে। তাত নহ'লে বাহিৰলৈ"

"কি কৰিবা এতিয়া?"

"জানো! বৰ অসুবিধাত পৰিছোঁ।"

বন্দিতৰ মাকৰ কিড্‌নিৰ বেমাৰ। হয়তো তাৰ মাকৰ এটা কিড্‌নি নষ্ট হৈ গৈছে। দয়ালৰ সন্দেহ হয়। বাহিৰলৈ নিবলগা হ'লে বন্দিতহঁতৰ যথেষ্ট অসুবিধা হ'ব। বন্দিতৰ কেৰাণী চাকৰিটোৰ ওপৰতেই গোটেই ঘৰখন চলি আছে।

"আপুনি আহি থাকক। মই আগবাঢ়ো।"

বন্দিতে চাইকেলৰ পেডেলত ভৰি থলে। দয়ালে তাৰ পিঠিত লাহেকৈ চাপৰ এটা মাৰি তাক সান্ত্বনা দিয়াৰ সুৰত ক'লে "যোঁৱা। বেছি চিন্তা কৰি নাথাকিবা।"

চাইকেলখন লৈ গুছি গল বন্দিত। দয়ালৰ নিজৰেই আত্মপ্ৰশান্তি নাই। কি আৰু সি আনক সাহস দিব। তাৰ নিজকেই কেতিয়াবা কিমান নিঃস্ব আৰু নিঃসহায় যেন অনুভৱ হয়। আঁতৰৰ পৰাই লক্ষ্য কৰিলে দয়ালে। চাৰুৰ দোকানৰ আগত গ্ৰাহক নাই। সন্ধ্যা হ'লেই ভীৰ হ'ব। তামোল - ছিগাৰেট বিচৰা মানুহ। বিহৰা চাহ বাগিচাৰ বনুৱা গাভৰুজাক আহে। তাৰ দোকানত কিছুমান সস্তীয়া মণিহাৰী বস্তু পোৱা যায়। সেইবোৰৰ বাবে ছোৱালীহঁতে ভিৰ কৰেহি।

কৃষ্ণাংগী যুৱতীহঁতৰ উচ্ছুল হাঁহিয়ে বতাহজাক যেন মুহূৰ্ত্তৰ কাৰণে চঞ্চল কৰি তোলে। ৰঙচঙীয়া হাতৰ খাৰুৰ ঝনঝননি। চুলিত মৰা ফিটা। নিপোটল মুখৰ উজ্বলতা। যেন পুৰণি মন্দিৰৰ দেৱালত খোদিত একো একোটা নিপুন ভাস্কৰ্য্য। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতি কাষৰীয়া ঠাই। মাজৰাতি দুই এখন নামনিমুৱা নাইটচুপাৰ আজিকালি ৰয়। সৰু হোটেলখনত যাত্ৰীয়ে চাহ খায়। বাহিৰলৈ যায়। লাহে লাহে ঠাইখিনি গধূলি হ'লেই ব্যস্ত হৈ পৰা হ'ল। দোকানৰ সংখ্যাও বাঢ়িছে। নতুনকৈ কেছেটৰ দোকান এখন আৰম্ভ হৈছে। ৰাতি কেতিয়াবা উচ্চস্বৰত গান বজায় দোকানৰ ল'ৰাটোৱে। দয়ালহঁত সৰু থাকোতে গেলামালৰ দোকান এখনৰ বাহিৰে আন একো নাছিল। বিস্তীৰ্ণ পথাৰখনৰ সীমা দুচকুৰে চুকি নাপাইছিল সিহঁতে। এতিয়া নতুনকৈ হোৱা দোকানবোৰে আঁৰ কৰি পেলালে পথাৰখন।

"কি দাদা যোৱাকলি পুৰণি বন্ধু লগ পাই খুউব স্ফুৰ্তি কৰিলেনেকি?"

দয়ালক দেখি দূৰৰ পৰাই মাত দিলে চাৰুৱে।

"বহুদিনৰ মূৰত লগ পালোতো। ভাল লাগিল"

সি সমান্য হাঁহিলে। চাৰুৱে তালৈ তামোল এখন আগবঢ়াই দিলে। চাৰুৰ এইটো পুৰণি অভ্যাস।

"তই কালি কিবা জৰুৰী কথা আছিল বুলিছিলি নহয়"। তাৰ ফালে চালে দয়ালে।

"অঁ দাদা - কথাটো জৰুৰীৰেই। আপোনাৰ বাবে।"

-কি কথা?

"এই যে সুমনৰ দোকানখন। সি সেইখন ৰাস্তাটোৰ সিপাৰলৈ উঠাই নিব। ডাঙৰ কৰিব বোলে। কাপোৰৰ দোকান খুলিব। সি আপোনাৰ কথা সুধিছিল — চাৰুৱে তাৰ মুখলৈ চালে

"-মোৰ কথা? কিয়?"

"— আপুনি এখন কিতাপৰ দোকান দিব নেকি? সি সেইটো মানে আগৰ দোকানৰ ঘৰটো ভাৰা দিব। মইয়ে কৈছিলো কিতাপৰ দোকান এখন আপুনি চলাব পাৰিব....।"

আচৰিত হ'ল দয়াল। চাৰুৱে তাৰ কাৰণে ইমানখিনি ভাবিছে। হয়তো খুউব গোপনে চাৰুৱে নিৰীক্ষণ কৰি আহিছে তাৰ হতাশাক।

কিতাপৰ দোকান এখন চলিব। লগতে খবৰ কাগজ, আলোচনীও ৰাখিব পাৰিলে ভাল। মানুহখিনিয়েএইক্ষেত্ৰত সদায় দহ কিলোমিটাৰ আঁতৰৰ টাউনলৈ যাবলগীয়া হয়।

কিন্তু -। চিন্তাবোৰ আউল লাগে দয়ালৰ।

"কিন্তু চাৰু, দোকান এখন আৰম্ভ কৰিলেতো যথেষ্ট পইচা লাগিব আৰু মই—।"

দয়ালক কথা কোৱাৰ সুবিধা নিদি চাৰুৱে কৈ উঠিল

"আপুনিতো বেংকৰ ল'ণ পাব। বিচাৰক। এইবোৰ ক্ষেত্ৰত বেংকে ল'ণ দিয়ে।"

বেংকৰ ল'ণ! কত কিমান খাটিৰ। ঘূৰাঘুৰি। কিমান দিনৰ মূৰত হ'বগৈ। অথবা নহ'বও পাৰে। অৱশ্যে বেংকৰ চাকৰিয়াল এজনক চিনি পায় দয়ালে। জগদীশ ৰাভা। মানুহজনৰ লগত

তাৰ মাত-বোল আছে। কথা-বতৰাও ভাল। তেওঁক সি সুধি চাব পাৰে! যদি সোনকালেই হয় আৰু ৰাভাই সহায় কৰে সি দোকানখন দিব। চাৰুৰ কথাখিনি ভাল লাগিছে। তাত অন্ততঃ কিতাপৰ দোকান এখন চলিব। চাৰুক সি এটা ছিগাৰেট খুজি জ্বলালে। চাৰ্টৰ পকেটৰ পৰা এশটকীয়া নোটখন চাৰুৰ ফালে আগবঢ়াই দিলে সি

"পিছত দিলেও হ'ব দাদা।" চাৰুৱে প্ৰত্যাখানৰ ভংগীত মূৰটো জোকাৰি ক'লে।

"ৰাখি থ।"

চাৰুৱে পইচাটো ৰাখিলে। "কিবা ভাবিলে দাদা?"

"ভাবি চাওঁচোন। তোক দুই এদিনতে জনাম। সুমনৰ বৰ লৰালৰি নেকি?"

নাই নাই। একো ল'ৰালৰি নাই। তাৰমতে এইটো কামৰ বাবে আপুনিয়েই ঠিক মানুহ। মই তাক কৈ দিম। চাৰু যেন সামান্য উচ্ছ্বাসিত হ'ল। দয়ালে জানে চাৰুৱে তাক ভাল পায়। সি এই ভালপোৱা প্ৰকাশ কৰিব বিচাৰিছে। দয়ালে কথাটো আকৌ এবাৰ ভাবিলে। খুউব ভালদৰে সি জগদীশ ৰাভাক বেংকৰ ল'ণৰ বিষয়ে সুধিব। নিষ্কৰ্মা জীৱনটো অন্ত পেলাব পাৰিলেই ভাল। চাকৰিৰ পিছত দৌৰি ভাগৰি পৰিছে সি। ছিগাৰেটৰ ধোঁৱাবোৰ উৰুৱাই শূণ্যলৈ এবাৰ চাই পঠিয়ালে দয়ালে। হেঙুলীয়া হৈ পৰিছে পশ্চিমৰ আকাশ। বতাহ এজাক বলিছে। নীড়মুখী এজাক চৰাই কোঁহৰ্লি কৰি উৰি গ'ল। মুক্ত আকাশ! কিমান আশাৰে শৈশৱত সি আকাশলৈ থৰ হৈ চাই বিচাৰিছিল পৰীৰ দেশ এখন! যাদুদণ্ড হাতত লৈ এজাক শুকুলা পৰী উৰি আহিব - যাদু কাঠিৰ স্পৰ্শত উৰিব পৰা হ'ব সি — এখন অজান দেশত ভৰি থব... অনেক ফুল, অনেক তৰা..জোনবাই... বিচিত্ৰ এখন মোহময়ী জগত.....।

কেতিয়া যে সি ভাবিব পৰা হ'ল সেই মোহময় জগতৰ সলনি এখন শূণ্য আকাশৰ স্থিতিৰ কথা। শূণ্যতা। ক্ৰমাৎ বাঢ়ি যোৱা অপাৰ শূণ্যতাৰ বাহিৰে একো নাই তাত। আজি বহুদিনৰ মূৰত আকাশলৈ চালে দয়ালে।

ধপ্‌ধপাই অহা মটৰ চাইকেলৰ শব্দত সচকিত হ'ল সি। চাৰুৰ দোকানৰ পৰা সামান্য দূৰত্বত সেইখন ৰাখি মানুহ এজন নামি আহিল। স্বাধীন বৈশ্য। বহুদিনৰ মূৰত মানুহজনক দেখি আচৰিত হ'ল দয়াল। কলেজত অতিপাত ক্ষীণ আৰু মুখ ভৰ্ত্তি দাড়ি আছিল। সিহঁতে তেওঁৰ আঁতৰত 'মাৰ্ক্স" বুলি জোকাইছিল। ছিনিয়ৰ আছিল দয়ালতকৈ। বৰ বেছি বৈপ্লৱিক কথা কৈছিল। গোপন মেল পাতিছিল। বৰ বেছি সম্পৰ্ক নাছিল তেওঁৰ সৈতে দয়ালৰ। তথাপিও মাত - বোল আছিল। চাৰুৰ পৰা এপেকেট ছিগাৰেট কিনিলে তেওঁ। যথেষ্ট শকত হ'ল। দয়ালে এদিন গম পাইছিল স্বাধীন বৈস্য বিপ্লৱী হৈ গুছি গ'ল বুলি। এইমাত্ৰ কেইদিনমানৰ আগতে সি গম পালে স্বাধীন বৈশ্যই চৰকাৰৰ ওচৰত নিজক গতাই দিলে। বহুবছৰ দেখা নাছিল মানুহটোক!

"নাইট চুপাৰবোৰ আজিকালি ইয়াত ৰয়নেকি?"

চাৰুক সুধিছে তেওঁ।

"আজিকালি এখন দুখন ৰয়হি - আগতে নৰৈছিল। মানুহবোৰে চাহ একাপ খাই টোপনি খেদে...।" চাৰুৱে ক'লে।

ছিগাৰেট এটা জ্বলাই তেওঁ ৰাস্তাটোৰ সিপাৰে থকা মুকলি ঠাইখিনিলৈ চাই পঠিয়ালে।

সম্পূৰ্ণ সলনি হৈ গ'ল এই স্বাধীন বৈশ্য! দয়ালে কোনোমতেই আগৰ মানুহটোক বিচাৰি উলিয়াব নোৱাৰিলে। হঠাত ঘূৰিল তেওঁ। দয়ালৰ চকুৱে চকুৱে পৰাত খন্তেক তভক মাৰি ৰ'ল। ইঁহাৰ দৰে কৰিলে দয়ালে।

"তই দয়াল?"

"ঠিক ধৰিলে স্বাধীনদা।"

"আঃ। তই মাত দিয়া নাই কিয়?"

"চাইছো চিনি পায়নে নেপায়।"

এইবাৰ তেওঁ তাৰ কাষ চাপি আহি পিঠিত এটা মৃদু ঢকা দিলে।

"বহুদিনৰ মূৰত দেখিলো ভাই। আগৰ চেহেৰা কিহ'ল? বুঢ়া হৈ গৈছে যে -? কি কৰি আছ? কিবা চাকৰি?"

"নাই নাই একো কৰা নাই এনেয়ে...।"

অপ্ৰস্তুত হ'ল দয়াল। স্মাৰ্ট মানুহটোৰ আগত লাজ লাগিছে তাৰ। হঠাত তাক বুঢ়া বুলি কৈ দিছে। আস! সঁচাকৈয়ে শ্ৰী বৃদ্ধি শেষ হৈ গৈছে নেকি তাৰ।

"কিবা কাম আছিল এইফালে? বহুদিনৰ মূৰত দেখিলো।"

দয়ালে প্ৰকৃতিস্থ হ'বলৈ যত্ন কৰিলে।

"জানইতো ছাগে মোৰ কথা। বৰ আবেগিক আছিলো অ'।"

দ্বিতীয়টো ছিগাৰেটত অগ্নিসংযোগ কৰি কৈ গ'ল তেওঁ

"গুৱাহাটীত বিজনেছ আছে। ইয়ালৈও কাম লৈহে আহিছিলো। সৌ যে মাটিখিনি দেখিছ—"

সিপাৰৰ মাটিখিনিলৈ আঙুলিয়াই দেখুৱালে তেওঁ—

"তাত এখন দোকান খুলিম। মোৰ মানুহ থাকিব।"

"-কি দোকান?"

"—ৱাইন চ'প। লাইচেন্স আছে। মাটিখিনি চাই যাবলৈ আহিলোঁ। পিছত লগ পাম। আহিছো হাঁ।" খৰধৰকৈ কৈ তাৰ পিঠিত লাহেকৈ ঢকা এটা মাৰি মটৰ চাইকেলখনৰ ফালে আগবাঢ়ি গ'ল স্বাধীন।

সেইখনৰ ধপ্‌ধপনিৱে দয়ালক যেন জোকাৰি গ'ল।

বিপ্লৱৰ ৰাস্তা আধাতেই এৰি অহা ভাগৰুৱা বিপ্লৱী এজনে জনাই থৈ গ'ল নিজৰ স্থিতিক। স্বাধীন বৈশ্য নামৰ মানুহজনক নতুন ৰূপত আৱিস্কাৰ কৰিলে দয়ালে। কাকো কোনো মতাদৰ্শৰ জ্ঞান দিবলৈ যোৱা নাই সি কাহানিও।

মতাদৰ্শৰ নামত কাকো ফাঁকি দিয়া নাই? অতি সাধাৰণভাৱে থাকিয়েই যেন সি আলফুলে নিজৰ মাজত পুহি ৰাখিছিল এটা সঁচা মানুহ। অন্ততঃ নিজৰ ওচৰত জিকি গৈছে দয়াল। এই



যে এইমাত্ৰ স্বাধীন বৈশ্যৰ ওচৰত সি হঠাত হীণমন্যতাত ভূগিছিল - সেইয়া আচলতে সঁচা নহয়। স্বাধীনতকৈ সি নিজক বেছি শুদ্ধ আৰু সঁচা বুলি ভাবিব পাৰে। আনৰ বাবে কিবা এটা কৰিব নোৱাৰাটো সিমান ডাঙৰ কথা নহয়, প্ৰতাৰণা কৰাটো যিমান অপৰাধ। স্বাধীনে প্ৰতাৰণা কৰিছে। নিজক আৰু সি এদিন আঁকোৱালি ধৰা মতাদৰ্শটোক। এইমুহূৰ্ত্তত প্ৰথমবাৰ দয়ালৰ অনুভৱ হ'ল যেন সি জিকি গৈছে। যেন যুদ্ধৰ অবিহনেও কেতিয়াবা জয় - পৰাজয় অনুভৱ কৰি লব পাৰি।

"এইজন ছাৰেণ্ডাৰ নহয় জানো।" চাৰুৰ মাতত সামান্য সন্দেহৰ সুৰ।

"ওঁ"

"কিছুমান বৰ বেয়া দিন আহিল। কি যে হৈছে দেশখনৰ কিবা ভাল নলগা হ'ল...।"

জটিলতাবোৰ প্ৰত্যক্ষ কৰি চাৰু বিৰক্ত হয়। চাৰুৱে সকলো কথা নুবুজে। সি নিজেও কয়। পঢ়া-শুনা অতিকম কাৰণে বহুত কথা বুজি নেপাই সি। সি মাত্ৰ বুজে কিছুমান কথা বেয়া। সেই সময়খিনি বেয়া অথবা কিছুমান মানুহ বেয়া। যাৰ বাবে বিঘ্নিত হয় সিহঁতৰ সাধাৰণ জীৱন। সি সেইবোৰ নিবিচাৰে। সৰু আৰু সাধাৰণ জীৱনবোৰক লৈ সিহঁত মাত্ৰ বাচি থাকিব বিচাৰে। চাৰুৰ দৰে মানুহবোৰে। কিছুপৰ নীৰৱে থিয় হৈ ৰ'ল দয়াল। নিজকে তাৰ নতুন যেন লাগিল।

ইতিমধ্যে বাগানৰ ছোৱালীজাকে চাৰুৰ দোকানৰ আগত ভিৰ কৰিলেহি। কাঁচৰ খাৰুৰ ঝনঝননি - হাঁহিৰ শব্দ - গোন্ধ তেল আৰু ঘামৰ মিশ্ৰিত গোন্ধ - !

ঠাইখিনি চঞ্চল হ'ল। চাৰু ব্যস্ত হ'ল। ওচৰে পাজৰে থিয় হৈ থকা ল'ৰাকেইটামান কাষ চাপি আহিল। যৌৱনৰ পূজাৰী সিহঁত। চাৰুক ছোৱালীহঁতে আঙুলিয়াই দেখুৱাইছে সিহঁতৰ ফৰমাইচ্। ফিটা - খাৰু - কাণফুলি...।

চাৰুক মাত নলগোৱাকৈ আঁতৰি আহিল দয়াল। ৰাস্তাৰ কাষত থিয় হৈ খন্তেক ভাবিলে। ক'লৈ যাব সি। ঘৰলৈ। নাই– এতিয়া নাযায়। এই অলপ আগতে ঘৰৰ পৰা ওলাই আহিছেহে সি। নদীৰ পাৰলৈ! বহুদিনৰ মূৰত নদীৰ পাৰলৈ যোৱাৰ ইচ্ছা হ'ল দয়ালৰ। বহুদিন মানে কেইবামাহো যোৱা নাই সেইফালে। চাহবাগানৰ কাষৰ সৰু ৰাস্তাটোৰে খোজ ল'লে সি নদীৰ পাৰলৈ। এইটো বাটেৰে নদীলৈ সাধাৰণতে কোনেও অহা-যোৱা নকৰে। পথটো নিৰ্জন। নদীৰ পাৰখিনিও নিৰ্জন। ঘাটলৈ বেলেগ ৰাস্তাৰে যায়।

ভাল লাগিল তাৰ। নিৰ্জন প্ৰান্তত এখন নদী। ফেৰ্‌ফেৰীয়া এজাক বতাহ। ৰঙা হৈ বেলিটো সোমাই গৈছে নৈৰ বুকুলৈ ক্ৰমাৎ। কিমান সংগোপনে এখন সেউজীয়া পৃথিৱী। দুনয়ন ভৰি অহা প্ৰশান্তি! ওখ গৰাটোৰ ওপৰত বহি পৰিল দয়াল। যেন তাৰ ভিতৰখন ভৰি আহিছে। বহুদিন পাহৰি থকা অনুভৱ কিছুমান সৰীসৃপৰ দৰে তাৰ সমগ্ৰতাৰে বগাই আহিছে। বহুদিনৰ মূৰত যেন গুজৰি গুমৰি উঠিছে বুকুৰ মাজত সাঁচি থোৱা শব্দবোৰ–। পানীত ঔ পৰাৰ শব্দ -। হাবি এখনৰ পৰা ওলোৱা নীৰৱতাৰ শব্দ। বকুল গছৰ পাতৰ 'সিৰিক্ 'সিৰিক' শব্দ-। গৰু গাড়ী এখন অহাৰ শব্দ। কিছুমান চিনাকি গোন্ধ! কেঁচা মাছৰ গোন্ধ! পঁচা মেটেকাৰ গোন্ধ - ভেলুৰ শৰীৰৰ গোন্ধ–।

চিঞৰিবৰ মন গ'ল দয়ালৰ। সৰুতে বৰশী টোপাবলৈ গৈ বিলৰ পাৰত থিয় হৈ হাত দুখনেৰে মুখখন ঢাকি এবাৰ জোৰকৈ চিঞৰাৰ দৰে - ডাঙৰকৈ ।

❑❑❑

অনুবাদ গল্প

# প্ৰথম দলংখন

○ *মূল হিন্দী : হৰি শংকৰ পৰসাই*
*অনুবাদ : ভূষণ চন্দ্ৰ পাঠক।*



গল্পকাৰৰ পৰিচয় ঃ

(মধ্য প্ৰদেশৰ হোলংগাবাদত ১৯২৪ চনত জন্ম লাভ কৰা সাহিত্য একাডেমিৰ বঁটা বিজয়ী হৰি শংকৰ পৰসাই হিন্দী সাহিত্যৰ এটি পৰিচিত নাম। হিন্দী সাহিত্যৰ প্ৰায় সকলো কেইটি দিশলৈ তেখেতে বিশিষ্ট বৰঙনি আগবঢ়াইছে। তেখেতৰ লেখনীত প্ৰগতিবাদী চিন্তা স্পষ্ট। প্ৰায়বোৰ গল্পতে হাস্য-ব্যংগ ৰসৰ মাজেৰে তেখেতে সমাজৰ বিসংগতিবোৰ সুন্দৰ ভাৱে দাঙি ধৰিছে।)

গড়কাপ্তানি বিভাগৰ বাবু ৰামসেৱকে এদিনাখন হঠাৎ চাকৰিৰ পৰা ইস্তফা দি নিজকে ৰাম নামত নিয়োজিত কৰিলে। ৰামসেৱকে তেনে কৰা দেখি ভিন্ন জনে ভিন্ন মত পোষণ কৰিলে। কোনোৰ মতে তেওঁ হেনো অফিচৰ পৰা শকত পৰিমাণৰ ধন সৰকাই চাকৰি এৰিলে। আন বহুতৰ মতে শহুৰৰ পৰা টকা - পইচা পোৱা বাবেই ৰামসেৱকে তেনে কৰিলে। মুঠতে তেওঁক লৈ ভিন্ন জনৰ ভিন্ন মত! ৰামসেৱক বাবুৰ পিচে সেইবোৰলৈ কানসাৰ নাই। তেওঁৰ মুখত শুনা গ'ল কেৱল ৰাম নাম।

এদিনাখন মই তেওঁৰ ঘৰলৈ বুলি ওলালোঁ। হৰিণাৰ ছালৰ ওপৰত ধ্যান মগ্ন যোগীৰ দৰে তেওঁক বহি থকা পালোঁ। সম্মুখত ছিয়াহীৰ দোৱাত আৰু কিছু কাগজ।

ভৰিৰ শব্দত তেওঁ চকু মেলিলে। চিনাকী দেখি এটি মিচিকিয়া হাঁহি মাৰি ক'লে, 'কোৱাচোন কিয় আহিলা?"

বহিলৈ ক'লোঁ, আহিলো আৰু! বহু দিন ধৰি আপোনাৰ দেখা সাক্ষাতো হোৱাই নাই। আজিকালি দেখোঁ

আপুনি বাজলৈ ওলোৱাটো বন্ধ কৰিয়েই দিলে।

তেওঁ ক'লে, "নক'বা আৰু বন্ধু। আজিকালিতো মোৰ ধ্যান-ধাৰণা আগৰ দৰে নাই। সম্পূৰ্ণ সলনি হৈ গ'ল। মনটিয়ে দেখো আইন পিনেহে ধাপলি মেলিছে। তুলসীদাসে কোৱাৰ দৰে ৰামনামতেই মগ্ন হৈ গৈছোঁ আৰু।"

মই অলপ বৈ সুধিলো, "মানুহে দেখো আপোনাক লৈ অলপ বেলেগ ধৰণেহে আলোচনা কৰে। কিয়?

হাঁহি - হাঁহি তলমূৰ কৰি তেখেতে ক'লে, "কবলৈ দিয়া তেওঁলোকক। মইতো এতিয়া ৰাগ-দ্বেষ, মান-অপমান, নিন্দা-স্তুতিৰ পৰা বহুত আঁতৰি আহিছো।'

মনত অলপ সাহস গোটাই সুধিয়েই পেলালোঁ, "তথাপিও, চাকৰিৰ পৰা ইস্তফা দিয়াৰ আচল কাৰণটোনো কি? বেয়া নাপায় যদি ........ "

ৰামসেৱক বাবুৱে পুনঃ চকু মুদিলে। কিছু সময় পিচত চকুমেলি মোৰ পিনে চাই ক'লে, "তুমি সুধিছা যিহেতু শুনা। মই হনুমানৰ আদেশ অনুসাৰেহে চাকৰিৰ পৰা ইস্তফা দিলোঁ।"

মই আচৰিত হ'লোঁ। কথাটো বিশ্বাস কৰিবলৈ টানেই পালোঁ। সেয়ে সুধিলো, "হনুমানে আপোনাক সোঁ-শৰীৰে দেখা দিলে নেকি?"

তেওঁ ক'লে, প্ৰভুৰ দৰ্শন হৈ গ'ল। এদিনাখন ৰাতি সমাজিকত তেওঁ মোৰ ওচৰলৈ আহি ক'বলৈ ধৰিলে, হে মূৰ্খ; জীৱনটো এনেয়ে কিয় পাৰ কৰিছ? মায়া মোহক অফিচতে এৰি আহ। 'মেমো' লিখোতে লিখোতে এনে দুৰ্লভ জীৱনটো অবাবত কিয় নষ্ট কৰ। মূৰ্খ! ৰাম কথা লিখ।" মই ভয়ে ভয়ে ক'লো, "প্ৰভু, মোৰ দ্বাৰা ৰাম কথা লিখা জানো সম্ভব হ'ব। মই হ'লো মুৰুখমতি। বিদ্যাহীন। মেমো লিখা, ফৰ্ম ভৰোৱাৰ দৰে অফিচৰ দুই এক কামৰ বাহিৰে মোৰ দেখো একো জ্ঞান নাই। হনুমানে ক'লে, "তোৰ প্ৰতিভা বিকশিত হ'ব। চিন্তা নকৰিবি। মোৰ শুভাশীষ সদায়েই থাকিব। সকলো কবি সাহিত্যিকে প্ৰথমতে নিজকে তুচ্ছ জ্ঞানেই কৰে। তুলসীদাসৰ নাম শুনা নাই? তেৰো জানো নিজৰ কাব্যৰ পাতনিতে নিজক অতিকে তুচ্ছ ৰূপত দেখুওৱা নাই? সেয়ে তয়ো জাগি উঠ, লিখিবলৈ আৰম্ভ কৰ।" মই হাতযোৰ কৰি বিনম্ৰ ভাবে ক'লোঁ, "প্ৰভু, আপোনাৰ আজ্ঞা পালন কৰিবলৈ এই দাস সদায়েই প্ৰস্তুত। কিন্তু, মই লিখিমেই বা কি? মহান মহান কবি - সন্তপুৰুষে ৰাম কাব্য ৰচনা কৰিছে। মোৰ দৰে মূৰ্খৰ কলমতনো কি নতুনত্ব পাব?" কথা শুনি হনুমান প্ৰভুৱে মোক বুজাই ক'ব ধৰিলে, "বাচা, প্ৰত্যেক কবিৰ নিজৰ নিজৰ বিবেক আছে, মৌলিক দৃষ্টিভংগী আছে। প্ৰত্যেক কবিয়ে নিজৰ যুগৰ দ্বাৰা প্ৰভাবিত হৈ ৰাম কাব্যত নতুনত্ব আনিছে। এই ধৰ বাল্মিকী, তুলসী, ভৱভূতিৰ ৰাম কাব্যত কি তই পাৰ্থক্য দেখিবলৈ নেপাৱ? তয়ো লিখি যা। নিজৰ বিবেক আৰু বুদ্ধিৰে ৰাম কাব্যক যুগৰ অনুৰূপে নতুন ৰূপত সজা।" সেয়ে, ৰাতিপুৱা অফিচলৈ গ'লোঁ আৰু চাকৰিৰ পৰা ইস্তফা দি ঘৰমুৱা হওঁতে ৰামকাব্য ৰচনা কৰিবলৈ কিছু "মেমোৰ ফৰ্মও লগত লৈ আনিলোঁ।"

মই সুধিলোঁ, "তেন্তে আপুনি ৰাম কথা লিখি শেষ কৰিলে?" তেওঁ ক'লে, "হয়। প্ৰায় সমাপ্ত হওঁ হওঁ। সেঁতু বন্ধনৰ প্ৰসংগটো লিখি এইমাত্ৰ শেষ কৰিলোঁ। শুনাম নেকি?"

সন্মতিৰ সুৰত মই ক'লো, "নিশ্চয়। ৰাম চৰ্চা শুনিবলৈ কাৰনো মন নাযাব।"

ৰামসেৱক বাবুৱে কিতাপ খুলিলে এটা অধ্যায় পঢ়িবলৈ আৰম্ভ কৰিলে। পঢ়িবলৈ আৰম্ভ কৰাৰ আগে আগে ভূমিকা ৰূপত তেখেতে কৈ উঠিল, "চাবা বন্ধু, মোৰ কাহিনীত তুমি কিছু নতুন দিশৰ সন্ধান পাবা। তুমি আচৰিত নহবা, লগতে অবিশ্বাসো নকৰিবা। হনুমানে যাবৰ পৰত কৈ গৈছে, কিতাপখন লিখা সমাপ্ত হ'লে মই 'এপ্ৰুভ' কৰি তাত চহী কৰি দি দিম। তেতিয়া কোনোৱে সন্দেহ নকৰিব। লগতে কিতাপখনিৰ চাহিদাও বাঢ়িব।" বন্ধু, প্ৰথমতে মই তোমাক এটা ৰহস্যৰ কথা ক'বলৈ ওলাইছোঁ। যিখন দলঙেৰে ৰজা ৰামচন্দ্ৰই লংকালৈ গৈছিল, সেয়া দ্বিতীয়খন দলংহে আছিল। সেইখনৰ আগতে আন এখন দলং নিৰ্মাণ কৰা হৈছিল। সেইখনৰেই এয়া কাহিনী। এতিয়া শুনা। চশমা মচি মচি তেওঁ পুনৰ পঢ়িবলৈ ধৰিলে, - 'যেতিয়া দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ল, তেতিয়া নল-নীলে ৰামচন্দ্ৰৰ ওচৰলৈ আহি হাত যোৰ কৰি কবলৈ ধৰিলে, প্ৰভু! দলঙৰ কাম শেষ হ'ল। ৰামে আচৰিত হৈ তেওঁৰ পিনে চালে আৰু ক'লে, "এয়া কেনেকৈ সম্ভৱ? দলং নিৰ্মান হ'ল? হবই নোৱাৰে। এনেতো কাহানিও হোৱা নাছিল। কেইদিনমান আগতেহে মই আধাৰশিলা স্থাপন কৰিছিলোঁ। যিখন দলংৰ আধাৰশিলা ৰখা হৈছে, সেইখন ইমান সোনকালে নিৰ্মান হ'বই নোৱাৰে। বহু সময়ত দেখো আধাৰশিলাতেই নিৰ্মান কাৰ্যৰ পৰিসমাপ্তিও ঘটে। চোৱা, যাক নিৰ্মাণ কৰা যায়, তাৰ আধাৰশিলা স্থাপন কাহানিও নহয় আৰু যাৰ আধাৰশিলা স্থাপন হয়, সেইবোৰ কাহানিও গঢ়ি নুঠে। মই যেতিয়া প্ৰথমবাৰৰ বাবে গুৰুৰৰ বশিষ্ঠ মুনিৰ লগত ভ্ৰমন কৰিবলৈ ওলাইছিলোঁ, তেতিয়াওতো মোৰ দ্বাৰা বিভিন্ন ঠাইত আধাৰশিলা স্থাপন কৰা হৈছিল। কিন্তু, এইবেলি যেতিয়া পিতৃ বাক্য পালনৰ হেতু সেই পথেৰেই বনগমন কৰিলোঁ, দেখিলোঁ, সেই আধাৰশিলাবোৰ দেখো আধাৰশিলা হৈয়েই বৈ গ'ল। নতুন নিৰ্মান দেখো ক'তো হোৱাই নাই। কিন্তু

তুমি...........? মইতো সপোনতো ভবাই নাছিলোঁ যে দলংখন ইমান সোনকালে নির্মাণ হ'ব। সেয়ে, লংকালৈ যাবৰ বাবে বিকল্প পথৰ সন্ধানতেই আছিলোঁ।"

নল-নীলে বিনম্র ভাবে ক'লে, "প্রভু! সকলোখিনি আপোনাৰেই কৃপা। দলংৰ কাম সম্পূর্ণ হ'ল। মাথো আপুনি সেনাক অভিযান আৰম্ভ কৰিবলৈ অনুমতি দিয়ক।"

ৰামচন্দ্রই সুগ্রীৱক মাতি আনি সুধিলে, "বান্ধৱ; দলংৰ কাম হেনো শেষ হ'ল। চাওঁক, নল-নীলে তেওঁৰ ক্ষমতা দেখুৱালে। কিন্তু, এয়াও সঁচা, তেওঁনো কি ক্ষমতা দেখুৱালে হয়, যদি আপুনি টকা-পইচাৰে সহায় নকৰিলেহেঁতেন। বন্ধুবৰ, মই তোমাৰ ওচৰত সঁচাকৈয়ে ঋণী হ'লোঁ।

সুগ্রীৱে ক'লে, "ভগৱান, আপোনাক এনে বিনম্রতাই শোভা নিদিয়ে। আপুনি এই বিশাল আর্যভূমিৰ সম্রাট। মইতো সামান্য এই ৰাজ্যৰহে স্বামী। মোৰ টকা-পইচাই আপোনাৰ কামত আহিছে, তাতকৈ গৌৰৱৰ কথা মোৰ বাবে আৰু কি হ'ব পাৰে।"

ৰামে ক'লে, "তেন্তে বন্ধু; কালিয়েই সেনাক সিপাৰলৈ যাবলৈ আদেশ দিয়া হওঁক।"

ৰামৰ কথাত সুগ্রীৱ আচৰিত হ'ল। ক'লে, "মহাৰাজ। আপুনিওযে কথা কয়। সেনা কেনেকৈ পাৰ হ'ব। দলংখন দেখো এতিয়াও উদ্বোধনেই কৰা হোৱা নাই।"

ৰামে সুগ্রীৱক বুজালে, চোৱা বন্ধু, আমি এইটো কথাৰ ওপৰত গুৰুত্ব দিব লাগে যে এদিনৰ বিলম্বত সীতাৰ দুর্ঘটনাও হ'ব পাৰে। সেয়ে, দলংৰ উদ্বোধনৰ পর্ব পালন কৰাৰ এয়া সময় নহয়। সুগ্রীৱে পুনঃ ক'লে, "চাওঁক, এনে ঘটনা কাহানিও ক'তো ঘটা নাই। আনুষ্ঠানিক ভাৱে উদ্বোধন নোহোৱাকৈ দলংখনৰ ওপৰত এখোজো দিয়া উচিত নহ'ব। কিমান যে দলং বছৰ বছৰ ধৰি উদ্বোধন অবিহনে ব্যৱহাৰ নোহোৱাকৈ পৰি থাকে। মহাৰাজ, দলং পাৰ হবৰ বাবে নহয়, উদ্বোধনৰ বাবেহে নির্মাণ কৰা হয়। পাৰ হবলৈ ব্যৱহাৰ কৰা হয় সঁচা, কিন্তু সেয়া প্রাসংগিক কথাহে।"

সুগ্রীৱৰ আকোৰগোঁজ মনোভাব দেখি ৰাম চিন্তিত হ'ল। তেওঁ ক'লে, "তেন্তে সোনকালে কাম ফেৰা সমাধান কৰা। বাৰু, উদ্বোধন কাৰ হাতেৰে কৰাব?"

সুগ্রীৱে তৎক্ষণাৎ কৈ উঠিল, "মই মূঢ় মতিয়ে কবলৈ হ'লে আপোনাৰ শহুৰ জনক ৰাজৰ দ্বাৰা উদ্বোধন কৰিলে বেয়া নহ'ব যেন লাগে।"

ৰামে সুগ্রীৱৰ কথাত একমত প্রকাশ কৰিলে। ক'লে, বাৰু, এতিয়াই তেখেতলৈ নিমন্ত্রণৰ শৰাই পঠোৱা।" সুগ্রীৱে তৎক্ষণাত বিশ্বস্ত বান্দৰৰ হতুৱাই জনক ৰাজক মাতি পঠালে।

সুগ্রীৱৰ নিমন্ত্রণ গ্রহণ কৰি ৰজা জনক সদলবলে মিথিলাৰ পৰা সাগৰ পাৰলৈ যাত্রা আৰম্ভ কৰিলে। তেওঁৰ যাত্রাৰ সমুদায় খৰচ সুগ্রীৱেই বহন কৰিলে। হিচাপ কৰি দেখা গ'ল দুখন দলং নির্মাণ কৰিব পৰা গ'লহেঁতেন।

দলং উদ্বোধনৰ শুভ মুহূর্ত ধার্য কৰা হ'ল। ৰজা জনকে পূজা ভাগ আগবঢ়াই সোণৰ কেচিৰে ফিটা কাটিলে। বান্দৰবোৰে জয়ধ্বনি দিলে, "ৰজা জনকৰ জয়। ৰজা ৰামচন্দ্রৰ জয়। ৰজা সুগ্রীৱৰ জয়।"

দলং উদ্বোধনৰ পিচত বান্দৰক উদ্দেশ্যি জনকৰাজে ভাষণ ৰাখিলে। তেওঁ ক'লে, "ভাই সকল, ৰজা ৰামচন্দ্রই মোক এই দলংখন উদ্বোধন কৰিবলৈ মাতি আনি যি আদৰ সন্মান জনালে, সঁচাকৈয়ে মই অভিভূত হৈ পৰিছোঁ। মই জানোঁ, তেওঁ মোক মাতিবই। কিয়নো তেওঁ মোৰ জোঁৱাই। মোক নামাতি তেওঁ মাতিব কাক? ভাই সকল, বুজিব, ৰাষ্ট্রৰ প্রগতিত দলঙৰ কিমান ভূমিকা তাক হয়তো নতুনকৈ কোৱাৰ কোনো প্রয়োজন নাই। আজি আমি আমাৰ দেশখনক নকৈ সজাব লাগে। চাওঁক, দেশৰ প্রগতি তেতিয়ালৈকে নহ'ব, যেতিয়ালৈকে আমাৰ দেশৰ চুকে-কোণে দলংৰ সংখ্যা বৃদ্ধি নাপাব। মূলতঃ দলঙেই আমাৰ দেশৰ আধাৰ। পৃথিৱীৰ ইতিহাসৰ পাত লুটিয়াই চালে দেখিব,সেইখন দেশেই অধিক আগবাঢ়িছে, যিখন দেশত দলঙৰ সংখ্যা বহুত বেছি। সেয়ে কৈছো, আমাৰ দেশত কেবল দলং নির্মাণ হওঁক। মাটিৰ ওপৰত দলং হওঁক, নদীৰ ওপৰত হওঁক, সাগৰ-মহাসাগৰৰ ওপৰত দলং হওঁক। দলং নির্মাণৰ ক্রমত এই দলংখন আধাৰ স্তম্ভ হওঁক। তাকে কামনা কৰিছোঁ। পুনঃ আপোনাসৱক ধন্যবাদ যাচিছোঁ।"

তেওঁৰ সাৰুৱা তথা উপদেশাত্মক ভাষণৰ অন্তত দর্শকে হাত চাপৰি বজালে। কিন্তু বিধিৰ কি বিড়ম্বনা! হেন সময়তে দলংখন ভাঙি সমুদ্রত জাঁহ গ'ল।

শুনিবলৈ পাইছো, সেই দলংখনৰ সংক্রান্তত গঠন কৰা অনুসন্ধান সমিতিখনে আজি কলি যুগৰ এই ক্ষণলৈকে নিজৰ প্রতিবেদন দাখিল কৰা নাই। ❑❑❑

**ভিন্ন ছন্দ**

# কটনৰ সন্ধানত

○ *শ্ৰীউমেশ দেৱ শৰ্মা*
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা




কটন কলেজ।
চাৰ হেন্ৰি জন ষ্টেডমেন কটন।
ফ্ৰেডেৰিক উইলিয়াম চুডমাৰ্চন।
মোৰ মানস পটত গভীৰ সাঁচ বহুওৱা একো একোটি নাম। হয়, এইখনেই মোৰ সপোনৰ কটন কলেজ, যাৰ মাজত বিলীন হ'ল মোৰ জীৱনৰ প্ৰতিটো নীৰৱ ক্ষণ। হয়, এইখনেই সেইখন কটন কলেজ, যাক লৈ কবিয়ে ৰচে 'কটন কলেজ'। মইতো এই কটন কলেজকেই বিচাৰিছিলো প্ৰিয় লেখিকাৰ কলমৰ ফাঁকে ফাঁকে এইটোৱেই সেই চুডমাৰ্চন হ'ল য'ত হয় "নিতৌ হৃদয়ৰ বিনিময়"।

মই বিচাৰি পালোঁ। ইমানদিনে হাবাথুৰি খাই কলমৰ মাজেৰে সৰকি অহা কটনক আজি হাতৰ মুঠিতে পালোঁ। "**কটন কলেজ, স্থাপিত ১৯০১,** এখন ফলক। মই নামিবৰ হ'ল। এৰা! নামিবৰ হ'ল। জীৱনৰ বাটত খোজদিবৰ হ'ল। সপোনত ঘূৰিফুৰা কটন কলেজৰ অভিনৱৰূপ মোৰ দুচকুত জিলিকি উঠিল। আহ! কি মনোমোহা সপোন মোৰ দিঠক হ'ল। কেইজনৰ বাৰু?

মোৰ দুচকুত জিলিকি উঠিল চিনাকি চিনাকিলগা কিন্তু শতবৰ্ষ আগৰ এক অচিনাকি মুহূৰ্ত। কটন কলেজ প্ৰতিস্থা হোৱাৰ মুহূৰ্ত। অসমৰ কেন্দ্ৰবিন্দুত থিয় হৈ মই পুনৰ এবাৰ দীঘলকৈ উশাহ টানিলো। মাথো আশা। হাজাৰ হাজাৰ আশাপূৰ্ণ বুকুয়ে মোৰ চাৰিওপিনে ঢপ্ ঢপ্ কৰিছে। দুচকুত উঠি অহা যৌৱনৰ হাঁহি। সম্ভাষণৰ অবিস্মৰণীয় মুহূৰ্ত কিছুমানে মোক দোল দি কল্পনাৰ ৰঙীন সাগৰ পোহালেগৈ। অসমৰ প্ৰথম ল'ৰাজন বাৰু কোনজন।

"সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰবাস।" অসম বুৰঞ্জীৰ পাতত আন এটা নাম য'ত প্ৰতিফলিত হ'ল কটন কলেজৰ 'অবয়ব' হয় ইয়াৰেই কোনোবা এটা কোঠাত হয়তো মহেশ্বৰ নেওগে সৃষ্টিত নিমগ্ন হৈছিল। ইয়াতেই সংগ্ৰামৰ যাত্ৰাত সোমাই পৰিছিল অসংখ্য প্ৰতিশ্ৰুতিপূৰ্ণ দৃঢ় মন। সৃষ্টি হৈছিল 'কটনিয়ান'।

মোৰ মৰমী অসমীৰ ঐতিহ্যক জগাই তোলা কটনিয়ানৰ উৰ্বৰ ক্ষেত্ৰ এইয়া কটন কলেজ! কটন কলেজৰ ছাত্ৰাবাস!

এনে সহস্ৰাধিক ভাৱ আহিছিল প্ৰথম কটন কলেজত ভৰি দি জীৱন নৌকাৰ বঠাৰ প্ৰথম কোবটোত। কিন্তু হায়! মোৰ সপোন সপোন হৈয়ে ৰ'ল। অকুণ্ঠিতভাৱে থিয় হ'ল বাস্তৱ। শেষ বস্ত্ৰখন খুলি বাস্তৱে দেখুৱাই দিলে একবিংশ শতিকাত প্ৰৱেশ কৰিবলৈ ওলোৱা কটনৰ নগ্নৰূপ।

বাতৰিকাকতত বৰবৰ হৰফেৰে বাস্তৱে চিঞৰি উঠিল **"ৰেগিঙৰ অভিযোগত অভিযুক্ত কটনিয়ান বহিস্কাৰ"**। মোৰ সপোনৰ কটন কলেজত! মোৰ আশাৰ কটনিয়ান! কটনিয়ানৰ দাবী '"Ragging is not in the blood of Cottonian."

'Cottonian' ! ক'লা স্পৰ্টিংবোৰৰ পিঠিত লিখা আছে কটনিয়ানৰ পৰিচয়। "কটনিয়ান" প্ৰকাশ পালে। কিন্তু ক'ত? মই বিচাৰি হাঁহাঁকাৰ। মোৰ 'কটনিয়ান' খন ক'ত? কাণৰ কাষত কোনোবাই ফুচফুচাই কৈ গ'ল 'নীৰৱ নিশাৰ সপোনত'। মই 'কটনিয়ান' এখন ক'ত পাম? সম্পাদকৰ কোঠালিৰ কেইটিমান সাধাৰণ লিখনিত মই ঘূৰ্মুটিয়াই ফুৰিলো।

মোৰ কলেজ জীৱনৰ প্ৰতিটো দিন গৌৰৱেৰে পাৰ হ'ল। পাঠ্যক্ৰম সমাপ্তিৰ পথত। কিন্তু এয়া কি? বৰ্ষ সমাপ্ত। পাঠ্যক্ৰম হৈ ৰ'ল অসমাপ্ত। মোৰ সপোনৰ কটন কলেজত। বছৰৰ শেষৰ Class কেইটা কৰি আনন্দ পালো। Class ত উপস্থিত মাত্ৰ কেইজনমান আবাসী বন্ধু। "অকল এইকেইজন Student ৰ Class মই লব নোৱাৰোঁ। আজি Organic finish কৰিম বুলি ভাবিছিলো। Monday আহিবা।" গুৰু গম্ভীৰ স্বৰেৰে মহাশয় গুছি গ'ল।

Result ওলাল। Centre of excellence Cotton ৰ আবাসৰ পৰা কোনেও ভাল ৰিজাল্ট কৰিব পৰা নাই। স্বাভাৱিক। হে মোৰ কটন ! বন্ধু অবিনাশে হয়তো সেয়ে লিখিলে -

হে কটন,
ক'ত তোমাৰ লাৱণ্যময়ী
গাভৰুৰ সজল নয়ন
ওঁঠৰ ভুবন ভুলোৱা হাঁহি !
সময়ৰ সুতীক্ষ্ণ আচোঁৰ?
হে, কালৰূপী সময়
মুক্তি দিয়া, মোৰ কটনক মুক্তি দিয়া
নকৰিবা গ্ৰাস।

শৰীৰৰ প্ৰতিটোপাল ৰক্তই মোক আমনি কৰে 'মহাবিদ্যালয় সপ্তাহত নিজকে উজাৰি দিয়াৰ হেপাহেৰে'। মোৰ কটন কলেজত সৃষ্টি হ'ল অলিম্পিয়ান দীপাংকৰৰ। নাই ! বেডমিণ্টন কৰ্টত এতিয়া ভীৰ নাই। নেহেৰু ষ্টেডিয়ামত হাতত ষ্টিক লৈ হকী বলৰ পাছ পাছে ঘূৰিফুৰা কটনিয়ানত মোৰ দৃষ্টি নিবদ্ধ। এয়া দৌৰ প্ৰতিযোগিতা। প্ৰতিযোগী সাতজন। বঁটা বিতৰণী সভাত ঘোষিত হ'ল শ্ৰেষ্ঠ দৌৰবিদ।

মোৰ কটন কলেজত সৃষ্টি হ'ল আলোড়নকাৰী অভিনেতাৰ, - কেতিয়াবাই। একবিংশ শতিকাৰ কটনিয়ানে অভিনয় কৰে মোৰ সপোনে সজা মঞ্চত। মোৰ চকুৰ দৃষ্টি উদ্দেশ্যহীন ভাবে ঘূৰি ফুৰিলে নাট প্ৰতিযোগিতাৰ সন্ধিয়া দৰা কইনা খেলা ল'ৰা ছোৱালীজাকে অভিনয় কৰা চাৰিখন নাটকৰ অভিনয়ৰ 'ছন্দ'ত। বঁটা বিতৰণী সভাত 'কটনিয়ান'ৰ সম্পাদকে ঘোষণা কৰিলে "এইবাৰ যথেষ্ট সংখ্যক কটনিয়ানে সাহিত্য প্ৰতিযোগিতাত সঁহাৰি জনালে। আমাৰ হাতত প্ৰায় বাইশটামান চুটিগল্প পৰিছিল।"

মোৰ কটনত সৃষ্টি হয় অমৰ সাহিত্যিকৰ। সৃষ্টি কৰে যুগজয়ী সাহিত্য। অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰে বিশ্বত। এয়া মোৰ সপোনৰ 'অতীত'ৰ কটন কলেজ। বঁটা বিতৰণী সভাত বিভাগীয় সম্পাদকে ঘোষণা কৰে "এইবাৰ সাহিত্য সমালোচনা প্ৰতিযোগিতাত কোনো অংশ গ্ৰহণকাৰী আগবাঢ়ি নাহিল।"

মোৰ কটনিয়ানে সমালোচনা কৰি সৃষ্টি কৰে মামনি ৰয়চম গোস্বামী, হোমেন বৰগোহাঞিক।

কলংপাৰৰ কবি দেৱকান্ত বৰুৱা গুচি গ'ল। স্বাভাৱিকভাৱেই ইংৰাজী মাধ্যমৰ কটনিয়ানে কটনিয়ান দেৱ বৰুৱাক নাজানে। মৃত্যুত কিৰীলি পাৰে। স্বাভাৱিক বাস্তৱ কটনত।

ওহোঁ মোৰ সপোনৰ কটনত এতিয়াও সৃষ্টি হয় হাজাৰজন কলংপৰীয়া কবি। মোক আশাৰে বাট দেখুৱায়। বাতৰিকাকতে প্ৰকাশ কৰে কটনিয়ানৰ এই গৌৰৱ গাঁথা।

কিন্তু কটন কলেজ। মোৰ সপোনৰ, আশাৰ কটনত এতিয়াও দিপ্তীৰ শলিতা জ্বলে। মোক বাৰে বাৰে মাতে। আকোৱালি লয়। হে বাস্তৱ, আঁতৰ হোৱা, কল্পনাৰ কটনেই হওক মোৰ আশ্ৰয়। ৰহস্য! কি যাদুকৰী শক্তি বিৰাজে এই কটনত। হাত বাউলি মাতে নৱ যৌৱনক। জীৱনে গঢ় লয় যৌৱনে সাজি পাৰি উঠে, ৰঙা গোলাপৰ কলিটি মেল খায়। চুডমাৰ্চন চাহাবে এতিয়াও মাজৰাতি আবাসীক পৰীক্ষা কৰে। উন্মুক্ত ঘোড়াত উঠি মই দৌৰি আহোঁ। কটনৰ প্ৰতিটো কোঠাত বিৰাজকৰে শ বছৰীয়া গাম্ভীৰ্য্য। দেহ মন পুলকেৰে ভৰি পৰে। তীব্ৰ গৰমৰ ভাগৰ ম্লান কৰে কোঠাৰ শীতলতাই।

কটনক মোৰ ভাল লাগে। কটন মোৰ মৰমৰ। মোৰ সপোনৰ, মোৰ আশাৰ মোৰ হৃদয়ৰ কটনে মোক চুমা যাচে। বিচাৰি পাওঁ জীৱনৰ সাৰ্থকতা। মই অপেক্ষাৰত। মোক এখন কটন লাগে। মোক এখন 'কটনিয়ান' লাগে। কিতাপৰ দোকানত মই এখন নতুন **"কটনিয়ানৰ নিৰ্বাচিত গল্প"**ৰ সন্ধানত। একবিংশ শতিকাৰ দুৱাৰদলিত থিয় হৈ মই এখন **'মোৰ কটন'**ৰ সন্ধানত।

❑❑❑

# অসময় সময়

○ *সুৰেশ ৰঞ্জন গদুকা*
স্নাতকোত্তৰ (প্ৰাৰম্ভিক বৰ্ষ)
পৰিসংখ্যা বিজ্ঞান বিভাগ

**এক :**

হত্যাকাৰীৰ পিঁয়াহ লাগিছিল। পানীৰ সন্ধানত আছিল। মাইকেৰে ক'লে - 'পা....নী....।' আঃ এয়া কি চমৎকাৰ! মঞ্চতে ফুটিল পানীৰ ফোঁৱাৰা। মাইক এটা অপৰিহাৰ্য চৰ্তঃ চমৎকাৰৰ বাবে। যেতিয়া পিঁয়াহ গুচিল, তেতিয়া মাইকে দেশৰ পানীক মহান কৰি দিলে। তাৰ পাছত হ'ল আন এক চমৎকাৰ যে য'ত য'ত আছিল পানী — কলহবোৰত বা চকুবোৰত - নিজৰ নিজৰ মহানতাত উথলি উঠিল। বাষ্প হৈ উৰিব ধৰিলে আকাশলৈ। হত্যাকাৰী সন্তুষ্ট হ'ল। মিচিকিয়াই হাঁহিলে। মাইকেৰে ক'লে - 'ভ্ৰমণ কৰিবলৈ আহিছোঁ, দেশৰ পৰিস্থিতিৰ বুজ লবলৈ'; ৰাইজে শলাগিলে।

হত্যাকাৰী গ'ল- মঞ্চৰ পৰা নামি ঘন ছাঁ থকা গছবোৰৰ ফালে। এজোপা এজোপাকৈ গছবোৰলৈ চায় আৰু সৰি পৰে এটা এটাকৈ ছাঁবোৰ ভাৰ ভৰি দুখনত। তেতিয়া মাইক নোহোৱাকৈয়ে ক'লে - 'ছাঁবোৰো পকে।' আৰু এনেকুৱা হৃষ্ট-পুষ্ট কথাত ইমান সুখী হাঁহি মাৰিলে যে উৰণীয়া বাহনখন সাজু হৈ গ'ল। ৰ'দত জিলমিলাই উৰি যাবলৈ। কিন্তু মানুহৰ ভিৰ আগুৱাই আহিছিল। বাহন আৰু তাৰ মাজত। দেশৰ ভিৰ। মহান ভিৰ।

হত্যাকাৰী উৰি যোৱাটো জৰুৰী আছিল। জৰুৰী আছিল বাহনখনত উঠাটো। আৰু তাৰ বাবে প্ৰয়োজন আছিল ভিৰক অতিক্ৰম কৰাটো। ৰ'দ তেজাল হৈ আহিছিল। আন ক'তো নহয়। কেৱল তাৰ মূৰৰ ওপৰত। সি ঘামিছিল। ঘামবোৰ বাষ্প হৈ উৰি গৈছিল। অধৈৰ্য হৈ পৰিল সি। যিহেতু চমৎকাৰ হ'ব নোৱাৰে। যিহেতু মঞ্চ নাছিল। যিহেতু মাইক নাছিল। আৰু সি চিঞৰিছিল - 'পানী ....। পা....নী...।' পানী ক'তো নাছিল। থকাৰ সম্ভাৱনাও নাছিল। ভিৰে সেৱা কৰিছিল সূৰ্যক। আৰু মই ভিৰত ভৱিষ্যত দেখা পাইছিলো। হত্যাকাৰী অতীতৰ গৰ্ভত হেৰাই যাব ধৰিছিল, আৰু চিঞৰিছিল - 'পানী..। পা.....নী....।'

**দুই :**

হত্যাকাৰীয়ে হত্যাৰ আঁচনিখন সদ্যহতে স্থগিত ৰাখিছে। আৰু মৰিশালীয়ে চাই আছে গণতন্ত্ৰলৈ। আৰু গণতন্ত্ৰই অপৰাধবোধত ভুগি নেতাক সুধিছে - যে হত্যাকাৰীক নিচুকাবৰনো উপায় কি?

**তিনি :**

হত্যাকাৰীক হত্যা কৰা হ'ল। চোৰাঁ চোৰাঁ! সেইসকলৰ কষ্ট, যিসকলৰ হত্যা হ'ব লগা আছিল সেইজন হত্যাকাৰীৰ হাততে! সিহঁতে কান্দিছে, হাঁহাকাৰ কৰিছে, সময়ক বাৰে বাৰে সুধিছে - 'কোৱাঁ কোৱা এতিয়া আমাৰ কি হ'ব? এতিয়া কাৰ হাতত হ'ব আমাৰ হত্যা?' সময়ে কি উত্তৰ দিব। সি একো নাজানে। সি মুখখন চিলাই কৰি শিলৰ দৰে নীৰৱ হৈ থাকে। কিন্তু তাৰ পিঠিখনে উত্তৰ দিয়ে - 'যিজনে কৰিছে হত্যাকাৰীৰ হত্যা, তাৰেই হাতত লিখা আছে তোমালোকৰ মৃত্যু।' সিহঁতে চাই থাকে সময়ৰ গৈ থকা পিঠিখনলৈ। সেয়া আন্ধাৰেই আন্ধাৰ। নিশ্চিদ্ৰ আন্ধাৰ। উল্লাসিত হয় সিহঁত। সুখত উশাহ লয়। সিহঁতে জানি যায় যে সদায় সময়ৰ পিঠিতেই উদয় হয় ভৱিষ্যতৰ।

**চাৰি :**

বাগিচাখনত ফুৰি আছে হত্যাকাৰীৰ হত্যাকাৰী। জানে যে এয়াই শেষ। সোৱাদ লৈ লৈ উৎসাহেৰে আপেল খাইছে, - জানে যে এয়াই শেষ। হত্যাকাৰীয়ে সদায়েই জানে যে তাকো হত্যা কৰিব নতুন এজন হত্যাকাৰীয়ে। হত্যাকাৰীৰ হত্যাকাৰীয়ে জানে যে হত্যাকাৰীৰ হত্যা এক চিৰন্তন পৰম্পৰা। আৰু সেয়েহে সি হত্যাকাৰীক হত্যা কৰে। আৰু অৱশেষত নিজৰ হত্যাকাৰীৰ প্ৰতীক্ষাত বাগিচাত ঘূৰি ফুৰে আৰু সোৱাদ লৈ লৈ আপেল খায়।

**পাঁচ (ক) :**

হত্যাকাৰীবোৰে আলোচনা কৰিলে। গণতন্ত্ৰৰ কৰোঁ প্ৰতিষ্ঠা, হওক প্ৰতিজন। নাগৰিক হত্যাৰ প্ৰাৰ্থী, বাচি ল'ব পাৰিব নিজেই নিজৰ হত্যাকাৰী। সকলো হত্যাকাৰী সন্মত হ'ল। নিৰ্বাচন ঘোষণা কৰা হ'ল। উলহ মালহেৰে আৰম্ভ হ'ল প্ৰচাৰ। প্ৰতিজন হত্যাকাৰীয়ে চিঞৰি চিঞৰি কয় - 'ময়েই শ্ৰেষ্ঠ হত্যাকাৰী'। এজনে ক'লে - 'মই মানৱতাৰ দূত, ৰক্তপাত অবিহনে কৰিম হত্যা, - এয়া মোৰ প্ৰতিশ্ৰুতি'। আনজনে ক'লে - 'মই মহাধাৰ্মিক, নিদিম অকনো কষ্ট হত্যা কৰোঁতে, - এয়া মোৰ প্ৰতিশ্ৰুতি।' তৃতীয়জনে ক'লে - 'মই গান্ধীৰ অনুগামী, অহিংসাৰ পূজাৰী, গমেই নাপাবা যে কেতিয়া হৈছে - তোমাৰ হত্যা, এয়া মোৰ প্ৰতিশ্ৰুতি।' চতুৰ্থজনে ক'লে - 'মই প্ৰমূল্যভিত্তিক জীৱন যাপন কৰোঁ, সত্য-শিৱ-সুন্দৰৰ অনন্য উপাসক - এনেকুৱা হত্যা কৰিম যে মৰিবাও, অথচ হাঁহি থাকিবা আৰু ক'বা যে - ক'ত হ'ল মোৰ হত্যা! - এয়া মোৰ প্ৰতিশ্ৰুতি।' তাৰ প্ৰতিশ্ৰুতি শুনি ভোটদাতা মুগ্ধ হ'ল। 'এইজনেই আমাৰ হত্যাকাৰী। এইজনেই আমাৰ হত্যাকাৰী।' হুলস্থুল লাগিল।

**পাঁচ (খ) :**

এনেকৈয়ে গণতন্ত্ৰৰ প্ৰতিষ্ঠা হ'ল। সেইজন হত্যাকাৰীকে নিৰ্বাচিত কৰা হ'ল। এতিয়া ৰ'ল প্ৰতিশ্ৰুতি পালন। নৱনিৰ্বাচিত নেতাজনে এখন সভাৰ আহ্বান কৰিলে। আহিল সকলো পৰাজিত হত্যাকাৰী। নেতাই ক'লে - 'আমি সকলো ভাই-ভাই। যিহেতু আমাৰ জাতি একে - আমি হত্যাকাৰী। যিহেতু আমাৰ কাম একে - হত্যা কৰা। আমাৰ উদ্দেশ্য একে। আমাৰ লক্ষ্য একে।'

'আপুনি হাৰিছে। তাতে কি? আপুনি বিৰোধীপক্ষৰ। তাতে কি? বিৰোধীপক্ষৰ অবিহনে গণতন্ত্ৰ ক'ৰবাত চলিছেনে? মই নিৰ্বাচিত নেতা, গতিকে মই থাকিম সমুখত। আপোনালোক পৰাজিত, গতিকে থাকিব পাছত। ...........নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ পালন অবিহনে গণতন্ত্ৰ এক প্ৰহসন মাত্ৰ।'

**পাঁচ (গ) :**

এতিয়া কাৰ ইমান সময় যে কৰিব প্ৰশ্ন! হত্যাকাৰীবোৰ ব্যস্ত হত্যা কৰাত। আৰু মানুহবোৰ হত্যাৰ চিকাৰ হোৱাত। কাৰো সময় নাই। দেশৰ মূলসুঁতিত চামিল নোহোৱাসকলৰ বাহিৰে সময় নাই কাৰোৰেই।

(**ঋণী :** অন্যভাষিক এটা কবিতাৰ প্ৰতি।)

কথা কৱিতা

# ভাৱ-বল্লৰি

○ *শৈলেন বৰকাকতি*
স্নাতক দ্বিতীয় বৰ্ষ (দৰ্শন বিভাগ)

(১)

তেওঁ অহাতকৈ 'আহিম' বুলি কোৱাটো বেছি মাদকতাময়। তেওঁ যেতিয়া আহি পায় মই সজাই শেষ কৰিব নোৱাৰোঁ মোক; সজাই শেষ নহয় মোৰ ঘৰ, মোৰ বাগিছা। এই অপূৰ্ণতাৰ মাজতে শেষ হয় আমাৰ কথোপকথন। তাৰ পাছত তেওঁ যায়গৈ। স্মৃতিৰ বাদে মোৰ কাষত অইন একো এৰি নাযায়। তাতকৈ তেওঁলৈ অপেক্ষা কৰা সময়বোৰ কি যে মনোৰম!

(২)

বজাৰত সকলো বস্তুৰে মূল্য আছে। গাড়ী বা চাইকেল, টি,ভি, বা ৰেডিঅ', চাউল বা তৰকাৰী, সাৰ বা শইচৰ বীজ....... সকলোৰে। আনকি নিগনি মৰা বিহকণৰো। কিন্তু তোমাৰ দৃষ্টিত মোৰহে কোনো মূল্য নাই। কোনোবা পাহাৰৰ মই যেন সকলোৰে অনাদৃত এডোখৰ শিল। কিন্তু কোনোবা শিল্পীয়ে বটালী, হাতুৰীৰে কাটি কাটি সেই শিলকো গঢ়ি তুলিব পাৰে এটা কালজয়ী ভাস্কৰ্য্য কৰি আৰু সেই শিল্পী যদি হ'লাহেঁতেন তুমি।

(৩)

নৈখনকে মোৰ দুখৰ কথা কম বুলি ভাবিছিলো। নিজম নিতাল দুপৰীয়া, ৰিব্ ৰিব্ বতাহত হালে জালে নল বিৰিণাৰ পাত। মই নৈ খনৰ কাষ পালোগৈ। চাই পঠিয়ালো নৈ খনৰ বহল বুকুলৈ। তাইৰ নিজৰে দেখোন এবুকু দুখ। চকুলো বৈ আছে বুকুৰ মাজেদি। ভাবিছো নৈখনক মোৰ দুখৰ বতৰা কওঁনে? নে তাইক সাৱটি ধৰো অকণ সহানুভূতিৰে??



বাটৰ নাট

# বিপন্ন স্বদেশ

○ ড° সীতানাথ লহকৰ

**(সমূহ অংশগ্ৰহণকাৰী দল বান্ধি গীত গাই দৰ্শকৰ কাষে কাষে ঘূৰিব। গীত সূত্ৰধাৰদ্বয়ে এবাৰ ইজনে এবাৰ সিজনে লগাই দিব। প্ৰয়োজন সাপেক্ষে গীতৰ পুণৰাবৃত্তি)**

সূত্ৰধাৰ- ১।। দেশৰ কথা কওঁ ভাই
ৰাইজৰ কথা কওঁ।



সূত্ৰধাৰ- ২।। স্বদেশ বিপন্ন আহা
সাৱধান হওঁ।।

সমূহ।। দেশৰ কথা কওঁ ভাই/ৰাইজৰ কথা কওঁ/স্বদেশ
বিপন্ন আহা/সাৱধান হওঁ।।

সূত্ৰ - ২।। ৰাইজৰ তেজ ঘামত আহিল
স্বৰাজ দেশলৈ



সূত্ৰ - ১।। বোলো, ৰাইজৰ .... দেশলৈ,

সূত্ৰ - ২।। ৰাম ৰাজ্যৰ সপোন আজি
গ'লনো কলৈ?

সমূহ ।। দেশৰ কথা....সাৱধান হওঁ।।

সূত্ৰ - ১।। স্বাধীন দেশত নহয় বোলে
ভাত কাপোৰ সমস্যা,

সূত্ৰ - ২।। এই দেশতে কালাহান্তি
মনজানো কৰিছা?

সমূহ ।। দেশৰ কথা কওঁ ভাই........।।



সূত্ৰ - ১।। ঋণৰ সুদত নেতাই আজি
দেশ বন্ধকত থয়।

সূত্ৰ - ২।। বোলো ঋণৰ সুদত ...থয়।

সূত্ৰ - ২।। তাৰ পিছতো টেটু ফালি
প্ৰগতিৰ কথা কয়....

সমূহ।। দেশৰ কথা কওঁ ভাই...।

সূত্ৰ - ২।। কতনা ভাই বঞ্চনা
আৰু কিমান ৰাকী?



সূত্ৰ - ১।। '৪৭ চনৰ পৰা
দিলে মাথো ফাকি

সমূহ ।। কতনা ভাই..........ফাকি।।

(লগে লগে দুই সূত্ৰধাৰ দলৰ পৰা ওলাই গৈ আবৃত্তি কৰিব। আন অংশগ্ৰহণ কাৰী দৰ্শকৰ লগত মিলিব।)

সূত্ৰ - ১।। ১৯৪৭ চন
২।। স্বাধীন হ'ল দেশখন
১।। নামতহে, নহয় কামত
২।। সাক্ষী আছে এই জনগণ।।

১।। হে ভাই চাই যা
২।। আৰে ভাই কৈ যা
১,২।। ৰাম ৰাজ্য নহ'ল কিয়
আজিও স্থাপন?

সমূহ।। হে ভাই চাই যা
আৰে ভাই কৈ যা
ৰাম ৰাজ্য নহ'ল কিয়
আজিও স্থাপন?

২।। আহে সেবে নিৰ্বাচন
১।। নেতাৰ মুখত ফুল চন্দন
২।। প্ৰতিশ্ৰুতি দিয়ে ঘনে ঘন।
১।। ৰাম ৰাজ্যৰ ৰঙীন ঘোঁৰা
২।। তীৰ বেগে চেকুৰা..
১।। লৰা ঢপৰা
২।। হেতা ওপৰা
১।। স্বপ্নাতুৰ হয় জনগণ।
২।। হে ভাই চাই যা
১।। আৰে ভাই শুনি ল
১,২।। বাৰে বাৰে হয় কিয়
জনতাৰ স্বপ্ন ভগন।

সমূহ।। হে ভাই চাই যা
আৰে ভাই শুনি ল
বাৰে বাৰে হয় কিয়
জনতাৰ স্বপ্ন ভগন।

১।। তেনে এক নিৰ্বাচন



২।। ১৯৯১ চন
১,২।। শুনোচোন একে একে নেতাৰ ভাষণ....।।

(সূত্ৰধাৰদ্বয় দৰ্শকৰ লগত মিলে। ডিঙিত চাদৰলৈ আহে এক বৃদ্ধ নেতা। মূৰত কংগ্ৰেছী টুপী।)

নেতা- ১।। ৰাইজ আমাৰ লক্ষ্য বাপুজীৰ ৰাম ৰাজ্য - পণ্ডিত নেহেৰুৰ সমাজ তান্ত্ৰিক ভাৰত - তস্য কন্যা শক্তিদায়িনী মাতৃৰূপিনী শ্ৰীমতী গান্ধীৰ ভাৰত, — তস্য পুত্ৰঃ যুৱনেতা শ্ৰীগান্ধীৰ ভাৰত। এই বিশ্ব নেতাৰ আকস্মিক মাৰ্ডাৰ। দেশৰ অস্তিত্ব আজি বিপন্ন— অখণ্ডতা সংকটাপন্ন আৰু আমি হ'লো ঘাট মাউৰা। পাৰ্টি আজি পিতৃ-মাতৃহীন। আমাক সহায়কৰক প্ৰভুসকল - সহায়তা কিজিয়ে। ভিক্ষা প্ৰাৰ্থী আমি'

(ডিঙিৰ কাপোৰ পাতি দৰ্শকৰ পৰা ভিক্ষা কৰাৰ ভঙ্গিমা। কোনোবাই এটি পইছা দিয়ে।)

পইছা নহয় ৰাইজ। (পইছাটো মোনাত ভৰায়।) সেইফালে আমি strong আছো — very strong। আমি দিমহে। কেৱল ভোট। ম'কা যদি দিয়ে গাদীত বহাৰ - দেখিব ১০০ দিনৰ ভিতৰত — অ, মাত্র এশ দিনৰ ভিতৰত চাউল, দালি, আটা চেনীৰ দাম - পানীৰ দাম। মাত্র ১০০ দিনৰ ভিতৰত। বস্তুৰ দাম কমাইতো দিমেই,— লগতে কথা দিলো, প্রতিবছৰে এক কোটি যুবক-যুৱতীক চাকৰি দিম; Employ ment।

(লগে লগে হনুমানৰ ভঙ্গিত দৰ্শকৰ মাজত জপিয়াই পৰেহি ২য় নেতা। ১ম নেতাই চক খাই দৰ্শকৰ মাজত সোমায় ২য় নেতাৰ মূৰত গেৰুৱা কাপোৰ বন্ধা)

নেতা - ২।। জয় শ্রীৰাম....। আচল সমস্যা মন্দিৰ - জন্মস্থান। মহাপ্রভু শ্রীৰামৰ জন্মস্থান অযোধ্যা, কৃষ্ণ প্রভুৰ বৃন্দাবন আৰু হনুমানজীৰ জন্মস্থান তাজমহল।

নেতা - ২।। ৰাইজ এই মহল-মছজিদ, চুৰমাৰ কৰিব লাগে। জন্মস্থান উদ্ধাৰ কৰিব লাগে - মন্দিৰ সাজিব লাগে। দিল্লীৰ কুতুবমিনাৰ, সেয়াতো কুতুবমিনাৰ নহয়। সম্রাট সমুদ্রগুপ্তই নিৰ্মাণ কৰা বিষ্ণু স্তম্ভ। তাক উদ্ধাৰ কৰিব লাগে। আজি মন্দিৰৰ বাবে - হিন্দুত্বৰ বাবে যুঁজ দিয়াই একমাত্র কাম ৰাইজ। এই যুঁজত বাধা দিলে কাৰো ৰক্ষা নাই। ৰাইজৰ নিশ্চয় মনত আছে, গান্ধী বুঢ়াকো আমি ৰেহাই নিদিলো—থুচ্.....।

(পিষ্টল মৰাৰ ভঙ্গি কৰি ২য় নেতা freez । সূত্রধাৰে আবৃত্তি কৰে।)

সূত্র - ১।। শুনিলানে লোকায়,
২।। ইতিহাস কিদৰে লুকায়,
১।। কলঙ্কিত কৰে গৰ্ব দেশৰ
২।। পাবলৈ মাথো বাকচ ভোটৰ?
১।। ইহঁতৰ নাই কোনো পৰোৱা,
২।। খহিলে খহক,
তাজমহলৰ দৰে সভ্যতাৰ মিনাৰ
১।। পৰিলে পৰক
বাপুজীৰ দৰে বন্ধু মানৱৰ।
২।। হে ভাই শুনি যা।
১।। আৰে ভাই কৈ যা
১,২।। চতুৰ্থ শতিকাৰ সমুদ্র গুপ্তই
কিদৰে সজায়
ত্রয়োদশ শতিকাত কুতুবমিনাৰ? (সূত্রধাৰ দৰ্শকৰ সৈতে)

সমূহ ।। হে ভাই শুনি যা
আৰে ভাই কৈ যা
চতুৰ্থ শতিকাৰ সমুদ্রগুপ্তই
কিদৰে সজায়
ত্রয়োদশ শতিকাত কুতুবমিনাৰ?

(লগে লগে ২য় নেতাই ভাষণ দিব ধৰে)

নেতা - ২।। আমাৰ লক্ষ্য হিন্দুৰ তেত্রিশ কোটি দেৱতা, তেৱা সৱৰ ল'ৰা-ছোৱালী, নাতি-পুতি প্রত্যেকৰে নামত কমেও এটাকৈ মন্দিৰ নিৰ্মাণ। হিন্দুত্বৰ ধ্বজা উত্তোলন।

নেতা - ১।। হিন্দুস্থান—মন্দিৰ নিৰ্মাণ। এই মন্দিৰ কেৱল গাঁজা খোৱাৰ ঠাই নহয়—খিচৰি খোৱাৰ ঠায়ো নহয়,- নহয় ই হাঁহ, পাৰ, পঠা কাটি খোৱাৰ ঠাই। ই এটা ইণ্ডাষ্ট্রী। প্রতিদিনে লাখ কোটি টকা ৰোজগাৰ কৰিব পৰা ইণ্ডাষ্ট্রি—শিল্প। ৰাম মন্দিৰ- গণেশ মন্দিৰ, কামাখ্যা মন্দিৰ - জগন্নাথ মন্দিৰ জলন্ত প্রমাণ। দেশৰ ডেকা ডেকেৰীহঁত! লাগি যোৱা মন্দিৰ নিৰ্মাণত - চকু মুদি বহি যোৱা মন্দিৰ প্রাঙ্গনত। গঞ্জিকা সেৱন কৰি গাই যোৱা (সুৰধৰি) "হৰে কৃষ্ণ হৰে ৰাম - কৃষ্ণ কৃষ্ণ হৰে হৰে।" দেখিবা তোমালোক এই দুনিয়াত নাই। অন্য এক দুনিয়াত ব্যস্ত। বেকাৰ সমস্যা খতম। গতিকে

হে অজলা নৰ নাৰী
(আমাক) যদিহে কৰা গাদীৰ অধিকাৰী,
ৰাম কৃষ্ণক সুঁৱৰি
একোটাকৈ দিম মন্দিৰ গঢ়ি।
হিন্দুস্থান - মন্দিৰ নিৰ্মাণ - হনুমান - জয়শ্রীৰাম...।

(২য় নেতা যাব খোজে। ৩ য় নেতাৰ চিঞৰত দৌৰি আঁতৰি যাব খোজোতে পৰি যায়। দৰ্শকৰ লগত মিলে। ৩য় নেতাৰ মূৰত ৰঙা ফিটা বন্ধা)

নেতা - ৩।। সংগ্রাম...................। শ্রমিক কৃষকৰ আপোচহীন সংগ্রাম - দীন দুখীয়া - শ্রমকাৰীজনৰ মুক্তি। মুক্তিমানেই সমাজ তান্ত্রিক ভাৰত। এই নিৰ্বাচনৰ যোগেদি সমাজ তান্ত্রিক বিপ্লৱ জোৰদাৰ কৰক ৰাইজ। ওফৰাই দিয়ক সেই পাৰ্টিক - যি আজি আঠৈকুৰি বছৰে দেশক প্রৱঞ্চনা কৰি আহিছে - ৰাইজৰ সেৱা চুৰ কৰি আহিছে। থান বান কৰি দিয়ক সেই পাৰ্টিৰ ষড়যন্ত্র, যি ধৰ্মৰ বেপাৰ কৰি মানুহক মানুহৰ শত্রু কৰিব বিচাৰিছে,— যি মন্দিৰ মছজিদক ভ্রাতৃঘাতী সংঘৰ্ষৰ বীজ হিচাবে ব্যৱহাৰ কৰিব বিচাৰিছে। হে গণদেৱতা, আহক হাতত হাত থৈ, কান্ধত কান্ধ মিলাই আগুবাই যাও সমাজতন্ত্রৰ পতাকা লৈ। আহক আমি সমস্বৰে গাওঁ-
মানৱ মুক্তিৰ আছে অঙ্গীকাৰ।
সমাজতন্ত্র লক্ষ্য আমাৰ।।

(শেষৰ শাৰী দুটা দুবাৰমান গাই দৰ্শকৰ লগত মিলে। সূত্রধাৰে বিপ্লগীতৰ সুৰত গীত গায়।)

সূত্ৰ - ১।। হৈ গ'ল নিৰ্বাচন
২।। ভাগে ভাগে হ'ল আসন
১,২।। কাৰো নহ'ল আশা পূৰণ.....ঐ
গোবিন্দই ৰাম.........................।

(লগে লগে ১ম নেতা ব্যস্ততাৰে দৌৰি আহি ২য় নেতাৰ হাতত ধৰে ভৰিত পৰে। গীত চলি থাকে)

২।। হাতে ধৰা পাৰে পৰা
১।। কিনা বেচাৰ আখৰা
২।। চোৰা গণতন্ত্ৰৰ চেহেৰা ঐ....................
গোবিন্দই ৰাম..................

(সূত্ৰধাৰ দৰ্শকৰ লগত মিলে। প্ৰতিফাকি গীত সূত্ৰধাৰে গোৱাৰ পিছত সমূহ অংশ গ্ৰহণকাৰীয়ে গাব।)

নেতা - ২।। নাই ...নাই.........

নেতা - ১।। Please দয়া কৰক। আমিয়েইতো single largest party একক বৃহৎ দল ..... please support —সমৰ্থন।

(২য় নেতা বিশেষ ভঙ্গীমাত ১ম নেতাৰ ফালে ঘূৰি দীঘল খোজ ডাঙে। ১ম নেতাই আঠুঁকাঢ়ি ২য় নেতাৰ উত্থিত ভৰি হাত পাত ধৰে।)

নেতা - ২।। দিম ..............., কিন্তু মন্দিৰ বনাব দিব লাগিব।

নেতা - ১।। হব...।

নেতা - ২।। আৰু..........

(সন্মুখত ৩য় নেতাক দেখি ২য় নেতাই ঘূৰি পিঠি দিয়ে। ৩য় নেতায়ো। ১ম নেতাই ৩য় নেতাক আঠুঁকাঢ়ি অনুৰোধ কৰে।)

নেতা - ১।। কমৰেড দেশৰ বিপদ। আপোনালোকৰ সমৰ্থন ভিক্ষা কৰিছো।

নেতা - ৩।। দিম...............। (১ম নেতা একেজাপে থিয় হৈ যাব খোজে)
কিন্তু নিৰ্বাচনী প্ৰতিশ্ৰুতি। এশ দিনৰ ভিতৰত বয়-বস্তুৰ দাম কমাব লাগিব,- বছৰত এককোটি চাকৰি....।

নেতা - ১।। নিশ্চয়, সৰ্বহাৰাৰ কথা ভাবিবই লাগিব। (দৌৰি ২য় নেতাৰ ওচৰ চাপে)

নেতা - ৩।। লগতে

নেতা - ১।। এক চেকেণ্ড.....। (২য় নেতাক)
কিবা এটা কব খুজিছিল নহয়?

নেতা - ২।। মছজিদ ভাঙিব দিব লাগিব।

নেতা - ১।। মছজিদ...

(১ম নেতা ৩য় নেতাৰ ওচৰলৈ যাব খোজে)

নেতা - ২।। একো নকলে দেখোন? শপত লোৱাৰ দিনাই চৰকাৰ ভাঙি দিম বাপেকে..

নেতা - ১।। মুখেৰে কলেহে কোৱা নেকি? অন্তৰ খন বুজিব লাগে নহয়। মইতো আপত্তি কৰা নাই।

নেতা - ২।। জয় শ্ৰীৰাম.........। শেষ তেন্তে.....।

নেতা - ১।। শুনো ৰব...। ( দৌৰি ৩য় নেতাৰ ওচৰ পায়)
কওক, কি কয়।

নেতা - ৩।। সম্প্ৰাদয়িক কাম কাজ বন্ধ কৰিব লাগিব।

নেতা - ১।। এশবাৰ..........।আপোনালোক নিশ্চিত থাকক।

(৩য় নেতাক দৰ্শকৰ মাজলৈ এক প্ৰকাৰ ঠেলি দি ২য় নেতাৰ ওচৰ পায়)

নেতা - ১।। কওক এতিয়া....।

নেতা - ২।। ৰথ যাত্ৰা কৰিম - উত্তৰৰ পৰা দক্ষিণ, - পূবৰ পৰা পশ্চিম - গোটেই দেশত।

নেতা - ১।। ৰজা হোৱাৰ আগতে ৰাজসূয় - নে কৃষ্ণলীলা?

- ২।। বাধা দিব হ'লে নোৱাৰিব।

- ৩।। ৰাইজক দেখুৱাই অলপ দিম। বেয়া যেন....

- ২।। অ' ভিতৰি নেৰিবা বেথা (বিহুগীতৰ সুৰত)
জয় শ্ৰীৰাম......। (২য় নেতা যায়।)

নেতা - ১।। হৈ গ'ল মোৰ কাম - পালো এই সিংহাসন।

(১ম নেতা দুই পুলিচে তৈয়াৰ কৰা আসনত বহে। লগে লগে কৃষক (মূৰত পাগুৰি) শ্ৰমিক (কান্ধত মোনা) দুফালৰ পৰা slogan দি আহে।)

কৃষক, শ্ৰমিক ।। নিৰ্বাচনী প্ৰতিশ্ৰুতি পালন কৰক...।
কৃষক।। দাম কমাওক
শ্ৰমিক।। চাকৰি দিয়ক।

(slogan খিনি দুবাৰ গায়। নেতা থিয় হয়। দুই পুলিচে শ্ৰমিক-কৃষকক আগুৰে। নেতাই শিল্প পতিৰ লগত কথা পাতে গৈ)

নেতা - ১।। বিড়াল জী, ডালমুটজী, টাটা-বাই-বাইজী...।

শিঃ পতি ।। ক্যা হুবা - নৰবানৰ জী..?

নেতা - ১।। আন্দোলন। বস্তুৰ দাম কমাব লাগে।

শিঃ পতি ।। ক্যা...?

নেতা - ১।। পাঁচ-দহ পইচা হলেও - অন্ততঃ এসপ্তাহৰ কাৰণে।

শিঃ পতি ।। দিয়ক - ইলেক্চনত দিয়া টকা কেইকোটি ঘূৰাই দিয়ক হেঃ হেঃ ....................

(নেতা বিমুখ হৈ আগৰ আসনত বহে। শিল্প পতি দৰ্শকৰ লগত মিলে। শ্ৰমিক কৃষকে আগৰ দৰে slogan দিয়ে।)

শ্ৰঃ, কৃঃ ।। নিৰ্বাচন প্ৰতিশ্ৰুতি পালন কৰক..
শ্ৰঃ ।। চাকৰি দিয়ক
কৃঃ ।। দাম কমাওক..

('দাম কমাওক' - 'চাকৰি দিয়ক' - কৈ কৈ নেতাৰ একেবাৰে ওচৰ পালে। নেতা অতীষ্ঠ হৈ থিয় হয়। পুলিচ সষ্টম।)

নেতা - ১।। উস্ ............... মই কি কৰো...?
শ্ৰঃ ।। চাকৰি দিয়ক.....।
কৃঃ ।। দাম কমাওক।

নেতা - ১।। হটাও.......... (পুলিচে শ্ৰমিক কৃষকক কোবাই দৰ্শকৰ মাজলৈ লৈ যায়। নেতা উত্তেজনাত ঘূৰে।
কি কৰা যায়?

(পুঁজি পতিৰ (IMF, World Bank) প্ৰতিনিধিয়ে নাচি বাগি গীত গায় - নেতাক নেদেখি প্ৰথমে ইফালে সিফালে চায়।)

প্ৰতিনিধি ।। (প্ৰতিনিধিৰ বুকুৱে পিঠিয়ে লিখা থাকিব IMF বিশ্ব ব্যাঙ্ক)

।। আও তুমহে মে তৰিকা বতা দু।

(নেতাৰ প্ৰতিক্ৰিয়া -। ঘূৰি ঘূৰি চায় - পুঁজি পতিয়ে ঘূৰি ঘূৰি গায়)

প্ৰতিনিধি ।। আও, তুমহে মে গদ্দাৰি শিখা দু।

(নেতাই দেখে। দৌৰি পুঁজি পতিৰ ওচৰলৈ আহে।)

নেতা - ১।। শিখ্‌লা দিজিয়ে না......................।

প্ৰতিনিধি ।। আও, তুমহে মে তাৰিকা বতা দু।

নেতা - ১।। বতলা দিজিয়ে না...................।

প্ৰতিনিধি ।। আহা তোমাক মই উপায় এটা দিও।

(নেতাই আগ ভেটি ধৰে। আঠুকাঢ়ি সেৱা কৰে)

নেতা - ১।। দিয়কনা-মোক বচাওক-মোৰ গাদী -please ।

(দুয়ো গীত গায়। । সূত্ৰধাৰে গীত গায়। সুৰ ঃ "বৰ বৰিবা যায় মেণকা।")

সূত্ৰ - ১।। দেশ গঢ়িবা ওলাল নেতা গল বস্ত্ৰ হৈয়া।

সূত্ৰ - ২।। আই, এম, এফ (IMF) বিশ্ব ব্যাঙ্ক আনে মূৰত তুলিয়া অ।।

সমূহ - ।। দেশ গঢ়িবা...........................মূৰত তুলিয়া।

সূত্ৰ - ২।। বৰঘৰত কাল সৰ্প সোমাল ...... আনন্দ নেতাৰ।

সূত্ৰ - ১।। বিনিময়ত পাব যে সি গাদী ক্ষমতাৰ অ'।।

সমূহ - ।। দেশ গঢ়িবা......

(সূত্ৰধাৰ দৰ্শকৰ লগত মিলে)

পুঃ প্ৰ ।। Get up my boy - উঠ। তোক loan দিম। উপায় দিম, — উত্তম, সৰ্বোত্তম, নৰোত্তম....।

নেতা - ১।। ছাৰি..........

প্ৰঃ ।। গাদী কপকপীয়া হ'ব সোঁৱে বাৱে লাখে-কোটি কমিচন আহিব....

নেতা - ১।। ঐঁ মোৰ প্ৰভু ঐ... (পুঁজিপতিৰ ভৰি চুই সেৱা কৰি উঠিব খোজোতেই নেতাই যেন কঁকালত দুখ পায়। যন্ত্ৰণাত কেঁকাই উঠে।)

প্ৰ ।। এই যে তোৰ গলিত নখ - দন্ত অৱস্থা - বানগ্ৰস্থ - vanish হাৱা হৈ যাব। যোল্লবছৰীয়া ভাইটি হবি......

প্ৰ ।। চুইট চিক্সটিন্ (sweet sixteen)

নেতা - ১।। উপায়তো দিয়ক ছাৰ্, সোনকালে।

প্ৰ ।। টুং............... বুৰ্বক নেকি অ' ?

নেতা - ১।। ছাৰ্............

প্ৰ ।। দিল্লীকা লাড্ডু পাইছ? পায়াজীৰ দোকানৰ পৰা আনি দিম তপকৈ গিলি দিবি? খাল সিঁচাৰ আগতে বান্ধিব লাগিব - অকাই, পকাই, জপতিয়াই.........................।

নেতা - ১।। হব ছাৰ্............. ৰাজি...

প্ৰ ।। No. 1 - এক নম্বৰ - আমাৰ বচহঁতক - বিশেষকৈ চুপ্ৰিম বচ (Boss) আমেৰিকাক বেপাৰৰ খোলা ময়দান দিব লাগিব - একেবাৰে টাং গুটি খেলা পথাৰ।

নেত - ১।। হব..........

প্ৰ ।। তোৰ দেশৰ ৰত্ন-ভাণ্ডাৰৰ সমস্ত দুৱাৰ খিৰিকি ভাঙি দিব লাগিব - যাতে আমাৰ মাল্টিন্যাশন্যাল কোম্পানীৰ ডিঙাবোৰ ক'তো নবজে। পুৰুৎকৈ আহিল - ভৰালে, সুৰুৎকৈ গুচি গ'ল। পুৰুৎকৈ আহিল, ভৰালে, সুৰুৎকৈ গুচি গ'ল। চলি থাকিল অহা যোৱা, হেঃ, হেঃ.............

নেতা - ১।। ছা....................... (কিবা কব খোজে)

প্ৰ ।। আৰু আছে। তোৰ দেশত কৃষি, খনি, শিল্প, বীমা, ব্যাঙ্ক কোনো এটাও চৰকাৰী খণ্ডত থাকিব নোৱাৰিব। ব্যক্তিগত খণ্ডত চালান privatisation দেশী বিদেশী বুলি কথা নাই, টাটা, বিৰলা, ম্যাকডোনাল্ড সবৰে চখৰ মৃগয়াভূমি হ'ব। জমিব - হেঃ, হেঃ ......, হেই কি হ'ল তোৰ?

(নেতা কিবা চিন্তাত থৰ লাগে। শুনা যায় slogan।)

শ্ৰ ।। দুখিয়া শ্ৰমিক............................

সমূহ - ।। এক হওক...........................

প্ৰ ।। হেই.......................

শ্ৰ ।। ব্যক্তি গত কৰণ

সমূহ - ।। প্ৰতিৰোধ কৰিম......................

প্ৰ ।। হেই নৰবানৰ.......................

(অংশগ্ৰহণকাৰী দৰ্শকৰ পৰা কিছু ওলাই আহি Slogan দিব। হাতত playcard থাকিব পাৰে।

(নেতা অতৰ্কিতে প্ৰতিনিধিৰ কোলাত জপিয়াই উঠে।)

প্ৰ ।। হাৰে কি কৰ? কি কৰ? এই বেটা বুঢ়া শগুন মোক তোৰ আইতা পাইছ নেকি। নাম।

(নেতাই নামিব নোখোজে)

প্ৰতিনিধি ।। তোৰ কিবা দোষ আছে নেকি অ' - এই বুঢ়া কালতো................?

(জোৰ কৰি নমাই দিয়ে। নেতাই কান্দিব ধৰে)

হ'ল কি তোৰ?

নেতা - ১।। ভয় লাগিছে।

প্ৰ ।। কিহৰ ? (প্ৰতিনিধি চক খায়)

নেতা - ১।। কমিউনিষ্টৰ - সিহঁতেতো এইবোৰ কৰিব নিদিব। মোৰ গাদী?

(বাঘৰ আওৱাজ দি নেতাক খেদি যায়)

নেতা - ১।। ছাৰ...............।

প্ৰ ।। চুপ, বেটা অলগৰ্দ্দ। কথা কব নোৱাৰাকৈ মুখ চেপি ধৰে - ঘূৰাই দিয়ে।

প্ৰ ।। গোটেই পৃথিৱীত কমিউনিষ্টৰ ঢোল ফুটাই দিলো আৰু ই বেটা বুঢ়া শগুণে.....

নেতা - ১।। নহয় ছাৰ........ ইয়াত দিনক দিনে সিহঁতৰ তেজ বাঢ়ি গৈছে

প্ৰ ।। আৰু তুমি সিহঁতৰ ঘোঁৰা কেইটাৰ ঘাহ কাটি আছা? বেটা ঘোঁৰা চহী। তোৰ দ্বাৰা নহব - আন কাৰোবাক....

নেতা - ১।। হব ছাৰ - মই পাৰিম।

প্ৰ || কেনেকৈ পাৰিবি? কমিউনিষ্টইঁতে...

নেতা- ১|| ট্ৰেইনিং লম ছাৰ......

প্ৰ || ট্ৰেইনিং.......?

নেতা- ১|| প্ৰথমেই চুপ্ৰিম বচ আমেৰিকা আৰু তাৰ পিছত ইয়েল্টচিন ডাঙৰীয়াৰ পৰা লম। গণতন্ত্ৰ ৰক্ষাৰ ট্ৰেইনিং......।

প্ৰ || অ, চাব্বাচ মোৰ বুঢ়া শগুণ.....। বুদ্ধি খুলি গৈছে। লাগি যা।

নেতা- ১|| বেচি দিগদাৰি হলে ৰাজধানীৰ পৰা চিঞৰ এটা মাৰি দিম - গণতন্ত্ৰৰ বিপদ।

প্ৰ || লগে লগে চুপ্ৰিম বচ আমেৰিকা আৰু তেওঁৰ বহতীয়া সংস্থা U.N.O. সৈন্য সামন্ত লৈ হাজিৰ। গণতন্ত্ৰ ৰক্ষাৰ বাবে।

প্ৰ || খেলা খতম।

নেতা- ১|| খতম কৰাৰ ৰাস্তা পাই গৈছো ছাৰ। Hip Hip Hurrah - Hip Hip Hurrah। আহ্ বেতাইঁত কোন আহ (মাৰাৰ ভঙ্গিমা)।

প্ৰ || সাৱধানে । ভুল হলেই কিন্তু Loan নাপাবি। ৰাতা ৰাতি গাদী Up side down ।

নেতা- ১|| নহয় ছাৰ। আপুনি শিকাই দিয়া মতেই কৰিম।

প্ৰ || ঠিক?

নেতা- ১|| একদম্ - 100%।

প্ৰ || প্ৰমাণ দে।

নেতা- ১|| কওক— Ready । (প্ৰতিনিধি নেতাৰ কাণে কাণে কিবা কয়।)
নিশ্চয়.............., ৰাইজ 'আমাৰ আই-মাতৃ ধৰ্ষিতা হলে পবিত্ৰতা নষ্ট হব- আইৰ সতীত্ব কলঙ্কিত হব- এই ধাৰণা মিছা। ধৰ্ষিতা হলে বিশেষকৈ পশ্চিমৰ বগা চাহাবৰ দ্বাৰা ধৰ্ষিতা হলে আইৰ পৱিত্ৰতা বাঢ়িব - সতীত্ব গৰ্ব দুগুনে চৰিব। গতিকে........

প্ৰ || pass - pass 1st division (নেতাৰ আনন্দ)

নেতা- ১|| Thank You মেডেল পাই যাবি অ' - প্ৰভু ভক্তিৰ।

প্ৰ || আচল কথা কিন্তু বাজেট। এনেকৈ বনাবি যাতে বণিকইঁতৰ কোনো অসুবিধা নহয়। সিহঁতৰ আয়কৰ, ৰপ্তানি কৰ ৰেহাই দি....

নেতা- ১|| আপুনি তাৰ মানে আমাৰ দেশৰ কথা একো নাজানে।

প্ৰ || কিয় ? কিয় ??

নেতা- ১|| ইমান দিনে আমাৰ পাৰ্টিয়ে তাকেই কৰি থকা নাই? নহ'লে আমাক ইলেক্চনৰ টকা দিব কোনে? বণিকইঁতেইটো আমাৰ গাদীৰ খুটা।

প্ৰ || খুটা আৰু জোৰদাৰ কৰিব লাগে।

নেতা- ১|| আপুনি যি কয়..........।

প্ৰ || বাণিকইঁতে বস্তুৰ দাম বঢ়ায় বা বস্তু নিদিয়াকৈয়ে পইছা লয়, তাৰি চকু কাণ নিদিবি।

নেতা- ১|| বাপুজী বাপুজী...। বেয়া বস্তু নাচাবা - বেয়া কথা নুশুনিবা।
(নেতাই চকু মুদি, কাণত আঙুলি দিয়ে।

প্ৰ || চোৰা বেটা তপস্বী ব্ৰাহ্মণক! ঐ বেটা এই দৰে থাকিবিতো, যিহে তোৰ দেশৰ ৰাইজ, গিলি খাব।

(নেতাই কান্দিব ধৰে)

নেতা- ১|| মোৰ গাদী.................।

প্ৰ || চুপ্....................।

নেতা- ১|| গাদী........................।

প্ৰ || আৰে পাবি পাবি বাবা। গাদী ৰখাৰ উপায় দিবলৈকেতো আহিছো।

নেতা- ১|| দিয়ক না ছাৰ জল্দি।

প্ৰ || দিও ?

নেতা- ১|| দিয়ক ছাৰ- শুভস্য শীঘ্ৰম...

প্ৰ || খোলা বজাৰ অৰ্থনীতি - Free Market Economy— এই নতুন নীতিৰ দোহাই দি ৰাইজক ম্যাজিক দেখুৱাব পাৰিবি - আশা দিব পাৰিবি - বুৰ্বক বনাব পাৰিবি, কেৱল প্ৰচাৰ লাগে। লগাই দে তোৰ ফেউৰাৰ দলক - ৰেডিঅ', টি. ভি, বাতৰি কাকত সবতে । লাগি যা.........

(নেতাই চিঞৰি দৰ্শকৰ চাৰিওফালে ঘূৰে)

নেতা- ১|| খোলা বজাৰ........ (প্ৰতিনিধি চিঞৰি মাতে)

প্ৰ || Stop..........., শুন (নেতা ওচৰলৈ আহে) লগত হৰমোহনক ল.........।

নেতা- ১|| হৰমোহন...

প্ৰ || আৰে দাৰিয়া হৰমোহন ....পায়াজী....।

নেতা- ১|| অ'.....

প্ৰ || তাক সকলো শিকাই দিয়া আছে।

নেতা- ১|| তেতিয়া হলে আৰু চিন্তা নাই।

প্ৰ || Best of Luck - start।

(প্ৰতিনিধি যায় - নেতাই আনন্দত চিঞৰি চাৰিওফালে ঘূৰে)

নেতা- ১|| খোলা বজাৰ অৰ্থনীতি..............

(লগে লগে ১ম, ২য় পুলিচে লাঠি আৰু হাতৰ সহায়ত তৈয়াৰ কৰা টিভিত নেতাই আহি ভাষণ দিয়ে। সকলো লাহে লাহে ঘূৰি থাকে।)

নেতা- ১|| দেশৰ অৰ্থনীতি শক্তিশালী কৰিবলৈ হ'লে - বিশ্বপ্ৰগতিৰ লগত খোজ মিলাবলৈ হ'লে - খোলাবজাৰ অৰ্থনীতিৰ প্ৰয়োজন। কিন্তু কিছুমান বিৰোধী দলে দেশৰ উন্নতি নিবিচাৰে। ৰাইজে যেন তেওঁলোকৰ কথাত কাণ নিদিয়ে। এই নীতিৰ বলত.......

(নেতাই Mime কৰি লাহে লাহে টি ভিৰ সৈতে দৰ্শকৰ লগত মিলে। ২য় নেতা আহে)

নেতা- ২|| নতুন অৰ্থনীতি চালু কৰি এই নেতাই নিজকে দেশৰ শ্ৰেষ্ঠ প্ৰধান মন্ত্ৰী বুলি প্ৰমাণ কৰিলে। এই নীতি আমাৰ পাৰ্টিৰো নীতি। ইয়াৰ বলত

দেশৰ প্ৰগতি অৱশ্যম্ভাৱী।

(২য় নেতা যায় - ৩ য় নেতা আহে)

নেতা- ৩।। দেশৰ সৰ্বনাশ মাতি আনিব এই নীতিয়ে। মূল্য বৃদ্ধি হ'ব - বেকাৰ বাঢ়িব, আৰু ডাঙৰ কথা, দেশৰ সমস্ত সম্পদ বিদেশী কোম্পানীয়ে লুণ্ঠন কৰিব। চিলি, ব্ৰাজিল, মেক্সিকোৰ দৰে আমাৰ দেশকো নাঙঠ কৰিব।

(৩ য় নেতা যায় - সূত্ৰধাৰে গীত গায়)

সূত্ৰ - ১।। খোলা বজাৰ অৰ্থনীতিৰ ... পাতে মহা ফান্দ

সূত্ৰ - ২।। বিদেশীক খুলি দিয়ে দেশৰ ৰত্ন ভাণ্ড।।

সমূহ - ।। দেশ গঢ়িব....

সূত্ৰ - ২।। খনিজ নিব, বনজ নিব..... নিব সত সম্ভাৰ।

সূত্ৰ - ১।। স্বাধীন দেশ হে বো আমাৰ পৰাধীন পুণৰ।।

সমূহ - ।। দেশ গঢ়িব..................................

সূত্ৰ - ১।। ইহঁতে সাৰ্বভৌম দেশৰ কথা কয়...ভোট বোটলাত।

সূত্ৰ - ২।। বিদেশীক জাপি দিলে মাতৃ ধৰ্ষনত অ'।।

সমূহ - ।। দেশ গঢ়িব ...... মূৰত তুলিয়া।।

(সূত্ৰধাৰ যায়। শিল্পপতিৰ পিছে পিছে কৃষক আহে)

শিল্পপতি ।। আৰু এক পাইছাও নিদিও। Rate মতে দিছো।

কৃষক- ।। ক'ত দিলে Rate মতে ? আগতকৈ মোনে প্ৰতি দুই/তিনিশ টকা কম। ঠগাবলৈ আহিছে। তেজক পানী কৰি সৰিয়হ উৎপন্ন কৰিছো উচিত দাম দিয়ক।

শিল্প পতি ।। বেটাৰ ফোচ্‌ফোচনি চোৱা....।

কৃষক- ।। আমি সকলোতে ঠগ খাম নেকি? আজি এক মোন কৰি বেচি এক কেজি চাউল নাপাও। এক মোন বেঙেনা বেচিলেও ছলিৰ কিতাপ কাগজৰ পইছা নোলায়।

শিল্প পতি ।। ইয়াত বক্ বক্ কৰিছ কিয়? চৰকাৰী নীতিৰ কাৰণে হৈছে - চৰকাৰক ধৰগৈ যা, টাডাত সুমুৱাই চৈধ্য পুৰষৰ বিয়া দেখুৱাব যা বেটা।

কৃষক- ।। তেনহ'লে পইছা আৰু নিদিয়ে?

শিল্প পতি ।। ই চোন চকুৰে দেখি নাকেৰে হাত ভৰায় অ'। পালেহে দিম।

কৃষক- ।। তেনেহ'লে সৰিয়হ ঘুৰাই দিয়ক চৰকাৰক বেচিম।

শিল্প পতি ।। বোলে বিয়াৰ নাই দৰা, ফুল শয্যাৰ চখ, নহয়? তোৰ চৰকাৰ বাহাদুৰে একো নিকিনে - সব আমাৰ ওপৰত দিছে। আমি যি কৰো। আহ্ , নেহি তোৰ সৰিয়হ। দুমাহ পিছত ইয়াৰো আধা দামত দিব লাগিব বেটা। লৈ যা? দাৰোৱান, ঐ দাৰোৱান..... (যায়)

কৃষক ।। মনে মনে থাকক। কেও মৰে হাড়ে-ছালে, কেও মৰে মঙহৰ ভাৰে।

শ্ৰমিক ১।। অ' বোলো চোৰৰ বৰ বল - চোৰে সাধে দৈ কল চোন!

কৃষক ।। কি চোৰ কৰিলো? কাৰ চোৰ কৰিলোঁ?

শ্ৰমিক ১।। ভোটতো কাক দিয়া হৈছিল?

কৃষক ।। এই চৰকাৰক....।

শ্ৰমিক ১।। এতিয়া খাওক ডিঙিলৈকে অহাকৈ এই চৰকাৰৰ ফচল—আৰু খাব, -আৰু অহা নিৰ্বাচনত কঁকালত গামোছা বান্ধি দুহতীয়া ছাব মাৰিব সিহঁতৰ হকে।

কৃষক ।। কৰকৈ কৈছিল, - হতিত টকা দুকুৰিও দিছিল.....।

শ্ৰমিক ১।। আৰু নি আছে কিমান? মোণে প্ৰতি দুই/তিনিশ। চাউল, চেনীৰ দাম? (কৃষক হতাশাত বহি পৰে) যেতিয়ালৈকে ইহঁতক গাদীত বহাৰ সুযোগ দিব-তেতিয়ালৈকে এই নৰক যন্ত্ৰণা ভুগি থাকিব লাগিব। আজি পঞ্চাশ বছৰৰ আভিজ্ঞতাই তাকেই কয়। (বেগেৰে ওলাই যায়।)

কৃষক ।। হেৰি হেৰি..... । ঠিকেই নিজৰ কৰ্মফলেই ভোগ কৰিছো। এতিয়া মই কৰো কি, কওক। সৰিয়হ বেচি চাউল নিনিলে চৌকা নজ্বলে, তাঁতৰ সূতা নিনিলে তিৰোতাৰ লাজ ৰক্ষা নপৰে। বেচিবলৈ আন কিবা থকা হলেও!

(কৃষক লাহে লাহে দৰ্শকৰ লগত মিলে। সূত্ৰধাৰে গীত গায়)

সূত্ৰ - ১।। আইৰ হাতৰ পত্নীৰ কাণৰ.......গহনা গাথৰি।

সূত্ৰ - ২।। একে একে হৈল শেষ পেটৰ জুইত পুৰি।।

সমূহ - ।। দেশ গঢ়িব...........

২।। টেকেলী উদং, চৰু শুকান ..শ্ৰমিক কৃষকৰ।

১।। চোৱা ভাই পৰিণতি নতুন অৰ্থনীতিৰ।।

সমূহ ।। দেশ গঢ়িব ................... মূৰত তুলিয়া।।

(সূত্ৰধাৰ যায়। লগে লগে এক দোকানীয়ে কৃষকক প্ৰায় ঠেলি লৈ আহে। দুয়োৰো কাজিয়া)

দোকানী ।। ভালে ভালে ওলা— তোক মাল নিদিও যা...।

কৃষক ।। কিয় নিদিব? দিব লাগিব।

দো ।। তেনেহলে আনদহজনে যিদৰে মাল নিছে,- তয়ো নিব লাগিব। চুপ চালা..........।

কৃ ।। কালি মাল লৈ গ'লো। আজি চাউলৰ কেজি ১০ টকা হ'ল - চেনীৰ কেজী ১৫ টকা হ'ল?

দো ।। ঐ বেটা ভেবাৰাম - ক'ত শুই থাক ? কালি ৰাতি ১০ বজাত মূল্য বৃদ্ধি ঘোষণা কৰিছে খবৰ নাই?

কৃ ।। সেই বুলি.............

দোকানী ।। লাগিলে ল - নালাগিলে ভাগ।

[দোকানী যায়। উপায়ন্তৰ হৈ পিছে পিছে কৃষকো যায়। (সূত্ৰধাৰৰ গীত)]

সূত্ৰ ১।। ঢাপে ঢাপে চুৰে আকাশ ... চাউল চেনীৰ দাম।

সূত্ৰ ২।। খোলা বাজাৰ অৰ্থনীতিৰ প্ৰগতি ইয়াৰ নাম।।

সমূহ ।। দেশ গঢ়িব................................

সূত্ৰ ২।। ইহঁতে দাম কমাব চাকৰি দিব ... দিয়ে প্ৰতিশ্ৰুতি।

সূত্ৰ ১।। তেন্তে নিবনুৱা হ'ল কেনেকৈ দহ বাৰ কোটি।।

সমূহ ।। দেশ গঢ়িব ...................... মূৰত তুলিয়া।।

(সূত্ৰধাৰ যায়। ৩/৪ জন শ্ৰমিকে শ্লোগান দি এঠাইত বৈ আছে। হাতত Play card 'ব্যক্তিগতকৰণ বন্ধ কৰক।' 'সংগ্ৰামৰ নাই বিকল্প'-।)

শ্ৰমিক ১।। কাৰখানা Lock out

শ্ৰমিক ২,৩।। প্ৰতিৰোধ কাৰম।
১।। কাৰখানা বন্ধ কৰিবলৈ
২,৩ ।। নিদিও, নিদিম।
(শ্ৰমিকইঁত ৰহে। লগত দুজন পুলিচ লৈ আহি শিল্পপতি নাতি দূৰত থিয় হয়।)
শিল্প পতি ।। ও যাওক - আজিয়েই গেট ক্লিয়াৰ (Gate clear) কৰক।
(শিল্পপতি দৰ্শকৰ লগত মিলে। পুলিচে শ্ৰমিকৰ ওচৰ চাপে)
পু ১।। ঐ উঠ.....
পু ২।। ৰাস্তা ক্লিয়াৰ......
শ্ৰ ১।। কথা ভাল কৈ.......
পু ১।। কোবত হাড় ভাঙি দিম।
পু ২।। হাট্.....। (শ্ৰমিক হঁত থিয় হয় - যুদ্ধংদেহি মনোভাবেৰে)
শ্ৰ ১।। ইয়াৰ এজন শ্ৰমিকৰ গাত হাত দিলে লঙ্কা কাণ্ড হৈ যাব।
শ্ৰ ২।। ৰাতিৰ পিছত ৰাতি খপিছো - এই কাৰখানা বচাবলৈ।
শ্ৰ ৩।। কাৰখানা বন্ধ কৰিবলৈ নিদিও..।
পু ১।। পজিচন...(পুলিচে Firing কৰাৰ ভঙ্গিমা কৰে)
পু ২।। গেট ক্লিয়াৰ (Gate clear) নহ'লে লাচে লাচ্ হ'ব।
শ্ৰ ১।। ৰাইজ এতিয়াই ইয়াত (Firing) ফায়াৰিং হ'ব - শ্ৰমিকৰ লাচ্ পৰিব আৰু তাৰ ওপৰেৰে গৈ চৰকাৰ আৰু মালিক পক্ষই কাৰখানা বন্ধ কৰিব। এইয়া চলি আছে। ১৯৯১ চনত বন্ধ কাৰখানা সংখ্যা আছিল ২,২৫০০০; ৯২ ত ই হ'লগৈ তিনিলাখ আৰু আজি '৯৪ ত এই সংখ্যা ৪ লাখ হৈছেহি। অথচ '৯১ চনৰ নিৰ্বাচনত ইহঁতে এক কোটি যুৱক - যুৱতীক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। দিছে কিমানক? '৯১ চনত ২ লাখ ৫৪ হাজাৰ, '৯২ ত ৩৬০০০ আৰু '৯৩ ত মাত্ৰ ১৯ হাজাৰ।
পু ৰ।। ঐ বক্ বক্ বন্ধ কৰ..................।
শ্ৰ চ।। দেশৰ নিবনুৱাৰ সংখ্যা আজি ১০ কোটিৰো অধিক।
শ্ৰ ৩।। তাৰ পিছতো ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানক ব্যক্তিগত খণ্ডলৈ নিব ধৰিছে। শিল্প, ব্যাঙ্ক, বীমা, আনকি ভাৰতীয় ৰেলৰে....।
শ্ৰ ১।। ৰাইজক আশা দিছিল - এশ দিনৰ ভিতৰত বয় বস্তুৰ দাম কমাই দিব। কিন্তু হৈছে কি? গাদীত বহাৰ ৯৬০ দিনৰ ভিতৰত চাউলৰ দাম বাঢ়িল তিনিবাৰ, চেনীৰ চাৰিবাৰ, পেট্ৰ'লৰ চাৰিবাৰ আৰু ডিজেলৰ তিনিবাৰ।
শ্ৰ ৩।। এই বছৰত ৰেলৰ ভাড়া বাঢ়িল ৯৯৭ কোটি টকাৰ।
শ্ৰ ২।। পোন্ধৰ মাহত ৰন্ধন গ্যাচৰ দাম বাঢ়িল দুবাৰ।
শ্ৰ ৩।। চাৰি বছৰৰ শাসনত চাৰিবাৰ
শ্ৰ ১।। ইফালে দুবছৰত মন্ত্ৰীহঁতৰ খৰচ বাঢ়িছে 400% চাৰিশ শতাংশ।
পু ১।। হেই তইঁতে চৰকাৰ বিৰোধী কথা কৈছ নেকি?
শ্ৰ ২।। নহয় - পাঁচালী গাইছো।
শ্ৰ ১।। সঁচা কথা কমেই....।
পু ১।। বন্ধকৰ। Gate clear।
শ্ৰ ১।। কৰি আছো
পু ১।। তোৰ মতলব ভাল দেখা নাই। চালাকি এৰ..। একৰ পৰা পাঁচলৈ গণিম।
পু ২।। তাৰ পাছত ধিছুম - ধিছুম.............।
পু ১।। এক........... (বাকী Mime)
শ্ৰ ১।। দেখিলে নহয় ৰাইজ? আপোনালোকে কেৱল চাই থাকিব? এনেকৈয়ে চলিব? এফালে মূল্যবৃদ্ধি, বেকাৰি, দাৰিদ্ৰ্য - কাৰখানা বন্ধ, শ্ৰমিক চাটাই, সন্ত্ৰাস....
শ্ৰ ২।। আন ফালে দেশী বিদেশী গোষ্ঠীৰ অবাধ লুণ্ঠন?
শ্ৰ ৩।। স্বদেশ আজি বিপন্ন.........
শ্ৰ ২।। সংগ্ৰামেহে পাৰে বচাব - মাথো সংগ্ৰামে।
শ্ৰ ১।। বিপন্ন স্বদেশ.......
শ্ৰ ২,৩।। গঢ়ো আহা প্ৰতিৰোধ (ওপৰলৈ হাত তুলি ইজনে আনজনৰ হাতত ধৰে। পুলিচ সন্তম)
শ্ৰ ১।। বিপন্ন স্বদেশ (আৰু দুজনমান আহি যোগ দিয়ে, মানুহৰ জাক আগ বাঢ়ে - পুলিচ পিচুৱাই)
বাকী ।। গঢ়ো আহা প্ৰতিৰোধ।
শ্ৰ ১।। বিপন্ন স্বদেশ (আৰু কিছুমানে যোগ দিয়ে। বিভিন্নজনৰ হাতত Cartoon। নতুন অৰ্থনীতিৰ ওপৰত Play card।
বাকী ।। গঢ়ো আহা প্ৰতিৰোধ।
(পুলিচ দৰ্শকৰ লগত মিলে - সূত্ৰধাৰৰ গীত)
সূত্ৰ ১।। জনগণমন আহা .. তোলা জনজোঁৱাৰ
২।। বিকল্প নাই কোনো গণ সংগ্ৰামৰ।।
সমূহ ।। দেশ গঢ়িব...
২।। নানা ৰং নানা চং.....আজি পঞ্চাশ বছৰ।
১।। কাহানি পাৰিব ওৰ বঞ্চনা জনতাৰ?
সমূহ ।। দেশ গঢ়িব....
১।। ফালিব চিৰিব লাগে যদি... এই নেতাৰ ফন্দি।
২।। কঙ্কালসাৰ জনতা হব লাগিব ৰণ চণ্ডী।।
সমূহ ।। দেশ গঢ়িব ..... মূৰত তুলিয়া।।
জন গণ মন আহা.....
জন গণ মন আহা......
সমূহ ।। জন গণ মন আহা (১)
জন গণ মন আহা (২)
জন গণ মন আহা (৩)

(সমূহ অংশ গ্ৰহণকাৰী বিভিন্ন ফালে মুখ কৰি ওপৰলৈ হাত তুলি ৰৈ যায়।)

❑❑❑

ৰম্য ৰচনা

# শ্ৰেণীবিহীন সমাজ

○ ড° ৰমেশ পাঠক

নৰসিংহ ৰাওৰ দৰে মোৰ কিবা গ্ৰহ-নক্ষত্ৰই বেয়া যেন পাইছোঁ। কিবা এটা ভাল কথা ক'ম - অৰ্থ হ'ব ওলোটা। কিবা এটা কাম ভাল বুলি কৰিম - প্ৰতিক্ৰিয়া হ'ব বিপৰীত। ইয়াকে লৈ গৃহ-যুদ্ধৰ সংখ্যা বাঢ়িছে; দিনটোত কিমানবাৰ খুটখাট লাগে তাৰ সীমা সংখ্যা নাই। ঘৰৰ প্ৰত্যেকৰে মতে বাটিৰ কচু গাত ঘহি লোৱাৰ অভ্যাস হৈছে মোৰ। স্কুটাৰখনত পেট্ৰ'ল ভৰাম বুলি পইচা দিবৰ বাবে শাৰীত বৈ আছোঁ; ক'ৰ পৰা জানো ধুমুহাৰ গতিত অহা ডেকা ল'ৰাই নীতি-নিয়ম ভাঙি পোনে পোনে কাউন্টাৰত হাত ভৰাই পইচা দিলেই নহয়। প্ৰতিবাদ নকৰি থাকো কেনেকৈ? চিটিবাছবোৰ য'তে ততে এনেয়ে ৰখাই থয় – আপত্তি কৰোঁ। শ্ৰীমতীৰ মতে নলগা জেঙাত লাগি ফুৰোঁ মই। তেওঁৰ কথা - "বাকীবোৰে যদি মনে মনে থাকিব পাৰে, আপুনি নোৱাৰে কিয় ? এই বুঢ়াকালত কিহে পাইছে ডেকা ল'ৰাৰ দৰে চিঞৰ বাখৰ কৰিবলৈ?" চমু কথাত, ঘৰৰ মানুহবোৰে বিচাৰে দহজনৰ দৰে ময়ো ভদ্ৰলোক হ'ব লাগে, অন্যায় বুলি জানিলেও প্ৰতিবাদ কৰিব নালাগে।

হওতে কথাষাৰ হয় - বোবাৰ মৰণ নাই। সুবিধা বুজি নীৰৱে থাকিব পৰা সকলেই সমাজৰ চকুত ভাল মানুহ। আৰু প্ৰতিবাদ কৰিবনো কাক? মন গ'ল - তামোলৰ দাম আঠ অনাৰ ঠাইত বাৰ অনা কৰিলে; আলু-পিয়াজৰ কিলো আঠ টকা হ'ল; চিটি বাছৰ ভাড়া বাঢ়িল, চাউলৰ বাঢ়িল, গেছৰ বাঢ়িল। বজাৰত প্ৰতি বিধ বস্তুৰ দামে দিনে দিনে বাঢ়িছে – চৰকাৰৰ মতে কমিছে। অৱশ্যে যিসকলে দাম কমা বুলি বিবৃতি দিয়ে তেওঁলোকে বস্তু কিনিও পোৱা নাই। ঘৰতে দি যায়হি। কাক ক'ব? কোনে পতিয়াব? মফিজুদ্দিন আহমদ হাজৰিকাৰ 'দিনকণা'ৰ দৰে

যাৰেই গুৰিলৈ যাওঁ
সেয়ে মুখ ওফোন্দায়,
চকুহে টেলেকা কৰি
গোঙোৰাকৈ ঘূৰি চায়।

বাটে-ঘাটে এতিয়া মোক দেখিলে মানুহ পলায়। প্ৰত্যেকৰে কাম আছে। বস্তুৰ দাম, দুৰ্নীতিৰ মেল মাৰি থাকিলে পেট নভৰে।

আগতে অৱশ্যে বামপন্থী দলবোৰে বস্তুৰ দাম কমাব পাৰক বা নোৱাৰক শোভা-যাত্ৰা উলিয়াইছিল, সভা-সমিতিত চিঞৰি চিঞৰি গৰম বক্তৃতা দিছিল। যোৱা নিৰ্বাচনৰ পিচত তাৰো মুদা মৰিল। তেওঁলোকেও চাগৈ কিবা অলৌকিক কাৰণত বস্তুৰ দামৰ কথা গম নোপোৱা হ'ল।

কথাষাৰ মন কৰিছেনে - এটা স্তৰত কিন্তু শ্ৰেণীবিহীন সমাজ আৰম্ভ হৈ গৈছে। অভিনয়ৰ বাবে বচন মতা ভাৱৰীয়াসকল অভিনয়ৰ শেষত একেলগে বহি ভাত খাই ৰজা-প্ৰজা, সৎ-অসৎ একাকাৰ হোৱাৰ দৰে – ৰাজনীতিৰ ভাৱৰীয়াসকলো ভোজন বিৰতিৰ কালত ডাইনিং টেবিলত একাকাৰ হয়। তেওঁলোকৰ বচন আওৰাই হৰি যদু মধুৱে গাঁৱত কাজিয়া কৰে।

শ্ৰেণীবিহীন সমাজৰ কথা কওঁতে কলেজৰ শিক্ষক - জিৰণি কোঠাৰ কথা মনত পৰিছে। এদিন কলেজৰ বেল বজাৰ লগে লগে শিক্ষক এগৰাকীয়ে কৈ উঠিল - "Class - Struggle." অৰ্থাৎ শ্ৰেণী-সংগ্ৰাম আৰম্ভ হ'ল।" বাকীজনে কলে - "মই শ্ৰেণী সংগ্ৰাম নকৰাকৈয়ে শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠা কৰিছোঁ। মই ক্লাছেই নকৰোঁ, অৰ্থাৎ Classless Society.

কথাষাৰত সত্যতা নাইনে বাৰু ? সৰ্বহাৰাক লৈ যিসকলে সংগ্ৰাম কৰে, তেওঁলোকে নিজৰ স্বাৰ্থতেই সৰ্বহাৰা থকাটো বিচাৰে। সৰ্বহাৰাই যদি নাথাকিল তেনেহলে ধৰ্ণা দিব কাক লৈ? গৰম গৰম বক্তৃতা দিব কাৰ আগত ? কাৰ নেতা হ'ব? সেইবাবে সৰ্বহাৰাৰ সংখ্যা বাঢ়ে মানে লাভ। তেতিয়াহে শ্ৰেণী-সংগ্ৰাম অব্যাহত থাকিব। শ্ৰেণীবিহীন সমাজৰ সপোন থাকিব - To travel hopefully is a joy forever। সপোনেই আচল কথা।

এৰা সপোন। ৰাজনৈতিক দল একেবোৰ - বিহাৰত যদি বন্ধু, উত্তৰ প্ৰদেশত শত্ৰু। সপোন এটাই - শব্দৰ জালেৰে গাঁৱৰ হৰি, যদু, মধুক বুজাই ৰাজপাট দখল কৰা। যাক গণশত্ৰু বুলি আগতে গালি পাৰিছিল, তাৰ সৈতে মিতিৰালি পাতি শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠা কৰা। জাত-পাতৰ নামত ৰাজনীতি কৰাসকলৰ লগত সৰ্বহাৰাৰ কথা কোৱা, শাসক-শোষিতৰ সংগ্ৰাম কৰাসকলৰ মিলনৰ পথ প্ৰশস্ত কৰি শ্ৰেণীবিহীন সমাজৰ পথ ত্বৰান্বিত কৰা। কৃষ্ণৰ সৈতে যুদ্ধ কৰিবলৈ ওলোৱা মহাদেৱক ব্ৰহ্মা-প্ৰমুখ্যে আটায়ে বুজাই মেলি শান্ত কৰিছিল –

কাঞ্চন এড়িয়া কাঁচমণি লৱা টানি।
পুষ্পক এড়িয়া তুমি লৱা কাঠমনি।।
ব্ৰহ্মাৰ বচনে হৰে এৰিলা সমৰ।
কৃষ্ণৰ পাশক লাগি চলি গৈলা শৰ।।

ৰাজনীতিত হেনো স্থায়ী বন্ধু বা স্থায়ী শত্ৰু নাই। অলপতে টি,ভিৰ সাক্ষাৎকাৰত এজন ডাঙৰ নেতাই কৈছিল। আমাৰ দৰে নৰ-মনিছৰ দৃষ্টিত কিন্তু কি নাই চকুত নপৰে। পৰে কি আছে সেয়াহে। বৰপেটাৰ দৌলত "ঘুনুছাৰ বাৰীৰ পৰা" অহা প্ৰভুক দৌলত প্ৰবেশ কৰাৰ আগতে দুদল হয় - এদলে বাধা দিয়ে, আনদলে বাধা আঁতৰাব খোজে। খেলখন জমি উঠে। তেওঁলোকো দুদল হয় অভিনয়ৰ খাতিৰত। ৰাজনীতিও যে তেনে হ'ল আমাৰ দৰে সাধাৰণ প্ৰাণীয়ে নুবুজাৰেই কথা। অৱশ্যে ভুলেই হওক, শুদ্ধই হওক সাধাৰণ মানুহে ইয়াৰ নাম দিছে সুবিধাবাদ। নাই নাই, আপত্তি নকৰিব। গণতন্ত্ৰৰ সোৱাদ অন্ততঃ পাইছে তেনেদৰে কৈ - পাওক। আচলখিনি আমি পামেই নহয়।

বিশ্বাস কৰক, শ্ৰেণীবিহীন সমাজ (Classless society) পূৰ্ণোদ্যামে চলিছে স্কুল-কলেজত। কোনো শিক্ষক-শিক্ষয়িত্ৰীয়ে এতিয়া শ্ৰেণী লৈ শ্ৰেণী-শত্ৰু (Class enemy) হ'ব নোখোজে। 'ক্লাছ' লোৱা মানেই 'ক্লাছ' সৃষ্টি কৰা। অৱশ্যে ৰাজনৈতিক দলবোৰে দলিত, অনুসূচীত আদি ক্ষুদ্ৰ জাতিসত্বা স্বীকাৰ কৰাৰ দৰে শ্ৰেণীবিহীন সমাজৰ প্ৰবক্তাসকলে টিউটৰিয়েল ক্লাছত গুৰুত্ব দিয়ে। "সৰ্বান ধৰ্ম পৰিত্যক্ত টিউছনং শৰণং ব্ৰজ"

বুলি গীতাৰ বাণীও আওৰায় আৰু 'টিউছনৰ বাহিৰে আন উপাস্য নাই" বুলি সুবিধামতে কোৰানৰ বাণীও বিলায়। ব্যাখ্যাৰহে কথা, ধানটোৰে প্ৰতি কণটো, মানুহটোৰে প্ৰতি মনটো।

অসুবিধা হয় এডমিছনত, চাকৰিত, চিটি বাছত। শ্ৰেণীবিহীন সমাজত চৌষষ্টি - পয়ষষ্ঠিত বেলেগ জাত - সংৰক্ষণ। প্ৰায় আধা শতিকা জুৰি সংৰক্ষণ কৰোতে কৰোতে সেইসকলৰতো একো নহলেই - যিসকলৰ আপেক্ষিকভৱে আছিল তেওঁলোকে পিছ পৰা শ্ৰেণীহে হ'ল। ওভতনি সোঁত। পৃথিৱীৰ সকলোতে মানুহ উন্নত হ'ব খোজে - ভাৰতত অনুন্নত হ'বৰ বাবে জনতাৰ হেঁচা - ঠেলা।

আপেক্ষিকভাৱে কথাষাৰ বুজা নাই নহয়? দহজন খোৰা মানুহৰ দৌৰ প্ৰতিযোগিতা পাতিলে তাতো প্ৰথম-দ্বিতীয় হয়। অসমহেন মুলুকত অথবা দেৱৰো বাঞ্চিত ভাৰতবৰ্ষত বামুণ-কলিতা-কোচ-কৈৱৰ্ত সকলোৰে পানীত হাঁহ নচৰা অৱস্থা। সংৰক্ষণৰ নামত দাৰিদ্ৰৰ সমবিতৰণ হয়তো হ'ব - উন্নয়ন নহ'ব। আপুনি  বা মন কৰিছেনে নাই নাজানো ইয়াতো দুটা দল - সংৰক্ষণ লাগে আৰু নালাগেৰ দল। দুইটা দলেই দাৰিদ্ৰ্যৰ স্থিতাৱস্থাতে সন্তুষ্ট - উন্নত দেশৰ দৰে সা-সুবিধা লাগে বুলি কোনেও দাবী নকৰে। মুম্বাই আদি চহৰত বোলে ভিক্ষা খুজিবলৈ হলেও কাৰোবাৰ স্বীকৃতি লাগে। তেনে স্বীকৃতি পালে ভিক্ষাৰীয়ে অনুমতি দিওতাক মাননিও দিয়ে, কৃতজ্ঞতাও জনায়। অন্তত ঃ অন্য ভিখাৰীৰ দৰে ভিক্ষা খোজাৰ অধিকাৰ পালেতো!!

আপুনি চাগৈ ভাবিছে, ব্যক্তিগতভাৱে মই সংৰক্ষণৰ বিৰোধী। ভৰা কথাই। জন্ম-সূত্ৰে মই উচ্চ বংশৰ বুলিয়েই জানিছিলোঁ। সিদিনাখন এখন চিঠি পাইহে মোৰ ভুল ভাগিল। নতুনকৈ এটা সংগঠনৰ সৃষ্টি হৈছে। সেইমতে ময়ো আলপাইন বংশোদ্ভৱহে। অৰ্থাৎ সংৰক্ষণ পাবৰ ময়ো যোগ্য। গতিকে, হাতৰ কুঠাৰ ভৰিত মাৰিব ময়ো নোখোজোঁ। বিপদ হ'ল ক'ত জানেনে? এনেদৰে প্ৰত্যেকেই সংৰক্ষণ পালে এদিন বামুণসকলেও সংখ্যা-লঘু বুলি সংৰক্ষণ বিচাৰিব পাৰে। তেতিয়া বাৰু অসংৰক্ষিত বা সাধাৰণ শ্ৰেণী থাকিবনে নাই?

মন কৰিব, সংখ্যা-লঘু শব্দটোৰ অৰ্থই লৰক-ফৰক। অসমত বাঙালীসকলো সংখ্যা লঘু — পশ্চিম বংগত কিন্তু অসমীয়া, বিহাৰী, পাঞ্জাবী আৰু তেনে অনুষ্ঠানো গঢ় লৈ উঠা নাই। লামডিং, মালিগাঁৱৰ অসমীয়া ভাষাখিনি সংখ্যা লঘু হ'ব নে নাই? মুছলমানসকল ভাৰতত সংখ্যা লঘু; বৌদ্ধ-খৃষ্টান আদি হয় নে নহয়? কথাবোৰ কিবা খেলি মেলি নহয়নে? ক'ৰবাত দেশখন আৰু ক'ৰবাত প্ৰদেশ? ক'ৰবাত যে চুবুৰী নহ'ব তাৰ কি নিশ্চয়তা আছে?

কি হ'ল নিতৌ ন ন শ্ৰেণী সৃষ্টি কৰি থাকিলে শ্ৰেণীবিহীন সমাজ কেতিয়া হ'ব ভাবিছে? আচলতে আপোনাৰেই বুজাত ভুল হৈছে। আপোনাৰ মোৰ দুখত ব্যথিত হৈ এইবোৰ কৰা হৈছে বুলিনো আপোনাক কোনে কলে? ১৯৪৭ চনৰ পৰা ১৯৯৬ চনলৈ জনজাতিৰ উন্নয়নৰ নামত কিমান কোটি টকা খৰচ কৰা হ'ল চৰকাৰী নথিত আছে। অংক জনা মানুহ এজনৰ সহাৰ্যত ৪৯ বছৰৰ খৰচ যোগ কৰি চাবচোন। অসমৰ প্ৰতিজন জনজাতিয়েই (পৰিয়াল নহয়) প্ৰায় কোটিপতি হ'লেহেঁতেন চাগৈ। কি হ'ল টকাবোৰ? জনজাতিবোৰৰ কি উন্নতি হ'ল?

তাৰমানে সংৰক্ষণৰ কেনা ক'ৰবাত? অহা ৫০ বছৰৰ পিচতো অৱস্থাৰ পৰিবৰ্তন নহ'ব? অথচ, আপোনাৰ মতে এইবোৰৰ বিৰোধিতা কৰিলে মোৰ দৰে মানুহবোৰ শ্ৰেণী শত্ৰু হ'ম - হৈছোঁ? বোলো ডাঙৰীয়া, অকলে, নিৰৱে এবাৰ ভাবি চাব - আমাক সংৰক্ষণৰ নাম কলেজত "চিট" লাগে; চাকৰিৰ সুবিধা লাগে নে আৰ্থিকভাৱে স্বচ্ছল সুবিধা লাগে। দৰমহা বেছি লাগে নে বস্তুৰ দাম কমিব লাগে। আচল কথাত কোনো নাই, বুজিছে, কোনো নাই।

চিটি বাছৰ কথাই ধৰকচোন - মহিলাৰ বাবে ৮ খন আসন সংৰক্ষণ কৰা হ'ল। মহিলা সকলো সন্তুষ্ট। সেইফালে পান জপাদি যাত্ৰী ভৰোৱাৰ ফলত মানুহ ওপৰতেই পৰক বা ওলাওতে সোমাওতে যি ঘটে ঘটক। হাজাৰ হওক, সংৰক্ষিত আসন আছে - দেখা পালেই বুঢ়াও থিয় হয় — নাৰীৰ কম সন্মাননে? ৰাষ্ট্ৰীয় সংগীতৰ দৰে সমান স্থান অৰ্থাৎ more than equal.

এবাৰ ভাবি চাওকচোন ! যদি থিয় হৈ যোৱা আঠজনতকৈ বেচি নহ'লহেঁতেন (পৰিবহনৰ আইনমতে) আসন সংৰক্ষিত নহলেও অন্ততঃ with dignity and honour মহিলা অহা - যোৱা  কৰিব পাৰিলেহেঁতেন। নে কি কয়? প্ৰতিয়া সংৰক্ষিত আসন আছে; কিন্তু সেইখন গৈ পোৱা আৰু এভৰেষ্ট আৰোহণ কৰা একে কথা। তাতে পেচেঞ্জাৰৰূপী মহ-ডাহবোৰ আছেই নহয়?

অকণমান ৰ'বদেই, শ্ৰীমতীয়ে কিবা এটা ক'ব খুজিছে মোক। এক মিনিট। .... অ', কি কৈ আছিলোঁ আপোনাক? বেয়া নাপাব, বজাৰৰ হিছাপ এটা লৈ শ্ৰীমতীয়ে মোকেই ভুল বুজিছিল। মুগ-দালি ২৭.০০, ৰহৰ দালি ২৯.৮০ টকা কে.জি (আজি ১৫ আগষ্ট, ৯৬) দাম শুনি তেওঁৰ ধাৰণা হৈছে - মই মিছা কৈছোঁ। বুজাওতে অলপ সময় গ'ল, লগতে মূৰটোও গৰম হ'ল। কি কলে? আপুনিও পাহৰি থাকিল? নে আগ-গুৰি নোহোৱা কথাবোৰ বলকি থকা কাৰেণে ভদ্ৰতাৰ খাতিৰত শুনাৰ ভাও জুৰি আছিল?

বুজিছোঁ ভাই, বুজিছোঁ। এইবোৰ কথা চিন্তা কৰা মানুহক আজিকালি স্বাভাৱিক প্ৰাণীত নধৰে। তাতকৈ মথাউৰি বন্ধাৰ নামত নিজৰ ঘৰ সজা, মেডিকলত চিট দিয়াৰ নামত গাড়ী কিনা, চাকৰি দিয়াৰ নামত দুটামান ভাড়াঘৰ সজা — এনে ধৰণৰ কামত অহা, প্ৰেক্‌টিকেল পৰামৰ্শ দিলে হয়তো কাণ পাতিলেহেঁতেন। কি কৰিব, সকলতেই স্বভাৱটো বেয়া হ'ল — ঘৰৰ মানুহবোৰৰ ভাষাত নলগা জেঙাত লাগি ফুৰাৰ। এই জনমত "প্ৰেক্‌টিকেল" হোৱা নহ'ব। হ'লে হয়তো আজি ময়ো এনে এটা পদবীত থাকিলোঁহেতেন - যাৰ প্ৰতি আপোনাৰ ঈৰ্ষা হ'লহেতেন।

ভয় নাই ডাঙৰীয়া, শ্ৰেণীবিহীন সমাজ হ'ব। এইবোৰ একেদিনে কৰা কথা নহয়। ভাৰতবৰ্ষত কেৱল দেৱতাসকল আৰু নৰ-মনিষ থাকিব। দেৱতাকতো শ্ৰেণীত পেলাব নোৱাৰি - সেইবোৰ সকলোৰে উৰ্ধত। বাৰটকীয়া চাউল, উনত্ৰিশটকীয়া দালি, চল্লিশটকীয়া মিঠাতেল খাই গৰীব বাছিব নোৱাৰে। "গৰীবী হটাও" সফল হ'বলৈকো সৰহ দিন নাই। গৰীব নোহোৱা হলে গৰীবীও নোহোৱা হ'ব। নে কি কয়?

❑❑❑

ভ্ৰমণ

# মৰুৰ দেশ, মানুহৰ দেশ আৰবত এভূমুকি

○ *আল্‌হাজ শ্বেইখ্ চমছেৰ আলি*
গাণনিক

দূৰ আৰবৰ স্বপ্ন ! "বেলি, বালি আৰু জমজম"ৰ দেশ.... জাজিৰাতুল আৰবৰ স্বপ্ন!! মহানবী হজৰত মোহাম্মা (ছঃ) ৰ সাম্যবাদৰ শাশ্বত প্ৰতিভূ-ধূলি ধূসৰিত, মৰুময় আৰবৰ স্বপ্ন !! এই সকলোবোৰ চাক্ষুস দৃষ্টিৰে দেখাৰ স্বপ্ন কিমান দিন যে মনতে পুহি ৰখিছিলোঁ ইয়ত্বা নাই। চকু মুদিলেই মানস পটত ভাহে সুউচ্চ গাৰে হীৰাৰ "জবল-ই-নূৰ" পোহৰৰ পৰ্ব্বত, "জবল-ই-চুৰ", আত্মৰক্ষাৰ কষ্ট কঠিন ঠাই, "জবল-ই-ৰহমত" কৰুণাৰ পৰ্ব্বত, পবিত্ৰ কা'বা গৃহ, মদিনা মনোওৱাৰা, বদৰযুদ্ধ, ওহোদ-যুদ্ধৰ স্মৃতিসৌধ আৰু ক'ত কি!

দুখন দেশ। তাৰে এখন জুইৰ, আনখন পানীৰ। এখনত ভৰি দিলে উত্তপ্ত বালিয়ে পোৰে, বেলিৰ ৰ'দৰ উত্তাপত মূৰ ৰাই-জাই কৰে; আৰু আনখন পানীৰ দেশ য'ত শীতলতাই মন প্ৰাণ হৰে, সুকুৱে মৰম বিলায়।

কিন্তু তাৰ মাজতো আধুনিক জ্ঞান বিজ্ঞানৰ মহৎ অৱদানে মৰুভূমিকো কৰি তুলিছে সুশীতল স্বৰ্গীয় সুখৰ আঁকৰৰ ৰূপত। পাহাৰ ফালি ফালি, জীৱন আৰু জীৱিকাৰ পথ সুগম কৰাৰ অৰ্থে তাত গঢ়ি তুলিছে ন-ন চহৰ, নগৰ, কৃত্ৰিম - উদ্যান আৰু অকৃত্ৰিম নিজৰা আৰু ব্যৱসায় বাণিজ্যৰ স্থলী। স্থাপত্য - ভাস্কৰ্য্যৰ অনুপম নিদৰ্শন।

সপোন ভাঙে। আকৌ সপোন গঢ়োঁ। সেয়ে চাগে ৯ এপ্ৰিলৰ দিনটো মোৰ জীৱন ডায়েৰীৰ পাতত চিৰস্মৰণীয় হৈ ৰ'ব। এই দিনটোতেই "বিশ্বতীৰ্থ হজ্ব আৰু জিয়াৰত" সম্পন্ন কৰাৰ অৰ্থে সুদূৰ চৌদি আৰবলৈ বুলি যাত্ৰা কৰাৰ বাবে বোম্বাই মহানগৰী অভিমুখে, বিশেষ ৰেল-যোগে, আমি আগুৱাই গৈছিলো। গুৱাহাটী ৰেল ষ্টেচনত অগণন লোকে আমাক বিদায় সম্ভাষণ জনাইছিল।

আমাৰ কলেজৰ চেনীকাইয়ে (চেনীৰাম বৰ্মন) এদিন



মোৰ হাত চাই কৈছিল– 'আলিবাবু, আপোনাৰ ভাগ্যত সাগৰ দৰ্শন - আছে। সেয়া পূৰণ হোৱাৰ পথত।" বোম্বাইৰ "মেৰাইন - ড্ৰাইভ', জুহু-বীচ" আদি ঠাইৰ সমীপৰ পৰা "আলি - শ্বাহৰ দৰগাহ" আৰু "এলিফান্দা-কেভ"লৈ পানী-জাহাজেৰে যোৱাৰ মুহূৰ্তত আৰব-সাগৰৰ লুণীয়া পানী - লিৰিকি-বিদাৰি আত্মতুষ্টি লভাৰ মুহূৰ্তত - চেনীকাইলৈ বাৰুকৈয়ে মনত পৰিছিল।

বোম্বাই অভিমুখী "স্পেচিয়েল - ট্ৰেইন"খনত পূৰ্ব্বাঞ্চলৰ পৰা হজ্ব-যাত্ৰাৰ বাবে যোৱা ৪৬৮ গৰাকী যাত্ৰীৰ উপৰিও প্ৰায় সমান সংখ্যক "এচকোৰ্ট" ধৰ্ম্মী লোকো আছিল। সেয়েহে আমাৰ কষ্টৰ সীমা নাছিল। তাতে আকৌ ৰেলখনে, ভুলক্ৰমে বাৰাউনীৰ পৰা গোৰখপুৰ অভিমুখে আওবাটে গতি কৰাৰ ফলত, প্ৰায় ৮২ ঘণ্টাৰ মূৰকত; অৰ্থাৎ ১৩ এপ্ৰিলৰ নিশা বাৰমান বজাতহে আমি বোম্বাইত উপস্থিত হ'ব পাৰিছিলোঁ। বোম্বাইৰ কেইবামহলা যুক্ত "মুচাফিৰ-খানা"ত আমাৰ বাবে থকা মেলাৰ ব্যৱস্থা কৰা হৈছিল যদিও আমি ওচৰতে থকা "কেলক্যাটা ল'জ"ত ভাৰাত আছিলো।

সি যি কি নহওঁক, ১৪ এপ্ৰিলৰ দিনটো ভীষণ ব্যস্ততাৰ মাজত কটাই, ১৫ এপ্ৰিল তাৰিখৰ বোৱাৰী-পুৱাতেই আমাৰ বাবে সাজু কৰি ৰখা বিশেষ বাছেৰে, "এহৰাম" বা "মৃতকৰ বগা - সাজ" পিন্ধি, আমি চান্তাক্ৰজ আৰ্ন্তজাতিক বিমান বন্দৰ অভিমুখে ৰাওঁনা হওঁ। তাত যাৱতীয় "চেকিং" পৰ্ব্বৰ মুখামুখি হৈ প্ৰায় ১০ মান বজাত আমি ভাৰতীয় বিমান সেৱা বিভাগৰ ৪১১১ নং বিশেষ বিমান- যোগে, আৰব সাগৰৰ ওপৰেৰে, জিদ্দা অভিমুখে ৰাওঁনা হ'লো।

প্ৰসঙ্গতঃ উল্লেখ কৰিব পাৰি যে বোম্বাইৰ পৰা জিদ্দালৈ, আকাশমাৰ্গেৰে দূৰত্ব ২০৮৩ মাইলৰো অধিক। এই দীঘলীয়া যাত্ৰাপথ অতিক্ৰম কৰোতে - সময় লৈছিল ৫ ঘণ্টা ২ মিনিট। আমাৰ বিমানখনে যেন কেইবাখনো মেঘৰ জগত অতিক্ৰম কৰি গ'ল। আকাশৰ দূৰতম প্ৰান্তত শীত - তাপ নিয়ন্ত্ৰিত এক নিৰাপদ আসনত বহি প্ৰতি মুহূৰ্তত জ্যোতিলোকৰ মোহনীয় সৌন্দৰ্য্যৰ সাগৰত বুৰ গৈ থাকি আমাৰ অনুমান হ'ল আমি যেন সৌৰজগতৰ কোনো এক মায়াপুৰীত প্ৰৱেশ কৰিছো। এক অনাঘ্ৰাতা - সুবাস যেন আমাৰ বাবে কোনোবাই সিঁচৰতি কৰি থৈছে। এক অনাচ্ছাদিত উত্তেজনাত আমাৰ দেহমন - ভৰপূৰ।

তলত অনন্ত-অসীম নীলবৰণীয়া আৰব সাগৰ। তাৰ ওপৰত বগা-কলা, গাঢ় নীলা মেঘৰ টৌৰ আস্তৰণ। মেঘ আৰু মেঘ। ঘণ-কুৱঁলী সদৃশ ডাঁৱৰ। সেই মেঘৰ দেশৰ বহু ওপৰেৰে অনন্ত-শূণ্যতা ভেদ কৰি আমাৰ বিমানখন নিৰ্দিষ্ট লক্ষ্যস্থানলৈ গতি কৰিছে। মেঘতো যে ইমান বিস্ময়কৰ সৌন্দৰ্য্য থাকে - তাক পৃথিৱীৰ মাটিৰ পৰা বুজা সম্ভৱ নহয়।

চিন্তা সাগৰত ডুব গৈ থাকোতেই হঠাৎ কাৰোবাৰ সুৱদী কণ্ঠ ভাহি আহিলত, মোৰ সম্বিত ঘূৰি আহিল। হাতত "দীনাৰ"ৰ পাত্ৰ লৈ বিমান সেৱিকা এগৰাকী কাষতে ৰৈ আছেহি। "চিট"ৰ সম্মুখ ভাগত থকা "টি-টেবুল"খন উলিয়াই ল'লো আৰু পানীৰ গিলাচ আৰু খাদ্যৰ "পেকেট"টো তাত থৈ খোৱা আৰম্ভ কৰি দিলোঁ। 'বিৰিয়ানী, চিকেন, ফিচ, মাখন, ৰুটি, পুডিং, নিমখ, জালুকৰ গুৰি, ৰসগোল্লা কটা-চামুচ আৰু ৰুমাল। বিমান সেৱিকা কেইগৰাকীৰ আতিথ্যৰ ধৰণ আৰু ব্যৱহাৰত সকলো মুগ্ধ। চাৰে-চাৰিশ'ৰো অধিক যাত্ৰীক খাদ্য-পৰিৱেশন কৰি চাফ-চিকুণ কৰা আদি কাৰ্য্যত - সময় লৈছিল মাথোন ৪৫ মিনিট তাৰ মাজতে অন্য এটি "লাঞ্চৰ-পেকেট" আমাৰ হাতত কোনোবা এগৰাকীয়ে তুলি দিছিলহি, যিটোৰ ওপৰত ছপা আখৰেৰে লিখা আছিল "জিদ্দাত পৰিৱেশনৰ বাবে"। আকাশ-মাৰ্গত অৱস্থান কালতো মাতৃ-ভাষাত লিখা বাক্যটো দেখি মই অভিভূত হৈ পৰিছিলোঁ।

জিদ্দা বন্দৰত অৱতৰণ কৰাৰ মুহূৰ্ত্ততো তাৰ "বাল"ত স্বাগতম -শব্দটো আমাৰ চকুত পৰিছিল। এয়া আৰব ৰাষ্ট্ৰৰ আদৰণী। আমি ইতিমধ্যে আৰবৰ ধূসৰ মৰুভূমিৰ ক্ষেত্ৰত সোমাই পৰিছো। ওপৰত প্ৰচণ্ড বেলিৰ উত্তাপ, তলত উত্তপ্ত বালিৰ পাহাৰ। সাগৰ-মৰুৰ মিলন ৰেখাৰ প্ৰতি কাৰোৱেই যেন ভ্ৰূক্ষেপ নাই। সকলোৱেই পিয়াহত আকুল। জুই যেন গৰম পৰিৱেশ। তেনেই অস্বস্তিকৰ!!

বিমান-বন্দৰৰ লগতে লাগি থকা এটি শীত তাপ নিয়ন্ত্ৰিত সুৰঙ্গ সদৃশ চিৰিয়েদি বগাই নাতিদূৰৈত "চেফ-প্লেচ" লৈ বুলি আমি আগবাঢ়ি গ'লো। আমাৰ বয়বস্তুবোৰ, "এয়াৰপোৰ্ট অথৰিটিৰ দ্বাৰা নিয়োজিত মজদুৰ সকলে, ইতিমধ্যে, যথাস্থানত জমা কৰি ৰাখিছে।

ইয়াতেই আমি যাৱতীয় মুদ্ৰা, ২২৬১ ৰিয়েল আৰবী হিচাবত, সংগ্ৰহ কৰিলো। ইণ্ডিয়ান কনচুলেট জেনেৰেল" কাৰ্যালয়ৰ বিষয়ববীয়া সকলে, স্থানীয় মোৱাল্লিম (পৰিচালক) সকলৰ সহায়ত, মক্কা-মদিনালৈ যাৱতীয় পৰিবহন, ঘৰ ভাৰা আদিৰ সকলো ব্যৱস্থাই সুকলমে কৰি থৈছে। আমি মাথোন তেওঁলোকক অনুসৰণ কৰিলেই হ'ল।

নিশাৰ আন্ধাৰ ঠেলি ঠেলি উখৰ মৰুভূমিৰ মসৃণ ৰাজপথেৰে আমি ক্ৰমে আগুৱাই গৈছো। তীব্ৰ বেগে চলিছে শীত তাপ নিয়ন্ত্ৰিত যাত্ৰীবাহী বাছ। পবিত্ৰ-মক্কাৰ "হৰম-শ্বৰীফ"ৰ সীমনা পাবলৈ তেতিয়াও বহু দূৰ বাকী।

মক্কা-শ্বৰীফৰ পূবে ১৪.৪৮ কিঃ মিঃ, পশ্চিমে ১৬.০৯ কিঃ মিঃ উত্তৰে ৮.৮৩ কিঃ মিঃ আৰু দক্ষিণে ১১.২৭ কিঃ মিঃ জুৰি হৰম-শ্বৰীফৰ সীমা। এই সীমাৰ অন্তৰ্ভাগত কোনো ধৰণৰ পাপ কাৰ্য্য সংঘটিত কৰা, হাই-কাজিয়াত লিপ্ত হোৱা, পৰি থকা বয়বস্তু স্পৰ্শ বা আত্মসাৎ কৰা, কোনো লোককেই কষ্ট দিয়া আদি কাৰ্য নিষিদ্ধ। এইবোৰ কাৰ্যৰ পৰা পৰিত্ৰাণ পোৱাৰ মানসেৰে হজ্ব যাত্ৰী সকলে, বোম্বাইৰ পৰা যাত্ৰা কৰাৰ আগ মুহূৰ্ত্তত দুডোখৰ চিলাই নকৰা কাপোৰ পৰিধান কৰি যাত্ৰাপথত অগ্ৰসৰ হয়, যি ডোখৰ কাপোৰক
"এহৰাম" বা "মৃতকৰ পোছাক" হিচাপে গণ্য কৰা হয়। এই

দিশৰ উপৰিও - ইয়াৰ অন্তৰালত আধ্যাত্মিক তাৎপৰ্যও আছে।

সূৰ্যোদয়ৰ আগে আগে, পবিত্ৰ মক্কা-ভূমিত ভৰি দিয়েই, হজ্ব-যাত্ৰী সকলে, নিজস্ব বয়বস্তু নিৰ্দ্দিষ্ট অতিথিশালাত ৰাখি "হৰম-শ্বৰীফ্" অভিমুখে ৰাওনা হয়। সৃষ্টিৰ আদিগৃহ আৰু আদি প্ৰাৰ্থনাগৃহ হিচাবে খ্যাতি থকা "বায়তুল্লাহ" বা "কা'বা গৃহ"'ত সাতবাৰ "তহ্‌বাফ্" বা "প্ৰদক্ষিণ" কৰি হজ্বযাত্ৰী সকলে "মোকাম-ই-ইব্ৰাহিম"'ত দু-ৰাকাত বিশেষ প্ৰাৰ্থনা কৰি ওচৰতে থকা "জমজম-কুৱাঁ"ৰ পানী পেট পূৰাই পান কৰে। তাৰ পিছত নিকটৱৰ্তী "চাফা" আৰু "মাৰওৱা" পাহাৰত সাত বাৰ দৌৰা-দৌৰি কৰি, মূৰৰ চুলি খুৰাই প্ৰাথমিক আচাৰ সমূহ সমাপন কৰে।



বিশ্বাস কৰা হয় যে সৃষ্টিৰ আদি মানব বাবা আদম (আঃ) য়ে তেওঁৰ ধৰ্ম্মপ্ৰাণা পত্নী মা-হাওবা (আঃ)ৰ লগ লাগি সৃষ্টিৰ আদি প্ৰাৰ্থনালয় পবিত্ৰ কা'বা -শ্বৰীফ - নিৰ্ম্মাণ কৰিছিল। হজৰত ইব্ৰাহিম (আয়্) তেওঁৰ পুত্ৰ ইছমাইল (আঃ) ৰ সহযোগত এই গৃহ পুণৰ নিৰ্ম্মাণ কৰিছিল আৰু "আখেৰী পয়গম্বৰ" হজৰত মোহাম্মদ (ছঃ) ৰ দিনত ইয়াক আকৌ নতুন ৰূপত সজোৱা হৈছিল। সেয়ে তীৰ্থযাত্ৰী সকলৰ বাবে গুৰুত্বও অসীম। ইয়াৰ সমীপতে থকা নিজৰা সদৃশ - "জমজম - কুৱাঁ"ক লৈও বহু উপাখ্যান আছে।

কা'বা - গৃহৰ সন্মুখতে হজৰত মোহাম্মদ (ছঃ)ৰ জন্মস্থান - "মৌলুদ-শ্বৰীফ"। ইয়াৰ তিনি কিলোমিটাৰ দূৰত আছে - "জবল-ই-নূৰ" আৰু হীৰা-গুহা; য'ত তেখেতে, কঠোৰ সাধনাৰ অন্তত, পোহৰৰ সন্ধান পাইছিল। নটা কৈ সুউচ্চ মিনাৰ আৰু ৯৪ টি প্ৰবেশ দ্বাৰ সম্বলিত, কা'বা গৃহক আগুৰি থকা, পবিত্ৰ হৰম-শ্বৰীফ - বিশ্বৰ ভিতৰতে সখাতোকৈ বেছি হীৰা মাণিক-মুকুতা খচিত - আধুনিক স্থাপত্যক'লাৰ অন্যতম নিদৰ্শন।

পবিত্ৰ মক্কা আৰু ইয়াৰ আশে-পাশে থকা স্মৃতিসৌধ আৰু ঐতিহাসিক ঠাইবোৰ পৰিভ্ৰমণ কৰাৰ অন্তত এইবাৰ হজ্বযাত্ৰী সকল আগবাঢ়ে মদিনা মনোওবাৰাৰ পথত। মক্কাৰ পৰা মদিনাৰ দূৰত্ব ৪৫০ কিঃ মিঃ। মদিনাত হজৰত মোহাম্মদ (ছঃ) ৰ "ৰওজা-শ্বৰীফ" বা "সমাধিস্থল" অৱস্থিত; আৰু আছে মছজিদ-এ-নববী। এই মছজিদতেই হজ্ব-যাত্ৰী সকলে নিতৌ পাছবাৰকৈ, আঠ-দিনত মুঠ "চল্লিশবাৰ "ওবাক্ত" নামাজ (প্ৰাৰ্থনা) পঢ়িব লাগে। তাৰ পিছত আকৌ মক্কালৈ প্ৰত্যাবৰ্ত্তন।

মক্কাত উপনীত হৈয়েই, হজ্বযাত্ৰী সকলে পবিত্ৰ হজ্ব - সমাপানাৰ্থে ৰুকালত টঙালি বান্ধে। হজ্বৰ - "মিয়াদ" পাছ দিন। মে' মাহৰ ৮ তাৰিখে আৰম্ভনি আৰু ১২ তাৰিখে সামৰণি। এইকথা আমাৰ ক্ষেত্ৰতো প্ৰযোজ্য হৈছিল।

ইয়াৰ আগতে হজ্ব-যাত্ৰী সকলে মীনাৰ বিশাল মৰুপ্ৰান্তত সমবেত হয়হি। হাজাৰ হাজাৰ তম্বুৰে মীনাৰ বিশাল বালিময় পথাৰ পৰিবেষ্টিত কৰা হয়। ২৫ লাখৰো ওপৰ হজ্ব যাত্ৰীৰে মীনাৰ বিশাল প্ৰান্তৰ ভৰি পৰে। ভাৰতৰ পৰা যোৱা হজ্ব যাত্ৰীৰ সংখ্যা আছিল ৩১ হাজাৰ, তাৰে ৭ হাজাৰ আছিল আমাৰ "কাফেলা"ৰ অন্তভূৰ্ক্ত।

মীনাৰ পৰা মুজদালিফা। মুজদালিফাৰ পৰা আৰাফাত। আৰাফাতৰ পৰা আকৌ মুজদালিফা। মুজদালিফাৰ পৰা - মীনা। ইয়াতেই "ঈদ-উল-আজহা" বা "কোৰবানীৰ ঈদ" সম্পন্ন কৰা হয়। হজ্ব-যাত্ৰী সকলে কোৰাণবাণীৰ কাৰ্য শেষ কৰি আকৌ মক্কালৈ উভতি যায়। যাত্ৰীসকলে তাত কা'বা গৃহ প্ৰদক্ষিণ, মোকাথ-ই-ইব্ৰাহিমত বিশেষ প্ৰাৰ্থনা, জমজমৰ পানী পান, চফা-মাৰওৱা পাহাৰত দৌৰা-দৌৰি আৰু মূৰৰ চুলি খুৰাই আকৌ মীনালৈ প্ৰত্যাবৰ্ত্তন কৰে।

মীনাত অৱস্থান কালত হজ্ব-যাত্ৰী সকলে তাত থকা তিনিটা চয়তানৰ স্তম্ভত, প্ৰচলিত নিয়মানুসাৰে ৪৯ টা সৰু সৰু প্ৰস্তৰ নিক্ষেপ কৰে আৰু ১২ মে' তাৰিখে সূৰ্য্যাস্তৰ আগেয়ে আকৌ মক্কালৈ উভতি আহে।

বিভিন্ন দেশৰ, বিভিন্ন ভাষা-ভাষী, বিভিন্ন ৰীতি-নীতিৰ মানুহ, কিন্তু একে লক্ষ্য, একেই দৰ্শন, একে পোছাক-পৰিচ্ছদ। সকলোৱে একেডাল প্ৰেমৰ জৰীৰে বন্ধা। ৰজা-প্ৰজা, ধনী-দুখীয়া, উচ্চ-নীচৰ প্ৰভেদ পাহৰি লাখ লাখ হজ্ব-যাত্ৰীয়ে ৯ মে' তাৰিখে আৰাফাত ময়দানৰ "জবল-ই-ৰহমত" বা "কৰুণাৰ পৰ্বত" পাদদেশত উপবিষ্ট হৈ মহান স্ৰষ্টাৰ আশীষ বিচাৰি, নিজকে সম্পূৰ্ণ ভাবে সঁপি দিয়ে। অতীতৰ সকলো পাপ-কলুষতা, দোষা-দোষ স্বীকাৰ পূৰ্ব্বক, মহান স্ৰষ্টাৰ ওচৰত প্ৰণিপাত জনাই, ক্ষমা-ভীক্ষা কৰে। বিশ্ব-শান্তিৰ হকে, মানৱতাৰ মুক্তিৰ হকে সকলোৱে অশ্ৰু-সিক্ত নয়নেৰে প্ৰাৰ্থনাত ৰত হয়। এয়ে বিশ্বতীৰ্থ হজ্ব। সাম্য মৈত্ৰীৰ জীৱন্ত নিদৰ্শন।

অতীতৰ স্মৃতি চাৰণ, দহণ, পীড়ণ আৰু মহা মহা পুৰুষৰ পদাঙ্ক অনুসৰণ কৰি হজ্বযাত্ৰী সকলে বিশ্ব ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খাই পবিত্ৰ হজ্বকাৰ্য্য সম্পন্ন কৰে। তেওঁলোকে সদ্যজাত শিশুৰ দৰে নিষ্পাপ আৰু নিষ্কলুষ হৈ ঘৰলৈ ওভতে। এই হজ্ব কাৰ্য্যৰ সকলো বিষয় হৃদয়ঙ্গম কৰিলে অনুভূতি প্ৰবন হোৱা যায়; কিন্তু প্ৰকাশৰ ভাষা বিচাৰি পোৱা কঠিন।

❑❑❑

# মীৰাটৰ আচাৰী প্ৰতিযোগিতাত কেইদিনমান

○ *নয়নতৰা গোহাই*
উ. মা. প্ৰথম বৰ্ষ

শাৰদীয় পূজাৰ উখল-মাখল বতৰতে তেজপুৰত অনুষ্ঠিত আচাৰী কেম্পৰপৰা আহি মাত্ৰ এৰাতি ঘৰত থাকিলোঁ। অসম আচাৰী দলটোৰ বাৰগৰাকী সদস্যৰ এগৰাকী সদস্যা হিচাপে ময়ো যাবলগীয়া হ'ল উত্তৰ প্ৰদেশৰ মীৰাট চহৰত অনুষ্ঠিত হ'বলগীয়া ষষ্ঠদশ ছাব জুনিয়ৰ আৰু অষ্টাদশ জুনিয়ৰ আচাৰী প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ। সৰ্বভাৰতীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সুবিধা পোৱাত মোৰ খুউব আনন্দ লাগিছিল যদিও মাজে মাজে ভয় ভাৱ এটায়ো আমনি কৰিছিল। কাৰণ মণিপুৰৰ প্ৰশিক্ষক শ্ৰীগোপেন্দ্ৰ শৰ্মা আৰু এল. টম্বা সিঙৰ পৰা প্ৰশিক্ষণ লাভ কৰিছোঁ যদিও সৰ্বভাৰতীয় প্ৰতিযোগিতা সম্পৰ্কে তেতিয়ালৈকে কোনো অভিজ্ঞতা নাছিল।

১৯৯৫ চনৰ এক অক্টোবৰৰ দিনা পুৱা আঠবজাত নৰ্থ-ইষ্ট এক্সপ্ৰেচত আমি যাত্ৰা কৰিলোঁ দিল্লী অভিমুখে। তিনি তাৰিখৰ দিনা পুৱা দহবজাত আমি নতুন দিল্লী পাবগৈ লাগিছিল যদিও ৰেলখন লেহেম গতিৰে চলাত সেইদিনা ৰাতি এঘাৰমান বজাতহে দিল্লী পালোগৈ। দিল্লীত তেতিয়াও গৰম আছিল। আমি ৱেইটিং ৰুমতে ৰাতিটোৰ কেইঘণ্টামান কটাব লগা হ'ল ফেনৰ তলত বহি।

দিল্লীৰ পৰা মীৰাটলৈ ৰেল, বাছ দুয়োটাই চলে। সময় লাগে মাত্ৰ দুইৰ পৰা আঢ়ৈ ঘণ্টা। সেয়ে অসম আচাৰী সন্থাৰ সম্পাদকে দিনৰ ভাগত দিল্লীৰ চাইট্ চিয়িং কৰি ৰাতিৰ ৰেলত মীৰাটলৈ যোৱাৰ সিদ্ধান্ত ল'লে। সেইমতেই আমি সাজু হ'লোঁ দিল্লী চাবৰ বাবে। কেইঘণ্টামান ভ্ৰমণ কৰাৰ পিছতে দিল্লীৰ শব্দ আৰু বায়ু প্ৰদূষণত অতিষ্ঠ হৈ পৰিলোঁ। কেইবছৰমান পূৰ্বেও দিল্লীলৈ আহিছিলোঁ, কিন্তু বৰ্তমানৰ দৰে, শব্দ, গাড়ী মটৰৰ ধোঁৱা আৰু জনসমাগমৰ অত্যাচাৰ নাছিল। এইবাৰ মোৰ বাবে আকৰ্ষণ আছিল দিল্লীৰ **"লটাচ টেম্পল"**, ১৯৮৬ চনত বনোৱা বাহাই ধৰ্মৰ প্ৰাৰ্থনা গৃহটো দূৰৰপৰা সঁচাকৈয়ে এপাহি আধা ফুলা পদুম ফুলৰ দৰেই দেখি।

চাৰি তাৰিখৰ দিনা ৰাতি আমাৰ দলটো মিৰাট চিটি ষ্টেচনত নামিলোগৈ। আমাক নিবৰ বাবে ৰৈ আছিল এখন বাছ। বাছত উঠাৰ পাচতহে জানিব পাৰিলোঁ আচাৰী প্ৰতিযোগিতা মীৰাট চহৰৰ ভিতৰত নহয়। হ'ব চহৰৰপৰা কেইকিলোমিটাৰমান আঁতৰৰ **ৰাজপুৰা** নামৰ ঠাইত থকা **'ইলেক্ট্ৰা বিদ্যাপীঠ'** নামৰ স্কুল এখনৰ খেলপথাৰত। সেইদিনা ৰাতি **ইলেক্ট্ৰা বিদ্যাপীঠ** আৰু তাৰ খেল পথাৰ সম্পৰ্কে যি ধাৰণা কৰিছিলোঁ, পিছদিনা পুৱা যেতিয়া আমি থকা হোষ্টেলৰপৰা ওলাই আহিলোঁ, সেইয়া ভুল প্ৰমাণিত হ'ল।

এফালে পুৰণি কালৰ হস্তিনাপুৰ নগৰ আৰু আনফালে আধুনিক চহৰ মীৰাট; তাৰ মাজত থকা ৰাজপুৰা নামৰ গাঁওখনতে **ইলেক্ট্ৰা বিদ্যাপীঠ**। এখন ডাঙৰ স্কুল। ল'ৰা আৰু ছোৱালীৰ বাবে আছে বিৰাট ডাঙৰ হোষ্টেল। স্কুলৰ চৌহদৰ ভিতৰতে আছে চুইমিং পুল, ইন্দোৰ ষ্টেডিয়াম, মিনি চিৰিয়াখানা, আৰু হৰ্চ ৰাইডিঙৰ ব্যৱস্থা। দিল্লীৰ হুলস্থুলীয়া পৰিবেশৰ **পৰা** গৈ **ইলেক্ট্ৰা বিদ্যাপীঠৰ** নিৰিবিলি পৰিবেশ আৰু মনিব **পৰালৈকে**



চকুত পৰা ৰাজপুৰা গাঁৱৰ শস্য শ্যামলা পথাৰ, ওপৰত শৰতৰ নীলা আকাশ দেখি মনত বেচ আনন্দ লাগিছিল। ইয়াৰ উপৰিও আমি লগ পালোঁ আন্তঃৰাষ্ট্ৰীয় আৰ্চাৰ **লিম্বাৰাম, লালৰাম ছাংগা, স্কালজাং দৰ্জী** আদিক।

পাঁচ তাৰিখৰ দিনা মাৰ্চপাষ্ট হোৱাৰ পাচত জানিব পাৰিলোঁ ভাৰতৰ সোতৰখন ৰাজ্যৰ প্ৰায় আঠশমান আৰ্চাৰ আহিছে এই প্ৰতিযোগিতালৈ। এই সকলৰ ভিতৰত দিল্লীৰ পৰা অহা বিকলাঙ্গ মহিলাৰ দল এটিও চকুত পৰিল।

আৰ্চাৰী হ'ল পৃথিৱীৰ অতি পুৰণি খেল। বৰ্তমান এইখেল পুনৰ জনপ্ৰিয় হৈ পৰিছে যদিও অসমত ই এতিয়াও জনপ্ৰিয় হৈ পৰা নাই। এগৰাকী আৰ্চাৰ হ'বলৈ প্ৰথমতে দৰকাৰ এখন ধনু, এটা কুইভাৰ, আৰ্ম গাৰ্ড, ফিঙ্গাৰ টেব, শ্বুটিং গ্লভছ, ছড়ালমান কাঁড়, টাৰগেট ষ্টেণ্ড, টাৰগেট বৃষ্ট আৰু টাৰগেট পেপাৰ। ভাৰতত আচাৰী প্ৰতিযোগিতা অনুষ্ঠিত হয় ইণ্ডিয়ান ৰাউণ্ড, ফিটা ৰাউণ্ড আৰু ১৯৯১ চনত তৈয়াৰ কৰা ফিটা অলিম্পিক ৰাউণ্ড (Fita Olympic Round) নিয়মাৱলীৰ মতে।

ইণ্ডিয়ান ৰাউণ্ডত ব্যৱহাৰ কৰা ধনু বিলাক হ'ল কাঠ আৰু বাঁহেৰে তৈয়াৰ কৰা ভাৰতীয় ধনু। এই ধনুৰ মূল্য দেৰ হাজাৰৰ পৰা আঢ়ৈ হাজাৰ টকা। ইণ্ডিয়ান ৰাউণ্ডত টাৰ্গেটৰ দূৰত্বও কম। পুৰুষৰ বাবে ৫০ মিটাৰ, ৪০ মিটাৰ, ৩০ মিটাৰ আৰু ২০ মিটাৰ। মহিলাৰ বাবে ৪০ মিঃ, ৩০ মিঃ আৰু ২০ মিটাৰ।

ফিটা ফাউণ্ড আৰু অলিম্পিক ৰাউণ্ডত ব্যৱহাৰ কৰা ধনুবোৰ হ'ল বিদেশত নিৰ্মিত ফাইবাৰৰ দ্বাৰা তৈয়াৰী। যাৰ একোখনৰ দাম পঁচিশ হাজাৰৰ পৰা আশীহাজাৰ টকা। সেইদৰে বিদেশত তৈয়াৰী একোডাল কাঁড়ৰ দাম তিনিশৰ পৰা এহেজাৰ টকা।ফাইবাৰ ধনু ভাৰতে এতিয়াও তৈয়াৰ কৰিব পৰা নাই বাবে হংকং, জাপান, টাইৱান, চিংগাপুৰ আদিৰ পৰা আমদানী কৰিব লাগে।

ফিটা ৰাউণ্ডৰ টাৰ্গেটৰ দূৰত্ব ইণ্ডিয়ান ৰাউণ্ডতকৈ বেছি। ইয়াত পুৰুষৰ বাবে ৯০ মিঃ ৭০ মিঃ ৫০ মিঃ আৰু ৩০ মিঃ। মহিলাৰ বাবে ৬০ মিঃ, ৫০ মিঃ, আৰু ৩০ মিঃ।

ফিটা অলিম্পিক ৰাউণ্ডৰ নিয়ম কিছু বেলেগ। ইয়াত ভাগলোৱা আৰ্চাৰসকলে Qualifyiong Round ৰ পৰা পইণ্টছ অনুসৰি ফাইনেল ৰাউণ্ডলৈ আগুৱাব লাগে। ফাইনেল ৰাউণ্ডত একোজন আৰ্চাৰক তিনিদালকৈ কাঁড় শ্বুটিং কৰিবলৈ দিয়া হয় আৰু সৰ্বোচ্চ পইণ্ট পোৱা জনে প্ৰথম স্থান লাভ কৰে।

দলগত প্ৰতিযোগিতাও একেদৰেই হয়। এটা দলত তিনিজন আৰ্চাৰে শ্বুটিং কৰি লাভ কৰা পইণ্টছৰ দ্বাৰা Qualifyiong Round ৰ পৰা Final Round লৈ আগুৱাই যাব লাগে; আৰু শেষত চাৰিটা দলে প্ৰবেশ কৰে Final Round ত।

আৰ্চাৰসকলে শ্বুটিং লাইনত থিয়হৈ নিৰ্দিষ্ট দূৰত থকা টাৰগেটলৈ এৰ'শ্বুটিং (Arrow shooting) কৰিব লাগে। শ্বুটিং লাইনৰ পাঁচ মিটাৰ মান দূৰত থাকে Waiting line, য'ত থিয়হৈ আৰ্চাৰসকলে অপেক্ষা কৰিব লাগে ৰেফাৰীৰ নিৰ্দেশলৈ। ৫০ মিটাৰৰ তলৰ ইভেণ্টসমূহত এগৰাকী আৰ্চাৰে এবাৰত তিনিডাল কাঁড় শ্বুট কৰিব লাগে ২.৫ মিনিটত। এখন টাৰগেটত তিনিৰ পৰা চাৰিজন আৰ্চাৰে শ্বুটিং কৰিব পাৰে। আৰু প্ৰতিজনৰে কাঁড়ত নিজৰ নাম লিখা থাকে। যাৰ দ্বাৰা কোনে কিমান পইণ্ট লাভ কৰিলে উলিয়াবলৈ সহজ। ছয় অক্টোবৰ তাৰিখৰ পৰা আৰম্ভ হ'ল ইণ্ডিয়ান ৰাউণ্ডৰ প্ৰতিযোগিতা। আমাৰ অসম দলেও ইণ্ডিয়ান ৰাউণ্ডত ভাগ লওঁ। মীৰাটৰ প্ৰতিযোগিতাত আমাৰ দলটোৰ আৰ্চাৰে পুৰস্কাৰ নাপালেও প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি লগ পাইছিলোঁ **লিম্বা ৰাম, স্কালজাং দৰ্জী, লেজাং, লালৰাম ছাংগা** আদিক। লগ পাইছিলোঁ বিহাৰৰ মহিলা আৰ্চাৰ **জীউ জাৰিকাক**। সহজ সৰল এইসকল আৰ্চাৰে আমাক নতুন বুলি জানিও উপেক্ষা কৰা নাছিল। মধুৰ ব্যৱহাৰৰ দ্বাৰা নানা উপদেশহে দিছিল। এয়া মোৰ বাবে সুন্দৰ অভিজ্ঞতা।

আৰ্চাৰী অন্য খেলৰ দৰে নহয়। একলব্য, অৰ্জুন আদিৰ দৰে সাধনা কৰিব নোৱাৰিলে সফলতা প্ৰাপ্তিৰ আশা ক্ষীণ।

বাৰ তাৰিখৰ দিনা প্ৰতিযোগিতাৰ সামৰণি পৰাত এবছৰৰ পাছত পুণৰ টাটা নগৰত লগ পোৱাৰ আশা বুকুত বান্ধি খেলুৱৈ বন্ধু-বান্ধৱী আৰু প্ৰতিযোগিতা আয়োজন কৰা কৰ্মকৰ্তা সকলৰ পৰা বিদায় ল'লোঁ।

আজিও মনত পৰে মীৰাট আৰু হস্তিনাপুৰৰ মাজৰ ৰাজপুৰা গাৱঁত থকা **ইলেক্ট্ৰো বিদ্যাপীঠৰ** কথা, তাত লগ পোৱা খেলুৱৈ সকলৰ কথা। তাত লাভ কৰা **অভিজ্ঞতা** আৰু উৎসাহৰ বাবেই বোধকৰো তেজপুৰত অনুষ্ঠিত হৈ যোৱা অসম অলিম্পিকত সোণৰ পদক পাবলৈ সক্ষম হ'লোঁ। ❑❑❑

(লেখিকা **নয়নতৰা গোহাঁইয়ে** তেজপুৰত অনুষ্ঠিত হৈ যোৱা অসম অলিম্পিকত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত কৰা আৰ্চাৰী প্ৰতিযোগিতাৰ ৪০ মিঃ ত সোণ, ৩০ মিঃ ত ব্ৰঞ্জ, ২০ মিঃ ত ৰূপৰ পদক লাভ কৰে।)

# কটন কলেজত থাকে সকলো প্ৰেমিক উদ্যান, প্ৰেয়সী পখিলা

○ প্ৰণৱ কুমাৰ বৰ্মন
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া

পাইনৰ সেউজী পাতত ওলমি থাকে সপোনৰ চৰাই
ক্লাচত ছিৰিয়াছনেছৰ চূড়ান্ত অভিনয় - যেন এজাক
মাৰ্ক্স, ডেভিদলীন, নানাপাটেকাৰ, সত্যজিৎ ৰয়।

মোৰ চোলাৰ জেপত, তোমালোকৰো, তোমালোকৰো নাথাকে জানো
প্ৰেমপত্ৰ
ঘনাই আমনি কৰা, নিশা টোপনি নহা, বুকুৰ মৰুভূমিত
নাচ নচা এঞ্জেল এজাক!
হাঁহি হাঁহি ভাগৰি বাগৰি পৰা
হৃদয় বুলি চামৰাৰ বেগৰ চেইন খুলি দেখুওৱা গান
কোনো নাছিল অকবি, কবিতা নিলিখিলেও দীঘলীপুখুৰী পাৰত
অথবা চি জি ৰ সম্মুখত শ্যেলী, ডন, হিকমতৰ জাক
তোমালোকে সুধিছিলা - প্ৰেম
আমাৰ প্ৰেমৰ ঘৰ নাছিল - আমি আছিলো অঘৰী প্ৰেমিক
মই সুধিছিলো তাইক সকলো ফুলৰ সুগন্ধত জন্ম হৈছিল যাৰ
প্ৰেমৰ যি ৰক্তজবাই আকুল কৰে মোৰ বিশ্বামিত্ৰ বাসনা কোৱা, সেই
ৰক্তজবা তোমাৰ হৃদয়ত নাই।
তাই হাঁহিছিল এটি চৰাইৰ গানৰ দৰে।
অৰ্চনা, বুকুত বাজে কি সুৰৰ মূৰ্চ্ছনা
সিবাৰো আহিছিল নদীৰ ঢলৰ দৰে
'তনমন' উখল মাখল লগোৱা, উশাহক ঘনেপতি হুমুনিয়াহ কৰা
ইবাৰো আহিছিল
দুবৈত বৈ ডেকাজাকে ভাবিছিলো দুষ্মন্তৰ দৰে
কোন জনী হ'ব শকুন্তলা মোৰ
কাৰ হৃদয়ৰ আঙুলিত খাপ খাই পৰিব এই উতনুৱা
প্ৰেমৰ আঙুঠি
আৰু ভাবিছিলো, ভাবিছিলো এইদৰে কটন কলেজ মচগুল হ'ব
গাভৰু পৰশত
শৈবালী, খাইছা জানো নাদৰ ঘোলাপানী, হাতেৰে এচলু আনি
চুডমাৰ্চন আৰু কে, বি, আৰৰ বাৰান্দাত
লিপ্ত আছিলো বিতৰ্কত কোন ভাল-গান্ধী, সুভাষ নে জৱাহৰলাল
আৰু তৰ্ক, আবৃত্তি আৰু গানৰ অনুষ্ঠানত সদায়ে স্থান আছিল
পিছফাল
ভূপালী, তোমাৰ খোপাত জিৰায়হি প্ৰেমিক আবেলি
ভৰিৰ খোজ আৰু মেখেলাৰ দাদৰা, কহৰাত
উৰি গৈছিল সময়ৰ নীলাভ চৰাই
জানো শূণ্যতাৰ চোলাটোত বাদে সঁচা বুলি আন একো নাই
শ্ৰেণীকোঠাত শিক্ষকলৈ চিএৱা



কলেজখাটাতেই প্ৰেম পত্ৰ লিখা আৰু যাকে তাকে বিলাবলৈ বিচৰা
ভাবত গম্ভীৰ হৃদয় উতলা তোমালোক আৰু মই
মাছৰোকা সপোন লৈ বৈ থাকো জলকুঁৱৰীলৈ
সমুখৰ পাৰ্কত, 'চানৰাইজ' অথবা পাণবজাৰত
কিজানিবা হাঁহিৰ জোনাক দিয়ে চটিয়াই নাইবা থুৱাই
তথাপি দেখোন নাহে আমুৰাই
আমি যে আওহেলাত গঢ়া, লাজমান কেয়াৰ নকৰা
মৰমৰ ৰচনা লিখিব নজনা উৰণীয়া, উতনুৱা ডেকা
আৰু তাই মোৰ বুকুৰ অৰণ্যত দেও দি ঘাঁহ খোৱা ৰূপালী
ৰঙৰ স্মৃতি
তোমালোক সকলো পেশীবহুল যুবক আৰু ধুনীয়া গাভৰু
পৃথিৱীৰ ভিতৰত



তোমালোক গুৱেভাৰা আৰু জোৱান ডাৰ্ক
চাবুকৰ বিৰুদ্ধে যুদ্ধ ঘোষণা তোমালোকৰ
অৰুণিমা, চোৰাজানো চিনেমা
উদেশ্যত শূণ্য গৃহত চলে ইতিহাস
ৰূপায়ণত মোৰ স'তে তোমালোকৰ ভীৰ
তোমালোকে সুধিছিলা - মোৰ প্ৰেম
জানা, তাইৰ বৰ ভয়, কিজানিবা কোনোবাই লৈ যায় মোৰ
প্ৰেমিক হৃদয়
অকবি নাছিলো কোনো - মই আৰু তোমালোক
শ্ৰেণীকোঠাত জাক জাক - হীৰুদা, সনন্ত, সমীৰ তাঁতী, নিলিম কুমাৰ
তাইক ভাবো স্বপ্নৰ মধুবালা জনী
অচিন চিনাকী বহাগৰ নৰ্তকী
মোৰ সপোনৰ কাৰেংঘৰ যাৰ নৃত্যৰ মুদ্ৰাত নিতৌ ভঙা
পাইনৰ হালধীয়া পাতত থোপাথোপে ওলমি ৰ'দৰ চৰাই
মই জানো, বিদায়ৰ ক্ষণ আহে এনেদৰে আগুৱাই
মুনমুন, কিমান ফুলত তোমাৰ গুনগুন।
মই জানো এদিন তোমালোকেই শিকাবা বন্দুকক অধিকাৰৰ গান
মই জানো এদিন তোমালোকেই ল'ৰ্কা, নেৰুদাৰ প্ৰেমত পৰিবা
মই জানো এদিন লাল পতাকাৰ তলত তোমালোকেই জনাবা চালাম
মই জানো তোমালোকে এদিন পথাৰৰ স্বপ্ন লৈ সুৰুযলৈ
হাত মেলি দিবা
মই জানো
আৰু আশা কৰোঁ। ❑❑❑

কবিতা

# বায়ৰণৰ প্ৰেয়সী সকল

○ প্ৰণৱ কুমাৰ বৰ্মন
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া



বায়ৰণৰ প্ৰেয়সী সকলে প্ৰথমে দিলে চৰাইৰ মঙহ
বৃষ্টি ফুৰুনতকৈও সুন্দৰকৈ গোন্ধায় তেওঁলোকৰ দেহা
ঠিক জলফাইৰ দৰে!
বায়ৰণৰ প্ৰেয়সী সকলে একেটা গাৰুতে মুখ গুজি
ঢালি দিলে প্লেটত নিজৰেই মঙহ

তেওঁলোকৰ ৰঙচুৰাত পৰি কিয় বিনায় কাৰ টিটিয়লি চৰাই
কি পানীৰ পিয়াহত বাৰে বাৰে দুখৰ দীঘল ৰাতি
নৈৰ নিঃশব্দতাত ধৰ্ষিতা হয় কাৰ অনাঘ্ৰাতা হৃদয়
কাৰবাবে তেওঁলোকে সাঁচি ৰাখে - এটি নিৰ্জনতাৰ গান
- এটি স্বপ্নৰ ফুল
- নিসংগতাৰ তৰা এটি

ওঁঠৰ খিৰিকি খুলি কাৰবাবে সূৰ্যৰ পৰা আনে
সুমথিৰাৰ দুটি কোঁহ
কোন সুখী হয় বুলি মাগি আনে সেউজীয়াৰ পৰা
নীলা দুটি আমলখি
লুকুৱাই ৰাখে বুকুত মেঠনীৰে ঢাকি
কাৰবাবে, কাৰবাবে, কাৰবাবে
নিবিদ্ধ পথাৰত সাঁচি ৰাখে ধতুৰাৰ ৰাগী!

কিন্তু মই জানো -
কি শোকত যৌৱনমতী গাভৰুৱে হত্যা কৰে নিজস্ব যৌৱনৰ চৰাই
মই জানো, হেৰা বায়ৰণৰ প্ৰেয়সী সকল,
মোৰ কবিতাৰ অন্বেষিত ফল্গু



যোৱাৰাতি কাৰ টকা দিয়া প্ৰেমত বুকুত গুজি দিছা মুখ
দি দিছা তোমাৰ সকলো সুৱাগমণি শইচ
তেওঁ তোমালোকক চিনি নাপায়
তোমালোকে তেওঁক চিনি নোপোৱা
তোমালোক এৰাতিৰ সুহৃদ

তোমালোকৰ নীলাচনী বুকুত যি খেপিয়ায় সুৰভি সপোন
তোমালোকৰ ওঁঠৰ পঁজাবোৰ যি জ্বলাই দিয়ে
তেওঁৰ ওঁঠৰ জুইৰে
তেওঁতো তোমালোকৰ নহয় চিনাকি।

অথচ ৰেংগুনৰ ৰঙা পতাকাৰ তলত তোমালোকে জনাইছিলা চালাম
জোহান্সবাৰ্গত তোমালোকে বগা চালৰ শিয়াল এটাক ডোখৰ ডোখৰ
কৰিছিলা
অথবা মাওৰ নাৰী বাহিনীৰ ৰাইফল কঢ়িয়াই নিছিলা তোমালোকেই

মই তোমালোকৰ চৰাইমঙহ খাবলৈ নাই কৰা প্ৰশস্তি বৰ্ণনা
মই জানো -তোমালোকৰ বুকুৰ লজ্জাতুৰ অনুভৱ।
ভোকৰ শোকত হৈ পৰে লজ্জাহীন বৈভৱ

মই তোমালোকক বিচাৰি কবিতাৰ পিঠিত পৰিভ্ৰমণ কৰো
পৃথিৱীৰ নিবিদ্ধ মানচিত্ৰ
বায়ৰণৰ প্ৰেয়সী সকল, তোমালোক হ'ব পাৰা মোৰো প্ৰেয়সী!

এজন বৃদ্ধ বেমাৰী প্ৰেমিকে
তোমালোকৰ যি ওঁঠ ৰক্তাক্ত কৰে চুমাৰে বাৰ বাৰ
আমাৰ ভালপোৱাৰ অন্তত
সুৰভিত হৈ উঠে বকুল সুবাসেৰে
হেৰা বায়ৰণৰ প্ৰেয়সীসকল
আমাৰ প্ৰেমৰ অন্তত আমি গজি উঠিম
সোনালী শইচ হৈ মানৱতাৰ পথাৰত! ❑❑❑

# ক বি তা

## এইফালেই আহিব তেজীমলা

○ *ৰাজেন দাস*
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

কবিঃ অভিসাৰী পথাৰৰ হালধীয়া ধান
দুখ চাগে এতিয়া তোৰ নীলৰঙী গান; উদাস ঋতু
ভগা কলিজাই বিনায় তেজীমলা সখি নাই
হাতো নেমেলিবি ফুলো নিছিঙিবি ক'ৰে নাৱৰীয়া তই।

শুবিনেকি কৰি মৃধচলৈ নামি অহা দৈন্য আকাশৰ তলত
(যদিও আকাশ বৰ বিশাল)
হাতীপটিয়েদি নামি আহিব এজাক ফুটফুটীয়া সপোন
চাবি নেকি পানীগছা তৰা হৈ দিয়া সোণৰ সোলেং
লবি নেকি শেলুৰৈ গধূলিৰ জাঁজীমুখৰ বতাহ।

..............................................................

০০০ আমাৰে মইনা শুব বাৰীতে বগৰী ৰুব
কবি শুনিছানে টোপনি অহাৰ গান
জৰাগছৰ সমাধিত মলঙিছে তেজীমলা
জবাফুলীয়া সপোনৰ গাত বিষ
দুঃস্বপ্নৰ দুৰাতিৰ আলিঙ্গন তেজৰঙী তেজীমলাৰ নাৱৰীয়া মন,
জোনাকৰ গোপন বেথাই আমন্ত্ৰণ নকৰে পৃথিৱীৰ সুখ
যদিও জোনাকৰ স'তে নিবিড় এসন্ধ্যা
তেজীমলাৰ আহ-যাহ তুলসী তলৰ সবাহ।
০০০ তুলসীৰ তলে তলে মৃগপহু চৰে
মই দেখা নাই এনে এটা দিন য'ত
প্ৰাচীন শিলত মূৰ্চ্ছা যায় তোৰ ফেঁহুজালি সপোন
মই দেখা নাই এনে এটা দিন য'ত
তেজীমলাৰ অসুখত ব্যস্ত হয় তোৰ সেউজীয়া পৃথিৱী
তথাপি মই জানো তোৰ প্ৰতিটো ঔফুলীয়া কবিতাই লাজুকী
কৰি দিছিল তেজীমলাৰ নিঃসাৰ শৰীৰ।
কবি ভালদৰে শুন টোপনি অহাৰ গান
তেজীমলা এইফালেই আহিব আজি
তই ছাগে জনাই নাই
ৰাতি এপৰত তেজীমলাৰ অভিষেক

..............................................................

তেজীমলাৰ হেনো আজিকালি অসুখটো ভাল হৈছে।

❑❑❑



## শেষ প্ৰদৰ্শনী

○ *হেমাংগ কুমাৰ দত্ত*

দিনৰ ৰুটিনে ঢুকি নোপোৱা এটি সন্ধিয়া
নগৰী সোমাব নোৱাৰা বন্ধ কোঠাত
দাপোনৰ সমুখত আনদিনাৰ দৰেই মুখাখন খুলি থোৱাৰ পৰত
হঠাতে কোনোবাদিনা অভিনেতা গৰাকীয়ে উমান পায়
-মুখৰ আঁৰত মুখো আৰু হৈ থকা নাই তেওঁৰ সেই মুখ

মুখাত কেনেবাকৈ ভাঁজ পৰে বুলি
মুখৰ ওঁঠতো আজি-কালি মোলান পৰিছে হাঁহি
মুখাখন তিতে বুলি
মুখৰ চকুৰো শুকাই আহিছে চকুপানী

মুখাৰ আঁৰত যি মুখ তেওঁ সাঁচি ৰাখিছিল ওৰে দিন
চাৱনিৰ ভাষাৰে মুখৰ নিৰ্জনতাৰ প্ৰেয়সী অথবা
হাতৰ পাতৰ চাফল্ পাহৰি আড্ডামাতাল বন্ধুৰ বাবে
তেওঁৰ সেই মুখতো এতিয়া বহিছে মুখাৰ সাঁচ

লৰা-লৰিকৈ তেওঁ দাপোনৰ পৰা চকু আঁতৰায়
আৰু আকৌ এবাৰ তুলি লয় তেওঁৰ মুখা এখন

মুখবোৰ লুকুৱাবলৈ কিনি অনা ৰঙীন মুখাৰে
সিদিনাৰ পৰা লুকুৱায় তেওঁ মুখৰ অভাব

❑❑❑

## জোনৰ নামত সন্ধিয়াৰ স'তে অলপ শব্দ দিয়া মোক


*○ পলাশ ৰঞ্জন গগৈ*
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)


মোৰ গাওঁজুৰি
গাখীৰতী জোনাক নামে -
বাঁহ পাতৰ আগেদি
উজাগৰী মৌনতাৰ স'তে

জোনৰ প্ৰেমত গছবোৰে সাৱটি ধৰে মাটি
আলিঙ্গন কৰে মৃন্ময় - সুখ
বিনিময় কৰে ইটিয়ে সিটিৰ গোপনীয়তা
জোনেই আলচ কৰে তৰালিৰ স'তে
'মৌনতাক বিকিম সময়ৰ সমস্ততা
যৌৱনৰ চপলতা
বাসন্তীক আদৰিম উলহ-মালহ কৈ'
বহল পথাৰখন পৰি ৰয়
উন্মুখ তৰুণীৰ ওঁঠৰ দৰে
আলিবোৰে চুমা খায় মাটি
নাঙলৰ সীৰলুবেদি উঠি আহে
বাসন্তীৰ অতনু বৈভৱ

কাক বা ভাল পায় জোনে
প্ৰেমে দিন ৰাতি
একোকে নামানে
সুদীৰ্ঘ যাত্ৰা এন্ধাৰৰ প্ৰতিবাদ কৰি
শুনো
ঘনে ঘনে !!





## দাৱনী


*○ শৈলেন বৰকাকতি*
স্নাতক দ্বিতীয় বৰ্ষ (কলা)


ৰি-ৰিয়া বতাহজাকে
দি গ'ল
আঘোণৰ বতৰা,
হাতত কাচি
মুখত গুণ্ গুণ্
গীতৰ কলি
তাইৰ গাত হালে-জালে
শইচৰ থোক;
গালত ধানৰ পাতৰ
চুমাৰ পৰশ,
আৰু আঁতৰত
মহাজনৰ ঘন লুভীয়া দৃষ্টি।
তাইৰ পেটত জুই
চকুত জুই
তথাপি মুখত গীতৰ কলি।
তাইৰ আখলত
দুদিন ধৰি জ্বলা নাই জুই,
খৰকৈ চলে হাতৰ কাচি।

❑❑❑

# এখন মুখ

○ প্ৰাণজিৎ বৰা
স্নাতক তৃতীয় বৰ্ষ (ইংৰাজী)

ৰ'দচিকুণ দুপৰীয়াটোতে
কিন্‌কিনকৈ বৰষুণজাক

বেলিটো
নামি আহি ৰয়হি
তিতা কলপাতত
তিতা সোণাৰুপাতত

আকাশৰ সীমনাত
য'ৰপৰা বেলিটো নিতৌ
সৰি পৰে নৈৰ বুকুত
ওলমি ৰয়
এখন মুখ

হেজাৰটা হতভগীয়া বৰষুণৰ টোপালেৰে
নিয়াৰিকৈ গঢ়া এখন মুখ
তিতা কলপাত আৰু তিতা সোণাৰুপাতৰ দৰেই
তাৰ বৰণ (হাড়ভঙা শ্ৰমৰ বৰণো তেনেকুৱাই?)

সেইখন মুখত
বেলিটোৰ সমস্ত ৰহণবোৰ (এন্ধাৰো এটা বৰ সুন্দৰ ৰহণ?)
ঘূৰি ফুৰে
আদিম যাযাবৰীৰ দৰে

সেইখন মুখে
অনবৰতে
মোক বিচাৰি চলাথ কৰে
মোৰ মাজতে

কাৰ মুখ সেয়া
কাৰ

এই
ঠিক এই যেন বুৰ যাম মই
সেই মুখৰ সকৰুণ ৰহনত
সেই মুখৰ উত্ৰাৱল আহ্বানত....। ❑❑❑



# এটি স্তবক

○ অৰবিন্দ চক্ৰৱৰ্ত্তী
স্নাতক তৃতীয় বৰ্ষ

ৰাতিৰ আকাংক্ষিত সপোনেৰে
প্ৰত্যেক প্ৰাত্যহিকতাতে
বিচাৰি যাওঁ সেউজীয়া সময় .....
কিন্তু মইতো জনা নাছিলো
মোৰ অজ্ঞাতেও যে
হত্যা কৰা হ'ব পাৰে সময়ক
প্ৰতিবাদ কৰিব পাৰো য'ত
মাথো মৌনতাৰে।



# কৃষ্ণচূড়া

**(উৎসৰ্গ ঃ কৃষ্ণচূড়া যাৰ প্ৰিয় ফুল)**

○ *যোগেন বৰা*
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ (ইংৰাজী)

এই যে নুফুলো বুলিও ফুলবোৰ ফুলিছিল, নাবাঢ়ো বুলিও নদীবোৰ বাঢ়িছিল
নাহো বুলিও আগতীয়া হৈছিল বাৰিষাটো
ঠিক তেতিয়াৰে ঘটনা

মই গাঁত খান্দি কলিজাটো পুতিছিলোঁ
তেওঁ অহা যোৱা কৰা বাটত

হয়তত কৰণি লৈ তেওঁ যেতিয়া গুলপীয়া, বেঙুনীয়া ফুলবোৰ তুলি ফুৰিছিল
তেওঁৰ গাৰ ভৰত তাতে দুজোপা কৃষ্ণচূড়া গজিল
গাৰ গোন্ধত বাঢ়ি আহিল সিহঁতৰ ডাল-পাত - স্পৰ্শেৰে সেউজ হৈ
পৰিল অকণি অকণি পাতবোৰ

তেওঁ অহাৰ আগে আগে এজাক বৰষুণ
তেওঁ যোৱাৰ পিছতো এজাক
দুয়োজাকতে বৈ - বমলী হৈ তিতিছিল গছ দুজোপা

লাহে লাহে গা - ভাৰী হৈছিল সিহঁত
ডালবোৰে লাজতে মাটিৰ বুকুত কুৰুকি কুৰুকি সোমাই পৰিছিল
আৰু এদিন পাতবোৰৰ আগত ফুল নধৰোঁতেই
তেওঁৰ সেওঁতাতে ফুলিল ফুল

ক্ৰমশঃ হালধীয়া হৈ পৰিছিল গছ দুজোপা
সোণ - বৰিয়ালবোৰে ছানি ধৰিছিল তলখন
তেওঁ অহাৰ আগে আগে এজাক হালধীয়া বৰষুণ
তেওঁ যোৱাৰ পিছতো এজাক
দুয়োজাকতে নাঙঠ হৈ তিতিছিল সিহঁত

বৰষুণৰ ঠিক পিছতেই ৰ'দ - হালধীয়া ৰ'দ এজাক
গছ দুজোপাৰ গাৰ পৰা হালধীয়া ঘাম বিৰিঙি উঠিছিল,
আৰু তাৰ কাষেদিয়েই সেওঁতাত ফুল তুলি তেওঁ .....



বহুদিনৰ আগৰ কথা এইবোৰ
এই যে নুফুলো বুলিও ফুলবোৰ ফুলিছিল, নাবাঢ়ো বুলিও নদীবোৰ বাঢ়িছিল
নাহো বুলিও আগতীয়া হৈছিল বাৰিষাটো
ঠিক তেতিয়াৰে ঘটনা .... ❑❑❑

# আকৌ ধাৰণ কৰা মোক

○ ৰঞ্জন ভট্টাচাৰ্য্য
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ



মোৰ মা এদিন যুঁজাৰু হৈছিল
ধনু ধৰি পহৰা দিছিল
সদ্য উদ্‌যাপিত উৎসৱৰ-স্মৃতি
মনিপৰা পীৰাত সাতসৰী দলিয়াই
ভাগ্যলিপি লিখাইছিল মোৰ

ঘটনাবোৰ ঘটিছিল
পৃথিৱীত মোৰ পাঁচদিন পিছত
সূৰ্য্যটোৱে থৰ হৈ চাই আছিল
ছাট মাৰি ধৰিছিল জেলাইলাই মোৰ
চকুৰ পতা।

বৰ বিশ্বাসী যুঁজাৰু আছিল মোৰ মা
শিল এটাৰে খুন্দিয়াই ভাঙিছিল
মোৰ জুই পানী ভয়

ডাংকোলাকৈ দেখুৱাইছিল পোহৰ পোহৰ
ক্ৰমশঃ
মই চুহি খাইছিলো মানুহ - মাটিৰ স্তন
দেউতাৰ মৰিশালি দেই
বাট ভাঙি উলিয়াইছিলো
এই গতানুগতিক দুৰ্দিন

অবাটে আহি এনেকৈ হেৰুৱালো
উৰ্বৰা দুহাতৰ সৃজনমুখী নিৰাপত্তা

ইয়াত এতিয়া
জুইতকৈয়ো তপত মানুহ
বানতকৈয়ো উন্মত্ত মানুহৰ হৃদয়
মা,
মৰিশালি খান্দি দেউতাক মাতা
আকৌ ধাৰণ কৰা মোক
পাঁচদিন পিছত ডাংকোলাকে দেখুওৱা
সূৰ্য্য কঠিন শোক

শিল এটাৰে খুন্দিয়াই ভাঙা
অহিনকুল এই অপ্ৰেম অদ্ভুত।

❑❑❑



# এটা কবিতা

○ ভগবান গোস্বামী
প্ৰবক্তা, ইতিহাস বিভাগ

মানুহৰ হাতত তুলি দিওঁ যদি কৃষ্ণচূড়াৰ পাহি
হাঁহি হাঁহি গীত গাব
নাচি নাচি বজাব নীলা নীলা বাঁহী।

আৰু যদি তুলি দিওঁ তেজ লগা চুৰী
ঘামত উঠিব বান
তেজত উঠিব বান
নাও মেলি মানুহেই মানুহ গোটাব, বিচাৰিব নদী-
ভটিয়নী পানীৰে সাগৰ ওলাব
সাগৰে সাগৰে লাগি দ্বীপ যেন মানুহক
সাঙুৰি পেলাব।
হে মানুহ
তুমিয়েই কঢ়িয়াবা সেউজীয়া ভ্ৰূণ,
তোমাক দেখিলে চাবা,
সূৰুযমুখীৰ পাহে সাদৰে হাঁহে -
'সখিঐ তুমি মোৰ বাটৰ বান্ধৈ।

❑❑❑

# ক বি তা

## মৌনতাৰ স্কেচ্

○ *দিপজ্যোতি দাস*
স্নাতক দ্বিতীয় বৰ্ষ (ইংৰাজী)

তুমি আহিবা বুলি ক'লে ভাল লাগে
দুচকু মুদি দিলেই
পাৰ হৈ যায় পাখি লগা সময়
জোনাইৰ নাওখন কাটি দুটুকুৰা কৰিলোঁ
পথাৰখনে বাহি - গা - নোধোৱা বহু দিন হ'ল
ৰঙা সুৰুযলৈ আৰু কিমান চাম
আকাশে চকুপানী নুটুকিলে
মোৰ যে নসৰে কঁপালৰ ঘাম! ❑❑❑



## বানপানী

○ *ধীৰাজ কুমাৰ শৰ্মা*
স্নাতক দ্বিতীয় বৰ্ষ

বহুদিন ধৰি নিৰৱচ্ছিন্নভাৱে, আকাশখন আৰু নদীখনে
এটা সম্বন্ধ গঢ়ি তুলিলে...
একোডাল বগা সূতাৰে।
লাহে - লাহে নদীখন ডৰুণ হ'ল
আৰু তাৰ পিছতে
তাইৰ ক'লা চুলিবোৰ মেলি দিলে
যেনিয়ে - তেনিয়ে....
পথাৰখন আৰু নদীখনৰ মাজত
তাই দীঘে - বাণিয়ে বই দিলে
বগা সূতাৰ গামোছা এখন............ ❑❑❑

## কবিতাৰ সঁচ

○ *শিৱ প্ৰসাদ বড়া*
উ.মা. প্ৰথম বৰ্ষ (কলা শাখা

তোমাৰ বাবেই সিঁচিছো কবিতাৰ এই সঁচ
ডাঙৰ যেতিয়া হ'ব কঠিয়া, মোৰ কবিতা
ৰুই দিম তোমাৰ বুকুত

কবিতা মোৰ তেতিয়াই গাভৰু হ'ব
তোমাৰ ডৰুণ দেহৰ
শইচ — হালধীয়া তাপত

তেতিয়াই
কঁপি কঁপি আগবাঢ়িম তোমাৰ কাষলে'
কাঁচিৰে কাটি আনিম তোমাৰ বুকুৰ পৰা মোৰ পুৰঠ কবিতা।

❑❑❑



# বেহা-বেপাৰ

○ *নয়ন পল্লৱ শৰ্মা*
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

কিছুমান পুৰঠ চিন্তাৰে পৰিপুষ্ট
আৰু সমস্যা কিছুমানৰ খৰতকীয়া সমাধান উলিয়াব পৰা
মই মোৰ মগজুটো বিক্ৰী কৰিবলৈ ৰাজী হৈছোঁ
পিছে সচৰাচৰ কৰাৰ নিচিনা টকাৰ বিনিময়ত নহয়
মোক এটা কলিজা লাগে
ৰ'দে পুৰি টান কৰা শিলৰ দৰে কলিজা
য'ত ঘা হৈ শুকাই যায় প্ৰেমৰ কেঁচা অনুভূতিবোৰ
এজাক বলিয়া বতাহে কোবাই দৃঢ় কৰা গছডালৰ দৰে গৰ্বিত
কলিজা
য'ত নিঃশেষ হৈ যায় মোৰ সকলো সংকীৰ্ণতা
খবৰ কৰিবাচোন ক'ৰবাত পোৱা নেকি এনেকুৱা এটা কলিজা
যাক কাহানিও স্পৰ্শ কৰা নাই তৰাৰ উচুপনিয়ে......

কলিজাটো পালেই মই তাৰ আশে-পাশে এখন বেৰ দিম
সীমান্তত দিয়াৰ দৰে কাঁইটীয়া তাঁৰৰ বেৰ
হিয়া উপচাই থকা মোৰ দুখবোৰ তাত ওলমি থাকিব
আহত চৰাই এটাৰ দৰে
কলিজাটোৰ চাৰিওটা কোঠাতেই শুই থাকিব
মোৰ নিকট্ আত্মীয় সপোনবোৰ—
সিহঁতক মই কেতিয়াও জগাই নিদিওঁ

আদান-প্ৰদানৰ চুক্তিখনত মোৰ ফালৰ পৰা
এটাই মাথো চৰ্ত থাকিব
এবাৰ বিক্ৰী কৰাৰ পিছত মগজুটো আৰু ঘূৰাই লোৱা নহয়
কাৰণ বিক্ৰী কৰাৰ আগৰ মানুহজন, - মানে মই,
বিক্ৰী কৰাৰ পাছত অইন এজন মানুহো হ'ব পাৰোঁ।

❑❑❑



# অনুভৱ ঃ তোমাৰ প্ৰেমৰ

○ *মহঃ আবেদুৰ ৰহমান্*
স্নাতক দ্বিতীয় বৰ্ষ (ইংৰাজী)



মই মোৰ স'তে
কথা পাতিবলৈ ল'লে
তুমি এআকাশ নীলা আনিবলৈ কোৱা
তুমি হেনো নীলাকাশ ভাল পোৱা
তৰালি দেশলৈ
নীলাকাশ আনিবলৈ গ'লে তুমি হেৰাই যোৱা
খৰালিৰ মৰাসুঁতিত
তোমাৰ স'তে।। ❑❑❑

অনুবাদ কবিতা

# ভাল ঠাইখন ক'ত

O প্ৰাণজিৎ বৰা
মূল বাংলা ঃ সুবোধ সৰকাৰ

দুপৰীয়া শুই উঠি মোৰ তিনিবছৰীয়া ল'ৰাটোৱে ক'লে
দেউতা, ভাল ঠাই এখনলৈ লৈ যাবি মোক?

মই থৰ লাগি চাই ৰলোঁ তিনিবছৰীয়াটোৰ ফালে
তাৰ তিনিবছৰীয়া চকুদুটা আৰু ঠুঁতৰিৰ ফালে
ফুটি উঠা বিন্দু বিন্দু ঘামবোৰৰ ফালে
ক'লো, যাওঁ ব'ল, চিৰিয়াখানালৈকে তোক লৈ যাওঁ
তাৰ সিংহটো বেচ ভোকাতুৰ হৈছে, বাঘটোৱে হৰিণবোৰলৈ মন মেলিছে
সি ক'লে, নহ'ব, মোক ভাল ঠাই এখনলৈ লৈ যাব লাগিব।



কাষৰীয়াৰ ঘৰলৈ গৈ সি অলপপৰ কান্দিলে, বন্দুক চলালে, তাৰ পাছত
ক'ৰবাৰপৰা কাৰ্ল মাৰ্ক্সৰ ছবি থকা কেলেণ্ডাৰ এখন আনি ক'লে
এই ককাটোকো লৈ যাম, ৰেল বা নাৱত উঠি যাম
এই দেউতা, দেউতা, এখন ভাল ঠাইলৈ যাবি?

ভিক্টোৰিয়ালৈ লৈ গ'লো, সি ক'লে, ওঁহো, ভাল লগা নাই
গংগাৰ ঘাটলৈ লৈ গ'লো, সি ক'লে এইখনতো সেই একেখন নদীয়েই
আইচক্ৰীম কিনি দিলো, তথাপিও পেন্‌পেনাই থাকিল সি
বিৰক্ত হৈ ঠিক আঠবজাত ঘৰ পাই দেখিলো তেতিয়াও
মেজত লুটি বাগৰ খাই পৰি আছে বেচেৰা কাৰ্ল মাৰ্ক্স
তাক বুজালোঁ, চা, এই ককাটোৱেও এদিন
আমাক এখন ভাল ঠাইলৈ লৈ যাম বুলিছিল
কিন্তু সেইদিনা ৰবিবাৰে কোনো ৰেল নাছিল, নাওঁও নাছিল

দুই মিনিট চুপ্ হৈ ৰ'ল সি, কি ভাবিলে কোনে জানে, তাৰ পাছত
আকৌ সেই পেন্ পেননি
বল এটা আনি দিলো, ৰবট দিলো, জাহাজ দিলো
চৰ এপাত দিম নে নিদিম ভাবি আছিলো, তেনেতে, পৃথিৱীৰ আটাইতকৈ
কঠিন প্ৰশ্নটো কৰিলে সি ঃ
এই দেউতা, কালিলৈ এখন ভাল ঠাইলৈ লৈ যাবিতো, কালিলৈ?

(এই কবিতাটো শাৰদীয় সংখ্যা 'দেশ', ১৯৯৫ ৰ পৰা লোৱা হৈছে —অনুবাদক)

## বিচাৰৰ সামৰণি

*○ ঔমৰ বা (মাউৰিতানিয়া)*

অনু ঃ হেমাঙ্গ কুমাৰ দত্ত



মাৰ-পিট?
লুট-পাত?
সৰ্বশৰীৰ জখম আঘাত?
আৰু সাক্ষী
ধূলিৰ দৰেই অজস্ৰ আগনন ঃ
যদু এজন
মধু আন এজন
হৰি আৰু ইছমাইল
আনকি পখীবোৰেও দেখা বুলি ক'ব
কিন্তু তুমি পাহৰা কথাটো হ'ল
মহাজনৰ পুতেক কোৰ্টৰ জাজ
আৰু জোঁৱায়েক পুলিচ বিষয়া।

## আশাবাদ

*○ চুফি আচান (তুৰস্ক)*

অনু ঃ হেমাঙ্গ কুমাৰ দত্ত

যাৰ বাবে এই বাট চোৱা
বহাগে আমাক সেয়া ওভতাই দিয়া নাই

বহাগ আকৌ উভতি আহিব



**ব্যঙ্গ কবিতা**

# ডেইজীৰ লেটাৰ

❍ *বীৰেন্দ্ৰ বাচ্যস*

"Simply to live doesnot mean Life
Life means to live with full vigour and enjoyment."

চুইট হাৰ্ট ঃ

এয়া টেবুল লাইটটো জ্বলাই লৈছোঁ। আজি বহুত দিনৰ
মূৰত তোমালৈ লেটাৰ এখন লেখোঁ বুলি। ফেনৰ আপদীয়া
বতাহজাকে 'ৰাইটিং পেড'টো বৰকৈ কোবাইছেহি।... চাওঁ
চুইছটো 'অফ' কৰি দিওঁ।......
দহবছৰৰ আগৰ কটনৰ দিনবোৰ তোমাৰ বাৰু মনত
আছেনে? আমিয়ে 'কলেজীয়া বন্ধু' জীৱনৰ পাতনি
মেলিছিলোঁ।... মোৰ গাত সেই 'দিল দিয়া দৰ্দ লিয়া' নিচা
ফুল স্পীডত লাগিছিল।
সিদিনা আছিল ডিচেম্বৰ মাহৰ চুইট্ চুইট্ লগা
এটি চুইটী দুপৰীয়া। আমি যে 'অল্টি'ৰ ক্লাছটো
নকৰিলেও চলি যাব বুলি,
'নেহেৰু পাৰ্কত সদায় বহা সেই বেঞ্চখনত বহিছিলোঁ।
তুমি যে মোৰ সোঁহাতৰ আঙুলিবোৰ পিটিকি পিটিকি
ইমান ৰসলগাকৈ 'লায়লা-মজনুৰ' কাহিনীটো কৈছিলা.....'
মই পিন্ধা নাইলনৰ স্কাৰ্ট-ব্লাউজ যোৰলৈ তুমি বাৰু
তেনেকৈ কিয় একেথৰে চাই আছিলা ?
মোৰ কেনে লাগিছিল, জানা? তুমি যেন সপোনপুৰীৰ
সেই দৰদী অভিনেতা - কোনোবা গোবিন্দ।
আৰু মই? মই যেন কৰিস্মা কাপুৰ।
তোমাৰ জানো এইবোৰ মনত নপৰে?



মাম্মীয়ে চিঠিত লিখিছিল ঃ "বেবী, তুমি ষ্টাদিক
ইগ্‌নোৰ নকৰিবা। লাইফটো 'এনজয়' কৰিবলৈ
বহুত টাইম পাবা। আজিৰ যুগত ডিগ্ৰীটো ডাঙৰ বস্তু।
নহ'লে ডাক্তৰ, ইঞ্জিনীয়াৰ ল'ৰা ক'ত পাবা?"
মাম্মীয়ে কোৱা 'ভেলুৱেবুল' কথাবোৰ
মই আগতেই বুজিছিলোঁ জানা।
'মেজৰত' ফাষ্ট ক্লাছেই পাইছিলো। কিন্তু তুমি।...
গাঁৱৰ স্কুলত পঢ়িও পজিচন' লৈ আহি
'মেজৰ মাৰ্ক' ৰাখিব নোৱাৰি কটনত 'চিম্পোল পাছ'হে হ'লা।
মোৰ তোমালৈ খুউব দুখ লাগিছিল জানা।
তোমাৰ করুণ মুখখনৰ ছবি চাব নোৱাৰি
তোমাৰ লগত সকলো সম্পৰ্ক 'কাট্অফ্' কৰিছিলোঁ...
তুমি হেনো গাঁৱলৈ গৈ ভেন্সাৰ স্কুলত সোমালা।
দুমাহ পিছতে পাপাই এজন ইঞ্জিনিয়াৰৰ লগত
মোৰ বিয়া পাতি দিলে। পিছত এম-এ পঢ়িলোঁ।
এম-এতো ফাষ্ট ক্লাছেই পালোঁ।
চব ঠিকেই আছে জানা। টকা-পইচা, বিল্ডিং, কাৰ
একোৰে অভাৱ নাই।
দুয়োৰে এমাহৰ দৰমহা বহু বেছি টকা
সুদিন কেতিয়াবা একেদিনাই আহে।
কৃতজ্ঞতা জনাই 'এওঁক' ঘৰতে দি থৈ যায়।
আজিৰ যুগতো কিছুমানৰ কৃতজ্ঞতাবোধ
দেখিলে ইমান ভাল লাগি যায়।
অ' তুমি হেনো বিয়া বাৰুও নকৰিলা। ভালেই কৰিলা।
এইবোৰ বৰ ঝামেলা, বুজিছা।...
এহাল ল'ৰা - ছোৱালীৰ মাক হ'লোঁ। তথাপি কিয় জানো-
মাজে মাজে তোমালৈ বৰকৈ মনত পৰে, জানা,
প্ৰকৃত 'লভ' এনেকুৱাই বুজিছা...।



'বন্ধু' হিচাপে তুমি দিয়া তাহানিৰ সেই
'মৰমবোৰ' মই আজিও পাহৰা নাই;
তুমিহে সকলোবোৰ পাহৰি গ'লা।
আমাৰ 'এওঁ'ৰ কথানো কি ক'বা,
মোৰ হেনো বহুতো বন্ধু। বন্ধুত্ব কৰাটো জানো বেয়া ?
'এওঁ' নুবুজে। মোক দোষাৰোপ কৰে।
দিনটো অফিচৰ ফাইলৰ লগত যুঁজি যুঁজি
বোধহয় ভাগৰি পৰে। কেতিয়াবা যা-তা বলকে।
গভীৰ নিশা ক্লাবৰ পৰা আহি
জোতা-মোজা নোখোলাকৈয়ে ভাগৰত
কেছেট বিহীন 'ডেক'টোৰ দৰে শুই থাকে।
তেতিয়া তোমালৈ মোৰ বৰকৈ মনত পৰে।...
অ' তুমি হেনো মাজে মাজে স্কুলৰ কামত
'ডি.পি.আই' অফিচলৈ আহি থাকা। মোৰে শপত,
তুমি যেতিয়া আহিবা, মোক আগতীয়াকৈ জনাবা দেই।
মই দীঘলী পুখুৰীৰ পাৰেৰে সন্দিকৈৰ আগেৰে
'মাৰুটি' কাৰেৰে গৈ সন্ধিয়া
ঠিক সময়তে 'নেহৰু পাৰ্ক' ওলামগৈ।
কিমান যে কথা আছে তোমাৰ লগত মোৰ!
মোক আগতীয়াকৈ জনাবলৈ নেপাহৰিবা দেই।
মৰম লবা। ইতি

তোমাৰ ডেইজী

পুনঃ ল'ৰা-ছোৱালীহাল অলপ ডাঙৰ হৈছে। ল'ৰাটোৰ
মুখখন দেখিবলৈ সাইলাখ তোমাৰ দৰে হৈছে।
ছোৱালীজনী....। দুয়ো ঘৰখনত ইমান উৎপাত
কৰি থাকে। তুমি আমনি পাবা বুলিয়ে ঘৰলৈ
নামাতিলোঁ বুজিছা। বেয়া নাপাবা দেই। ❑❑❑

("মমতাৰ চিঠি"ৰ কবি হেম বৰুৱাদেৱলৈ ক্ষমা প্ৰাৰ্থনাৰে)

# সুৰেৰেই নিয়ে সজালে জীৱন



*"বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা ...... সহজ সৰল গাঁৱৰ জীৱন এবাৰ....।"*

**এসময়ৰ অসমৰ সঙ্গীত জগতৰ এটি পৰিচিত নাম দীপালি বৰঠাকুৰ। এইগৰাকী শিল্পীৰ কণ্ঠত প্ৰাণ পাই উঠিছিল সৰল জীৱনৰ গভীৰ সজীৱ অনুভূতিয়ে। তেওঁৰ কণ্ঠ আৰু সুৰত আছিল এই মাটি, এই বতাহ আৰু এই আকাশ। এই মাটিৰ জীৱনকেই তেওঁ সজাইছিল সুৰেৰে, কণ্ঠেৰে। সেয়েহে তেওঁৰ সুৰে আজিও কৈ যায় হেজাৰজনৰ সৰল সপোনৰ কথা। আজিও তেওঁৰ সুৰে লহৰ তোলে হেজাৰজনৰ প্ৰাণত।**

**১৯৫৮-৫৯ চনৰ কটনিয়ান, এই গৰাকী শিল্পীৰ মনৰ খবৰ লবলৈ বুলি আমি ওলাইছিলো। গুৰুতৰ শাৰীৰিক অসুস্থতাৰ বাবে পাচলৈ গীত গাবলৈ এৰা এইগৰাকী শিল্পীয়ে আমাক যি কলে সেইয়া আমি সকলো কটনিয়ান তথা সমূহ সংস্কৃতি প্ৰেমী ৰাইজৰ আগত দাঙি ধৰিলো। আমাৰ কেৱল অনুভৱ — এইগৰাকী শিল্পীৰ জীৱনেই এক শিল্প।**

সাক্ষাৎ গ্ৰহণ
*শ্ৰীবিপুল কলিতা*
*শ্ৰীশৈলেন দত্ত দাস*

**?** গায়িকা হিচাপে আপোনাৰ প্ৰাৰম্ভিক জীৱনৰ বিষয়ে দু-আষাৰ কওক।

**দীঃবঃ** আজি আপোনালোকে প্ৰশ্ন কৰিবলৈ অহা সফল-বিফল দীপালি বৰঠাকুৰে কেতিয়াও ভবা নাছিলঃ যে তেওঁ এগৰাকী গায়িকা হব। অসমৰ ৰাইজৰ আদৰ পাব। গান মানুহৰ সহজাত অভিব্যক্তিৰ সুকুমাৰ প্ৰকাশ। আইতা (মাৰ মাক), মা, নীলি বাইদেউ (মোমাইদেউৰ জীয়ৰী), মোৰ দুজন ককাইদেউ আৰু চুবুৰীয়া, সমনীয়া স্কুলীয়া মইনামেল, সেউজীয়া সমাজ, পৰাগ চলিহা এই সকলোৱে গীত গাইছিল। আজিৰ দৰে গীতৰ প্ৰশিক্ষনো সেইসময়ত নাছিল। দুই এটা গীত শুনিছিলো। চিনেমাৰ লতা মংগেশকাৰৰ গীত শুনি অভিভূত হৈছিলো নে নাই নেজানো। কৰ নোৱাৰাকৈয়ে নিজৰ কণ্ঠত তুলিছিলো। পিছলৈ অৱশ্যে ভাল পাবলৈ শিকিছিলো। বেগম আখতাৰৰ গলগলিয়া বলিষ্ঠ কণ্ঠৰ গীত - এয়ে আছিল মোৰ আৰম্ভনি। আৰম্ভনিৰ পৰতেই পৰাগ চলিহাৰ "চাৰিহাজাৰ বছৰৰ অসম" - সংগীতালেখ্যত গীত গাবলৈ পাইছিলো আৰু সেই সুযোগেই মোক গীতৰ জগতলৈ লৈ আনিছিল। আকাশবাণীৰ কৰ্মকৰ্তাসকলে মোক মৰম কৰি মাতি আনি গুৱাহাটীৰ অনাঁতাৰ কেন্দ্ৰৰ মাইক্ৰ'ফোনৰ আগত বহুৱাই শ্ৰোতা সমাজৰ লগত পৰিচয় কৰাই দিছিল। ৰেডিঅ'ৰ শীতল কোঠাত মোৰ গা শিহৰিত হৈ উঠিছিল। সেই শিহৰণ আজিও অনুভৱ কৰো। এইয়া গীতৰ শিহৰণ। এতিয়া নিজে গাব নোৱাৰো - লোকৰ গীত শুনো - ভাল গীত শুনিলে ভাল পাওঁ, বেয়া গীত শুনি দুঃখ পাওঁ।

**?** সংগীত হৃদয়ৰ এক স্বত স্ফূৰ্ত অভিব্যক্তি, - তথাপি সংগীত চৰ্চাৰ বাবে এক পৰিবেশ আৰু কিঞ্চিত হলেও অনুপ্ৰেৰণা প্ৰয়োজন। সেই পৰিবেশ আপোনাৰ অনুকূল আছিল নে? সেই অনুপ্ৰেৰণা কাৰ পৰা পাইছিল?

**দীঃবঃ** বহুত সাংস্কৃতিক কাৰ্য্যক্ৰমৰ মুখ্য ধাৰাৰে ধাবিত শিৱসাগৰৰ সংগীত চৰ্চাৰ ক্ষেত্ৰখনে অসমৰ সংগীত জগতত বিশেষত্ব লাভ কৰিব পাৰিছিল। সম্ভৱ

অসমৰ আধুনিক কালৰ শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰখনৰ প্ৰথমজন লোক শিৱসাগৰৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱাই আছিল। সেই ক্ষেত্ৰত আন অগ্ৰনী পুৰুষদ্বয় গীতিকাৰ পদ্মধৰ চলিহা আৰু পাৰ্ব্বতীপ্ৰসাদ বৰুৱা। পাৰ্বতী প্ৰসাদে ৰবীন্দ্ৰ সংগীত, অসমৰ থলুৱা আইনাম ধাইনাম মিলাই এক নতুন গীতৰ ধাৰা বোৱাবলৈ কণ্ঠত সুৰৰ মূৰ্চ্ছনা তুলিবলৈ, যত্ন কৰিছিল। জ্যোতিপ্ৰসাদে অসমীয়া সুৰক জনপ্ৰিয় কৰি তোলাৰ আগতে এইজনা শিল্পীয়ে থলুৱা সুৰৰ চৰ্চ্চা কৰিছিল। এইসকলৰ কথা আমি আজিহে জানিছো। শামুকৰ পেটত মানিক থাকিলেও শামুকে তাৰ খবৰ নোপোৱাৰ দৰে আমিও সেইখন শিৱ সাগৰৰ কথা জনা নাছিলো। ভাগ্য ভাল যে পৰাগ চলিহা আমাৰ মাজত সাকোঁ স্বৰূপ হ'ল। আমি সংগীতৰ পৰশ পালো, শিকিলো, গালো; - পিছত সংগীত শিল্পী বুলি পৰিচিত হ'লো - এইবিলাক কোৱা কথা। আঁচলতে আজিওঁ মোৰ মাতা মহিয়ে গোৱা - "উঠৰে উঠ বাপু পুহাইল ৰজনি উঠা যদুমনি" আৰু মায়ে গোৱা 'ধাক ঢোল ভেৰি মৃদংগ বাজে আনন্দে কালিকা যজ্ঞলৈ সাজে' – গীত দুটাই মোৰ গীতৰ মন্দিৰৰ ভেটি আছিল। ইয়াৰ পিছৰ ঢাপ নীলি বাইদেউহঁতৰ লগত সন্ধিয়া গোঁসাইঘৰত গোৱা প্ৰাৰ্থনাৰ গীতবোৰ আৰু শেষত এই গীতবোৰৰ আলমত ভবেনদাই আমাক শিকাবলৈ লোৱা গীত আৰু তাৰ সুৰবোৰ। ডাঙৰ দাদা আছিল সংগঠক আৰু সৰু দাদা সুৰকাৰ, গীতিকাৰ। দাদাই সংগঠন কৰা সভা সমিতিত সৰু দাদা ভবেন বৰঠাকুৰে শিকোৱা গীত গালো - পিছত 'সেউজীয়া সমাজ', 'চাৰিহেজাৰ বছৰৰ অসম', আৰু তাৰো পিছত অনাতাঁৰ কেন্দ্ৰৰ গীতৰ পৰিবেশ, - সেইয়া আছিল আমাৰ গীতৰ পৰিবেশ। হয়, সেই সময়ৰ পৰিবেশত আজিৰ দৰে বহুত বাদ্যযন্ত্ৰ, সুৰ বানীবদ্ধ কৰা ষ্টুডিঅ'বোৰ নাছিল। তাৰ পৰিবৰ্ত্তে শ্ৰদ্ধা আৰু প্ৰেমেৰে সংগীতৰ পৰিবেশ, পূজাৰ বেদীৰ দৰে গভীৰ ফুলজলেৰে সুশোভিত, ধূপ-ধূনাৰ গোন্ধেৰে আমোদিত এক সুন্দৰ অনুকূল পৰিবেশ পাইছিলো। সেইয়া আছিল আধ্যাত্মিক পৰিবেশ আৰু আজি হ'ল ক্ৰেতা বিক্ৰেতাৰ ব্যৱসায়িক পৰিবেশ। টানি আজুৰি কেছেট কৰা আৰু বিকা। সেই সময় আছিল শ্ৰদ্ধেয় সাম্বত ব্যক্তিৰ সঙ্গীতিক অৱদানেৰে অনুকূল পৰিবেশ।

**?** সংগীত সম্পৰ্কে আপোনাৰ অভিমত কি?

**দীঃবঃ** কিয়, মই দেখোন 'শামুক' আৰু 'মানিক'ৰ কথা কলোৱেই।

**?** সংগীতকে মুখ্য কৰি অসমৰ সাম্প্ৰতিক সাংস্কৃতিক জগতখনৰ লগত আপোনাৰ সময়ৰ জগতখনৰ কিবা পাৰ্থক্য দেখিছে নেকি?

**দীঃবঃ** দেখ দেখকৈ বহুতো পাৰ্থক্য চকুত পৰে, - আমাৰ কাৰণে হাৰমনিয়াম আৰু তবলাই মুখ্য বাদ্যযন্ত্ৰ আছিল। ইলেকট্ৰনিক যন্ত্ৰেৰে বঢ়োৱা কমোৱাৰ সুযোগ নাছিল। কি-বোৰ্ড আদি নানা বাদ্যযন্ত্ৰেৰে বতাহ গধুৰ নাছিল। ৰেডিঅ', টি, ভি নাছিল; আছিল কণ্ঠ আৰু গীত। ভাল কণ্ঠই আদৰ পাইছিল - খোলা গলাৰ আদৰ আছিল। আজিৰ দৰে ফুচ ফুচাই গীত কোনেও নেগাইছিল - প্ৰাণ ঢালি গলা খুলি গীত গাইছিল। মই সমালোচক বা বিশ্লেষণকাৰী নহওঁ, ইমানকে কলো।

**?** সাম্প্ৰতিক আধুনিক অসমীয়া জনপ্ৰিয় গীতৰ জগতত হিন্দীবলয় তথা তৰল পাশ্চাত্য সংগীতৰ প্ৰভাৱ আপুনি লক্ষ্য কৰিছে নেকি? যদি কৰিছে তেতিয়া হ'লে এই ক্ষেত্ৰত ইলেকট্ৰনিক মাধ্যম সমূহৰ কিবা ভূমিকা আছে বুলি ভাবে নেকি? এই ইলেকট্ৰনিক মাধ্যম সমূহ আমাৰ লোক কলা তথা লোক সংস্কৃতিৰ বাবে ভাবুকি স্বৰূপ হৈ উঠা বুলি ভাবে নেকি?

**দীঃবঃ** সাঁচি ৰখা আমাৰ অভ্যাস নাই আৰু ক্ষমতাও নাই। ৰেডিঅ'ই নুশুনোৱাহলে বহুত পুৰণি ৰেকৰ্ডৰ গীত আমি শুনিবলৈ নাপালো হেতেন। আনহাতে, টি,ভি ওলোৱাৰ পৰা অতদিনে শুনি অহা বহুত পুৰণি চিনেমা দেখিবলৈ পালো। স্থানীয় দূৰদৰ্শনৰ কৃপাত অসমৰ স্থানীয় লোক সম্পদৰ দৰ্শন - শ্ৰৱণ কৰি ধন্য হলো! তাৰে কিছুমানৰ আমি নামেই শুনা নাছিলো। ইলেকট্ৰনিক মাধ্যম মানুহে তৈয়াৰ কৰা এপাত অস্ত্ৰৰ দৰে, মানুহেই তাক ব্যৱহাৰ কৰে - নিজে তৈয়াৰ কৰা অস্ত্ৰেৰে নিজৰ হাত ভৰি কাটিলে ভাল হ'ব জানো? ভালকৈ ব্যৱহাৰ কৰিলে এই মাধ্যম সমূহে আমাক প্ৰভূত সহায় কৰিব - সংৰক্ষণ সংবৰ্দ্ধনত।

**?** 'অপ সংস্কৃতি'য়ে আমাক চাৰিওফালৰ পৰা আগুৰি ধৰিছে - এই সন্দৰ্ভত আপোনাৰ মতামত কি? ইয়াক বাধা দিয়াৰ বাবে কিবা পৰামৰ্শ দিবনে?

**দীঃবঃ** এটা হ'ল সংস্কৃতি, আনটো দুস্কৃতি। এই মাজৰ অপসংস্কৃতি বোলা ধাৰণাটো কেলেই আহিল। চিধাকৈ কওক - সংস্কৃতি দুস্কৃতি। তিলতিলকৈ গঢ়ি অনা সৃষ্টিৰ ক্ষেত্ৰখনে সংস্কৃতিৰ জন্ম দিয়ে - এইয়া সুস্থ সমাজৰ কাম। সমাজ জীৱন অসুস্থ হৈ পৰিলে দুস্কৃতিয়ে বাহঁ লয়। এই দুস্কৃতি আঁতৰাবলৈ সমাজ সংস্কাৰ কৰিব লাগিব। সময়ৰ প্ৰবল সোঁতে গেলাপচা আঁতৰাই নতুন পৰিবেশ গঢ়িব। দুস্কৃতিও আঁতৰি যাব।

**?** কবি, গীতিকাৰ, সাহিত্যিক আৰু সমাজৰ সম্পৰ্ক কেনে হোৱা উচিত বুলি আপুনি ভাৱে?

**দীঃবঃ** নদী, নাবিক (নাৱৰীয়া)আৰু নাওৰ দৰে।

**?** "গীতিকাৰে এটা গীতৰ কংকালহে নিৰ্মাণ কৰে, তাত তেজ, মঙহ সংযোজন কৰি জীৱন দান কৰে গায়ক বা গায়িকাই"

- এই বিষয়ে আপুনি কি কয়?

**দীঃবঃ** গীতিকাৰে নিজৰ ভাবনাৰে, প্ৰেমেৰে, শ্ৰদ্ধাৰে গীত ৰচনা কৰে, সুৰকাৰে ছন্দ লয়ৰ লহৰ তোলে - আমি গায়ক গায়িকাই তাক মানুহৰ মাজলৈ লৈহে যাও; - আমি নিজে নিজকে একোটা যন্ত্ৰ বুলি ভাবো। সেই যন্ত্ৰৰ আচল মন্ত্ৰ গীতিকাৰ আৰু সুৰকাৰ সকলৰ। মই তেখেত সকললৈ শ্ৰদ্ধা নিবেদন কৰিলো।

**?** আপুনি কেতিয়াবা কোনো ৰাজনৈতিক মতাদৰ্শৰ সৈতে জড়িত হৈছিল নেকি?

**দীঃবঃ** নাই হোৱা।

**?** অসমৰ সংগীতজ্ঞ সকলে আধুনিক সংগীতৰ এক নিজস্ব ধাৰা সৃষ্টি কৰি লব পাৰিছেনে?

**দীঃবঃ** আন নকলেও হ'ব, মাত্ৰ কেইটামান নামতে এই প্ৰশ্নৰ উত্তৰ দিয়া হ'ব। জ্যোতি প্ৰসাদ, পাৰ্বতি প্ৰসাদ, ৰুদ্ৰ বৰুৱা, ভূপেন হাজৰিকা আদি।

**?** এজন সুগায়ক হবলৈ কিহৰ প্ৰয়োজন? সকুমাৰ কলাৰ প্ৰতি আগ্ৰহান্বিত নবীন চামৰ প্ৰতি আপোনাৰ উপদেশ কি?

**দীঃবঃ** গীত গোৱাৰ ইচ্ছা আৰু সাধনা অতীব প্ৰয়োজন। সুস্থ সমাজ আৰু সংস্কৃতিৰ প্ৰতি দৃষ্টি ৰাখি সাধনাৰে নিজক আগবঢ়াই নিয়াৰ প্ৰতিহে নবীন সকলক সকীয়াওঁ।

**?** আপুনি গোৱা গান কেইটিৰ ভিতৰত আপোনাৰ আটাইতকৈ প্ৰিয় গানটি কি?

**দীঃবঃ** সকলো কথা খুলি কোৱা ভাল নহয়।

**?** প্ৰাক্তন কটনিয়ান হিচাপে আপুনি সেই সময়ত গান পৰিবেশন কৰিছিল, তাৰ স্মৃতিৰ বিষয়ে অকণমান কওকচোন।

**দীঃবঃ** মই অন্যান্য গীতৰ সভাত পৰিবেশন কৰাৰ দৰে কটনতো গীত গাইছিলো। মোৰ কাম ইমানেই, কেনে পৰিবেশ তৈয়াৰ হৈছিল শ্ৰোতাইহে জানে। মাজে মাজে পুৰণি সহপাঠী বা আমাৰ সময়ৰ অগ্ৰজ কটনিয়ান আৰু শিক্ষকসকলৰ মুখত সেইবিলাক দিনৰ কথা শুনি ভাল পাওঁ। সেই কথা তেনেলোকে কলেহে ভাল শুনিব। ❑❑❑

(বিশেষ কৃতজ্ঞতা চিত্ৰশিল্পী শ্ৰীযুত নীলপৱন বৰুৱাদেৱলৈ)

---

সুনীতি আৰু দুনীতি মানুহৰ কৰ্ম; সৌভাগ্য আৰু দুৰ্ভাগ্য দৈৱিক কৰ্ম। কাৰণ মানুহৰ কৰ্ম আৰু দৈৱিক কৰ্মই সংসাৰখন চলাই আছে। নেদেখা শক্তিয়ে যি কাৰ্য্য কৰে সেয়ে দৈৱিক কৰ্ম। সেই ক্ষেত্ৰত ইপ্সিত ফল লাভ হ'লে সৌভাগ্য হয় আৰু অনীপ্সিত ফল লাভ হ'লে দুৰ্ভাগ্য হয়। দৃষ্ট কৰ্তাই কৰা কামেই মানুহৰ কৰ্ম। এই ক্ষেত্ৰতে যোগক্ষেম লাভ হ'লে সুনীতি হয়, তাৰ বিনাস ঘটিলে দুৰ্নীতি হয়। মানুহৰ কৰ্ম কৰোঁতে চিন্তা কৰিব পাৰি। দৈৱিক কৰ্ম অচিন্তনীয়।

- কৌটিল্যৰ অৰ্থশাস্ত্ৰ।

# 'बारहुँखा'

○ बुद्धदेब बसुमतारी
टि,डि,सि, थामथि बोसोर
राजखान्थि बिगियान बिफान।



बारहुँखा
नोंखौबो आं फोथायनो हालिया।
सानदोंमोन गोसोजों सिरि सिरि
नों फैगोन होन्नै
बुस्रांगोन इनाय अनागार
दाखोर मैला, सोबखलायनाइ
लाबोगोन समानथाय समाजाव गोजोन।
नाथाय, नों फैयो आरो थाङो
थालांबावओ इनाय अनागार
सोबखलायनाय आरो गाज्रि मोन्थोरा।
सान्दोंमोन लखा थेख्लनि
हामफे दुमफे मोननि, दुखुखौ बुस्रांगोन होन्नै
लाबोगोन बिसोरनि गेजेराव गोजोनफैनि थफला।
नाथाय नों क्रयो आरो थाङो
थालाङो बिसोरनि दुखुआ।
बारहुंखा, नोंखौबो आं फोथाइनो हालिया।

❑❑❑

## ভাবাৰ্থ

ধুমুহা, মই তোমাক বিশ্বাস নকৰো। মই আশা কৰিছিলো তুমি অন্যায় আৰু কপটতা দূৰ কৰি শান্তি আৰু সমতা স্থাপন কৰিবা। কিন্তু তুমি কেৱল আহিলা আৰু গুছি গ'লা। অন্যায় আৰু কপটতাক তুমি একো কৰিব নোৱাৰিলা। মই আশা কৰিছিলো তুমি লখ্ৰা, থেখল,' হাম্ফে, ডুম্ফে (যিসকল সর্ব্বহাৰা) হঁতলৈ আনি দিবা আশা আৰু নিৰাপত্তা। মই আশা কৰিছিলো শোষণ, অসমতা আৰু অজ্ঞতাৰ অন্ত হওক। কিন্তু তুমি কেৱল আহিলা আৰু গুছি গ'লা। সকলো একেই থাকিল। কিদৰে বিশ্বাস কৰো মই তোমাক! ❑❑❑

# জীবন - শব্দের খেলা

○ শ্রীবিম্‌ঝিম বৰা
স্নাতক দ্বিতীয় বার্ষিক

তুমি আর আমি
এত দূর থেকে কথা বলছি
এখনও বর্ণমালার শেষ নয়



গাছের পাতার মত
কখনো শুকনো
আর
কখনো সবুজ.........

আমি হেরেছি
তুমি ভাবছো - কেমন করে
কিন্তু আমি হেরেছি
একটি সিংগ শব্দের মত
শুধু একটি প্রতিধ্বনি নির্জনে
আর
শ্মশানের পুরা মাংসের গন্ধ নিয়ে
আমি তাই শব্দের খেলা করিতেছি......... ❑❑❑

সংস্কৃত বিভাগীয়

# ৱিৱেকাষ্টকম্

○ *শ্ৰীসুধেন্দু মোহন ভদ্ৰবিৰচিতম্*

কামাদ্বিবেককাৰ্পণ্যম
ক্ৰোধাজ্জ্ঞানবিমোহনম্।
লিপ্সা নো জায়তে লোভাৎ
দৈনং মোহপজায়তে।। ১।।

ইন্দ্ৰিয়াণামৰিব্যানাম্
হিত্বা রুৰ্ম্ম পৰাৱৰম্।
কস্মিন্নপি গতিঃ শোভা
ন জায়তে সতাং মতম্।। ২।।

কুশলী কুশলোপেত ঃ
ক্ৰোধং জহাতি সৰ্ব্বথা
যশ আৰোগ্যমাপ্নোতি
কৃত্বা লোভান্মনঃ পৃথক্ ।। ৩।।

কৰ্ম্মণি কুশলো নিত্যম্
সুপ্ৰসন্নানঃ সদা
ধৰিত্ৰ্যাং শোভতে নূনম্
কুমুদশ্ৰীৰ্হ্ৰদে যথা ।। ৪।।

জাতু সঙ্কুচিতং চিত্তম্
বাধাবিপত্তিকাৰণম্।
তস্মিন্ন নো মনো যাতু
উদ্যমহীনকাৰক্ ।। ৫।।

দেহপতিৰ্মনো ভাতি
সৰিতাং সাগৰঃ পতিঃ।
ৰাজ্যাধিপো যথা পাতি
জীৱেশ্বৰো দিৱাকৰঃ ।। ৬।।

কৰ্ম্মতশ্চ সুখং দুঃখম্
জ্ঞানদ্বাৰে সদা ৰতম্।
অচিন্তিত্বা জহত্তাপম্
তিষ্টদ্দৃঢ়ং স্বকৰ্ম্মণি ।। ৭।।

ক্ষৌদ্ৰং ত্যজৎ সদা গচ্ছেৎ
পশ্যন্মনো জৰাতিগম্।
হৃদি তত্ত্বং স্মৰন্নিত্যম্
ধ্যায়িদ্ধিতং পৰাপৰম্ ।। ৮।। ❑❑❑

## ৱিৱেকৰ সম্পৰ্কত আঠটা স্তৱক

কামৰ পৰা ৱিৱেকশূণ্যতা, ক্ৰোধৰপৰা জ্ঞান শূন্যতা ওপজে। লোভৰপৰা আমাৰ লিপ্সা জাগে আৰু মোহৰ পৰাই দৈন্যৰ সঞ্চাৰ হয় ।। ১ ।।

শ্ৰেষ্ঠ আৰু নিকৃষ্ট কৰ্ম্ম ত্যাগকৰি শত্ৰুৰ ভাতৃতুল্য ইন্দ্ৰিয়বোৰৰ গতি কতো ভাল নহয় বুলি সন্তসকলে কৈছে ।। ২ ।।

কল্যাণযুক্ত কুশলীয়ে সততে ক্ৰোধ ত্যাগ কৰে। লোভৰপৰা মনক বেলেগে ৰাখি কুশলীয়ে যশ আৰু আৰোগ্য লাভ কৰে ।। ৩ ।।

সেই কুশলী সদায় কৰ্ম্মত নিপুণ, সদায় স্মিতবদন আৰু সৰোৱৰত পদুমৰ সৌন্দৰ্য্যৰ দৰেই পৃথিৱীত তেওঁ বাৰুকৈয়ে শোভা পায় ।। ৪।।

সঙ্কুচিত চিত্ত বাধা - বিপত্তিৰ কাৰণ আৰু উদ্যমহীনকাৰক। আমাৰ মন তালৈ ঢাপলি মেলিব নালাগে ।। ৫।।

নদীপতি সাগৰৰ দৰেই দেহপতি মনে শোভা পায়। জীৱেশ্বৰ সূৰ্যই ৰক্ষা কৰাৰ দৰেই ৰাজ্যাধিপতি ৰজাই ৰক্ষা কৰে।। ৬।।

কৰ্ম্মৰদ্বাৰা আহত সুখ দুখৰ চিন্তা নকৰি, জ্ঞানৰ দুৱাৰত ৰত থাকি, সন্তাপ ত্যাগ কৰি, নিজৰ কৰ্ম্মত দৃঢ় হৈ, ক্ষুদ্ৰত্ব এৰি, জৰা অতিক্ৰমকাৰীৰ দৰ্শন, অন্তৰত সাৰ কথা স্মৰণ, শ্ৰেষ্ঠ আৰু নিকৃষ্ট হিতৰ কথা ধ্যান কৰিয়েই সদায় মন আগুৱাই যাব লাগে।। ৭-৮।।

❑❑❑

# संस्कृतं हि भारतात्मा

○ राजेन्द्रमहन्त

संसारः परिवर्तनशीलः। जगत्यस्मिलन् काले काले सर्वेषां वस्तूनां चक्रनेमिक्रमेणोत्थनपतनं जायते। अद्य यन्नूतनं श्वः पुरातनं तत्। अद्य यस्य समादरः श्वो वा परश्वो वा तदनादृतं भवति। नूतनस्य पश्चाद् घावमाना जनाः। क्रमेणैवं सामाजिकव्यवस्थायां सभ्यता-संस्कृतेः स्थिति भिन्नतामेति। एवं सति कदाचित् कस्यचिद् देशस्य स्वकीय-सभ्यताया रूपमपि समूलं परिवर्तते।

संस्कृतस्य वर्तमानस्थितेरवे क्षणादेतत्सर्वं मनसि समुदेति। संस्कृतचर्चायः या दुरवस्था सर्वैः ससम्यक् समीक्षिता सा। अधुना हृतगौरवं संस्कृतम्। जनाः संस्कृतविमुखाः। मृता संस्कृतमाषेति वदंत्येके; विज्ञानाम्युदयये स्मिन् नास्ति प्रयोजनं प्राचीनायाः संस्कृतमाषाया इति चापरे। तदनुसारं शिक्षार्थिनोपि संस्कृतं प्रति विगतस्सपृहाः शिक्षार्थिसंरव्याल्पीयसी विदयालेषु महाविदयालयेषु च। शिक्षार्थिसंरव्यायाः स्वल्पीयत्वेन्यदपि कारणबस्ति। माध्यमिक - शिक्षाव्यवस्थयां संस्कतमवश्यपठनीयविषयत्वेन न गृहीतमस्ति। इवश्यपठनी-यविषयत्वेन यदि संस्कतं पुनः गृहीतं स्यात् तर्हि साम्प्रतिकं तस्य यन्निष्कर्षत्वं परिलक्षितमस्ति नूनं तदापगमिष्यति।

यद्वा भवतु। नासीत् पुरा संस्कृतस्यैतादृशी इवस्था। प्राचीने भारतवर्षे संस्कृतसाहित्यस्याम्युदयोस्मामि विदितः। वेदपुराण-इतीहास-काव्य-नाटक-स्मृति-धर्मशास्त्र-दर्शन व्याद्रणादिनि संस्कृतवाङ्मयस्यैव भिन्नानि रूपाणि। किञ्च, कला - कृष्टि - संस्कृति - शिल्प - वाणिज्यादिज्ञाना विज्ञानानि संस्कृतभासामाघारीकृत्य प्रचलित स्म। अतः संस्कृतं न केवलं भाषा, न केवलं साहित्यम्। परन्तु संस्कृतभासा भारतीयसम्यताया आधारः, संस्कृतेराधारः। किञ्च, सैव संस्कृतभाषा यया तावत् भरतीयानां जातीयसत्ता प्रकाश्यमाना भवति। सत्ता नाम आत्मा। अतः संस्कृतं हि भारतवर्षस्यात्मा।

भवतु। कालवैपरीत्येऽपि संस्कृतस्य महिमा न शाकल्येनावलुप्तः। अधुनापि भारतीयसामाजिक जीवने संस्कृतस्य प्रभावो भुयो भुयो दृश्यते। एतत्सर्वस्वामाविकम्। आत्मानं विना न चलन्ति अङ्गानि। संस्कृतं विहाय भारतवर्षस्यार्यभाषाणां, प्रदेशिकसाहित्यस्य, राजनीतेः अर्थनीतेर्मूलं न कोपि आप्नोति। किं बाहुल्येन? विना संस्कृतं भारतीयत्वस्यावलुप्ति भविष्यतीति वत्कुं शक्यते।

विस्तरेणालम्। पारिशिष्याद् त्त्कुं युज्यते यद यदयपि अधुना संस्कृतस्यापाकलो दृशयते तथापि स्वमाहमैव संस्कृतं संस्कृतरूपेण स्थास्यति, भरतीयान् भारतीयत्वञ्च रक्षिष्यति। अत्रावधार्या मनसि कवेरुक्तिः

यावद् भारतवर्षं स्याद् यावद् विन्ध्यतिहामचलौ।<br>
यवाद् गंगा च गदा च तावदेव हि संस्कृतम्।। इति।

# छोटी मूँह बड़ी बात

○ सन्दीपन घोष
स्नातक द्वितीय वर्ष

जिन्हें खुदा का खौफ हो,
वह क्या आशिकी करेंगे;
हम तो खुदा कसम,
खुदा से भी दिल्लगी करेंगे।

खुदी को हमने बुलन्द बनाया,
उपरवाले को अपना यार बनाया;
हर इनकार को धड़ से काट डाले,
आराधना को वह तलवार बनाया।
प्यारभरे उसके दिल की,
हम दिल से बन्दगी करेंगे;
हम तो खुदा कसम
खुदा से भी दिल्लगी करेंगे।

गम हमको भी मिलें,
ख्वाब अपने भी बिखरें
दिल अपना भी टुटा।
घायल दिल पर से नफरत का पर्दा उठाकर देखा,
कही छुपा किसी प्यार के दीपक को फिर से जलाकर देखा,
यह सच है कि उसके प्यार में,
आज हम दीवाना हो गए;
एक मिठी शम्मा की तलाश में,
देखो हम परवाना हो गए।
पर ऐसी मस्त दीवानगी तो,
हम सारी जिन्देगी करेंगे;
हम तो खुदा कसम,
खुदा से भी दिल्लगी करेंगे।

# PAI KANGHON (BELOVED MOTHER)

(Dedicated to my Mother
who is no more)

○ ***Miss Monjir Rongpipi***
T.D.C. 1st year (Arts)

O, NE KACHINGHON NEI, PAI
WANG THA NE DUNG AN
NANG PHANG NANG KEHEMAN ALAM
CHU KEDAMTANG ALAM

O, NE KACHING HONNEI, PAI

KOKLAR ANINGVE
MONJIR SO CHOPHANG BOM, NE
NANG CHONG HONG BOM NE

O, NE KACHINGHON, PAI,
NANG RAJE KEME
SENG NE UN-E
NING NANG MATHA-E
NING NANG OI-E, NE
PAI.............................

At night, when the sky is clear and the moon is bright, she would enjoy the presence of her mother under the bright moon light and as the gentle breeze blows, her heart is filled with joy and tells her mother to come.

She waits and waits for her mother but she never comes. with a sad and uneasy heart, she would console herself and say

Mother, I can see you
though you don't come
and I don't mind.
I never forget you, I always remember you
mother, My beloved.

# MISING POEM

## NGOLUSIN TANIYC

*O Mg. Birachan Kaman*

Ngolu taniyc
Do:nyi Po:lo:ke ommangc
Se:di me:lokc ru:namc
Do:mvr mvrrvgla
Yari yarrvgla
I:ycm bidlvgla
Mikscm dvlvgla onamc

Silo --
Kangkinsumang avkc taniycm
Svkkinsumang avkc opvncm
Lukinsumang avkc agomcm
Rungkintomang ainc tarungcm
Gvkintomang ainc bclamlok

Sc ayirsc -
Kangkinsunanc ayirc
Lckonanc ayirc
Mimag monanc ayirc
Rcngam Lcga:pc

Sc amosok du:nc
Mising rcngamc
Ngolusin taniyc cmna lusula
'Vrroi cmna jc:roblai'

ভাৱাৰ্থ ঃ- আমিও মানুহ - সূৰ্য্য-চন্দ্ৰই আৰু বৰুণ দেৱতাই - বিজুলী ঢেৰেকনিত, তেজ, পানী দি, চকুপানী টুকি সৃষ্টি কৰিছে। আজি - নিজৰ মানুহে নিজক চিনি নেপায়, নিজৰ বংশ পৰিচয়, নিজৰ ভাষা সাহিত্য, সুবুদ্ধি বিচাৰ আৰু সুপথৰ যাত্ৰা অবিদিত।

বৰ্ত্তমান পৰস্পৰে পৰস্পৰক চিনি পোৱাৰ দিন, একগোট হৈ সংগ্ৰামৰ পথত আগবাঢ়ি যোৱা, সমাজৰ উন্নতিৰ কাৰণে এই মাটিতেই থাকিম; আমিও মানুহ, আমি মিছিং হিচাপে জাগৃত হ'বৰ হ'ল।



"To learn to love thee was most sweet
O dearest of my heart
To love thee was sad as if
With my own soul to part"

From, 'Separation' by Mikhail Kerajhkov.

Collected by
**Debojyoti Das**

## প্ৰা চী ৰ ৰ ৰে ঙ নি

ব্যঙ্গ ৰচনা

# জয় আই আসাম

○ *চুচেন্দ্ৰ কুমাৰ শইকীয়া*

ঃ আমাৰ এইজনীয়ে আজিকালি আকৌ বৰ সভা-সমিতি খেদি ফুৰে। বুজিছ বায়ন, লেখিকা সমাৰোহে হেনো গ'লবাৰৰ দৰে এইবাৰো অসমীয়া ভাষাৰ ওপৰত এখন আলোচনা চক্ৰ পাতিছে। হওঁতে কথাটো বেয়া হোৱা নাই। আজি কালি কিবা বোলেনে ভাষা-সাহিত্যৰ অধঃ পতনৰ দিনতো যে ভাষাটোৰ ওপৰত আলোচনা এখন অনুষ্ঠিত হ'ব, এইটো কম কথা নহয় দিয়া।

ঃ হয় দিয়া, তুমি ঠিকেই কৈছা। নিজৰ ভাষাটো কবলৈ পাহৰি যাব খোজা অসমীয়া মখাই অন্ততঃ ভাষাটোৰ উন্নতিৰ কাৰণে কিবা এটা কৰাটো বৰ ভাগ্যৰ কথা। আজিকালি সেই শঙ্কৰজনাকো মানুহে চিনি নোপোৱা হ'ল। এতিয়া শংকৰদেউ বুলি কলে বহুত অসমীয়াই ভোলানাথ শংকৰকহে বুজে।

ঃ ভোলানাথ শংকৰ?

ঃ অ, অ' সেই যে মহাদেৱ, সদাশিৱ, জটাধাৰী, মহেশ্বৰ। বুজা নাই নেকি?

ঃ অ হয় নেকি? তেনেহলেটো মহা পয়মালখন হৈছে। ক'ত তোমাৰ সৃষ্টি সংহাৰকাৰী মহাদেৱ আৰু ক'ত তোমাৰ সেই অৱতাৰী শংকৰদেৱ।

ঃ পিছে গায়ন, আমি কথাবোৰ এঠাইৰ পৰা নি আনঠাইতহে পাতিছো। লেখিকা সন্থাই যি কৰিছে, ভালৰ কাৰণেই কৰিছে। অসমীয়াসকল মৰি শেষ হ'ব যেন পাইছো। পিছে, ইয়াতো তোমাৰ কিবা অথন্তৰহে মিলে নেকি?

ঃ অথন্তৰ? হেৰা কিবা আন্দোলন-চান্দোলন হ'ব নেকিহে?

ঃ তলে ওপৰে গোটেইখন পকি সৰিবৰ হ'ল। এতিয়াও সেই সামান্য কথাটো নুবুজিলি। অথন্তৰ গায়ন, মানে ভয়ানক অথন্তৰ। ৰজাঘৰে ইচ্ছা কৰিলে তোমাৰ সিজনীৰ দৰে হাজাৰ জনী লেখক কিনি লব পাৰে। এতিয়া বুজিলানে গায়ন?

ঃ হয়, হয় তুমি ঠিকেই কৈছা। অসমীয়া ভাষা কিনো সাক্ষী গোপাল? কৰ্ট-কাছাৰী, অফিছ-তফিছ সকলো চলে ইংৰাজীত! স্কুল কলেজত নামত অসমীয়া যদিও কামত সেই ইংৰাজীয়েই। ভাল ভাল মানুহৰ ল'ৰা-ছোৱালী পঢ়ে ইংৰাজী স্কুলত। অসমত এনেকুৱা এখন নগৰ নাই, য'ত ইংৰাজী স্কুল নাই। অসমীয়াসকল সঁচাকৈয়ে বৰ উদাৰ লোক বুজিছ বায়ন। সেই অসমীয়া ডেকাহঁতক কিহেনো পাইছিল বঙলাৰ ঠাইত অসমীয়া ভাষাক স্থান দিবলৈ?

ঃ হয় দিয়া গায়ন, আজি অসমত বিভিন্ন ভাষা-ভাষীৰ লোকেৰে বিধানসভা গঠন হৈছে। কেন্দ্ৰীয় মন্ত্ৰী পৰ্য্যন্ত আছে। গতিকে ইচ্ছা কৰিলেই সেইসকলেই দেখোন অসমীয়া ভাষা উঠাই দিব পাৰে। কণ কঠিয়া মাৰি পেলাব পাৰে। অসমত আৰু এটা ভাল কথা কি জান গায়ন, অসমত অসমীয়া ভাষা নাথাকিলেও কাম চলি যায়। ঠেলাৱালা, বিক্সাৱালা, ড্ৰাইভাৰ, হেণ্ডীমেন, চব্জিৱালা সকলোৱে দেখোন হিন্দীহে কয়। গতিকে কাম ফেৰা দেখোন এনেকৈয়ে চলি যায়।

ঃ গতিকে চিন্তা কিহৰ? অসমীয়া মানুহৰ সংখ্যা ক্ৰমাৎ কমি আহিছে। যিকেইটা কলিজা থকা অঘাইতং আছিল, সেইকেইটাও মিলিটেৰীৰ কোবত সেও লাগি যাব যেন পাইছো।

ঃ পিছে গায়ন, হওঁতে কথাটো ভাল নহব যেন পাইছো। আমাৰ দেখোন নিজস্ব বুলি তেতিয়া একো নাথাকিবগৈ। সংস্কৃতিটো গলেই, এতিয়া ভাষাটোও যাব যেন পাইছো। গতিকে আমি কিবা এটা কৰা উচিত। ৰজাঘৰীয়াই আমাৰ মূৰ খালে বুলি আমিও তেওঁলোকৰ মূৰ খামনে? এতিয়াও সময় আছে। আমি মৰি সাং হোৱা নাই। সকলোৱে মিলিজুলি আমিও ভাষা সংস্কৃতিৰ উদ্ধাৰৰ ৰণত নামি পৰাটোহে নিশ্চয় আমাৰ কাৰণে ভাল কাম হ'ব। নহ'লে নাকত তেল দি শুই থকাৰ বাহিৰে অইন উপায় নাই।

ঃ কি কোৱাহে বায়ন? আমিবোৰনো তেতিয়াহ'লে কেলেই জীয়াই আছো?

ঃ ঠিকেই কৈছা গায়ন, অসমীয়াবোৰ মৰি সাংহলে বঙালীহঁতৰে ৰাজত্বৰ দিন হ'ব। দুদিনমান পিছত সিহঁতে আকৌ নকলেই ৰক্ষা!

বাজক বঙালী ডবা, বাজক বঙালী শঙ্খ, বাজক বঙালী খোল, অসম আকৌ উন্নতিৰ পথত জয় আই আসাম বোল।'

ঃ ইস, ইস ৰাম ৰাম। সেইবোৰ কেতিয়াও হ'ব নোৱাৰে বায়ন। কেতিয়াও হ'ব নোৱাৰে। আমি শংকৰদেৱ, জ্যোতিপ্ৰসাদৰ সন্তান হৈও এইদৰে বৈ থাকিলে নহ'ব। আমিও আগুৱাই যোৱা উচিত। আমি কেতিয়াও ভাষাটোক হেৰাই যাব নিদিও, নিদিও বায়ন।

"ব'ল ব'ল ব'ল, কৃষক শক্তি ব'ল।  
অসমীয়া সমনীয়াই আগবাঢ়ি যাও ব'ল অ'  
আগবাঢ়ি যাও ব'ল।"

('সাৰ্বজনীন' ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ মুখপত্ৰৰ পৰা।)

(আন্তঃআবাস প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ব্যঙ্গ ৰচনা।)

❏❏❏

**কৰিতা**

সাৰ্ব্বজনীনৰ পৰা

# তুমি আহিলে......

○ *ৰাজকুমাৰ হাজৰিকা*
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ

তুমি আহিলে মই পুনৰ গোপনে সন্ধি কৰিম, সময়ৰ স'তে
মহানগৰীৰ অলি-গলিত তোমাৰ স'তে পুনৰ গাম যৌৱনৰ দ্বৈত সংগীত
নেহেৰু পাৰ্ক, দীঘলী পুখুৰী, পানবজাৰ, ফাঁচীবজাৰৰ কোলাহলক
নেওচি বহি ৰ'ম চহৰৰ কোনো উপকণ্ঠত
ৰ'দে পোৰা দুপৰীয়া তোমাৰ হাতত তুলি দিম অন্তৰৰ গোপন কবিতা
তোমাক দেখিলে নদীয়ে সোঁৱৰাব নিৰ্বাসিত কবিৰ ঠিকনা
আৰু মই নিশ্চুপ হৈ শুনিম জলকুঁৱৰীৰ সাধুকথা
পুথিভঁৰালৰ নিজঞ্জাল এচুকত মেলি লম অজান দেশৰ ইতিহাস
কৃষ্ণচূড়াৰ আঁৰত জোনাকীয়ে পোহৰাব নিয়ৰত তিতা দুবৰিৰ সপোন
তোমাৰ স'তে পাৰ হ'ম সভ্যতাৰ সেই নিষিদ্ধ উপত্যকা
শৰতৰ সিক্ত সন্ধিয়া বিচৰণ কৰিম যৌৱনৰ কঠিয়াতলীত
অথবা
মহানগৰীৰ ব্যস্ততাময় পদপথত বিচাৰিম চিনাকি দিনৰ খোজ
নিসংগতাৰ ৰিক্ত অনুভূতি দলিয়াই আঁকোৱালি ল'ম
কলিজাৰ সতেজ সান্নিধ্য
তুমি আহিলে মই পুনৰ গোপনে সন্ধি কৰিম, সময়ৰ স'তে।।





অসমীয়া আলোচনা চক্ৰ বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ পৰা

# এবুকু চৰাইৰ গানত

○ *প্ৰণৱ কুমাৰ বৰ্মন*
স্নাতক প্ৰথম বৰ্ষ।

এবুকু চৰাইৰ গানত এজাক কলেজীয়া ৰাতিপুৱাই
সুহুৰি বজাই থাকে।
সিহঁতৰ বাবেই চুচুক চামাককৈ আহিব লগা হয়
ষোড়শী জিঞাবোৰ।
নিৰলে টোপনীৰ অৰণ্যত নিৰ্জন দুপৰীয়া
অৰণ্যৰ সেউজীয়া কোঠাত যাৰ পৈতৃক পাঠদান
দুপৰীয়াৰ নাথাকে কোনো নিয়ন্ত্ৰণ ৰাতিপুৱা
জাকৰ ওপৰত
তেওঁলোক নিজেই আছিল এদিন অনিয়ন্ত্ৰিত ৰাতিপুৱাই,
জিঞাৰ পাখি টানে চাবলৈ মমৰ ভাস্কৰ্য্য।
সকলো ৰাতিপুৱাই হ'ব খোজে মৈথুনেৰে ভাস্বত।
সম্পৰ্কহীন সম্পৰ্ক ৰাতিপুৱা আৰু দুপৰীয়াৰ
এদিন এই ৰাতিপুৱাবোৰ দুপৰীয়া হৈ
শুই পৰিব ৰাতিৰ বিচনাত।

# INTERNET INTERNATIONAL NETWORK

○ ***Sadiq Hussain***

The rapid devaluation of supertlatives is a hall mark of the information revolution. Progress is so rapid that what is powerful today will be passe tomorrow. Million dollar vaccuum tube computers with fearsome names like ENIAC that awed people in 1950s could not keep up with a 1990s pocket calculator. In 1956, the first trans-Atlantic phone cable carried fifty compressed voice circuits. Now optical fibres carry 85,000.

Internet (International network) is not only a name just because of which you are able to talk with mega-star Amitabh Bachan, U.S. President Bill Clinton, Microsoft Chairman Bill Gates or any other celebrities of the present world but it is a revolution which can make the concept of global village a reality. Do you want to comment on anything about the American Government that you approve of ? The address is simple enough - President, White House. All that you require is a computer, a MODEM (Modulator Demodutalor device), a telephone and membership of Internet. Then the information around the world will be at your fingertips. The fastest developing body of Internet is World Wide Web (WWW) with facilities of Text, Image, Audio and Video. India's first World Wide Web was launched on January 14, 1995 by VSNL (Videsh Sanchar Nigam Ltd.)

'Yahoo' was the famous yell of Shammi Kapoor some thirty years ago. Today it is his cyber search engine. Virtually anything is possible. That is the magic of cyber. Internet can also be used for entertainment. That is why cyber cafes are opened. India's first cyber cafe which Pritish Nandy, Vijay Mukhi, Kanaka Sabapathy Pandyam opened at the Leela Kempinski is now overcrowded with visitors. Dr. Rajesh Shah, a homeopath provides on time treatment on the Internet.

The Internet not only allows instantaneous exchange of information but also helps to overcome the barriers that some countries have set up. For patents in the Gulf where homeopathy is neither allowed to be practised nor discused in the columns, it is a Godsent antidote.

The parents are very much worried for the Internet craze among teenagers. The teenagers are badly affected by the Internet because most of them use Internet to set up sex dialogue and there is a lot of pornography aimed at them.

In a nutshell, Internet is going to play a crucial role in the forthcoming century and then for a cyber citizen boundaries will become a passe.

[Best Science article, Inter Hostel wall magazine competition, ARB Hostel.] ❑❑❑

## গণিত প্ৰবাহ

(১)

নৰবাৰ্দ উইনাৰ (Norbert Weiner) নামৰ গণিতজ্ঞজন এবাৰ ডাকঘৰলৈ গ'ল। এখন কাকতত কিবা লিখিবলৈ লৈ তেওঁ চিন্তা কৰি আছে। জনৈক ছাত্ৰই আগবাঢ়ি আহি তেওঁক সম্ভাষণ জনালে ঃ "সুপ্ৰভাত অধ্যাপক উইনাৰ"। উইনাৰে ছাত্ৰজনৰ পিনে চালে আৰু তেওঁৰ পিঠিত হাত ফুৰাই ক'লে ঃ "বৰ ভাল পালো বোপাই, উইনাৰ শব্দটোৱেই ইমানপৰে মোৰ মনত পৰা নাছিল।"

(২)

অতি মেধাবী গণিতজ্ঞ হ'লেও জেম্‌ছ জোছেফ ছিলভেষ্টাৰৰ স্মৃতিশক্তি প্ৰখৰ নাছিল। প্ৰমেয়, প্ৰমেয়িকা আদি তেওঁ প্ৰায়েই পাহৰিছিল। কোনো প্ৰমেয় ব্যৱহাৰ কৰিবলৈ লওঁতে তেওঁ সেইবোৰ প্ৰথম নিয়মৰ সহায়ত কৰি উলিয়াইছিল। তেওঁৰ অধীনত গৱেষণা কৰা এজন ছাত্ৰই লেখিছে যে তেওঁ (ছাত্ৰজনে) এবাৰ ছিলভেষ্টাৰৰ হাতত কিছুমান প্ৰমাণিত তথ্য অৰ্পন কৰিলে। ছাত্ৰজনৰ লেখাখিনিৰ প্ৰথম উক্তিটো দেখিয়েই ছিলভেষ্টাৰ বিষ্মিত হ'ল, কাৰণ ছিলভেষ্টাৰে হেনো এনে প্ৰমেয়ৰ নামেই শুনা নাই, প্ৰমাণৰ কথাটো বাদেই, ছাত্ৰজনে উনুকিয়াই দিলে যে প্ৰমেয়টো ছিলভেষ্টাৰৰ এখন গৱেষণাপত্ৰৰ পৰা লোৱা হৈছে। গৱেষণাপত্ৰখন দেখিহে তেওঁ সৈমান হ'ল।

(গণিত বিকাশৰ সৌজন্যত)

## NUMBERS, NUMBERS

11111 X 11 X 9091 = 1111111111
22222 X 11 X 9091 = 2222222222
33333 X 11 X 9091 = 3333333333
44444 X 11 X 9091 = 4444444444
55555 X 11 X 9091 = 5555555555
66666 X 11 X 9091 = 6666666666

---

33 X 3367 = 111111
66 X 3367 = 222222
99 X 3367 = 333333
132 X 3367 = 444444
165 X 3367 = 555555
198 X 3367 = 666666
231 X 3367 = 777777

— Collected by
**Rajib Sarmah**
TDC IIIrd year

*"The Sole aim of Science is the honour of the human mind ~~and~~ from this point of view a question about numbers is as important as a question about the system of the world."*

— **C.G.J. JACOBI**

From '**PRATYUSH**'-wall magazine, Dept. of Statistics

# QUEUEING THEORY

O ***Manita Baruah***
M.Sc. Final Year

***"Delay is the enemy of efficiency" and "Waiting is the enemy of utilization"***

The queueing theory had its origin in 1909, when A.K. Erlarg (1878-1929) called the father of queueing theory published his fundamental paper relating to the study of congestion in telephone traffic. The literature on the theory of queues and on the diverse areas of its application have grown tremendously over the ages.

Waiting lines (queues) are a part of everyone's daily life. In everyday life, it is seen that a number of people arrive at a cinema ticket window. If the people arrive "too frequently" they will have to wait for getting their tickets or some times do without it. Under such circumstances, the only alternative is to form queue, called the "waiting line", in order to maintain proper discipline. Thus a queue or waiting line ('file d' attente' in French and 'wartchlarge' in German) is formed when units or customers, (clients) needing some kind of service arrive at a service channel (or counter) that offers such facility. Waiting lines are not only the lines of human beings but also the aeroplanes seeking to land at busy airport, ships to be unloaded, machine parts to be assembled etc.

A queueing theory is completely characterized by :-

**(a) The input (or arrival pattern) :-** It describes the manner in which units arrive and join the system. The interval between two consecutive arrivals is called the enterarrival lines.

**(b) The service mechanism :-** It describes the manner in which service is rendered. A unit may be served either singly or in a batch. The line required for servicing a unit is called the service line.

**(c) The queue discipline :-** It indicates the way in which units form a queue and are served. The usual discipline is first come first served (FCFS) or first in first out (FIFO), though sometimes last come first served or random ordering before service is also adopted.

A model of the queueing system under study must be constructed in this kind of analysis and the results of queueing theory are required to obtain the characteristics of the model and to assess the effects of changes, such as the addition of an extra server or a reduction in mean service time.

**প্ৰত্যুষৰ পৰা**

মানুহৰ জীৱনটো এটা আবেষ্টনীৰ মাজত পৰিপাটিকৈ থকা সুষমা ভৰা পদাৰ্থ নহয়। ই অনিৰ্দিষ্ট, জীৱন্ত, জলন্ত শিখা।

—— বিষ্ণু ৰাভা।

Confidence, like art never comes from having all the answers; it comes from being open to all the questions.

**— Earl Gary Heven**

# স ম্পা দ কী য় বা ছ নি

## বৃত্তি নিৰ্ব্বাচন প্ৰসঙ্গত এজন যুৱক

○ *কাৰ্ল মাৰ্ক্সৰ* " *Reflections of a Young Man on the Choice of a Profession*"
ৰ অনুবাদ

প্ৰকৃতিয়ে নিজেই জন্তুৰ কাৰ্য্যকৰণ আৰু বিচৰণৰ ক্ষেত্ৰখন নিৰ্দ্ধাৰিণ কৰি দিছে, আৰু ই এই ক্ষেত্ৰখনত শান্তিপূৰ্ণ ভাবে বিচৰণ কৰে - সেই নিৰ্দ্ধাৰিত সীমাৰ সিপাৰে কি আছে তাৰ সামান্যতমো আভাস নোপোৱাকৈ। মানুহকো ঈশ্বৰে এটা সাধাৰণ লক্ষ্য নিৰ্দ্ধাৰিণ কৰি দিছিল, কিন্তু এই লক্ষ্যত উপনীত হোৱাৰ পথ বিছাৰি উলিওৱা কামটো মানুহলৈ এৰিছিল। নিজৰ বাবে সবাতোকৈ উপযুক্ত সামাজিক অৱস্থানটো, - য'ৰ পৰা তেওঁ নিজকে আৰু সমাজক তেওঁৰ সাধ্যানুসৰি উৰ্দ্ধমুখী কৰি তুলিব পাৰে সেই অৱস্থানটো বিচাৰি উলিওৱাৰ দ্বায়িত্বটো তেওঁ মানুহলৈ এৰিলে।

বাছনিৰ এই সুযোগেই অন্য সৃষ্টিৰ ওপৰত মানুহৰ এক বিশেষ অধিকাৰ, কিন্তু একে সময়তে ই এনে এক কাৰ্য্য যিয়ে মানুহৰ গোটেই জীৱনটোকেই ধ্বংস কৰি পেলাব পাৰে, তেওঁৰ সমস্ত পৰিকল্পনা ব্যৰ্থ কৰিব পাৰে আৰু তেওঁক অসুখী কৰি তুলিব পাৰে। সেয়েহে এটা বৃত্তি বাচি লবলৈ বা আৰম্ভ কৰিবলৈ ওলোৱা যিকোনো এজন ডেকা মানুহৰ বাবে, - যিয়ে নিজৰ জীৱনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়বোৰ অদৃষ্টৰ হাতত এৰি দিব নিবিচাৰে, এই বিশেষ সুযোগৰ গুৰুতৰ বিবেচনা নিশ্চিতভাৱেই প্ৰথম কৰ্ত্তব্য।

সকলোৰে দৃষ্টিত এটা লক্ষ্য থাকে, যিটো অন্ততঃ তেওঁৰ দৃষ্টিত মহান, আৰু সচাঁকৈয়ে সেই লক্ষ্য মহান হয় যদি তেওঁৰ গভীৰতম্ প্ৰত্যয়ে, তেওঁৰ অন্তৰতম্ কণ্ঠই সেইটোক মহান বুলি ঘোষনা কৰে, কিয়নো ঈশ্বৰে মৰনশীল মানুহক একেবাৰে নিঠৰুৱা কৰি এৰি দিয়া নাই, তেওঁ মৃদুভাবে অথচ নিশ্চয়তাৰে কথা কয়।

কিন্তু এই কণ্ঠস্বৰক সহজেই ডুবাই দিব পাৰি, আৰু যিহক আমি প্ৰেৰণা বুলি ভাবিছিলো সেইয়া এক মূহুৰ্ত্তৰ উৎপন্নহে মাথো হব পাৰে, যিহক হয়তো অইন এটা মূহুৰ্ত্তই ধ্বংসও কৰিব পাৰে। আমাৰ কল্পনা হয়তো উত্তপ্ত হৈ উঠে, আবেগ উত্তেজিত হয়, আমাৰ চকুৰ সম্মুখত প্ৰেতৰ লৰাধপৰা চলে, আৰু আমি ঈশ্বৰৰ নিৰ্দেশনা বুলি কল্পনা কৰি আমাৰ উদভ্ৰান্ত প্ৰবৃত্তিয়ে য'লৈ নিৰ্দেশ কৰে তাত সোশৰীৰে জপিয়াই পৰো। কিন্তু যিহক আমি প্ৰবল উচ্ছাসেৰে আঁকোৱালি লওঁ সেয়াই সোনকালেই আমাক বিকৰ্ষিত কৰে আৰু আমি আমাৰ সমস্ত অৱস্থিতিকেই ধ্বংসস্তুপৰ মাজত দেখো।

সেয়েহে সঁচাকৈয়ে এক আন্তৰিক প্ৰেৰণাৰে উদ্ধুদ্ধ হৈ আমি আমাৰ বৃত্তিৰ বাছনি কৰিছোনে নাই, সেইটো আমি গুৰুত্ব সহকাৰে পৰীক্ষা কৰি চাবই লাগিব। অভ্যন্তৰৰ এক কণ্ঠই ইয়াক মঞ্জুৰ কৰিছেনে ? এই প্ৰেৰণা এক প্ৰৱঞ্চনা নেকি আৰু যিহক আমি ঈশ্বৰৰ আহ্বান বুলি ভাবিছিলো, সেইয়া স্ব-প্ৰতাৰণা আছিল নেকি? কিন্তু সেই প্ৰেৰণাৰ উৎসৰ সন্ধান নকৰাকৈ সেইটো আমি কেনেকৈ জানিব পাৰিম?

যি মহৎ, সি উজ্বলি উঠে, সেই উজ্বলতাই উচ্চাকাংখ্যাৰ জন্ম দিয়ে আৰু উচ্চাকাংখ্যাই সহজেই সেই প্ৰেৰণাক বা যিহক আমি প্ৰেৰণা বুলি ধৰি লৈছিলো তাক উত্তৰ কৰে; কিন্তু উচ্চাকাংখ্যা নামধাৰি পিশাচৰ দ্বাৰা প্ৰৰোচিত মানুহক যুক্তিয়ে আৰু ধৰি ৰাখিব নোৱাৰে আৰু সেই মানুহে উত্ৰাৱল প্ৰবৃত্তিয়ে য'লৈ ইঙ্গিত কৰে তাতে সোঁশৰীৰে জপিয়াই পৰে। সেই মানুহে আৰু জীৱনত নিজৰ অৱস্থান বাচি নলয়, বৰং সেইয়া নিৰ্দ্ধাৰিত হয় অদৃষ্ট আৰু মায়াৰ দ্বাৰাই।

অথবা আমি সেই অৱস্থান লবলৈকো আহ্বানিত নহওঁ যিয়ে আমাক আটাইতকৈ উজ্বল সুযোগবোৰ প্ৰদান কৰে। সেইটো এনে এক অৱস্থান নহয় (য'ত হয়তো আমি বছৰবোৰৰ দীঘলীয়া ক্ৰমেৰে আগবাঢ়ি যাওতে খোপনি পুতি লবলৈ চেষ্টা কৰিম), যিয়ে আমাক কেতিয়াও অৱসাদগ্ৰস্ত কৰি নুতুলিব, যিয়ে কেতিয়াও আমাৰ উচ্চাসক সেমেকাই নুতুলিব, যিয়ে কেতিয়াও আমাৰ আগ্ৰহক চেঁচা পৰি যাবলৈ নিদিব। বৰং সেইটো এনে এক অৱস্থানহে য'ৰ পৰা আমি সোনকালেই দেখিম যে আমাৰ ইচ্ছাবোৰ অপূৰ্ণ হৈ ৰ'ব, আমাৰ বোধ অতৃপ্ত হৈ ৰ'ব; — আৰু আমি ঈশ্বৰক নিন্দা কৰিম, মানৱজাতিক অভিশাপ দিম।

কিন্তু কেৱল উচ্চাকাংখ্যায়েই এক বিশেষ বৃত্তিৰ প্ৰতি আকস্মিক আগ্ৰহ নজন্মায়, হয়তো আমাৰ কল্পনাত আমি তাক সুশোভিত কৰি সজাইছিলো, এনেদৰে সজাইছিলো যাতে সেইটো জীৱনে দিব পৰা উচ্চতম খিনিৰ দৰে দেখায়। আমি সেইটোক বিশ্লেষণ কৰি চোৱা নাই, গোটেই বোজাটো বিবেচনা কৰা নাই, সেইটোৱে আমাৰ ওপৰত আৰোপ কৰা গুৰু দায়িত্বৰ কথা ভাবি চোৱা নাই; কেৱল আমি সেইটো এক নিৰ্দিষ্ট দূৰত্বৰ পৰা দেখিছো আৰু দূৰত্বই সদায় আভুৱাভঁৰাই।

এইক্ষেত্ৰত আমাৰ নিজৰ যুক্তি আমাৰ পৰামৰ্শদাতা হ'ব নোৱাৰে; কিয়নো এহাতে আবেগৰ দ্বাৰা প্ৰতাৰিত আৰু আনহাতে অলীক কল্পনাৰ দ্বাৰা দৃষ্টি শক্তি হাৰিত এই যুক্তি অভিজ্ঞতাৰ দ্বাৰা অথবা প্ৰগাঢ় পৰ্য্যবেক্ষণৰ দ্বাৰা সমৰ্থিত নহয়।

# স ম্পা দ কী য় বা ছ নি

যেতিয়া আমাৰ যুক্তি বুদ্ধিয়ে আমাক এইদৰে ত্যাগকৰে তেতিয়া আমাক কোনে সহায় কৰিব। তেতিয়া আমি কাৰ ফালে চাম?

আমাৰ পিতৃ-মাতৃৰ ফালে, যিয়ে জীৱনৰ বাটেৰে পৰিভ্ৰমণ কৰিছে আৰু ভাগ্যৰ দাৰুণতাৰ সম্মুখীন হৈছে; — আমাৰ হৃদয়ে তেতিয়া কয়।

আৰু তেতিয়াও যদি আমাৰ আগ্ৰহ অব্যাহত থাকে, তেতিয়াও যদি আমি বৃত্তিটো ভাল পায় থাকো আৰু শীতল মগজুৰে পৰীক্ষা কৰি ছোৱাৰ পিছত, সেই বৃত্তিৰ লগত জড়িত বোজাবোৰ ভালদৰে টলকী লোৱাৰ পাছত আৰু তাৰ সৈতে সংযুক্ত জটিলতাবোৰৰ সৈতে পৰিচিত হোৱাৰ পাছতো যদি আমি বিশ্বাস কৰো যে আমি সেই বৃত্তিৰ দ্বাৰা আহ্বানিত হৈছো, তেতিয়া আমি সেই বৃত্তিক গ্ৰহণ কৰা উচিত; তেতিয়া উচ্চাসেও আমাক প্ৰবঞ্চিত নকৰে নাইবা খৰ-পোচেও আমাক উটুৱাই লৈ নাযায়।

কিন্তু আমি সদায়েই সেই অৱস্থানত উপনীত হ'বগৈ নোৱাৰো, যি অৱস্থানলৈ, আমি বিশ্বাস কৰোঁ যে আমাক আহ্বান কৰা হয়। আমি নিজে নিৰ্দ্ধাৰিণ কৰি লব পৰা অৱস্থা এটাত উপনীত হোৱাৰ আগতেই সমাজত আমাৰ সম্পৰ্কবোৰ কিছু দূৰলৈ প্ৰতিস্থাপিত হ'ব ধৰে।

আনকি আমাৰ শাৰীৰিক গঠনো প্ৰায়েই এক ভয়ানক বাধা স্বৰূপ হৈ পৰে; আৰু কোনেও যেন ইয়াৰ অধিকাৰক বিদ্ৰূপ নকৰে।

এইটো ঠিক যে আমি আমাৰ শৰীৰৰ উৰ্দ্ধলৈ উঠিব পাৰো, কিন্তু তেতিয়া আমাৰ পতনো হয় বেছি দ্ৰুত, কিয়নো তেনে কৰোঁতে আমি সিঁচৰিত ধ্বংসস্তুপৰ ওপৰত গঢ়িবলৈ দুঃসাহস কৰাহে হয়। তেতিয়া আমাৰ গোটেই জীৱনটো হৈ পৰে শাৰীৰিক আৰু মানসিক ৰীতিৰ মাজৰ এখন অশান্তিকৰ যুদ্ধ। কিন্তু যিয়ে নিজৰ ভিতৰৰ বিৰুদ্ধ উপাদান বোৰৰ মাজতেই মোকাবিলাৰ মাজেৰে সমতা স্থাপন কৰিব নোৱাৰে, তেওঁ কিদৰে জীৱনৰ ধুমুহা সদৃশ হেচাঁক প্ৰতিৰোধ কৰিব? তেওঁ কেনেকৈ শান্তভাৱে কাম কৰিব? আৰু কেৱল শান্তি আৰু স্থিৰতাৰ পৰাহে মহৎ আৰু সুন্দৰ কৰ্ম্মৰ উদ্ভৱ হ'ব পাৰে; সেয়াই একমাত্ৰ ভূমি য'ত শ্ৰমৰ পূৰঠ ফলৰ সফল বিকাশ ঘটে।

আমাৰ বৃত্তিৰ অনুকূল নোহোৱা এটি শৰীৰেৰে যদিও আমি দীঘলীয়া সময়ৰ বাবে (আৰু কাচিৎহে সুখী মনেৰে) কাম কৰি যাব নোৱাৰো তথাপিও একেবাহে এটি ভাৱৰ উদয় হয় — যে আমি আমাৰ কৰ্ত্তব্যৰ ওচৰত আপোন-কুশলতাক বিসৰ্জন দিম, যে আমি দুৰ্ব্বল হলেও তেজস্বীতাৰে কাম কৰিম। কিন্তু আমি যদি এনে এটি বৃত্তি বাচি লওঁ যিহৰ বাবে আমাৰ প্ৰয়োজনীয় স্বাভাৱিক প্ৰতিভা নাই, তেনেহ'লে আমি আমাৰ শক্তি কোনোদিনেই যোগ্যতাৰে ব্যৱহাৰ কৰিব নোৱাৰিম। সোনকালেই আমি লজ্জাজনক ভাৱে আমাৰ অসমৰ্থতাক বুজি পাম আৰু নিজকেই কম যে আমি অনৰ্থক জীৱ, সমাজৰ এনে সদস্য যি নিজৰ ব্যৱসায়ৰ দায়িত্ব পূৰণ কৰিবলৈও সমৰ্থ নহয়। তেনে অৱস্থাৰ স্বাভাৱিক পৰিণতি হ'ল স্ব-নিন্দা। ইয়াতকৈ দুঃখজনক অনুভৱ আৰু কি হ'ব পাৰে? সমগ্ৰ পৃথিৱীয়ে যি দিব পাৰে সিও দৈন্যতাৰ এই দুখজনক অনুভৱৰ পৰা হোৱা ক্ষতি পূৰণ কৰিব নোৱাৰে। স্ব-নিন্দাই সেই সৰ্প যিয়ে বুকুত খোটে আৰু কলিজাৰ পৰা জীৱন-ৰক্ত শুহি খায়, লগতে এই ৰক্তক মানৱ বিদ্বেষ আৰু হতাশাৰ বিহ্ মিহলাই বিষাক্ত কৰে।

ওচৰৰ পৰা পৰীক্ষা কৰি চাই আমি দেখিলো যে কোনো এক বৃত্তিৰ বাবে আমাৰ প্ৰয়োজনীয় প্ৰতিভা সম্পৰ্কে আমাৰ ভুল ধাৰণাই আমাৰ ওপৰতেই আকৌ তাৰ প্ৰতিশোধ সাব্যস্ত কৰে। এনে ভ্ৰান্তিৰ বাবে বাহিৰৰ পৃথিৱীৰ গৰিহণা পাব লগা নহলেও, ই আমাৰ হৃদয়ত তেনে বাহ্যিক গৰিহণাইও বিহিব নোৱাৰা ধৰণৰ ভয়নাক পীড়া জন্মায়।

আমি যদি এই সকলোবোৰ বিবেচনা কৰিছো, আৰু আমাৰ জীৱনৰ অৱস্থাই যদি আমি ভালপোৱা যিকোনো বৃত্তি বাচি লবলৈ আমাক অনুমতি দিয়ে, তেনেহ'লে আমি সেই বৃত্তিটোকেই গ্ৰহণ কৰিব পাৰো যিটোৱে আমাক সবাতোকৈ বেছি যোগ্যতা প্ৰদান কৰে, যিটো সেই ধাৰণাবোৰৰ ভেটিত প্ৰতিস্থিত, যিবোৰৰ সত্যতাৰ বিষয়ে আমি সম্পূৰ্ণৰূপে পতিয়ন গৈছো, যিয়ে মানৱজাতিৰ বাবে কাম কৰিবলৈ আমাক সবাতোকৈ বহল ক্ষেত্ৰখন প্ৰদান কৰে, আৰু আমাক সেই সাধাৰণ লক্ষ্যৰ ওচৰ চাপি যোৱাত সহায় কৰে - সকলো বৃত্তিয়েই যিটো লক্ষ্যত উপনীত হোৱাৰ এক মাধ্যমহে মাথো; আৰু সেই লক্ষ্য হ'ল - সম্পূৰ্ণতা।

যোগ্যতাই সেই গুণ যিয়ে মানুহক সবাতোকৈ বেছি ওপৰলৈ তোলে, যিয়ে মানুহৰ কামক আৰু তেওঁৰ সকলো প্ৰচেষ্টাক এক উচ্চতৰ মহত্ব প্ৰদান কৰে, যিয়ে তেওঁক অভেদ্য কৰি তোলে, যিহৰ বাবে তেওঁ লোকজুমৰ দ্বাৰা প্ৰশংসিত হয় আৰু সেই লোকজুমৰ উৰ্দ্ধলৈ প্ৰক্ষেপিত হয়।

কিন্তু তেনে এক বৃত্তিৰ দ্বাৰাহে যোগ্যতা নিশ্চিত হয় য'ত আমি কেৱল গেৰাৰী সা-সৰঞ্জাম নহয়, য'ত আমি আমাৰ ক্ষেত্ৰখনত স্বাধীনভাৱে কাম কৰিব পাৰো। এইটো তেনে এক বৃত্তিৰ দ্বাৰাহে নিশ্চিত হয় যি বৃত্তিয়ে ভৰ্ৎসনাযোগ্য কাম দাবী নকৰে, লাগিলে সি কেৱল বাহ্যিক দৃষ্টিতহে ভৰ্ৎসনাযোগ্য হওক। সেইটো হব লাগিব তেনে এক বৃত্তি যিটোক শ্ৰেষ্ঠ জনে সম্ভ্ৰান্ত গৌৰৱেৰে গ্ৰহণ কৰিব পাৰে। যিটো বৃত্তিয়ে এইখিনি আটাইতকৈ বেছি পৰিমানে নিশ্চিত কৰে, সেই বৃত্তিটো সদায়েই উচ্চতম্ নহয়, কিন্তু সদায়েই সবাটোকৈ বেছি গ্ৰহণযোগ্য।

কিন্তু যিদৰে যোগ্যতাৰ নিশ্চিতি নিদিয়া বৃত্তিয়ে আমাক লাঞ্ছিত কৰে, সেইদৰেই আমি তেনে এক বৃত্তিৰ বোজা লৈও ডুবি মৰিম যিটো এনে কিছুমান ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যিবোৰক আমি পাছলৈ মিছা বুলি বুজি পাওঁ।

তেতিয়া আমাৰ আৰু স্ব-প্ৰবঞ্চনাৰ বাহিৰে কোনো

# স ম্পা দ কী য় বা ছ নি

উপায় নাথাকে আৰু সি কেনে এক আশাহীন মুক্তি যি স্ব-প্ৰতাৰণাৰ দ্বাৰা প্ৰাপ্ত হয়।

যিবোৰ বৃত্তি জীৱনৰ সৈতে সিমান জড়িত নহয় যিমান সি কোনো বিমূৰ্ত্ত সত্যৰ সৈতে জড়িত, — সেইবোৰ বৃত্তি তেনে কমবয়সীয়া যুৱক - যুৱতীৰ বাবে আটাইতকৈ বেছি বিপজ্জনক যিসকলৰ নীতি এতিয়াও দৃঢ় নহয়, যিসকলৰ প্ৰত্যয় এতিয়াও শক্তিশালী আৰু অলৰ-অচৰ নহয়। আনহাতে এনেকুৱা বৃত্তিকেই আটাইতকৈ বেছি উন্নত যেন লাগে যদিহে আমাৰ হৃদয়ৰ গভীৰতাত সিহঁত স্থাপিত হৈছে আৰু যদি আমাৰ জীৱন আৰু আমাৰ সকলো প্ৰচেষ্টাকেই আমি সেই বৃত্তিসমূহত প্ৰবল ধাৰণাবোৰৰ বাবে উচ্ছৰ্গা কৰিবলৈ সক্ষম হওঁ।

এনে ধাৰণাসমূহে তেনে মানুহকহে আনন্দ প্ৰদান কৰে যিয়ে এইবোৰৰ প্ৰতি এক আন্তৰিক টান অনুভৱ কৰে; কিন্তু এই ধাৰণাসমূহে তেওঁলোকক ধ্বংস কৰে যিয়ে এইবোৰ অনুধাৱন নকৰাকৈ খৰখেদকৈ গ্ৰহণ কৰে, কেৱল একমূহুৰ্ত্তৰ হেঁচাত সৈমান হৈ।

আনহাতে যি ধাৰণাৰ ওপৰত আমাৰ বৃত্তি প্ৰতিষ্ঠিত সেই ধাৰণাসমূহৰ প্ৰতি থকা আমাৰ উচ্চ ভাৱে সমাজত আমাক উচ্চতৰ স্থিতি প্ৰদান কৰে, আমাৰ যোগ্যতা বৃদ্ধি কৰে আৰু আমাৰ কামবোৰক প্ৰত্যাহ্বানৰ উৰ্দ্ধলৈ তোলে। যিয়ে নিজে উচ্চ মূল্য দিয়া বৃত্তিটো বাছি লয় তেওঁ সেই বৃত্তিটোৰ বাবে যোগ্য নোহোৱা ধাৰণাটোতেই শিয়ঁৰি উঠিব; তেওঁ সম্ভ্ৰান্তৰ দৰে কাম কৰিব, তেনে কৰাৰ কাৰণ যদিও তেওঁ সমাজৰ এজন সম্ভ্ৰান্ত হোৱাটোহে।

কিন্তু বৃত্তি নিৰ্বাচনৰ ক্ষেত্ৰত আমাক নিৰ্দেশনা দিয়া মূখ্য পৰিচালক হোৱা উচিত মানৱ জাতিৰ কল্যাণ আৰু আমাৰ সম্পূৰ্ণতা। এইটো ধৰি লব নালাগে যে এই দুয়োটা স্বাৰ্থ বিৰুদ্ধ, যে এটাই আনটোক নষ্ট কৰিব, বৰং মানুহৰ প্ৰকৃতি এনেদৰে সংগঠিত যে মানুহে কেৱল তাৰ লগৰীয়া মানুহৰ সম্পূৰ্ণতাৰ বাবে, কুশলতাৰ বাবে কাম কৰিহে নিজে সম্পূৰ্ণতা আহৰণ কৰিব পাৰে।

যদি মানুহে কেৱল নিজৰ বাবে কাম কৰে, তেওঁ হয়তো এজন বিখ্যাত পণ্ডিত হব পাৰিব, তেওঁ হয়তো এজন ডাঙৰ ঋষি হব পাৰিব, হয়তো এজন উত্তম কবি হব পাৰিব, কিন্তু কোনোদিনে সম্পূৰ্ণ হব নোৱাৰে;— সঁচা অৰ্থত মহান হব নোৱাৰে।

ইতিহাসে সেইসকল মানুহকেই মহত্তম বুলি কয় যিয়ে সৰ্ব্বসাধাৰণৰ মঙ্গলৰ বাবে কাম কৰি নিজকে উন্নত কৰে। অভিজ্ঞতাই সেইসকলকেই আটাইতকৈ সুখী বুলি দাবী কৰে যিয়ে আটাইতকৈ বেছি সংখ্যক মানুহক সুখী কৰিছে; ধৰ্মই আমাক শিকাই যে সকলোৱে অনুকৰণ কৰিবলৈ চেষ্টা কৰা আদৰ্শ মানৱ সেইজনেই যিয়ে মানৱ জাতিৰ হকে নিজকে উছৰ্গা কৰিছে; আৰু কোনে এই সকলো সিদ্ধান্তক অৱজ্ঞা কৰিবলৈ সাহস কৰিব।

আমি যদি জীৱনত এনে সংস্থিতি বাছি লওঁ য'ৰ পৰা আমি মানৱ জাতিৰ বাবে সবাতোকৈ বেছি কৰিব পাৰো, তেনেহ'লে কোনো বোজায়েই আমাক মূৰ দোঁৱাবলৈ বাধ্য কৰিব নোৱাৰে, কাৰণ তেতিয়া আমাৰ ত্যাগ হ'ব সৰ্ব্বজনৰ উপকাৰৰ বাবে কৰা ত্যাগ; আমি কোনো তুচ্ছ, সীমিত স্বাৰ্থপৰ উল্লাস অনুভৱ নকৰো, কিন্তু আমাৰ আনন্দ বহু নিযুতজনৰ আনন্দ হব, আমাৰ কৰ্ম নীৰৱে কিন্তু চিৰন্তনভাৱে জীয়াই থাকিব, আৰু আমাৰ ছাইৰ ওপৰত মহৎ লোকে চকুলো টুকিব। ❑❑❑

(দহ আৰু যোল্ল আগষ্ট, ১৮৩৫ চনৰ ভিতৰত ৰচিত)

ইংৰাজীৰ পৰা

**সঞ্জীৱ কুমাৰ নাথৰ**

দ্বাৰা অনুদিত।

(বিঃদ্ৰঃ এই অনুবাদ কৰোতে সংশ্লিষ্ট কিতাপৰ প্ৰকাশকৰ আগতীয়া অনুমতি লব পৰা নগ'ল।)

মানুহক বিশেষীকৃত জ্ঞানৰ শিক্ষা দিয়াটোৱেই যথেষ্ট নহয়। ইয়াৰ যোগেদি মানুহ এটা ভাল উপকাৰী যন্ত্ৰ হ'ব পাৰে, কিন্তু সুসংহত ভাৱে বিকশিত ব্যক্তিত্ব ইয়াৰ যোগেদি গঢ়ি নুঠে। সৌন্দৰ্য্যৰ প্ৰতি, নৈতিকভাৱে মঙ্গলৰ প্ৰতি তেওঁৰ এক স্পষ্ট বোধ থকা দৰকাৰ, সেয়ে নহলে তেওঁৰ সমস্ত বিশেষী কৃত জ্ঞানেৰে সৈতে তেওঁ এটা সু-প্ৰশিক্ষণপ্ৰাপ্ত সাৰমেয়হে হৈ উঠিব, এজন সুসংহত ভাৱে বিকশিত ব্যক্তি নহয়।

— এলবাৰ্ট আইনষ্টাইন

## স ম্পা দ কী য় বা ছ নি

পুৰণি অসমীয়া ৰ

# জোনাকীৰ পৰা

# সঙ্কল্প আৰু কাৰ্য্য

কোৱা আৰু কৰা এই দুইৰ পৰস্পৰ সম্পৰ্ক বিষয়ে অনেক লেখকে অনেক কথা কয়। কোনো কোনোয়ে কয় যে কোৱা আৰু কৰা দুয়ো বেলেগ বেলেগ কথা; ইটোৰে সিটোৰে একো সম্বন্ধ নাই। দুখৰ বিষয় এই বিধ মানুহৰ সংখ্যা সৰহ যেন লাগে আৰু কোনো কোনোএ কয় যে দুয়োৰো মাজত বিশেষ সম্পৰ্ক কেনে তাক ভালকৈ ঠিক কৰিব নোৱাৰি। আমি সদাই নিজক আৰু আনকো কওঁ যে এই কাম কৰা ভাল, কৰিলে এনে তেনে উপকাৰ হয়। কিন্তু অকল কলেই কি হব! প্ৰায় অধিকাংশ মানুহৰ সঙ্কল্প এক প্ৰকাৰ কাৰ্য্য অন্য প্ৰকাৰ। কব সকলোৱে পাৰে কিন্তু কৰিব হলে নিচেই কম মানুহেহে পাৰে। ইংৰাজীত কয় -

"All can preach but few can practise".

"I can easier teach twenty what were good to be done, than be one of the twenty to follow my own teaching."

কাম কৰি দেখুয়ালেহে মানুহে ভাল বেয়া জানিব পাৰে। কোৱা কথা বা নিয়ম বিলাক কামত লগাব লাগে। ঘৰত বহি নিয়ম কৰি কামত খাটে নেখাটে কোৱা টান। প্ৰকৃত ভাল মানুহ তেওঁয়েই যি মুখেৰে কোৱা কথা কামত আচৰিব পাৰে। আমাৰ নিয়ম বা কোৱা কথা মতে যেতিয়া কাম কৰোহক, তেতিয়া আমাৰ কোৱা কথা বা নিয়ম সঁচা হ'ল। সুদা কিছুমান নিয়ম একোয়েই নহয় যদি তাৰ মতে কাম হৈ নুঠে। এই দৰে আমি দেখিছোঁ যে নিয়মৰ কোনো স্বতন্ত্ৰ গুণ ( absolute value) নাই।

ওপৰত আমি কোৱা আৰু কৰাৰ সম্বন্ধৰ আভাষমাত্ৰ দেখুৱালোঁ। এতিয়া চাওঁহক কি কি বিযুতি থাকিলে আমি নিয়ম কাৰ্য্যত পৰিণত কৰিব নোয়াৰোহঁক প্ৰথম বিযুতি কামৰ সময়ত নিয়ম একো নহয় বুলি ধৰা; অনেকে ভাবে যে নিয়ম যি কৰিলোঁ কৰিলোঁ, লোকৰ চকুত বালি মাৰিলোঁ, সেই নিয়ম মতে কাম কৰিব কিয় লাগিছে? আমি কওঁ যে মানুহে কোৱাৰ মতে কাম কৰা নিতান্ত আৱশ্যক। জীৱনৰ উন্নতি এই কথাৰ ওপৰত অনেক পৰিমাণে নিৰ্ভৰ কৰে। বিদ্যা শিক্ষা, ৰাজনীতি, ধৰ্ম্মানুষ্ঠান, নীতিশিক্ষা সকলোৱেই এই নিয়মৰ তল। ই জাতীয় অৱনতি গুচুৱাৰ মহৌষধ। প্ৰকৃত স্বদেশ হিতাকাঙ্ক্ষী বিলাকৰ মূলমন্ত্ৰ। এইটো গুণ নথকাৰ বাবে আসাম কি গোটেই ভাৰত বৰ্ষকে অকামীলা যেন লাগে। ইয়ুৰোপীয় জাতি বিলাকৰ বিশেষকৈ ইংৰাজজাতিৰ এই গুণটী ভালকৈ আছে – তেওঁবিলাকে কোৱাৰ দৰে কাম কৰে। কোৱাৰ দৰে কাম কৰিবলৈ হলে মনত এটী দৃঢ় প্ৰতিজ্ঞা লাগে। কথা যেনেকৈ লোকৰ আগত শুনাইছোঁ সেই দৰে আমাৰ নিজৰ কামতো প্ৰমান দেখাব লাগে। আমি যদি এই দৰে কৈ ফুৰো যে জাতীয় উন্নতি বৰ লাগতিয়াল বস্তু; সেই উন্নতিৰ নিমিত্তে এই এই কাম কৰা উচিত, সেই দৰেই জাতীয় উন্নতি কামনা কৰি নিজে যথাযথ চেষ্টা কৰাও উচিত। কেৱল উপদেশতে ওৰ পেলাব নেলাগে। নিজে ভালকৈ পিটিকি চাইহে কোনো নিয়ম গ্ৰহণ কৰা যুগুত। তাকে নকৰি লোকৰ লগত "হয় নহয়" বুলি ফুৰিলো আমাৰ স্বাধীন বুদ্ধি বৃত্তিৰ অৱমাননা কৰা হয়। আৰু এটী কথা, যি বিলাক নিয়ম কামত খটাব পাৰি সেই বিলাকেই হে উপকাৰী। তাত সময় আৰু বুধি খৰছ কৰা সকলো সঁচা হয়। কিন্তু যি বিলাক কেৱল মনৰ উদ্গণিৰ ফল কোনো কামত নেখাটে, সেই বিলাকৰ পৰা একো উপকাৰ পোৱা নাযায়।

নিজৰ কামত নিয়ম বিলাক খটাবলৈ হ'লে চেষ্টা লাগে। চেষ্টা আৰু মনোযোগ নোহোৱাকৈ কোনো কামেই কৰিব নোৱাৰি। চেষ্টা নোহোৱাকৈ নিয়ম আৰু কাম একেলগ কৰা বৰ টান আৰু চেষ্টাৰ লগে লগেই কষ্ট স্বীকাৰ আছে। যেই সেই সজকাম কৰিবলৈ গলেই বাটত নানা বাধা বিঘিনি ওলায়। এই এটাই বোৰ যি পাৰ হব পাৰে, তেওঁৰেহে জয় হয়। অনেকে বিঘিনিৰ ভয়ত আদ বাটৰে পৰা উভটি আহে। সাহ কৰি বিঘিনি পাৰ হ'ব নোৱাৰে। এনে অৱস্থাত সকলো কষ্ট স্বীকাৰ কৰি প্ৰতিজ্ঞা মতে কামকাজ কৰা বৰ যুগুত। ইয়াত বৰ পুৰুষালী দেখুৱা হয়। যি মানুহে কোৱা মতে কাম কৰিব নোয়াৰে তেওঁক কোনেও সজাত নকৰে। তেওঁক মানুহে কেৱল মুখৰ "মালিহা মৰা" মানুহ বুলিহে কয়। কেৱল কথাৰ মানুহ হলে একো নহয় কামৰ মানুহ হ'ব লাগে। এই সংসাৰ কৰ্ম্মময় আৰু ইয়াত প্ৰত্যেক মানুহৰ নিজা নিজা কাম আছে।

দ্বিতীয়তে, কিছুমান বাহ্যিক অৱস্থাই (External circumstances) আমাৰ নিয়ম অনুসৰী কাম কৰিবলৈ বাধা দিয়ে। তেনে অৱস্থা দুবিধ। জন্মগত বা স্বাভাৱিক আৰু সামাজিক।

ওপৰত আমি দেখুৱালো কি কি বিযুতি থাকিলে কোৱা মতে কাম কৰিবৰ নোয়াৰি। এতিয়া চাওঁহক ভাবপ্ৰধান (কথকী বা কথা চহকী) আৰু কাৰ্য্যপ্ৰধান মানুহৰ প্ৰভেদ কি।

# স ম্পা দ কী য়  বা ছ নি

এই দুবিধ মানুহৰ ভিতৰত আমি এটি প্ৰধান বৈলক্ষণ এই দেখো যে যি মানুহে বৰকৈ ভাবে -- কেৱল ভাবিএই থাকে আৰু কামত হাত দিব নোখোজে, সাধাৰণত ঃ তেওঁক কামত অক্ষম দেখা যায়। মহাকবি স্যেক্সপীয়েৰে তেওঁৰ "হেমলেট" নামক আখ্যায়িকা এই কথা ফাকিৰ সত্যতা দেখুৱাবৰ নিমিত্তেই লেখে। এই নাটকৰ নায়ক যুবৰাজ হেমলেট্ এ ভাবোতে ভাবোতেই কামৰ সুযোগ নেপাই। কাৰ্য্য-প্ৰধান মানুহে বৰকৈ ভাবিবলৈ নেচাই, অন্ততঃ ভাবি ভাবি ভবিষ্যৎটো বৰ্ত্তমান কৰিব নোখোজে, বৰ্ত্তমানৰ সদ্ব্যৱহাৰ কৰ। কোনো কাম কৰিব লগিয়া হ'লে, সোনকালে সেই কামত ধৰে আৰু সিদ্ধি তেওঁৰ হাতৰ তলুয়াত থাকে। ভাবপ্ৰধান মানুহে কামৰ আগ পাছ বৰকৈ গুনি থাকোতে অকামীলা হৈ পৰে। এজন ইংৰাজ লেখকে কয় যে "আমালোকে এনেকুৱা অনেক মানুহ পাওঁহক যি ঘৰৰ চাৰিবেৰৰ ভিতৰত বৰ বীৰ কিন্তু বাহিৰত এড়ি দিলে কেচুৱা লৰা যেনে তেনে।" ভাবনাশক্তি এই দৰেই কাৰ্য্যকৰী শক্তিৰ কিছু পৰিমাণে বিৰুদ্ধ। একে পাত্ৰতে এই দুই শক্তি সমান ভাবে প্ৰায় নেথাকে। পৃথিৱীৰ অনেক মহা মহা কবি, বিজ্ঞানবিৎ আৰু নাটককাৰ এই নিয়মৰ বাহিৰ তেওঁ বিলাকে যেনেকৈ ভাবিব পাৰিছিল সেই দৰে কামতো পকা আছিল। ইংৰাজি জনা পাঠক বিলাকে জানে যে লৰ্ড বেকন যেনেকৈ এজন গভীৰ বিজ্ঞানবিৎ আছিল, তেনেকৈ তেওঁ ইংলণ্ডৰ ৰাজকাৰ্য্যও চলাইছিল। স্যেক্সপীয়েৰে নটুৱাৰ কাম কৰিছিল আৰু তাৰ লগে লগে নাটকো লেখিছিল। মিল্টন কবিও আছিল আৰু লাটিন সেক্ৰেটাৰিও আছিল। মহাকবি কালিদাসৰ গাতো দুইটি গুণ আছিল।

শেহত চাওঁহক ভাবনাশক্তি আৰু কাৰ্য্যকৰী শক্তি কিমান একেলগে থাকিব পাৰে। কামৰ পৰা যি হ'ব পাৰে, ভাবনাৰে সি হৈ নুথে। আগেয়েই কৈ আহিছো যে কাৰ্য্য প্ৰধান সজুলী, ভাবনা (বা কোৱা) তাৰ সহকাৰী মাথোন। আমাৰ এই মত নহয় যে ভাবনা সমুলীএই নোলাগে। আমাৰ মত এই যে বৰকৈ কামলৈ পাহৰিব নেলাগে। ঈশ্বৰে আমাক কাৰ্য্য কৰিব পৰা শক্তি দিছে; আমি যদি সেই শক্তি নচলায় মামৰে ধৰিবলৈ দিওঁ, সেইটো আমাৰ দোষ। সেই শক্তি ভাবিয়েই ক্ষয় হ'বলৈ দিয়া উচিত নহয়। আৰু এটা কথা, কাম আৰু ভাবনাৰ নিৰ্দ্দিষ্ট সময় আছে। ভাবনা-শক্তিৰ অপব্যৱহাৰ কৰিব নেলাগে। আকৌ ন'বৈ, নিচিন্তি সোনকালে কাম কৰিলেও নিতান্ত অবিবেচক বুলি চিনাকি দিয়া হয়।

○ *শ্ৰীৰমাকান্ত বৰুৱা*

❑❑❑

**পুৰণি অসমীয়া ৰচনা** **কবিতা**

# বাঁহীৰ পৰা

**"ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে"**

## গধূলি-গোপাল

পদূলিত গধূলিৰ দেখি মেলা চুলি  
কোন গোপালৰ আজি ঘোষি আগমন  
গধূলি-গোপাল ফুলে জকমক কৰি  
নেবাজে শ্যামৰ বাঁহী শূন্য বৃন্দাবন।  
কেলেই ফুলিছ বাৰু গধূলি-গোপাল  
কোনে তোৰ মোল বুজি কৰিব যতন  
নাইতো সুদিন সেই, আজিৰ মৰতে  
বুজে মাথো ভালকই কামিনী কাঞ্চন।  
হিয়াৰ সুগন্ধ তোৰ কান্তি কমনীয়  
ৰঙা বগা হালধীয়া সাজ মনোহৰ  
নোৱাৰে অথলে যাব এদিন গধূলি  
দেখা দিব গোকুলত গোপালে পুনৰ।  
ফুলিবি হাঁহিবি তই পূৰ্ণ হৰষত  
গোপালৰ পুণ্যময় পদ পৰশত।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

# স ম্পা দ কী য়   বা ছ নি

**পুৰণি অসমীয়া ৰচনা** **ৱাঁহীৰ পৰা**

## কেপাঁহি বাপুৰ চিঠিৰ পিঠিত ৰবৰুৱাৰ টীকা

বোলোঁ, এই কেপাঁহি কোম্পানীৰ অংশীদাৰসকলে ৰবৰুৱা ডাঙৰীয়াক ৰবকৈ আমনি কৰিবলৈ ধৰিলে একা! দুপৰীয়া খাই-বৈ এখুমটি শুম নে, এই ভেন্-ভেনোৱা মাখিবোৰ খেদিম? কাণৰ কাষত কেৱলে ভোন্-ভোন্- ভোওন্ - ভোওন-ভো-ও-ও-ন! আজকালৰ কথা নহয় নে বাৰু, তোমালোক দহজনে কোৱাঁচোন মোক? মাখি খেদিবলৈকো কাষত কোনো বিবেচক লোকক বিচাৰি নাপাওঁ! সিদিনা মই দুপৰীয়া শুই থাকোতে, কাণৰ কাষত কোণ্ কোণোৱা মহ মাৰিবলৈ এগৰাকীক নিযুক্ত কৰিছিলোঁ। তেওঁ বিদ্যাত অগাঢ। মোৰ গালত মহ এটা পৰিছিল হেনো। তেওঁ সেই মহটো মাৰিবলৈ গৈ মোৰ গালত এনে কাণতলীয়া চৰ এটা শোধাই দিলে, যে মই একে চাবেই উঠি বহিলোঁ; লাজত হে কন্দা নাছিলোঁ। এই দুখীয়াৰ কোমল গালখনি তিনি দিনলৈকে, পানীত তিউৱা ৰবা চাউল উখহাদি উখহি আছিল। সেইদেখি সেই দিনাৰেপৰা কাকো মই সেই জতুৱা কামত নিযুক্ত নকৰো বুলি শপত খালোঁ।

বোলোঁ ভো-ভো ভেন্-ভেন্ মক্ষিকাসকল! ঐসানি টেঙা-দিয়া লফাশাকৰ আঞ্জাৰে এমুঠি ভাত ভোজন কৰি ৰবৰুৱা ঘুম কৰত। তোহোসব অবালচন্দ্ৰ বালকবৃন্দ সত্বৰে ঐৰ অন্তৰি পলায়ে প্ৰাণ ৰাখহ। অন্যথা, ডাঙ্গৰ্য্যা কৃপাবৰ ৰবৰুৱাৰ গদাৰ প্ৰহাৰেণ তোহিঁসবৰ হাড় খুখুণ্ড হইবেক ঠিক। ইতি

গীত ৰাগ-সুহাই
বলত ৰবৰুৱা বিপ্ৰৰাজ।
সাধিয়ে নিদ্ৰা-কুমাৰীক কাজ।।
তনু মন জুমৰে নয়নে ধৰে নিন্দ।
মাখি মহ চেৰেপা বৃন্দ পালাও কাটি সিন্ধ।।

বোলোঁ, গুচ্! তইঁত গুচ! ভেন্‌ভেনাই নাথাকিবিহঁক! নুগুচ? মোৰ ডাবি খাব খুজিছ হবলা? খুক্‌খুক্ কৰে হাঁহিছ কিয়? অসভ্যাঃ!

ফ্ৰাইট! ফ্ৰেট্!! ফ্ৰোৰেইট!!!

তথাপি নগলি? আজিকালি মোৰ ডাবিলৈকো তহঁতে ভয় নকৰা হলি? কলিকাল! ১৯২৮ সন! বাৰু ৰ! মই এতিয়াই মুকলি কুৰিবলৈ যাম; আৰু সেই গাৰেই আহি তহঁতক ছুই দিমহি। পুহমহীয়া জাৰত মজা পাবি! চেচা পানীৰে গা ধুই গা ঠেৰেঙা লাগিব।

নাযাৱ? অ, জাত-কুল যোৱালৈকো তহঁতৰ ভয় নাইকিয়া হল? তহঁত অধৰমী হলিহঁক দেখিছোঁ। দেহি ঐ! আমি জীয়াই থকোঁতেই, কত পৰিবৰ্ত্তন, কত অদল-বদল দেখিলোঁ। তাহানি আমি কুকুৰ ছুই গা ধুইছিলোঁ। আজিকালিৰ বোৰে কুকুৰ লগত লৈ শোৱে, লগতে বহুৱাই ভাত খুৱায়। আগেয়ে আমি কুকুৰৰ নাম দিছিলোঁ, ভলুকা। আজিকালিৰ বোৰে কুকুৰৰ নাম থৈছে, লিলি, মীৰা, মিকা!!! দেশ একেবাৰেই তল-ওপৰ হ'ল।

"হৰি হৰি কিনো ভেলি
অভাগ্য কম্পাল!"

বোলোঁ, কেপাঁহি বোপাই! তহঁতৰ যদি বুঢ়ীবোৰৰ প্ৰতি ইমান দয়া সম্পজিছে, কিবা বোলে নে, তেওঁলোকৰ ওপৰত তহঁতৰ কৃপাদৃষ্টি পৰিছে, তেন্তে তহঁতে দেখোন কৃপাবিতৰণ পূৰ্ব্বক একো একোজনী বুঢ়ী বিয়া কৰি তেওঁলোকৰ দুখৰ নিৰ্যান কৰিব পাৰহঁক? নকৰহঁক কিয়? আৰু কৰি, বৃদ্ধবিবাহ প্ৰচাৰিণী সভাৰ সভ্য বৃদ্ধসকলক ডেকেৰী বিয়া কৰিবলৈ বাট এৰি নিদিয় কিয়? বপুৰাহঁতৰ নো এই সংসাৰত আৰু কেইদিন আছে! তেওঁলোকৰ সুখত বিধি-পথালি দিয় কিয়?

নেৰ বাট? নেৰ যদি শুন! আমাৰ সভাৰ বৃদ্ধ-সকলে তহঁতৰে সৈতে মিলি থাকি ঐক্য হৈ দেশৰ বল বৃদ্ধি কৰিবৰ নিমিত্তে এটা Compromise অৰ্থাৎ মিটমাট কৰিবলৈ ৰাজী আছে। তদুপৰি বৃদ্ধসকল শান্তিপ্ৰিয়। মই এতিয়াই লাগে যদি Compromise Resolution অৰ্থাৎ মিটমাট প্ৰস্তাৱৰ মোচাবিদা (draft) এটা কৰি দিওঁ, শুন।

"এতদ্বাৰা সৰ্ব্বসন্মতিক্ৰমে এই প্ৰস্তাব ধাৰ্য্য হল - কৃপালু ডেকাসকলে কৃপা কৰি গাইপতি একোজনী বিবাহ কৰাবলৈ গাত লওক, আৰু ললে লগতে ওপৰঞ্চিস্বৰূপে, তেওঁলোকে একোজনী ডেকেৰীকে পাণিপীড়ন কৰিবলৈ তেওঁলোকক ক্ষমতা দিয়া গল। আৰু এই স্বৰ্ত্ত দান কৰি ডেকাসকলক বাধ্য কৰা গল যে তেওঁলোকে দেশৰ শান্তি আৰু আইনৰ মৰ্য্যাদা ৰক্ষা কৰি শান্তিপ্ৰিয় আৰু আইন-আত্মা বৃদ্ধসকলক কস্মিনকালেও নিজকাৰ্য্যত বিঘিনি জন্মাব নোৱাৰিব।"

কেপাঁহি কোম্পানীয়ে মূৰ জোকাৰে দেখোন? এই স্বৰ্ত্ততো ৰাজী নহব? বৰ মস্কিলৰ কথা হল দেখিছোঁ। ৰবৰুৱা কৃপাবৰেও স্বয়ং যেতিয়া তহঁতক বশে নোৱাৰিলে, আন কোনে পাৰিব কব নোৱাৰোঁ। তহঁতৰ কপালত থকা - ধূমাবতী বগলা, মাতঙ্গিনী কমলাই পাৰিলে পাৰিব পাৰে; মই নাজানো।

এই জগতত সকলো সৎকাৰ্য্যৰ প্ৰচাৰত প্ৰতিবন্ধক

# স ম্পা দ কী য় বা ছ নি

ওলায় যেতিয়া বৃদ্ধবিবাহ প্ৰচাৰিণী সভাৰ কাৰ্য্যতো ওলোৱাটো আচৰিত নহয়। কবিয়ে সেইদেখি Heavenly Muse অত গাইছে —

"মাছ খাওঁতে ডিঙিত কাইট।
চুমা খাওঁতেই গুড়নাইট!!
ভাত খাওঁতে ভাতত তুহঁ।
মৰমৰ সাবটত উঃ! উঃ!!"

কুকুৰৰ খোজ কেনে খৰ্টকীয়া সকলোৱে দেখিছে। তাৰ মতলবটো (Motive টো) সদায় সাধু। সি পুণ্য কাৰ্য্য কৰিবলৈ কেতিয়াও কোঁচ নাখায়। বপুৰা সদীয়াতে থাওক বা ধুবুৰীতে থাওক, সি একেদিনাই লৰি গৈ গঙ্গাস্নান কৰি উভতি আহিব পাৰে; আৰু তেনে মনস্কামনা সি ভকতৰ ধূলি মূৰত লৈ সদায় হৃদয়ত পোষণ কৰিছেও। কিন্তু হলে কি হব! বাটতে গিয়াতিসকল ওলাই তাৰ সেই তীৰ্থযাত্ৰাত দুৰ্ঘোৰ প্ৰতিবন্ধকতাচৰণ কৰি সেইটো পশু কৰে দেখিহে বপুৰা নিৰুপায়। গতিকে বৃদ্ধবিবাহ প্ৰচাৰিণী সভাও নিৰুপায়।

নচলিল! বৃদ্ধবিবাহ প্ৰচাৰিণী সভাৰ কাৰ্য্য আৰু নচলিল। অদৃষ্ট মন্দ! পুতৌ! হেজাৰ বাৰ পুতৌ! Love's labour lost"! ব্যৰ্থ প্ৰয়াস! এই ওনা হল। বৰবৰুৱাই বাঘ মাৰিব আৰু কি, তেওঁৰ হাতত বন্দুক দেখিয়েই সেই ওপৰত উৰিফুৰা বোৰৰ ৰমলিৰ ৰোলে বাঘৰ কাণ কলা কৰিলে। বাঘ ইমান মুৰুখ নহয় যে সেই ৰমলিয়ে কৈ দিয়া সন্নিকট বিপদৰ কথা বুজিব নোৱাৰিব। সি নেজ তুলি লৰ দিলেই বুজিব লাগে। ইমান পুৰুষাৰ্থ কৰি বৃদ্ধ বিবাহ প্ৰচাৰিণী সভাই তেওঁলোকৰ বৃদ্ধ সভ্য মহোদয়সকললৈ যি কেইটী ষোড়শী, সপ্তদশী, অষ্টাদশী, মৃগনয়নী, স্মিতহাসিনী সুন্দৰী কন্যা ঠিক কৰিছিল, সেই সোপাই আৰু ভয় খাই ভাগিব। কোনো নাথাকে! হায় হায়! সেই কন্যাসকলৰ বৰ্ণনা নো কি কৰিম! একো একোজনী এনে,——

"দ্বিজৰাজ মুখী,
মৃগৰাজ কটি,
কৰীৰাজ বিনিন্দিত মন্দ গতি।
যদি সা ৰমণী
হৃদয়ে ৰাজতে,
কো জপ, কো তপ, কো সমাধি বিধিঃ।।"

মোৰ বুকুৰ বান্ধ, বৃদ্ধ সভ্যসকল!

"কৃপালং কপালং
কপালং হি মূলং।"

"বহুৎ আচ্ছা!" কেপঁহি কোম্পানীৰ Share holder সকল ক'ত কোন আছা শুনাইক! —

থিৰ কৰিলোঁ, বৃদ্ধবিবাহ প্ৰচাৰিণী Liquidation অলৈ যাব, অৰ্থাৎ আজিৰপৰা সেই কোম্পানীৰ কাৰ্য্য বন্ধ কৰি দিয়া গল! কিন্তু তোমালোকক নকৈ নোৱাৰিলোঁ যে কেপঁহি কোম্পানীয়ে বৰ ভুল কৰিলে, they have driven us underground। বুঢ়াই সহজে চেঙেলি নেৰে। দেখা-শুনাকৈ কৰা কাৰ্য্য তোমালোকৰ ভাল নালাগিল যেতিয়া, আমি বুঢ়াবোৰে Secret Society অৰ্থাৎ গুপ্ত সমিতি কৰি সঙ্ঘবদ্ধ হবলৈ আজিয়েই প্ৰতিজ্ঞাবদ্ধ হলোঁহঁক। সেই সমিতিৰ কাৰ্য্যৰ চাৰি ঢাপৰ ভিতৰত উষাহৰণ, তাৰা হৰণ, মন্দোদৰী হৰণেৰে পৰা পৰৰত্ন হৰণলৈকে এটাইবোৰ থাকিব। তেতিয়া কেপঁহি কোম্পানীৰ অংশীদাৰসকলৰ ভিতৰৰ পাণিগ্ৰহনেচ্ছু ডেকাসকলে টিলিকিতে যুবতী কন্যা ৰত্ন ক'ত আৰু কেনেকৈ পায়, বৃদ্ধৰ গুপ্ত সমিতিয়েও সেইটো ভালকৈ চাই লব।

কিন্তু চুপ! কি অন্যায় কৰিলোঁ! গুপ্ত-সমিতিৰ গোপন উদ্দেশ্যৰ বিষয়ে এতিয়াই দুটা hint অৰ্থাৎ ইঙ্গিত দি কি মূৰ্খামিকে কৰিলোঁ। কথাতে কয়, To be forewarned is to be forearmed! যি হল হল, ইমানতে মোৰ মুখ জাপ খালে।

শেহত কওঁ, বৃদ্ধবিবাহ প্ৰচাৰিণী সভাৰ অফিছ-ঘৰ চকি-মেজ, কাপ-মৈলাম, হোকা-চিলিম, ইত্যাদি "আচ্-বাব্‌বোৰ" সোনকালে নীলামত তুলি দিয়া হব। কিনিবলৈ আগ্ৰহ থকা সকলে "থুপুৰী" নামৰ প্ৰসিদ্ধ বিশ্ববাৰ্ত্তাবহ বাতৰি কাকতত তাৰ জাননীলৈ খাপ লওক। কিমধিকমিতি।

শ্ৰীকৃপাবৰ বৰবৰুৱা

---

ভাই! এই সংসাৰৰ মাজত তুমি কিমান ক্ষুদ্ৰ, কিমান সামান্য! তোমাক মৰুভূমিৰ মাজৰ এটা বালিৰ কণা বা অনন্ত সাগৰৰ জল বিন্দুৰ নিচিনাকৈ গণ্য কৰিব পৰা যায়। কিন্তু ভাই, তোমাক এটা কথা সোধো। তুমি কি কেতিয়াবা তোমাৰ এই ক্ষুদ্ৰত্বৰ অনুভৱ কৰিব পাৰিছানে? কেতিয়াবা তুমি মনত ভাবিছানে তুমি যে ক্ষুদ্ৰ, তুমি সামান্য, তুমি গণনাৰ মাজত নোহোৱা। কেতিয়াবা তুমি মনত ভাবিছানে এই সংসাৰৰ ঢৌৰ মাজত তুমি এডাল ক্ষুদ্ৰ তৃণ। যিপিনে ঢৌয়ে তোমাক নিছে তুমি সেই পিনেই গইছা। তোমাৰ নিজৰ এটা ফুটা কড়িৰ সমানও ক্ষমতা নাই, শক্তি নাই, তুমি ক্ষুদ্ৰতকৈ ক্ষুদ্ৰ।

—আসাম বন্ধু (প্ৰথম খণ্ড/ পৃহ /শক ১৮০৭/ দ্বাদশ সংখ্যা)

সম্পাদকলৈ চিঠি শিতান

# অধ্যয়নৰ প্ৰতি উদাসীনতা

মহোদয়,

পত্ৰে প্ৰীতি সম্ভাষণ গ্ৰহণ কৰিব। এই চিঠিখনৰ জৰিয়তে আপোনাৰ এটি গুৰু দায়িত্বৰ বিষয়ে আপোনাক সচেতন কৰি দিব বিচাৰো। সেই বিষয়ে কবলৈ যোৱাৰ আগতে আপোনাৰ আগত মোৰ প্ৰত্যক্ষ অভিজ্ঞতা দুটামান দাঙি ধৰিলোঁ——

(১) মোৰ দুগৰাকীমান বান্ধৱী আছে, যি লাইব্ৰেৰীৰ নাম শুনিলে ইলেকট্ৰিক শ্বক্ পোৱা মানুহৰ দৰে হয়। তেওঁলোকৰ মতে লাইব্ৰেৰীলৈ 'বৰ' হ'বলৈ যোৱাত বাদে তাৰপৰা অন্য ধৰণে উপকৃত হব নোৱাৰি। তাৰ সলনি তেওঁলোকে কৰবাত গৈ chow বা আলু পৰাঠা খোৱাটোকে বেছি লাভজনক বুলি ভাবে, নহলে 'মেঘদূত ভৱন' বা কলেজৰ খালীৰুমত বহি লেক্‌চাৰ মৰাটোক।

(২) লাইব্ৰেৰীত যথেষ্ট ভিৰ দেখোঁ (মাজে - সময়ে)। দেখি ভাল লাগে। মনটোৱে কিছু প্ৰবোধ পায়, অন্তত কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কিতাপৰ সৈতে আন্তৰিক বান্ধোনেৰে বান্ধ খাইছে। কিন্তু দুৰ্ভাগ্যবশতঃ ভিতৰলৈ সোমাই যদি কেনে কিতাপ ইছ্যু কৰিছে চোৱা যায় তেন্তে দেখা যাব যে শতকৰা ৯৯ ভাগেই 'পাঠ্যক্ৰমৰ' কিতাপ ইছ্যু কৰে। বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ পাঠ্যক্ৰমটোৰ বাবে নিৰ্দ্ধাৰিত কেইখনৰ বাহিৰে অন্য কোনো 'বাহিৰা' কিতাপ পঢ়িবলৈ কাৰো আহৰি নাই। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীতো দূৰতে থাকে, আনকি কলাৰ ছাত্ৰ-ছাত্ৰীও বাহিৰা কিতাপৰ পৰা দহহাত দূৰত থাকে।

(৩) মই লেখক হোমেন বৰগোহাঞিৰ লেখা পঢ়ি ভাল পাওঁ। সেয়ে ইয়ালৈ পঢ়িবলৈ অহাৰে পৰা তেওঁক লগপোৱাৰ এটা দুৰ্বাৰ হেপাহ আছিল। এদিন তেওঁক লগ পোৱাৰ সময় ঠিক কৰি আহি লগৰবোৰক ক'লোহি যে তেখেতক লগ কৰি মই মোৰ বহুদিনীয়া ইচ্ছা এটা পূৰণ কৰিম। দুগৰাকীমান বান্ধৱীৰ চকুত বিস্ময়!! কোন হোমেন বৰগোহাঁঞি!!? যি জন হোমেন বৰগোহাঁঞিয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক, শাৰিৰীক আৰু বৌদ্ধিক বিকাশৰ বাবে নিজৰ সকলো সাধনাৰে 'গদ্যৰ সাধনা', 'প্ৰজ্ঞাৰ সাধনা', জিজ্ঞাসা'ৰ দৰে গ্ৰন্থ ৰচনা কৰিছে, যিয়ে জীৱনটোক পৰিপূৰ্ণভাৱে উপভোগ কৰাৰ উপায় দি 'মোৰ সাংবাদিক জীৱন', 'সুখ-দুখ, 'আত্মানুসন্ধান, 'জীৱনৰ সাধনা'ৰদৰে গ্ৰন্থ ৰচনা কৰিছে তেখেতক মোৰ বান্ধৱী কেইজনে চিনি নেপায়!!!

(৪) অসমৰ সাহিত্যিক বুলি এচাম ছাত্ৰ-ছাত্ৰীৰ যি অনীহা আৰু অৱহেলাৰ ভাৱ আছে সেয়া সকলোৱে অৱগত। কিন্তু সেইবুলি সস্তীয়া অসমীয়া থ্ৰিলাৰ, পৰ্ণগ্ৰাফী বিচৰা ছাত্ৰ-ছাত্ৰীৰো অভাৱ নাই। সেইসকল ছাত্ৰ-ছাত্ৰীয়ে কিন্তু 'The way of my World', 'Lust for life' বিচাৰি নাযায়। তেওঁলোকে টলষ্টয়ৰ "আইভান ইলিচৰ মৃত্যু" বা নিকোলাচ গিয়েনৰ কবিতাৰ কথা নাজানে। হেজেল হল কোন তেওঁলোকে নাজানে। মৈত্ৰেয়ী দেৱীৰ 'ন হন্যতে' বিমল মিত্ৰৰ 'স্বামী পুত্ৰ পৰিবাৰ,' জীৱনানন্দৰ কবিতা বা শক্তি চট্টোপাধ্যায়ৰ কবিতাৰ কথাওঁ তেওঁলোকে নাজানে। তেওঁলোকৰ বাবে মাথো Mills and Boon, Sandra Marton বা Arison Fraser হ'তেই সাহিত্য'ৰ নামত সকলো। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী' বা আব্দুল মালিকৰ 'মৌ ডিমৰুৰ কোঁহ'তকৈ জেমছ হেডলী ছেজ বা কাৰ্টাৰ ব্ৰাউনৰ থ্ৰীলাৰখন তেওঁলোকৰ বাবে বেছি দৰকাৰী।

বেছি দূৰলৈ নগৈ আমাৰ কলেজতে মই মুখামুখি হোৱা দুটামান ঘটনাৰ বিষয়ে লিখিলো। আপুনি বোধকৰো উপৰোক্ত বৰ্ণনাৰ পৰা মই ক'ব বিচৰা কথাটো বুজিছে। উদ্দেশ্যহীনভাৱে খাই অনৰ্থক ভাৱে নোদোকা হোৱা আৰু কেৱল text book পঢ়ি 'জ্ঞানী' হোৱা উত্তৰ পুৰুষে দেশ, সমাজ অথবা সভ্যতাৰ ভৱিষ্যত গঢ়িব নোৱাৰে। তেনে উত্তৰ নাগৰিকে সভ্যতাৰ স্থৱিৰতাক ৰোধ কৰিব নোৱাৰিব। ৰোধ কৰিবলৈ প্ৰচেষ্টা আমিয়েই আৰম্ভ কৰিব নালাগিব জানো? অসম দুখীয়া, পঢ়িবলৈ কিতাপ নাই। খাবলৈকে যাৰ নাই সি কি কিতাপ কিনি পঢ়িব? কিন্তু এই একেটা অজুহাত দেখুৱাই মধ্যবিত্ত বা বিত্তবান শ্ৰেণীৰ লোকে কিতাপৰ পৰা আঁতৰি থকাটো জানো সমীচিন হয়? Mills and Boon বা ছেজৰ থ্ৰিলাৰ খন কিনাৰ সলনি সেই টকাৰে জীৱনৰ প্ৰকৃত দিশ উন্মোচন কৰিব পৰা কিতাপ পঢ়ক, লাইব্ৰেৰীত বহিবলৈ সময় উলিয়াওক। ইচ্ছা কৰিলেই উপায় ওলাব, মাথো মনটো বান্ধিলেই হ'ল। কিন্তু তাকে কৰিবলৈ আজিৰ ছাত্ৰ-ছাত্ৰীৰ আহৰি ক'ত?

সেয়ে, সম্পাদক মহোদয় আপোনালৈ মোৰ অনুৰোধ, 'কটনিয়ান'ৰ যোগেদি আপুনি যদি কটন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত কিতাপৰ প্ৰতি প্ৰেমৰ উদ্ৰেক কৰিব পাৰে, ভৱিষ্যতৰ সমাজগঠনত সিয়ে মহান অৱদানৰূপে পৰিগণিত হ'ব। কাৰণ, সমাজগঠনত শিক্ষানুষ্ঠানৰ ভূমিকা আৰু অসমৰ শিক্ষাজগতত কটন কলেজৰ ভূমিকাৰ বিষয়ে কোনো অজ্ঞাত নহয়। এখন মুধাফুটা কলেজৰ 'আলোচনী সম্পাদক' হিচাপে দেশৰ উত্তৰ পুৰুষৰ প্ৰতি আপোনাৰো দায়িত্ব নাইনে বাৰু?

'কটনিয়ান'ৰ উত্তৰোত্তৰ উন্নতি আৰু দীৰ্ঘায়ু কামনাৰে।

❍ *গীতিকা ফুকন*
উ. মা. দ্বিতীয় বৰ্ষ,
(বিজ্ঞান)

# বিভাগীয় প্ৰতিবেদন

❍ *সঞ্জীৱ কুমাৰ নাথ*
সম্পাদক, কটনিয়ান

প্ৰথমৰে পৰা 'কটনিয়ান'ৰ সম্পাদকৰ দায়িত্ব লবৰ জোখাৰে আমাৰ যোগ্যতা সম্পৰ্কে আমাৰ নিজৰেই সন্দেহ আছিল। কিন্তু বহু বন্ধু-বান্ধৱৰ এৰাব নোৱাৰা হেঁচাত এই বিষয়ে আমি দ্বিতীয়বাৰ ভাবিবলৈ বাধ্য হৈছিলোঁ। শেষ পৰ্য্যন্ত আওকণীয়া হৈ থাকিও আমি অবশেষত আগবাঢ়ি আহিব লগীয়া হ'ল। কটনিয়ান সকলে নিৰ্ব্বাচনী ৰায়দানৰ যোগেদি আমাক এই দায়িত্ব অৰ্পণ কৰিলে হয়, কিন্তু আমাৰ যোগ্যতা সন্দৰ্ভত আমাৰ সন্দেহ আজিলৈকো মাৰ যোৱা নাই। এই সন্দৰ্ভত শেষ বিচাৰো কটনিয়ানৰ আগ্ৰহী পাঠক পাঠিকাসকলৰ।

কেৱল পচাশী হেজাৰ টকাৰ পুঁজিৰে পাঁচ হেজাৰ কপি 'ভাল' কটনিয়ান ছপা কৰি উলিওৱাটো কিমান দুৰূহ কাম সেইয়া এই সন্দৰ্ভত ব্যৱহাৰিক অভিজ্ঞতা নাথাকিলে অনুমান কৰি লব নোৱাৰি। কাগজৰ আকাশ লঙ্ঘী দাম আৰু বেটুপাট আদি চপাবৰ বাবে হোৱা অত্যাধিক খৰছ কটনিয়ান ছপোৱাৰ ক্ষেত্ৰত প্ৰধান বিত্তীয় বাধা হৈ দেখা দিয়ে। উৎকৃষ্ট মানৰ কাগজ ব্যৱহাৰ কৰিব নোৱাৰিলে উৎকৃষ্ট ছপা কাৰ্য্য সম্ভৱ নহয়। অংগসজ্জা, অলংকৰণ ইত্যাদিৰ বাবে কাগজৰ মান উৎকৃষ্ট হোৱাটো নিতান্তই প্ৰয়োজনীয়। তদুপৰি এইবাৰৰ সম্পাদনা সমিতি বিজ্ঞাপন আদি সংগ্ৰহৰ ক্ষেত্ৰত একমত নাছিল। মহাবিদ্যালয় আলোচনীত বিজ্ঞাপন, এই কথাটো বহু বিজ্ঞজনে পচন্দ নকৰে। আলোচনীখন 'ভাল'দৰে চপা কৰি উলিয়াবৰ বাব খৰছৰ থুলমূল খতিয়ান এটা লোৱাৰ পাছত আমি তদনুৰূপ মত পোষণৰ পৰা বিৰত আছিলো যদিও শেষ পৰ্য্যন্ত বিজ্ঞজনৰ মতামতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আমি বিজ্ঞাপন আদি সংগ্ৰহৰ প্ৰচেষ্টাৰ পৰা বিৰত থাকিলো। আলোচনী প্ৰকাশৰ বাবে প্ৰয়োজনীয় উৎকৃষ্ট মানৰ কাগজ বিচাৰি আমি অসম চৰকাৰৰ Printing and Stationeries বিভাগলৈ আবেদন কৰিছিলো। কিন্তু ৰাজনৈতিক উত্থান - পতনৰ চাকনৈয়াত পৰি সেই নিৰ্দ্দিষ্ট বিভাগৰ বহু বিষয়াৰ সালসলনি হোৱাৰ সময়তে আমাৰ আবেদনখন (উচ্চ শিক্ষাধিকাৰ - অসম, Printing and Stationeries বিভাগৰ সঞ্চালক আৰু কটন কলেজৰ ডীন মহোদয়ৰ forwarding letter সংযোজিত) হেৰাল।

অবশেষে প্ৰথমৰে পৰা এই বিভাগৰ সচিব, উপ-সচিব আদি বিষয়া সকলে এই আবেদন খনৰ প্ৰতি এনে নিৰ্লিপ্ত মনোভাৱ পোষণ কৰিছিল যে আমি হতাশ নহৈ নোৱাৰিলো। আমি যেতিয়া পূৰ্ব্বৰ্ত্তি সম্পাদক এজনে এইদৰে চৰকাৰী কাগজৰ অনুদান পোৱাৰ কথা কৈছিলো তেতিয়া তেওঁলোকৰ বেছিভাগেই সেই বিষয়ে অজ্ঞতা প্ৰকাশ কৰিছিল, দুই এজনে এনে মন্তব্য কৰিছিল যে সেইয়া বহু কাৰণত এই শিতানত উল্লেখ কৰিব পৰা বিধৰ নহয় আৰু অইন দুই এজনে পোনে পোনে চি-এমক (C.M.) লগ ধৰিবলৈ উপদেশ দিছিল।

পাছলৈ আমি 'হাড়ে-হিমজুৰে' উপলব্ধি কৰিলো যে 'দীঘল হাত' নাথাকিলে আমাৰ আবেদনে এই ৰঙা ফিটাৰ মেৰপেচ সৰকিবলৈ এবছৰ তেনেই কম সময়।

যি কি নহওক আমি শেহলৈকে 'চৰকাৰ'ৰ মুখলৈ চাই হাত সাৱতি বহি থকা নাছিলোঁ। কিন্তু প্ৰত্যেকজন কটনিয়ানৰ ভাগত অহাকৈ আমি এই সীমিত পুঁজিৰে পাঁচহেজাৰ কপি কটনিয়ান ছপা কৰি উলিয়াব নোৱাৰিলোঁ। তাৰ বাবে কোনো কটনিয়ানে 'কটনিয়ান'ৰ সম্পাদকক জগৰীয়া কৰিব নোৱাৰিব। নিৰ্দ্ধাৰিত পুঁজিতকৈ এপইচাও বেছিকৈ দিবলৈ কৰ্তৃপক্ষ ৰাজী নহয় (কতৃপক্ষৰেই জানো পানীত হাঁহ নচৰা অৱস্থা নহয়?)। ইয়াৰ জৰিয়তে আমি কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিলোঁ ইয়াৰ পাচৰ 'কটনিয়ান'বোৰৰ বাবে যেন নিৰ্দ্ধাৰিত পুঁজি বৰ্দ্ধিত কৰা হয়। (নামভৰ্ত্তিকৰণৰ সময়ত প্ৰতি ছাত্ৰ-ছাত্ৰীৰ পৰা 'কটনিয়ান'ৰ নামত আৰু দহ টকা বেছিকৈ ললেই এই সমস্যাৰ সমাধান ওলাব।)

এটাসময়ত 'কটনিয়ান' খনৰ বাবে লেখা বিছাৰি হাবাথুৰি খাইছিলো। লেখা আহিছিল। গণ্ডাই গণ্ডাই কবিতা আৰু গল্প আহিছিল। কিন্তু এখন 'ভাল' কটনিয়ানৰ বাবে প্ৰয়োজনীয় মানদণ্ড সম্পন্ন লেখা প্ৰায় নাছিলেই। প্ৰবন্ধ শিতানৰ বাবে প্ৰায় সম্পূৰ্ণ ৰূপে শিক্ষক-শিক্ষয়ত্ৰী আৰু অইন বিশিষ্ট ব্যক্তিৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈছিল। 'কটনিয়ান'খন যিমান পাৰো কটন কলেজ কেন্দ্ৰিক আৰু ছাত্ৰ-ছাত্ৰী কেন্দ্ৰিক কৰিম বুলি লোৱা সঙ্কল্প আদ্-বাটতে বিসৰ্জন দিব লগীয়া হ'ল। কটনিয়ান ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ণৰ অভাৱৰ বাবে দেখা দিয়া এনে অন্তঃসাৰ শূণ্যতা সঁচাকৈয়ে বৰ দুঃখদায়ক।

আকৌ বহুতো শিক্ষক-শিক্ষয়ত্ৰী 'কটনিয়ান'ৰ 'মান-মৰ্য্যাদা' সম্পৰ্কে ইমান সন্দিহান যে 'কটনিয়ান'ত লেখিলে তেওঁলোকৰ নিজৰেই 'মান-মৰ্য্যদা' লাঘব হ'ব বুলি তেওঁলোকে

নিজে লেখা দিবলৈ সন্মত হোৱাৰ আগতে সুধি লঁলে কোন কোন বিশিষ্ট ব্যক্তিৰ লেখা ইয়াত থাকিব। যদি তেওঁলোকৰ 'মন-পচন্দ' কোনো 'বিশিষ্ট' ব্যক্তিৰ নাম ওলাল, তেতিয়াহে - নহ'লে, - না। তেনেহলে এখন 'ভাল- Standard' কটনিয়ান ওলাই কেনেকৈ? শেষ পৰ্য্যন্ত এনে 'আত্ম-সন্মান' বোধ থকা সচেতন লেখক-লেখিকাৰ কথাৰ 'চাকনৈয়াত' পৰি 'পাকঘূৰণি' খাঁওতেই সম্পাদকৰ কষ্ট হ'ল আটাইতকৈ বেছি। কিয়নো তেওঁলোকৰ বেছি ভাগেই আমি নিৰ্দ্ধাৰিত কৰি দিয়া বিষয়ৰ প্ৰবন্ধসমূহ লেখি দিবলৈ শেষ মূহুৰ্ত্তত অপাৰগতা প্ৰকাশ কৰিলে আৰু আমি অতি কম সময়ৰ ভিতৰত বিকল্প ব্যৱস্থা কৰিব লগা হ'ল। সেয়েহে আমি (সম্পাদনা সমিতিয়ে) বিচৰাধৰণে আলোচনীখন (বিশেষত ঃ প্ৰবন্ধ শিতানটো) সজাব নোৱাৰিলো। ইয়াৰোপৰি আমাৰ বিভিন্ন ব্যক্তিগত অসুবিধা আৰু ছাত্ৰ হিচাবে থকা পৰীক্ষা ইত্যাদিৰ বাধ্যবাধকতাইও এই ক্ষেত্ৰত কিছু বাধাৰ সৃষ্টি কৰিলে। ইয়াৰ বাবে আমি সমূহ কটনিয়ানৰ ওচৰত নতশিৰে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

যি গৰাকী শিক্ষাগুৰুৰ সহায় আৰু সময়োপযোগী উপদেশ অবিহনে এই আলোচনীয়ে প্ৰকাশৰ মুখ নেদেখিলেহেতেন, তেওঁ ড° ৰমেশ চন্দ্ৰ পাঠক দেৱলৈ মই সশ্ৰদ্ধ কৃতজ্ঞতা যাচিছোঁ। ইয়াৰোপৰি বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি আমাক উৎসাহিত কৰা ড° ৰামচৰণ ঠাকুৰীয়া ড° পবিত্ৰ বৰগোহাঞি, শ্ৰীযুত অম্লানদীপ দাস, শ্ৰীযুত প্ৰদীপ আচাৰ্য্য, শ্ৰীযুত উদয়াদিত্য ভৰালী, শ্ৰীযুতা মঞ্জুদেৱী পেগু, শ্ৰীযুত গৌতম মজুমদাৰ, শ্ৰীযুত দেৱব্ৰত দাস, শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্য্য, শ্ৰীযুত সমীৰ তাঁতী, শ্ৰীযুত উৎপল তালুকদাৰ, জয়দীপ বৰুৱা, চুচেন্দ্ৰ শইকীয়া, বিশ্বজিৎ শৰ্ম্মা, ৰিমঝিম বৰা, প্ৰাঞ্জল শইকীয়া, বিপুল কলিতা, শৈলেন দত্ত দাস, অৰিন্দম বৰকটকী, যোগেন বৰা, ৰণ্‌জন ভট্টাচাৰ্য্য, প্ৰনৱ কুমাৰ বৰ্ম্মন, পবিত্ৰ খাটনিয়াৰ, নিহাৰ ৰণ্‌জন ভট্টাচাৰ্য্য, মুকুল তালুকদাৰ, বুবুল বৰা, নয়ন-পল্লৱ শৰ্মা, পল্লৱ তামুলী, শান্তনু শৰ্মা, চিন্ময় প্ৰকাশ ফুকন, দেৱব্ৰত শইকীয়া, পঙ্কজ কুমাৰ নাথ, দীপজ্যোতি দাস, নৃপেন তালুকদাৰ, শান্তনু বৰঠাকুৰ, অমিয় কুমাৰ দাস, শুভ্ৰলক্ষ্মী দত্ত, দয়ানন্দ ৰংপী, ৰাজীৱ পেগু, কেশৱ গোস্বামী, বিশ্বজিৎ বৰগোহাঁই, চাহিদুৰ আলম, অনুজ বৰা, ৰঞ্জিৎ গগৈ আদিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই চেগতে বিগত মহাবিদ্যালয় সপ্তাহত আয়োজিত সাহিত্য বিষয়ক বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কৃতিত্ব প্ৰদৰ্শন কৰা সকলৰ আকৌ এবাৰ শলাগ ললোঁ।

**অসমীয়া চুটি গল্পঃ**

১ম ঃ বিবেচিত নহ'ল
২য় ঃ প্ৰাণজিৎ বৰা
৩য় ঃ ৰণ্‌জন ভট্টাচাৰ্য্য

**অসমীয়া মৌলিক কবিতা ঃ**

১ম ঃ শৈলেন বৰকাকতি
২য় ঃ প্ৰাণজিৎ বৰা
৩য় ঃ যোগেন বৰা আৰু ৰণ্‌জন ভট্টাচাৰ্য্য

**ব্যঙ্গ ৰচনা ঃ**

১ম ঃ প্ৰাণজিৎ বৰা
২য় ঃ ৰিঙ্কুমণি দেৱ শৰ্ম্মা

**সম্পাদকলৈ চিঠি লিখা প্ৰতিযোগিতা ঃ**

১ম ঃ প্ৰাণজিৎ বৰা
২য় ঃ মনালিছা শইকিয়া
৩য় ঃ গীতিকা ফুকন
উদগণি ঃ চুচেন্দ্ৰ কুমাৰ শইকীয়া

**উপন্যাস পাণ্ডুলিপি ঃ**

১ম ঃ মনালিছা শইকীয়া
২য় ঃ জ্যোতিৰ্ময় গগৈ
৩য় ঃ ৰাজেশ নাথ

**অসমীয়া কথা কবিতা ঃ**

১ম ঃ যোগেন বৰা
২য় ঃ ৰণ্‌জন ভট্টাচাৰ্য্য
৩য় ঃ মনালিছা শইকীয়া
উদগণি ঃ বিপুল কলিতা

**অনুবাদ কবিতা ঃ**

১ম ঃ প্ৰাণজিৎ বৰা
২য় ঃ মনালিছা শইকীয়া
৩য় ঃ অৰিন্দম শৰ্ম্মা

**প্ৰবন্ধ লিখন প্ৰতিযোগিতা ঃ** পুৰস্কাৰৰ বাবে বিবেচিত নহ'ল।

**বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ঃ প্ৰাণজিৎ বৰা**

এইখিনিতে আমি জনাই থওঁ যে বিগত বছৰটোত কটন কলেজ ছাত্ৰ সন্থাই লোৱা সকলো সিদ্ধান্ত /কাৰ্য্যসুচীৰে অংশীদাৰ এই সম্পাদক নাছিল। এই শিতানত তেনে কিছুমান বিষয়ৰ বিস্তৰ আলোচনাৰ পৰা আমি বিৰত থকিলোঁ। যদিও আমি উল্লেখ কৰিবলৈ বাধ্য যে কটন কলেজ ছাত্ৰ সন্থাৰ মুষ্টিমেয় বিষয়ববীয়াৰ বহু সিদ্ধান্ত / কাৰ্য্যাৱলী সামগ্ৰিক ভাৱে কটন কলেজ ছাত্ৰ সন্থাৰ দ্বাৰা অনুমোদিত নাছিল।

সদৌ শেষত কটন কলেজ আৰু কটনিয়ানৰ আশু উন্নতি কামনা কৰি এই প্ৰতিবেদন সামৰিলোঁ।

।। জয়তু কটন কলেজ।।

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ প্ৰতিবেদন

❍ *কৌশিক কুমাৰ গগৈ*
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

প্ৰিয়,

কটনিয়ান সতীৰ্থসকল,

পোনপ্ৰথমে মই সকলো কটনিয়ানলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে যিসকল কটনিয়ানৰ প্ৰচেষ্টা, মৰম আৰু শুভেচ্ছাৰ বাবে মই চলিত বৰ্ষৰ তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদক পদটিত জয়ী হ'লো, তেওঁলোক সকলোলৈকেও মোৰ তৰফৰ পৰা শত সহস্ৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰতিবেদনৰ আৰম্ভনিতে মই মোৰ মনলৈ অহা কিছুমান অনুভৱ আপোনালোকৰ আগত ব্যক্ত কৰিব বিচাৰিছো। কিবা ভুল-ভ্ৰান্তি হ'লে ক্ষমা কৰি দিব।

কটনিয়ানসকল, আমি সকলোয়েই জানো যে বৰ্তমান এই পৃথিৱীত প্ৰতিযোগিতাৰ যুগ,এইখন সমাজত আমি প্ৰত্যেকেই একো একোজন সফল নাগৰিক হিচাপে প্ৰতিষ্ঠিত হ'বলৈ আমি আমাৰ প্ৰতিভাবোৰ, গুণৰাজিবোৰৰ পূৰ্ণ বিকাশ ঘটাব লাগিব। তেতিয়াহে আমি আমাৰ দেশৰ, সমাজৰ প্ৰতি থকা দায়বদ্ধতাখিনি পূৰণ কৰিব পাৰিম। কিন্তু তাকে কৰাৰ আগতে আমি প্ৰত্যেকেই নিজাকৈ এজন বিশুদ্ধ ব্যক্তিত্বসম্পন্ন মানুহ হিচাপে গঢ়ি লব লাগিব। তাৰ বাবে প্ৰথমতেই প্ৰয়োজন - আত্মবিশ্লেষণৰ। এই আত্মবিশ্লেষণৰ ক্ষেত্ৰত "তৰ্ক" আৰু "আলোচনা' এই বিষয় দুটা অতি প্ৰয়োজনীয়। আৰু এই প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই এই বিভাগটিত মই মোৰ প্ৰাৰ্থীত্ব আগবঢ়াইছিলোঁ। এই ক্ষেত্ৰত মই কিমানদূৰ সফল হ'লো, সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

মই মোৰ বিভাগৰ অন্তৰ্গত বহুতো কাৰ্য্যাৱলী ৰূপায়ন কৰিব বিচাৰিছিলো। প্ৰথমতেই মই "মহাবিদ্যালয় সপ্তাহৰ" কথা ক'ব বিচাৰিছো। ইয়াত মই তৰ্ক, কুইজ আৰু বক্তৃতা প্ৰতিযেগিতাৰ আয়োজন কৰিছিলোঁ। কিন্তু মই মোৰ কাৰ্য্যকালৰ প্ৰথম পদক্ষেপতেই থমকি ৰৈছিলো। কাৰণ কটনৰ দৰে এখন আগশাৰীৰ কলেজত অন্ততঃ এই প্ৰতিযোগিতা কেইটাত ইমান কমসংখ্যক প্ৰতিযোগীয়ে যোগদান কৰাত মই স্বাভাৱিকতেই কিছু আচৰিত হৈছিলো। অতি দুখৰ কথা যে, এই প্ৰতিযোগিতাবোৰত দৰ্শকৰ সংখ্যাও তেনেই তাকৰ আছিল। মই কটনিয়ান সকললৈ আহ্বান জনাইছোঁ তেওঁলোকে যাতে ভৱিষ্যত অন্ততঃ 'মহাবিদ্যালয় সপ্তাহ'ৰ বিভিন্ন প্ৰতিযোগিতাবোৰত অংশগ্ৰহণৰ উপৰিও দৰ্শকৰ শাৰীত উপস্থিত থাকে। কাৰণ পঢ়াৰ উপৰিও আমি আমাৰ বৌদ্ধিক, শাৰীৰিক এই সকলো দিশত বিকাশ কৰিলেহে এজন নিকা আৰু শক্তিশালী চৰিত্ৰৰ অধিকাৰী ব্যক্তি হ'ব পাৰিম। তদুপৰি মহাবিদ্যালয় এখনৰ সকলোদিশৰ পৰা সফলতা আৰু একতাৰ বাহ্যিক প্ৰতিচ্ছবি খন এই মহাবিদ্যালয় সপ্তাহে বহুখিনি প্ৰতিফলিত কৰে।

কটনিয়ানসকল, এইটো আমাৰ বাবে অতি গৌৰৱৰ কথা যে চলিত বৰ্ষত কেইগৰাকীমান কটনিয়ানে এই বিভাগৰ অন্তৰ্গত বিভিন্ন প্ৰতিযোগিতাত সফলতাৰে যোগদান কৰিছিল। মই এওঁলোকলৈ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এওঁলোকৰ ভিতৰত হৈছে - সপোনটি বৰুৱা, জ্যোতিৰ্ময় তালুকদাৰ, ৰাজীৱ শৰ্মা, অংকিতা ডেকা, দিগজ্যোতি লহকৰ, বিদ্যুৎ বৰুৱা, মনিকুট শৰ্মা আদি। মই ভাবো এওঁলোক আমাৰ সম্পদ। এই বছৰৰ পৰা এই সম্পদৰ সংখ্যা বাঢ়িবনে? মই কিন্তু তাকে কামনা কৰো।

মোৰ বিভাগৰ অন্তৰ্গত এটা ডাঙৰ কৰ্তব্য হৈছে মানিকচন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় আন্তঃ মহাবিদ্যালয়-বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন। এই প্ৰতিযোগিতা খনে গোটেই দেশতে কটন কলেজৰ বৌদ্ধিক দিশটোৰ প্ৰতি থকা সচেতনতাকে প্ৰকাশ কৰে। মই প্ৰতিশ্ৰুতি দিছো, অতি সোনকালেই মই এই প্ৰতিযোগিতাখন সফলভাৱে অনুষ্ঠিত কৰি আকৌ এবাৰ কটন কলেজৰ গৌৰৱ বৃদ্ধি কৰিম। তদুপৰি মোৰ কাৰ্য্যকালৰ ভিতৰতেই অন্ততঃ এবাৰ হ'লেও গুৱাহাটীৰ স্থানীয় শিক্ষানুষ্ঠানবোৰৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিম। যাতে এইবোৰৰ প্ৰতি আমাৰ কটনিয়ান সকলৰ আগ্ৰহ বৃদ্ধি পায়।

শেষত মই উল্লেখিত সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এওঁলোকৰ উপদেশ আৰু সহায়ৰ অবিহনে মই বহুতো সমস্যাৰ সন্মুখীন হ'লোহেঁতেন। সেইসকল হৈছে - অধ্যাপক গৌতম মজুমদাৰদেৱ (Prof. in-charge), অধ্যাপক দিলীপ বৰুৱাদেৱ, অধ্যাপক অৰ্দ্ধেন্দু বেনাৰ্জীদেৱ, অধ্যাপক অৰূপজ্যোতি চৌধুৰীদেৱ, অধ্যাপক অম্লানদীপ দাসদেৱ, অধ্যাপক শান্তনু চক্ৰৱৰ্তীদেৱ, অধ্যাপিকা ৰাখী মৰল বাইদেউ, অধ্যাপিকা অনিন্দিতা দাসগুপ্তা, প্ৰাঞ্জল, লক্ষী, সুৰেশদা, মৃন্ময়, কল্যাণ, ভক্তিয়াৰী, বিশ্বজিতদা, বিবেক, প্ৰিয়াংকু, প্ৰান্তিক, উত্তম, অংকুৰ, কিশলয়, মৃন্ময়, গীতাৰ্থ আদি। মাননীয়াডীন

মহোদয়া, কটন কলেজ ছাত্ৰ সন্থাৰ অন্যান্য বিষববীয়া সকল তথা কলেজৰ সকলো কৰ্মচাৰীলৈও মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। কটনিয়ানসকল, এইটো ঠিক যে মই যিবোৰ প্ৰতিশ্ৰুতিৰে এই বিভাগত জয়ী হৈছিলো সেই সকলোবোৰ ৰূপায়ণ কৰিব নোৱাৰিলো। তদুপৰি মোৰ কাৰ্য্যকালত মই বহুতো ভুল কৰাটোও স্বাভাৱিক। মোৰ বিফলতা, ভুলবোৰক সমালোচনা কৰাৰ, মোক উনুকিয়াই দিয়াৰ অধিকাৰ আপোনালোকৰ নিশ্চয় আছে। মই কথাদিছো, এই সকলোবোৰ মই আপোনালোকৰ মৰম আৰ্শীবাদ আৰু শুভেচ্ছা হিচাপেহে গ্ৰহণ কৰিম।

কটন কলেজৰ উত্তৰোত্তৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদন ইয়াতে সামৰণি মাৰিব বিচাৰিছো।

জয়তু কটন কলেজ

জয়তু কটন কলেজ ছাত্ৰ সন্থা।

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

*○ অৰূপ চন্দ্ৰ দাস*

সম্পাদক, সংগীত বিভাগ



যৌৱনৰ প্ৰভাত হ'বলৈ আৰু বহু সময়। তেতিয়াই মই প্ৰেমত পৰিছিলো এজনী যৌৱনা, অপৰূপা গাভৰুৰ। নাম তাইৰ কটন কলেজ। চিৰযৌৱনা কটন কলেজ। তেতিয়াৰ পৰাই তাইৰ সতে চিনাকি হ'বলৈ দুৰ্ব্বাৰ হেঁপাহ। সেয়া আছিল ১৯৯১ চন। দিপলিপ গাভৰু জনীৰ স'তে মই প্ৰথম চিনাকি হওঁ। আহি আহি আজি ........

কৰ্মণ্যে ৱাধিকাৰস্তে মা ফলেষু কদাচন।।

কৰ্মতহে মানুহৰ অধিকাৰ, ফলাফল বিচাৰ অনুচিত। কটন মহাবিদ্যালয়ৰ দৰে এক মহান ঐতিহ্যমণ্ডিত অনুষ্ঠানৰ সংগীত বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি কৃতকাৰ্য্যতাৰ জখলাত কিমান উধালোঁ সেই বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত। কিন্তু মনৰ সাঁচতীয়া হেঁপাহ পূৰণৰ বাটকণ মোকলাই দিয়াৰ বাবে সম্পাদকীয় প্ৰতিবেদন আগবঢ়োৱাৰ প্ৰাকমুহূৰ্তত মই সমূহ কটনিয়ানকে মোৰ প্ৰীতিভৰা কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱলৈ আমাৰ কলেজৰ নিৰ্বাচিত দলটিক যোগদান কৰোৱা কাৰ্য্যটো মোৰ কাৰ্য্য গ্ৰহণৰ মাত্ৰ কেইদিন মানৰ ভিতৰতে পৰিছিল। অতি কম সময়ৰ ভিতৰতে নিৰ্বাচন কৰা দলটিয়ে এই অনুষ্ঠানত প্ৰশংসা বুটলিবলৈ সক্ষম হয়।

সপ্তাহযোৱা কাৰ্য্যসূচীৰে এই বছৰৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় জানুৱাৰী মাহৰ ২২ তাৰিখৰ পৰা। সূচীমতে সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহ ২৩ তাৰিখৰ পৰা অনুষ্ঠিত হয়। ২৬ তাৰিখে ছাত্ৰ শিক্ষকৰ সম্বন্ধ নিবিড় কৰাৰ মানসেৰে 'শিক্ষক সন্ধিয়া' নামেৰে এখনি সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হয়। এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে কলেজ সপ্তাহৰ সামৰণি পৰে ২৮ তাৰিখে। দৰদী ৰোমান্তিক গায়ক জুবিন গাৰ্গৰ লগতে অনুষ্ঠানটি সুৰেৰে সজাইছিল আমাৰ মহাবিদ্যালয়ৰ বহুকেইজন উদীয়মান শিল্পীয়ে। 'শিক্ষক সন্ধিয়া'টিত অসমৰ স্বনামধন্য গণশিল্পী খগেন মহন্ত দেৱে সোণত সুৱগা চৰাইছিল।

এই খিনিতে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ আৰু আমাৰ মহাবিদ্যালয় সপ্তাহৰ ফলাফল সমূহ উল্লেখ কৰিব বিচাৰিছোঁ --

সংগীত বিভাগত আমাৰ মহাবিদ্যালয়ে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত লাভ কৰা কৃতকাৰ্য্যতাসমূহ এনেধৰণৰ ——

| প্ৰতিযোগিতা | পুৰস্কাৰ | বিজয়ী |
|---|---|---|
| বৰগীত | প্ৰথম | চন্দনা তালুকদাৰ |
| জ্যোতি সংগীত | প্ৰথম | ঝিৰিমি কাকতি , |
| শাস্ত্ৰীয়বাদ্য (অৱনদ্ধ বাদ্য) | প্ৰথম | নীলকমল বৰুৱা |
| বিষ্ণু ৰাভাৰ গীত | দ্বিতীয় | ঝিৰিমি কাকতি |
| শাস্ত্ৰীয় নৃত্য | তৃতীয় | ৰেখা কলিতা |

## মহাবিদ্যালয় সপ্তাহৰ সংগীত বিভাগৰ ফলাফল সমূহ——

**অসমীয়া আধুনিক গীত**

| | | |
|---|---|---|
| প্ৰথম | ঃ | ঝিৰিমি কাকতি |
| দ্বিতীয় | ঃ | (যুটীয়া ভাবে) হিমাদ্ৰী ভুষণ দাস, |
| | ঃ | কল্যাণ বনিয়া |
| তৃতীয় | ঃ | বাগ্মীতা সান্দিল্য |
| নিচুকণি বঁটা | ঃ | দেবিকা বৰ্মন। |

**পাৰ্ব্বতি প্ৰসাদ বৰুৱাৰ গীত**

প্ৰথম : (যুটীয়া ভাবে) ডেইজী গোস্বামী।
: প্ৰিয়ংকা দত্ত।
দ্বিতীয় : (যুটীয়া ভাবে) ঝিৰিমি কাকতি।
: মিম্‌লি বৈশ্য সাউদ।
তৃতীয় : অজন্তা ঠাকুৰীয়া।
নিচুকণি বঁটা : প্ৰণৱজ্যোতি নাথ।

**জ্যোতি সংগীত**

প্ৰথম : দেবিকা বৰ্মন।
দ্বিতীয় : বাগ্মীতা সান্দিল্য।
তৃতীয় : (যুটীয়া ভাবে) ঝিৰিমি কাকতি।
: অজন্তা ঠাকুৰীয়া।

**বিষ্ণুৰাভাৰ গীত**

প্ৰথম : ঝিৰিমি কাকতি।
দ্বিতীয় : (যুটীয়াভাবে) দেবিকা বৰ্মন।
: দুলুমণি হালৈ।
তৃতীয় : মিম্‌লি বৈশ্য সাউদ।

**লোক গীত**

প্ৰথম : হিমাদ্ৰী ভুষণ দাস।
দ্বিতীয় : দেবিকা বৰ্মন।
তৃতীয় : প্ৰিয়ংকা দত্ত।
নিচুকণি বঁটা : মিম্‌লি বৈশ্য সাউদ।

**জনজাতীয় গীত**

নিচুকণি বঁটা : অজন্তা ঠাকুৰীয়া।

**খেয়াল**

প্ৰথম : বাগ্মীতা সান্দিল্য।
দ্বিতীয় : ঝিৰিমি কাকতি।
তৃতীয় : ইন্দ্ৰানী দিহিংগীয়া।

**ভজন**

প্ৰথম : হিমাদ্ৰী ভুষণ দাস।
দ্বিতীয় : (যুটীয়াভাবে) ঝিৰিমি কাকতি।
: দেবিকা বৰ্মন।
তৃতীয় : ইন্দ্ৰানী দিহিংগীয়া।

**গজল**

প্ৰথম : ঝিৰিমি কাকতি।
দ্বিতীয় : অজন্তা ঠাকুৰীয়া।
তৃতীয় : (যুটীয়া ভাবে) দেবিকা বৰ্মন।
: ইন্দ্ৰানী দিহিংগীয়া।

**বৰগীত**

প্ৰথম : হিমাদ্ৰী ভুষণ দাস।
দ্বিতীয় : দীপক কুমাৰ বায়ন।
তৃতীয় : সুদৰ্শনা বৰদলৈ।

**বাদ্যযন্ত্ৰ (অৱনদ্ধ)**

প্ৰথম : গৌতম কাকতি।
দ্বিতীয় : দীপক কুমাৰ বায়ন।
তৃতীয় : নীলকমল বৰুৱা।

**সমবেত সংগীত**

প্ৰথম : শ্বহীদ মোজ্জামিল হক ছাত্ৰাবাসৰ দল।
দ্বিতীয় : কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ দল।
তৃতীয় : অজন্তা ঠাকুৰীয়াৰ দল।

**শ্ৰেষ্ঠ গায়িকা** : ঝিৰিমি কাকতি।

আজি মই বিভাগীয় প্ৰতিবেদন আগবঢ়োৱাৰ প্ৰয়াস কৰিছোঁ। কিন্তু মোৰ কাৰ্য্যকালৰ এতিয়াও তিনিমাহ সময় আছেই। বিগত সময়খিনিত যিদৰে সংগীত বিভাগৰ কাৰ্য্যসমূহ সমাধানৰ বাবে যত্নপৰ হৈছোঁ সেইদৰে কলেজৰ সৰ্বাংগীন উন্নতিৰ বাবেও সমানেই কষ্ট স্বীকাৰ কৰি আহিছোঁ। এইখিনিতে মোক দিয়া সু-পৰামৰ্শৱলী তথা সহায় সহযোগিতাৰ বাবে মোৰ তত্বাবধায়ক ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী চাৰ, ড° শ্যামা প্ৰসাদ শৰ্মা চাৰ, ড° বন্দনা দত্ত বাইদেউ, ড° তিলোত্তমা বৰুৱা বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। মোৰ সতীৰ্থ প্ৰণৱ, ৰাজমণি, মুকুট, নীলকমল, সুনীল, কল্যাণ, প্ৰাঞ্জল, জ্যোতিৰঞ্জন, বিদ্যুত, হেমন্ত, প্ৰাণজিৎ, ৰামেশ্বৰ, দেৱজিত, হানিফা, মিম্‌লি, অজন্তা, দেবিকা, প্ৰিয়ংকা, দুলুমণি, চন্দনা, ঝিৰিমি, শুভলক্ষ্মী, উত্তম চাৰৰ শলাগ লৈছোঁ তেওঁলোকে মৰমেৰে আগবঢ়োৱা সহযোগিতাৰ বাবে।

লুইতৰ পাৰৰ এই চিৰসজীৱ গৌৰৱোজ্জল অনুষ্ঠানটিৰ বাবে অকণমান হ'লেও কাম কৰাৰ সুযোগকণে মোক বাৰুকৈয়ে উৎফুল্লিত কৰিছে। অজানিতে যদি ক'ৰবাত ভুল হৈছে ক্ষমা কৰিব। এই সুযোগতে কটন মহাবিদ্যালয়লৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। কটন মহাবিদ্যালয় আমাৰ সদায়েই আপোন হৈ ৰ'ব।

অনাগত প্ৰজন্মৰ ভৱিষ্যৎ, অতীতৰ ইতিহাস আৰু বৰ্তমানৰ বিজ্ঞান, সাহিত্য-সংস্কৃতিৰ বিশাল জ্ঞান সমুদ্ৰ কটন মহাবিদ্যালয় চিৰযৌৱনা হৈ ৰওঁক। তাৰেই কামনাৰে —

❑❑❑

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

❍ অৰুণ থাওঁমৌং
সম্পাদক, সমাজ সেৱা বিভাগ



কটন মহাবিদ্যালয়ৰ দৰে এটি মহান অনুষ্ঠানৰ 'সমাজ সেৱা' বিভাগৰ সম্পাদকৰ দায়িত্ব অৰ্পন কৰি মহাবিদ্যালয়ক সেৱা কৰাৰ এই দুৰ্লভ সুযোগ দিয়াৰ বাবে প্ৰতিজন কটনিয়ানলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সমাজ সেৱা এক বিশাল পৰিসৰৰ বিষয় যদিও মোৰ কাৰ্য্যকাল মাত্ৰ এবছৰীয়া হোৱাৰ বাবে আৰু লগতে এই সময়ছোৱাত মহাবিদ্যালয়খন বিভিন্ন সমস্যাৰ মাজেৰে অতিক্ৰম কৰিব লগা হোৱাত মই বিভাগীয় সম্পাদক হিচাপে বৰ বেছি সমাজসেৱা কৰিবলৈ সমৰ্থ হোৱা নাছিলোঁ।

নিৰ্বাচনত জয়ী হোৱাৰ পিছতে মহাবিদ্যালয়খন পৰিষ্কাৰ কৰি ৰাখি এক সুস্থ পৰিৱেশ গঢ়ি তোলাৰ প্ৰচেষ্টা কৰিছিলোঁ যদিও উদাসীন প্ৰশাসন আৰু কৰ্ম্মচাৰীৰ বাবে পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিভাগৰ চৌহদ পৰিষ্কাৰ কৰিয়েই এই আঁচনি স্থগিত ৰাখিবলগীয়া হয়।

যোৱা ৮ মাৰ্চ '৯৬ তাৰিখে চাৰি বছৰ কাল নিষ্ক্ৰিয় হৈ থকা 'কটন কলেজ ৰক্তদান সংস্থা' পুনৰ গঠন কৰা হয়। এই সংস্থাৰেই সক্ৰিয়তাত 'সদৌ অসম স্বেচ্ছাসেৱী ৰক্তদান সংস্থা' আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়ত এটি ৰক্তদান শিবিৰৰ ব্যৱস্থা কৰা হৈছিল। উক্ত ৰক্তদান শিবিৰত মুঠ আঠজন কটনিয়ান, কমল কুমাৰ গুপ্ত, দীপক কুমাৰ দাস, ললিত শ্ৰেষ্ঠ, ভাৰ্গৱ পদ্মপানী, বেদব্ৰত শৰ্ম্মা, কল্যাণ শইকীয়া, সন্দিপ্ন ভট্টাচাৰ্য্য আৰু হিমাংশু নাথে স্বেচ্ছাই ৰক্তদান কৰি অনুষ্ঠানটো সফল কৰি তুলিছিল।

মহাবিদ্যালয়ৰ আবাসসমূহৰ চিকিৎসালয়খন মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু চৰকাৰৰ অমনোযোগিতাৰ বাবে অতি দুখজনক অৱস্থাত উপনীত হৈছে। চিকিৎসালয়খনক পুনৰ কৰ্মক্ষম কৰি তুলিবলৈ সাধাৰণ সম্পাদকে দায়িত্ব লৈছিল। ময়ো ব্যক্তিগতভাৱে Cadila pharmaceutical, P.T pharma, Yash pharmaceutical আদি প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰি সামান্য পৰিমানৰ ঔষধ পাতিৰ বিনামূলীয়া যোগানৰ ব্যৱস্থা কৰিছিলোঁ। এই ছেগতে মই উপৰোক্ত প্ৰতিষ্ঠান কেইটালৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এই বছৰৰ ২২ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত আমাৰ মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথম বাৰৰ বাবে ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসসমূহৰ মাজত পৃথকে পৃথকে শ্ৰেষ্ঠ পৰিষ্কাৰ আবাস আৰু শ্ৰেষ্ঠ পৰিষ্কাৰ কোঠা প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। উক্ত প্ৰতিযোগিতাত সমূহ আবাসীৰ সহযোগিতা আছিল প্ৰেৰণাদায়ক। তলত উক্ত প্ৰতিযোগিতাৰ ফলাফলসমূহ উল্লেখ কৰা হ'ল ঃ

**আটাইতকৈ পৰিষ্কাৰ ছাত্ৰাবাস ঃ**

প্ৰথম ঃ কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস।
দ্বিতীয় ঃ সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাস।

**পৰিষ্কাৰ কোঠাসমূহ ঃ**

প্ৰথম ঃ কোঠা নং ০৬, পি, জি, ব্লক
ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস।
**আবাসীসকল** ঃ শ্ৰীপ্ৰণৱ জ্যোতি পাংগিং।
ঃ শ্ৰীকমলেশ্বৰ কলিতা।

দ্বিতীয় ঃ কোঠা নং ০৬,
কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস।
আবাসীসকল ঃ শ্ৰীশান্তনু বৰঠাকুৰ।
ঃ শ্ৰীউৎপল ফুকন।
ঃ শ্ৰীনৃপেন তালুকদাৰ।
ঃ শ্ৰীশিৱ উপাধ্যায়।

তৃতীয় ঃ কোঠা নং ২৩,
মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰাবাস।
আবাসীসকল ঃ শ্ৰীৰাজু ব্ৰহ্ম।
ঃ শ্ৰীতন্ময় ফুকন।
ঃ শ্ৰীশিখৰজ্যোতি শইকীয়া
আৰু কোঠা নং ১০৩,
আনন্দৰাম বৰুৱা ছাত্ৰাবাস।
আবাসীসকল ঃ শ্ৰীঅমৰদীপ পেগু।
ঃ শ্ৰীঅপূৰ্বজ্যোতি হাজৰিকা।

**পৰিষ্কাৰ ছাত্ৰীনিবাস ঃ নলিনীবালা দেৱী ছাত্ৰীনিবাস।**
**পৰিষ্কাৰ কোঠাসমূহ**
প্ৰথম ঃ ০১৭, স্বহীদ কনকলতা ছাত্ৰীনিবাস।
আবাসীসকল ঃ প্ৰতিভা দাস
ঃ মানসী ঠাকুৰ
ঃ বিনিনা বৰুৱা

| | | |
|---|---|---|
| | ঃ | অঞ্জলি দাস |
| | ঃ | ভাৰতী ৰ'থ |
| দ্বিতীয় | ঃ | ১০৯, নলিনীবালা দেৱী ছাত্ৰীনিবাস। |
| **আবাসীসকল** | ঃ | জুৰি দত্ত |
| | ঃ | সঙ্গীতা চক্ৰৱৰ্তী |
| | ঃ | ল্যাৰণা থাওচেন |
| | ঃ | অনিতা কোঁৱৰ |
| তৃতীয় | ঃ | ২০২, নলিনীবালা দেৱী ছাত্ৰীনিবাস। |
| **আবাসীসকল** | ঃ | বিথিকা বেজবৰুৱা |
| | ঃ | কবিতা আগৰৱালা |
| | ঃ | মুনমুন বৰা |
| | ঃ | ছামিম আহমেদ |
| | ঃ | ইন্দ্ৰানি দিহিঙ্গিয়া |

কোৱা হয় বৰ্তমান যুগটো 'কম্পিউটাৰ'ৰ যুগ। সন্দেহ নাই, সেই যুগটোত প্ৰৱেশ কৰিবলৈ আমাৰ এতিয়াও বহুদূৰ বাকী। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কম্পিউটাৰৰ প্ৰতি আগ্ৰহ জগাই তুলিবৰ বাবে মই মোৰ ক্ষুদ্ৰ সামৰ্থৰে BITS কম্পিউটাৰৰ সহায়ত এখন আঁচনি যুগুত কৰিছোঁ। মোৰ এই পদক্ষেপলৈ BITS ৰ কেন্দ্ৰ প্ৰৱন্ধক সুদীপ্ত ধৰে সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে। এই ছেগতে মই শ্ৰীযুত ধৰলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ।

শেষত কটন কলেজ ছাত্ৰ সন্থাৰ এজন সক্ৰিয় সদস্য হিচাবে সকলো সময়তে বিভিন্ন সহায় তথা পৰামৰ্শ পোৱাৰ বাবে মোৰ বিভাগৰ তত্বাৱধায়ক অধ্যাপক পৰন বৰুৱা ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। তৰোপৰি মই সকলো সময়তে সহায় পোৱা বিভিন্ন আবাসৰ আবাসীসকল আৰু প্ৰতিজন কটনিয়ানৰ ওচৰত চিৰ কৃতজ্ঞ। অনাকাংক্ষিত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু কটনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ❑❑❑

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

❍ *লক্ষী প্ৰসাদ শইকীয়া*
সম্পাদক, লঘু ক্ৰীড়া বিভাগ



প্ৰতিবেদনৰ আৰম্ভনিতে মই সেই সকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিছোঁ যি সকলৰ আশীষ মূৰত লৈ মই কটন কলেজৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে মোৰ কাৰ্য্যভাৰ হাতত লৈছিলোঁ - সপোন দেখিছিলোঁ কটনক শিক্ষা আৰু বৌদ্ধিক চিন্তা চৰ্চাৰ মহৎ কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ লগতে ক্ৰীড়াজগতৰো উৎকৃষ্ট কেন্দ্ৰৰূপে গঢ়ি তোলাৰ।

যি সময়ত পৃথিৱীৰ আগশাৰীৰ দেশমুহে ক্ৰীড়াজগতত উখল মাখল লগাইছে, ক্ৰীড়াৰ যোগেদি দেশৰ মান-সন্মান আৰু গৌৰব বৃদ্ধি কৰাৰ স্বপ্ন দেখিছে সেই সময়ত কটন কলেজৰ দৰে ভাৰতবৰ্ষৰ আগশাৰীৰ কলেজ এখনত খেলাধুলাৰ বাবে নামমাত্ৰ সুবিধাকণৰ অভাৱ হোৱাটোৱেই ক্ৰীড়াজগতখনৰ প্ৰতি চৰকাৰৰ চৰম উদাসীনতাৰ পৰিচয় দিছে। কটন কলেজৰ খেলাধুলাৰ উন্নতিৰ বাবে, নৱাগত প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীসকলক খেল জগতলৈ আকৰ্ষিত কৰাৰ মানসেৰে যিটো "মিনি ষ্টেডিয়াম" নিৰ্মাণৰ কাম বহুদিনৰ আগতে হাতত লোৱা হৈছিল সেইটো আজিও নিৰ্মীয়মান অৱস্থাতে। আনহাতে কলেজৰ গাইগুটীয়া এখন খেল পথাৰ নাই, কোনো খেলাধূলাৰ সামগ্ৰী নাই। খেল বিভাগৰ সম্পাদকৰ নামত যিটো পুঁজি থাকে তাৰে দুই এখন খেল অনুষ্ঠিত কৰাটো বাদেই, খেলৰ বাবে খেলপথাৰ এখন ভাড়া লোৱাৰ বাবেও যথেষ্ট নহয়। গতিকে এনে অৱস্থাত কটনৰ খেলা ধূলাৰ উন্নতি হ'ব কেনেকৈ? হোষ্টেল সমূহে খেলাধূলাৰ বাবে সকলো বস্তু নিজাববীয়াকৈ ক্ৰয় কৰিব লগীয়া হয়, কলেজ কতৃপক্ষই ইয়াৰ বাবে কোনো ব্যৱস্থাই হাতত লোৱা চকুত পৰা নাই তথাপিও কটনিয়ান সকলৰ প্ৰতি আমাৰ যি দায়িত্ব আছিল তাক পালন কৰাত আমি তিলমাত্ৰও অৱহেলা কৰা নাই। বৰঞ্চ নিজৰ হাতৰ পৰাও খৰচ কৰি খেল সমূহ অনুষ্ঠিত কৰাৰ সাহস গোটাইছিলোঁ লগতে বিভাগীয় পুঁজিৰ পৰা আবাসসমূহত দুই এপদ খেলাৰ সামগ্ৰী বিতৰণ কৰিছিলোঁ। কটনত খেলা-ধূলাৰ উৎকৃষ্ট পৰিবেশ এটা গঢ়ি তোলাৰ বাবে যি সপোন আছিল, তাক সাকাৰ ৰূপত প্ৰকাশ কৰাৰ আমাৰ যি প্ৰয়াস আছিল, সেই প্ৰয়াসকেই হাতত লৈ ভৱিষ্যতেও প্ৰতিজন সম্পাদকে নতুন প্ৰত্যয়, নতুন উদ্যমেৰে আগবাঢ়ে, তাৰ বাব আমাৰ অনুৰোধ থাকিল।

মোৰ কাৰ্য্যকালত বিভিন্ন খেলসমূহ অনুষ্ঠিত কৰাত সকলো সময়তে পৰামৰ্শ, সহায় আৰু সাহস যোগাই অহা লঘুক্ৰীড়া বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় ডঃ অৰুণ কুমাৰ বৰা ছাৰ আৰু ভূ-তত্ব বিভাগৰ মূৰব্বী অধ্যাপক মাননীয় কুমুদ বৰুৱা ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। তাৰোপৰি বিভিন্ন দিশত সহায় আগ বঢ়োৱাৰ বাবে কিশলয়, যোগেনদা, প্ৰসেনদা,

জিতেন, ৰূপম, চিৰঞ্জিত, পৰাগ, প্ৰাঞ্জল, বিকাশ, ৰাজীৱ, প্ৰান্তিক, হৃষীকেশ, নয়ন, অভিজিত, পঙ্কজ, আলতাফ, সংগীতা, নন্দিতা, নিবেদিতা, মৈত্ৰেয়ী, শালিনী, চন্দনদা আৰু শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ সমূহ আবাসীলৈ ধন্যবাদ থাকিল।

শেষত কটন কলেজৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু মোৰ কাৰ্য্যকালত হোৱা অনাকাংক্ষিত ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**মহাবিদ্যালয়ৰ সপ্তাহৰ বিভিন্ন খেল সমূহৰ ফলাফল ঃ**

**বেড্‌মিন্টন**

**পুৰুষৰ একক ঃ**

প্ৰথম ঃ অনুপম বৰুৱা
দ্বিতীয় ঃ পৰাঙ্গম গোস্বামী
তৃতীয় ঃ কমল কিশোৰ চক্ৰৱৰ্তী

**মহিলাৰ একক ঃ**

প্ৰথম ঃ জুলী পেগু
দ্বিতীয় ঃ লীনা গগৈ
তৃতীয় ঃ জ্যোতিৰূপা ঠাকুৰ

**পুৰুষৰ দ্বৈত ঃ**

প্ৰথম ঃ প্ৰকাশজ্যোতি গগৈ
অজন্ত চৌধুৰী
দ্বিতীয় ঃ অঙ্কুৰ গগৈ
দূৰ্লভ বৰুৱা

**মহিলাৰ দ্বৈত ঃ**

প্ৰথম ঃ জুলী পেগু
সংগীতা চক্ৰৱৰ্তী
দ্বিতীয় ঃ জ্যোতিৰূপা ঠাকুৰ
মঞ্জুলা হাজৰিকা

**মিশ্ৰ দ্বৈত ঃ**

প্ৰথম ঃ ডাব্বু পাটোৱাৰী
জুলী পেগু
দ্বিতীয় ঃ কমল কিশোৰ চক্ৰৱৰ্তী
ঃ জোনালী পাটিৰ

**শ্ৰেষ্ঠা খেলুৱৈ ঃ জুলী পেগু**

**ভলীবল**

প্ৰথম ঃ মহেন্দ্ৰ নাথ ডেকা ফুকন ছাত্ৰাবাস।
দ্বিতীয় ঃ শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাস।

**শ্ৰেষ্ঠ খেলুৱৈ ঃ অজিত খনিকৰ**

**বাস্কেট বল**

প্ৰথম ঃ স্নাতক শ্ৰেণী।
দ্বিতীয় ঃ শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস।

**○ *Mrinmoy Baruah***
Secretary, Hockey Section

Prior to placing my secretarial report I would like to convey my heartiest thanks to all cottonian friends, teachers and employees without whose help I would probably have ended in empty.

Though holding a smalll portfolio, this tenure as the hockey Secy. provides me with ample opportunity to serve this glorious institution as long as is humanly possible. The election for the session 1995-96 was held very late and by the time we took charge the college week was about to begin. I, with my prof-in-charg Kiran Bhuyan, tried to organize the matches as sincerely as possible. The response and efforts were almost positive, the greatest difficulty, surely my other colleages will mention in their respective reports, is that of space - a field, perhaps the greatest need for the improvement of sport talent in the college. The equipments are simply poor in quality as well. We tried to handle these problems and to an extent got success. Fervently, I request my successors to get these problems solved as early as possible. The results of the college week hockey matches are as follows

**Champion** - M.N.D.P. Hostel.
**Captain** - Robindra Teron.
**Runners up** - S.N.B.C Hostel.
**Captain** - Bikash Gogoi.
**Best player** - Kishalay Das.
**Best Goalkeeper** - Prabal piyush Bharali.

Finally, I extend my warmest wishes to pranjal, Bikash, Kaushik, Jiten (Laaly), Ujjwal, Arunabh, Bharat, Rajani, Dhaneshwar, Vinayak, Sushanta and my respected teachers for their ever ready help and well - wishes

Viva-la-Cotton college.



**○ *Gitartha Das***
Secretary, Boys Common Room Secton

Prior to placing the Annual Report of the Boys' Common Room section I would like to convey my heartfelt thanks to all my fellow Cottonians and wellwishers who supported me in the C.C.U.S. elections and whose valuable votes helped me to get through the tough contest against my equally talented opponent.

I never imagined that I would make it through the elections, but during those tough times my friends helped me in keeping my spirits high and they really boosted up my confidence. Finally when the results were declared, I was surprised, almost shocked to find out that I had actually been elected as the secretary of the Boys' Common Room.

Thus I took up my Secretaryship with a pledge to bring progress and prosperity to Cotton College and to my fellow Cottonians. My first priority was to provide my male friends with a proper "Boys' Common Room", and the matter has been discussed with the College Authorities and a decision has been taken to construct a Boys' Common Room. Moreover I have tried my level best to solve the basic problems faced by the students and also to uphold the status of Cotton College.

During the "Annual College Festival 95-96", whatever competitions under the Boys' Common Room section were to be held was accomplished. The main events were Table-Tennis and Carom but this year I also introduced a Bridge competition which was welcomed and largely appreciated.

**RESULTS OF THE COMPETITIONS HELD UNDER BOY'S COMMON ROOM SECTION ARE AS FOLLOWS :**

**TABLE-TENNIS :**

1. Men's Champion : Chiranjiv Deka. (H.S. 2nd year)
2. Women's Champion : Mitali Dutta (H.S. 2nd year)
3. Men's Doubles Champions : Chiranjiv Deka (H.S. 2nd year), Pranjal Konwar (T.D.C. 1st year)
4. Women's Doubles Champions : Mitali Dutta (H.S. 2nd year), Sangeeta Baruah (TDC 1st year)
5. Mixed Doubles Champions : Mitali Dutta, Chiranjiv Deka (H.S. 2nd year)

**CAROM :**

1. Men's Champion : Taskar Pali
2. Women's Champion : Daisy Borah

**BRIDGE :**

Champions : Biswajit Boro, Vivek Das

Runners Up : Dipak Bhattacharya, Dewitz L. Thiek.

Before I conclude my Annual Report I would like to offer my thanks to the Prof-in-Charge of the Boys' Common Room Section Prof. Manoj Talukdar for his guidance and support without which I wouldn't have been able to accomplish my duties.

Lastly, but not the least, I would like to thank each and every Cottonian for their support and encouragement, but special mentions to my close friends who were with me all the time :
RITVIK, REUBEN, DENNIS, RUBLA, RAHUL, RITURAJ, MANISH, SUMAN, CHIRANJEEV, PRANJAL, BISHNUSHERAR, DHARANIDHAR, AMARJYOTI, MAYURI, MITALI, SANGEETA & OTHERS.

❑❑❑

**❍ *Biju Sonowal***

Secretary, Foot Ball Secton



**ANNUAL REPORT**

At the very outset, I would like to offer my heartiest thanks to all Cottonian friends for the cooperation and encouragement that I have received from them during my tenure as Football Secretary.

Being elected to CCUS was a privilege for me to serve my College. You all know, that the infrastructure necessary for the game of football is lacking in our college. While speaking about infrastructural short comings, I must refer to two very important things - lack of a multipurpose field and non-availability of sufficient funds to undertake rigorous practice and coaching. Although, these have posed me as well as the players host of problems, luckily enough for me everything during the college week went on smoothly. May I also take this opportunity to request everyone concerned to take immediate steps in regard to basic facilities and thereby raise the standard of football in Cotton College. The initiative of my successor is sought for in this respect. During the various matches I noticed that there is no dearth of talented players in our college, but our need is a proper field to practice along with a will to play.

**RESULTS OF FOOTBALL MATCHES DURING COLLEGE WEEK 1995-96**

| | | |
|---|---|---|
| 1. | Champion Team | : **Mahendra Nath Deka Phukan Hostel.** |
| | Captain | : Rabindra Teron |
| 2. | Runners-Up Team | : **Anundoram Barooah Hostel** |
| | Captain | : Dibyajyoti Hazarika |
| 3. | Best Disciplined Team | : **Rajani Kanta Bordoloi Hostel** |
| | Captain | : Biju Kr. Sonowal |
| 4. | Best Player | : Karma Wangchu (MNDP) Hostel |
| 5. | Highest Scorer: | Dibyajyoti Hazarika (A.R.B. Hostel) |
| 6. | Best Goalkeeper | : Probin Chowdhury (R.K.B. Hostel) |
| 7. | Best Disciplined Player | : Minder Teron (M.N.D.P. Hostel) |

❑❑❑

## GENERAL SPORTS SECTION

*❍ Deba Kanta Doley*
Secretary, General Sports Secton

Being a part of CCUS is a unique experience. It was looked upon by me as an opportunity to offer my modest services to the premier institution. But sadly enough I have realised that this institution in maters of sport is lacking the appropriate exposure and a proper guide line. During my secretaryship I had come across many problems like field management, equipments management and time managemant. But It were you Cottonians who stood by me at every juncture of need. I am obliged for the valuable suggestions received from you at different times without which it would not have been possible for me to discharge my responsibilities.

I would like to thank my prof-in-charge Dr. Pradip Sharma whose advice helped me in different ways. Lastly I offer my sincere regards and thanks to all Cottonians, specially to Anthony, Sudip, Bipul da, Rubul, Rekha, Monjula, Meena, Sweta, Juri, Pranab da,. Kamal, Hira and so on.

**RESULT OF THE COMPETITIONS HELD UNDER GENERAL SPORTS SECTION**

**Shot Put Throw : (Girls')**
1st : Sweta Verma.
2nd : Manjula Hazarika.
3rd : Alpana Baruah.

**Discuss Throw : (Girls')**
1st : Sweta Verma.
2nd : Manjula Hazrika.
3rd : Juri Dutta.

**Javelin Throw : (Girls')**
1st : Manjula Hazarika.
2nd : Sweta Verma.
3rd : Alpana Baruah.
Juri Dutta.

**High Jump : (Girls')**
1st : Shelly Brahma.
2nd : Mabi Taipodia.
3rd : Jyoti Rupa Thakur.

**Long Jump : (Girls')**
1st : Geeta Bharali.
2nd : Shelly Brahma.
3rd : Jury Devi.

**Tripple Jump : (Girls')**
1st : Himanjali Chowdhury.
2nd : Shelley Brahma.
3rd : Geeta Bharali.
Sunumoni Baruah.
Jyoti Rupa Thakur.

**Shotput ( Boys')**
1st : Deba kanta Doley.
2nd : Ashok Mushahari.
3rd : Sudip Mukharjeee.
Sujit Baglari.

**Discuss Throw ( Boys')**
1st : Deba Kanta Doley.
Dharanidhar Moran.
2nd : Babu Sing Terang.
3rd : Bipul Deka.

**Javelin Throw ( Boys')**
1st : Deba Kanta Doley.
2nd : Bothlang Lingdo.
3rd : Babu Sing Terang.

**Long Jump ( Boys')**
1st : Bipul Deka.
2nd : Deba Kanta Doley.
3rd : Ananta Smith.

**Tripple Jump ( Boys')**
1st : Sudip Mukherjee.
2nd : Ananta Smith.
3rd : Dip Jyoti Bora.

**High Jump ( Boys')**
1st : Bipul Deka.

2nd : Ananta Smith.
3rd : Deba Kanta Doley.

**RACES :**

**Boys' 100 mt.**
1st : Durgeswar Bikomiya Deori.
2nd : Dipjyoti Borah.
3rd : Dimbeswar Deka.

**Boys' 200 mt.**
1st : Durgeswar Bikomiya Deori.
2nd : Sudip Mukherjee.
3rd : Babu Sing Teron.

**Boys' 400 mt.**
1st : Dipankar Sarma.
2nd : Sudip Mukherjee.
3rd : Manindra Hazarika.

**Boys' 800 mt.**
1st : Dimbeswar Deka.
2nd : Dipankar Sharma.
3rd : Babu Sing Teron.

**Boys' 1500 mt.**
1st : Sudip Mukherjee.
2nd : Munindra Hazarika.
3rd : Dimbeswar Deka.

**Girls 100 mt.**
1st : Himanjali Chowdhary.
2nd : Geeta Bharali.
3rd : Bivarani Sonowal.

**Girls' 200 mt.**
1st : Juri Devi.
2nd : Geeta Bharaii.
3rd : Himanjali Chowdhary.

**Girls' Walking race 1600 mt.**
1st : Shelley Brahma.
2nd : Mobi Taipodia.
3rd : Juri Devi.

**Boys' 4 X 100 mt.**
1st : Prakash Gogoi.
Sudipto Neog.
Himadri Pathare.
Rajkumar Ballavnetra Neog.
2nd : Tilak Kumar Chetri.
Babu Sing Teron.
Dipankar Sharma.
Subhash Lahkar.
3rd : Sudip Mukherjee.
Dimbeswar Deka.
Durgeswar Bikomiya Deori.
Manindra Hazarika.

**Girls' 4 X 100 mt.**
1st : Juri Devi.
Shelley Brahma.
Himanjali Chowdhary.
Geeta Bharali.
2nd : Biva Rani Sonowal.
Reema Bora.
Monalisa Goswami.
Bashelsa Goswami.
3rd : Manju Chetia.
Manasha Kalita.
Ranju Moni Bora.
Geeti Moni Sonowal.

**Best Athlete : Deba Kanta Doley ( Boys')**
**: Shelley Brahma (Girls')**

**Tug of War ( Boys')**
Champion : R.K.B. Hostel.
Runners Up : S.M.H. Hostel.

**Girls'**
Champion : S.K.L. Hostel.
Runners Up : N.B.D. Hostel.

**March Past Competition**
1st : R.K.B. Hostel.
2nd : M.N.D.P. Hostel.
3rd : N.B.D. Girls Hostel
**Best Cadet : Abhijit Dey.** ❑❑❑

# They Brought Us Glory



APARAJEETA SHARMAH
H.S. (ARTS) 8TH POSITION,1996



PRINCEY CHOWDHURY
H.S. (SC.) 2ND POSITION, 1996



DEEPANWITA DAS
H.S. (ARTS) 5TH POSITION, 1996



MEENAKSHI SARMAH
H.S. (ARTS) 8TH POSITION,1996



MS. RANJEETA GOSWAMI
1ST CLASS 1ST WITH DISTINCTION
(T.D.C. SANSKRIT)



MS. SHARMISTHA BORAH
1ST CLASS 1ST WITH DISTINCTIO
(T.D.C. ECONOMICS)



MD. ABUL QASIM
1ST CLASS 1ST (T.D.C. ARABIC)



MS. USHA JAIN
1ST CLASS 1ST (T.D.C. GEOGRAPHY)



SHABEENA YASHMEEN SAIKIA
1ST CLASS 1ST WITH DISTINCTIOI
(T.D.C. ANTHROPOLOGY)

# Other Nostalgic Memories In The Camera



VIEW OF THE MARCH PAST DURING COLLEGE WEEK 1995-96



THE CHAMPIONS IN FOOT BALL, COLLEGE WEEK 1995-96
MOHENDRA NATH DEKA PHUKAN HOSTEL



R.K.B. HOSTEL TEAM. CHAMPIONS
OF THE MARCH PAST COMPETITION FOR TWO CONSECUTIVE TIMES.



ABHIJIT DEY
BEST CADET



DIBYAJYOTI HAZARIKA
HIGHEST SCORER IN FOOT BALL
DURING COLLEGE WEEK 1995-96



FIRST PRIZE WINNER, BIHU HUSSORI, COLLEGE WEEK 1995-96
MOHENDRA NATH DEKA PHUKAN HOSTEL



MS.SHELLEY BRAHMA
BEST ATHLETE (GIRLS') &
CHAMPION OF CHAMPIONS IN ARM WRESTLING



MR. PRABAL PIJUSH.
BEST HOCKEY GOAL KEEPER




DHARANI DHAR MORANG
"MR. COTTON " FOR THREE TIMES IN A ROW & CHAMPION OF CHAMPIONS IN ARM WRESTLING.



MD. LUTFUR RAHMAN.
SINGLE'S CHAMPION IN CARROM FOR THREE CONSECUTIVE YEARS.



ANUPAM BARUAH
BADMINTON SINGLES CHAMPION
1995-96

**Jhirimi Kakati,** a Higher Secondary Second Year Student of Cotton College, the best Singer of the College for the period of 1995-96, also obtained gold medal for Jyoti Sangeet and one silver medal for Bishnurabha Sangeet in the Youth Festival Conducted by Guwahati University 1995.



She has also received several laurels at Northeast State and Zonal level Competitions. She has passed Visharad (vocal) with distinction, conducted by Bhatkhande Music University. Now, she is learning music under the guidance of Pt. Samaresh Choudhary, Calcutta.

**Miss Ankita Deka,** an H.S. IInd Year Student won two gold medal at the debating and elocution Competition at the Gauhati University Youth Festival. She was also declared the best debator at All Assam Competion Organised by S.P.Y.M. Chapter & N.D.D.S. She was also declared the 2nd best debator at the North Eastern Regional level debating Competition organised by Assam Medical College. She also got the 2nd prize at the All Assam elocution Competition organised by B. Barooah College Gauhati. She was a member of the 2nd best team in the debating competition ogranised by Aryabidyapith College. She was a member of the best team at the Krishnakanta Handique Memorial debating competition organised by University Law College.





THE CHAMPIONS OF THE INTER-HOSTEL KATHIN CHANDRA RABHA MEMORIAL QUIZ COMPETITION

Sitting form left to right — Dr. Shyama Prasad Sarma (Suptd.), Sri Maromti Baroowa (Team Leader)
Standing form left to right — Sri Pritam Dutta, Sri Partha Pratim Borah.

# ENGLISH SECTION

## This Issue Presents

### Article :

Assamese Script : Its origin and Development : Dr. Ramcharan Thakuria.
Liberalisation : Redefining the Basic assumptions of Indian Economics : Mr. Kallol Borah, IIIrd Yr.T .D.C.
The Seventh Wonder of the World in Jeopardy : Anupam Pradhan, Msc. Final Yr.
Refurbishing Indian Politics : Nihar Ranjan Bhattacharjee, IIIrd Yr. T.D.C.
Mangement - The Golden Option : Ranjit Baruah, IIIrd Yr. T.D.C.
Gender Bias : Will there be justice? : Nandini Sharmah.
No Nobel Prize for Mathemathics : Why? : Swah Md. Nashre-ul-Islam., IIIrd Yr. T.D.C.
Preservation of Secularism in India : Miss Ritu Agarwal, Prev. Yr. M.A.
Indian Hockey : The Golden Past and Present failures : Dhrubojyoti Saharia, Final Yr. M.A.
Current Global Perspectives : Monikut Sharmah, IInd Yr. T.D.C.

### Review :

Another Step towards Higher Education in Assam : A Report on IITG : Complied by Pranabjyoti Nath, IIIrd Yr. T.D.C. Mukut Choudhury IIIrd Yr. T.D.C.

### Musings :

A Political Experience in Cotton College : Debanjan Borgohain, IIIrd Yr. T.D.C.

### Poetry :

A Wait Forever : Mary Pegu, IInd Yr. H.S.
Confessions : Arindam Sarmah, IIIrd Yr. T.D.C.
The Riddle : Monikut Sarmah, IInd Yr. T.D.C.
Re-Incarnation : Jeevan Gurung, Final Yr. M.A.

### Fiction :

Realization : Urvashi Dutta, IIIrd Yr. T.D.C.

❑ ❑

**Article**

# ASSAMESE SCRIPT : ITS ORIGIN AND DEVELOPMENT

O Dr. Ramcharan Thakuria

The Assamese script is marked by a very long and chequered history. It owes its origin to Old Brāhmī Scripts, like the other scripts of the modern Indian languages. There are controversies amongst the scholars regarding the origin and growth of the Brāhmī Scripts. It is already an established fact that the Brāhmī Script was in vogue in ancient India from the 4th century B.C., barring the scripts of the Mahenjadaro and Harappa age. The time ranging from the 4th century B.C. down to the first century A.D. is considered to be the initial stage for the Brāhmī Script. Depending on the impact of foreign scripts over the Indian ones, discovery of new materials, and also on the diverse examples of the scripts the scriptologists have divided the scripts of the above period under three different heads, : Traditional Period, (during the reign of Ashoka, 269-232 B.C.)[1], Age of Experiment (2nd century B.C.)[2] and the Period of Diffusion (1st century B.C.)3. These categorisations are mere arbitrary divisions based on sheer guess works without any practical relevance. In fact, only after the birth of Jesus Christ the Brāhmī Script started undergoing a systematic change. The Brāhmī Script during the period from the 1st century A.D. down to the 4th century A.D. is popularly known as Kushan Script, while the following changed script form is called the Gupta Script. The Gupta Script had undergone several stages of change. During the 6th century A.D. this change generated several independent forms in Northern India, and this form is known as Siddhāmatrikā or *Kutil Lipi*.[4] This Kutil Lipi, according to Dr. Rakhal Das Bandopadhāy, is the origin of almost all the scripts of eastern India.[5] Even late Sarveswar Sarma Kataki a pioneer of Assamese scriptology, upholds such a view. In his book *Asamīyā Prācin Lipi* he writes - "After the Maurya era the Indian scripts of the Kushan age had undergone some changes. During the Gupta age, in the 4th and 5th century A.D., one can notice the use of several forms of script in North-Eastern, Central and Eastern India. The Kāmrūpī Script is the result of an admixture of Eastern Indian and Kutil Scripts.[6] Besides, Kataki has stated in the beginning of the book -- "During the reign of Kumār Bhāskar Barmā in ancient Kāmrūpa Harsavardhana was the Emperor of India. Barring the ancient stories of Narakāsur, Bhagadatta and others, the growth and development of Assamese Scripts may be said to have started from the days of Kumār Bhāskar Barmā from the 7th century A.D. The copper plate donated by Kumār Bhāskar Barmā is the primary evidence of Assamese scripts"[7]. In addition to the burnt earthen seals and copper plates of Nidhanpur of Sylhet another important copper plate could be found in Dubi (Bajālī) The Dubi plate was discovered in 1951, nearly 15 years after Kakati's book was published. Again almost 35 years after Kataki's book *'Asamīyā Prācin Lipi* three more examples of Old Assamese Scripts of the pre-Bhāskar Barmā era are being discovered during the recent time. This new find has almost discredited the belief that Assamese Script has originated from the Kutil Script. The three recently discovered form of scripts are of : (i) the Umāchal Script of Mahendra Varmā (Bhauma King Surendra Barmā), (ii) Bargaṅga S'aila Anus'asana of Bhuti Varmā of Dabakā and (iii) The Nagājori Khanikarkhanda stone Inscription of Sarupathār of Golaghat District.

**"During the reign of Kumār Bhāskar Barmā in ancient Kāmrupa Harsavardhana was the Emperor of India. Barring the ancient stories of Narakāsur, Bhagadatta and others, the growth and development of Assamese Scripts may be said to have started from the days of Kumār Bhāskar Barma from the 7th century A.D. The copper plate donated by Kumār Bhāskar Barmā is the primary evidence of Assamese scripts"[7]**

According to the scholars, the Nagājorī Khanikar Khanda Stone Inscription of Sarupathār dates back to a time prior to 6th century A.D. (in 5th century A.D.)[8]. Umāchal Script belongs to the last part of the same century,[9] while

Bargaṅgā Stone Script belongs to the middle part of the next century[10]. Moreover, most of the scholars hold the view that the growth of the Siddhamātrikā, a changed form of the Gupta script cannot be dated earlier than the 6th century A.D. So, barring the Bargaṅgā Stone Script, the other two plates may undoubtedly be dated prior to Kutil Script. To substantiate the belief we can cite a few examples, more especially as regards the forms of the alphabets like 'Ka' (ক), 'Ja' (জ), 'Ya' (য) and others:

'Ka' (ক) — The 'ka' script of Nagājorī Khanikar Gāon Stone plate and in the same of Umāchal Script is almost open like the Old Brāhmī script, while the 'Ka' (ক) of Kutil script has a tendency to close up itself.

'Ja' (জ) --The Brāhmī 'Ja' (জ) was like the English 'E' In the Umāchal and the Nagājorī Khanikar Gāon Stone plate too it virtually retains the same form, while the 'Ja' of the Kutil script has taken a modern shape.

'Ya' (য) -- In Brāhmī 'Ya' script had a downward leaning. In Kutil this is something like the Old Assamese alphabet. In Nagājorī Khanikar Gāon Stone Plate and in the Umāchal Script the same still have a opening downward.

'Ra' (ৰ) -- In the beginning 'Ra' (ৰ) had its arm right below. Later, this took a left turn. In Kutil it is like the 'Ra' of 7th century Assamese while in Umāchal and Nagājorī Khanikar Gāon this is almost unchanged, only in bend of the arm being almost straightened.

'Ha' (হ) — In Brāhmī its arm was pointed rightward below, while in the Umachal and Nagājorī Khanikar Gāon Inscription the same is not pointed and its arm is leftward below. In Kutil it is like the 'Ha' of Assamese during the 7th century.

'Wa' (ৱ) — In Kutil it has taken the shape of 'Wa' of Devanāgarī. In Umāchal and Nagājorī Khanikar it is three dimensional, indistinct below.

One can notice some distinct similarities between both the inscriptions and the inscription of Bargaṅgā of Dabakā. In view of such facts should we hold the belief that Assamese script had its origin and growth from the Kutil?

Some people may hold the view that those inscriptions have nothing to do with the Assamese script. They are only the primary examples of Brāhmī & Gupta styles. Since Assamese script is a development of the Brāhmī script it may necessarily have resemblance with any other script drawing from the Brāhmī parent. The alphabets like 'Sa' (স) and 'Ma' (ম) used in these inscriptions resemble the same alphabets of the Old Assamese. One can notice the repeated use of Assamese alphabet 'Wa' (ৱ) in Nagājorī Khanikar Inscription. Besides, one can notice the historical relationship between the above inscriptions and the inscriptions of Dubi, Nidhānpur of Bhāskar Barmā era. From this one can draw the conclusion that the Assamese script had its development on the scripts of those administrative systems. We can also draw the conclusion that Assamese script developed its peculiarities, fairly before the Kutil and the Siddamātrikā, cannot be said to be have developed before Assamese script, which had an independent development prior to both of them. We can cite the words of Dimbeswar Neog, one of the leading pioneers of the study. In 1964 he clearly stated : "From what we have since gathered in our latest studies on the subject, we are now of the opinion that like the speculative theory of Magadhi concocted as the parent of Asamīyā, the notion that the Asamīyā script as developed through Devanāgari or through Gupta and Kutil varieties is really not borne by facts." Mr. A.H. Dani, a great scriptologist, in his book' Indian Paleography', has stated that the changes that took place in the Brāhmī script of the Kushan period had to absorb some mild local changes and variations. This change could be noticed into the Sāñchī, Mathurā, Śrāvantī, Sārnāth and the Kauśāmbī. According to Dr. Verma, inspite of all these changes and variations the Brāhmī script manifested itself in two branches - Eastern and Western forms. The Examples of the Eastern form could be seen in the stone writings of Kaus'āmbi while those of the Western form could be seen in the stone writings Mathurā. It is interesting to note that one can see Some similiarities between the Umāchal Script and those of the Kaus'āmbi script of the time of Chandra Varma of the 4th century A.D.. Comparing both the epigraphs Dr. Verma has stated - "Both the epigraphs have letters with triangle head-mark. The right and left arms of 'Ka' are still open and pointed downwards. 'Ga' in both cases is flat but topped and has a foot mark at the left vertical. 'Ja' is three armed type but in the Uumāchal Specimen the lower arm is further bent downward; a later tendency. 'Na' is open mounted type, with a loop at the left can be seen in both the epigraphs, but there

is one specimen of 'Na' in the section B of Susuniā inscription which is without a loop; also found in the Allahabad pillar inscription of Samudragupta. 'Ta' has no difference. There is no initial 'Da' in the section A of the Susuniā inscription but in the section B there is an old type 'Da' with a little head mark turned to left. 'Dha' in our inscirption is advanced as its left side is bent inward. 'Na' in both epigraphs are of looped variety. There is no 'Bha' in Susuniā but in our specimen there is a bolt in the left foot of the letter. 'Ma' has a tail at its left; but in the suscript it is not there in both the instances"[14]. This sort of similarity can also be noticed between Bargaṅgā inscription of the 6th century A.D. and the Nagājorī Khanikar Gāon inscription of the 5th century A.D.. That is why, on the basis of such views of the renowned scriptologist Dr. Mukunda Madhab Sarma has stated that "as regards style, language and script the above three inscriptions do have much in common"[15]. Although Dr. Verma has not discussed the Nagājorī Khanikar Gāon inscription in particular, he has, however, discussed the other two inscriptions along with the scripts used in the copper-plates of Bhāskar Barmā during the 7th century A.D. Having discussed the same he stated, "...in both these inscriptions the mode of attaching medial vowels is Similar to the Mathurā style inscription of the Kushānas which was also followed in the coinage of Guptas. In the copper-plate inscriptions of Bhāskara Varmā the same mode of attaching medial vowels persists"[16].

> **"From what we have since gathered in our latest studies on the subject, we are now of the opinion that like the speculative theory of Magadhi concocted as the parent of Asamīyā, the notion that the Asamīyā script as developed through Devanāgari or through Gupta and Kutil varieties is really not borne by facts."**

Hence, one can see the elements of Eastern Brāhmī and of the Western one in the Assamese Script developed some distinct peculiarities of its own and they had their origin in the Old Brāhmī Script. Asamese Script had a parallel growth and development along with the Gupta and Siddhmātrikā. In this regard Mr. Dani[17] has pointed out the local impact over the growth and development of the Assamese Script. There is nothing to be worried about what later tendency Dr. Thakur Prasad Verma has noticed about the Umāchal inscription.[18] Because, the Umāchal inscription is almost a hundred years after the Susuniā inscription. Yet one can notice the similarity of origin between the Umāchal Script and the Susuniā script of the Kus'ān form. From all these one can safely infer that Assamese Script is the oldest one amongst the North Indian scripts, since the scholars tend to hold the similar opinion that other scripts of the North Indian languages have arisen from the Siddhmātrikā. Bengali, Oriya and Maitheli etc. scripts cannot perhaps be treated either as sisterly or otherwise with the Assamese Script.[19] We may hold the opinion that if proper investigations are made on the Assamese Script used by the Bhauma Kings between the period from the 2nd and the 4th century A.D. We may discover some of their remnants in Assam.

PROCESS OF DEVELOPMENT : DIFFERENT AGES

From the above discussion it is seen that there is a good deal of similarity between the Assamese Script of the 5th century A.D. and that of the 7th century A.D. One can see the similarity of the alphabets like 'Pa' (প), 'Ma' (ম), 'Ja' (য) etc. of Bhāskar Barmā's Nidhanpur inscription with three dimensional Kutil Script. We are yet to trace the remnants of the Assamese Script of the 8th century A.D. So it is difficult to explain the process of development of Assamese Script during the relevant century. The process of modernization of the Assamese Script virtually started from the 13th century. During the 19th century Assamese Script reached the printing stage. Late Sarbeswar kataki in his book on Assamese Script has divided the process of development of Assamese Script into two broad categories : (i) from the beginning till the 13th century A.D. and (ii) from the 13th century A.D. till the British annexation.[20] For the sake of indepth study we may divide this process of development into some more categories. Therefore, the above two categories being shown and discussed under the given sub-categories :

1. KĀMARŪPĪ SCRIPT (5th century to 12th century A.D.)

A) OLD KĀMARŪPĪ OF BHAUMA SCRIPT (5th to 7th century A.D.)

The Nagājorī Khanikar Gāon inscription of Golaghat (early part of 5th century A.D.), Umāchal incsription of Surendra Varma alias Mahendra Barmā (450-485), Borgaṅgā stone

